# মাধৱ চৌধুৰী মহাবিদ্যালয়

# আলোচনী

৭৩ সংখ্যক

২০২৪-২৫ বৰ্ষ

প্ৰতি,

মাননীয়/মাননীয়া...................................................................

.......................................................................................

ড° সুমন ডেকা, ড° গকুল গগৈ
তত্ত্বাৱধায়কদ্বয়

আৰিফ হুছেইন
সম্পাদক

# মাধৱ চৌধুৰী মহাবিদ্যালয় আলোচনী

**৭৩ সংখ্যক প্ৰকাশ || ২০২৪-২৫ বৰ্ষ**

This Magazine is the annual publication of the students of Madhab Choudhury College, Barpeta. It attempts to reflect the creative writeups, literary practices, art works as well as the articles of the college students, teachers and other writers. This edition of the magazine is edited by Arif Hussain, Literary and Fine Art Secretary and published by the Students' Union of Madhab Choudhury College, Barpeta, 2024-25.

**সভাপতি** ঃ ড° প্ৰকাশ শৰ্মা, অধ্যক্ষ

**তত্ত্বাৱধায়ক** ঃ ড° সুমন ডেকা, ড° গকুল গগৈ

**সম্পাদক** ঃ আৰিফ হুছেইন

**সদস্য** ঃ অৰ্চনা দাস, শৰৎচন্দ্ৰ ভূএগ্ৰ, ড° অৰনী কুমাৰ দাস, ড° ইন্দ্ৰজ্যোতি ৰয়চৌধুৰী, ফুলৰাণী গগৈ, প্ৰাণজিত কলিতা, কৃষ্ণশংকৰ পাঠক, কৃষ্ণা পাঠক

**প্ৰকাশ কাল** ঃ অক্টোবৰ, ২০২৫

**বেটুপাত** ঃ বিকাশ দাস

**কম্পিউটাৰ গ্ৰাফিক্স** ঃ দীপজ্যোতি দাস

**অক্ষৰ বিন্যাস** ঃ মেঘালী দাস

**ভিডিঅ'গ্ৰাফী** ঃ শ্বাহিল আফ্ৰিদী, আৰিফ হুছেইন, ইয়ামিন আলী, ছাবিৰ হুছেইন খান

**কৃতজ্ঞতা স্বীকাৰ** ঃ ড° প্ৰকাশ শৰ্মা (অধ্যক্ষ), ড° সুমন ডেকা, ড° গকুল গগৈ, অৰ্চনা দাস, ড° ইন্দ্ৰজ্যোতি ৰয়চৌধুৰী, শৰৎচন্দ্ৰ ভূএগ্ৰ, ড° অৰনী কুমাৰ দাস, ফুলৰাণী গগৈ, প্ৰাণজিত কলিতা, সঞ্জীৱ দেউৰী, ধ্ৰুৱজিৎ তহবিলদাৰ, মৃন্ময়ী তালুকদাৰ, ছাবিৰ হুছেইন খান, কৃষ্ণশংকৰ পাঠক, ভৃগুজ্যোতি বায়ন, সাজামাল বাদশা, দীপজ্যোতি দাস, বিকাশ দাসৰ লগতে ৰূপলেখা অফচেট প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ।

**মুদ্ৰণ**

ৰূপলেখা অফচেট প্ৰেছ

মুছলিমপট্টি, বৰপেটা

(ট্ৰেজাৰি অফিচৰ সন্মুখত)

# উৎসৰ্গ

*মাধৱ চৌধুৰী মহাবিদ্যালয় অসমৰ ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠানবোৰৰ ভিতৰত অন্যতম। স্বাধীনতাৰ পূৰ্ব যুগৰ পৰা বৰ্তমানলৈ অসমৰ বৈচিত্ৰ্যময় ইতিহাসৰ প্ৰেক্ষাপটত বহুতো সামাজিক-ৰাজনৈতিক উত্থান-পতনৰ সাক্ষী আমাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়।*

*আলোচনীখন সেইসকল সৎ আৰু নিষ্ঠাৱান ব্যক্তিৰ স্মৃতিত শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে উৎসৰ্গ কৰিলোঁ, যিসকলৰ নিৰলস প্ৰচেষ্টাত এই মহাবিদ্যালয়খনে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি আহি এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈ উঠিছে।*




# আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ



মাধৱ চৌধুৰী মহাবিদ্যালয় প্ৰতিষ্ঠাৰ আঁৰৰ মূল ব্যক্তি

**জীৱনলতা চৌধুৰী**



মহাপ্ৰয়াণত

**মাধৱ চৌধুৰী**



প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু স্বাধীনতা যুদ্ধৰ ৰণুৱা

**কামেশ্বৰ দাস**

এম, এছ, ছি, বি, এল,

# সূচীপত্ৰ

## *আদিকথা আৰু স্মৃতিৰ সঁফুৰা*


- বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ আদিকথা || ✍ চিদানন্দ দাস/১১
- একোটা দিন, একো আঁজলি ৰ'দ, এখন মহাবিদ্যালয় || ✍ ড° বিৰিঞ্চি কুমাৰ দাস/১৯
- ড° হৰিনাথ শৰ্মাদলৈ ঃ এক বিশাল ব্যক্তিত্বৰ ৰোমন্থন || ✍ ড° অৰনী কুমাৰ দাস/২৪
- বৰপেটা আৰু এম.চি. কলেজক কেনেকৈ পাহৰোঁ || ✍ ড° হৰিনাথ শৰ্মাদলৈ/২৯
- মাধৱ চৌধুৰী মহাবিদ্যালয় মোৰ মন চক্ষুত || ✍ টুনটুন দাস/৩৭


## *প্ৰবন্ধ*


- অসম কেশৰী অম্বিকাগিৰী || ✍ ড° বাবুল চন্দ্ৰ দাস/৪১
- যুগাৰতাৰ শ্ৰীৰামকৃষ্ণ পৰমহংসদেৰ ভাৰতীয় অধ্যাত্ম চেতনাৰ পূৰ্ণ প্ৰকাশিত ৰূপ || ✍ সুনন্দা মিত্ৰ/৫০
- প্ৰাক্‌শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য || ✍ ড° মনিমা কাকতি/৫৩
- ছক্ৰেটিছ ঃ দৰ্শনৰ প্ৰথম ছহিদজনৰ প্ৰসঙ্গত || ✍ গোবিন্দ চন্দ্ৰ দাস/৫৬
- মানুহৰ বংশগত ৰোগ, কাৰণ আৰু সাম্ভাব্য প্ৰতিকাৰ || ✍ সূৰয চন্দ্ৰ চৌহান/৬৩
- সমসাময়িক ভাৰতীয় নাট্যধাৰাৰ গতি আৰু উত্থান || ✍ কৃতিস্মীতা এইচ্ দাস/৬৯
- বৰ্তমান শিক্ষা-ব্যৱস্থাৰ ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্যৰ প্ৰভাৱ || ✍ ভায়োলিনা ভড়ালী/৭১
- অসমীয়া সংস্কৃতিত তামোল-পান || ✍ অংকুৰ পাঠক, বাবৰি কাকতি/৭৩
- বৰপেটাৰ হাতী-দাঁতৰ শিল্প ঃ এক হেৰুওৱা গৌৰৱ || ✍ মাম্পী দাস/৭৫
- আহোমসকলৰ খাদ্যাভাস || ✍ অস্মিতা দাস/৭৭
- মাধ্যমিক শিক্ষাৰ নিৰ্দ্দেশনাৰ ভূমিকা || ✍ হিয়াশ্ৰী দাস/৭৯
- বঙালী সাহিত্য-সংস্কৃতি || ✍ গৌৰী মণ্ডল/৮২
- ছুড'কু || ✍ কংকনা দাস/৮৬
- ভ্ৰূণহত্যা || ✍ নাৰচিমা চুলতানা/৮৮
- বাল্যবিবাহ ঃ এটা সামাজিক ব্যাধি || ✍ জাহ্নৱী দাস/৯০
- অসমীয়া খাদ্যৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ || ✍ হিমান জ্যোতি দাস/৯২
- ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জীৱন আৰু কৃতি ঃ এক অৱলোকন || ✍ বিবেকানন্দ দাস/৯৩

## *চুটিগল্প*

❖ বন্দী অজগৰ || ✍ হৰ্ষজিৎ চৌধুৰী/৯৭

❖ কলংক || ✍ অন্তৰা দাস/১০০

❖ অস্তৰবি || ✍ ৰীতাঞ্জলি দাস/১০২

❖ পৰিবেদনা || ✍ তাচমিনা আকতাৰ/১০৬

❖ অমৰস্যাৰ শেষত || ✍ নিৰ্মালি দাস/১১০

❖ পুৰণি চিনাকী মুখবোৰ || ✍ মধুস্মিতা কৌশিক/১১৮





## *অনুগল্প*

❖ নতুন সূৰ্যোদয় || ✍ আচমিনা চিক্‌দাৰ/১২১

❖ শেৱালি ফুলৰ সুবাস || ✍ শ্বৰিফুল ইছলাম/১২২

❖ মাহঁতৰ বাবু || ✍ নীলপংখী দাস/১২৩

❖ আলোকপথ || ✍ ইয়ামীন আলী/১২৪

❖ আনন্দ অশ্রু || ✍ চবনম ইয়াচমিন/১২৫

❖ স্বাধীন নে? || ✍ তনুশ্রী শৰ্মা/১২৬

## *নীতি কথা*

❖ মৌমাখি সমাজৰ একতা || ✍ ৰাজিবুল ইছলাম/১২৮



## কবিতা


- ❖ জোনৰ দুঃখ ‖ ✍ ৰুণু স্বৰ্গীয়াৰী/১৩০
- ❖ হঠাৎ আজি ‖ ✍ ড° ত্ৰিদিপ বৰুৱা/১৩১
- ❖ ৰূপৰেখা ‖ ✍ মুকুল উজিৰ/১৩১
- ❖ সুখৰ প্ৰতিশ্ৰুতি ‖ ✍ প্ৰয়াস দাস/১৩২
- ❖ ফাগুনৰ ধূলিয়ৰি সপোন ‖ ✍ আৰেশা ভূএঞা/১৩২
- ❖ ধৰ্ম ‖ ✍ ৰাজিবুল ইছলাম/১৩৩
- ❖ প্ৰেয়সীৰ বতৰা ‖ ✍ ইনজামুল হক খান/১৩৩
- ❖ 'তুমি' ৰ পৰা 'তেওঁ' হোৱালৈ ‖ ✍ শুভ্ৰজিৎ দাস/১৩৪
- ❖ মোৰ মৰমৰ মাধৱ চৌধুৰী মহাবিদ্যালয় ‖ ✍ ৰাহিমা খানম/১৩৫
- ❖ নতুন দিনৰ আশাৰ বতৰা ‖ ✍ ইলিয়াছ খান/১৩৫
- ❖ নিস্তব্ধ স্ক্ৰীনত বন্দী প্ৰজন্ম ‖ ✍ আৰেশা ভূএঞা/১৩৬
- ❖ মা ! তোমাৰ স্মৃতি ‖ ✍ চালামত খান/১৩৬
- ❖ প্ৰতিটো দিনেই মাতৃ দিৱস ‖ ✍ ছাকলিন মোস্তাক/১৩৭
- ❖ ডেউকা ‖ ✍ চপন'ম ইয়াচমিন/১৩৭
- ❖ বহাগী ‖ ✍ অন্তৰা দাস/১৩৮
- ❖ শৰতৰ সপোন ‖ ✍ ফৰিদ মোল্লা/১৩৮
- ❖ জীৱনৰ ৰং ‖ ✍ ৰকিবুল ইছলাম/১৩৯
- ❖ ফাগুন ‖ ✍ সীমাশ্ৰী বৰ্মা/১৩৯
- ❖ হেঁপাহৰ বৰষুণ ‖ ✍ ৰাব্বুল ইছলাম/১৪০
- ❖ আমাৰ মুক্ত ভাৰতবৰ্ষ ‖ ✍ মজিবুল ইছলাম/১৪০
- ❖ নিশা ‖ ✍ হাছিনা খাতুন/১৪১
- ❖ মইনা চৰাইজনী ‖ ✍ অনুস্মিতা দাস/১৪২
- ❖ স্মৃতি ‖ ✍ সাজামল বাদশা/১৪২
- ❖ অমূল্য জীৱন ‖ ✍ তাচমিনা আকতাৰ/১৪৩
- ❖ মৌন ওঁঠৰ হাঁহি ‖ ✍ নুৰতাজ হুছেইন ৰাণা/১৪৩


## অনুবাদ কবিতা


- ❖ কল ৰাত বো ‖ ✍ মৰ্জিনা পাৰ্বীন/১৪৫


## অনুভৱ লেখা


- ❖ গৃহহীন মানুহজন ঃ এটি জীৱনৰ কাহিনী আৰু আমাৰ সমাজৰ প্ৰতিচ্ছবি ‖ ✍ আমিনুল ইছলাম উদ্দিন/১৪৭
- ❖ ফাগুন ‖ ✍ বিতুমণি দাস/১৪৯





## উপন্যাসিকা


- ❖ নীৰৱতাৰ ভাষা ‖ ✍ তুনশ্ৰী শৰ্মা/১৫১




## একাংকিকা নাটক


- ❖ Black Place ‖ ✍ প্ৰাণজিৎ কলিতা/১৫৮
- ❖ খলনায়ক ‖ ✍ কৃষ্ণা কলিতা/১৬৩



## *সাক্ষাৎকাৰ*


❖ পাটনা IIT ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° জগদীশ দাসৰ সৈতে এটি সাক্ষাৎকাৰ || ড° সঞ্জীৱ দেউৰী/১৬৭


❖ বৰপেটাৰ সু-সন্তান মনোজ কুমাৰ দাসৰ সৈতে হোৱা এটি টেলিফোনিক বাৰ্তালাপ || ভৃগুজ্যোতি বায়ন/১৭১


## *গ্ৰন্থ আলোচনা*


❖ মামনি ৰয়ছম গোস্বামীৰ দুখন উপন্যাসৰ নাৰী চৰিত্ৰ || ✍ দীপাংকৰ পাঠক/১৭৫

❖ কাঞ্চন বৰুৱাৰ ‘অসীমত যাৰ হেৰাল সীমা’ ঃ এখনি বহুপঠিত উপন্যাস || ✍ মধুস্মিতা কৌশিক/১৭৯







## *ভ্ৰমণ কাহিনী*


❖ সূৰ্যোদয়ৰ দেশত এভুমুকি || ✍ মুস্তাফা জাকাৰিয়া/১৮২

❖ যুৱ মহোৎসৱৰ হাতবাউলিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পাঞ্জাৱলৈ || ✍ জ্যোতিৰ্গময় ভূএগ্ৰা/১৮৪

**ARTICLE/PROSE**




- ❖ Experimental Theatre : Audience's Perspective || ✍ Dr. Indrajyoti Roychoudhury/187
- ❖ Catharanthus Roseus (Commonly known as Madagascar periwinkle) and Its Benefits || ✍ Dr. Hitesh Das/191
- ❖ Artificial Intelligence (AI) to support Theoretical Physics Research and Teaching Physics in UG classes || ✍ Dr. Tapashi Das/193
- ❖ The Wildeness of Raimona National Park || ✍ Dr. Jaydev Mandal/195
- ❖ Diving in too Deep || ✍ Harshita Das/199
- ❖ The Physics Behind Time Travel : Science or Sci-Fi ? || ✍ Noornehar Begum/201
- ❖ Floods and Erosion in Barpeta, Assam : A Persistent Crisis Demanding Sustainable Solution || ✍ Aminul Islam Uddin/203
- ❖ Heat Waves and The Future of Room Temperature || ✍ Luvna Dewan /207
- ❖ Ramadan || ✍ Sajamal Badsha/209
- ❖ Importance of Rice || ✍ Morjina Parveen/214
- ❖ Influence of Social Media || ✍ Prayshi Sarma/215
- ❖ The Whispering Forest || ✍ Rakhi Sutradhar/216
- ❖ Mira : A Young Girl || ✍ Bhairabi Medhi/217




**POETRY**


- ❖ Haiku || ✍ Chandana Pathak/219
- ❖ Guiding Light || ✍ Barakha Rani Das/2119
- ❖ Life || ✍ Tasmina Aktara/220
- ❖ My Thoughts || ✍ Rakibul Islam/220
- ❖ Reflection on Staring || ✍ Elius Khan/221
- ❖ The Dance of Particles || ✍ Namrata Das/222
- ❖ Our Green House || ✍ Jinnat Arifa/222

- ❖ প্ৰতিবেদন/২২৩-২৪৩
- ❖ ১৯৫১-৫১ চনৰ পৰা ২০২৪-২৫ চনলৈ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ আলোচনী সম্পাদকসকল/২৪৪-২৪৫



# আদিকথা আৰু স্মৃতিৰ সঁফুৰা

# বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ আদি-কথা

**চিদানন্দ দাস**
প্ৰাক্তন অধ্যক্ষ, মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা

তেতিয়া ১৯৩৮ চন। উচ্চ শিক্ষা শেষ কৰাৰ পিছত বৰপেটা আদালতত ওকালতি কৰা আৰম্ভ কৰিছোঁ। তেনে সময়তে বৰপেটাত মই মোৰ জীৱনৰ এটি মহৎ কৰ্ত্তব্য পালন কৰাৰ সুবিধা পাইছিলোঁ। তেতিয়া ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ দিন। আমাৰ বহুতেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও এই আন্দোলনৰ সমৰ্থক আছিল। ৰাজনৈতিক কাম-কাজতকৈ আমাৰ কিছুমানৰ সামাজিক কাজ-কৰ্মৰ প্ৰতি আকৰ্ষণ আছিল অধিক। বিশেষকৈ আমাৰ সমাজৰ শিক্ষাৰ অনগ্ৰসৰতাই শিক্ষিতসকলক আৰু এচাম শিক্ষাপ্ৰেমী সমাজহিতৈষী লোকক অধিক চিন্তিত কৰি তুলিছিল।

মোৰ জন্মস্থান বৰপেটাত মহাপুৰুষীয়া ধৰ্মৰ সাহিত্য সংস্কৃতি চৰ্চা বহুল পৰিমাণে থাকিলেও আনুষ্ঠানিকভাৱে মহাবিদ্যালয় শিক্ষাৰ কোনো অনুষ্ঠান নাছিল। বৰপেটা মহকুমাৰ সদৰ ঠাই হোৱা সত্ত্বেও তেতিয়াৰ দিনত আজি-কালিতকৈ বেছি পশ্চাৎপদ আৰু ভিতৰুৱা অঞ্চল আছিল। তেতিয়া বৰপেটা চৰকাৰী হাইস্কুলেই উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান। তাৰ পিছত ১৯৩২ চনত বৰপেটা বিদ্যাপীঠ স্কুল স্থাপিত হৈছিল। মহাবিদ্যালয় বুলিবলৈ সমগ্ৰ অসমত তেতিয়া মাত্ৰ গুৱাহাটীত কটন মহাবিদ্যালয়, যোৰহাটত বেচৰকাৰী জগন্নাথ বৰুৱা মহাবিদ্যালয় আৰু শ্ৰীহট্টত মুৰাৰীচাঁদ মহাবিদ্যালয় আছিল। অৱশ্যে শিলচৰত মদন মোহন মহাবিদ্যালয় নামে কলেজ এখনো স্থাপিত হোৱা বুলি শুনিছিলোঁ।

এনেকুৱা এটা পৰিস্থিতিত বৰপেটা অঞ্চলৰ বহুসংখ্যক ছাত্ৰই মেট্ৰিক পাছ কৰাৰ পিচতেই উচ্চ শিক্ষা সমাপ্ত বুলি ধৰি লৈছিল। অৱশ্যে অৱস্থাপন্ন ঘৰৰ কিছুসংখ্যক ল'ৰাই হয় কটন মহাবিদ্যালয়ত, নহয় কলিকতাৰ বিভিন্ন মহাবিদ্যালয়ত পঢ়িছিলগৈ। ফলত দুৰ্ভাগ্যক্ৰমে বহু প্ৰতিভাশালী ছাত্ৰই উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হৈছিল।

এই অতি দুখজনক অৱস্থাটো কিছু পৰিমাণে হ'লেও সমাধান কৰিবলৈ স্বৰ্গীয় কামেশ্বৰ দাস, যাদৱ চন্দ্ৰ দাস উকিল (ৰাইজৰ মাজত 'বুঢ়া যাদৱ বাবু' বুলি খ্যাত) প্ৰমুখ্যে আন আন কেবাগৰাকীও নেতৃস্থানীয় লোক, শিক্ষাবিদ, শিক্ষাপ্ৰেমী আৰু সমাজ সচেতন বিশিষ্ট কৰ্মী লগ হৈ বিদ্যাপীঠ স্কুলত এখন মিটিং পাতি বৰপেটাত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ সিদ্ধান্ত কৰে। এখেতসকলৰ লগত ময়ো ঘনিষ্ঠভাৱে নানা কাৰ্য্যত জড়িত হৈ পৰোঁ।

মহাবিদ্যালয় স্থাপন কৰিবলৈ হ'লে স্বাভাৱিকতে এটা শকত পুঁজিৰ প্ৰয়োজন হয়। কিন্তু আকস্মিকভাৱে বৰপেটা দক্ষিণ হাটীৰ ঁমাধৱ চন্দ্ৰ চৌধুৰীৰ (নাজিৰ) পৰিবাৰ (শ্ৰীযুতা) জীৱন লতা চৌধুৰীয়ে (বৰ্ত্তমান স্বৰ্গগতা) কেইজনমান নেতৃস্থানীয় উদ্যোক্তাৰ

অনুৰোধক্ৰমে তেওঁৰ স্বামীৰ স্মৃতি ৰক্ষাৰ্থে দহ হেজাৰ টকা দান দিবলৈ সন্মতি জনাইছিল। তেতিয়া তেওঁৰ একমাত্ৰ পুত্ৰৰো মৃত্যু হৈছিল। জীয়ৰীক বিয়া দিয়াৰ গধুৰ দায়িত্বও আছিল। এই দান এগৰাকী মহীয়সী নাৰীৰেই উদাৰ হৃদয়ৰ পৰিচয়। ১৯৩৯ চনৰ দহ হেজাৰ টকা আজিৰ যুগৰ মূল্যৰে ভাবিলে বহু লাখ টকাৰ সমান হ'ব। সেই সময়ৰ বৰপেটা মহকুমাৰ মহকুমাধিপতি ঁৰবীন্দ্ৰ নাথ খাউণ্ডদেৱেও সহানুভূতিশীল মনোভাৱেৰে বৰপেটা ট্ৰেজাৰীত টকাখিনি জমা ৰাখি থৈছিল। দানটোৰ এটা স্বত্ব আছিল যে মহাবিদ্যালয়খন ভালদৰে স্থাপন নোহোৱালৈকে সেই টকা খৰছ কৰিব পৰা নহ'ব। সেইবাবে এখন ট্ৰাষ্ট বোৰ্ড গঠন কৰাৰ আৱশ্যক হৈ পৰে।

তেতিয়া ভৰ বাৰিষা। মই আৰু স্বৰ্গীয় ঘনশ্যাম দাস কবিৰাজ নাৱেৰে তাৰাবাৰী ঘাটলৈ আহি জাহাজেৰে গুৱাহাটীলৈ আহোঁ। সেই সময়ৰ খ্যাতনামা দেৱানী উকিল স্বৰ্গীয় কামাখ্যা ৰাম বৰুৱাৰ দ্বাৰা এখন ন্যাসপত্ৰ (Trust Deed) কৰি লৈ পুনঃ জাহাজেৰে তাৰাবাৰী ঘাটলৈ আহি নাৱেৰে এটা বিপদসংকুল অৱস্থা অতিক্ৰম কৰি প্ৰায় মাজৰাতি বৰপেটা ওলাওঁ। বানপানীৰ বাবে ৰেল লাইন বন্ধ হোৱাত আমি এইদৰে গুৱাহাটীলৈ আহিব লগা হৈছিল। কেইজনমান উদ্যোক্তাৰ উপস্থিতিত দাত্ৰীৰ ঘৰতে মোৰ বিশিষ্ট বন্ধু স্বৰ্গীয় শৰৎ চন্দ্ৰ কাকতী ই, এ, চিয়ে ন্যাসপত্ৰ (Trust Deed) খন ৰেজিষ্টাৰী কৰি দি আমাক সহায় কৰে। এই কাম হৈ যোৱাত বৰপেটা কীৰ্ত্তন ঘৰৰ আগত স্বৰ্গীয় বুঢ়া যাদৱ চন্দ্ৰ দাস উকিলৰ সভাপতিত্বত এখন ৰাজহুৱা সভাত ৰাইজৰ সন্মতিত মহাবিদ্যালয়খনৰ নাম মাধৱ চৌধুৰী মহাবিদ্যালয় ৰখাৰ সিদ্ধান্ত লোৱা হয়।

আমি সকলোকেইজনেই পৰম উৎসাহত মহাবিদ্যালয় প্ৰতিষ্ঠাৰ কামত নামি পৰোঁ। ঁকামেশ্বৰ দাস ডাঙৰীয়া আছিল অতি কৰ্ত্তব্যপৰায়ণ, সুবিবেচক, বুদ্ধিমান আৰু মিতব্যয়ী স্বভাৱৰ মানুহ। ঁযাদৱ দাস দেৱো আছিল এজন উচ্চ ব্যক্তিত্বসম্পন্ন আৰু সন্মানিত লোক। আন আন উদ্যোক্তাসকলো আছিল প্ৰত্যেকজনেই দায়িত্বশীল আৰু কাৰ্য্যক্ষম মানুহ। গতিকে বৰপেটাৰ ৰাইজে আমাৰ ওপৰত আস্থা স্থাপন কৰিছিল।

১৯৩৯ চনৰ ১৪ জুলাই তাৰিখে বৰপেটাৰ চৰকাৰী ডাক্তৰৰ বাস ভৱনৰ বহল চোতালখনত এখন ডাঙৰ ৰাজহুৱা সভা বহে। সেই সভাতেই অসমৰ মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে মাধৱ চন্দ্ৰ চৌধুৰী মহাবিদ্যালয়ৰ শুভ উদ্বোধন কৰি আমাক সকলোকে উৎসাহিত কৰে। তেখেতৰ বক্তব্যত "বৰপেটাৰ দৰে ভিতৰুৱা ঠাইত এখন মহাবিদ্যালয় হোৱাত আনন্দ প্ৰকাশ কৰিছিল। এই মহাবিদ্যালয়ৰ পৰাই যদি কেইজনমান কৃতী ছাত্ৰ আৰু সুনাগৰিক সৃষ্টি হয়, তেন্তে মহাবিদ্যালয় পতাৰ সাৰ্থকতা হ'ব বুলিও মন্তব্য কৰিছিল।"

ইয়াৰ পিছতেই মহাবিদ্যালয়খন পৰিচালনা কৰাৰ বাবে তলত দিয়া মতে এখন কাৰ্য্য নিৰ্বাহক সমিতি পতা হ'ল —

১। মহকুমাধিপতি বৰপেটা, সভাপতি

২। ঁকামেশ্বৰ দাস, এম, এচ, চি, বি, এল কলেজৰ অধ্যক্ষ সম্পাদক

৩। ঁযাদৱ চন্দ্ৰ দাস (ৰ) উকিল সভ্য

৪। ঁযাদৱ চন্দ্ৰ দাস (চ) বি, এল

৫। চৈয়দ আব্দুল ৰৌফ, বি, এল, এম, এল,এ

৬। ঘনশ্যাম দাস (কবিৰাজ) বি, এ, এম, এল, এ

৭। গিৰীশ চন্দ্ৰ ৰায় চৌধুৰী, বি, এ
(চৰকাৰী হাইস্কুলৰ প্ৰধান শিক্ষক)

৮। সৰ্বানন্দ দাস (স্কুলসমূহৰ অৱসৰপ্ৰাপ্ত ডি, আই)

৯।
১০। } দুজন শিক্ষক প্ৰতিনিধি

স্কুল কৰ্ত্তৃপক্ষৰ অনুমতিক্ৰমে প্ৰথমে বিদ্যাপীঠ হাইস্কুলতে ৰাতিপুৱা মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ বহা আৰম্ভ হৈছিল। প্ৰথম বছৰত ভৰ্ত্তি হোৱা ছাত্ৰৰ সংখ্যা আছিল ৩৮ জন। ইয়াৰ কেইবাজনো ছাত্ৰ ভিতৰুৱা অঞ্চলৰ দুখীয়া পৰিয়ালৰ পৰা অহা। মেচ আদি পাতি থাকি পঢ়াৰো তেওঁলোকৰ সামৰ্থ্য নাছিল। তেনেকুৱা কেইবাজনো ছাত্ৰক দয়ালু মনৰ অৱস্থাপন্ন কেইগৰাকীমান লোকৰ ঘৰত ৰাখি পঢ়াৰ সুবিধা কৰি দিয়া হৈছিল। পিচতো এনেকুৱা বন্দোৰস্ত কৰিব লগাত পৰিছিলোঁ। সেইসকলৰে

কেইজনমানে পিচত চৰকাৰৰ বিভিন্ন বিভাগত উচ্চ পদ লাভ কৰিবলৈ সক্ষম হৈছিল। এইটো আমাৰ পক্ষে এটা সুখকৰ কথা আছিল।

আৱশ্যকীয় বিজ্ঞাপন আদি দি বিভিন্ন বিষয়ত শিক্ষা দিয়াৰ কাৰণে নিযুক্ত শিক্ষকসকল আছিল — ১। পদ্মনাথ বৰুৱা, ২। ক্ষেত্ৰধৰ বৰবৰা, ৩। সৰোজ কুমাৰ ভট্টাচাৰ্য, ৪। অনিল কুমাৰ মজুমদাৰ, ৫। ভোলাৰাম দাস, ৬। জীতেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, ৭। হংসধৰ ভট্টাচাৰ্য্য, ৮। কান্তি কুমাৰ চৌধুৰী, ৯। চিদানন্দ দাস, ১০। দেবীদাস ভট্টাচাৰ্য্য, ১১। অশ্বিনী কুমাৰ দেৱনাথ, ১২। ৰজনীকান্ত চক্ৰৱৰ্তী। কলিকতাৰ আৰু ঢাকাৰ পৰা অহা অৰ্হতাপূৰ্ণ শিক্ষকসকলৰ মাহিলি বেতন আছিল মাত্ৰ ষাঠি টকা। কিছুদিন পিছত তেওঁলোকৰ দৰমহা এশ টকা কৰা হয়। মই, পদ্মনাথ বৰুৱা আৰু ভোলাৰাম দাসে বিনাবেতনে প্ৰায় তিনিবছৰ কাম কৰাৰ পিছত জেপ খৰছ বুলি মাহে ভোলাৰাম দাসক চল্লিশ টকা আৰু আমাক পচিশ টকাকৈ দিছিল। কিছুদিন পিচত আমাৰো দৰমহা কিছু বঢ়াই দিয়ে আৰু আমি তাৰে এটা অংশ মাহিলি চান্দা হিচাবে মহাবিদ্যালয়ৰ পুজিলৈ দি আছিলোঁ। নতুন মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰি সমাজত উচ্চশিক্ষা বিস্তাৰৰ মহান আদৰ্শই আমাক উদ্ধুদ্ধ কৰি ৰাখিছিল। এবাৰ ইংৰাজীৰ অধ্যাপকজনে দীঘলীয়া ছুটী লোৱাত আমাৰ বিশেষ অসুবিধা হয়। তেতিয়া মহকুমাধিপতি ৰবীন্দ্ৰ নাথ খাউণ্ড মহোদয়ৰ সজ্ঞাতে আমি অনুৰোধ কৰাত তেতিয়াৰ জ্যেষ্ঠ ই, এ, চি, সত্যেন্দ্ৰ নাথ বৰকটকী ডাঙৰীয়াই অনানুষ্ঠানিকভাৱে ইংৰাজী অধ্যাপনা কৰি আমাক বিশেষ উপকৃত কৰিছিল, কেতিয়াবা মোৰ অনুপস্থিতিত মোৰ ছাত্ৰ প্ৰাক্তন মন্ত্ৰী আতোৱাৰ ৰহমানেও বুৰঞ্জী পঢ়াইছিল। মহাবিদ্যালয় আৰম্ভ হোৱাৰ কিছুদিন পিচতেই নানা কাম-কাজৰ সুবিধাৰ্থে মোক পৰিচালনা কমিটিয়ে উপাধ্যক্ষ পদত নিযুক্তি দিয়ে। অধ্যক্ষ দাস ডাঙৰীয়া ৰাজনীতিৰ কামত মাজে-সময়ে বাহিৰলৈ ওলাই যাবলগীয়াত পৰিছিল, আৰু এবাৰ আন্দোলন কৰা বাবে কাৰাবাসো খাটিবলগীয়া হৈছিল। এনে অৱস্থাত মহাবিদ্যালয়ৰ কামৰ বোজা মোৰ ওপৰতেই বেছিকৈ পৰিছিল। অৱশ্যে পদ্মনাথ বৰুৱাৰ পৰা মই বিশেষ সহায় পাইছিলোঁ। মহাবিদ্যালয়ৰ পুঁজি দুৰ্বল বাবে ইয়াত কোনো কাৰ্য্যালয় সহায়ক নাছিল। পদ্মনাথ বৰুৱা আৰু মই দুয়ো লগ লাগি কাৰ্য্যালয়ৰ আৱশ্যকীয় কাম-কাজ কৰিছিলোঁ। আনকি সময়ে সময়ে পিয়নজন নথকাত শ্ৰেণী সমাপ্তি হোৱাত মই বেল বজাবলগীয়াও হৈছিল। এনেবোৰ কাম কৰাত আমাৰ কোনো মানসিক দ্বিধা নাছিল। অৱশ্যে প্ৰায় দুবছৰমান পিচত সুন্দৰীদিয়াৰ প্ৰমোদ চন্দ্ৰ পাঠক নামে এজন কৰ্মক্ষম লোকক কাৰ্য্যালয়ৰ সহায়ক পদত নিযুক্তি দিয়া হয়। পালাংদি হাটীৰ পাণোৰামক পিয়ন হিচাবে লোৱা হৈছিল।

সেইসময়ত বেচৰকাৰী মহাবিদ্যালয় সম্বন্ধে চৰকাৰৰ বা শিক্ষা বিভাগৰ কোনো নিয়ম নীতি নাছিল। সেইবাবে আৰম্ভণিতে আমি নিজ বুজেৰে চলিব লগা হৈছিল। তেতিয়াৰ অসমৰ শিক্ষাধিকাৰ মি. জি, এল স্মলচাহাবে মহাবিদ্যালয়ৰ অনুমতিৰ বাবে বিশেষ ভালদৰে মন্তব্য লিখি দিয়া এখন দৰ্খাস্ত লৈ মই আৰু কামেশ্বৰ দাসদেৰে এটা আশাবাদী মন লৈ কলিকতালৈ যাওঁ। তাত বিশ্ব বিদ্যালয়ৰ চিণ্ডিকেটৰ ড° শ্যামাপ্ৰসাদ মুখাৰ্জী (পিচত উপাচাৰ্য্য) ডঃ প্ৰমথ নাথ বেনাৰ্জী (পিচত উপাচাৰ্য্য) ডঃ উপেন্দ্ৰ নাথ ব্ৰহ্মচাৰী আৰু প্ৰিন্সিপাল ডঃ কেমেৰুণ চাহাব প্ৰমুখ্যে চিণ্ডিকেটৰ প্ৰভাৱশালী সদস্যসকলক কিছু চেষ্টা কৰি ঘৰত লগ ধৰি আমাৰ প্ৰাৰ্থনাটো জনাওঁ। তেওঁলোক যদিও সহানুভূতিশীল আছিল তথাপি কিবা এটা আভ্যন্তৰীণ কাৰণবশতঃ চিণ্ডিকেট সভাই আমাৰ প্ৰাৰ্থনা মঞ্জুৰ নকৰে আৰু আমিও হতাশ হৈ ঘূৰি আহোঁ। প্ৰায় দুই তিনিমাহ পিচত আমি দুয়ো আকৌ এবাৰ কলিকতালৈ গৈ প্ৰভাৱশালী সদস্যসকলক লগ ধৰিলোঁ। তেতিয়া চাৰ চাদুল্লা চাহাবে কলিকতা উচ্চ ন্যায়ালয়ত ওকালতি কৰি আছিল। আমাৰ বিশেষ অনুৰোধত তেওঁ আমাক উপাচাৰ্য্য আজিজুল হ'ক চাহাবৰ ঘৰলৈ লৈ যায় আৰু আমাৰ প্ৰাৰ্থনাটো মঞ্জুৰ কৰা বিষয়ে অনুৰোধ কৰে। কিন্তু চিণ্ডিকেট সভাই অনুমতি নিদি মহাবিদ্যালয়খন এবাৰ পৰিদৰ্শন কৰাৰ বাবেহে নিৰ্দেশ দিয়ে। এই ব্যৱস্থাই বিশ্ববিদ্যালয়ৰ লগত আমাৰ মহাবিদ্যালয়ৰ অন্ততঃ এটা

যোগাযোগ স্থাপন হোৱাত আমি কিছু সুখী হৈছিলোঁ। আমাৰ কলিকতালৈ যোৱা দ্বিতীয় যাত্ৰাটো বিশেষ কষ্ট আৰু অস্বস্তিকৰ আছিল। কিয়নো দ্বিতীয় মহাসমৰৰ বাবে ব্ৰহ্মদেশৰ পৰা বহুতো ভগনীয়ালোকে ৰেলযাত্ৰাত বিশেষ অসুবিধাৰ সৃষ্টি কৰিছিল। মহাবিদ্যালয়ৰ পৰিদৰ্শক আছিল অধ্যাপক সতীশ চন্দ্ৰ ঘোষ। তেখেতৰ লগত মোৰ ব্যক্তিগত পৰিচয় আছিল। আমি পঢ়াৰ সময়ত তেওঁ স্নাতকোত্তৰ শ্ৰেণীসমূহৰ চেক্ৰেটাৰী আছিল। আমি তেখেতৰ ঘৰলৈ গৈ মহাবিদ্যালয়খন কিছু সোনকালে পৰিদৰ্শন কৰাৰ বাবে বিশেষভাৱে অনুৰোধ জনালোঁ। তেখেতেও সোনকালে আহিব বুলি সন্মতি জনালে। আমি দুয়ো বৰপেটালৈ ঘূৰি আহি উদ্যোক্তাসকলক সকলো কথা জনালোঁ।

এদিন মহাবিদ্যালয় পৰিদৰ্শনৰ দিন জনাই দিয়া টেলিগ্ৰাম এখন আহিল। নিৰ্দিষ্ট দিনৰ দিনাখন তেখেতক বৰপেটাৰোড ষ্টেচনৰ পৰা তেতিয়াৰ মহকুমাধিপতি চন্দ্ৰকমল ভূঞা ডাঙৰীয়াৰ গাড়ীখনেৰে লৈ আহি বৰপেটা চাৰ্কিট হাউছত থকাৰ সু-ব্যৱস্থা কৰা হ'ল। পিচদিনা পুৱা তেওঁ মহাবিদ্যালয় চাবলৈ আহিল। সেইসময়ত বিদ্যাপীঠ হাইস্কুলৰ চোতালত তেওঁক অভ্যৰ্থনা জনাবলৈ বহুসংখ্যক লোক গোট খাইছিল। গোটটো দেখি তেওঁ সুখী আৰু আচৰিতো হৈছিল। নতুন মহাবিদ্যালয়খনৰ সকলো তথ্যপাতি তেওঁৰ ওচৰত দাখিল কৰা হয় আৰু তেওঁকো সন্তুষ্ট হোৱা যেন দেখা গৈছিল। কিন্তু মহাবিদ্যালয়ৰ আৱশ্যকীয় স্থায়ী পুঁজি লৈ এটা সমস্যা হ'ল। আমাৰ পুঁজি আছিল আঠ হেজাৰ টকা। তেওঁ জনালে যে যদি গধূলিৰ কিছু পিচতে তেওঁক দহ হেজাৰ টকাৰ স্থায়ী পুঁজি এটা দেখুৱাব পাৰোঁ তেনেহ'লে মহাবিদ্যালয়খনৰ স্বীকৃতি সম্পৰ্কে সন্মতিসূচক মন্তব্য লিখিব পাৰে। এই কথা শুনি আমাৰ এক মহা চিন্তা হ'ল — ইমান কম সময়ৰ ভিতৰত দুই হেজাৰ টকা কেনেকৈ যোগাৰ কৰা যায়। তেতিয়া মুখ্য উদ্যোক্তাসকলে উপায়হীন হৈ আমবাৰী হাটীৰ উদাৰমনা হৰি দাস মহাজনৰ ঘৰলৈ গৈ দুহেজাৰ টকা ধাৰলৈ বিচৰাত তেওঁ বিনা সূতে টকাখিনি দিয়ে। অৱশ্যে আমি তিনিজন মানে এখন হেণ্ডনোট লিখি দিওঁ। আমি দান-বৰঙণি তুলি লাহে লাহে ঋণ পৰিশোধ কৰোঁ। পৰিদৰ্শকৰ পৰামৰ্শ মতে দহ হেজাৰ টকাৰ পুঁজিটো গধূলি আঠমান বজাত গৈ দেখুওৱাত তেখেতে সন্তুষ্টি প্ৰকাশ কৰে। আমিও হৰিদাস মহাজনৰ অনুগ্ৰহত এটা সংকটৰ ৰক্ষা পৰা যেন পালোঁ। পিচদিনাখন পুৱা ভূঞা ডাঙৰীয়াৰ গাড়ীখনৰেই তেওঁক বৰপেটাৰোড ষ্টেচনত ৰেলত তুলি দি বিদায় লৈ আহিলোঁ।

কিছুদিন পিচত বিশ্ববিদ্যালয়ে চিঠি দি প্ৰথমদল ভৰ্ত্তি হোৱা ছাত্ৰক অনুমতি দিব নোৱাৰা বুলি জনালে। অৱশ্যে এইসকলৰ কোনোবাই ইচ্ছা কৰিলে বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত যিকোনো মহাবিদ্যালয়তে পূজাৰ বন্ধৰ পিছতে নাম লগাব পাৰিব বুলি অনুমতি দিলে। কেইজনমান ছাত্ৰইহে এই সুবিধা ল'বলৈ সক্ষম হৈছিল। বাকীবিলাকৰ বছৰ এটা লোকচান হ'ল। আমি স্বাভাৱিকতে দুখ আৰু বেজাৰ পালোঁ। কিন্তু হতাশ নহৈ শ্ৰেণীসমূহো চলাই থকা হৈছিল। একে অৱস্থাতে যোৰহাটৰ জে. বি. মহাবিদ্যালয়ৰো এবছৰ ক্ষতি হৈছিল। সেইটোৱেই আমাক কিছু সান্ত্বনা দিছিল। অৱশ্যে পিছৰ বছৰত বিশ্ববিদ্যালয়ে ছাত্ৰ ভৰ্ত্তিৰ অনুমতি দিয়াত মহাবিদ্যালয়ৰ সকলো কাম-কাজ নিয়মীয়াভাৱে আৰম্ভ কৰা হয়।

বিশ্ববিদ্যালয়ৰ স্বীকৃতি পাবলৈ হ'লে মহাবিদ্যালয়ৰ ঘৰ-মাটি লাগে। মাটিৰ বিষয়ে কামেশ্বৰ বাবু আৰু মই চিলঙলৈ গৈ তেতিয়াৰ ৰাজহ মন্ত্ৰী চৈয়দুৰ ৰহমান চাহাবক লগ ধৰিলোঁগৈ। তেখেতে মাটি দিয়া ইচ্ছা প্ৰকাশ কৰি এটা নিয়মৰ অসুবিধাৰ কথা জনালে। কিন্তু পিচদিনা আমাৰ বিশেষ অনুৰোধক্ৰমে উদাৰমনা মন্ত্ৰী গৰাকীয়ে কিছু নীতিগত বাধা সত্বেও বৰপেটাৰ বৰ্তমান বসতিপূৰ্ণ মেটুৱাকুছি পথাৰত ৫০ বিঘা মাটি আৱণ্টন দিবলৈ নিৰ্দেশ দিয়ে। মাটিখিনি পথৰুৱা আৰু দ। সেইবাবে মূল ঘৰটোৰ ভোট নিৰ্মাণ কৰাৰ বাবে মহাবিদ্যালয়ৰ চৌহদতে এটা ডাঙৰ খাল খান্দ ভেটিটো বন্ধা হ'ল। এই কামত গৌৰীবাবু নামে খ্যাত এজন সম্ভ্ৰান্ত ব্যৱসায়ী আৰু সমাজকৰ্মীয়ে আমাক বিশেষ সহায় কৰিছিল। তাৰ পিছতে ঘৰটো নিৰ্মাণৰ প্ৰস্তুতি আৰম্ভ হয় আৰু লগতে চান্দা আদি তোলা কামো চলি থাকে।

মহাবিদ্যালয় এখন স্থাপন কৰি চলাই থকাৰ বাবে এটা শকত পুঁজিৰ আৱশ্যক। সেইবাবে আমি সকলোৱে নিয়মীয়াভাৱে দান-বৰঙণি সংগ্ৰহ কৰাত লাগিলোঁ। আমি বৰপেটা চহৰৰ বাহিৰেও বৰপেটাৰ কিছুমান ভিতৰুৱা অঞ্চললৈ আৰু বাহিৰৰ আন আন কিছুমান দূৰ ঠাইলৈ গৈ চান্দা তুলি কিছু ধন সংগ্ৰহ কৰিছিলোঁ। মোৰ সহপাঠী আৰু বন্ধু উপেন্দ্ৰ নাথ দাসৰ (আইনজীৱী) লগতে কলেজ স্থাপনৰ বাবে লগাচিয়া, কামাৰ গাঁও, ৰাঙাপানী আদি গাঁৱলৈ গৈছিলোঁ। তেওঁ মাজে সময়ে কিছু হাস্যমধুৰ কথা কৈ আমাক আনন্দিত কৰিছিল। এই কামত তুলনামূলকভাৱে কামেশ্বৰ বাবু আৰু মই কিছু বেছি চেষ্টা আৰু কষ্ট কৰিবলগীয়া হৈছিল। সৌভাগ্যক্ৰমে আমি দুটাই কিছু শকত পৰিমাণৰ দান গোটাবলৈ সক্ষম হৈছিলোঁ। কলিকতাৰ ব্যৱসায়ী এজনে বাগাৰীয়া অইল মিল নামেৰে বৰপেটাৰোডত এটা ডাঙৰ তেলৰ মিল খুলিছিল। তেতিয়া খনীন্দ্ৰ চন্দ্ৰ বৰুৱা মহাশয় বৰপেটাৰ মহকুমাধিপতি আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আছিল। আমাৰ অনুৰোধত বিধিগতভাৱে তেখেতে মিলটোক কিছু সহায় কৰে। এদিন মিলৰ মালিক জনক আৰু মহাবিদ্যালয়ৰ কেইজনমান বিশিষ্ট উদ্যোক্তাক আমাৰ ঘৰলৈ মাতি আনি অনুৰোধ জনোৱাত তেওঁ আঠ হেজাৰ টকাৰ এটা দান আগবঢ়ায়।

অবিভক্ত কামৰূপ জিলাৰ উপায়ুক্ত এচ, কে দত্ত (আই, চি, এচ) এবাৰ বৰপেটালৈ আহে। তেওঁৰ লগত মোৰ কিছু ঘনিষ্ঠতা থকা বাবে চাৰ্কিট হাউচত তেওঁক লগ ধৰিলোঁ। কিছু কথা-বতৰা পতাৰ পিচত আমাৰ মহাবিদ্যালয়খনক কিবা সহায় কৰাৰ বাবে উনুকিয়ালোঁ। তেখেতে কোনো মতামত প্ৰকাশ নকৰাত মই কিছু অপ্ৰস্তুত অনুভৱ কৰিলোঁ। অলপ কথা বতৰাৰ পিচতেই মই বাৰ লাইব্ৰেৰীলৈ ঘূৰি আহিলোঁ। ইতিমধ্যে তেখেতে কোনো এজন ব্যৱসায়ীৰ পৰা পাঁচ হেজাৰ টকাৰ চেক্ এখন যোগাৰ কৰি পিয়নজন পঠাই মোক মাতি নি চেকখন দিলে মযো তেখেতক ধন্যবাদ জনাই বিদায় লৈ আহিলোঁ।

প্ৰত্যেক বছৰে বৰপেটাৰ চৰকাৰী মীন মহলবোৰ মহকুমাধিপতিয়ে নীলাম কৰাৰ দিনাখন কামেশ্বৰ বাবু, বুঢ়া যাদৱ বাবু আৰু মই মহকুমাধিপতিয়ে জনাকৈ বঙলাৰ ভিতৰত কোঠালিটোত বহি থাকোঁ। নীলামৰ শেষত ওলাই আহি কেইজনমান সদাশয় মীনমহলদাৰক লগ ধৰি মহাবিদ্যালয়ৰ বাবে কিছু আৰ্থিক সাহায্য আদায় কৰোঁ। ধন সংগ্ৰহৰ কিছুমান কষ্টকৰ কামৰ ভিতৰত অন্ততঃ দুটা উল্লেখযোগ্য। টিহুৰ পৰা বেয়া ৰাস্তা বাবে মহৰ গাড়ীৰে আমি তিনিজনে ডুমনী বাগিছালৈ গৈ বজালীৰ ধনেশ্বৰ মহাজনৰ চৰেমাৰি গাঁৱৰ দোকানত পানীৰ কষ্ট সত্ত্বেও দুৰাতি কটাওঁ। এবাৰ মুকালমুৱাত এখন ডাঙৰ সভাত মুখ্যমন্ত্ৰী চাৰ ছাদুল্লা চাহাব কেইজনমান সতীৰ্থসহ তালৈ অহা খবৰ পাই মহাবিদ্যালয়ৰ এটা অনুদানৰ বাবে তেখেতক লগ ধৰিবলৈ লোকেল বোৰ্ডৰ চেয়াৰমেন ধনীৰাম তালুকদাৰ ডাঙৰীয়া প্ৰমুখ্যে এটা সবল সজাতি দল তালৈ গৈছিলোঁ। চেঙাৰ পৰা ৰাস্তা বেয়া বাবে চেঙাৰ বঙলাৰ পৰা দুখন কোদাল গাড়ীত তুলি লৈ কেইবাঠাইতো ৰাস্তা সমান কৰি কাটি কাটি তালৈ যাব লগা হৈছিল। ছাদুল্লা চাহাবক দৰ্খাস্ত এখন দি তেওঁৰ পৰা কিছু আশ্বাস পাই আমি ঘূৰি আহোঁ। এনে ধৰণৰ কাম আৰু উদ্যোক্তা সকলৰ চান্দা আদি তোলাৰ ফলত কিছু অৰ্থ সংগ্ৰহ হয়।

মহাবিদ্যালয়ৰ মূল ভৱনটোৰ নক্সা আদি কামেশ্বৰ বাবুৰ জোৱায়েক বৰপেটাৰ গড়কাপ্তানি বিভাগৰ অভিযন্তা হৰেশ্বৰ কাকতিয়ে তৈয়াৰ কৰি দিছিল। নিৰ্মাণ কাৰ্য্যৰ বাবে ঠিকাদাৰৰ ওপৰত নিৰ্ভৰ নকৰি দক্ষিণ হাটীৰ বিলাস মিস্ত্ৰীক ভাৰ দিয়া হৈছিল। আমাৰ লগতে কামৰ তদাৰক কৰিছিল বিলৰতাৰি হাটীৰ অৰবিন্দ দাস ঠিকাদাৰে। কাৰিকৰী কাম আদিৰ বিষয়ে হৰেশ্বৰ কাকতি ডাঙৰীয়াই সঘনে চাই চিতি পৰামৰ্শ আদি দি বিল আদিও পাছ কৰি দিছিল। ঘৰটোৰ নিৰ্মান কাৰ্য্যৰ বাবে মেটুৱাকুছি ৰিজাৰ্ভৰ কাষত আমি নিজাকৈ এটা ইটাৰ ভাটা পোৰাৰ দিহা কৰিছিলোঁ। পৌৰসভাৰ অনুমতিক্ৰমে ৰাস্তাৰ ওপৰত ওলমি পৰা গছ কিছুমানৰ ডালবিলাক কাটি আমি ইটাৰ ভাটাত জুই জ্বলোৱাৰ ব্যৱস্থা কৰা হৈছিল। এই কামটোত গৌৰীকান্ত দাসে সহায় কৰিছিল। কাঠ, টিনপাত আৰু চিমেন্ট আদি চুৰি মোকৰ্দ্দমা সংক্ৰান্তত কেতিয়াবা কেতিয়াবা আদালতত বাজেয়াপ্ত কৰা সামগ্ৰীসমূহ বিচাৰকক অনুৰোধ কৰাত মহাবিদ্যালয়ৰ বাবে দিবলৈ

হুকুম দিছিল। পলাশবাৰীৰ পৰাও আমি কিছুমান কাঠ কিনিছিলোঁ। সেই সময়ত মাজবাটৰ ফৰেষ্ট ৰেঞ্জাৰ (পিচত ডি, এফ, অ) বৰপেটাৰ ৰজনীকান্ত দাস ডাঙৰীয়াক অনুৰোধ কৰাত কিছু সুবিধাজনক চৰ্ত্তৰ কিছুমান কাঠ দি আমাক সহায় কৰিছিল। টিনপাত আৰু অন্যান্য বস্তু আদি দৰদাম কৰি বজাৰৰ পৰা কিনা হৈছিল। এনেকুৱা ব্যৱস্থাবোৰৰ ফলত ঘৰটো নিৰ্মাণ হৈ উঠে।

বৰপেটাৰ খ্যাতনামা ব্যৱসায়ী চণ্ডীচৰণ কাকতিৰ বৃদ্ধ কালত উদ্যোক্তাসকলৰ এটা সজাতি দলে মহাবিদ্যালয়ৰ বাবে সহায় বিচাৰি যাওঁ। কিছু কথা-বতৰাৰ পিচত তেওঁ চাৰি হেজাৰ টকাৰ এটা দান দিয়ে। কৰ্তৃপক্ষইও মূল ঘৰটোৰ ডাঙৰ ৰুমটো 'চণ্ডীচৰণ কাকতি' হ'ল বুলি নামকৰণ কৰিবলৈ সন্মত হয়। এই বিষয়ত তেখেতৰ পুত্ৰ ধৰ্মকান্ত কাকতি বি, এলয়েও আমাক সহায় কৰিছিল।

বিদ্যাপীঠ স্কুলত মহাবিদ্যালয় চলি থাকোঁতেই এটা অনুদানৰ বাবে প্ৰাক্তন বিধায়ক ঘনশ্যাম দাস (কবিৰাজ আৰু মই চিলঙলৈ গৈ চেষ্টা কৰাৰ ফলত মাহিলি এশ টকাৰ অনুদান এটা মঞ্জুৰ কৰে। সেইসময়ত খুব সম্ভৱ স্বাধীনতা আন্দোলনৰ কামত যুক্ত হৈ কামেশ্বৰ বাবু জেলত আছিল।

এবাৰ তেতিয়াৰ অসমৰ শিক্ষামন্ত্ৰীগৰাকীয়ে আমাৰ মহাবিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহে। তেতিয়া কামেশ্বৰ বাবু বৰপেটাত নাছিল। তেখেতে আন আন নথিপত্ৰ আদি চোৱাৰ লগতে ছাত্ৰসকলৰ মাচুল আদায় কৰা বহীটোও চায়। তাত কেইবাজনো দুখীয়া ছাত্ৰক সম্পূৰ্ণ আৰু আধা মাচুল মাফ দিয়া দেখি তেওঁ অসন্তুষ্টি প্ৰকাশ কৰি এটা দাতব্য অনুষ্ঠান (Charitable Institution) খুলিছোঁ নেকি বুলি প্ৰশ্ন কৰিছিল। আমি এটা বাধ্যতামূলক অৱস্থাত পৰিহে তেনেকুৱা কৰিব লগা হৈছিল বুলি জনাইছিলোঁ। তেতিয়ালৈকে মহাবিদ্যালয়ে বিশ্ববিদ্যালয়ৰ স্বীকৃতি পোৱা নাছিল। সম্ভৱ সেইটো বিধিগত কাৰণৰ বাবেই কিছুদিন পাছত অনুদানটো বন্ধ কৰি দিয়াত আমি বিশেষ অসুবিধাত পৰিছিলোঁ। এদিনাখন অসমৰ শিক্ষাধিকাৰ বিশিষ্ট শিক্ষাবিদ এচ, চি, ৰয়, এম, এ (আই, ই, এচ) ডাঙৰীয়াই অসম উপত্যকাৰ স্কুলসমূহৰ পৰিদৰ্শক মাননীয় শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ সৈতে কলেজ পৰিদৰ্শন কৰিবলৈ আহিছিল। সকলো কথা চাই তেওঁ সন্তুষ্টি প্ৰকাশ কৰি কিছুমান আৱশ্যকীয় পৰামৰ্শ আদি দি আমাক উৎসাহিত আৰু উপকৃত কৰে।

স্বীকৃতি পোৱাত আৰু আমি কিছু চেষ্টা কৰাত বিশ্ববিদ্যালয়ে আমাৰ মহাবিদ্যালয়তে আই, এ পৰীক্ষাৰ কেন্দ্ৰ এটাও মঞ্জুৰ কৰে। পিচত আকৌ এবাৰ কামেশ্বৰ বাবুৰ লগত মই চিলঙলৈ গৈ চেষ্টা কৰাত মাহিলি দুশ টকাৰ অনুদান এটা লাভ কৰোঁ। পিচত এইটো চাৰিশ টকা হোৱাত শিক্ষক সকলৰো বেতন বঢ়াই দিয়া হৈছিল।

প্ৰথম আৰু পিছৰ কেইটামান পৰীক্ষা আমাৰ অসুবিধা বাবে লোকেল বৰ্ড অফিচৰ ডাঙৰ হলটোত দিনে ট্ৰেজাৰীৰ পৰা প্ৰশ্ন কাকত আনি চলোৱা হৈছিল। কেইজনমান সদাশয় উকিলেও আমাক সহায় কৰি উপকৃত কৰিছিল। পৰীক্ষাৰ ফলসমূহো মধ্যমীয়া ধৰণৰ আছিল। কিন্তু পিছত আমাৰ কিছুমান প্ৰাক্তন ছাত্ৰই অন্যান্য অনুষ্ঠানৰ পৰা স্নাতক পৰীক্ষাত কিছু সন্তোষজনক সাফল্য লাভ কৰা জানি সুখী হৈছিলোঁ।

নতুন ঘৰটো তৈয়াৰ হৈ উঠাত তাত মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ (১৯৪৬ চনত) বহিবলৈ আৰম্ভ কৰে। এবাৰ অসমৰ ৰাজ্যপাল Sir Andrew Clow বৰপেটালৈ আহোঁতে মহাবিদ্যালয় পৰিদৰ্শন কৰিবলৈ যায়। তেখেতে ক্ৰিকেট খেলৰ সৰঞ্জাম আদি কিনাৰ বাবে চাৰিশ টকাৰ এটা দান দি অহাত আমি সুখী হৈছিলোঁ। মূল ঘৰটোৰ কিছু দূৰতে নতুনকৈ এটা ছাত্ৰাবাসো সজা হৈছিল। কিছু দুৰ্ভাগ্যবশতঃ ১৯৪২ চনৰ আন্দোলনৰ সময়ত এদিন ৰাতি ঘৰটো পুৰি পেলোৱাত আমি অতি দুখিত আৰু ক্ষতিগ্ৰস্ত হৈছিলোঁ। অৱশ্যে দান বৰঙণি আদি সংগ্ৰহৰ ফলত কিছু উন্নয়নমূলক কামো হৈ আছিল। ঘাই পথৰ পৰা মহাবিদ্যালয় চৌহদলৈ যোৱা দ বাটটো কিছু খৰছান্ত হৈ ওখ কৰা হৈছিল। কিন্তু এবাৰ প্ৰবল বানপানী হোৱাত ৰাস্তাটো চিঙিবলগীয়া অৱস্থা হয়। ৰাতি আঠমান বজাত চকীদাৰজনে দৌৰি গৈ খবৰ দিয়াত ঁকামেশ্বৰ বাবু, ঁহৰিনাথ দাস মহাজন আৰু মই দুজনমানৰ সৈতে পেট্ৰোমাক্স লাইট এটা লৈ দৌৰাদৌৰিকৈ তালৈ আহোঁ।

ৰাস্তাৰ বাবে আগতে কাটি যোৱা মাটিৰ চপৰা কিছুমান আটাইকেইজনে ৰাস্তাটোৰ কাষত আৰু ওপৰত খৰধৰকৈ দিয়াত কোনোৰকমে ৰাস্তাটো ৰক্ষা পৰে।

মহাবিদ্যালয়ৰ চৌহদৰ প্ৰায় কাষতে পৌৰসভাৰ হৰিজন বস্তিটো দৃষ্টিকটু হোৱাৰ উপৰিও পৰিৱেশটো অস্বস্তিকৰ কৰি তুলিছিল। পৌৰসভায়ো সেইখন তাৰ পৰা আন ঠাইলৈ নিবলৈ সক্ষম হোৱা নাছিল। বৰপেটালৈ কোনোবা মন্ত্ৰী আহিলেই সেইখন উঠাই নিয়াৰ বাবে আবেদন জনাই ছিলোঁ। লগতে জনদিয়েকৰ পৰা তেওঁলোকৰ ইচ্ছাধীন হাত পুঁজিৰ (Discretionary Fund ) ৰ পৰা অনুদানো সংগ্ৰহ কৰিছিলোঁ।

মহাবিদ্যালয় স্বাভাৱিকতে চলি থাকোঁতেই এটা আকস্মিক পৰিৱৰ্ত্তন ঘটিল। খুব সম্ভৱ ১৯৪৫ চনত প্ৰতিষ্ঠাতা অধ্যক্ষ ঁকামেশ্বৰ বাবু অসম লোকসভা আয়োগৰ সভাপতি নিযুক্ত হয়। যদিও আমি সকলোৱে গৌৰৱ অনুভৱ কৰিলোঁ তথাপি মহাবিদ্যালয়খনৰ ভৱিষ্যৎ ক্ষতি হোৱাৰ গভীৰ আশংকাই আমাৰ মনত ঠাই লৈছিল। তেখেত অহাৰ পিচতে পৰিচালনা কমিটিয়ে মোক অধ্যক্ষ-সম্পাদক পদত নিযুক্তি দিয়ে। ফলত মই এটা গধুৰ দায়িত্ব বহন কৰিব লগা হ'ল। যাহওঁক, সংশ্লিষ্ট সকলোৰ সহায় আৰু সহযোগ লাভ কৰি এই গুৰু দায়িত্ব যথাসম্ভৱ কৃতকাৰ্য্যতাৰে পালন কৰি আছিলোঁ। সময় যোৱাৰ লগে লগে মহাবিদ্যালয়খনে কিছু অগ্ৰগতি লাভ কৰিবলৈ ধৰে। তেনে সময়তে ন্যাসৰ দহহেজাৰ টকা মূল পুঁজিত চামিল হয়।

লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বত, অসমবাসী ঘাইকৈ অসমীয়া ৰাইজৰ চেষ্টাত ১৯৪৮ চনৰ ৰ জানুৱাৰী তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হয়। উপাচাৰ্য্য প্ৰমুখ্যে অন্যান্য আৱশ্যকীয় বিষয়া আৰু কৰ্মচাৰী নিযুক্তিৰ পিচতো বিশ্ববিদ্যালয়ৰ কাম-কাজ বৰ বেচি হৈ থাকে। তেতিয়া কৰ্তৃপক্ষই আৰু এজন বিষয়াৰ আৱশ্যক দেখি বিশেষ বিষয়া (Special Officer) ৰ পদ এটাৰ বাবে বাতৰি কাকতত বিজ্ঞাপন দিয়ে। কিছু অনিচ্ছা সত্ত্বেও দুই চাৰি জন হিতাকাংক্ষী লোকৰ পৰামৰ্শমতে মই সেই পদৰ প্ৰাৰ্থী হওঁ। অলপ দিন পিচতে তাৰ বাৰ্তাযোগেৰে সেই পদত মোক নিযুক্তি দি অতি সোনকালে যোগ দিবলৈ নিৰ্দেশ দিছিল। সেইখন পোৱাত মোৰ এটা মানসিক সংঘাত হ'ল। কিয়নো এফালে নিজ ঠাই বৰপেটা আৰু আন বহুতৰ লগ হৈ নানা কষ্টকৰ চেষ্টা আৰু স্বাৰ্থ ত্যাগ কৰি তাত স্থাপন কৰা মহাবিদ্যালয়খনৰ মোহ— আনফালে নিজৰ এটা সম্ভাব্য উজ্জ্বল ভৱিষ্যত। মই খৰখেদাকৈ একো ঠিক কৰিব নোৱাৰি এখন তাঁৰ বাৰ্তা দি কিছু সময় বিচাৰিলোঁ।

সেইসময়ত মোৰ সৰু ভাই ঁধৰ্মানন্দ দাসে গুৱাহাটীত চাকৰি কৰি আছিল। মই সোনকালে নেযাম বুলি ভাবি তেওঁৰ সন্দেহ হ'ল। সেইবাবে মোৰ তৃতীয় ভাই ঁহৃদয়ানন্দৰ হাতত তুলি দিয়া চিঠিখন দি মোক লৈ যোৱাৰ বাবে বৰপেটালৈ পঠায়।

Gauhati

18/3/48

**Dear Bhekuda,**

Medal Dada will tell you everything about me & my affairs.

You must have received a wire from the University authorities appointing you Special Officer & directing you to join on the 22nd. I had a long talk with the V. C yesterday evening & he has personally asked me to press you to join at once. They need your services badly and immediately to conduct the Law Examinations of the University which begin on the 22nd.

It is a high appointment & the first big appointment made by the University Authorities & as such it carries great prestige. Your functions will be those of the Controller of Examination. It has immense future.

You will lose your chance of a good career for good if you do not take it up seriously. It has come rather easily & unexpectedly. I know you will have great

duffculties in cutting yourself off from the things with which you have been associated so long. But one cannot have everything at a time & one will have to choose the path of least disadvantage.

We can take up all consequential matters later on. The first thing is to accept the appointment & join at once. You shall come alone now can stay with your father-in-law for some time.

I shall tell you everything as soon as we meet. Bu please be strong & do not look back. Father would have been the happiest man today, since he was so much concerned about your future carrer, till the last day of his life.

More when we meet. With affection.

Yours,

**Khadel**

ময়ো নিৰুপায় হৈ অৱশেষত এটা গধুৰ মনেৰে বৰপেটা আৰু মহাবিদ্যালয়খন এৰি আহি ১৯৪৮ চনৰ ২২ মাৰ্চ তাৰিখে মতুন পদত যোগ দি বিশ্ববিদ্যালয়ত এখন বহল কৰ্মক্ষেত্ৰত নামি পৰোঁ। ড° বাণীকান্ত কাকতিদেৱেও মই সোনকালে অহাৰ বাবে ইংগিত দিয়া বুলি পিচত গম পাইছিলোঁ। মই অহাৰ পিচত মহাবিদ্যালয় কৰ্তৃপক্ষই ঁপদ্মনাথ বৰুৱাক অধ্যক্ষৰ দায়িত্ব দিছিল।

বিশ্ববিদ্যালয়লৈ অহাৰ পিছতো বহুদিনলৈকে মোক মহাবিদ্যালয়খনৰ মোহ আৰু চিন্তাই এৰা দিয়া নাছিল। গুৱাহাটীলৈ অহা মানুহ পালেই সদায় সেইখনৰ বিষয়ে খা-খবৰ লৈ আছিলোঁ।

শৈক্ষিক আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা আমাৰ মহাবিদ্যালয়খনৰ বাবে মঞ্জুৰী আদি দিয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা কিবা নতুন বিষয় আদিৰ স্বীকৃতিৰ বাবেও মাজে সময়ে আৱশ্যকীয় সহায়ো আগবঢ়াইছিলোঁ। কেতিয়াবা বৰপেটালৈ গ'লেই প্ৰায়েই মহাবিদ্যালয়খনলৈ এবাৰ গৈ নাইবা আমাৰ ঘৰৰ পিচফালেদি ঘৰটোকে চাই মনত এটা বিশেষ সন্তুষ্টি লাভ কৰিছিলোঁ। মহাবিদ্যালয়খনৰ নানাধৰণৰ অতীত স্মৃতি এতিয়ালৈকে মোৰ মনত সজীৱ হৈ আছে। ইয়াৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলক মোৰ আন্তৰিক স্নেহ আৰু শুভেচ্ছা জনালোঁ।●

উৎস ঃ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ, ১৯৯০ বৰ্ষ, শ্ৰীবিজনলাল চৌধুৰী (সম্পাদক)

—সম্পাদক

# একোটা দিন, একো আঁজলি ৰ'দ, এখন মহাবিদ্যালয়

**ড° বিৰিঞ্চি কুমাৰ দাস**
প্ৰাক্তন ছাত্ৰ, বৰ্তমানৰ বৰপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ

(১)

১৯৮৪ চন। এটি ৰৌদ্ৰোজ্জ্বল ৰাতিপুৱা। যৌৱনত ভৰি দিবলৈ সাজু এজন ল'ৰাৰ ভৰি চলিছে এখনি আশাৰ আলয়লৈ। ঘৰৰপৰা ডেৰ কিলোমিটাৰ দূৰৰ মাধৱ চৌধুৰী মহাবিদ্যালয়লৈ। হাতত বহী-কিতাপ। জেপত বলপেন। বিখ্যাত 'ডক্টৰ', 'উইংচাং' আদি কলমৰ দিন তেতিয়া উকলিব ধৰিছে। মনত প্ৰচণ্ড উত্তেজনা, অলপ 'বাহাদুৰি', 'বাহাদুৰি' যেন অনুভৱো -- আজিৰপৰা সি মহাবিদ্যালয়ৰ ছাত্ৰ হ'ল। মনত ভয় আৰু উৎকণ্ঠাও- শিক্ষকসকল বা কেনেকুৱা, মহাবিদ্যালয়ৰ নিয়ম-নীতি বা কেনেকুৱা, পঢ়াবোৰ বা টান নে উজু... !

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাৰ শ্ৰেণীসমূহ তেতিয়া অনুষ্ঠিত হৈছিল 'চায়েন্স বিল্ডিং' বুলি পৰিচিত সৰু দুমহলীয়া ঘৰটোৰ ওপৰ মহলাৰ ডাঙৰ কোঠা এটাত। ন বাজি পোন্ধৰ মিনিটত প্ৰথমটো শ্ৰেণী। ভালেখিনি সময় আগতেই মহাবিদ্যালয় পাইছোঁ। দুমহলীয়া ঘৰটোৰ সম্মুখৰ মুকলি ঠাইখিনিত বহু নতুন শিক্ষাৰ্থীয়ে ইতিমধ্যেই আহি জুম বান্ধি থিয় হৈ আছে। তাৰ মাজত বহু চিনাকি ল'ৰা লগ পাইছোঁ। তাৰে বহুতৰ সৈতে বৰপেটা বিদ্যাপীঠত একেলগে পঢ়ি আহিছোঁ। ল'ৰাবোৰক লগ পাই মনৰ কিছু সংশয় কমিছে।

শ্ৰেণীৰ সময় হ'ল। আমি সৰু চিৰি বগাই ওপৰলৈ উঠি গ'লোঁ। চিৰিৰ শেষ ঢাপ বগায়েই পোৱা যায় উদ্ভিদ বিজ্ঞান বিভাগৰ এটা সৰু কোঠা, য'ত সেই বিভাগৰ শিক্ষকসকল বহে বুলি পিছত গম পাইছিলোঁ। সেইদিনা পিছে পৰ্দাৰ ফাঁকেৰে ভিতৰলৈ চোৱাৰ সাহস হোৱা নাছিল। কোঠাটোৰ সম্মুখেৰে তেনেই সৰু আৰু ঠেক কৰিডৰ এটা পাৰ হৈয়েই আমাৰ শ্ৰেণীকোঠাটোৰ দুৱাৰখন। উত্তেজিত আৰু উৎকণ্ঠিত মন লৈ কোঠাটোত প্ৰৱেশ কৰিছিলোঁ সেইদিনা। প্ৰথমবাৰৰ বাবে সোমোৱাৰ সময়ত সেই কোঠাটোৱেই আমাৰ বাবে হৈ উঠিছিল একোটা বৃহৎ সপোনৰ ঠিকনা, আমাৰ ভৱিষ্যৎ গঢ়াৰ প্ৰথমটো কাৰখানা। (বহু বছৰৰ পিছতহে অনুভৱ কৰিছিলোঁ, আচলতে কি সাংঘাতিক বিৰক্তিকৰ আছিল সেইটো কোঠা।)

আমাৰ লগৰ ৱাৰ্ষ্ণেয় শ্ৰীৱাস্তৱ (দীপক) মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ তেতিয়াৰ মুৰব্বী প্ৰেমচন্দ্ৰ লাল ছাৰৰ (তেতিয়া তেওঁ পিএইচ.ডি. ৰ গৱেষণাৰ বাবে ছুটীত আছিল) ল'ৰা। সেই সূত্ৰে ৱাৰ্ষ্ণেয়ই মহাবিদ্যালয়খনৰ সকলো শিক্ষকক চিনি পাইছিল আৰু শ্ৰেণীলৈ অহা প্ৰতিগৰাকী শিক্ষকৰ নাম আমাক জনাইছিল। সেইদিনা ন বাজি পোন্ধৰ মিনিটৰ শ্ৰেণীটো আছিল গণিতৰ। মহাবিদ্যালয়ৰ ছাত্ৰ-জীৱনৰ আমাৰ প্ৰথমটো শ্ৰেণী। মনত ভয় আৰু আনন্দ একেলগে। আমাক গণিত শিকাবলৈ অহা জ্যেষ্ঠ শিক্ষকগৰাকীৰ নাম ৱাৰ্ষ্ণেয়ৰ পৰা আমি জানিবলৈ পাইছিলোঁ খৰ্গধৰ দাস বুলি।

ভাল লাগিছিল শ্ৰেণীটো, কাৰণ ছাৰে আমাক ভয় খাবলগীয়া বৰ জটিল ধৰণৰ একো কথা সেইদিনা কোৱা নাছিল। নতুন কিবা এটা পোৱাৰ আগ্ৰহেৰে মনটো উপচি থকাৰ সময়ত সেই শ্ৰেণীটো আমাৰ বাবে আছিল এক নতুন উদ্দীপনাৰ উৎস।

সেইদিনাই আবেলিৰ পিনে থকা পদাৰ্থবিজ্ঞানৰ শ্ৰেণীটোলৈ আহিছিল এগৰাকী গহীন গম্ভীৰ শিক্ষক। ৰাৰ্ষেওয়ৰপৰা ইতিমধ্যে গম পাইছিলোঁ যে এইবাৰ আহিবলগীয়া শিক্ষকগৰাকীৰ নাম ধৰ্মেশ্বৰ নাথ। ছাৰৰ দুটা কথাই সেইদিনাই মোক বিশেষভাৱে আকৰ্ষণ কৰিছিল। প্ৰথমতে, তেওঁ নিৰ্দিষ্ট সময়ৰপৰা এক মিনিটো পলম নকৰাকৈ শ্ৰেণীলৈ আহিছিল। দ্বিতীয়তে, সেইদিনা ইতিমধ্যে শ্ৰেণী ল'বলৈ অহা আনসকল শিক্ষকে কৰাৰ নিচিনাকৈ তেওঁ প্ৰথম শ্ৰেণী বুলি একো পাতনি মেলা নাছিল, বৰ খৰকৈ উপস্থিতি লৈয়েই তেওঁ 'বলবিদ্যা'ৰ পাঠদান আৰম্ভ কৰিছিল। ছাৰৰ ব্যতিক্ৰমী চিন্তা আৰু শক্তিশালী ব্যক্তিত্বৰ পৰিচয় সিদিনাই পাইছিলোঁ। ধৰ্মেশ্বৰ নাথ ছাৰৰ শিক্ষণশৈলীও আছিল অদ্বিতীয়।

(২)

১৯৯৫ চন। ২৯ আগষ্ট। আন এটি ৰৌদ্ৰোজ্জ্বল ৰাতিপুৱা। ১৯৮৪ চনৰ সেই কৈশোৰ-যৌৱনৰ দোমোজাত থকা ল'ৰাজন এঘাৰ বছৰৰ পিছত হৈ উঠিছে এজন পূৰঠ যুৱক। জীৱনৰ বহু ডাৱৰীয়া দিনৰ পিছত সেইদিনা যুৱকৰ জীৱনলৈকো ৰ'দ আহিছে। এটা নতুন পথৰ আৰম্ভণিয়ে আনি দিয়া ৰ'দ। মনত নতুন কিবা এটা প্ৰাপ্তিৰ আনন্দ। লগতে নতুন জগৎ এখনলৈ প্ৰৱেশৰ সময়ত স্বাভাৱিকভাৱেই মনলৈ আহি পৰা সুতীব্ৰ উৎকণ্ঠা।

সেই সময়ৰ অধ্যক্ষৰ কোঠা আৰু কাৰ্যালয়ৰ (এসময়ত হেনো সেই কাৰ্যালয় হিচাপে থকা ঘৰটো মহাবিদ্যালয়ৰ কেন্টিনহে আছিল!) মাজৰ চেপাটোত লগ পালোঁ পদাৰ্থবিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষক সত্যেন্দ্ৰ কুমাৰ দাস ছাৰক। সহজ-সৰল কথা-বতৰাৰ ছাৰে চাইকেল ঠেলি ঠেলি মোৰ বিপৰীতফালৰপৰা আহি আছে। ছাৰে মোক সুধিলে, 'কিহে, তুমি যে এপ্লাই কৰিছিলা, কি হ'ল?'

'আজি মই জইন কৰিম, ছাৰ,' মই ক'লোঁ।

এটা পুৰণি টাইপ ৰাইটাৰত নিজে টাইপ কৰি উলিওৱা 'যোগদানৰ প্ৰতিবেদন'খন লৈ অধ্যক্ষ অৰ্জুন চন্দ্ৰ দাস ছাৰৰ কোঠালৈ সোমাই গ'লোঁ। ছাৰে মোক মহাবিদ্যালয়লৈ 'ৱেলকাম' জনালে। তাৰ পিছত উপস্থিতিৰ বহীখনত মোৰ নামটো লিখি সেইদিনাৰ তাৰিখত মোক চহী কৰিবলৈ দিলে। চহী কৰাৰ পাছত ছাৰে মোক ক'লে, 'আজিৰপৰা তুমি আমাৰ মানুহ হ'লা।' এই দিনটোৰ বাবেই, এইষাৰ কথাৰ বাবেই যেন যুগ যুগ ধৰি অপেক্ষা কৰি আছিলোঁ!

ইংৰাজী বিভাগলৈ আহিলোঁ। আগতে উপাধ্যক্ষ বহা কোঠাটোৰেই তেতিয়া ইংৰাজী বিভাগৰ কোঠা। (পিছত এইটো কোঠা গণিত বিভাগলৈ যায়।) অশোক কুমাৰ শ্ৰীৱাস্তৱ ছাৰ তেতিয়া বিভাগীয় মুৰব্বী। অত্যন্ত অধ্যয়নশীল আৰু ভদ্ৰলোক ছাৰ মোৰো শিক্ষক আছিল বাবে ছাৰৰ সৈতে এটা ঘনিষ্ঠতা ইতিমধ্যেই গঢ়ি উঠিছিল।

ইয়াৰ পিছতে আছিল মহাবিদ্যালয়ৰ শিক্ষক হিচাপে মোৰ জীৱনৰ প্ৰথমটো শ্ৰেণী। জ্যেষ্ঠ সহকৰ্মী দিলীপ কুমাৰ দাসে মোক শ্ৰেণীলৈ লৈ গ'ল; যাওঁতে প্ৰথমতে শিক্ষক জিৰণি কোঠালৈ মোক নি তাৰপৰা চক আৰু ডাষ্টাৰ ল'বলৈ দিলে। শিক্ষক জিৰণি কোঠাৰ কাষত, এতিয়াৰ ইংৰাজী বিভাগৰ গাতে লগাকৈ যিটো তেনেই সৰু দুমহলীয়া ঘৰ আছে, তাৰে ওপৰৰ দ্বিতীয়টো কোঠাত তেতিয়া ইংৰাজী গুৰু বিষয়ৰ শ্ৰেণীবোৰ হয়; আমি পঢ়োঁতেও তাতেই হৈছিল। শ্ৰেণীকোঠালৈ মোক নি দিলীপ কুমাৰ দাসে শিক্ষাৰ্থীসকলৰ ওচৰত "He is your new teacher" বুলি মোক এটা বাক্যৰেই চিনাকি কৰি দিলে আৰু মোক শ্ৰেণীটো ল'বলৈ দি গুচি আহিল। স্নাতক শ্ৰেণীৰ দ্বিতীয় খণ্ডৰ (তৃতীয় বৰ্ষৰ) পাঁচগৰাকীমান শিক্ষাৰ্থীৰ সম্মুখত মহাবিদ্যালয়ত মোৰ প্ৰথম পাঠদান আৰম্ভ কৰিলোঁ। এই শ্ৰেণীটোৰ বাবে মোৰ প্ৰস্তুতি বহুদিনীয়া আছিল। আনকি ক'ৰবালৈ বাচেৰে গ'লে বাচত বহি থকা সময়খিনিতো এই শ্ৰেণীটোত কি ক'ম ভাবি যোৱাটো মোৰ অভ্যাস হৈছিল। সেইদিনা মই ব্ৰাল্ট হুইটমেনেৰে আৰম্ভ কৰিছিলোঁ। লীভছ অৱ গ্ৰাছ। চং অৱ মাইচেল্ফ চেকশ্যন চিক্স। মই অৱশ্যে সেইদিনাই

কবিতাটিলৈ অহা নাছিলোঁ।

সেইদিনা ৰুটিনমতে মোৰ ভাগত নপৰা স্নাতকৰ সাধাৰণ পাঠ্যক্ৰমৰ শ্ৰেণী এটালৈ মই যাব পাৰিম নে নোৱাৰোঁ শ্ৰীৱাস্তৱ ছাৰে সুধিছিল। মই পাৰিম বুলি ক'লোঁ। সেই সময়ৰ নামকৰণ অনুসৰি নিউ হল ওৱেষ্টত আছিল সেই শ্ৰেণীটো। পাছত সেইটো হলৰ নাম আৰকেডি নে পিকেটি হল কৰা হৈছিল (প্ৰাক্তন অধ্যক্ষ যথাক্ৰমে ৰাধাকান্ত দাস আৰু প্ৰাণজিৎ কুমাৰ তালুকদাৰৰ নামেৰে) পাহৰিলোঁ। (তাৰো পিছত সেইটো ন নে দহ নম্বৰ শ্ৰেণীকোঠা হিচাপে পৰিচিত হৈছিল।) হলভৰ্তি ল'ৰা-ছোৱালী। প্ৰায় ডেৰশমান হ'ব। ইমান ডাঙৰ শ্ৰেণীকোঠাত পাঠদান কৰাটো মোৰ কাৰণে এটা ডাঙৰ প্ৰত্যাহ্বানস্বৰূপ। ভালে ভালে পাঠদান কৰিব পাৰিলেই হয় আৰু। সেই শ্ৰেণীটোত শিকোৱাৰ বাবে মোক ধৰি দিয়া আছিল জে. বি. প্ৰিষ্টলীৰ 'এন ইন্সপেক্টৰ কলছ' নাটকখন। নাটকৰ সংজ্ঞাৰেই আৰম্ভ কৰিলোঁ। গ'ল, সময়খিনি ভালে ভালেই পাৰ হৈ গ'ল। পিছত মোৰ বন্ধু এজনে ক'লে, তাৰ কোনোবা চিনাকি ছোৱালীয়ে হেনো তাক কৈছে, ছাৰে শ্ৰেণীত এটাও অসমীয়া শব্দ নক'লে। আমি পঢ়োঁতে ইংৰাজীৰ শ্ৰেণীত শিক্ষকসকলে অসমীয়া নকৈছিল। এতিয়া যে ইংৰাজীৰ শ্ৰেণীত ইংৰাজীৰ উপৰিও কমেও আধাখিনি অসমীয়াও ক'ব লাগে, মইনো কেনেকৈ জানো?

(৩)

উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বিজ্ঞান শাখাত পঢ়োঁতে বহু কেইগৰাকী শিক্ষকক পাইছিলোঁ, যিসকলৰ ভিতৰৰ বেছিভাগেই আছিল ভাল শিক্ষক। অৱশ্যে সকলো শিক্ষককে মই ভালেই পাইছিলোঁ। (মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ বিজ্ঞান আৰু কলা শাখাৰ কেইগৰাকীমান শিক্ষকৰ বিষয়ে মই মোৰ আন এটা প্ৰৱন্ধত বহলাই লিখিছিলোঁ।)

১৯৮৫ চনৰ ১৬ আগষ্টৰ ৰাতিপুৱা। ১৪ আগষ্টৰ মাজনিশা (অথবা ১৫ আগষ্ট আৰম্ভ হোৱাৰ সময়ত!) নতুন দিল্লীত বিখ্যাত 'অসম চুক্তি স্বাক্ষৰিত হোৱাৰ ফলস্বৰূপে ১৫ আগষ্টৰ দিনটো অসমৰ আকাশ-বতাহ আলোড়িত হৈ আছিল আৰু যিহেতু ১৫ আগষ্টত মহাবিদ্যালয় বন্ধ আছিল, এই আলোড়নৰ ভাগ মহাবিদ্যালয়ে ১৬ আগষ্টতহে পাইছিল। সেইদিনা ৰাতিপুৱা ৯.১৫ বজাত আছিল ৰসায়ন বিজ্ঞানৰ শ্ৰেণী ভৱৰঞ্জন চক্ৰৱৰ্তী ছাৰৰ। শ্ৰেণী চলি থাকোঁতেই কোনোবাই শ্ৰেণীকোঠাৰ ভিতৰলৈ এটা ফটকা দলিয়াই দিছিল। ছাৰে খঙতে খেদি গৈছিল যদিও কাকো ধৰিব পৰা নাছিল। তাৰ পিছৰটো শ্ৰেণী আছিল উদ্ভিদবিজ্ঞানৰ, আৰু শান্তি কুমাৰ বিশ্বাস ছাৰে পাঠদান কৰি আছিল। বাহিৰত দলে দলে যুৱক-যুৱতীয়ে মিলি চুক্তিৰ আনন্দত হৈ হাল্লা কৰি ফুৰিছিল। আমাৰ মনোযোগ বাৰে বাৰে বাহিৰৰ পিনে গৈ আছিল। বিশ্বাস ছাৰে বোৰ্ডত লিখি কিবা বুজাই থকাৰপৰা আমাৰ পিনে ঘূৰি লৈ কৈছিল, 'এইফালে চোৱা। এইফালে চালেহে ডাঙৰ মানুহ হ'ব পাৰিবা।'

উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ শিক্ষাৰ্থী হৈ থাকোঁতেই এদিন, মাত্ৰ এদিন সেই সময়ৰ ইংৰাজী বিভাগৰ অন্যতম জ্যেষ্ঠ শিক্ষক ছেমুৱেল ৰিৰিথ এব'টৰ শ্ৰেণী পাইছিলোঁ। তেওঁ আমাক ইংৰাজী ব্যাকৰণ শিকাইছিল সেইদিনা। ছাৰ দেখাততো অত্যন্ত আকৰ্ষণীয় আছিলেই, তেওঁৰ কথা-বতৰা, অংগীভংগীবোৰো বৰ আকৰ্ষণীয় আছিল। এটা কথা মনত পৰে এতিয়াও। "Is this the way to go?" এই বাক্যটোৰ পিছফালে যে by শব্দটো লাগে, ("Is this the way to go by?"), সেইটো সিদিনা ছাৰৰপৰাই গম পাইছিলোঁ। মূৰত অনবৰতে বিশেষ ধৰণৰ টুপী এটা পিন্ধা (ড° ভূপেন হাজৰিকাৰ নিচিনাকৈ টুপী পিন্ধা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ আন এগৰাকী শিক্ষক আছিল অসমীয়া বিভাগৰ ৰামকৃষ্ণ ওজা ছাৰ'), চাহাবী ধৰণ-কৰণৰ এই শিক্ষকগৰাকী তাৰ পিছত আৰু এবছৰমানহে জীয়াই থাকিল।

(৪)

স্নাতক মহলাত বিজ্ঞান এৰি কলা শাখাত নাম ভৰ্তি কৰিছিলোঁ মাধৱ চৌধুৰী মহাবিদ্যালয়তেই , ইংৰাজীক গুৰু বিষয় হিচাপে লৈ। কলা শাখাতো বহুকেইগৰাকী ভাল শিক্ষকৰ শিক্ষণৰদ্বাৰা মই প্ৰভাৱিত হৈছিলোঁ।

মোতকৈ কনিষ্ঠ অথচ ঘনিষ্ঠ বন্ধু বিশ্বজিৎ

সূত্ৰধাৰে এদিন এটা প্ৰস্তাৱ লৈ আহিছিল মোৰ ওচৰলৈ। অসম আন্দোলনৰ বিৰোধিতা কৰা ৰাজনৈতিক দলৰ সৈতে যুক্ত থকাৰ বাবে আন্দোলনৰ আৰম্ভণিৰেপৰা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ তিনিগৰাকী শিক্ষক অতুল চন্দ্ৰ গোস্বামী, বিজনলাল চৌধুৰী আৰু মহীধৰ গোস্বামী শিক্ষাৰ্থীৰ দ্বাৰা বৰ্জিত হৈ আছিল কেইবাবছৰ ধৰি (শুনা মতে গোস্বামী ছাৰ কিছু শিক্ষাৰ্থীৰ দ্বাৰা নিগৃহীতও হৈছিল), আৰু আন্দোলন শেষ হোৱাৰ ইমান দিনৰ পিছতো সেই বৰ্জন অব্যাহত আছিল। মহীধৰ গোস্বামী তেতিয়া বৰপেটাত নাই। বিশ্বই প্ৰস্তাৱ দিলে যে অতুল চন্দ্ৰ গোস্বামী আৰু বিজনলাল চৌধুৰী ছাৰৰ ওপৰত চলি থকা বৰ্জন উঠাই লোৱাৰ দাবীত শিক্ষাৰ্থীসকলৰ পৰা স্বাক্ষৰ তুলিব লাগে, যিহেতু ১৯৮৫ চনতেই চুক্তিখন হোৱাৰ দুবছৰৰ পিছত এতিয়া এই বৰ্জনৰ কোনো অৰ্থ নাই।

সেয়া আছিল ১৯৮৭ চনৰ কথা। আমি স্বাক্ষৰ তুলিবলগীয়া নহ'লেই। সেই সময়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হৰেকৃষ্ণ তালুকদাৰে নিজেই শিক্ষাৰ্থীৰ এখন সাধাৰণ সভাৰ আয়োজন কৰিলে এই বিষয়টোক লৈ। সেই সভাখনত কিছু বাকবিকণ্ডা চলিলেও বেছি সংখ্যক শিক্ষাৰ্থীয়ে শিক্ষক দুগৰাকীৰ ওপৰত চলি থকা বৰ্জন উঠাই লোৱাৰ সপক্ষে মত প্ৰকাশ কৰিছিল। এনেকৈয়ে দুগৰাকী স্বনামধন্য শিক্ষকক পুনৰ শ্ৰেণীকোঠালৈ ওভতাই লৈ অনা হৈছিল আৰু এয়া শিক্ষাৰ্থীৰ বাবে অত্যন্ত লাভজনক আছিল বুলি পিছলৈ প্ৰমাণিত হৈছিল।

অসমীয়া বিভাগৰ মুৰব্বী ড° হৰিনাথ শৰ্মাদলৈ ছাৰ আছিল এগৰাকী পণ্ডিত ব্যক্তি। অত্যন্ত শান্ত-শিষ্ট লোক। ছাৰক ভালকৈ লগ পোৱা বহুতে জানি আচৰিত হ'ব যে এইগৰাকী শান্ত স্বভাৱৰ শিক্ষকৰো কেতিয়াবা খং উঠিছিল আৰু মই নিজেই তেনেকুৱা দুটা ঘটনাৰ সৈতে জড়িত হৈ পৰিছিলোঁ। তাৰে প্ৰথমটো ঘটনা ঘটিছিল মই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ হৈ থাকোঁতে। শৰ্মাদলৈ ছাৰে অসমীয়াৰ পাঠদান কৰি আছিল। মোৰ কাষত বহি থকা মোৰ সেই সময়ৰ ঘনিষ্ঠ বন্ধুজনে কিবা কথা কৈ আছিল। ছাৰে খঙতে তাক থিয় কৰাই কিয় কথা পাতি আছে সুধিলে। অত্যন্ত স্মাৰ্ট বন্ধুজনে কি উত্তৰ দিছিল মোৰ মনত নাই, কিন্তু তাৰ উত্তৰত ছাৰৰ খং ইমান বেছিকৈ উঠিল যে ছাৰে তাৰ হাতত এক থাপৰ লগাই দিলে। অৱশ্যে সন্ধিয়া সময়ত সেই বন্ধুজনে বাটত ছাৰক লগ ধৰি দিনৰ ঘটনাটোৰ বাবে ক্ষমা বিচাৰিছিল। দ্বিতীয়টো ঘটনা ঘটিছিল মই স্নাতক শ্ৰেণীৰ প্ৰথম বৰ্ষত পঢ়ি থাকোঁতে। ছাৰে সত্যনাথ বৰাৰ 'জীৱনৰ অমিয়া' পাঠটো বুজাই আছে। প্ৰসংগক্ৰমে তেওঁ 'সংসাৰ' শব্দটোৰ অৰ্থ ব্যাখ্যা কৰিবলৈ গৈ এটা জীৱনৰপৰা আন এটা জীৱনলৈ আত্মাৰ গতিৰ কথা কালে। মই হঠাতে থিয় হৈ ক'লোঁ, 'ছাৰ, আত্মা এটা আপেক্ষিক ধাৰণাহে মাত্ৰ।' কথাটো শুনি ছাৰৰ ইমান খং উঠিল যে ছাৰে মোক বৰ বেয়াকৈ কোৱাই নহয়, প্ৰচণ্ড ধমকি দি মোক বহুৱায়ো দিলে। মই লাজে-শোকে ম্ৰিয়মান হৈ পৰিলোঁ। মোৰ দুৰ্দশা দেখি শ্ৰেণীৰ বাকী শিক্ষাৰ্থীসকলে পিছে বৰ আমোদ পাইছিল। সেইদিনাৰ পিছত অৱশ্যে ছাৰে মোক লগ পালে বৰ মৰমেৰেই মাতিছিল।

(৫)

নিজৰ শিক্ষককে যেতিয়া পৰৱৰ্তী সময়ত সহকৰ্মী হিচাপে লগ পোৱা যায়, তেতিয়া পূৰ্বতে থকা বহু ধাৰণাই সলনি হৈ যায়। উদাহৰণ, ড° কিৰণ চন্দ্ৰ বায়ন ছাৰ আৰু ধৰ্মেশ্বৰ নাথ ছাৰ। ছাত্ৰ হৈ থাকোঁতে দুয়োগৰাকীকে মই জানিছিলোঁ বৰ খঙাল, নীতিগত দিশত সুদৃঢ়, নিজৰ মতত অলৰ-অচৰ আৰু নিজৰ দায়িত্ব সম্পৰ্কে অত্যন্ত সচেতন শিক্ষক হিচাপে। সেই সময়ত তেওঁলোকৰ কাষ চাপিবলৈকো ভয় লাগিছিল। সহকৰ্মী হিচাপে পোৱাৰ পিছতো বহু বছৰলৈ তেওঁলোকৰ প্ৰতি মোৰ সেই ভয় অব্যাহত আছিল। পিছতহে গম পাইছিলোঁ যে এই দুইগৰাকী ব্যক্তি হৈছে আড্ডা দি ভাল পোৱা ব্যক্তি (আৰু সেই আড্ডাৰ অংশীদাৰ হোৱাৰ সুযোগ ময়ো পাইছিলোঁ)। অকল সেয়াই নহয়, দুয়োগৰাকী হ'ল হাস্যৰসৰ ভঁৰাল। কিমান যে হাঁহি উঠা কথা, ঘটনা শুনিছিলোঁ তেওঁলোকৰ মুখত !

কিন্তু মোক অত্যন্ত আচৰিত কৰি তুলিছিল পদাৰ্থবিজ্ঞান বিভাগৰ শিক্ষক ড° সত্যেন্দ্ৰনাথ শৰ্মা ছাৰে,

যাৰ সৈতে এটা ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলাৰ সুযোগ পাইছিলোঁ। ছাত্ৰ হৈ থাকোঁতেই বিদ্যায়তনিক ক্ষেত্ৰত ছাৰৰ কৃতিত্বৰ বিষয়ে অৱগত হৈছিলোঁ। ছাৰে ছুইজাৰলেণ্ডত অনুষ্ঠিত হোৱা আলোচনা-চক্ৰত গৱেষণা পত্ৰ পাঠ কৰিবলৈ গৈছিল। জাপানৰ বিজ্ঞানী ড° নাম্বুৰ (সম্পূৰ্ণ নামটো পাহৰিলোঁ) সৈতে একেলগে গৱেষণা কাৰ্য চলাইছিল। প্লাজমা ফিজিক্সৰ গৱেষণাত ছাৰে নিজৰ বাবে এক সুকীয়া স্থান উলিয়াই লৈছিল। সহকৰ্মী হোৱাৰ পিছত গম পালোঁ যে সাহিত্যৰ পৰা ৰাজনীতিলৈকে ছাৰৰ অধ্যয়নৰ ক্ষেত্ৰ ঈৰ্ষণীয়ভাবে বিশাল। লগতে ছাৰৰ কঠোৰ নীতিনিষ্ঠতা, যুক্তিবাদী আৰু ব্যতিক্ৰমী চিন্তাধাৰাৰো উমান পাইছিলোঁ।

কিন্তু স্বল্পভাষী শৰ্মা ছাৰৰ মাজতো যে wit আৰু humour-ৰ লক্ষণীয় উপস্থিতি আছিল, সেইটো জনাৰ বিৰল সুযোগো মই পাইছিলোঁ সময়ে সময়ে সৰু সৰু কথাৰ মাজতে ওলাই পৰা তেওঁৰ বুদ্ধিদ্দীপ্ত কথনৰ মাজত। এবাৰ তেওঁৰ এগৰাকী কনিষ্ঠ সহকৰ্মীয়ে তেওঁক জাপানৰ অভিজ্ঞতাৰ বিষয়ে সুধিছিল। ছাৰে গাত নলগা ধৰণৰ উত্তৰ এটা দিছিল, 'কি আৰু, সব আমাৰ দৰে একেই। তাত ঘৰবোৰ ডাঙৰ ডাঙৰ, ৰাস্তাবোৰ ডাঙৰ ডাঙৰ, সেয়াই। কেৱল তাৰ মানুহবোৰ ভাল আৰু আমাৰবোৰ বইজ্জাত।' এবাৰ আন এগৰাকী সহকৰ্মীয়ে তেওঁক ক'লে, 'শৰ্মা, আপুনি আপোনাৰ এই লাইনটো নেৰিব।' ছাৰে সুধিলে, 'কি লাইন?' 'আপোনাৰ গৱেষণাৰ কাম-কাজবোৰৰ কথা কৈছোঁ। এৰি নিদিব।' ছাৰে ধেমালিতে ভেকাহি মৰাৰ সুৰত কৈ উঠিল, 'ইহ, আপুনি নিজে নকৰে কিয়? নিজে হ'লে একো নকৰিব, আৰু আনক কৰিবলৈ ক'ব।'

এবাৰ অধ্যক্ষ ড° কিৰণ চন্দ্ৰ বায়ন ছাৰৰ কোঠাত মহাবিদ্যালয়ৰ অনুষ্ঠান পুস্তিকাখন (prospectus) নতুনকৈ উলিওৱাৰ বিষয়ে আলোচনা হৈ আছিল আৰু তাত ময়ো জড়িত হৈ আছিলোঁ। পূৰ্বতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অনুষ্ঠান পুস্তিকাখন বৰ সৰু আছিল। সেইদিনা অধ্যক্ষৰ কোঠাত আমাৰ মাজত আলোচনা হৈছিল যে পুস্তিকাখন ডাঙৰ আৰু আকৰ্ষণীয় ৰূপত প্ৰস্তুত কৰি উলিয়াব লাগে। সেই আলোচনাতে ড° সত্যেন্দ্ৰনাথ শৰ্মা ছাৰে কৈ উঠিল, 'আমাৰ আগৰ প্ৰছপেক্টাছখন কেনেকুৱা আছিল? এই যে কিছুমান মানুহে নিজে কিবাকিবি কবিতা লিখি নিজে সৰু পুস্তিকাৰ আকাৰত ছপাই মানুহৰ মাজত বিলাই ফুৰে, তেনেকুৱা আছিল। তেনে কবিতাতো আমিও লিখিব পাৰোঁ! নষ্ট কৰিবলৈ আমাৰ সময় নাই বুলিহে!'

(৬)

মাধৱ চৌধুৰী মহাবিদ্যালয় কেৱল এখন শিক্ষানুষ্ঠান নহয়, এখন বহল ইতিহাস। এইখন মহাবিদ্যালয়ৰ জন্ম আৰু বিকাশ সম্পৰ্কে এটি সৰু লেখা লিখিছিলোঁ ভালে কেইবছৰৰ আগতে। কিন্তু বাহিৰৰ সকলোৱে দেখা ইতিহাসখিনিৰ আঁৰে আঁৰে মহাবিদ্যালয়খনৰ ইতিহাসৰ আৰু অসংখ্য পৃষ্ঠা লুকাই আছে, যাৰ উদ্ঘাটন হয়তো এখন উপন্যাসৰ মাজেৰেহে সম্ভৱ। মহাবিদ্যালয়খনৰ মানুহবোৰ, কোঠাবোৰ, ওপৰৰ আকাশ, তলৰ মাটি, বৈ থকা বতাহ সকলোৰে অজস্ৰ কাহিনী আছে, অজস্ৰ কাহিনী তৰপে তৰপে গোট খাই আছে মহাবিদ্যালয়খনৰ বুকুত। কেতিয়াবা আমি সেই কাহিনীৰ একো একোগৰাকী পাত্ৰ। কেতিয়াবা আমি নিজে একোটা কাহিনী।●

# ড° হৰিনাথ শৰ্মাদলৈ ঃ এক বিশাল ব্যক্তিত্বৰ ৰোমন্থন

**ড° অৰনী কুমাৰ দাস**
মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

ড° হৰিনাথ শৰ্মাদলৈৰ জীৱন আৰু সাহিত্য কৃতি-নিৰলস সাধনা, অফুৰন্ত ইচ্ছা শক্তি, সততা, নিষ্ঠা আৰু জীৱনমুখী মননশীলতাৰ উজ্জ্বল প্ৰতিভূ। বৰ্ণাঢ্য অভিজ্ঞতা আৰু জীৱন চয়নৰ দ্বাৰা পৰিপুষ্ট ড° শৰ্মাদলৈ আছিল অসমীয়া ভাষা-সাহিত্য, কলা আৰু সংস্কৃতিৰ অতি নিষ্ঠাবান গৱেষক। ভাৰতীয় দৰ্শন, বৈদিক সাহিত্য, সভ্যতা আৰু সংস্কৃতিৰ অতল সন্ধানী জ্ঞান প্ৰজ্ঞাই তেখেতৰ চিন্তাচৰ্চাক প্ৰদান কৰিছিল এক অনন্য শৈল্পিক মূৰ্ছনা। এইগৰাকী মনীষীয়ে সৰল-সহজ আৰু অনাড়ম্বৰ জীৱনচৰ্য্যাৰে অবিৰতভাৱে বুটলিবলৈ সক্ষম হৈছিল মাথোঁ জ্ঞান-প্ৰজ্ঞাৰ দুৰ্লভ মুকুতামণি। তেখেতৰ কষ্টোপাৰ্জিত বৌদ্ধিক সম্পদে অসমীয়া জাতিক অনিৰ্বাচনীয় পোহৰৰ সন্ধান দিব পাৰে বুলি আমি আশাবাদী। অসমীয়া জাতিৰ সামাজিক আৰু সাংস্কৃতিক জীৱন মহীয়ান কৰি তোলাৰ ক্ষেত্ৰত ড° হৰিনাথ শৰ্মাদলৈৰ অৱদান অনবদ্য প্ৰতিভাৰ চানেকি। সুখানুভূতিৰ বিষয় এয়ে যে তেখেত বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক আছিল আৰু এইখন মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ দায়িত্বও তেখেতে বহন কৰিছিল।

১৯৫৫ চনৰ ১৪ জুলাই তাৰিখে আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা পদত যোগদান কৰি সুদীৰ্ঘ চৌত্ৰিশ বছৰৰ অধ্যাপনা পৰিক্ৰমাৰ অন্তত তেখেতে ১৯৮৯ চনৰ ১ জুন তাৰিখে চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। এজন গুণমুগ্ধ হিচাপে তেখেতৰ স্মৃতিৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা জনালোঁ লেখনীৰ বাটচ'ৰাতেই।

অবিভক্ত কামৰূপ জিলাৰ নলবাৰী মহকুমাৰ অন্তৰ্গত বৰমুৰিকোণা গাঁৱত হৰিনাথ শৰ্মাদলৈৰ জন্ম হয় ১৯২৬ চনত। জন্মৰ সঠিক দিন-তাৰিখ আছিল তেখেতৰ অজ্ঞাত। আত্মকথনত উল্লেখ আছে যে ১৯২৬ চনৰ অক্টোবৰ মাহৰ ১৫ তাৰিখৰ পৰা নৱেম্বৰ মাহৰ ১৫ তাৰিখৰ মাজৰ কোনোবা এটা দিনত তেখেতৰ জন্ম হৈছিল। তেখেতৰ আতাক দুৰ্গানাথ শৰ্মাদলৈ বৈষয়িক দিশত সুখ-সমৃদ্ধিশালী আছিল। পিতাক উগ্ৰসেন শৰ্মাদলৈৰ জীৱনকালত পৰিয়ালটোলৈ নামি আহিছিল আৰ্থিক দুৰৱস্থা। জীৱিকাৰ তাড়নাত উগ্ৰসেন শৰ্মাদলৈয়ে মধ্য অসমৰ নানা ঠাইত ভাগৱত-বেদৰ চৰ্চা কৰি ঘূৰি ফুৰিছিল। তেখেতৰ ভ্ৰাম্যমাণ, অনিশ্চিত জীৱন পদ্ধতিয়ে নিজৰ ঘৰখনৰ আৰ্থিক জটিলতা বৃদ্ধিহে কৰি তুলিছিল। মাক পদ্মপ্ৰিয়া দেৱী, আবুয়েক সাবিত্ৰীপ্ৰিয়া দেৱী আৰু পেহীয়েক শ্যামাপ্ৰিয়া দেৱীৰ মৰম-সুশীতল সান্নিধ্যত হৰিনাথ শৰ্মাদলৈৰ শৈশৱ আৰু কৈশোৰ কাল অতিবাহিত হৈছিল। ১৯৩৪ চনত পিতাকৰ হঠাতে হোৱা মৃত্যুৰ পিছত তেখেতৰ ঘৰখন ঠেৰু ছিগা হ'ল। অনিবাৰ্য্যভাৱে প্ৰকট হৈ উঠা দৰিদ্ৰতাই হৰিনাথ শৰ্মাদলৈৰ ঘৰখনক বিপৰ্য্যস্ত কৰি তুলিছিল। পিতাকৰ মৃত্যুৰ সময়ত হৰিনাথ শৰ্মাদলৈ এটি সাতবছৰীয়া শিশু।

প্ৰতিকূল পৰিস্থিতিক নেওচা দি তেখেতে আনুষ্ঠানিক শিক্ষা লাভৰ পথত আগবাঢ়িল। নানাজনৰ দ্বাৰা

নানাভাৱে উপকৃত হৈ শৰ্মাদলৈয়ে ১৯৪৬ চনত মেট্ৰিক আৰু ১৯৪৮ চনত নলবাৰী কলেজৰ পৰা আই.এ. পৰীক্ষাত উত্তীৰ্ণ হৈছিল। স্কুল-কলেজৰ পৰীক্ষাসমূহত বিশেষ সুখ্যাতি তেখেতে অৰ্জন কৰিব পৰা নাছিল। ১৯৫১ চনত কটন কলেজৰ পৰা কোনো বিষয়তে অনাৰ্চ নোহোৱাকৈ B.A. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত আৰ্থিক সকাহ লাভৰ বাবে তেখেতে গংগাপুখুৰী বৰকুৰিহা হাইস্কুল, ধমধমা হাইস্কুল, বৰভাগ কালাগ হাইস্কুল আৰু নলবাৰী গৰ্ডন হাইস্কুলত শিক্ষকতা কৰিছিল। বি.এ. পঢ়ি থাকোঁতেই ব্ৰাহ্মণ পৰিয়ালৰ পৰম্পৰা অনুযায়ী তেখেত বিবাহপাশত আৱদ্ধ হৈছিল শচীপ্ৰভা দেৱীৰ সৈতে। তেতিয়া কইনা শচীপ্ৰভা দেৱীৰ বয়স এঘাৰ বছৰ আৰু সেয়েহে নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালৰ বিধান অনুযায়ী তেওঁৰ আগবিয়া সম্পন্ন হৈছিল। ১৯৫৬ চনত আনুষ্ঠানিক শান্তি বিয়া সমাপন হোৱাৰ পিছতহে কইনা শচীপ্ৰভাৰ সৈতে আৰম্ভ হৈছিল হৰিনাথ শৰ্মাদলৈৰ সাংসাৰিক জীৱন। ১৯৫৫ চনত তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। নলবাৰী গৰ্ডন হাইস্কুলত শিক্ষকতা কৰি থাকোঁতেই শৰ্মাদলৈ বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা পদত নিযুক্ত হৈছিল। ১৯৭১ চনৰ জানুৱাৰী মাহত হৰিনাথ শৰ্মাদলৈয়ে "Saktism and Sakta Literature" শীৰ্ষক বিষয়ত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা D.Phil উপাধি লাভ কৰিছিল। বিদগ্ধ পণ্ডিত অধ্যাপক সতেন্দ্ৰ নাথ শৰ্মা আছিল তেখেতৰ গৱেষণাৰ তত্ত্বাৱধায়ক।

**ড° শৰ্মাদলৈৰ সাহিত্যকৃতিঃ**

ছাত্ৰাৱস্থাৰে পৰা হৰিনাথ শৰ্মাদলৈ সাহিত্য চৰ্চাত ব্ৰতী হৈছিল। ভাষা আৰু সাহিত্যৰ অনুসন্ধিৎসু অনুৰাগী আছিল এইগৰাকী ব্যক্তি। হাইস্কুলৰ ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোঁতেই তেখেতে লিখিছিল "মোৱামৰীয়া দমন" আৰু "ৰাধা ৰুক্মিণী" নামৰ দুখন নাট। দশম শ্ৰেণীৰ ছাত্ৰ হৈ থাকোঁতেই লিখিছিল "ৰাণী সিংহ" আৰু "মেঘবাহন" নাট দুখনি। তথাপিও নাট্যকাৰ হিচাপে তেখেতৰ সাহিত্য-কৃতি অখ্যাত হৈ ৰ'ল। কোনো এখন নাটককেই তেখেতে ছপা কৰি উলিয়াবলৈ আৰ্থিকভাৱে সমৰ্থ নহ'ল। কটন কলেজত পঢ়ি থকা সময়ছোৱাত শৰ্মাদলৈয়ে "অসম আৰু বিদেশী" নামৰ এখন পুথি প্ৰকাশ কৰি উলিয়াইছিল। অধ্যক্ষ ড° বাণীকান্ত কাকতি আৰু অম্বিকাগিৰি ৰায়চৌধুৰীয়ে তেখেতৰ কিতাপখনৰ বিষয়ে প্ৰশংসাসূচক মন্তব্য দিছিল। অবৈধ অনুপ্ৰৱেশকাৰীৰ ব্যাপক উপস্থিতিয়ে অসমত বিস্ফোৰণমুখী সংকটৰ সৃষ্টি কৰিব বুলি তেখেতে সমীচীন বিচাৰ বিশ্লেষণ আগবঢ়াইছিল এইখন গ্ৰন্থত।

সাহিত্য-সাধকগৰাকীৰ দ্বাৰা ৰচিত গ্ৰন্থসম্ভাৰক চাৰিটা ভাগত শ্ৰেণীবদ্ধ কৰিব পাৰি-

ক) সম্পাদিত গ্ৰন্থ খ) শিশু-সাহিত্য

গ) জীৱনীমূলক ঘ) আলোচনামূলক

মাধৱ চৌধুৰী মহাবিদ্যালয়ত অধ্যাপনাৰ প্ৰাৰম্ভণিৰ সময়ছোৱাতেই তেখেতে ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ কথা ভাগৱতৰ (প্ৰথম স্কন্ধৰ) সম্পাদনা কৰিছিল। এইখন পুথিৰ গুণ বখানিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিৰিঞ্চি কুমাৰ বৰুৱাই। কথা ভাগৱতৰ সম্পাদনাই ড° হৰিনাথ শৰ্মাদলৈৰ সাহিত্যিক জীৱনৰ বুনিয়াদ নিৰ্মাণ কৰি দিছিল। তেখেতৰ পৰৱৰ্তী সাহিত্য-কৃতি হ'ল কথা ভাগৱতৰ দশম স্কন্ধৰ সম্পাদনা। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° সূৰ্য্য কুমাৰ ভূঞাই তেখেতৰ কথা ভাগৱতৰ দশম স্কন্ধৰ সম্পাদনা গ্ৰন্থত এটি মননশীল ভূমিকা লিখিছিল। এই ভূমিকাত তেখেতৰ উক্ত গ্ৰন্থৰ কৰ্মক "পাণ্ডিত্যপূৰ্ণ" বুলি শলাগিছিল। পিছলৈ তেওঁ ভট্টদেৱ বিৰচিত কথা ভাগৱতৰ সম্পূৰ্ণ সম্পাদনা কৰিছিল আৰু এইখন আপুৰুগীয়া গ্ৰন্থ নলবাৰীৰ প্ৰকাশন গোষ্ঠী "পূৰ্ব ভাৰতী"য়ে প্ৰকাশ কৰি উলিয়াইছিল ভাৰত চৰকাৰৰ সাংস্কৃতিক বিভাগৰ পৰা লাভ কৰা বিত্তীয় অনুদানেৰে। নিশ্চিতভাৱে ক'ব পাৰি যে কথা ভাগৱতৰ নিচিনা গহীন পুথিৰ দক্ষ সম্পদনা ড° হৰিনাথ শৰ্মাদলৈৰ কষ্টসহিষ্ণু গৱেষণা প্ৰচেষ্টাৰ পৰিচায়ক। শংকৰদেৱৰ বিৰচিত "ৰাম বিজয়" আৰু "পাৰিজাত হৰণ" এই অংকীয়া নাট দুখনৰ মনোৰম সম্পাদনাও কৰিছিল ড° শৰ্মাদলৈয়ে।

শিশু-সাহিত্যৰ জগতখনতো তেখেতৰ আছিল স্বচ্ছন্দ বিচৰণ। "ভাগৱতৰ সাধু", "অকণলৈ দেৱী মহিমা" আৰু "গীতা পৰিচয়" এই তিনিখন গ্ৰন্থ তেখেতৰ শিশু-সাহিত্য সৃষ্টি। এইগৰাকী বিদ্যান পুৰুযে "পঞ্চ ঋষি"

শিৰোনামেৰে এখন জীৱনীমূলক গ্ৰন্থও প্ৰকাশ কৰি উলিয়াইছিল। বাল্মিকী, ব্যাস, বশিষ্ঠ, নাৰদ আৰু শুকদেৱ- এই পাঁচজন ঋষিৰ জীৱন বীক্ষা সম্বলিত গ্ৰন্থখন অসমীয়া সাহিত্য ভঁৰালৰ চহকী সোণগুটি।

সাহিত্য আৰু সংস্কৃতি (গহীন প্ৰৱন্ধ সংকলন), শংকৰদেৱৰ সাহিত্য প্ৰতিভা প্ৰথম, দ্বিতীয় আৰু তৃতীয় খণ্ড ড° শৰ্মাদলৈৰ আলোচনামূলক গ্ৰন্থ। বিশিষ্ট ভাষাতত্ত্ববিদ ড° গোলোক চন্দ্ৰ গোস্বামীয়ে তেখেতৰ "শংকৰদেৱৰ সাহিত্য প্ৰতিভা" গ্ৰন্থৰ (প্ৰথম খণ্ড) বিষয়ে অভিমত দিছিল এনেদৰে- "ড° শৰ্মাদলৈ প্ৰাচীন ভাৰতীয় কাব্য-মহাকাব্য, তন্ত্ৰ-পুৰাণ, উপনিষদ আদি সাহিত্যৰো সুপণ্ডিত। সেয়েহে মহাপুৰুষৰ কাব্য আৰু নাটকৰ মূল উৎসৰ সুস্পষ্ট সন্ধান কৰি প্ৰাসঙ্গিক উদ্ধৃতি সহকাৰে তন্ন-তন্নকৈ দাঙি ধৰিবলৈ তেখেত সক্ষম হৈছে। পুথিখনৰ প্ৰত্যেকটো আলোচনাতে তেখেতৰ বিস্তৃত অধ্যয়ন আৰু গভীৰ মননৰ প্ৰমাণ পোৱা যায়।"

ডক্টৰেট ডিগ্ৰী পোৱাৰ উদ্দেশ্যে লিখা গৱেষণা মূলক গ্ৰন্থ "Saktism and Sakta Literature" ৰ অসমীয়া ভাষিক ৰূপায়ন "শক্তি সাধনা আৰু শক্তি সাহিত্য"' ড° শৰ্মাদলৈৰ সাহিত্যিক বিচক্ষণতাৰ উজ্জ্বল স্বাক্ষৰ। প্ৰথম সংস্কৰণ ১৯৮৩ চনত ওলোৱাৰ পৰা গ্ৰন্থখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ অসমীয়া বিভাগৰ পাঠ্যতালিকাৰ অৰ্ন্তভুক্ত হৈছে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই কৈছিল "ড° হৰিনাথ শৰ্মাদলৈৰ এই গ্ৰন্থখন বহু তথ্য সম্বলিত মূল্যবান সমীক্ষাত্মক গ্ৰন্থ।" প্ৰায় তিনিশ পৃষ্ঠাৰ এই গ্ৰন্থখনত অসমৰ শাক্ত ধৰ্ম আৰু শক্তি সাহিত্য সম্পৰ্কে বিশদ আৰু তথ্যভিত্তিক আলোচনা সন্নিবিষ্ট হৈছে। অসমীয়া সাহিত্যলৈ ড° শৰ্মাদলৈৰ এইখন গ্ৰন্থ এক বিশিষ্ট অৱদান বুলি অধ্যাপক শৰ্মাই স্বীকৃতি দিছিল। অসমীয়া সংস্কৃতি বিষয়ক এখনি অপৰিহাৰ্য্য পঠনীয় গ্ৰন্থ বুলি গুণী-জ্ঞানীসকলে কয়।

১৯৮৬ চনত ড° শৰ্মাদলৈৰ অইন এখন উপাদেয় গ্ৰন্থ "সাহিত্য প্ৰৱেশ" প্ৰকাশ পাইছিল। সাহিত্য সম্বন্ধীয় কিছুমান বিষয় এটা শৃংখলিত পদ্ধতিৰ মাজেদি সুচিন্তিতভাৱে লিপিৱদ্ধ হৈছে তেখেতৰ এইখন গ্ৰন্থত। প্ৰকাশ পোৱা দিনৰে পৰা গ্ৰন্থখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া অনাৰ্চ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হৈ আহিছে। শিক্ষাৰ্থী আৰু সাহিত্যসদী পঢ়ুৱৈসকল এইখন গ্ৰন্থৰ দ্বাৰা বহুলভাৱে উপকৃত আৰু আশিসধন্য।

অসমীয়া গদ্য-সাহিত্যৰ গতিপথ, অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস, অসমত শৈৱ সাধনা আৰু শৈৱ সাহিত্য, মহাভাৰত ঃ অসমীয়া সাহিত্য সংস্কৃতি, বৈপ্লবিক মনীষাৰ ত্ৰিধাৰা- এইকেইখন গ্ৰন্থৰ প্ৰণেতা ড° হৰিনাথ শৰ্মাদলৈ মৌলিক চিন্তাস্ৰোত আৰু তত্ত্বদৰ্শী মানসিকতাৰ অধিকাৰী। তেখেতৰ চমকপ্ৰদ সাহিত্য- কৰ্মৰ মূলতেই হ'ল সংস্কৃত ভাষা আৰু সাহিত্যৰ বিষয়ত অসামান্য জ্ঞান। ঋষি তপস্বীৰ সাধনাৰ দৃঢ়তা তেখেতৰ সাহিত্য- কৰ্মৰ সকলোবোৰ সৃষ্টিতে বিৰাজমান। প্ৰায় সকলোবোৰ গ্ৰন্থ তেখেতে গাঁথিৰ ধন ভাঙি ছপা কৰি উলিয়াইছিল। ড° শৰ্মাদলৈৰ অসাধাৰণ সাহিত্য সৃষ্টি প্ৰকাশৰ দায়িত্ব লোৱা নাছিল কোনো প্ৰকাশন গোষ্ঠী কিম্বা চৰকাৰী কৰ্তৃপক্ষই। সুদীৰ্ঘ ন বছৰৰ কঠোৰ পৰিশ্ৰমৰ অন্তত ১৯৬৬ চনত তেখেতে প্ৰণয়ন কৰিছিল "ভাৰত কোষ" গ্ৰন্থ আৰু অসম প্ৰকাশন পৰিষদৰ ওচৰ চাপিছিল গ্ৰন্থখনৰ প্ৰকাশ হওক বুলি। পৰিষদৰ তদানীন্তন সচিব আছিল চন্দ্ৰপ্ৰসাদ শইকীয়া। বিশেষজ্ঞ সমিতিৰ ইতিবাচক মন্তব্য সত্বেও গ্ৰন্থখন প্ৰকাশ কৰিবলৈ অসন্মত হ'ল অসম প্ৰকাশন পৰিষদ। সচিব চন্দ্ৰপ্ৰসাদ শইকীয়াই বিত্তৰ নাটনিৰ বাবে গ্ৰন্থখন প্ৰকাশ কৰাটো সম্ভৱপৰ নহ'ব বুলি কৈছিল আৰু পাণ্ডুলিপিটো ঘূৰাই আনিবলৈ ড° শৰ্মাদলৈক পৰামৰ্শ দিছিল। অৱশেষত চৰম অৰ্থ-সংকটৰ সত্বেও "ভাৰত কোষ" গ্ৰন্থ তেখেতে নিজ উদ্যমেৰে প্ৰকাশ কৰি উলিয়াইছিল। আত্মজীৱনীত ড° শৰ্মাদলৈয়ে খোলোচা কৰিছে যে গ্ৰন্থখন ছপোৱাৰ বাবে প্ৰয়োজনীয় কাগজ কিনিবলৈ ছপাশালে তাগিদা দিয়াত পৰিবাৰ শচীপ্ৰভা দেৱীয়ে পুৰণি কাগজ, বাতৰি কাকত বিক্ৰী কৰি সাঁচি থোৱা ৬০.০০ টকা (তিনিকুৰি টকা) তেখেতৰ হাতত গুজি দিছিল। "ভাৰত কোষ" গ্ৰন্থৰ প্ৰকাশনে অসমীয়া সাহিত্য কাননত সুগন্ধী সুবাস সিঁচি দিছিল। অসমৰ কেবাগৰাকীও লব্ধপ্ৰতিষ্ঠ সাহিত্যিক ড° শৰ্মাদলৈৰ "ভাৰত কোষ" গ্ৰন্থৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিছিল। সদাশয় বিদ্বৎমণ্ডলীয়ে ঘোষণা কৰিছিল যে "ভাৰত কোষ" গ্ৰন্থত লেখকৰ অসীম ধৈৰ্য্য, কষ্ট-সহিষ্ণুতা আৰু বিস্তৃত অধ্যয়নৰ চিন স্পষ্ট। গ্ৰন্থখনি

প্ৰায় আঢ়ৈ হেজাৰ শব্দৰে সমৃদ্ধ। অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ বুৰঞ্জীত "ভাৰত কোষ" এটি মোহনীয় পদধ্বনি। মুঠতে, "ভাৰত কোষ" এখন জাতীয় গ্ৰন্থ।

অসমৰ সংস্কৃতি আৰু লোকসংস্কৃতিৰ আলোচনামূলক গ্ৰন্থ "বাৰেবৰণীয়া অসম" তেখেতৰ অন্যতম প্ৰকাশিত গ্ৰন্থ। ১৯৯৪ চনত এইখন কিতাপৰ প্ৰথম সংস্কৰণ ওলাইছিল। সংস্কৃতি আৰু অসমৰ লোকসংস্কৃতিৰ নিৰহ নিপানি আলোচনাই পঢ়ুৱৈ ৰাইজক আপ্লুত কৰে। অসমৰ লোকসংস্কৃতিৰ এখন সজীৱ চিত্ৰ তেখেতে অংকন কৰিছে এইখন গ্ৰন্থত। মনোমুগ্ধকৰ বৰ্ণনাই গ্ৰন্থখনক অভিনৱত্ব দিব পাৰিছে।

ড° হৰিনাথ শৰ্মা দলৈ কৌশলগত বিদ্যাৰ প্ৰতিও অনুৰাগী আছিল। মৃন্ময় শিল্প অৰ্থাৎ মাটিৰ প্ৰতিমা নিৰ্মাণ, নানাবিধৰ চিত্ৰাংকন, বেজী-সূঁতাৰ কাম (Embroidery), বাঁহ-বেতৰ কাম ইত্যাদি হস্তশিল্পতো নিপুনতাৰ পৰিচয় তেখেতে দিব পাৰিছিল। নলবাৰী চহৰৰ আশে-পাশে থকা গাঁওবোৰত অনুষ্ঠিত দুৰ্গাপূজা, লক্ষ্মীপূজা আৰু সৰস্বতী পূজাৰ বাবে প্ৰয়োজনীয় প্ৰতিমা (মাটিৰ মূৰ্ত্তি) কলাসন্মতভাৱে নিৰ্মাণ কৰি তেখেতে অনাবিল প্ৰশান্তি অনুভৱ কৰিছিল। এজন মৃন্ময় শিল্পীৰ অনুভৱ আৰু দক্ষতাই ড° হৰিনাথ শৰ্মাদলৈৰ জনপ্ৰিয়তা আৰু যশস্যা বৃদ্ধিত সহায়ক হৈছিল।

**সাংগঠনিক দক্ষতা, সামাজিক সন্মান আৰু স্বীকৃতি ঃ**

অবিৰামভাৱে জ্ঞান সাগৰত ডুব মাৰি অক্ষয়, অম্লান প্ৰজ্ঞা মুকুতাৰ সন্ধানত ব্ৰতী থাকিলেও এইগৰাকী ব্যক্তিয়ে জনজীৱনৰ পৰা আঁতৰি থকা নাছিল। সামূহিক জনহিতকৰ কৰ্মৰাজিৰ প্ৰতিও তেখেত আছিল অতি আগ্ৰহী। স্কুল-কলেজত পঢ়ি থকা দিনৰে পৰা ড° শৰ্মাদলৈয়ে তেনেবোৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৪০ চনৰ আপোন গাঁও বৰমুৰিকোণাত সমনীয়া ছাত্ৰৰ সহযোগিতাত প্ৰতিষ্ঠা কৰিছিল "জনসেৱক লাইব্ৰেৰী"। কৰ্মী আৰু তৎপৰতাৰ অভাৱত উক্ত লাইব্ৰেৰী বিলুপ্ত হৈছিল। পিছলৈ তেখেতে এটি পুথিভঁৰাল একান্ত ব্যক্তিগত প্ৰচেষ্টাৰে নলবাৰী (বিদ্যাপুৰ)ৰ নিজা ঘৰতেই গঢ়ি তুলিছিল। তেখেতৰ প্ৰয়াত মাতৃৰ নামেৰেই এই লাইব্ৰেৰীৰ নামকৰণ হৈছিল, "পদ্মপ্ৰিয়া লাইব্ৰেৰী"। পিতৃ পুৰুষসকলৰ দিনৰে পৰা সংৰক্ষিত আপুৰুগীয়া গ্ৰন্থৰাজিৰ লগতে তেখেতে নিজে লিখা আৰু সংগ্ৰহ কৰা কিতাপবোৰৰ সফল সংৰক্ষণৰ উদ্দেশ্যে এই লাইব্ৰেৰী খুলিছিল বুলি তেখেতৰ আত্মকথাত উল্লেখ আছে। এতিয়াও "পদ্মপ্ৰিয়া লাইব্ৰেৰী" তেখেতৰ বাসভৱনতেই আছে। নলবাৰী চহৰৰ বৌদ্ধিক পৰিমণ্ডল সৃষ্টিত এইটো অনুষ্ঠানে মহৎ বৰঙণি আগবঢ়াইছে। ওপজা ঠাই বৰমুৰিকোণা গাঁৱতে এখন এম.ই. স্কুল প্ৰতিষ্ঠা কাৰ্য্যতো তেখেতৰ অৱদান আছিল বুলি তাৰ স্থানীয় লোকসকলে কয়।

মাধৱ চৌধুৰী মহাবিদ্যালয়ত অধ্যাপনা কৰি থাকোঁতে ১৯৬২ চনত ড° হৰিনাথ শৰ্মাদলৈ বৰপেটা সাহিত্য সভাৰ সভাপতিৰ পদত মনোনীত হৈছিল। ১৯৯৪ চনত জালাহত (এতিয়া BTR ৰ অন্তৰ্ভূক্ত) অনুষ্ঠিত হৈছিল বৰপেটা সাহিত্য সভাৰ সপ্তমবাৰ্ষিক অধিৱেশন। এই অধিৱেশনত পৌৰহিত্য কৰিছিল এইগৰাকী সাহিত্য সাধকে। আন এটি বিশেষ কথা, ২০০০ চনত বানেকুছিত অনুষ্ঠিত হোৱা নলবাৰী জিলা সাহিত্য সভাৰ ত্ৰয়োদশ বাৰ্ষিক অধিৱেশনতো তেখেতে সভাপতিৰ আসন শুৱনি কৰিছিল।

অসম সাহিত্য সভাৰ লগত তেখেতৰ সম্বন্ধ আছিল নিবিড়। ১৯৭৯ চনৰ পৰা অসম সাহিত্য সভাৰ আজীৱন সদস্য ড° শৰ্মাদলৈয়ে সভাৰ পত্ৰিকাত উচ্চমান বিশিষ্ট প্ৰবন্ধ-পাতি নিয়মিতভাৱে লিখিছিল। বৰপেটাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতিমূলক তদৰ্থ সমিতিৰ (Adhoc Committee) সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰি তেওঁ কামকাজক বহুদূৰ আগুৱাই নিছিল। তেখেতে আত্মকথাত দুঃখী মনেৰে লিখিছে যে বৰপেটা সাহিত্য সভা অধিৱেশনৰ উদ্‌যাপন সমিতিৰ সম্পাদকৰ পদত তেখেত মনোনীত হ'ব পৰা নাছিল। উল্লেখনীয় কথা ড° শৰ্মাদলৈয়ে তেজপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনৰ মঞ্চত থিয় হৈ বৰপেটা সাহিত্য সভাৰ হ'কে বৰপেটালৈ অসম সাহিত্য সভাৰ পৰৱৰ্ত্তী অধিৱেশন আহ্বান কৰিছিল।

১৯৮৯ চনৰ ১ জুন তাৰিখে অৱসৰ গ্ৰহণৰ পিছতে তেখেতে মাধৱ চৌধুৰী মহাবিদ্যালয় এৰিব পৰা নাছিল। ১৯৯০ চনত মহাবিদ্যালয়ত অসমীয়া বিষয়ত এম.এ মহলাৰ শ্ৰেণী খোলা হৈছিল। উক্ত শ্ৰেণীৰ পাঠদান

কাৰ্য্যত তেখেতে সহযোগিতা আগবঢ়াইছিল।

উত্তৰ বৰপেটা মহাবিদ্যালয়ৰ আৰু নিকটবৰ্তী ভাটকুছিৰ শংকৰ-মাধৱ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্বও তেখেতে নিয়াৰিকৈ পালন কৰিছিল। ড° শৰ্মাদলৈয়ে বৰপেটাস্থিত ঘৰ-মাটি বিক্ৰী কৰি ১৯৮৯ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখৰ পৰা নলবাৰী চহৰৰ স্থায়ী বাসিন্দা হৈ পৰিছিল। ১৯৯৯ চনৰ ১২ জানুৱাৰী তাৰিখে তেখেতৰ পত্নী শচীপ্ৰভা দেৱীৰ আকস্মিকভাৱে মৃত্যু হয়। প্ৰিয়তমা পত্নীৰ বিয়োগে তেখেতৰ হৃদয়-মনত সৃষ্টি কৰিছিল বিশাল শূন্যতা। অৱশ্যে পিছলৈ তেখেতে অধ্যয়ন আৰু গৱেষণাত গভীৰভাৱে মনোনিৱেশ কৰিছিল। পত্নীৰ পূণ্যস্মৃতি ৰক্ষাৰ্থে তেখেতে এটি অনুপম সিদ্ধান্ত লৈছিল। পত্নী শচীপ্ৰভাৰ প্ৰত্যেক মৃত্যু বাৰ্ষিকীত ভাৰতৰ বেদ-বেদান্তৰ বিশেষজ্ঞ, সাহিত্যানুৰাগীসকলক আমন্ত্ৰণ জনাই তেখেতে আলোচনাৰ এখন মঞ্চ প্ৰদান কৰিছিল। এগৰাকী সমল ব্যক্তিক বিশেষভাৱে আমন্ত্ৰণ জনাই ভাৰতীয় বেদ-দৰ্শনৰ নিৰ্দিষ্ট শাখাত বক্তৃতা প্ৰদান কৰিবলৈ দিছিল। এবাৰ আমাৰ মহাবিদ্যালয়ৰ অৱসৰী ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হলধৰ গোস্বামীয়ে এই উপলক্ষে তেখেতৰ দ্বাৰা আমন্ত্ৰিত হৈ উক্ত মঞ্চত বক্তৃতা প্ৰদান কৰিছিল। বৰপেটা চহৰ এৰি গুছি যোৱাৰ পিছতো মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ সৈতে তেখেতৰ আছিল নিবিড় সম্পৰ্ক। ২০০৮ চনত অসম সাহিত্য সভাৰ তৰফৰ পৰা তেখেতলৈ আগবঢ়োৱা হৈছিল "সাহিত্যাচাৰ্য্য" উপাধি। এই উপলক্ষে ড° হৰিনাথ শৰ্মাদলৈক প্ৰীতি সম্বৰ্ধনা জনাবলৈ আমাৰ মহাবিদ্যালয়ত এখন সভা অনুষ্ঠিত হৈছিল। উক্ত সভাত উপস্থিত থাকি তেখেতে মহাবিদ্যালয়ৰ পৰিয়ালৰ অকুণ্ঠ শ্ৰদ্ধা পৰম হৰ্ষৰে গ্ৰহণ কৰিছিল আৰু সম্বৰ্ধনাৰ উত্তৰত এটি নাতিদীৰ্ঘ সৰল ভাষণেৰে উপস্থিত শিক্ষাসদী ৰাইজক আহ্লাদিত কৰিছিল। অসম কলেজ শিক্ষক সংস্থাৰ (A.C.T.A) মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ শিক্ষক গোটৰ ২০১০-১১ বৰ্ষৰ মুখপত্ৰ "শিক্ষাব্ৰতী"ৰ সম্পাদনাৰ দায়িত্বত থাকোঁতে এই প্ৰৱন্ধ লেখকে এটি শুভেচ্ছামূলক লেখনী বিচাৰি তেখেতৰ নলবাৰীস্থ ঘৰলৈ গৈছিল। তেখেতে আন্তৰিকতাৰে আমাৰ মহাবিদ্যালয়ৰ খা-খবৰ লৈছিল আৰু অতি আগ্ৰহেৰে এটি শুভেচ্ছামূলক বাৰ্ত্তাৰে আমাক তেখেতৰ স্নেহধন্য কৰি তুলিছিল। তেখেতৰ উক্ত বাৰ্ত্তা আমাৰ "শিক্ষাব্ৰতী"ৰ পাতত প্ৰকাশিত হৈছিল।

সাহিত্য-সংস্কৃতিৰ জীৱনজোৰা সাধনাৰ প্ৰতি স্বীকৃতি আৰু শ্ৰদ্ধা জনাই বৰপেটা সাহিত্য সভাৰ তৰফৰ পৰা ২০০৭ চনত তেখেতলৈ প্ৰদান কৰা হৈছিল "অম্বিকাগিৰি বঁটা"। নলবাৰী জিলা সাহিত্য সভাই ড° হৰিনাথ শৰ্মাদলৈক বিভূষিত কৰিছিল "নলবাৰী ৰত্ন" সন্মানেৰে।

তেখেতৰ এটি ব্যক্তিগত সিদ্ধান্তই বহুজনকে আচৰিত কৰি তোলে। ২০০৫ চনৰ পৰা অসমৰ কলেজ সমূহৰ অৱসৰী অধ্যাপক-অধ্যাপিকাসকলে চৰকাৰী নিয়ম অনুযায়ী পেঞ্চন লাভ কৰিছে। ড° শৰ্মাদলৈয়ে চৰকাৰে আগবঢ়োৱা অৱসৰকালীন পেঞ্চন গ্ৰহণ কৰিবলৈ অসন্মত হৈছিল। এই বিষয়ে বহুজনে তেখেতক পেঞ্চন নোলোৱাৰ কাৰণ সুধিছিল। উত্তৰত তেখেতে কৈছিল, "কলেজত কাম কৰি থাকোঁতে দৰমহা পাইছিলোঁ। অৱসৰী জীৱনত কাম কৰা নাই। গতিকে চৰকাৰী ধন শ্ৰম নকৰাকৈ ল'ব নোৱাৰোঁ। ভাৰতৰ নিচিনা দুখীয়া দেশত ৰাজহুৱা ধনৰ সদ্-ব্যৱহাৰ হোৱা উচিত।" সামাজিকভাৱে অপ্ৰিয় আৰু এলাগী হোৱাৰ শংকাত তেখেতে বহুজনৰ নেৰানেপেৰা অনুৰোধ আৰু বুজনি অনুসৰি চৰকাৰৰ "সাহিত্যিক পেঞ্চন" গ্ৰহণ কৰিছিল। তেখেতে কেতিয়াও সাহিত্যিক পেঞ্চনৰ বাবে আৱেদন জনোৱা নাছিল। সংশ্লিষ্ট কৰ্তৃপক্ষই তেখেতৰ অনুৰোধ-আৱেদন অবিহনেই উক্ত পেঞ্চন আগবঢ়াইছিল। জীৱনশৈলীৰ এই বিৰলতম নিদৰ্শনে আমাৰ হৃদয়ত তোলপাৰ লগায়। ব্যক্তিগত তথা সামাজিক জীৱনচৰ্য্যাত একনিষ্ঠ সততা, দৃঢ়তা আৰু স্বচ্ছতাৰ জাউতিযুগীয়া চানেকি দেখুৱাই ড° হৰিনাথ শৰ্মাদলৈয়ে আদৰ্শস্থানীয় শিখৰত আৰোহণ কৰিছিল। অসমীয়া ভাষা-সাহিত্য আৰু ভাৰতীয় বৈদিক সভ্যতা আৰু সংস্কৃতিৰ প্ৰতি মনে-প্ৰাণে শ্ৰদ্ধাশীল পণ্ডিতগৰাকীৰ জীৱন আৰু কৃতি অনিৰ্বাচনীয় জ্যোতিৰে দিপ্তীমান। ২০১৫ চনৰ ২০ জুন তাৰিখে এইগৰাকী বৰেণ্য ব্যক্তিৰ দেহাৱসান ঘটে। প্ৰথিতযশা সাহিত্যিকগৰাকীৰ প্ৰতি অসমীয়া জাতি চিৰকৃতজ্ঞ হৈ ৰ'ব।●




# বৰপেটা আৰু এম. চি কলেজক কেনেকৈ পাহৰোঁ ?

**ড° হৰিনাথ শৰ্মাদলৈ**
প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

১৯৫৫ চনৰ ১৪ জুলাই তাৰিখে পৰম আনন্দ, উৎসাহ-উদ্দীপনা আৰু ৰঙীন কল্পনা লৈ “ অসমৰ কাশীপুৰী, দ্বাৰকা মথুৰাপুৰী বৰপেটা ধাম”ত গৈ উপস্থিত হৈছিলোঁ তাত প্ৰতিষ্ঠাপিত উচ্চ শিক্ষানুষ্ঠান “মাধৱ চৌধুৰী কলেজ”ত অধ্যাপনা কৰাৰ উদ্দেশ্য আগত লৈ, আৰু ১৯৯৮ চনৰ ফেব্ৰুৱাৰী মাহৰ ৮ তাৰিখে বৰপেটা এৰি আনন্দবিহীন মহোৎসৱৰ মাজেদি নলবাৰীলৈ ঘূৰি আহিলোঁ ভৱিষ্যতৰ গৰ্ভত থকা অনিশ্চয়তাক আগত ৰাখি। কেইমাহমান কম দুকুৰি তিনি বছৰ কাল ধৰি যৌৱন কালৰ পৰা জীৱনৰ ভাটি বয়সলৈকে দীঘলীয়া কৰ্মক্ষম কালভাগ কটোৱাৰ পাছত কিয় মই বৰপেটা এৰি আহিবলৈ ওলালোঁ, এই প্ৰশ্নটো বৰপেটাৰ আৰু বৰপেটা জিলাৰো বহুলোকৰ মাজত উত্থাপিত হৈছিল। তেওঁলোকে কোৱাকুই কৰিছিল — “শৰ্মাদলৈ (বা শৰ্মাদলৈ ছাৰ) কিয় বৰপেটা এৰি যাবলৈ ওলাল? তেওঁ কিহত বেয়া পালে?” এনেধৰণৰ প্ৰশ্ন বাটে-পথে আৰু বিভিন্ন স্থানৰ সভা-সমিতিবোৰত সোধাৰ উপৰিও বহুলোক মোৰ ঘৰলৈ আহিও সুধিবলৈ ধৰিলে। আনকি মোতকৈ বয়োজ্যেষ্ঠ শ্ৰদ্ধাভাজন দুজন ব্যক্তিয়ে মোক গোপনে সুধিছিল— “আপুনি কিবা বেয়া পালে নেকি?” শ্ৰদ্ধাভাজন আৰু প্ৰিয় সেই সদাশয়সকলক মই কিন্তু সন্তোষজনক উপযুক্ত উত্তৰ দিব পৰা নাছিলোঁ; কিয়নো বৰপেটা এৰিবলৈ ওলোৱাত

মোৰ কোনো বিশেষ কাৰণেই নাছিল। বহুদিন আগৰে পৰা বহুজনৰ উচ্চাৰিত উপদেশমূলক উক্তিবোৰেও মই নিজে নোৱাৰাকৈয়ে হয়তো মোৰ মনৰ ভাবান্তৰ ঘটোৱাত সহায়তা কৰিব পাৰে। যি কি নহওক, মোৰ পত্নী আৰু ছোৱালীকেইজনীয়ে ইচ্ছা নকৰা সত্ত্বেও এদিন মোৰ অনুভূতি প্ৰৰণতাই সদৰি কৰিলে "বৰপেটাৰ পৰা এতিয়া নলবাৰীলৈ যাম।" অচিৰাৎ কথাষাৰ প্ৰচাৰিত হ'ল, ফলস্বৰূপে মই নলবাৰীৰ অধিবাসী হ'লোঁ।

বৰপেটালৈ যিদিনা প্ৰথম মই যাওঁ, সিদিনা গৈছিলোঁ মই অকলে আনন্দ মনেৰে, এই কথা প্ৰথমতে কৈছোঁ। কিন্তু তাৰ পৰা যেতিয়া মই আহোঁ, তেতিয়া অকলশৰীয়া নহয়, মোৰ লগত আছে মোৰ পত্নী, কনিষ্ঠা কন্যা দুজনী আৰু সৰু নাতিনীজনী। পত্নী অসুস্থা কাৰণে বাছত আহিব নোৱাৰে, আৰু সেয়েহে এখন সৰু গাড়ী অনাই তাত আমি আহিছিলোঁ। অহা সময়ৰ আগৰে পৰা বহু পুৰুষ মহিলা মোৰ ঘৰলৈ আহি বিদায় সম্ভাষণ জনাই আমাৰ ভৱিষ্যত মঙ্গল কামনাও কৰি গৈছিল, আৰু কোনো কোনোজন আমাৰ যাত্ৰা কাললৈকেও ৰৈ আছিল। সেইসকলৰ ভিতৰত মনত পৰে — ড° অৰবিন্দ মিশ্ৰ, মুখ্য ন্যায়াধীশ শৰৎ চন্দ্ৰ শৰ্মা, শ্ৰীঅক্ষয় কুমাৰ মিশ্ৰ, অধ্যাপক বিজনলাল চৌধুৰী, শ্ৰীটিকেন্দ্ৰ নাথ শৰ্মা (হাউলী), শ্ৰীনিবাৰণ দাস (বৰপেটা সংস্কৃত টোলৰ পিয়ন) আদি কিছুমানে আমি উঠাৰ সময়ত সজলনেত্ৰে বিষণ্ণতা প্ৰকাশ কৰিছিল, আৰু আমাৰো ব্যথিত অন্তৰত থৌকিবাথৌ লগাইছিল। বুকুৰ তেজ পানী কৰি বন্ধা মোৰ সেই সাধাৰণ সৰু ঘৰটোৰ (য'ত মই প্ৰায় ৩৭ বছৰ কাল নিবিড়ভাৱে অধ্যয়ন কৰাৰ উপৰিও জীৱনৰ ভালবেয়া কৃতিখিনিৰ সৃষ্টি কৰিছোঁ) পৰা ওলাই অহা সময়ত মোৰ অন্তৰত যি দুঃখানুভূতি জাগ্ৰত হৈছিল তাৰ যথাৰ্থ ৰূপায়ণ অসম্ভৱ। বিশেষ কথা এই যে, ইয়াৰ কেইবাদিনো আগৰে পৰা বহুত পুৰুষ মহিলা মোৰ ঘৰলৈ আহিছিল মোক বিদায় সম্ভাষণ জনোৱাৰ কাৰণে। তেওঁলোকৰ কোনো কোনোৱে (বিশেষকৈ মহিলাই) ফুলাম গামোছা দি মোক তেওঁলোকৰ আন্তৰিকতাপূৰ্ণ সন্মান জনাইছিল, দুই এজনে সেই প্ৰসঙ্গত ধূতী আৰু চোলাৰ কাপোৰো দিছিল।

প্ৰথম দিনা (১৪/৭/৫৫) বৰপেটালৈ যাওঁতে ৰাতিপুৱা নলবাৰীত ট্ৰেইনত উঠি বৰপেটাৰোডলৈ গৈ তাৰ পৰা বাছত উঠি ১১ মান বজাত বৰপেটাৰ বাচষ্ট্যাণ্ড্ পাইছিলোঁ। বাছৰ পৰা নামি কলেজলৈ কোনপিনে যাব লাগে, এই কথা যিজনক সুধিছিলোঁ, সেইজনেই আছিল এম. চি কলেজৰ জ্যেষ্ঠ পিয়ন শ্ৰীভগবান দাস। মোৰ বস্তু-বাহানিৰ টোপোলাটো এটা কুলিৰ মূৰত তুলি তেওঁ মোক বাট দেখুৱাই কলেজলৈ লৈ গ'ল আৰু অধ্যক্ষৰ সন্মুখত নি মোক উপস্থিত কৰালে। অধ্যক্ষ আছিল কটন কলেজৰ গণিতৰ প্ৰাক্তন মুৰব্বী অধ্যাপক স্বনামধন্য ৰাধাকান্ত দাস। স্বকীয় বিষয়ত বিশেষজ্ঞ পণ্ডিত হোৱাৰ উপৰিও তেওঁ আছিল নিয়ম-নীতি আৰু শৃংখলাবোধত অতি তৎপৰ। কটন কলেজত পঢ়া সকলো ছাত্ৰৰ মাজত তেওঁ "অসমৰ এটা বাঘ" ৰূপে জনাজাত আছিল। অধ্যক্ষ দাস ছাৰে মোক বহিবলৈ দিলে, প্ৰয়োজনীয় কথা পাতিলে আৰু অসমীয়াৰ প্ৰবক্তাৰ পদত ভৰ্তি কৰিলে। তেওঁ সেই প্ৰসঙ্গত মোক কোৱা এই কথাষাৰ এতিয়াও মনত আছে — "তুমি নলবাৰীৰ পৰা আহিলা, বৰ ভাল হৈছে। ছাত্ৰবিলাকক ভালকৈ চাবা।" মোৰ থকা মিলা সম্বন্ধে তেওঁ সুধিলে। মই ক'লোঁ যে প্ৰথমতে মই পণ্ডিত নাৰায়ণ মিশ্ৰ দেৱৰ ঘৰলৈ যাব বিচাৰিছোঁ। শ্ৰদ্ধাস্পদ অধ্যক্ষ দাস ছাৰে ক'লে — "ব'লা, ময়ো ঘৰলৈ যাওঁ, তোমাক মই তালৈ বাট দেখুৱাই দিম।" (বিশেষ কথা — অধ্যক্ষ দাস মূলতঃ আছিল বৰপেটা আমবাৰী হাটীৰ মানুহ। এম. চি কলেজত থকা কালছোৱাত তেওঁ তাত আছিল। আন এটা কথা, অকল বৰপেটাতে নহয়, সমগ্ৰ অসমতে বিদ্বৎমণ্ডলীৰ মাজত তেওঁ জনাজাত আছিল "ৰাধাবাবু" বুলিহে। কটন কলেজত পঢ়ি থকা কালৰে পৰা আমাৰো সেই নামটোৱেই মুখস্থ হৈ আছিল।) ৰাধাবাবুৱে এইদৰে কৈ মোক লগত আনি বজাৰৰ চাৰিআলিৰ চ'কৰ পৰা "বিদ্যাপীঠ"ৰ সন্মুখৰ ৰাস্তাটো আঙুলিয়াই দি ক'লে — "এই ৰাস্তাৰে পোনে পোনে গৈ থাকা, কিছুদূৰ গ'লে তেওঁৰ ঘৰ পাবা।" উক্ত নিৰ্দেশ মতে মই গৈ থাকি বৰ্তমান "শংকৰদেৱ শিশু নিকেতন" স্থাপিত হোৱা ঠাইখিনিত এজন মানুহক মিশ্ৰদেৱৰ ঘৰৰ কথা সুধিলোঁ। মানুহজনে আঙুলিয়াই দিলে

— "সৌটো তেখেত বাটত থিয় হৈয়েই আছে।" মই আগবাঢ়ি গৈ আন্তৰিক ভক্তিৰ সৈতে মূৰ হলাই হাত যোৰকৈ সেৱা এটি জনালোঁ। তেওঁ মোৰ ফালে চাই সুধিলে — "কাই?" মই অতি বিনম্ৰভাৱে ক'লোঁ, "মোৰ নাম হৰিনাথ শৰ্মা দলৈ, নলবাৰীৰ পৰা আহিছোঁ।" মোৰ মুখৰ ফালে চাই এক চেকেণ্ডমান টলকি ক'লে — "আহা।"

এইদৰে মাতি নি বাটৰ কাষৰ ঘৰটোত (বৰ্তমান ভগ্নাৰস্থাত) মোক বহিবলৈ দি তেৰোঁ চকী এখনত বহিলে। চমুকৈ মোৰ পৰিচয়, তালৈ যোৱাৰ উদ্দেশ্য আদিৰ কথা মই ক'লোঁ। তেওঁৰ কনিষ্ঠ পুত্ৰ সত্যকৃষ্ণ মিশ্ৰক মতাই আনি আমাৰ লগত বহুৱালে। বিশেষ কথা সত্যকৃষ্ণ মিশ্ৰৰ লগত মই কটন কলেজত আৰু এম. এ ক্লাছতো একেলগে পঢ়িছিলোঁ আৰু নিজে ভাত ৰান্ধি খাই বহুদিন একেলগে মেছ কৰি আছিলোঁ। সেই সময়ত আমাৰ গুৱাহাটীৰ মেছত এদিনাখন দুঘণ্টামানৰ কাৰণে নাৰায়ণ দেৱ মিশ্ৰৰ সান্নিধ্য লাভ কৰাৰ সুযোগ মোৰ মিলিছিল। কি কাৰণত নাজানো, সাহিত্যৰ ছাত্ৰ বুলি জানি সিদিনা তেওঁ মোক সাহিত্য সম্বন্ধে কিছুমান প্ৰশ্ন সুধিছিল। ইতিমধ্যে মই অধ্যয়ন কৰা অসমীয়া-বঙালী গ্ৰন্থৰ উপৰিও বিশেষকৈ হডছন (Hudson) ৰ "An Introduction to the Study of Literature" আৰু ত্ৰৈলোক্যনাথ গোস্বামীৰ "সাহিত্য আলোচনা" গ্ৰন্থৰ আধাৰত যথাসাধ্যে প্ৰশ্নবোৰৰ উত্তৰ দিছিলোঁ। মোৰ উত্তৰবোৰ তেওঁ বৰ বেয়া পোৱা নাছিল বুলি মোৰ বোধ হৈছিল। পূৰ্বৰ উক্ত প্ৰসঙ্গৰ কথাবোৰ তেওঁৰ বোধহয় মনত পৰিল, মোৰ বংশ-পৰিয়ালৰ কথাও জানিলে। (আমাৰ গাঁৱৰ ঘৰৰ কথা অৱশ্যে তেওঁ আগৰে পৰা জানিছিল) চাহ-পানী খাবলৈ দিলে। পাছত পূজনীয় মিশ্ৰদেৱে নিজেই ক'লে— "মোৰ ঘৰলৈ আহিছা, ভালেই হৈছে, ইয়াতে দুই এদিন থাকা।" তেখেতে সিদিনাই মোক 'প্ৰফেছাৰ' বুলি সম্বোধন কৰিলে আৰু ঘৰৰ আনবোৰৰ লগতো মোক সেইধৰণে পৰিচয় কৰি দিলে। সেইদিন ধৰি আজিলৈকে মিশ্ৰ পৰিয়ালৰ সকলোৱে মোক 'প্ৰফেছাৰ' বুলিয়ে কয়। সেই সময়ত সৰু আৰু পাছত জন্মগ্ৰহণ কৰা ল'ৰা-ছোৱালীবিলাকে এতিয়াও মোক 'প্ৰফেছাৰ খুৰা' বুলি মাতে।

যিটো ঘৰত বহিছিলোঁ, সেইটো সময়ত আছিল মিশ্ৰদেৱৰ ঘৰৰ একপ্ৰকাৰ অতিথিশালাৰ নিচিনা। ঘৰটোৰ কোঠা আছিল তিনিটা আৰু তিনি-চাৰিখনমান বিচনা আছিল। মূৰৰ কোঠাটোৰ বিচনাখনত মোক থাকিবলৈ দিলে। এইদৰে তাত থাকি কলেজলৈ অহা-যোৱা কৰিবলৈ ধৰিলোঁ। চাৰি-পাঁচদিন থকাৰ পিছত প্ৰথমতে এদিন, তাৰ পাছত আকৌ দুই-তিনিদিনৰ মূৰে মূৰে কেইবাদিনো মোৰ সহপাঠী বন্ধু সত্যকৃষ্ণ মিশ্ৰ আৰু পূজনীয় মিশ্ৰদেৱক কৈছিলোঁ যে ভাৰাৰ কাৰণে মোক এটা সৰু ঘৰ ঠিক কৰি দিব লাগে। এইদৰে কেইবাদিনো কোৱাৰ পিছত এদিন পূজ্যস্পদ মিশ্ৰদেৱে ক'লে — "ভাল ঠাইত সুবিধা কৰি দিব পাৰিলে বাৰু তুমি যাবা। থাকাচোন আৰু কিছুদিন, আমাৰ সত্যৰো লগ নাই, মোকো তোমাৰ নিচিনা এজন লগ লাগে — কিতাপ পত্ৰ পঢ়ি শুনোৱাৰ কাৰণে।" এই স্নেহসিক্ত কথাষাৰৰ মৰ্মাৰ্থ অনুসৰি থাকোঁতে থাকোঁতে প্ৰায় আঠ মাহ কাল থাকি এই পণ্ডিত গৰাকীৰ সান্নিধ্য লাভৰ দ্বাৰা মই বিশেষভাৱে উপকৃত হৈছিলোঁ। এই কালতো ঘৰৰ ভিতৰৰ অন্যতম বিশেষ কথা এই যে, কেইবাখনো বৈষ্ণৱ-তন্ত্ৰ আৰু মূল ৰামায়ণখন মিশ্ৰদেৱৰ ইচ্ছানুসৰি তেওঁক মই পঢ়ি শুনাইছিলোঁ। লগতে, শাস্ত্ৰসন্মতভাৱে "নাম-ঘোষা" খনৰ বহল ব্যাখ্যামূলক গ্ৰন্থ এখন প্ৰণয়ন কৰাৰ কাৰণে আলোচনাৰ মাজত তেওঁক মই টানি অনুৰোধ কৰিছিলোঁ। হাত কঁপা কাৰণে লিখিবলৈ তেওঁ টান পোৱা হেতুকে মই কৈছিলোঁ যে, তেওঁৰ পৰা শুনি লৈ মই লিখি যাম, কিছু অংশ লিখাৰ পাছত তাক পঢ়ি শুনাম, তাক তেওঁ প্ৰয়োজন অনুসৰি সংশোধন কৰি দিব। এই ধৰণে কিয়দাংশ লিখা গ্ৰন্থখন পাছত তেওঁৰ যোগ্য পুত্ৰসকলে সম্পন্ন কৰে, আৰু বহুত পলমকৈ "নাম-ঘোষা তত্বাৰ্থ প্ৰকাশ" নামেৰে ১৯৯৮ চনতহে ই প্ৰকাশ হয়। ইয়াৰ উপৰিও কবিচন্দ্ৰ বিৰচিত "হৰি-কীৰ্ত্তন গৌৰৱম্" নামৰ সাঁচিপতীয়া পুথি এখনৰো কিছু অংশ মই মিশ্ৰদেৱৰ আজ্ঞামতে ৰাতি ৰাতি আধুনিক অক্ষৰত লিখিছিলোঁ। শেষত প্ৰায় ৮ মাহ পাছত মিশ্ৰদেৱেই আগভাগ লৈ মেটুৰাকুছিত এটা ঘৰ দুকুৰি টকা ভাৰাত বন্দৰস্ত কৰি দিয়ে। তাত গৈ থাকিবলৈ লোৱাতো

তেওঁলোকৰ পৰিয়ালৰ সকলোবোৰেই আনকি তেওঁ নিজেও সময়ে সময়ে মোৰ খবৰ লৈ থাকে। ১৯৫৯ কি ১৯৬০ চনত তেওঁলোকৰ ঘৰৰ কাষতে এটুকুৰা মাটি কিনি তেওঁলোকৰ উৎসাহ আৰু উদ্‌গনিত এটা ঘৰ বান্ধি লৈ ১৯৬২ চনৰ পৰা তাত থাকিবলৈ আৰম্ভ কৰোঁ। ঘৰ একেবাৰে লগালগি হোৱা কাৰণে মিশ্ৰদেৱে নিতৌ দুয়োবেলাই নহ'লেও অন্ততঃ এবাৰ গৈ মোৰ ঘৰত বহে আৰু কেতিয়াবা শাস্ত্ৰীয় আৰু কেতিয়াবা নানাবিধ ঘৰুৱা কথাও পাতে। মই নাথাকিলে কোনো কোনো সময়ত মোৰ পত্নীক অসমীয়া বা বাংলা গ্ৰন্থ এখন পঢ়িবলৈ দি নিজে শুনে। নিজ ঘৰত থাকিবলৈ লোৱাৰ কেইদিনমান পাছতে এদিন বৰপেটা সংস্কৃত টোল প্ৰাঙ্গনত (টোলখন মোৰ ঘৰৰ সন্মুখতে) মোৰ সাক্ষাততে পূজনীয় মিশ্ৰদেৱে টোলৰ অধ্যাপক পণ্ডিত হৰিকান্ত শাস্ত্ৰীক কৈছিল — "ইয়াত এখন মই পণ্ডিতৰ সমাজ কৰিব বিচাৰিছোঁ অধ্যাপক! (মোক আঙুলিয়াই দি) এইজন পণ্ডিতকো আনি তোমালোকৰ কাষতে বহুৱালোঁ।" এই স্মৰণীয় কথাষাৰে বিদ্যা-আহৰণ আৰু অধ্যয়নৰ দিশত আগবঢ়াত অন্ততঃ অজ্ঞাতসাৰে হ'লেও মোক প্ৰভাৱিত নকৰা নহয়। আন এদিনৰ কথা জাৰকালি সন্ধ্যা সময়ত মিশ্ৰদেৱৰ চোতালত কৰ্দ্দৈ গছ জোপাৰ তলত আমি কেইবাজনেও জুই পুৱাই আছিলোঁ। কথা প্ৰসঙ্গত মিশ্ৰদেৱে তাত বহি থকা চন্দ্ৰকান্ত দেৱ মিশ্ৰ আৰু গঙ্গাধৰ দেৱ মিশ্ৰ এই দুই গৰাকী পুত্ৰক কৈছিল — "তহঁতে প্ৰফেচাৰক তহঁতৰ এজন ভাই বুলি ধৰিবি।" এই উক্তিৰ মৰ্মাৰ্থ অনুসৰি মিশ্ৰদেৱৰ প্ৰতি মোৰ সশ্ৰদ্ধভাৱ আৰু কৰ্ম অটুট আছিল, মিশ্ৰ-পৰিয়ালৰ প্ৰতিও মোৰ নিজস্ব অন্তৰিকতা আছে আৰু ভৱিষ্যতলৈও থাকিব বুলি দৃঢ় ধাৰণা।

১৯৫৫ চনৰ জুলাই মাহৰ ১৪ তাৰিখে বৰপেটাৰ মাধৱ চৌধুৰী কলেজৰ শিক্ষকৰূপে ভৰ্তি হৈ মই দেখিছিলোঁ — অসমৰ সেই দ্বিতীয় বেচৰকাৰী কলেজখনৰ আৱয়বিক স্বৰূপ আছিল ঠেক— সেই দিনৰ ধুনীয়া নক্সাত এটাই আছিল বৃহৎ ঘৰ। তাৰ ভিতৰত আছে দুটা হল আৰু ডাঙৰ সাতটা কোঠালী। ইয়াৰ ভিতৰতে কলেজখনৰ প্ৰয়োজনীয় কামখিনি চলাত অসুবিধা হোৱা নাছিল। হল দুটাৰ "কাকতি হল"ত লোৱা হৈছিল আই-এ মহলাৰ প্ৰথম বাৰ্ষিকৰ ক্লাছ, "বাগেৰীয়া হল'ত সেই মহলাৰ দ্বিতীয় বাৰ্ষিক ক্লাছ, দুটা ডাঙৰ কোঠাত লোৱা হৈছিল বি-এ মহলাৰ তৃতীয় আৰু চতুৰ্থ বাৰ্ষিক ক্লাছ। বাকী তিনিটা ডাঙৰ কোঠালিৰ এটা ব্যৱহৃত হৈছিল শিক্ষকসকলৰ জিৰণী কোঠা ৰূপে, এটা কলেজৰ অফিচ আৰু লাইব্ৰেৰীৰূপে আৰু আনটো ব্যৱহাৰ কৰা হৈছিল এন.চি.চিৰ অফিচ হিচাপে। দুটা সৰু কোঠালিৰ এটাত বহিছিল অধ্যক্ষ আৰু আনটো আছিল ছাত্ৰী জিৰণী কোঠা। সেই সময়তে অৱশ্যে ছাত্ৰৰ কমনৰূম হিচাপে পুৰণি কাঠ, টিনপাতেৰে এটা ঘৰ বন্ধা হৈছিল। ছাত্ৰৰ সংখ্যাও আছিল বহুত কম — দুয়োটা আই-এ ক্লাছৰ ভিতৰত আঢ়ৈশ মান, আৰু দুয়োটা বি-এ ক্লাছৰ ভিতৰত কিজানি এশতকৈও কম। মই গৈ প্ৰথমতে বি-এ ক্লাছত ছাত্ৰী দেখা নাছিলোঁ, আই-এ ক্লাছত আছিল ১২/১৪ জনীমান। প্ৰতিটো বিষয়তে আছিল দুজনকৈ অধ্যাপক। কাৰণবশতঃ সাময়িকভাৱে কেতিয়াবা এজনেও চলাবলগীয়া হৈছিল। ইংৰাজীৰ অধ্যাপক পোৱাতো বৰ টান আছিল। ১৯৬০ চন মানলৈকে উপযুক্ত অৰ্হতা নথকা দুই এজনেও ইংৰাজী শিকাবলগীয়া হৈছিল, আনকি ইংৰাজী নপঢ়া মানুহো দুই এজনে অসমৰ বাহিৰৰ পৰা আহি ইংৰাজীত এম-এ পাছ কৰা বুলি কলেজত পঢ়ুৱাই কৰ্তৃপক্ষই চকুত সাময়িকভাৱে ধূলি মাৰিছিল বুলি সেই সময়ত আমি বুজিছিলোঁ। অধ্যক্ষ ৰাধাবাবু আছিল কিন্তু সুদৃঢ় খুটাৰ নিচিনা। কটন কলেজত থাকোঁতে তেখেতে যি ব্যাঘ্ৰত্ব অৰ্জন কৰিছিল, এতিয়া ভাটী বয়সতো সেই গুণে তেওঁক এৰা দিয়া নাছিল। কোন কোন অধ্যাপকে নিয়মিতভাৱে আন্তৰিকতাৰে কৰ্ত্তব্য পালন কৰি আছে, আৰু কোন অধ্যাপকে কোনদিনা কি ক্লাছ কৰা নাই, এইবোৰ তেওঁ আঁৰে আঁৰে হিচাপ ৰাখিছিল। বিশেষভাৱে স্মৰণীয় কথা— এজন অধ্যাপকে কোনো খবৰ নিদিয়াকৈ ক্লাছ নকৰা কাৰণে ৰাধাবাবু হঠাতে মোৰ মেটুৰাকুছিৰ ভাৰাঘৰত গৈ এদিন উপস্থিত হয় আৰু বৰ কৌশলপূৰ্ণ পদ্ধতিৰে সেই অধ্যাপকজনৰ কথা মোক সোধে। তত্বটো বুজি পাই ময়ো "অশ্বত্থামা হতঃ কুঞ্জৰ ইতি" — কৌশলেৰে উত্তৰ দি কোনোমতে উভয় কূল

ৰক্ষা কৰিছিলোঁ আৰু তেওঁৰ অপ্ৰীতিভাজন হোৱাৰ পৰা ৰক্ষা পৰিছিলোঁ। আন এদিনৰ কথা — কলেজৰ ভিতৰফালৰ বাৰান্দাত ৰাধাবাবুৰ লগত আমি কেইজনমান অধ্যাপক বহি আছোঁ। এনেতে ৰাধাবাবুৰ চকুত পৰিল — কলেজৰ খেলপথাৰখনৰ একেবাৰে শেষত, ভালেখিন আঁতৰত, অথচ বাৰান্দাৰ পৰা স্পষ্টভাৱে দেখা ঠাইত কলেজৰ চৌকিদাৰ এজনে থিয় হৈ প্ৰস্ৰাৱ কৰিব ধৰিছে। লগে লগে তেওঁ তাক মতালে। সি আহি সন্মুখত থৰ্থৰীয়া লাগি থিয় দিয়ে। ৰাধাবাবুয়ে চকু পকাই ক'লে— "আমি সকলোৱে দেখা সেই ঠাইত তই কিয় থিয় হৈ চৌ-চৌকৈ মুতিলি? তোৰ মই পাঁচ টকা ফাইন কৰিলোঁ; কালি লৈ আহিবি।" উল্লেখনীয় কথা, ৰাধাবাবুৰ জীৱন-প্ৰৱাহ ফল্গু নদীৰ দৰে — বাহিৰত শুকান আৰু ৰুক্ষ, কিন্তু অন্তৰত স্নেহ-সলিল প্ৰৱাহিত। সাধু আৰু নিষ্ঠাৱানৰ প্ৰতি তেওঁৰ স্নেহ অভাৱনীয়। তেওঁৰ দিনত কলেজ সপ্তাহৰ অনুষ্ঠান আৰু নৱাগত আদৰণী সভা সন্ধ্যাৰ আগে আগে শেষ কৰিছিল।। সভা ১২ মান বজাতে আৰম্ভ কৰি ৩ মান বজাত শেষ কৰে। তাৰ পাছতে হয় চাহ-মিঠাই খোৱা পৰ্বৰ আৰম্ভ। এই পৰ্ব শেষ কৰি সূৰ্যাস্তৰ আগে আগে বা লগে লগে ল'ৰা-ছোৱালী সকলোকে কলেজৰ পৰা পঠায় আৰু কেউপিনে ঘূৰি পৰি চাই ৰৈ থকা অধ্যাপকসকলৰ সৈতে তেৰোঁ ঘৰলৈ যায়। কলেজৰ পৰিচালনা সমিতিৰ সচিব আছিল বিখ্যাত প্ৰবীণ আইনজ্ঞ জানকী মোহন শৰ্মা। কলেজত শৈক্ষিক দিশত শৃংখলা অধ্যক্ষই যেনেকৈ কটকটীয়াকৈ ৰাখিছিল, আভ্যন্তৰিণ আৰু আৰ্থিক দিশো উক্ত সচিবে কিছু সুস্থিৰ অৱস্থাত ৰাখিছিল বুলি আমাৰ ধাৰণা আছিল। কলেজৰ শিক্ষক-কৰ্মচাৰীসকলক সাধাৰণতে প্ৰতি মাহৰ চাৰি তাৰিখত দৰমহা দিয়া হৈছিল।

১৯৬০ চনৰ আগে আগে বয়সজনিত কাৰণত ৰাধাবাবু কলেজ এৰি গুচি যায়। আনহাতেদি প্ৰায় তেনেকুৱা সময়ৰ পৰা বা অলপ আগৰে পৰা কলেজ দ্ৰুতগতিত সম্প্ৰসাৰিত হ'বলৈ ধৰে। বিজ্ঞান শাখা আৰম্ভ হ'ল, কলা বিষয়ত নৈশ শাখা খোলা হ'ল, সেই অনুপাতে ঘৰ-দুৱাৰৰ সংখ্যা বৃদ্ধি হ'ল, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুত বাঢ়িল, সকলো বিষয়তে অধ্যাপক-অধ্যাপিকা আৰু আন কৰ্মচাৰীৰ সংখ্যাও বাঢ়িল, এটাৰ পাছত এটাকৈ বিষয়বোৰত অনাৰ্ছ খোলা হ'ল। এইদৰে ক্ষিপ্ৰগতিত আগবাঢ়ি মাধৱ চৌধুৰী কলেজ বৰ্ত্তমান কলেৱৰত ব্যাপক — ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দুহেজাৰৰো বেছি, শিক্ষকৰ সংখ্যাও প্ৰায় চাৰিকুৰি। বিশেষ কথা এই যে, ৰাধাবাবু যোৱাৰ পিছৰ পৰা কেইবা বছৰো ধৰি স্থায়ী উপযুক্ত অধ্যক্ষৰ অভাৱত কলেজখনৰ প্ৰশাসনীয় শৃংখলাৰ বান্ধ কিছু শিথিল হৈছিল। পাছত ১৯৬২-৬৩ চন মানত কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক প্ৰাণজিৎ কুমাৰ তালুকদাৰ স্থায়ীভাৱে অধ্যক্ষৰ আসনত বহে। সকলোকে একপ্ৰকাৰ সন্তুষ্ট ৰাখি এটা উদাৰ নীতিৰ মাজেদি তেওঁ ভালেমান বছৰ, অৰ্থাৎ অৱসৰৰ সময়লৈকে (১৯৮১-৮২ চন মানলৈ) অধ্যক্ষৰ পদত থাকি কলেজখন চলাইছিল। তালুকদাৰৰ পাছত উপাধ্যক্ষ শ্ৰীযুত নৰেন্দ্ৰ নাথ শৰ্মাই কিছুদিনৰ কাৰণে কলেজক শাসন-দণ্ড অস্থায়ীভাৱেহে ঘূৰোৱাৰ সুযোগ পায় যদিও চৰকাৰৰ নিৰ্বাচনত নুঠা কাৰণে সেই দণ্ড তেওঁৰ হাতৰ পৰা পদাৰ্থ বিজ্ঞানৰ মুৰব্বী অধ্যাপক হৰেন্দ্ৰ নাথ দাসৰ হাতত গৈ পৰে। কিন্তু দুঃখৰ কথা যে, ৩/৪ বছৰমান পাছতে দাস অকালতে পৰলোকপ্ৰাপ্ত হয়। তেতিয়া উপাধ্যক্ষ ইংৰাজীৰ মুৰব্বী অধ্যাপক শ্ৰীযুত বিমলকান্তি বসুয়ে এবছৰমান কাল অধ্যক্ষৰ দায়িত্ব বহন কৰাৰ পাছত বনস্পতি বিভাগৰ মুৰব্বী শ্ৰীঅৰ্জুন চন্দ্ৰ দাস স্থায়ীভাৱে সেই পদত অধিস্থিত হয়। তেওঁ ৬/৭ বছৰমান অধ্যক্ষ পদত থাকি ঘৰ-দুৱাৰ নিৰ্মাণৰ কিছু কাম চকুত লগাকৈ কৰি কলেজখন কিছু পৰিপাটিৰ ফালে অনা দেখা গৈছে। যথা সময়ত তেওঁ অৱসৰ লোৱাৰ পাছত ১৯৯৬ কি ১৯৯৭ চনত ৰসায়ন বিভাগৰ অধ্যাপক আপেক্ষিকভাৱে বয়ঃকনিষ্ঠ ড° কিৰণ চন্দ্ৰ বায়নে স্থায়ীভাৱে অধ্যক্ষৰ আসনত বহি বৰ্ত্তমানে কলেজখনৰ গুৰি ধৰিছে। ড° বায়ন সৎ সাহসী, উদ্যোগী, নিৰপেক্ষ আৰু নিষ্ঠাৱান পুৰুষ। তেওঁৰ উদ্যম, কৰ্মপ্ৰেৰণা আৰু পৰিকল্পনাৰ মাজেদি ঐতিহ্যপূৰ্ণ মাধৱ চৌধুৰী কলেজে আৰু অধিক মৰ্য্যাদা লাভ কৰি অসমত ই প্ৰথম দৃষ্টিগোচৰ হ'ব বুলি আশা কৰিব পাৰোঁ।

মাধৱ চৌধুৰী কলেজত মই ভৰ্ত্তি হোৱা সময়ত

যিসকলক সহকৰ্মীৰূপে পাইছিলোঁ বা তাৰ অব্যবাহিত পৰৱৰ্তী কালতো যিসকল আহিছিল, সেইসকলৰ প্ৰায়বোৰেই অলপ অলপ দিন থাকি আন আন ঠাইলৈ গুছি গৈছে। সেইসকলৰ ভিতৰত উপাধ্যক্ষ বিনোদ বিহাৰী মজুমদাৰৰ নাম উল্লেখনীয়। তেওঁ আছিল দৰ্শনৰ অধ্যাপক, নিষ্ঠাৱানকৰ্মী আৰু ৰাধাবাবুৰ সোঁহাত স্বৰূপ। তেওঁ বৰপেটাত স্থায়ীভাৱে বসবাস কৰাৰ কাৰণে তাত ঘৰ বান্ধিবলৈ মাটি বিচাৰি আছিল, এনেতে ৰাজ্যভাষাৰ নামত ৬০ চন মানত হোৱা আলোড়নত ভীত হৈ বৰপেটা এৰি কলিকতালৈ গুছি যায়। মোতকৈ কিছুকাল পাছত অহা এগৰাকী উল্লেখযোগ্য অধ্যাপক শ্ৰীযুত ৰামপদ পাণিগ্ৰাহী। তেওঁ আছিল দৰ্শনৰ অধ্যাপক, দাৰ্শনিক ভাৱাপন্ন আৰু অধ্যয়নশীল সাধু পুৰুষ। কেইবছৰমান থাকি তেওঁ ছিলঙৰ কোনো এখন কলেজলৈ যায়। স্থায়ীভাৱে সেই কলেজতে কাম কৰা আৰু মোৰ অগ্ৰগামী অধ্যাপকসকলৰ ভিতৰত শ্ৰীযুত নৰেন্দ্ৰ নাথ শৰ্মা আৰু শ্ৰীযুত সুধীৰ কুমাৰ অধিকাৰী। প্ৰথমজনে এই কলেজতে কৰ্ম জীৱন শেষ কৰিছে আৰু দ্বিতীয়জনে শেষৰফালে স্থানান্তৰত গৈ অধ্যক্ষৰ দায়িত্ব লৈছে। এতিয়া তেওঁ বৰপেটাৰোডত অৱসৰকালীন জীৱন-যাপন কৰিছে। মোতকৈ কিছুকাল পাছত অহা সকলৰ ভিতৰত কৰুণা কান্ত শৰ্মা, ৰাম কৃষ্ণ ওজা, অচ্যুত গোস্বামী, শ্ৰীযুত বিমল কান্তি বসু, শ্ৰীযুত কমল নাৰায়ণ দাস, শ্ৰীযুত গিৰিজা নন্দ দাস, নিবাৰণ চন্দ্ৰ দাস আদিৰ নাম বিশেষভাৱে স্মৰণীয়। দুখৰ কথা— ইতিমধ্যে অচ্যুত চন্দ্ৰ গোস্বামী, নিবাৰণ চন্দ্ৰ দাস, ৰাম কৃষ্ণ ওজা আৰু কৰুণা কান্ত শৰ্মাই পৰলোক গমন কৰিছে। কৰুণা কান্ত শৰ্মাই শেষৰ ফালে নলবাৰী কলেজত কাম কৰি নলবাৰীতে স্থায়ীভাৱে বাস কৰিছিল। শ্ৰীবিমল কান্তি বসুৱে যথা সময়ত অৱসৰ গ্ৰহণ কৰি বৰপেটাৰ "শঙ্কৰ-মাধৱ কলেজ"খন এতিয়াও চলাই আছে তাৰ অধ্যক্ষৰূপে। গিৰিজানন্দ দাসে উপাধ্যক্ষ পদৰ পৰা অৱসৰ লৈছে। ওপৰতে উল্লেখ কৰি অহা হৈছে যে, বৰ্ত্তমানে মাধৱ চৌধুৰী কলেজত অধ্যাপক-অধ্যাপিকাৰ সংখ্যা চাৰিকুৰি মান হৈছে। সেইসকল কম-বেছি পৰিমাণে মোতকৈ বয়ঃকনিষ্ঠ আৰু বহুতেই মোৰ ছাত্ৰ-ছাত্ৰী। বয়সত সৰু হ'লেও সকলোবোৰ বিষয়ৰে অধ্যাপক-অধ্যাপিকাসকলৰ লগত মোৰ সম্বন্ধ নিবিড় আৰু সৌহাৰ্দ্দ্যপূৰ্ণ হৈ এতিয়াও আছে। ১৯৬০ চনত কি তাৰো অলপ পিছলৈকে কামদত্ত পাঠক নামৰ এজন বয়সস্থ লোকে অকলে অফিচৰ সকলোবোৰ কাম চলোৱাৰ উপৰিও অধ্যাপক-অধ্যাপিকাসকলৰ প্ৰয়োজনীয় পৰামৰ্শ পৰ্যন্ত আগবঢ়াইছিল। কোনো কোনোৱে তেওঁক "De-facto" প্ৰিন্সিপাল বুলিও আমোদ কৰিছিল।

মই ভৰ্ত্তি হোৱাৰ আগলৈকে কলেজখনত অসমীয়াৰ অধ্যাপক আছিল মাত্ৰ এজন — নাম গিৰীশ দাস। কিন্তু মই সোমোৱাৰ ছয় মাহ পাছতে, অৰ্থাৎ ডিচেম্বৰ মাহত এটা ভাল সুবিধা পাই তেওঁ কলেজ এৰি যায়। তেতিয়াৰে পৰা অসমীয়া বিভাগৰ দায়িত্ব স্বাভাৱিকতে মোৰ ওপৰতে পৰে। দুমাহমান অসমীয়া বিভাগটো মই অকলে অকলে চলাই থকাৰ পাছত ১৯৫৬ চনৰ ফেব্ৰুৱাৰী কি মাৰ্চত ৰামকৃষ্ণ ওজাক লোৱা হয়। তাৰ দুবছৰমান পাছত ৰমেশ চন্দ্ৰ দাসক, তাৰ কিছু পাছত শ্ৰীজয়কৃষ্ণ দাসক আৰু তাৰো কিছুকাল পাছত শ্ৰীবিজনলাল চৌধুৰী অসমীয়াৰ অধ্যাপকৰূপে সোমায়। উল্লেখযোগ্য কথা যে, উক্ত ৰমেশ চন্দ্ৰ দাস মাধৱ চৌধুৰী কলেজত মোৰ শিক্ষকতাৰ প্ৰথম বছৰৰ ছাত্ৰ আছিল। তেওঁ আছিল মোৰ অনুগত, স্নেহভাজন আৰু লগতে কৃতী শিক্ষক। বৰ দুখৰ কথা, চাকৰি কাল শেষ হ'বলৈ বহুদিন বাকী থাকোঁতেই তেওঁ আমাক এৰি চিৰ বিদায় লৈছে, লগে লগে কলেজখনৰো বহুত ক্ষতি হৈছে। শ্ৰীবিজনলাল চৌধুৰী মোৰ আনুষ্ঠানিক ছাত্ৰ নহ'লেও মোৰ অতি স্নেহভাজন, তেওঁক মই কনিষ্ঠ ভ্ৰাতৃপ্ৰতীম জ্ঞান কৰি আহিছোঁ। আনহাতেদি আকৌ এটা বিশেষ আনন্দ আৰু গৌৰৱৰ কথা বুলি মই ভাবো যে, প্ৰায় ৩৪ (একুৰি চৈধ্য) বছৰ কাল মই বিভাগীয় মুৰব্বী হিচাপে থাকি কনিষ্ঠ সহকৰ্মীসকলৰ লগত কাম কৰিছোঁ। কোনো কোনো কলেজৰ বিভাগীয় মুৰব্বীজনৰ লগত তলৰ প্ৰবক্তাসকলৰ অলপ-অচৰপ হ'লেও মনোমালিন্যৰ কথা মই নুশুনা নহয়। মোৰ কনিষ্ঠ সহকৰ্মীসকলে কিন্তু কোনোদিনে কোনো প্ৰসঙ্গতে মোৰ ওপৰত আঁসোৱাহ

বা অসন্তুষ্টিৰ ভাবতো দেখুৱা নায়েই, বৰং ক্লাছ লোৱা আৰু পঢুৱা সম্বন্ধে আলোচনাৰ মাজেদি যি সিদ্ধান্ত লোৱা হৈছিল, যি ধৰণে ৰুটিন ভগাইছিলোঁ, তাক তেওঁলোকে নিৰ্বিবাদে চিৰদিন পালন কৰি এটা মহৎ আদৰ্শ দেখুৱাই আহিছে। তেওঁলোকৰ এই ধৰণৰ কৰ্ত্তব্যবোধ আৰু অনুবৰ্ত্তিকতাৰ ফলস্বৰূপে বিভাগীয় অন্তৰ্দ্বন্দৰ কোনোদিনে উদ্ভৱ হোৱা নাই। ফলস্বৰূপে তেওঁলোকো সদায় সন্মানিত হৈ আদৰ্শস্বৰূপ হৈ আছে। মোৰ আৰু ৰামকৃষ্ণ ওজাৰ অৱসৰৰ পাছত অসমীয়া বিভাগ অধিক প্ৰসাৰিত হৈছে। বিনয়া বালা ডাকুৱা, পুষ্পজ্যোতি ওজা, বাবুল দাস, দীপালী ডেকা আৰু মণিমা দাসে অসমীয়া বিভাগ এতিয়া সৌষ্ঠৱপূৰ্ণ কৰি তুলিছে। তেওঁলোক সকলো মোৰ প্ৰিয়পাত্ৰ আৰু প্ৰিয়পাত্ৰী। প্ৰসিদ্ধ কবি আৰু শক্তিশালী লেখক বিজনলাল চৌধুৰীৰ পৰিচালনাত অসমীয়া বিভাগৰ পৰম্পৰা বৰ্ত্তমানে অধিক উজ্জ্বল হৈ উঠিব বুলি আশা কৰিছোঁ।

সৰুৰে পৰা মোৰ আছিল অধ্যয়নৰ প্ৰতি প্ৰবল ধাউতি, গুণী-জ্ঞানী আৰু পণ্ডিতৰ প্ৰতি দুৰ্বলতা আৰু লগতে শিক্ষা-গুৰুৰ প্ৰতি বিনম্ৰ ভকতি। সেইসকলৰ স্মৃতিয়ে এতিয়াও মোৰ মনত ক্ষন্তেকৰ কাৰণে হ'লেও ভাবান্তৰ ঘটায়। দুই এজন শিক্ষা-গুৰুৰ আকৰ্ষণীয় শিক্ষাদান পদ্ধতি, কথন-ভংগী আৰু সংযমিত চলন-ফুৰণৰ লগতে তেওঁলোকৰ প্ৰতি জাগ্ৰত মোৰ শ্ৰদ্ধা-ভক্তিয়ে মোৰ স্বাভাৱিক ৰুচি অধিক বলবৎ কৰি তুলিছিল যে, শিক্ষক-জীৱন সকলোতকৈ ভাল। সেই কাৰণেই নেকি, ছাত্ৰাৱস্থাৰে পৰা প্ৰায় ৪৭ (দুকুৰি সাত) বছৰ শিক্ষকতা কৰাৰ পাছতো সেই কামত মোৰ আমনি লগা নাই। পঢুৱাবলৈ ধৰিলে মোৰ দুখ-ভাগৰ বা সৰু-সুৰা অসুখ নোহোৱা হয়, শিক্ষাদানৰ মাজত মই নতুন নতুন আনন্দ আৰু ৰস পাওঁ — আনকি বয়ঃকনিষ্ঠ জিজ্ঞাসু পালে য'তে ত'তে এতিয়াও মই অনানুষ্ঠানিক ক্লাছ লওঁ। উল্লেখযোগ্য কথা এই যে "মাধৱ চৌধুৰী কলেজ"ত অবিচ্ছিন্নভাৱে শিক্ষকতা কৰা ৩৪ বছৰীয়া নিয়মিত (Regular) কালডোখৰৰ কোনোটো বছৰতে আনকি মই নৈমিত্তিক চুটিও (Casual leave) দহ দিনতকৈ বেছি লোৱা নাছিলোঁ। প্ৰকৃত শিক্ষকৰ গুণ-ৰাশিৰ ভিতৰত দুটাৰ মই কিঞ্চিৎ অধিকাৰী হৈছিলোঁ বুলি ক'বলৈ মোৰ সাহস আছে— এটা শৃংখলিত অনাড়ম্বৰ জীৱন-যাপন আৰু আনটো হৈছে কলেজলৈ যোৱা আৰু লগতে প্ৰতিটো ক্লাছলৈ যোৱা আৰু তাৰ পৰা ওলাই অহাৰ ক্ষেত্ৰত সময় তৎপৰতা বা সময় নিষ্ঠা (Punctuality)। শিক্ষক হিচাপে মোৰ যদি আন কিবা যোগ্যতা আছিল আৰু লগতে মোৰ গাত থকা অযোগ্যতা সম্বন্ধেও বিচাৰমূলক মন্তব্য দাঙি ধৰি থাকিব মোৰ হাজাৰ-বিজাৰ ছাত্ৰ-ছাত্ৰীসকলে; কাৰণ শিক্ষক জীৱনৰ কীৰ্ত্তি-অকীৰ্ত্তিৰ প্ৰত্যক্ষ দৰ্শক আৰু প্ৰকৃত বিচাৰক ছাত্ৰ-ছাত্ৰীসকল।

সমাজৰ বিৱৰ্তন, ৰাজনীতিৰ প্ৰভাৱ, শিক্ষানীতি আৰু শৈক্ষিক পৰিৱেশৰ পৰিবৰ্ত্তনৰ ফলস্বৰূপে আজিকালি ছাত্ৰসমাজত শৃংখলাবোধ কিছু নকমা নহয়। বৰ্ত্তমানৰ পৰিস্থিতিত ছাত্ৰও সমাজ সচেতন। সেয়েহে কোনো কোনো সময়ত ছাত্ৰও বহিৰ্জগতৰ অনীতি-দুৰ্নীতি আৰু স্বাৰ্থজনিত কৰ্মৰাজিয়ে ব্যথিত কৰি তোলা ছাত্ৰসকলৰ অন্তৰৰ পৰা অসন্তুষ্টিকৰ অনুভূতিৰ অশালীন উদ্‌গীৰণ সময় বিশেষে দেখিবলৈ পোৱা যায়। ইয়াৰ পৰিণতিয়ে দুখদায়ক পৰিস্থিতিৰ সৃষ্টিও ক'ৰবাত নকৰা নহয়। সেয়েহে স্বাৰ্থই স্পৰ্শ নকৰা কোনো কোনো শান্তিকামী লোকে কয়— "ছাত্ৰসকল বেয়া হ'ল।" জীৱন ভৰি কৰ্মজীৱন ছাত্ৰ-ছাত্ৰীৰ মাজত কটোৱা কাৰণে মোৰো এই বিষয়ত ব্যক্তিগত ধাৰণা আছে। মই ভাবো — উপৰোক্ত কাৰণত ছাত্ৰৰ অন্তৰ স্বাভাৱিকতে ক্ষুব্ধ আৰু আলোড়িত কৰিছে। তথাপি মোৰ বোধেৰে এই ধৰণৰ "বেয়া"ৰ মাজতো বৰপেটাৰ, বিশেষকৈ "মাধৱ চৌধুৰী কলেজ"ৰ ছাত্ৰ-ছাত্ৰীসকল আপেক্ষিকভাৱে ভাল। কিয়নো তেওঁলোকে কোনোদিনে মোক অসন্মান কৰা নাই, মোৰ কথাৰ ওপৰত কথা কোৱা নাই। ক্লাছত তেওঁলোকৰ মনোযোগৰ অভাৱ দেখিলে নাইবা কেতিয়াবা কথা পাতিলে তেওঁলোকক, আনকি এম. এ ক্লাছৰ ল'ৰা-ছোৱালীকো নানাধৰণে গালি-গালাজ পাৰো আৰু প্ৰয়োজনবোধে থিয় হৈ থাকিবলৈ কওঁ। লগে লগে তেওঁলোকে নিৰ্বিবাদে থিয় হয় আৰু বহিবলৈ নোকোৱালৈকে নবহে। আনকি ১৯৮৪/৮৫ চন

মানত দ্বিতীয় বাৰ্ষিক বিজ্ঞান শাখাৰ ক্লাছত এজন ল'ৰাৰ অপ্ৰীতিকৰ কাৰ্যৰ কাৰণে খং উঠি মই প্লেটফৰ্মৰ পৰা নামি গৈ তেওঁৰ গালত চৰ বহুৱাইছিলোঁ। প্ৰায় ১৩০ জনমান ছাত্ৰ-ছাত্ৰী উপস্থিত থকা হলটো লগে লগে অভাৱনীয়ভাৱে নিস্তব্ধ হ'ল, মোৰো মনটো বেয়া লাগিল। "আজি আৰু মই তহঁতক নপঢ়ুৱাও" বুলি মই ওলাই আহিলোঁ। সন্ধ্যা সময়ত বজাৰ কৰি হাতত বেগটো লৈ আহি থাকোঁতে পিছফালৰ পৰা "ছাৰ, ছাৰ" বুলি মাতি আন এজন ল'ৰাৰ সৈতে সেই ল'ৰাজন আহি মোৰ আগত থিয় দিলে। তাৰ মুখৰ ফালে চাই মই ক'লো— "তোমাক মই আজি কলেজত মাৰিছো নহয়?" সি ক'লে — "হয় ছাৰ, মোৰ দোষ নাছিল। আপুনি মোক একো বেয়া নাপাব। এই কথা কোৱাৰ কাৰণে মই আপোনাৰ ঘৰলৈ দুবাৰো গৈছিলোঁ।" এইবুলি বিনম্ৰভাৱে সি মোক সেৱা কৰিলে। "তোমাৰ ভাল হওঁক" বুলি মূৰত ধৰি তাক মই আশীৰ্বাদ দিলোঁ। ঘৰমুৱা হৈ গৈ থাকোতে ভাব আহিল "আজি মোৰ শিক্ষক জীৱন সাৰ্থক হ'ল।" অকল কলেজ চৌহদতে নহয়, বাহিৰতো মোক দেখিলেও "শৰ্মাদলৈ ছাৰ আহিছে" বুলি তেওঁলোক শৃংখলিতভাৱে থিয় দিয়ে। এই ধৰণৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা মই কওঁ আজিৰ দিনতো ভাল ছাত্ৰ বহুত আছে।

বৰপেটাৰ ধৰ্মীয় আৰু সাংস্কৃতিক প্ৰভাৱেও মোক সততে বৰপেটাক স্মৰণ কৰায়। বৰপেটাৰ মূল কীৰ্ত্তন ঘৰৰ উপৰিও গণককুছি সত্ৰ, নসত্ৰ আৰু মহাপুৰুষসকলৰ কৃতী-স্মৃতি বিজড়িত চূণপোৰা ভিঠি, কেতেকীবাৰী আদি পবিত্ৰ স্থানবোৰত বিভিন্ন উৎসৱ-পাৰ্বণ উপলক্ষে উপস্থিত হোৱাৰ সুযোগ বহুৱাৰ পাইছিলো আৰু নিজে পবিত্ৰ হোৱা বুলি ভাবিছিলোঁ। ইয়াৰ উপৰিও বৰপেটা জিলাৰ অন্তৰ্গত পাটবাউসী, সুন্দৰীদিয়া, বাৰাদি, বহৰি, ভৱানীপুৰ আদি নামেৰে জনাজাত সত্ৰবোৰত আন আন ধৰ্মস্থানবোৰত আৰু লগতে প্ৰায় সকলোবোৰ ন-পুৰণি, ডাঙৰ সৰু শিক্ষানুষ্ঠান আৰু আন আন সাংস্কৃতিক অনুষ্ঠানবোৰত সুধীসকলৰ অনুগ্ৰহৰ যোগেদি এবাৰ, দুবাৰ আনকি ক'তো ক'তো বহুবাৰ উপস্থিত হৈ নিজকে নিজে ধন্য আৰু ভাগ্যবান বুলি ভাবিবৰ সুযোগ পাইছিলোঁ। সেইবোৰৰ স্থান মাহাত্ম্যৰ প্ৰভাৱ আৰু সংশ্লিষ্ট যোগ্য ব্যক্তিসকলৰ সান্নিধ্য লাভৰ ফালে কিবা নহয় কিবা শক্তি মোক নিদিয়াকৈ থকা নাই। বৰপেটাৰ আমবাৰীহাটীৰ হাটীয়াৰ ঘৰটোও ধৰ্মীয় আলোচনাৰ কেন্দ্ৰ। ১৯৪৯ চন মানৰ পৰা ঁ বনমালী দাসদেৱৰ উদ্যোগত বহুত ভক্ত শ্ৰোতাৰ আগত কেইবাবছৰ ধৰি পণ্ডিত নাৰায়ণ দেৱ মিশ্ৰই মূল ভাগৱত ব্যাখ্যা কৰিছিল। বহুবছৰ ধৰি তাত গীতা জয়ন্তী উদ্‌যাপনৰ যোগেদি সেই স্থান গীতাশাস্ত্ৰ আলোচনাৰো কেন্দ্ৰস্বৰূপ হৈ উঠিছিল। উভয় বিধতে ময়ো থাকি গীতা ভাগৱত ব্যাখ্যা শুনাৰ সুযোগ গ্ৰহণ কৰাৰ লগতে কেতিয়াবা আলোচনাতো ভাগ লবলগীয়া হৈছিলো।

পণ্ডিত চূড়ামণি নাৰায়ণ দেৱ মিশ্ৰৰ উপৰিও প্ৰসিদ্ধ পণ্ডিত প্ৰাণকৃষ্ণ ভাগৱতী, নন্দন তত্ত্বৰ অগ্ৰগামী নৈষ্ঠিক ব্যৱহাৰজীৱী সোণাপতি দেৱ শৰ্মা, ৰাজনৈতিক নেতা অক্ষয় কুমাৰ দাস, ব্যৱহাৰজীৱী আৰু সমাজকৰ্মী ধনীৰাম তালুকদাৰ, দেৱেন্দ্ৰ নাথ উজিৰ, বংশীধৰ চৌধুৰী, উপেন্দ্ৰ নাথ দাস, অগ্নিকবি প্ৰসন্নলাল চৌধুৰী, জন সাহিত্যিক শ্ৰীৰামচন্দ্ৰ দাস, শিক্ষাবিদ শ্ৰীচন্দ্ৰকান্ত দেৱ মিশ্ৰ, হৰেকৃষ্ণ মিশ্ৰ, সমাজকৰ্মী বনমালীদাস, মহিলা কবি সাৰদাবালা দাস, ত্যাগী পুৰুষ বৈদ্যনাথ শৰ্মা (বৰবিলা), ধৰ্মপ্ৰাণ সাহিত্যিক চিন্তা হৰণ পাটগিৰি (সৰভোগ), বিখ্যাত পণ্ডিত দেবেন্দ্ৰ নাথ শাস্ত্ৰী (সৰুপেটা) আদি পৰলোকগামী সকলৰ উপৰিও জীৱিত কৃতী শিক্ষক শ্ৰীবনমালী মিশ্ৰ, প্ৰবীণ চিকিৎসক ডাঃ ধৰণীধৰ দাস, শ্ৰীসতীশ শৰ্মা, শ্ৰীযাদৱ চন্দ্ৰ দাস (হাউলী) আদিবোৰৰ ব্যক্তিত্বৰ কোনো নহয় কোনো দিশৰ আলোক-ৰেখা মোৰ মনো-মুকুৰত প্ৰতিফলিত হৈ উঠে।

এনেস্থলত বৰপেটা আৰু মাধৱ চৌধুৰী কলেজক মই কেনেকৈ পাহৰোঁ?●

উৎস ঃ মাধৱ চৌধুৰী মহাবিদ্যালয় আলোচনী, ৪৯ তম্ সংখ্যা ২০০০-০১ বৰ্ষ, সৌৰভ ৰঞ্জন দাস (সম্পাদক)

— সম্পাদক।

# মাধৱ চৌধুৰী মহাবিদ্যালয় মোৰ মনচক্ষুত

**টুনটুন দাস**
প্ৰাক্তন ছাত্ৰী, মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা
তথা অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা, বাউসী বাণীকান্ত কাকতি কলেজ

১৯৭৮ চনত হাইস্কুলৰ ডেওনা পাৰ হৈ মাধৱ চৌধুৰী মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলোঁ। মনত অলেখ সপোন কিন্তু কলেজৰ বহল পৰিমণ্ডলত নিজকে বৰ অসহায় আৰু অসহজ অনুভৱ কৰিছিলোঁ। প্ৰথম বাৰ্ষিক পাৰ হোৱাৰ পিছত দেশ কপোৱা বিদেশী বিতাৰণ আন্দোলনে আমাৰ ক্লাছবোৰ লগতে মোৰ পঢ়াশুনা সকলো বন্ধ কৰি পেলালে। এক অনিশ্চিত ভৱিষ্যতৰ দিশে আমাৰ প্ৰজন্মটো আগুৱাই আছিল। গোটেই দেশখনৰ শিক্ষা ব্যৱস্থাটোৱে যেন থমকি ৰ'বলৈ বাধ্য হৈছিল। বয়সৰ বাবেই চিন্তাৰ অগভীৰতাই আনৰ দৰেই মোকো সেই বিশৃংখল পৰিৱেশত উটি যাবলৈ বাধ্য কৰিছিল। পঢ়া-শুনা সকলো ধোৱা চাঙত তুলি দিনটো দেশখনত ঘটা ঘটন-অঘটন, মৃত্যু, হত্যা, পুলিচ-মিলিটেৰীৰ আতিশায্য আদিৰ গল্প কৈ কৈ সময় পাৰ কৰাটো আমাৰ অভ্যাস হৈ পৰিছিল। বৰ দুঃসময়ৰ দিন আছিল সেইবোৰ।



এটা শিক্ষা বছৰ এনেদৰেই আমাৰ প্ৰজন্মৰ নষ্ট হৈছিল। পৰৱৰ্তী বছৰবোৰত পৰীক্ষা হ'লেও সকলোৱে জানে পৰীক্ষাবোৰত পৰিৱেশ কেনে হৈছিল। শিক্ষক সকলক এচামে আন্দোলনৰ গইনা লৈ অসন্মান কৰিবলৈও কুণ্ঠাবোধ নকৰা হ'ল যদিহে তেওঁলোকৰ স্বাৰ্থত হানি বিঘিনি ঘটে।

কিন্তু মই জনাত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ শিক্ষকসকলে সমাজৰ অপকাৰী প্ৰৱণতাত হাত উজান দিয়া নাছিল। তাৰ বাবে প্ৰয়োজন হ'লে বিষম পৰিস্থিতিৰো মুখা-মুখি হৈছিল। আমি যদিও সৰু আছিলোঁ তেওঁলোকৰ সৎ সাহস আৰু সততাই আমাকো জীৱনত তেনেদৰে চলাৰ আদৰ্শই অনুপ্ৰাণিত কৰিছিল। সময় বাগৰিছিল। আমি পদাৰ্থ বিজ্ঞানত সন্মান সহকাৰে স্নাতক হ'লোঁ। মহাবিদ্যালয়ৰ পৰা ওলাই আহিলোঁ। স্নাতকোত্তৰ উত্তীৰ্ণ হৈ বৰপেটাৰ ওচৰৰ বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়ত সহকাৰী প্ৰৱক্তা হিচাপে যোগদান কৰোঁ।

তেতিয়াৰ পৰা পুনৰ এই মহাবিদ্যালয়ৰ লগত সম্পৰ্ক ঘটে যিটো ক'বলৈ গ'লে আজিলৈও বিভিন্ন ধৰণে চলিয়েই আছে।

দেখাত অতি সাধাৰণ আৰু স্বাভাৱিক ধৰণে মোৰ জীৱনৰ শিক্ষা তথা চাকৰি জীৱন পৰ্য্যায়ক্ৰমে আগবাঢ়ি যোৱা যেন লাগে যদিও আচলতে তেনে নহয়। প্ৰি-ইউনিভাৰ্চিটিত পঢ়ি থকা সময়ৰ পৰাই মোৰ পঢ়া-শুনাৰ দিশত যি কেনা লাগিছিল তাক অতিক্ৰম কৰাটো মোৰ বাবে সহজ নাছিল। মই গণিত বিষয়ত মেট্ৰিক পৰীক্ষাত খুব ভাল নম্বৰ পায়েই উত্তীৰ্ণ হৈছিলোঁ যদিও প্ৰি-ইউনি-ভাৰ্চিটিত কলন গণিতত মই একো উৱাদিহ পোৱা নাছিলোঁ। ভাল সহায়ক কিতাপ মই যোগাৰ কৰিব পৰা নাছিলোঁ আৰু কোনো শিক্ষকৰ ওচৰত গৈ বিষয়টো বুজি ল'বলৈও আমাৰ দৰে ঘৰৰ ছোৱালীৰ সুবিধা নাছিল। প্ৰাইভেট টিউচন আমাৰ সময়ত চিন্তাৰ বাহিৰৰ বিষয়। যি নহওক এই পৰীক্ষাৰ হেঙাৰ পাৰ হ'লোঁ, কিন্তু ঘৰৰ পৰিৱেশক এইবাৰ যেন কাল অমানিশাই আগুৰি ধৰিলে। এই সময়তে দেউতাৰ কেঞ্চাৰ ধৰা পৰে আৰু চিন্তা হতাশাত মাৰ মৃত্যু ঘটে।

সৰু সৰু ভাই-ভনীসহ আমি যেন দুৰ্ভাগ্যৰ কোৱাল নদীতহে পৰি গ'লোঁ যাৰ পৰা পৰিত্ৰাণ পোৱা আমাৰ বাবে অসম্ভৱ। কলেজত ক্লাচ কৰিব যাওঁ যদিও মোৰ মূৰত একো নোসোমোৱা হ'ল। মন মাৰি অ'ত ত'ত বহি থাকোঁ। সেই সময়ত মই বোধহয় হতাশা বেমাৰত ভুগিছিলোঁ। ঘৰৰ দেউতা নিজেই সাংঘাটিক ধৰণে অসুস্থ তাত মোৰ ফালে চাবলৈ কোনো নাছিল।

এদিন পদাৰ্থ বিজ্ঞান বিভাগৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত সত্যেন্দ্ৰ কুমাৰ দাস চাৰে মোক কোনোবা এজনৰ হতুৱাই বিভাগীয় কোঠালৈ মাতি নিয়ে আৰু মোক ভালদৰে পঢ়া-শুনা কৰিবলৈ বুজনি দিয়ে। সেই দিনটোৰ পিছত মই নিজক তুলি ধৰিবলৈ পুনৰ যেন সাহস বিচাৰি পাওঁ। ক'বলৈ গ'লে হতাশাত মৃতপ্ৰায় মোৰ, চাৰৰ অনুপ্ৰেৰণাৰ অলপমান বুজনিয়ে জীৱনটো যেন ঘূৰাই আনিছিল।

স্নাতকোত্তৰ উত্তীৰ্ণ হোৱাৰ পিছত শহুৰৰ ঘৰত মোৰ পুনৰ আন এক ভয়ানক জীৱন পৰিক্ৰমা আৰম্ভ হৈছিল। মাজে মাজে জীৱনটো শেষ কৰি দিয়াৰ চিন্তাও মনলৈ আহিছিল।

কিন্তু এইবাৰো মোৰ সন্মুখত মোক উদ্ধাৰ কৰিবলৈকে যেন মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিভাগৰ আমাৰ শিক্ষাগুৰু প্ৰয়াত নিবাৰণ দাস চাৰ উপস্থিত হ'ল। তেওঁ সেই সময়ত নগাঁৱৰ 'বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়'ৰ অধ্যক্ষ ৰূপে কাৰ্য-নিৰ্বাহ কৰি আছিল।

মই পি.ইউ. পঢ়ি থকা সময়ৰ কথা। আমাৰ ঘৰত ডাঙৰ ল'ৰা নাছিল বাবে মই আৰু মোৰ বাইদেৱে মাহৰ গেলা-মালৰ বজাৰ এখন বিশেষ দোকানৰ পৰা কৰিছিলোঁ। নিবাৰণ চাৰে প্ৰায়েই আমাক দোকানত লগ পাইছিল আৰু চাৰে মোৰ পিঠিত ঢকা এটা মাৰিহে খবৰ সুধিছিল।

মই পি.ইউৰ পিছত উদ্ভিদ বিদ্যাৰ ছাত্ৰী নাছিলো কিন্তু নিবাৰণ দাস চাৰে মোক জানিছিল আৰু উপযুক্ত বুলি বিবেচেনা কৰি আন কেবাজনৰো মাজত মোক জোৰ কৰি হ'লেও কলেজত যোগদান কৰিবলৈ মৰমৰ ধমকিৰে বাধ্য কৰিছিল। এই ঘটনাই মোৰ জীৱনলৈ মোৰ সপোন পূৰণ কৰাত আৰু জীৱনটো নিজৰ ধৰণে চলাই নিয়াত ১০০% সহায় কৰিলে। মই যেন মৃত্যুৰ মুখৰ পৰা চাৰৰ বাবে ঘূৰি আহিব পাৰিলোঁ।

মোৰ জীৱন থাকে মানে এই মহাবিদ্যালয় আৰু মোৰ শিক্ষাগুৰু সকলে মোৰ জীৱনত অকৃপণ ভাবে দিয়া মৰম, সহায়, আশীৰ্বাদ পাহৰিব নোৱাৰোঁ।

মই কেৱল পদাৰ্থ বিজ্ঞান বিভাগৰ শ্ৰীসত্যেন্দ্ৰ কুমাৰ দাস, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, শ্ৰীধৰ্মেশ্বৰ নাথ, ড° হলধৰ দেৱ গোস্বামী আদি চাৰ সকলৰ কথাই কোৱা নাই। সেই সময়ত আৰু মোৰ চাকৰি কালতো বিভিন্ন বিভাগৰ চাৰ সকলেও মোক সদায় মৰম আৰু অনুপ্ৰেৰণা যোগাই আহিছে। আজি লিখিবলৈ বহি বহুতো সৰু সৰু কথা মনলৈ আহিছে।

ড° হলধৰ দেৱ গোস্বামী চাৰে মোৰ সহকৰ্মী হিৰণ্য শৰ্মাক বাটত লগ পালেই সুধিছিল "আমাৰ টুনটুনৰ খবৰ কি?" এই কথা লৈ সি মোক জোকাইছিল- 'তুমি

তেওঁলোকৰ টুনটুন হে'। এবাৰ কিবা কামত মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° কিৰণ বায়ন চাৰৰ কোঠালৈ গৈছিলোঁ। চাৰে তেওঁৰ কাৰ্যকালত U.G.C. ৰ পৰা পোৱা অনুদানৰে যিবোৰ আন্তঃগাঁথনিৰ কাম শেষ কৰিলে মোক দেখুৱালে। সঁচাকৈয়ে কলেজখন এটা সুন্দৰ ৰূপত তেওঁ সজাই তুলিছে।

দেখুৱাই উঠি তেওঁ মোক ক'লে- জানানে মই ইমান সোনকালে কেনেকৈ কামবোৰ শেষ কৰিলোঁ সেইটো প্ৰশ্নৰ উত্তৰ U.G.C. য়ে বিচাৰিছে। আন কলেজে হেনো first installment ৰ কামেই শেষ কৰিব পৰা নাই।

ময়ো, পটকৈ ক'লো "চাৰ নকল ঘিউ খাই খাই মানুহবোৰে আছল ঘিউৰ সোৱাদ পাহৰিছে।" মোৰ কথাষাৰ শুনি চাৰে অন্তৰ খোলা হাঁহি মাৰিলে।

চাৰে ফুচুৰি কথাকৈ লগ পালেই জোকাইছিল 'টুনটুন আজিকালি নক'ল-চক'ল ধৰা নে নাই?'

এই কথাখিনি মই এইবাবেই লিখিলোঁ চাৰ সকলৰ পৰা মই এটা আদৰ্শ পথত চলিবলৈ, আদৰ্শ শিক্ষক হ'বলৈ অনুপ্ৰেৰণা পাইছিলোঁ। কেৱল শ্ৰেণীকোঠাতেই তেওঁলোক আমাৰ প্ৰহৰী নাছিল, গোটেই কৰ্মৰ-জীৱন পথত তেওঁলোকৰ আদৰ্শ আমাৰ অনুকৰণীয় হৈ ৰ'ল।


এবাৰ হায়াৰ চেকেণ্ডেৰী জ'নত বহী নিৰীক্ষক হোৱাৰ সময়ৰ ঘটনা। মই নম্বৰ তালিকা পূৰণ কৰি তলৰ কাৰ্বন কপিবোৰ চাই দেখা পালোঁ Mark Sheet বোৰ পিন মাৰি দিছে যদিও ওলট-পালট কৈ দিলে কোনোবাখনৰ ওপৰৰ অংশ কোনোবা খনৰ তলৰ অংশৰ পিন মৰা হৈ আছে। ফলত মই নতুন মাৰ্ক ফইল বিচাৰিব লগা হ'ল। Head Examiner আছিল শ্ৰদ্ধাৰ সত্যেন্দ্ৰ শৰ্মা চাৰ। তেওঁ ক'লে আমি বিজ্ঞানৰ ছাত্ৰ। চকু-মুদি একো কথাই বিশ্বাস কৰাটো বিজ্ঞানৰ নীতি নহয়। তুমি আজিৰ পৰা কোনো কথাই নিজে নোচোৱাকৈ বিশ্বাস নকৰিবা।

গোটেই জীৱনটো চাৰসকলে মোক শিকাই গ'ল। সিদিনালৈকে তেওঁলোকে পদে পদে মোক জ্ঞান দিছে, অনুপ্ৰেৰণা দিছে, জীৱনটো মোক গঢ়ি দিছে, সৎ পথত চলিবলৈ শকতি দিছে। তেওঁলোকৰ অবিহনে মই শূন্য। মাধৱ চৌধুৰী মহাবিদ্যালয় মোৰ জীৱনৰ পূণ্য তীৰ্থ। ●

।। জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয়।।



# প্ৰবন্ধ



# অসম কেশৰী অম্বিকাগিৰী

**ড° বাবুল চন্দ্ৰ দাস**
প্ৰাক্তন অধ্যাপক, অসমীয়া বিভাগ, বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়
বৰ্তমানৰ বুঢ়া সত্ৰীয়া, বৰপেটা সত্ৰ

'অসম খেন গেল এ কিবা এটা কৰ' বুলি কুৰি শতিকাৰ চল্লিছৰ দশকতে সিংহ নাদেৰে চিঞৰি চিঞৰি সমগ্ৰ অসমবাসীক সজাগ কৰা উগ্ৰ অসমীয়া জাতীয়তাবাদী চিন্তাৰে বিশাল ভাৰতীয় সত্তাৰ সন্ধান কৰা খাটি অসমীয়া ব্যক্তিগৰাকীয়েই হ'ল অম্বিকাগিৰী ৰায়চৌধুৰী। এই নামটো শুনাৰ লগে লগে প্ৰতি গৰাকী অসমক ভাল পোৱা, হাড়ে হিমজুৰে অসমীয়া, জাতীয়তাবাদী চিন্তাৰে উদ্বুদ্ধ কবি, শিল্পী, সাহিত্যিক, সাংবাদিক, ৰাজনীতিক, বুদ্ধিজীৱীৰ হৃদয় শিহৰিত হৈ পৰে। পিতৃ কৃষ্ণৰাম ৰায়চৌধুৰীয়ে নাম ৰাখিছিল অম্বিকাগিৰী। এক অৰ্থপূৰ্ণ নাম। অম্বিকা অৰ্থাৎ পাৰ্বতী। পাৰ্বতীৰ গিৰী হ'ল মহাদেৱ। অম্বিকাগিৰীৰো ৰূপ অভিনৱ। সাহিত্য সৃষ্টিত শিৱ, কবিতাত ধূৰ্জটি, জাতীয়তাবাদী চিন্তাত ৰুদ্ৰ, দেশৰ হকে পিনাকী আৰু অসম আৰু অসমীয়াৰ বাবে আছিল ত্ৰিশূলধাৰী। এই নামটোৰ লগত যেন খাপ খাই পৰে তেওঁৰ জীৱন পৰিক্ৰমা। সেই পৰিক্ৰমাৰ লগত আকৌ সাঙোৰ খাই আছে বংশ পৰম্পৰা, বাসস্থানৰ ঐতিহ্য, সামাজিক বাতাবৰণ আৰু তৎকালীন পৰিৱেশ।

**বংশ পৰম্পৰা ঃ** খৃষ্টীয় চতুৰ্দশ শতিকা। এক সন্মানীয় আদৰ যত্নসূচক প্ৰব্ৰজন। সেই সময়ৰ ৰজা দুৰ্লভ নাৰায়ণৰ স'তে গৌড়ৰ ৰজাৰ তয়া ময়া ৰণ। হৰা জিকা নাই কাৰো। অযথা সৈন্য সামন্তৰ নিধন যজ্ঞ। সন্ধি হ'ল অৱশেষত। সন্ধিৰ চুক্তি মৰ্মে চণ্ডীবৰৰ নেতৃত্বত সাতঘৰ কায়স্থ আৰু সাতঘৰ ব্ৰাহ্মণ আনি সেই সময়ৰ কমতা ৰাজ্যত স্থাপন কৰা হ'ল। অসমৰ ভাষা, ধৰ্ম, সাহিত্য,



সংস্কৃতি আদি সৰ্বত্ৰ দিশতে এটা বিশেষ জাতি হিচাপে প্ৰতিষ্ঠা কৰি যোৱা মহাপুৰুষ শঙ্কৰদেৱৰ পূৰ্ব পুৰুষ লণ্ডাৱৰ, লণ্ডাৱৰ পুত্ৰ চণ্ডীবৰ, চণ্ডীবৰৰ পুত্ৰ ৰাজধৰ, ৰাজধৰৰ পুত্ৰ সূৰ্যবৰ, ছোট মাধৱ, জয়ন্ত আৰু হলায়ুধ। ৰাজধৰৰ মাজু পুতেক জয়ন্ত, জয়ন্তৰ পুতেক সতানন্দ আৰু সতানন্দৰ পুত্ৰ জগতানন্দ ওৰফে ৰামৰায় আতা। (গু.চ.ক, পৃঃ ১১-১২)। বংশগত ভাবে বামৰায় আতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভাতৃ। ৰামৰায় আতাৰ জীয়ৰী কমলাপ্ৰিয়া। কমলাপ্ৰিয়াৰ মুখত 'মন মেৰি ৰাম চৰণহি লাগু' শীৰ্ষক বৰগীতটি শুনি মুগ্ধ হৈছিল কোচ ৰজা নৰ নাৰায়ণৰ ভাতৃ বীৰ চিলাৰায়। প্ৰস্তাৱ দিছিল বিবাহৰ। উচ্চকায়স্থ কুলোদ্ভৱ হৈও জাত্যভিমান জলাঞ্জলী দি উদাৰ দৃষ্টিভঙ্গীৰে ৰামৰায় আতাই মহাপুৰুষৰ পৰামৰ্শ মতে কোচলৈ বিয়া দিছিল জীয়ৰীক। সেইগৰাকী পৰম উদাৰতাবাদী ৰামৰায়ৰ দশম অধোস্তন পুৰুষ হ'ল কীৰ্তিৰাম। এই কীৰ্তিৰাম ৰায়চৌধুৰীৰ পুত্ৰ হ'ল কৃষ্ণৰাম আৰু কৃষ্ণৰামৰ পুত্ৰ অম্বিকাগিৰী। মাতৃ আছিল দৈৱকী দেৱী। এইগৰাকী দেৱীৰ গৰ্ভতে জন্ম হৈছিল অম্বিকাগিৰীৰ ১৮৮৫ খ্ৰীঃৰ ১৮ ডিছেম্বৰত। মৃত্যু ১৯৬৭ খ্ৰীঃৰ ২জানুৱাৰীত।

**বাসস্থানৰ ঐতিহ্য ঃ** কোচ ৰজা প্ৰদত্ত বৰপেটা বিলৰ পাৰত হেজাৰ বিঘা মাটি থকা সত্বেও বৰপেটা পৰগণাৰ অন্তৰ্গত পোৰা ভিঠা 'বৰপেটা সত্ৰ' লৈ আহোম ৰজা শিৱসিংহই ১৭৩৪ শকৰ আহাৰ মাহৰ ৪ তাৰিখে তাম্ৰ পত্ৰৰে দান দিয়া দুই নং নিষ্পেখেৰাজ মাটিত বৰপেটা সত্ৰৰ দক্ষিণ ফালে ৰায়পাৰাত (দক্ষিণহাটী বুলি কোৱা হয়) গৃহ বাৰী সাজি কীৰ্তিৰামৰ পূৰ্বপুৰুষসকলে বৰপেটাৰ সত্ৰীয়া সংস্কৃতিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। এইটো অনস্বীকাৰ্য যে অসমৰ বৃহত্তৰ সমাজখনত সত্ৰসমূহৰ প্ৰভাৱ অপৰিসীম। বৰপেটা এই ক্ষেত্ৰত বিশেষভাৱে অগ্ৰণী। বাবুল চন্দ্ৰ দাসৰ গৱেষণা গ্ৰন্থৰ উল্লেখ অনুসৰি বৰপেটাৰ যিখন সমাজ, সেই সমাজখন সম্পূৰ্ণ সত্ৰকেন্দ্ৰিক সমাজ। প্ৰত্যক্ষই হওক বা পৰোক্ষভাৱেই হওক বৰপেটাৰ পৰিসৰৰ মাজত সত্ৰৰ প্ৰভাৱ অপৰিসীম। বৰপেটাৰ মানুহ বুলি ক'লে ভকতসুলভ স্বভাৱ, বৈষ্ণৱ সংস্কৃতিসম্পন্ন লোক হিচাপে ধৰা হয়। কিন্তু অহৰ্নিশে যে হৰি কীৰ্তন কৰি কেৱল সত্ৰক লৈয়ে ব্যস্ত হৈ থাকে তেনে কথা নহয়।

এই প্ৰসঙ্গত 'যদিও সৰলতা, বিষয় সুখ ত্যাগ আৰু ভক্তি লাভেই সত্ৰানুষ্ঠানৰ পৰিচায়ক তথাপি এই অনুষ্ঠানে অকল ধৰ্ম কাৰ্যতেই আৱদ্ধ থকা নাই। বৰং সাধাৰণভাৱে অসমীয়া সমাজৰ বিশেষকৈ এই সত্ৰকেন্দ্ৰিক চহৰখনৰ জনসাধাৰণৰ সামাজিক আৰু সাংস্কৃতিক উন্নতিত অনবদ্য বৰঙণি আগবঢ়াই আহিছে। সামাজিকভাৱে পিছপৰা লোকসকলৰ সন্মুখত সুস্থ জীৱন-যাপনৰ পথ দাঙি ধৰা জাতি বৰ্ণ লিঙ্গ নিৰ্বিশেষে সকলোৰে বাবে একেশ্বৰবাদ ধৰ্মৰ দুৱাৰ মুকলি কৰা, সকলোৰে বাবে মূল্যবোধ আৰু সমতা স্বীকাৰ কৰি কঠোৰ জাতি প্ৰথাৰ শিথিলকৰণ, হস্ত শিল্পত প্ৰেৰণা যোগোৱা আদি কিছুমান অত্যাৱশ্যকীয় দিশ উন্মুক্ত কৰা এই সত্ৰৰ অৱদান। আচলতে বৰপেটা সত্ৰ জন্মৰ লগতে ভকতসকলৰো সত্ৰৰ প্ৰতি দায়বদ্ধতাৰ জন্ম হৈছিল। সেই সময়ত বিশেষভাৱে গোপাল তাঁতী (পিছলৈ মথুৰা দাস বুঢ়া আতা) আৰু সঙ্গীসকলে সত্ৰখনক এখনি আদৰ্শ সত্ৰ হিচাপে গঢ় দিয়াৰ যত্নত ব্ৰতী হৈছিল আৰু সফলো হৈছিল। সেয়ে সত্ৰ প্ৰতিষ্ঠা কৰি প্ৰায় ৭ বছৰ কাল থকা সময়ছোৱাত মাধৱদেৱৰ জনপ্ৰিয়তা ৰৈ বৈ গৈছিল। সত্ৰৰ প্ৰতি সম্পূৰ্ণ আনুগত্য প্ৰকাশ কৰি শ শ ভক্ত সত্ৰীয়া প্ৰভাৱেৰে প্ৰভাৱিত হৈছিল, যি আজিও অক্ষয় বন্তিগছিৰ দৰে বৰপেটাৰ সাংস্কৃতিক আকাশখন পোহৰাই ৰাখিছে। মাধৱদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা আৰ্হিৰেই বৰপেটা সত্ৰ আজিও চলি আহিছে। প্ৰসঙ্গক্ৰমে সত্যেন্দ্ৰ নাথ শৰ্মাৰ এষাৰি মন্তব্য এইখিনিতে প্ৰণিধানযোগ্য- "তেৰাই বৰপেটা সত্ৰ নিৰ্মাণ কৰিছিল, যিখন সত্ৰ কেৱল ধৰ্ম কৰ্মৰ বাবেই নহয়, বৰং বৈষ্ণৱ ধৰ্ম আদৰ্শ অনুষ্ঠান হিচাপে গঢ় লৈ উঠিছিল। সত্ৰৰ হাটীত বাস কৰা ভকতসকলৰ ওপৰতে সকলো কৰ্তৃত্ব ন্যস্ত কৰি সত্ৰবোৰ গণতান্ত্ৰিক ভেটিত প্ৰতিষ্ঠা কৰা হৈছিল।" মহেশ্বৰ নেওগৰ ভাষ্য হ'ল- "শঙ্কৰদেৱৰ দিনতকৈ মাধৱদেৱৰ সময়ত শিছ ভকতৰ সংখ্যা বহুত পৰিমাণে বৰ্দ্ধিত হৈছিল। মাধৱদেৱ সুন্দৰী আৰু বৰপেটাত থাকোতে কামৰূপৰ লগতে অসম আৰু বেহাৰৰো বহুতো লোকে শৰণ

লৈছিলহি আৰু তাৰে অনেক জন সত্ৰত উদাসীন ‘কেৱলীয়া’ বা আশ্ৰমী ‘তিৰি লগৰীয়া’ ভকত হৈ ৰৈ গৈছিল। এই শৰণীয়া লোকসকলক সেই সময়ৰ সমাজৰ প্ৰতিনিধিত্ব মূলক নমুনা (Cross Section) বুলিব পাৰি, - কাৰণ তেওঁলোকত সমাজৰ বিভিন্ন জাত-পাত, বিভিন্ন আৰ্থ সামাজিক বিভাগ ‘বৃত্তি সংস্থান আদি’ প্ৰতিফলিত হৈছিল। জাতি অজাতি ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল, চহকী টোকোনাৰ বিচাৰ নকৰি ভিন্ ভিন্ বৃত্তিৰ লোকক একে ভক্তৰ শ্ৰেণীত ভুক্ত কৰা হৈছিল। গ্ৰামী ভকত ‘আজি কালিৰ ভাষাত শিছ’ বা সত্ৰৰ হাটীৰ বাসিন্দা আতৈ ‘আজি কালিৰ বিভাগে মতে ভকত বা সত্ৰীয়া ভকত’ ৰূপে। তিনিও ৰাজ্যৰ এই সকলো লোক একেটা আধ্যাত্মিক ভ্ৰাতৃত্বৰ বন্ধনত আৱদ্ধ হৈছিল।” বৰপেটা সত্ৰৰ গণভিত্তি যে অধিক শক্তিশালী আছিল তাৰো উমান পোৱা যায় মধ্যযুগীয় বৈষ্ণৱ ইতিহাস বিচাৰ কৰি চালে। “নৱ বৈষ্ণৱ আন্দোলনৰ মানৱতাবাদী গণতান্ত্ৰিক আদৰ্শই বিভিন্ন থলুৱা জনগোষ্ঠীক আকৃষ্ট কৰিছিল। গণভিত্তি শক্তিশালী হোৱাত সত্ৰসমূহৰ সম্পদো বৃদ্ধি হৈছিল। সত্ৰসমূহৰ জনশক্তি আৰু সম্পদ দুয়োটাই ৰজাঘৰক সন্ত্ৰস্ত কৰি তুলিছিল। তাৰ উপৰি শোষণৰ মাত্ৰা বাঢ়ি যোৱাৰ লগে লগে সত্ৰত নিগাজীকৈ থকা ভকতৰ সংখ্যাও বৃদ্ধি পাইছিল। বৰদোৱাৰ পৰা মাজুলীলৈকে ৩০০০ ভকত ওলাল।” বৰপেটাৰ ক্ষেত্ৰত আৰু ইয়াতকৈও বেছি। কাৰণ শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰা পাটবাউসী সত্ৰতে হেজাৰ হেজাৰ ভকতে, পৰৱৰ্তী সময়ত মাধৱদেৱ স্থাপিত গণককুছি সত্ৰ আৰু তাৰো পৰৱৰ্তী বৰপেটা সত্ৰত হেজাৰ হেজাৰ ভকতে শৰণ লৈছিল আৰু ভক্তি ধৰ্মই এনেভাৱে প্ৰসাৰিত হৈছিল যে, নামনি অসমত মধুপুৰ সত্ৰলৈকে অলেখ সত্ৰ গঢ় লৈ উঠিছিল।

এই প্ৰসঙ্গতে উল্লেখযোগ্য যে বৰপেটা সত্ৰ, গণককুছি সত্ৰ আৰু পাটবাউসী সত্ৰ মাত্ৰ তিনি কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অৱস্থিত। অম্বিকাগিৰীৰ বাসস্থান সেই ব্যাসাৰ্ধৰ ভিতৰতে আছিল অৰ্থাৎ আধা কিলোমিটাৰৰ পৰা এক-দেৰ কিলোমিটাৰৰ ব্যৱধান। সত্ৰ বুলি ক’লৈ কেৱল কেওলীয়া ভকত বৈষ্ণৱৰ উপাসনাগৃহই নহয়। আচলতে এখন সমাজৰ খাৱন দাৱন, ভঙ্গী ভাষণ, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সঙ্গীত-নৃত্য-বাদ্য-নাট্য আদি সকলোবোৰ সত্ৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠে। গতিকে বৰপেটাৰ সত্ৰকেন্দ্ৰিক সমাজখনত ডাঙৰ দীঘল হোৱা প্ৰতিগৰাকী শিশুৰ দৰে অম্বিকাগিৰীয়েও শিশু অৱস্থাৰে পৰা সত্ৰৰ গীত নৃত্য-বাদ্য-নাট্যৰ লগতে সত্ৰীয়া সমাজখনৰ স’তে পৰিচিত আছিল। আনফালে পাশ্চাত্য শিক্ষাৰ পোহৰেও বৰপেটাক পোহৰাই তুলিছিল। বিশেষকৈ ১৮৪০ খ্ৰীঃ ত বৰপেটাত মহকুমা, ১৮৫২ খ্ৰীঃত আদালত, ১৮৭১ ত বৰপেটা চৰকাৰী উচ্চ মাধ্যমিক ‘পিচলৈ উচ্চতৰ মাধ্যমিক’ বিদ্যালয় স্থাপন কৰা হৈছিল। গতিকে সত্ৰীয়া শিক্ষা-সংস্কৃতি আৰু পাশ্চাত্য শিক্ষাৰ সু সমন্বয়ত গঢ় লৈ উঠা সংস্কৃতি আৰু বৌদ্ধিক সমাজ এখন পূৰ্বৰে পৰা বৰপেটাত আছিল। তদুপৰি বৰপেটীয়া বুলি স্বাভিমান থকা বৰপেটাৰ লোকসকল প্ৰায়ে ধৰ্মীয় ভাৱাপন্ন, স্বাধীনচেতা আৰু অনমনীয় স্বভাৱৰ আছিল। বৰপেটীয়া সমাজৰ এয়া এক বিশেষ বৈশিষ্ট্য। এগৰাকী মানুহৰ ব্যক্তিত্ব গঢ় লৈ উঠাৰ ক্ষেত্ৰত কেবাটাও কাৰকে ইন্ধন যোগায়। তাৰ ভিতৰত বংশ পৰম্পৰা, ঘৰুৱা পৰিৱেশ, সামাজিক বাতাবৰণ, সাংস্কৃতিক দিশ আদি বিশেষভাৱে উল্লেখনীয়। এই কথাখিনি অম্বিকাগিৰীৰ ব্যক্তিত্ব গঠনৰ ক্ষেত্ৰত পূৰ্ণমাত্ৰাই প্ৰযোজ্য হোৱা যেন লাগে। ৰজাঘৰ, প্ৰজাঘৰৰ শত সহস্ৰ বাধা বিঘিনি নেওচি বৃহত্তৰ অসমত বৈষ্ণৱ ধৰ্মৰ আদৰ্শ প্ৰতিষ্ঠাৰ বাবে কৰা মহাপুৰুষৰ অনমনীয় সংগ্ৰামৰ ৰক্তবীজ বংশগতভাৱে অম্বিকাগিৰীৰ ধমনীতো প্ৰবাহিত হৈছিল। আনফালে বৰপেটাত জন্ম লোৱা অম্বিকাগিৰীক বৰপেটাৰ সামাজিক বাতাবৰণ, ধৰ্মীয়, সাংস্কৃতিক, শৈক্ষিক সমাহৰণে ব্যক্তিত্ব গঠনত সুদৃঢ় কৰি গঢ়ি তুলিছিল। সেয়েহে অম্বিকাগিৰীৰ ব্যক্তিত্বত বিচাৰি পাওঁ অনমনীয়তা, স্বাধীনচেতা, আধ্যাত্মিক প্ৰেম, আত্মনিৰ্ভৰশীলতা আৰু উগ্ৰ জাতীয়তাবোধ। তেনে চাৰিত্ৰিক বৈশিষ্ট্যৰে সমৃদ্ধ হৈ অসমীয়া সামাজিক জীৱনলৈ বিভিন্ন দিশেৰে পথ প্ৰদৰ্শন কৰি অসমীয়া জাতিটোৰ বাবে চিৰকাললৈ আদৰ্শ স্থাপন কৰি থৈ গ’ল। তেনে এগৰাকী পুৰোধা ব্যক্তিত্বৰ অধিকাৰীৰ বিষয়ে সীমিত পৰিসৰৰ এটা প্ৰৱন্ধৰ ভিতৰত সামৰিব পৰাটো আমাৰ দৰে লেখকৰ বাবে এক দুৰুহ

কাৰ্যই নহয়, ই এক প্ৰকাৰ ধৃষ্টতাও। তথাপি আমি ঢুকি পোৱা জ্ঞানেৰে তেখেতৰ গতিশীল জীৱন পৰিক্ৰমাৰ দুই এটা উল্লেখযোগ্য দিশৰ বিষয়ে আলোকপাত কৰিব বিচৰা হৈছে।

অসম কেশৰী অম্বিকাগিৰী। কোনোৱে কয় তেখেত দেশপ্ৰেমিক, কোনোৱে ক'ব খোজে উগ্ৰ জাতীয়তাবাদী, ভাৰতৰ স্বাধীনতা আন্দোলনৰ এগৰাকী অন্যতম মুক্তি যুঁজাৰু, জাতীয় মহাসভাৰ নায়ক, গ্ৰুপিং বিৰোধী হয়তো আন্দোলনৰ নেতা ইত্যাদি। হয়তো প্ৰতিগৰাকী পৰ্যবেক্ষকৰ চিন্তা শুদ্ধ আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু ইয়াতেই সীমাবদ্ধ নে? নিশ্চয় নহয়। তেখেতৰ গভীৰ দেশ প্ৰেমৰ পৰা উদ্ভূত চিন্তাই দেশ, জাতি, মাটি, ভেটি, ভাষাৰ হ'কে আজীৱন যুঁজি যোৱা এগৰাকী ৰুক্ষ আৰু কঠোৰ অক্লান্ত সৈনিক হিচাপে তেখেতক গঢ় দিছিল। বৰপেটাৰ সত্ৰকেন্দ্ৰিক সংস্কৃতিত জীপ লৈ উঠা জীৱনে নামঘৰৰ পৰা অসম জাতীয় মহাসভালৈ, সংৰক্ষিণী সভাৰ পৰা গ্ৰুপিং বিৰোধী আন্দোলনলৈ, আধ্যাত্মিক প্ৰেম তথা ৰহস্যবাদৰ পৰা বাস্তৱৰ কঠিনতালৈ, গীত, কবিতা, নাটকৰ পৰা অন্যান্য গদ্য সৃষ্টিলৈ সকলোতে সামাজিক দায়বদ্ধতাৰ স্বাক্ষৰ দি থৈ গ'ল। যেতিয়াই অসমীয়া জাতিৰ প্ৰত্যাহ্বান আহিছে তেতিয়াই অসম আৰু অসমীয়াৰ জাতি মাটি ভেটি ভাষা প্ৰতিষ্ঠাৰ বাবে তেওঁৰ কলম হৈ পৰিছে তীক্ষ্ণধী। তেখেতৰ জীৱন আৰু চিন্তা একেধৰ্মী। যিয়ে তেখেতক চৰিত্ৰক গঢ় দিছিল। এই চাৰিত্ৰিক বৈশিষ্ট্যৰ কথাৰ আভাস পাব পাৰি ল'ৰালিৰে পৰা তেখেতৰ জীৱনত ঘটি যোৱা কিছুমান সৰু বৰ উল্লেখযোগ্য ঘটনাৰ পৰা।

সেয়া ১৯০০ খ্ৰীঃৰ কথা। তেতিয়া তেওৰ বয়স চৈধ্য কি পোন্ধৰ। এক জীৱন্ত সঁচা কাহিনী। "এখন জাহাজ যাত্ৰীসহ খোলাবন্ধাৰ** পৰা ব্ৰহ্মপুত্ৰেৰে উজাই আহি পলাশবাৰী ঘাটত ৰ'লহি। দুজন বঙালী বাবুৱে জাহাজখন ৰোৱা দেখি নামি পাৰত উঠিল আৰু এজনী বুঢ়ীৰ পৰা কেইটামান ফল কিনিলে। কিন্তু তেওঁলোকে ফলৰ উচিত মূল্য নিদিলে। যেতিয়া পোহাৰীজনীয়ে বাৰে বাৰে উচিত মূল্যখিনি দাবী কৰিলে, এজন বাবুৱে পোহাৰীক জোতাৰে কপালত গোৰ মাৰি তেজ উলিয়াই দিলে। তাত উপস্থিত থকা কোনোৱে বাবু দুজনৰ এই কাৰ্যৰ প্ৰতিবাদ কৰিবলৈ সাহস নকৰিলে। কিন্তু জাহাজৰ যাত্ৰী হৈ অহা এজন গাঁঠলু আৰু গহীন-গম্ভীৰ চেহেৰাৰ চৈধ্য বছৰীয়া ল'ৰাই জাহাজৰ পৰা কথাটো লক্ষ্য কৰি আছিল। তেওঁ পোনছাটেই বাবু দুজনৰ কাষলৈ চোঁচা মাৰি আহিল আৰু তেওঁলোকে বুঢ়ী তিৰোতজনীক কিয় মাৰিলে সুধিলে। সেই বাবুজনে ক'লে যে তেওঁ উচিত কামকে কৰিছে।। এনে উত্তৰে ল'ৰাজনক ভীষণ উত্তেজিত কৰি তুলিলে। তেওঁ বাবু দুজনৰ ওপৰত জপিয়াই পৰিল আৰু চৰ-কিল-ভুকু বৰ্ষণ কৰিবলৈ ধৰিলে। তেওঁলোকে পানীত লুটি খাই পৰিল। ঘটনাটোৱে উপস্থিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে। জাহাজৰ ইংৰাজ কেপ্তেইনজনো ঘটনাস্থলীত উপস্থিত হ'লহি। বাবু দুজনেই দোষী সাব্যস্ত হ'ল আৰু সেই চৈধ্য বছৰীয়া ল'ৰাজনে দাবী কৰা মতে তেওঁলোকে তিৰোতাজনীক ক্ষমা খুজি পাঁচ টকা ক্ষতিপূৰণ দিলে।" (বাণীকান্ত কাকতি, অম্বিকাগিৰী ৰায়চৌধুৰী প্ৰৱন্ধ। গ্ৰন্থ-অসম কেশৰী অম্বিকাগিৰী, সম্পাদনা-গোবৰ্ধন দাস আৰু অক্ষয় কুমাৰ মিশ্ৰ, পৃঃ ১-২)

মানৱতা প্ৰেম আছিল মজ্জাগত। যাৰ বাবে চৈধ্য বছৰীয়া ল'ৰা এজনে প্ৰতিবাদ কৰি দুই বঙালী বাবুক ধৰাশায়ী কৰিছিল। তেতিয়াই তেওঁৰ যেন প্ৰতিবাদী মানসিকতাৰ অঙ্কুৰণ ঘটিছিল। সেই প্ৰতিবাদী চিন্তাৰ পূৰ্ণ প্ৰকাশ ঘটিছিল স্কুলীয়া শিক্ষা বৰ্জন কৰাৰ লগে লগে। স্কুলৰ পৰা ওলাই আহিয়েই বৃটিছ শাসন ওফৰাবলৈকে তেওঁ এনাৰ্কিষ্ট দলত সদস্যভুক্ত হ'ল আৰু বংগ ভংগ আন্দোলনত জপিয়াই পৰিল। কিন্তু তেওঁৰ মোহ ভঙ্গ

**এসময়ৰ বৃটিছকালীন অসমৰ ব্ৰহ্মহ্মপুত্ৰৰ এটা বিখ্যাত জাহাজঘাট। বৰ্তমানৰ বহৰিৰ কিছু নিলগত আছিল এই জাহাজঘাট (বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত)। ১৮৪০ খ্ৰীঃৰ মহকুমা সদৰ আৰু এতিয়াৰ জিলা সদৰ বৰপেটাৰ পৰা প্ৰায় দই কিলোমিটাৰ দূৰত্ব। বৃটিছ সকলৰ লগতে স্থানীয় লোকৰ এক উল্লেখযোগ্য জলপথ। এইটো জলপথেৰে ভাৰত ৰাষ্ট্ৰ তথা আন্তৰাষ্ট্ৰীয় পৰ্যায়ত ব্যবসায়-বাণিজ্য, আমদানি-ৰপ্তানী আৰু মানুহৰ অহা যোৱা চলিছিল।

হ'বলৈ বেচি দিন নেলাগিল। তেওঁ বুজি উঠিলে যে হিংসাৰে কৰা আন্দোলন সফল ন'হবও পাৰে। সেয়েহে মহাত্মা গান্ধীৰ অহিংসা নীতিৰ প্ৰতি আস্থাশীল হ'ল আৰু ১৯২১ খ্ৰীঃ ত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অসহযোগ আন্দোলনত তেওঁ জপিয়াই পৰিল। কাৰাবৰণ কৰিলে, নজৰ বন্দী হ'ব লগা হ'ল ইত্যাদি ৰাজনৈতিক পৰিক্ৰমাই তেওঁৰ জীৱনলৈ কঢ়িয়াই আনিলে এক বজ্ৰ কঠোৰ সংগ্ৰামী সত্বাক। অস্বচ্ছল অৰ্থনৈতিক দৈন্যই জুৰুলা কৰা জীৱনক জুলুকি জুলুকি পানী খুৱালে, তথাপি ভাগি নপৰিল। হেলাৰঙে সেই সকলোবোৰ অতিক্ৰমি সৃষ্টিশীল মননশীলতাৰে জীৱনক আগুৱাই লৈ গ'ল। সেই সৃষ্টিশীলতাৰ অন্তকোণত সজীৱ-সতেজ হৈ আছিল গভীৰতকৈও গভীৰ প্ৰেম। প্ৰেয়সীৰ প্ৰেম আৰু স্বদেশ স্বজাতিৰ প্ৰেমে অম্বিকাগিৰীক লৈ গ'ল এখন আধ্যাত্মিক জগতলৈ। সৃষ্টি হ'ল কবিতাৰ। আৰু পৰৱৰ্তী সময়ত আধ্যাত্মিকতাৰ পৰা প্ৰত্যাবৰ্তন কৰি বাস্তৱৰ স'তে মুখামুখি হ'লেও কবি সত্বাত স্তুপীকৃত হৈ থকা চিন্তা চেতনাৰে লিখি গ'ল কবিতা, যিখিনি কবিতাক ৰোমাণ্টিক ধাৰাৰ কবিতা হিচাপে স্বীকৃত হ'ল।

অসমীয়া ৰোমাণ্টিক কাব্য জগতত কবি হিচাপে তেখেতৰ এখন সুকীয়া আসন আছে। সাধাৰণতে অসমীয়া কাব্য সাহিত্যৰ জগতত ঊনবিংশ শতিকাৰ আশীৰ দশকতে পাশ্চাত্য ৰমন্যাসবাদী চিন্তাৰ উন্মেষ ঘটিছিল যদিও ১৮৮৯ খ্ৰীঃৰ পৰা ১৯৪০ খ্ৰীঃলৈ এই সময় ছোৱাক অসমীয়া ৰমন্যাসবাদী কবিতাৰ কাল বুলি ধৰা হয়। প্ৰায় আঢ়ৈ কুৰি বছৰীয়া এই ইতিহাসক কিছুমানে কেবাটাও স্তৰত ভাগ কৰিছে। সেয়া হ'ল জোনাকী স্তৰ, উত্তৰ জোনাকী স্তৰ, বাঁহী-আলোচনী স্তৰ, ছাত্ৰ সম্মিলনী স্তৰ বা মিলন স্তৰ, নিৰ্জনৰ সুৰ আৰু আৱাহন স্তৰ। চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামীৰ পৰা আৰম্ভ কৰি দেৱকান্ত বৰুৱালৈকে প্ৰায় পঞ্চাশগৰাকী কবিয়ে অসমীয়া ৰোমাণ্টিক কাব্যজগতখন সমৃদ্ধ কৰি গৈছে। সেই কবিসকলৰ ভিতৰত উত্তৰ জোনাকী স্তৰৰ এগৰাকী কবি হ'ল অম্বিকাগিৰী ৰায়চৌধুৰী। কবিগৰাকীৰ প্ৰকাশিত কাব্যপুথি কেইখন হ'ল- (১) তুমি (১৯১৫), (২) বীণা (১৯১৬), (৩) অনুভূতি (১৯৫৪), (৪) স্থাপন কৰ স্থাপন কৰ (১৯৫৮), (৫) বন্দো কি ছন্দেৰে (১৯৫৮), (৬) বেদনাৰ উল্কা (১৯৬৪), (৭) দেশেই ভগবান (১৯৬৫)।

কবিগৰাকীৰ আটাইবোৰ কবিতা জুকিয়াই চাই দেখা গৈছে যে, তেখেতৰ কবিতা সমস্তক সামগ্ৰিকভাৱে এটা নিৰ্দিষ্ট ভাৱৰ ধাৰাত পেলাব নোৱাৰি। মননশীলতা তেওঁৰ বহুধা বিভক্ত। যদি কোৱা হয়, তেখেত প্ৰেমৰ কবি। তেনেহ'লে সেই প্ৰেমৰ আছে উত্তৰণ। দৈহিকৰ পৰা ঐহিকলৈ। দেশপ্ৰেমমূলক কবি বুলি ক'বলৈ গ'লেও সেই প্ৰেমৰ ধাৰা আকৌ বিশ্বপ্ৰেমলৈ গতি কৰিছে। অসমীয়া জাতীয়তাবাদী কবিতা বুলিও পোনে পোনে ক'ব নোৱাৰি। সেই জাতীয়তাবাদ সৰ্ব ভাৰতীয় জাতীয়তাবাদলৈ প্ৰসাৰণ ঘটিছে। সেইদৰে মানৱতাবাদেও বিশ্বমানৱতাবাদৰ পৰ্যায় পাইছে। তথাপি তেওঁক আমি প্ৰেমৰ কবি বুলি ক'ব পাৰোঁ। বিশেষকৈ নাৰী প্ৰেমৰ পৰা আধ্যাত্মিক প্ৰেমলৈ, অসম প্ৰেমৰ পৰা ভাৰতীয়ত্বলৈ, ভাৰতৰ পৰা বিশ্ব মানৱতাবাদলৈ, এই সকলোৰে অন্তৰালত প্ৰেমেই ক্ৰিয়া কৰি আহিছে। প্ৰসঙ্গক্ৰমে সমালোচক অধ্যাপক উপেন শৰ্মাই কৈছে "দেহজ প্ৰেম, ভগৱৎ প্ৰেম আৰু স্বদেশ প্ৰেম ৰায়চৌধুৰীৰ কবিতাৰ কেন্দ্ৰীয় উপাদান। ৰায়চৌধুৰী সম্ভৱতঃ অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ প্ৰেমৰ কবি।" কথাখিনি সমৰ্থনযোগ্য। বাস্তৱ জীৱনত কবি অম্বিকাগিৰীয়ে ডেকা বয়সত ইংৰাজ কবি শ্যেলী, বায়ৰণৰ দৰে বহুবাৰ প্ৰেমত পৰিছে, ওপঙিছে, সাঁতুৰি পাৰ হৈছে। মাথোঁ সোতৰ বছৰ বয়সতে কবি প্ৰেমত পৰিছিল এগৰাকী কিশোৰীৰ। নাম আছিল ইন্দুমতী। পিছে চফল ডেকা অম্বিকাগিৰীয়ে এনাৰ্কিষ্ট দলত অন্তৰ্ভুক্ত হোৱাৰ পিছত ইন্দুমতীৰ লগত সঘনে দেখাদেখি বা লগ কৰিব নোৱৰা বাবে ইন্দুমতীৰ অনুযোগ আছিল যে, অম্বিকাগিৰীৰ প্ৰেম অবিচল নহয়। এই কথা জনাৰ পিছত উদ্ভ্ৰান্ত প্ৰেমিক অম্বিকাগিৰীয়ে ক্ষুৰধাৰ দা এখনেৰে বাওহাতৰ কেএগ্ৰা আঙুলিৰ পাব এটা কাটি ৰূপৰ টেমাত ভৰাই কাগজ এটুকুৰাত তেজেৰে লিখি দি ' ইন্দুমতী লোৱা এই মোৰ অবিচল প্ৰেমৰ নিদৰ্শন' বুলি কাগজসহ টেমাটো ইন্দুমতীৰ হাতত তুলি দিছিল। তথাপি কবিৰ লগত ইন্দুমতীৰ মিলন

বাস্তৱত সম্ভৱ নহ'ল। কবি ব্যৰ্থ হ'ল। কিন্তু অনুভূতিৰে সৰস কৰা ইন্দ্ৰিয়জ প্ৰেমৰ অভিব্যক্তিয়ে অতিন্দ্ৰিয় স্তৰত সাৱলীল ৰূপত প্ৰতিষ্ঠিত হ'ল। কবিৰ কামনা বাসনা সমৃদ্ধ অথচ গভীৰ আৰু নিভাঁজ প্ৰেমে ৰহস্যময় আৱৰ্তত অৱগাহণ কৰিলে। সৃষ্টি হ'ল ৰমন্যাসিক চিন্তাৰ এক আধ্যাত্মিক কাব্য, এক গভীৰ আৰু প্ৰত্যয়শীল পৰিতৃপ্তিৰ ৰহস্যবাদী কাব্য। কবিৰ বাস্তৱৰ ইন্দুমতীয়ে ৰহস্যঘন অনুভূতিৰে সিক্ত হৈ বিৰাটৰ ৰূপ অপৰূপ বৈচিত্ৰ্যৰ 'তুমি' হৈ পৰিল। অৰ্থাৎ ইন্দুমতীয়ে 'তুমি' কাব্যৰ মূল আধাৰ। সাতোটা সৰ্গত বিভক্ত কাব্যখনৰ মূল আত্মাটোৱে হ'ল বাস্তৱ বিচ্ছেদৰ ফলশ্ৰুতিত উদ্ভৱ হোৱা ভূমাস্পৃহা। ৰূপ-অপৰূপ জাগতিক সৌন্দৰ্যৰ মাজত বিৰাটৰ অন্বেষণ।

'তুমি' কাব্যৰ প্ৰথম সৰ্গত প্ৰিয়তমাৰ ইন্দ্ৰিয়জ প্ৰেমৰ মধুৰ মনমোহা সৌন্দৰ্যৰ অভিব্যক্তি ফুটি উঠিছে-

"তুমি চুচুক চামাক কই
সুবিমল বিহাৰ আঁৰত
কাৰনো মুখনি আহা
থই দিছা পমাই কিহত?"

কালিদাসৰ অভিজ্ঞানম্ শকুন্তলম্ নাটকত ওৰণিৰে আবৃতা শকুন্তলাক দেখি ৰজা দুষ্মন্তই কৈছিল-

"কা স্বিদৱগুণ্ঠিনবতী নাতিপৰিস্ফুট শৰীৰ লাবণ্যা।
মধ্য্য তপোধনানাং কিশলয়মিৰ পাণ্ডু পত্ৰাণাম।।"
(পঞ্চম অঙ্ক-১৩ নং শ্লোক)

প্ৰথম সৰ্গত 'লাজৰ ৰাঙলী আভা' ৰ মাজত যদিও আছিল পাৰিবাৰিক বান্ধোন, দ্বিতীয় সৰ্গত সেই বান্ধোনৰ মাজত কবিয়ে বিচাৰি পাইছে মাতৃ প্ৰেম, পুত্ৰ প্ৰেম, ভ্ৰাতৃ- ভগ্নীৰ সৰল ভালপোৱা, পতি-পত্নীৰ সহনশীল প্ৰেম। সেই প্ৰেমৰ মাজত কবিয়ে বিচাৰি পাইছে ভগৱানৰ অতুলনীয় ৰূপ আৰু বিৰাটৰ অভিব্যক্তিৰ ৰূপ অপৰূপ-

"তুমি জননীৰ অন্তৰত
সাদৰী সজাই থোৱা প্ৰেম
তুমি আইৰ কাষত কৰা
সৰুকালি সুৰাগৰ প্ৰেম

আৰু

দুৰ্বৃত্ত স্বামীৰ কত
সহি থাকি উগ্ৰ অত্যাচাৰ
তুমি ভগা হিয়াখনি লৈ
খোজা তাৰ মুকুতিৰ পাৰ"

স্বামী স্ত্ৰীৰ সম্বন্ধক কেনেকৈ বৰ্তাই ৰাখিব পাৰি কথমুনিয়ে শকুন্তলাক দিয়া উপদেশ লানিৰ কিয়দাংশৰ মাজত তুমি কাব্যৰ এই স্তবকটোৰ সাদৃশ্য বিচাৰি পোৱা যায়-
"ভৰ্তুৰ্বিপ্ৰকৃতাপি ৰোষণাতয়া মাস্মপ্ৰতীপৰ গমঃ।" (চতুৰ্থ অঙ্ক ১৮ নং শ্লোক), অৰ্থাৎ পতিয়ে অন্যায় আচৰণ কৰিলেও তাত ৰুষ্ট হৈ বিৰূপ নহ'বি।

তৃতীয় সৰ্গত কবিয়ে নৈসৰ্গিক সৌন্দৰ্যৰ জাগতিক অভিব্যক্তিৰ মাজত বিশাল সৌন্দৰ্যৰ ৰূপৰেখা মূৰ্ত কৰি তুলিছে

"তুমি একেটি পদুম কলি
একেখনি বিলৰ বুকুত
তুমি অনন্ত কল্পনা কত
উচতোৱা কবিৰ প্ৰাণত।"

শকুন্তলাৰ সৌন্দৰ্যত মুগ্ধ হৈ দুস্মন্তৰ মুখেৰে উচ্চাৰিত হৈছিল 'অয়ে মে নেত্ৰ নিৰ্বাণম' 'আজি মোৰ চকুৱে মুক্তি পালে' আৰু ক'লে

ইয়ং অধিক মনোজ্ঞা বন্ধলেনাপি তন্বী।
কিমিৰহি মধুৰাণাং মণ্ডণং নাকৃতিনাম।। (প্ৰথম অঙ্ক ১৮ নং শ্লোক)

ইংৰাজ কবি বৰ্ডছৱৰ্থৰ কবিতাতো তেনে প্ৰতিধ্বনিয়েই শুনা যায়-

Fare as a star when only one
Is shining in the sky.

চতুৰ্থ সৰ্গত পৰম ঈশ্বৰৰ তত্বময় ৰূপৰ প্ৰকাশ পাইছে। এই স্তৰত কবিৰ হিয়াৰ দুৱাৰ মুকলি হৈ অলৌকিক পোহৰে মন প্ৰাণ পোহৰাই তুলিছে। উপলব্ধি হৈছে-
মিছাতে ভৰমি মৰে অনন্ত জগত
পূৰ্ণৰূপে আছে কিন্তু হিয়াৰ মাজত।

Robert Browning Infinite passion, and the pain of the finite hearts that yearn ৰ প্ৰতিধ্বনি শুনা যায়।

এই স্তৰত কবিৰ অন্তৰত এক অলৌকিক

অনুভূতিৰ জন্ম হয়। কবিয়ে অনুভৱ কৰিলে যে "তুমি" ব্ৰহ্মময়। কিন্তু সেই প্ৰেম কামনা বাসনাৰ উৰ্ধত নহয়। ই ইন্দ্ৰিয়াতীত প্ৰেম নহয়, ইন্দ্ৰিয় ভোগৰ প্ৰেমহে আছিল।

"কামনাৰ তলতীয়া
কামনাত মতলীয়া
সেই প্ৰেম মহা পৰাধীন
ইন্দ্ৰিয় ভোগৰ।"

সেয়েহে পঞ্চম সৰ্গত ভগৱানৰ স'তে থকা কবিৰ সম্বন্ধক গাঢ়ভাৱে উপলব্ধি কৰিব পাৰিছে যে, অসীমৰ বিৰাট অঞ্চল প্ৰেমত ৰঞ্জিত। সেই অসীম আলোকৰসন্ধান কৰি কবিয়ে কৈছে-

"তুমি আছা সিপাৰত
মই বাসনা আঁৰত
কৈ দিবা কেনেদৰে পাম
তোমাৰ পোহৰ।"

কিন্তু ষষ্ঠ সৰ্গত কবিৰ উত্তৰণ ঘটিল। কবিগুৰু ৰবীন্দ্ৰনাথৰ

'সীমাৰ মাঝে অসীম তুমি, বাজাও আপন সুৰ
তোমাৰ মধ্যে আমাৰ প্ৰকাশ তাই এত মধুৰ।'

হোৱাৰ দৰে অম্বিকাগিৰীয়েও উপলব্ধি কৰিলে

"তোমাতে হৃদয় মোৰ
মোত আৰু তযু হিয়া
ৰাখিছা প্ৰকাশি-
...................
মোৰ ভিতৰেদি দেখো
ফুলি উঠে তযু নাম
ব্ৰহ্মাণ্ড বিদাৰি।"

এই স্তৰতে 'তুমি' ৰূপী ব্ৰহ্মাৰ স'তে কবি সত্বা একীভূত হৈছে।

সপ্তম সৰ্গত মাথো সুখ, আনন্দ, আত্মপ্ৰসাদ লাভৰ বৰ্ণনা আছে। পাৰ ভঙা আনন্দ কবিৰ। পৰম ব্ৰহ্মাৰ স'তে মিলনৰ আনন্দ

"অসীমৰ স'তে মিলি জুলি
প্ৰেম প্ৰীতি কুসুমেৰে ফুলি
হালি জালি হাঁহিছে।
.............................
অন্তৰৰ উটাই কালিমা
লয়লাসে হালিছে।"

পূৰ্ণ যৌৱন অবস্থাত লিখা আন এখন কবিতাপুথি হ'ল 'বীণা'। এই পুথিত সন্নিবিষ্ট কবিতালানিৰ মাজতো 'তুমি'ৰ প্ৰথম সৰ্গৰ দৰে উদ্ভ্ৰান্ত যৌৱন তৰঙ্গৰ উঠা-নমা চলিছে। কিন্তু কবিৰ সেই তৰঙ্গত আছে অন্তহীন প্ৰেমৰ অনুভূতি। মানৱপ্ৰেম আৰু মানৱতাবাদৰ অনুভূতি। কবিতালানিৰ মাজত এনে বহু স্তৱক আছে, য'ত মহান মানৱীয় প্ৰেমক ভূমাস্পৃহাৰ লগত বিলীন কৰি দিছে।

আনফালে আকৌ 'অনুভূতি' কাব্য সংকলনৰ লগতে বাকী কেইখন কাব্য সংকলনৰ কবিতা সমূহত জাতিয়তাবাদী সুৰ বাজি উঠিছে। যি সুৰত ব্যক্তি জীৱনৰ স্বৰূপ, জীৱনৰ উদ্দেশ্য, নিজৰ দেশখনৰ, নিজৰ জাতিটোৰ, নিজৰ ধৰ্ম আদিৰ সংস্কাৰ সাধন সংস্কাৰ সাধন, নিষ্পেষণৰ বিৰুদ্ধে প্ৰতিবাদৰ ধ্বনি ঝংকাৰিত হৈছে। সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে, "ৰায়চৌধুৰীৰ জাতিয়তাবাদী কবিতাত নিষ্পেষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ, 'দূৰ্গম গিৰী কান্তাৰ মৰু' অতিক্ৰম কৰি জীৱন যুদ্ধত বীৰদৰ্পে আগবাঢ়িবলৈ উদাত্ত আহ্বান পোৱা যায়।" (অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ-)। 'অনুভূতি' কবিতা পুথিৰ কবিতা সমূহত এই ভাৱৰেই প্ৰকাশ দেখা যায়। তেনে বহু কবিতাৰ ভিতৰত এটা কবিতা হ'ল 'মই বিপ্লবী, মই তাণ্ডৱী'। যিটো কবিতাৰ বিচাৰ কৰিলে প্ৰতিবাদী কণ্ঠৰ প্ৰচণ্ড শক্তিৰ অমোঘ অস্ত্ৰ সংপৃক্ত মানৱ জীৱনৰ আয়তনৰ উন্মেষৰ উমান পোৱা যায়-

"মই বিপ্লৱী, মই তাণ্ডৱী
মই বিপ্লৱ তোলো ক'ত
তাণ্ডৱ তোলো ক'ত?
...................
নভো মহানীল
চিৰাচিৰ কৰি
প্ৰলয় ভংগী উঠে তাৰ চৰি
স্বৰ্গ মৰ্ত্য ৰসাতল ৰেখা
মোহাৰি মুচৰি
কৰি দিলে একাকাৰ

ক্ষিত্যপতেজ মৰুৎ-ব্যোমৰ
নোহোৱা কৰিলে
চিন চাব পাৰাপাৰ
কি পৰিণামেৰে
ক্লান্তিত পৰি
ক'ত বা কি হয় সি ক্ষান্ত
নাপাও বিচৰি আত
আধাৰ য'ত কৰো তাক শান্ত"
(অনুভূতি পৃঃ ৯১)

কবিৰ সেয়া আছিল জীৱনৰ প্ৰেম, যৌৱনৰ প্ৰেম, অতিন্দ্ৰিয় অনুভুতি আৰু ৰোমাঞ্চকৰ কাল। সন্ত্ৰাসবাদী এনাৰ্কিষ্ট দলৰ সদস্যভুক্ত হোৱা অম্বিকাগিৰীয়ে নজৰ বন্দী হৈ থাকিবলগা হৈছিল আৰু ১৯১৬ চনত নজৰ বন্দীৰ জীৱনৰ অন্ত পৰি আৰম্ভ হৈছিল সাংবাদিক জীৱন। কিন্তু ১৯২১ চনত আকৌ অসহযোগ আন্দোলনত জঁপিয়াই পৰি কাৰাবন্দীৰ জীৱন কটাব লগীয়া হ'ল আৰু এই বন্দীত্বৰ কালতে কবিতাই মোট সলালে, ৰচিত হ'ল বহু ৰাজনৈতিক উদ্দীপনাময় গীতৰ। গীতসমূহে কেৱল  অসমীয়াকে জাগ্ৰত কৰা নাই, লগতে ই সমগ্ৰ ভাৰতবাসীকে আজিও উদ্দীপনা অনাত ইন্ধন যোগাইছে।

"জাগ ডেকা তেজ জাগ, আগ্নেয়গিৰী উজাৰি জাগ।"
"জাগ জাগ জাগ ভাবত সন্তান জাগ"
"এইটো নহয় হাঁহি তামাচাৰ ভাগৰ জুৰোৱা গান,
জীৱন মৰণ একাকাৰ কৰা অগ্নি বীণাৰ তান।"
"ব'লা ভাই আগুৱাই অতি উচ্চ, অতি উন্নত-।"
"ধৰ ঝাডু ধৰ ভাই, আৰু চাবৰ সময় নাই।"
"তই ভাঙিব লাগিব শিল।"
"আৰু কি দেখাবি ভয় কাৰাগাৰ, আৰু কি দেখাবি ভয়।"

যি গীতত আছে বজ্ৰ নিৰ্ঘোষ উদাত্ত, উদ্ভ্ৰান্ত অথচ গভীৰ স্বদেশ প্ৰেম, যি গীতত আছে মানৰ জীৱনৰ সংগ্ৰামী সত্ত্বাৰ টিপ্পনী, কৰ্মোদ্যমৰ পাষাণ কঠোৰ আগ্নেয় মন্ত্ৰ। Songs of the Cell ৰ পাতনিত বাণীকান্ত কাকতিয়ে সেই বাবেই মন্তব্য আগবঢ়াই কৈছে, "এই গীতবোৰত 'তুমি' আৰু 'বীণা' ৰ কোমলকান্ত লীলায়িত ছন্দ নাই, আছে হাতুৰীৰ তালে তালে গোৱা বজ্ৰ নিৰ্ঘোষ মৰ্মবাণীৰ স্পন্দন।" যি মৰ্মবাণীয়ে পংকিল পৰাধীন প্ৰতিগৰাকী ভাৰতবাসীৰ মাজত স্পন্দন তুলিলে। আনকি স্বাধীন ভাৰতৰ একবিংশ শতিকাৰ তৃতীয় দশকতো শুনা গ'ল দিল্লীৰ মচনদত কবিৰ বাণীৰ অনুৰণন। স্বয়ং ৰাষ্ট্ৰপতি ক'বিন্দৰ ভাষণতে উদ্ভাসিত হ'ল অম্বিকাগিৰীৰ ঐকিক চেতনাৰে সমৃদ্ধ মহৎ বাণী সদৃশ অম্লান সৃষ্টিৰ সেই আগ্নেয় মন্ত্ৰ-

"ওম তৎসৎ ভাৰত মহত
এক চেতনাত, এক ধ্যানত
এক আৱেগত
এক হৈ যা, এক হৈ যা। (১ ফেব্ৰুৱাৰী ২০২১ৰ লোকসভাৰ অধিবেশনৰ ৰাষ্ট্ৰপতিৰ প্ৰথম ভাষণ)

অকল এয়াই নহয়। কবিগৰাকীৰ এনে কিছু গীত আছে যি গীতে কেৱল অসম বা উত্তৰ পূৰ্বেই নহয় সমগ্ৰ ভাৰতবৰ্ষৰ সামগ্ৰিক সত্তাক প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম। যি গীতে কংগ্ৰছৰ পাণ্ডু অধিবেশন আৰু লক্ষ্ণৌ অধিবেশনত উপস্থিত থকা সমূহ সদস্যৰ মন দেশপ্ৰেমত অধিক উদ্বুদ্ধ কৰি তুলিছিল। এই প্ৰসঙ্গত 'আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট নৰ নাৰায়ণ ৰূপ' শীৰ্ষক গীতটোৰ কথা উনুকিয়াব পাৰি। সেই অধিবেশন আছিল ভাৰতৰ স্বাধীনতা সম্পৰ্কে কৰা আলোচনাৰ মহামেল। সেই মহামেলত উপস্থিত নৰ নাৰায়ণৰূপী জনতাক সম্ভ্ৰমসূচক সাদৰ আৱাহন জনাই গোৱা আৰম্ভণি গীত। কিমান অৰ্থবাহক এই গীতটো

"আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট
নৰ নাৰায়ণ ৰূপ, নৰ নাৰায়ণ ৰূপ
পংকিল পৰাধীন কুণ্ঠিত চিত মন
নাই ফুল চন্দন ধূপ, নাই ফুল চন্দন ধূপ।"

গীতটো শুনাৰ পিছত হেনো দাবী উঠিছিল যে এই গীতটো ৰাষ্ট্ৰীয় সংগীত হ'ব লাগে। কিন্তু সময়ত হৈ নুঠিল। বোলে যাৰ পো মেলত নাই সি গোধিয়া। দুই এগৰাকী নেতাৰ বাহিৰে কোনেনো মাতিব অসমীয়াৰ হৈ? সময়ত নহ'লগৈ।

অন্যান্য গীতৰ উপৰি হোলী গীত অম্বিকাগিৰীৰ

অনন্য সৃষ্টি। বিশেষকৈ বৰপেটাৰ দৌলোৎসৱ সৰ্বজন বিদিত। অসমত দৌলোৎসৱৰ আৰম্ভণি বৰদোৱাত যদিও ভূতৰ ভয়ত শঙ্কৰদেৱে বৰদোৱা এৰি অহাত এশ পঞ্চাশ বছৰ বৰদোৱা আলিপুখুৰী হৈ পৰিছিল হাবিয়নি। পো নাতিনী কনকলতা আইদেৱে পালিত পুত্ৰ দামোদৰক লৈ হাবিৰ মাজৰ পৰা বৰদোৱা উদ্ধাৰ কৰিছিল। গতিকে এই সময়ছোৱাত বৰদোৱাত কোনো উৎসৱেই অনুষ্ঠিত হোৱা বুলি ক'ব নোৱাৰি। অৱশ্যে শঙ্কৰদেৱ প্ৰৱৰ্তিত আৰ্হিৰেই পৰৱৰ্তী সময়ত মাধৱদেৱ স্থাপিত বৰপেটা সত্ৰত দৌলোৎসৱ অনুষ্ঠিত কৰা হৈছিল। ১৫৮৩ খ্ৰীঃত এই সত্ৰখন প্ৰতিষ্ঠা কৰা হৈছিল। সেই বছৰতে মাধৱদেৱে কোটোৰা খেলা যাত্ৰা নাটৰ অভিনয়ৰ যোগেদি মানুহক আকৰ্ষণ কৰিছিল আৰু শঙ্কৰদেৱৰ আৰ্হিৰেই দৌলোৎসৱও পাতিছিল বুলি কোৱা হয়। লগতে এইটোও কোৱা হয় যে, সেই তেতিয়াৰে পৰা বৰ্তমানলৈকে অতি আড়ম্বৰপূৰ্ণভাৱে বৰপেটা সত্ৰত দৌলোৎসৱ অনুষ্ঠিত কৰি অহা হৈছে। প্ৰামাণিক গ্ৰন্থ হিচাপে 'হৰি প্ৰসঙ্গ' ত বৰ্ণিত দৌলোৎসৱৰ কথাৰ পৰা উৎসৱটোৰ প্ৰাচীনত্বৰ উমান পোৱা যায়।

দৌল উৎসৱটোৰ আনুষ্ঠানিকতা হ'ল দেউল চাচা, গন্ধ বা ফল্গুৎসৱ, ভৰ দেউল আৰু সুৱেৰী। এই আনুষ্ঠানিকতাত আছে ধৰ্মীয় প্ৰকাৰ্য আৰু লোক জীৱনৰ ঔৎসুক্য। যি লোকজীৱনে এক সাংগীতিক আৱেশৰ মাজেৰে উৎসৱটো আনন্দ পূৰ্ণ কৰি তোলে। বৰগীত পুথিত সন্নিবিষ্ট আঠ নটা ফাগুৱ গীত আছে। যি গীত সমূহ দৌলোৎসৱৰ ধৰ্মীয় প্ৰকাৰ্যৰ উপলক্ষত নিৰ্দিষ্ট ৰাগ তালত গায়ন বায়ন, ওজাপালি, ঘোষা কীৰ্তনীয়াই গায়। কিন্তু লোক জীৱনৰ আৱেগ উচ্ছাসৰ বাবে এই গীতখিনি পৰ্যাপ্ত নহয় অথবা ৰাগ তাল বিশিষ্ট গীতখিনি সকলোৰে বাবে গোৱাটো সম্ভৱো নহয়। মনৰ উলাহক দমাব নোৱাৰি বহুতে ভুলকৈ হ'লেও ভোজপুৰী সুৰৰ বা বঙলা ৰূপৰ লালিকা গীতকে গাবলৈ লৈছিল। ইয়াতো অম্বিকাগিৰীয়ে স্বাভিমান ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিল। সেয়ে লগে লগে লিখি সুৰ দি গালে-

"এনুৱা বসন্তে
প্ৰাণ ক'লৈ উৰি যোৱা
ক'লৈ উৰি যোৱা প্ৰাণ
মলয়া বতাহে।
হাঁহিছে প্ৰকৃতি চোৱা
কি প্ৰেমে মতলীয়া
যৌৱনৰ প্ৰেম উন্মাদে
মাতোৱাল পৰাণ।"

এয়াই বৰপেটাৰ দৌলোৎসৱ সংপৃক্ত লোক জীৱনৰ হোলীগীত। কবিগৰাকীৰ আন এটা হোলীগীত হ'ল-

"ফুলে ফুলে ফুৰিছে উৰি ভোমোৰা কলীয়া
বসন্ত পবনে এবে প্ৰেম মতলীয়া
কিহৰ আবেগে তোলে মন নচুৱাই
কানুৰ বেণুৰ সেয়া ৰিণি ৰিণি ধ্বনি
শুনা কাণ পাতি সখী শুনি কি নুশুনি
প্ৰাণৰ ভাৱনা আজি ভাৱতে বিভোৰ
দূৰ গগনৰ ফালে চাই।
শুভ্ৰ-শাৰদী জোনাকত জ্বলি আছে
যমুনাৰ নিৰ্জন বালি
বিয়াকুল গোপীগণে বিচাৰি ফুৰিছে তাত
কৃষ্ণৰ চৰণৰ ধূলি - বিৰহৰ উচতনি পাই।"

তেখেতে যেন খাটি অসমীয়া লোক জীৱনৰ হোলী গীতৰ দুৱাৰ মুকলি কৰি দিলে। বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰীয়েও ৰচনা কৰিলে হোলীগীত। ইয়াৰ পিছত আৰু বহুতে হোলী গীত ৰচনা কৰিলে, সুৰ দিলে, গালে। সৌ তাহানিৰ পৰা আজিলৈকে দৌলোৎসৱলৈ দহ বাৰ দিন থাকোঁতে বৰপেটাৰ হাটীয়ে হাটীয়ে আখৰা আৰম্ভ হয় হোলী গীতৰ। বৰ্তমানলৈকে লোক জীৱনৰ মাজত প্ৰচলিত শতাধিক হোলীগীত পোৱা যায়। তাৰ ভিতৰত (ক) কিছুমান নামঘোষা আৰু কীৰ্তন ঘোষাৰ পদৰ পৰা কাটি উলিওৱা আৰু (খ) কিছুমান বসন্তকালীন বৈশিষ্ট্যৰে সমৃদ্ধ হোলীগীত।●

# যুগাৱতাৰ শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱ ভাৰতীয় অধ্যাত্ম চেতনাৰ পূৰ্ণ প্ৰকাশিত ৰূপ

**সুনন্দা মিত্ৰ**
অৱসৰপ্ৰাপ্ত অধ্যাপিকা, ৰসায়ন বিজ্ঞান বিভাগ
মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা

অৱতাৰৰ লীলা ভূমি ভাৰতবৰ্ষত যুগে যুগে অৱতাৰ পুৰুষৰ আবিৰ্ভাৱ হৈছে - "সম্ভবামি যুগে যুগে।"

পৰাধীন ভাৰতত হিন্দু ধৰ্ম অন্ধবিশ্বাস আৰু কুসংস্কাৰত আচ্ছন্ন হৈছিল। ৰাজা ৰামমোহ ৰায়ে হিন্দু ধৰ্মৰ সংস্কাৰ সাধন কৰি ব্ৰাহ্মধৰ্ম প্ৰতিষ্ঠা কৰিছিল, যদিও সেই ভাৱধাৰা মুষ্টিমেয় শিক্ষিত মানুহৰ মাজত সমাদৃত হৈছিল। সাধাৰণ মানুহৰ সাৰ্ব্বজনীন স্বীকৃতি পোৱা নাছিল। তেনে এটা যুগ সন্ধিক্ষণত সৰ্ব্ব ধৰ্ম সমন্বয় স্বৰূপ ভগবান শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ আবিৰ্ভাৱ হৈছিল।

তেওঁৰ পিতৃ ক্ষুদিৰাম চট্টোপাধ্যায় এগৰাকী সত্যবাদী, নিৰ্ভীক, ধৰ্মপ্ৰাণ, নিষ্ঠাবান ব্ৰাহ্মণ আছিল। পশ্চিমবঙ্গৰ হুগলী জিলাৰ দেৰে গাওঁত তেওঁৰ ঘৰ আছিল। জমিদাৰৰ হৈ মিছা সাক্ষী দিবলৈ অমান্তি হোৱাত তেওঁৰ দেৰশ বিঘা জমি আত্মসাৎ কৰি জমিদাৰে তেওঁক গাওঁৰ পৰা নিৰ্বাসিত কৰিলে। তেতিয়াৰে পৰা তেওঁলোক কামাৰ পুকুৰ গাওঁত থাকিবলৈ ল'লে।

অৱতাৰ পুৰুষসকলৰ জন্ম বৃত্তান্ত অলৌকিক হয়। ক্ষুদিৰাম চট্টোপাধ্যায় গয়া ধামত দিব্য সপোন দেখিছিল। শ্ৰীৰামকৃষ্ণদেৱৰ মাতৃয়ে কামাৰ পুকুৰ শিৱ মন্দিৰত সেৱা কৰিবলৈ যাই দিব্যজ্যোতি দৰ্শন কৰিছিল। তাৰে কিছুদিন পিচত ১৮৩৬ খৃষ্টাব্দত ফাগুণ মাহৰ শুক্লা দ্বিতীয়া তিথিত শ্ৰীৰামকৃষ্ণদেৱৰ জন্ম হয়। গয়াধামৰ সপোনৰ বাবেই তেওঁৰ নাম ৰখা হ'ল গদাধৰ।

সৰুৰে পৰা তেওঁ দিব্যভাৱৰ ভাবুক আছিল। আধ্যাত্মিক কথা কাহিনী তেওঁ তন্ময় হৈ শুনিছিল। মাত্ৰ ছবছৰ বয়সত অকলে খেতিয়েদি যোৱাৰ সময়ত আকাশলৈ চাই নবীন মেঘৰ কাযেদি এজাক বগলী উৰি গৈ থকা দৃশ্য দেখি সেই সৌন্দৰ্যত তন্ময় হৈ তেওঁ সংজ্ঞাহীন হৈছিল।

কৈশোৰ গাওঁতেই অতিবাহিত হ'ল। তাৰ পিচত তেওঁ কলিকতাৰ ওচৰতে দক্ষিণেশ্বৰ কালীবাড়ীত পূজাৰী নিযুক্ত হ'ল। ফুল-ফল নিবেদন কৰি, মন্ত্ৰপাঠ কৰি তেওঁৰ পূজা শেষ নহয়। ঈশ্বৰ দৰ্শনৰ বাবে তেওঁ কঠোৰ সাধনা আৰম্ভ কৰিলে। আহাৰ, নিদ্ৰা সকলো পাহৰিলে, চকুৰ পানীৰে নিজৰা বোৱালে। তাৰে ফলস্বৰূপে তেওঁ সিদ্ধিলাভ কৰিলে।

তাতেই তেওঁ ক্ষান্ত নহ'ল। তেওঁৰ সাধনাৰ পীঠ দক্ষিনেশ্বৰ মন্দিৰততেওঁ ১২ বছৰ ধৰি কঠোৰ সাধনা কৰিলে। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা দক্ষিণেশ্বৰ মন্দিৰত বহু সাধু-সন্যাসীৰ সমাগম হৈছিল। গুৰু হিচাপে তেওঁ প্ৰথমতে এগৰাকী নাৰীক বৰণ কৰিছিল। যোগেশ্বৰী ভৈৰবী নামৰ সেই সাধিকা গৰাকীয়ে তেওঁক তন্ত্ৰ সাধনা

শিকাইছিল। তাৰ পাছত তেওঁ বৈষ্ণৱ মতে শান্ত, দাস্য, সখ্য, বৎসল্য আৰু মধুৰ সেই সললো ভাৰৰ সাধনাত সিদ্ধিলাভ কৰিলে।

ইয়াৰ পিছতেই উত্তৰ প্ৰদেশৰ পৰা অহা সন্ন্যাসী তোতাপুৰীৱে তেওঁক নিৰাকাৰ ব্ৰহ্মবিদ্যাৰ মন্ত্ৰ দীক্ষা দিলে। সন্ন্যাস মন্ত্ৰ দিয়াৰ পিচত গুৰু তোতাপুৰীয়ে তেওঁৰ নাম দিলে শ্ৰীৰামকৃষ্ণ। গুৰু তোতাপুৰীয়ে চল্লিশ বছৰ কঠোৰ সাধনা কৰি ব্ৰহ্মবিদ্যা আয়ত্ব কৰিছিল। শ্ৰীৰামকৃষ্ণদেৱে তিনি দিন ধ্যানস্থ থাকি নিৰাকাৰ ব্ৰহ্মত লীন হ'ল। তাকে দেখি তোতাপুৰীয়ে কৈছিল - 'ইয়ে ক্যায়া দৈবী মায়া'।

ইয়াৰ পিছত তেওঁ ইছলাম ফকিৰ এজনৰ সহায় লৈ ইছলাম মতত সাধনা আৰম্ভ কৰি এদিন মছজিদত নামাজ পঢ়া সময়ত দেখা পালে এজন জ্যোতিৰ্ময় পুৰুষ তেওঁৰ ভিতৰতে লীন হ'ল। ইয়াৰ পিছত খৃষ্টানমতে সাধনা কৰি অৱশেষত মেৰীৰ কোলাত যীশুৰ জ্যোতিৰ্ময় ৰূপ দৰ্শন কৰিলে।

এনেকৈ সকলো পন্থাৰে সাধন কৰি অনুভূতিক শীৰ্ষতম ভূমিৰ পৰা তেওঁৰ মুখেৰে উচ্চাৰিত হ'ল - "যত মত তত পথ।"

ধৰ্ম লৈ পৃথিৱীত কিমান অশান্তি, কিন্তু এই কাজিয়া তেনেই নিৰৰ্থক। শ্ৰীৰামকৃষ্ণদেৱে সৰল সুন্দৰভাৱে বুজাই ক'লে- "এখন পুখুৰীৰ কেইবাটাও ঘাট আছে, বিভিন্ন ঘাটৰ পৰা পানী লৈ কিছুমানে পানী, কিছুমানে জল, ওৱাটাৰ কোৱা বুলি কৈছে। একেটা বস্তু কিন্তু নাম ভেদ।

'যত মত তত পথ' কথাষাৰ আজিৰ যুগত বৰ প্ৰাসংগিক।

দক্ষিণেশ্বৰ কালী মন্দিৰ জ্ঞানপিপাসু মানুহৰ বাবে আকৰ্ষণৰ কেন্দ্ৰ হৈ উঠিল। সেই দিনৰে কলিকতাৰ বিখ্যাত জ্ঞানী, গুণী ব্যক্তিসকলে শ্ৰীৰামকৃষ্ণদেৱৰ বাণী মন্ত্ৰমুগ্ধৰ দৰে শুনিছিল আৰু জীৱন জিজ্ঞাসাৰ উত্তৰ বিচাৰি পাইছিল। শ্ৰীৰামকৃষ্ণদেৱে কেইজনমান ধৰ্মপিপাসু যুৱকক সন্যাস মন্ত্ৰত দীক্ষিত কৰিছিল। প্ৰধান শিষ্য আছিল স্বামী বিবেকানন্দ যাৰ সন্যাসপূৰ্ব নাম আছিল নৰেন্দ্ৰ নাথ দত্ত। মেধাবী, যুক্তিনিষ্ঠ, সুতাৰ্কিক মহান চৰিত্ৰৰ অধিকাৰী নৰেন্দ্ৰ নাথে জীৱন জিজ্ঞাসাৰ উত্তৰ বিচাৰি তদানীন্তন জ্ঞানী-গুণী ব্যক্তিসকলৰ ওচৰ চাপিছিল। তেওঁৰ এটাই প্ৰশ্ন আছিল - "আপুনি ঈশ্বৰ দেখিছেনে?" কোনেও উত্তৰ দিব নোৱাৰিলে। এদিনাখন তেওঁ এই প্ৰশ্ন লৈ শ্ৰীৰামকৃষ্ণদেৱৰ ওচৰ চাপিলে। প্ৰশ্নৰ উত্তৰ আহিল "তোক যেনেকৈ দেখি আছো, তাতকৈ স্পষ্টভাৱে দেখা পাইছো।"

শ্ৰীৰামকৃষ্ণদেৱে নৰেন্দ্ৰ নাথক নিজ হাতে গঢ় দিছিল। এদিনাখন তেওঁ নৰেন্দ্ৰ নাথক শুধিলে- "তোক কি লাগে?" নৰেন্দ্ৰ নাথে উত্তৰ দিলে- "মই অহৰ্নিশি নিৰ্বিকল্প সমাধিত লীন হৈ থাকিব বিচাৰো।" গুৰুদেৱে তীব্ৰ ভৎৰ্সনা কৰিলে। "তই এনে স্বাৰ্থপৰ! নিজৰ মুক্তিৰ কথা ভাবিছা। মই বিচাৰো তই এটা বটবৃক্ষৰ দৰে হবি। সেই বটবৃক্ষৰ ছাঁত তাপদগ্ধ মানুহে শান্তি পাব।"

শ্ৰীৰামকৃষ্ণদেৱৰ দেহত্যাগৰ পিছত তেওঁৰ শিষ্যসকলে কঠোৰ সাধনাত ব্ৰতী হ'ল। তেওঁৰ প্ৰধান শিষ্য স্বামী বিবেকানন্দই পৰিব্ৰাজক হিচাপে গোটেই ভাৰত ভ্ৰমণ কৰি আহিল।

সেই সময়তে ১৮৯৩ খৃষ্টাব্দত আমেৰিকাৰ চিকাগো চহৰত বিশ্বধৰ্ম মহাসভাৰ ব্যৱস্থা কৰা হৈছিল। হিন্দু ধৰ্মৰ বাহিৰে অইন সকলো ধৰ্মৰ প্ৰনিধিসকলক আমন্ত্ৰণ জনোৱা হৈছিল। মাদ্ৰাজৰ যুৱকসকলৰ ঐকান্তিক চেষ্টা আৰু খেতৰি মহাৰাজৰ সহায়তাত স্বামীজীক হিন্দুধৰ্মৰ প্ৰতিনিধি হিচাপে প্ৰেৰণ কৰা হ'ল। তাত হাভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰাইট চাহাবে পৰিচয় পত্ৰত লিখিছিল- "এওঁৰ পৰিচয় সোধা আৰু সূৰ্য্যক তেওঁৰ কিৰণ বিলোৱাৰ অধিকাৰ কি সোধা একেই কথা।"

স্বামীজী হিন্দু ধৰ্ম আৰু দৰ্শন সম্বন্ধে সাৰগৰ্ভ বক্তৃতা দি মহাসভাৰ সৰ্ব্বশ্ৰেষ্ঠ বক্তা হিচাপে স্বীকৃতি লাভ কৰিছিল। My Master নামক তেওঁৰ বক্তৃতা অতি মনোমুগ্ধকৰ হৈছিল। স্বামীজীক ভাৰতবৰ্ষই কেতিয়াও পাহৰিব নোৱাৰে। তেওঁৰ দেশপ্ৰেম, ন্যায়নিষ্ঠতা, দীন-দৰিদ্ৰৰ প্ৰতি অসীম মমত্ববোধৰ বাবে তেওঁ ভাৰতবাসীৰ একান্ত আপোন। শ্ৰীৰামকৃষ্ণদেৱৰ আদৰ্শৰ বাস্তৱ ৰূপায়ণ কৰিছিল স্বামীজীয়ে।

অস্পৃশ্যতা আমাৰ জাতিৰ কলংক। পৰমহংসদেৱে জাতিৰ এই দম্ভক চৰম আঘাত হানিছিল। তেওঁৰ উপনয়নৰ সময়ত তেওঁ এগৰাকী অব্রাহ্মণ মহিলাক তেওঁৰ ভিক্ষামাতা হিচাপে গ্ৰহণ কৰিছিল। দক্ষিণেশ্বৰ মন্দিৰত কাঙালী ভোজনৰ পিছত তেওঁ কাঙালীৰ উচ্ছিষ্ট মুখত লৈছিল।

যুগে যুগে নির্যাতিতা অৱহেলিতা নাৰীক তেওঁ সৰ্ব্বোচ্চ মৰ্য্যাদা দিছিল। নাৰী মাত্ৰকেই তেওঁ মা জগজ্জননী বুলি সম্বোধন কৰিছিল।

এদিন সমাধিস্থ অৱস্থাত তেওঁ কৈ আছিল- "জীৱে দয়া নামে ৰুচি বৈষ্ণৱ সেৱন" তাৰ পিচতেই তেওঁ ক'লে- "জীৱে দয়া কৰিবলৈ তুমি কোন? জীৱে দয়া নহয়। জীৱে সেৱা শিৱজ্ঞানে জীৱ সেৱা।"

তেওঁৰ সকলো আদৰ্শ ৰূপায়ণ কৰি স্বামী বিবেকানন্দই ৰামকৃষ্ণ মঠ আৰু মিশন প্ৰতিষ্ঠাকৰে। মঠ-মিশনৰ সন্যাসীসকলৰ আদৰ্শ সম্বন্ধে তেওঁৰ পৰিস্কাৰ বক্তব্য- "আত্মনো মোক্ষাৰ্থং জগদ্ধিতায় চ" নিজৰ মুক্তি আৰু জগতৰ কল্যাণ এই মঠৰ উদ্দেশ্য। গোটেই পৃথিৱীত শ্ৰীৰামকৃষ্ণ মঠৰ ২৯৩টা শাখাকেন্দ্ৰ আছে।

শ্ৰীৰামকৃষ্ণদেৱে কোনো ধৰণৰ সংকীৰ্ণতাক প্ৰশ্ৰয় দিয়া নাই। তেওঁ কোনো নতুন সম্প্ৰদায় সৃষ্টি কৰা নাই। তেওঁ হিন্দু ধৰ্মক পুনৰুজ্জীৱিত কৰিছিল। তেওঁৰ অমূল্য বাণীবোৰ শ্ৰীৰামকৃষ্ণ কথামৃত Gospel of Sri Ramakrishna নামক কিতাপৰ পাঁচ খণ্ডত সন্নিবিষ্ট কৰা হৈছে।

তেওঁৰ অমৃতময় বাণীৰ যিকোনো এটা বাক্য হৃদয়ঙ্গম কৰিলে মানুহে জীৱনত আনন্দ বিচাৰি পাব।





# প্ৰাক্‌শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য

**ড° মনিমা কাকতি**
সহযোগী-অধ্যাপিকা, অসমীয়া বিভাগ

অসমীয়া সাহিত্যত প্ৰাক্‌শংকৰী যুগ বুলিলে শংকৰদেৱৰ আৰ্বিভাৱৰ আগৰ সময়ছোৱাকে বুজা যায়। এই সময়ছোৱাত কেইবাগৰাকীও কবিয়ে সাহিত্য-চৰ্চাৰে অসমীয়া সাহিত্যক প্ৰতিষ্ঠিত কৰিবলৈ যত্ন কৰিছিল। এই কবিসকল হ'ল ক্ৰমে — হেম সৰস্বতী, ৰুদ্ৰ কন্দলী, কবিৰত্ন সৰস্বতী, হৰিবৰ বিপ্ৰ আৰু মাধৱ কন্দলী। প্ৰাক্‌শংকৰী যুগৰ প্ৰথমতে নাম ল'বলগীয়া কবিগৰাকীয়ে হ'ল হেম সৰস্বতী। তেওঁ ৰচনা কৰা 'প্ৰহ্লাদ চৰিত' পুথিখন অসমীয়া সাহিত্যৰ প্ৰথম লিখিত পুথি বুলি বিৱেচিত হৈছে। হেম সৰস্বতী ৰচিত আন এখন পুথি হ'ল 'হৰ-গৌৰী সংবাদ'। ৰুদ্ৰ কন্দলীয়ে 'সাত্যকিৰ প্ৰৱেশ' কবিৰত্ন সৰস্বতীয়ে 'জয়দ্ৰথ বধ', হৰিবৰ বিপ্ৰই' 'বভ্ৰুবাহনৰ যুদ্ধ', লৱ কুশৰ যুদ্ধ', তাম্ৰধ্বজৰ যুদ্ধ নামৰ তিনিখন যুদ্ধকাব্য আৰু মাধৱ কন্দলীয়ে 'অসমীয়া সপ্তকাণ্ড' ৰামায়ণ আৰু দেৱজিৎ নামৰ এখনি সৰু কাব্য ৰচনা কৰি অসমীয়া সাহিত্যৰ বাট মুকলি কৰি দিয়ে। উল্লিখিত কবিকেইজনে সমসাময়িক ৰজাসকলৰ ৰাজ-পৃষ্ঠপোষকতা লাভ কৰি কাব্য-চৰ্চা কৰিবলৈ অনুপ্ৰেৰণা পাইছিল। এই যুগৰ কবিসকলৰ সাহিত্যৰাজি বিশ্লেষণ কৰিলে কিছুমান বৈশিষ্ট্য বা লক্ষণ দৃষ্টিগোচৰ হয়। সেই বৈশিষ্ট্যবোৰ তলত দেখুওৱা হ'ল ঃ

১। প্ৰাক্‌শংকৰী যুগৰ সাহিত্য অনুবাদমূলক বা ভাৱানুবাদমূলক। এই যুগৰ কবিসকলৰ কোনো মৌলিক সৃষ্টি দেখা নাযায়। কবিসকলে সমসাময়িক ৰজাসকলৰ পৰা উদ্‌গনি পাই সাধাৰণ জনগণক শাস্ত্ৰজ্ঞান দিয়াৰ বাবে সকলোৰে বোধগম্য হোৱাকৈ সংস্কৃত গ্ৰন্থসমূহৰ পৰা প্ৰাচীন অসমীয়া ভাষালৈ অনুবাদ কৰি কাব্য ৰচনা কৰিছিল। হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত' পুথিখন 'বামনপুৰাণৰ আধাৰত, আৰু 'হৰ গৌৰী সংবাদ' পুথি 'নৃসিংহপুৰাণ'ৰ প্ৰথম অধ্যায় আৰু মূল সংস্কৃতপুথি 'হৰগৌৰী সংবাদ' ৰ পৰা কিছু অংশ লৈ ৰচনা কৰে। ৰুদ্ৰ কন্দলিয়ে মহাভাৰতৰ দ্ৰোণপৰ্বৰ অন্তৰ্গত জয়দ্ৰথ বধ উপপৰ্বৰ শিনিপুত্ৰ সাত্যকিৰ যুদ্ধৰ কাহিনীৰ বৰ্ণনাখিনি অনুবাদ কৰি 'সাত্যকিৰ প্ৰৱেশ' কাব্য ৰচনা কৰিছে। কবিৰত্ন সৰস্বতীয়ে মহাভাৰতৰ দ্ৰোণপৰ্বৰ 'জয়দ্ৰথ বধ'ৰ কাহিনীক লৈ 'জয়দ্ৰথ বধ' কাব্য ৰচনা কৰে। হৰিবৰ বিপ্ৰই সংস্কৃত জৈমিনীয় মহাভাৰতৰ অশ্বমেধ পৰ্বৰ আধাৰত তিনিখন যুদ্ধ কাব্য 'বভ্ৰুবাহনৰ যুদ্ধ', 'লৱ-কুশৰ যুদ্ধ', তাম্ৰ আৰু ধ্বজৰ যুদ্ধ ৰচনা কৰে। প্ৰাক্‌শংকৰী যুগৰ শ্ৰেষ্ঠ কবিৰূপে খ্যাত মাধৱ কন্দলীদেৱে মূল বাল্মীকি ৰামায়ণৰ আধাৰত 'সপ্তকাণ্ড ৰামায়ণ' অসমীয়া ভাষালৈ ভাৱানুবাদ কৰে।

গতিকে দেখা যায় যে প্ৰাক্‌শংকৰী যুগৰ আটাই কেইগৰাকী কবিৰ কাব্য অনুবাদমূলক বা ভাৱানুবাদমূলক। এই সময়ছোৱাত মৌলিক সৃষ্টি দেখা নাযায়।

২। প্ৰাক্‌শংকৰী যুগৰ সাহিত্য বিশেষভাৱে লৌকিকতাৰ ওপৰত প্ৰতিষ্ঠিত। মাধৱ কন্দলীয়ে ৰামায়ণৰ কিষ্কিন্ধ্যা কাণ্ডৰ পদ ৰচনা কৰোঁতে এঠাইত উল্লেখ কৰিছে এইবুলি — 'দেৱবাণী নোহে ইটো লৌকিক হে কথা।' মন কৰিবলগীয়া কথা যে প্ৰাক্‌শংকৰী যুগৰ কবিসকলৰ

সাহিত্যত উল্লিখিত নায়ক-নায়িকাসকল সাধাৰণ নৰ-নাৰী হিচাপে চিত্ৰিত হৈছে, কোনো অলৌকিক শক্তিসম্পন্ন দেৱ-দেৱী বা ভগৱান নহয়। সেয়ে প্ৰায়ভাগ চৰিত্ৰ সাধাৰণ মানুহৰ নিচিনা দোষ-গুণযুক্ত। চৰিত্ৰবোৰৰ কথোপকথনৰ ভাষাত গ্ৰাম্যজীৱনৰ সাধাৰণ মানুহৰ ভাষা প্ৰয়োগ কৰিছে। আনকি চৰিত্ৰসমূহৰ উক্তি প্ৰত্যুক্তিত গ্ৰাম্য গালি-শপনিৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। উদাহৰণস্বৰূপে হৰিবৰ বিপ্ৰ ৰচিত 'বভ্ৰু বাহনৰ যুদ্ধ' কাব্যত পুত্ৰ হিচাপে বভ্ৰুবাহনে পিতৃ অৰ্জুনক সেৱা কৰিবলৈ ওলোৱাত অৰ্জুনে বেশ্যাৰ ল'ৰা বুলি গালি দিয়া দৃশ্য নিশ্চয় গ্ৰাম্যতাৰ প্ৰভাৱ বুলি ক'ব পাৰি—

কোনোবা বেশ্যাৰ পুত্ৰ কোনে জানে তোক।
নিচিনি নাজানি যাকে তাকে বোলে বাপ।।

৩। প্ৰাক্‌শংকৰী যুগৰ সাহিত্য ধৰ্মপ্ৰধান নহয়। সাধাৰণ জনগণক সহজ-সৰল ভাষাৰে শাস্ত্ৰ-জ্ঞান দিয়াটোহে মূল উদ্দেশ্য আছিল বুলি অনুমান হয়। কাৰণ সংস্কৃত ভাষাত ৰচিত আমাৰ শাস্ত্ৰবোৰ সাধাৰণ জনসাধাৰণৰ বোধগম্য নাছিল। সেয়েহে সেইসময়ৰ কবিসকলে সাধাৰণ নৰ-নাৰী সকলোৱে বুজিব পৰাকৈ কাব্য ৰচনাত হাত দিছিল আৰু কৃতকাৰ্যতাও লাভ কৰিছিল বুলি ক'ব পাৰি।

৪। প্ৰাক্‌শংকৰী যুগৰ সাহিত্য ধৰ্মপ্ৰধান নাছিল যদিও ধৰ্মৰ প্ৰতি আওকাণো কৰা নাছিল। প্ৰায় আটাইকেইগৰাকী কবিৰ ৰচনাৰ মাজেদি বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ পৰিচয় পোৱা যায়। সেইকাৰণে প্ৰাক্‌শংকৰী যুগৰ সাহিত্য বৈষ্ণৱ যুগৰ কবিসকলৰ পথ-প্ৰদৰ্শক আছিল বুলি ক'লেও বঢ়াই কোৱা যেন লাগে। বৰং প্ৰাক্‌শংকৰী যুগৰ কবিসকলক অনুকৰণ কৰিয়ে সাহিত্য চৰ্চাত ব্ৰতী হোৱা যেন লাগে।

৫। প্ৰাক্‌শংকৰী যুগৰ কবিসকলে সমসাময়িক ৰজাসকলৰ দ্বাৰা পৃষ্ঠপোষকতা লাভ কৰি কাব্যচৰ্চা কৰিছিল। আমাৰ সংস্কৃত ভাষাত লিখা শাস্ত্ৰসমূহত লিপিবদ্ধ ধৰ্মীয়, নৈতিক, আধ্যাত্মিক বিষয়বোৰৰ জ্ঞান সাধাৰণ জনগণক দিবলৈ সেইসময়ৰ ৰজাসকলে ৰাজকবিসকলক সহজ-সৰল প্ৰান্তীয় ভাষাত কাব্য ৰচনাৰ বাবে অনুপ্ৰেৰণা যোগাইছিল। সেইসময়ৰ কবিসকল শাস্ত্ৰজ্ঞানৰ অগাধ পণ্ডিত আছিল যদিও আৰ্থিকভাৱে স্বচ্ছল নাছিল। সেয়ে ৰজাসকলে ৰাজভঁৰালৰ পৰা সহায়ৰ হাত আগবঢ়াইছিল। এইযুগৰ ৰাজপৃষ্ঠপোষক ৰজাসকল হ'ল — কমতাপুৰৰ ৰজা দুৰ্লভনাৰায়ণ, তেওঁৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ, শ্ৰীমন্ত তাম্ৰধ্বজ আৰু বৰাহী বা কছাৰী ৰজা মহামাণিক্য।

৬। প্ৰাক্‌শংকৰী যুগৰ আটাইকেইগৰাকী কবিয়ে কাব্য ৰচনাৰ বিষয়বস্তু ৰামায়ণ, মহাভাৰত আৰু দুই এখন পুৰাণৰ পৰা গ্ৰহণ কৰিছে। মনকৰিবলগীয়া কথা যে, কবিসকলে কাব্য ৰচনা কৰোতে মূলৰ হৰণ-ভগন কৰা নাই যদিও সাধাৰণ পাঠকক কাব্যৰস দিবলৈ মাজে মাজে মৌলিকতা বা স্থানীয় ৰহণৰ সহায় লৈছে। অৱশ্যে এই ধৰণৰ মৌলিকতা বা স্থানীয় ৰহণৰ প্ৰয়োগে কাব্যসমূহৰ সৌন্দৰ্য হ্ৰাস কৰা নাই, বৰং বৃদ্ধিহে কৰিছে।

৭। প্ৰাক্‌শংকৰী যুগৰ সাহিত্যৰ উল্লেখযোগ্য বৈশিষ্ট্যটি হ'ল অসমীয়া ভাষাৰ লিখিত ৰূপৰ প্ৰৱৰ্তন। এই যুগৰ আগতে অসমীয়া ভাষাৰ লিখিত ৰূপৰ কোনো সঠিক নিদৰ্শন পোৱা নাযায়। চৰ্যাপদ, শ্ৰীকৃষ্ণ কীৰ্তন পুথি আদিত প্ৰত্ন অসমীয়া ভাষাৰ কিছু নিদৰ্শন আছে যদিও সেয়া যথেষ্ট নহয়। প্ৰাক্‌শংকৰী যুগৰ কবিসকলৰ হাততে অসমীয়া ভাষাই স্বকীয় বৈয়াকৰণিক বৈশিষ্ট্যৰে এক মাৰ্জিত ৰূপ লাভ কৰে। প্ৰাক্‌শংকৰী যুগৰ কবিসকলৰ কাব্যচৰ্চাক অনুকৰণ কৰিয়ে পৰৱৰ্তী বৈষ্ণৱ কবিসকলৰ হাতত অসমীয়া ভাষাই পূৰ্ণতা পায় আৰু অসমীয়া ভাষাৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকে।

৮। প্ৰাক্‌শংকৰী যুগৰ কবিসকলে ৰাজ অনুগ্ৰহ লাভ কৰি কাব্য ৰচনা কৰিছিল যদিও, তেওঁলোকে প্ৰাচীন সাহিত্যিক ভাষা সংস্কৃত পৰিহাৰ কৰিছিল। কাৰণ সংস্কৃত ভাষা বুজি পোৱা মানুহৰ সংখ্যা তেনেই নগণ্য আছিল। সেয়ে সকলো শ্ৰেণীৰ মানুহে যাতে কাব্যৰ ভাষা বুজিব পাৰে তালৈ লক্ষ্য ৰাখি অসমীয়া ভাষা ব্যৱহাৰ কৰিছিল।

এইদৰে প্ৰাক্‌শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য বিচাৰ কৰিলে উল্লিখিত বৈশিষ্ট্যসমূহ পৰিলক্ষিত হয়। এই বৈশিষ্ট্যসমূহে প্ৰকৃততে অসমীয়া ভাষাটোক স্বকীয়তা দান কৰিলে আৰু অসম ৰাজ্যৰ ভাষা অসমীয়া হিচাপে গঢ় লৈ উঠিল। এই যুগৰ কবিসকলে অনুবাদ বা ভাৱানুবাদেৰে সাহিত্য ৰচনাত ব্ৰতী হ'লেও ঠাই বিশেষে স্থানীয় ৰহণ দিবলৈ প্ৰয়াস কৰা দেখা যায়। বিশেষকৈ চৰাই-চিৰিকটি, ফল, ফুল, জীৱ-জন্তু, গছ-লতা আদি নামৰ ক্ষেত্ৰত মূলৰ সংস্কৃত শব্দ ব্যৱহাৰ নকৰি অসমীয়া শব্দ ব্যৱহাৰ কৰিছে। যিহেতু এই নামবোৰ আমাৰ চিনাকি নাম, গতিকে সাধাৰণ জনগণে সহজতে বুজি পাই কাব্যৰ সোৱাদ ল'ব পাৰিব বুলি হয়তো তেওঁলোকে ভাবিছিল —

হংস পাৰ কাক বক আৰো ফেঁচা পক্ষী।
কৈৰা, মৈৰা, কুকুৰা বটকে আছে লেখি।।
সাঙ্গকুপেতা ভেৰী কুৰুৰা দেৰম'ৰা।
পানীকাক ৰঘুগুৰা মাছৰোকা কনোৰা।।
(বভ্ৰুবাহপৰ্ব, পৃঃ ২৩)
দেখদেখ সীতা আম জাম পনিয়াল।
তাম্বুল কঁঠাল নাৰিকল নানফল।।
কমলা মোহৰি শ্ৰীফলৰ গন্ধ কহে।
নানা ফুল-ফলৰ সুৰভি বায়ু বহে।।
(ৰামায়ণ, অৰণ্যকাণ্ড, পৃঃ ১৪১)
জাই-যুতী বকুল বন্দুলি কৰ্ণিকাৰ
কাঞ্চন তগৰ কুন্দ শেৰালী মন্দাৰ।।
অশোক পলাশ ফুলি গৈল হিসা হিসি।
নাগেশ্বৰ চম্পক ফুলিল অহৰ্নিশি।।
(ৰামায়ণ, অৰণ্যকাণ্ড, পৃঃ ১৪১)
ক্ষুদ্ৰ মৃগ হুয়া মত্ত সিংহক জগাইছিলি।
মৰিবাক লাগিয়া গৰল বিষ খাইলি।।
(ৰামায়ণ, অৰণ্যকাণ্ড, পৃঃ ১৮৪)
হৰিণ চোৰাৰি পশু দেখিলা বিস্তৰ।
শূকৰ গৱয় শশা ভালুক কুঞ্জৰ।।
(ৰামায়ণ, অৰণ্যকাণ্ড, পৃঃ১৮৮)

তদুপৰি প্ৰাক্শংকৰী যুগৰ কবিসকলে তেওঁলোকৰ ৰচনাত ভাৱবোৰ সহজবোধ্য, সুস্পষ্ট আৰু শুৱলা কৰিবলৈ উপমা, ৰূপক আদি অলংকাৰ, পদ বা পয়াৰ, ঝুমুৰি আদি ছন্দ, জতুৱা ঠাঁচ, খণ্ডবাক্য, ফঁকৰ-যোজনা, পটন্তৰ আদি ব্যৱহাৰ কৰিছে। তলত কেইটামান উদাহৰণ দেখুওৱা হ'ল ঃ

উপমা অলংকাৰ—ৰাক্ষসৰ কোলে দেৱী পৰম নিৰ্মল।
মেঘক ফেৰিয়া যেন চন্দ্ৰৰ মণ্ডল।।
ৰাৱণৰ পাশে সীতা মাণিক জ্বলিল।
নিশাকালে শোভে যেন পৰ্বত অনল।।
(ৰামায়ণ, অৰণ্যকাণ্ড, পৃঃ ২২০)

পদ ছন্দ — পণ্ডিতে বোলয় শুনিয়োক সৰ্বজন।
যুধিষ্ঠিৰ মহাৰজা পাণ্ডুৰ নন্দন।।
অশ্বমেধ যজ্ঞহেতু মেলি দিলা হয়।
ঘোৰা লগে ৰক্ষা দিলা ভ্ৰাতৃ ধনঞ্জয়।।
(বভ্ৰুবাহন যুদ্ধ, পৃঃ ২৪)

ঝুমুৰী ছন্দ — সীতাক ৰাখিবি তই।
ৰাক্ষসক যুজো মই।।
এতিক্ষনে ঘোৰ শৰে।
মাৰি পেষো যমঘৰে।।
(ৰামায়ণ, অৰণ্য কাণ্ড, পৃঃ ১৯৪)

ফকৰা যোজনা —
হস্তী গুছি মাখি ভৈলো, গো খোজত তল গৈলো
কচুত ভাঙ্গিল যেন কাছি।।
(বভ্ৰুবাহন পৰ্ব, পৃঃ ৫৬)
হস্তীৰ পিচলে পাব সজ্জনৰো বুৰে নাও
অংক তুমি জানিবা সবাৰ।
(বভ্ৰুবাহন পৰ্ব, পৃঃ ৫৬)

বিভিন্ন ব্যাকৰণৰ প্ৰয়োগ যেনে সৰ্বনামৰ বিভিন্ন ৰূপ, ক্ৰিয়াৰ বিভিন্ন কাল, পুৰুষৰ বিভিন্ন ৰূপ - এই যুগৰ ৰচনাত দেখা যায়। লগতে সম্বন্ধবাচক বিশেষ্যৰ পিছত পুৰুষৰ বিভক্তি বা প্ৰত্যয় যোগ কৰা বৈশিষ্ট্য আৰু পৰৱৰ্তী 'আ' ৰ প্ৰভাৱত পূৰ্বৱৰ্তী 'আ' 'অ' লৈ ৰূপান্তৰিত হোৱা ভাষিক বৈশিষ্ট্যও এই যুগতে ব্যৱহৃত হয়।


গতিকে প্ৰাক্শংকৰী যুগৰ কবিসকলৰ হাতত যে অসমীয়া ভাষাই নিজস্ব বৈশিষ্ট্যৰে গঢ় লৈ উঠিছিল, সেই বিষয়ে কোনো সন্দেহ নাই। পৰৱৰ্তী কালত বৈষ্ণৱ কবিসকলে এওঁলোকৰ সাহিত্য অনুকৰণ কৰিয়ে অসমীয়া সাহিত্যৰ বুনিয়াদ সুদৃঢ় কৰে।●

**সহায়ক গ্ৰন্থৰ নাম**

১। দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পাঃ) ঃ হৰিবৰ বিপ্ৰৰ বভ্ৰুবাহন পৰ্ব্ব, দত্তবৰুৱা এণ্ড কো, নলবাৰী, ১৯৫৭ (প্ৰথম প্ৰকাশ)
২। দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পাঃ) ঃ অসমীয়া সপ্তকাণ্ড ৰামায়ণ, দত্তবৰুৱা পাবিলিচিংকো ঃ প্ৰাঃ লিঃ পাণবজাৰ, গুৱাহাটী, ২০১২ (ত্ৰয়োদশ সংস্কৰণ)
৩। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, ৰিহাবাৰী, ১৯৯৬ (সপ্তম গুৱাহাটী-৮ সংস্কৰণ)

# ছক্ৰেটিছ ঃ দৰ্শনৰ প্ৰথম ছহিদজনৰ প্ৰসংগত

**গোবিন্দ চন্দ্ৰ দাস**
অৱসৰী প্ৰধান শিক্ষক, কেওঁটকুছি, বৰপেটা
প্ৰাক্তন ছাত্ৰ, মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা



পৃথিৱীৰ বিভিন্ন প্ৰান্তত বিকশিত প্ৰাচীন সভ্যতাবোৰৰ ভিতৰত ভাৰতবৰ্ষৰ আৰ্য-সভ্যতা আৰু গ্ৰীচ দেশৰ গ্ৰীক সভ্যতাই প্ৰায় সমসাময়িকভাৱে উন্নতিৰ শীৰ্ষত আৰোহণ কৰে। ভাৰত আৰু গ্ৰীচ প্ৰাচ্য আৰু পাশ্চাত্যৰ এই দুই ভূমিত সভ্যতাৰ শীৰ্ষত আৰোহণ কৰে। ভাৰত আৰু গ্ৰীচ প্ৰাচ্য আৰু পাশ্চাত্যৰ এই দুই ভূমিত সভ্যতাৰ যি বীজ ৰোপিত হৈছিল তাৰ ফলে সমগ্ৰ পৃথিৱীত বিশেষকৈ এছিয়া, ইউৰোপ আৰু আংশিকভাৱে আফ্ৰিকা মহাদেশক প্ৰগতিত বিশেষভাৱে প্ৰভাৱান্বিত কৰে।

খৃঃপূঃ ষষ্ঠ শতিকাৰ শেষভাগৰ পৰা খৃঃপূঃ পঞ্চম শতিকাটো আছিল গ্ৰীকসকলৰ বৌদ্ধিক বিপ্লৱৰ যুগ; আন কথাত গ্ৰীক সভ্যতাৰ সোণালী যুগ। এই কালছোৱাত গ্ৰীচত কলা, বিজ্ঞান, গণিত, সাহিত্য, নাটক দৰ্শন, স্থাপত্য বিদ্যা, ৰাজনীতি বিশেষকৈ গণতন্ত্ৰ আদি বিভিন্ন চিন্তা-চৰ্চাৰ চূড়ান্ত বিকাশ ঘটে। আজি পৃথিৱীত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই যি বিস্ময়কৰ সাফল্য দেখুৱাইছে তাৰ ভেটিটো গ্ৰীক মনীষীসকলৰ চিন্তা আৰু প্ৰতিভা প্ৰয়োগৰ ফলতে নিৰ্মিত বুলি ক'লেও অত্যুক্তি কৰা নহয়। সভ্যতাৰ বিকাশত ভৌগোলিক অৱস্থানে বিশেষভাৱে প্ৰভাৱিত কৰা গ্ৰীচ দেশখন ইউৰোপ মহাদেশৰ দক্ষিণ-পূব প্ৰান্তত ভূমধ্য সাগৰৰ উত্তৰ উপকূলত অৱস্থিত। ১,৩১,৯৯০ বৰ্গ কিলোমিটাৰ

মাটিকালিৰ গ্ৰীচ দেশখনৰ অধিবাসীসকলেই হ'ল গ্ৰীক।

জ্ঞান আহৰণৰ ক্ষেত্ৰত মানুহে কালক্ৰম অনুযায়ী বিভিন্ন পৰ্যায়ত বিভিন্ন বিষয়ে চিন্তা-চৰ্চা কৰি আহিছে। আদিম অৱস্থাৰ পৰা বিৱৰ্তনৰ পথেদি আগবাঢ়ি আহোঁতে মানৱ সমাজে নানাধৰণে প্ৰাকৃতিক পৰিৱেশৰ দ্বাৰা সৃষ্ট প্ৰত্যাহ্বানৰ যথোচিত প্ৰত্যুত্তৰ দিয়াৰ প্ৰচেষ্টাকে মানৱ সভ্যতাৰ অভ্যুদয় আৰু ক্ৰমবিকাশ হৈছে। জাগতিক ঘটনাবোৰক দৈৱিক অথবা প্ৰাকৃতিক অথবা আন কোনো বিমূৰ্ত শক্তিৰ দ্বাৰা সংঘটিত বুলি বিচাৰ খোঁচাৰ কৰাৰ প্ৰচেষ্টাত পৰৱৰ্তী পৰ্যায়ত বিজ্ঞান চৰ্চাই প্ৰাধান্য পায়; জগত প্ৰপঞ্চবোৰ বৈজ্ঞানিক পদ্ধতিৰে বিশ্লেষণ কৰি কাৰ্য-কাৰণ সম্বন্ধ স্থাপন কৰা হয়। প্ৰাচীন গ্ৰীক দাৰ্শনিকসকলে প্ৰকৃতিৰ ৰহস্য অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ ৰহস্যৰ আঁত বিচাৰি ঘটনা প্ৰপঞ্চবোৰৰ পৰীক্ষা-পৰ্যবেক্ষণ-অনুমান সিদ্ধান্তৰ মাজেৰে কাৰ্য-কৰণ সম্বন্ধ স্থাপন কৰিবলৈ যোৱাত প্ৰকৃতি অধ্যয়ন পিছলৈ বিজ্ঞান চৰ্চালৈ উত্তৰণ ঘটে। খৃঃপূঃ সপ্তম শতিকাৰ গ্ৰীচত বিজ্ঞান চৰ্চা আৰম্ভ হয়। জগতৰ ঘটনাৰাজি বৈজ্ঞানিক দৃষ্টিৰে চোৱাৰ মানসিকতা গঢ়ি উঠে। এই শতিকাতে গ্ৰীচত গণতন্ত্ৰৰ চূড়ান্ত বিকাশ ঘটে আৰু ইয়াৰ সমান্তৰালভাৱে ৰাষ্ট্ৰ পৰিচালনাৰ ক্ষেত্ৰত নাগৰিকসকলৰ দায়িত্বও বাঢ়ে। গ্ৰীচত সমাজ-গঠন প্ৰণালী আছিল বিকেন্দ্ৰীক— একোখন নগৰক কেন্দ্ৰ কৰি একোখন স্বাধীন ৰাষ্ট্ৰ গঠন হৈছিল, এনে কেইবাখনো ৰাজ্যত গ্ৰীচ দেশখন বিভক্ত হৈছিল। নগৰ-ৰাষ্ট্ৰবোৰৰ ভিতৰত এথেন্স আছিল সামৰিক শক্তিকে ধৰি সাহিত্য, সংস্কৃতি, কলা আদিত শীৰ্ষস্থানত। তেওঁলোকে শিক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে মনোনিৱেশ কৰিছিল। জ্ঞান অন্বেষণ আছিল তেওঁলোকৰ জীৱনৰ ব্ৰত। গ্ৰীচৰ আন আন নগৰ-ৰাষ্ট্ৰৰ তুলনাত এথেন্সৰ ৰাজনীতিত বাগ্মীতা আৰু সবল যুক্তি দৰ্শাব পৰাটো আছিল অতিবাঞ্ছিত গুণ। ৰাজহুৱা জীৱনত নাগৰিকসকলে খ্যাতি আৰু সমৃদ্ধি লাভ কৰাটো শিক্ষাৰ লক্ষ্য হিচাপে বিবেচিত হৈছিল। ৰাষ্ট্ৰৰ শাসন ব্যৱস্থা গণতান্ত্ৰিক হোৱা হেতুকে আইনৰ যুঁজত জয়ী হ'বলৈ যুক্তি তৰ্ক আৰু বাক্‌পটুতাৰ প্ৰয়োজন উপলব্ধি কৰি যুক্তি আৰু বাগ্মীতাত অতি নিপুণ একশ্ৰেণীৰ পণ্ডিত লোক নাগৰিকসকলক ধন বা দক্ষিণাৰ বিনিময়ত বাগ্মীতাৰ শিক্ষা দিয়াৰ কাৰণে আগবাঢ়ি আহিল। সেই সময়ত গ্ৰীচত কোনো স্থায়ী বিদ্যালয় নথকাত ছফিষ্ট (Sophist) নামেৰে জনাজাত এই পণ্ডিতসকলে নাগৰিকসকলক কোনো ৰাজহুৱা স্থানত বা মানুহৰ ঘৰে ঘৰে গৈ শিক্ষা প্ৰদান কৰিছিল।

গ্ৰীক সভ্যতাৰ স্বৰ্ণযুগ চলি থকা সময়তে খৃঃপূঃ ৪৬৯ চনত এথেন্স নগৰত এটা গৰীব পৰিয়ালত ছক্ৰেটিছৰ জন্ম হয়। পিতৃ ছফ্ৰ'নিকাছ বৃত্তিত আছিল শিলকুটী আৰু মাতৃ ফিনাৰিট আছিল এজনী ধাত্ৰী। ঘৈণীয়েক জান্তিপ এগৰাকী অতি খঙাল আৰু দন্দুৰী তিৰোতা আছিল। ডাঙৰ চেপেটা নাক, দীঘল কাণ, ডাঠ ওঁঠ আৰু টেলেকা চকুযুৰিৰে তপামূৰা কিন্তু ডাড়িৰে আবৰা ঘূৰণীয়া মুখৰ চুটি-চাপৰ এই আপছু মানুহজন আছিল অতি পৰিষ্কাৰ-পৰিচ্ছন্ন, আনৰ প্ৰতি স্নেহপৰায়ণ আৰু প্ৰখৰ বুদ্ধিসম্পন্ন, ধৈৰ্য আৰু সাহসত অদ্বিতীয়। তেওঁৰ কষ্ট সহ্য কৰাৰ মনোবল আছিল অসাধাৰণ; ক্ষুধা-তৃষ্ণা, গৰম-ঠাণ্ডাৰ প্ৰতি আছিল উদাসীন। বাহ্যিক জাক-জমকতাৰ প্ৰতি উদাসীন এই মানুহজনে এটা হলৌচোলা পিন্ধি খালি ভৰিৰে এথেন্সৰ হাটে-বজাৰে অথবা জনসমাগম হোৱা ঠাইত ঘূৰি ফুৰিছিল। এথেন্সৰ নাগৰিক হিচাপে তেওঁ ৰাষ্ট্ৰ শাসনৰ লগত জড়িত থাকি কেইবাখনো যুদ্ধত এথেন্সৰ হৈ অৱতীৰ্ণ হৈছিল।

গ্ৰীকসকল আছিল আৰ্যগোষ্ঠীৰ লোক। পুৰণি কালত ভাৰতীয় আৰ্যসকলৰ দৰে গ্ৰীকসকলেও বহু দেৱ-দেৱীৰ ওপৰত বিশ্বাস কৰি পূজা-অৰ্চনা কৰিছিল। ধৰ্মীয় বিশ্বাসমতে তেওঁলোকে দেৱতাৰ দৈৱ-বাণীত বিশ্বাস কৰিছিল। সেই সময়ত দেৱতাৰ মন্দিৰবোৰৰ ভিতৰত ডেলফিত অৱস্থিত ধৰ্মৰাজ এপ'লো মন্দিৰৰ দৈৱবাণীক সকলোৱে প্ৰামাণ্য বুলি গ্ৰহণ কৰিছিল। নগৰ-ৰাষ্ট্ৰবোৰৰ উমৈহতীয়া আৰাধনাৰ স্থল এই মন্দিৰৰ দৈৱবাণী শুনিবলৈ বিভিন্ন ঠাইৰ পৰা মানুহ আহি গোট খাইছিল। ছক্ৰেটিছো এই মন্দিৰৰ দ্বাৰা প্ৰভাৱিত হৈ এদিন তেওঁৰ বন্ধু চেৰিফ'নৰ সৈতে আহি এই মন্দিৰত উপস্থিত হ'ল। মন্দিৰৰ পুৰোহিতজনীয়ে তেওঁলোকৰ আগমনৰ উদ্দেশ্য সোধাত ছক্ৰেটিছে ক'লে — "মোৰ নাম ছক্ৰেটিছ, মোৰ ঘৰ এথেন্সত, মই এটা কথাই জানো যে মই একো নাজানো।" বন্ধু চেৰিফ'নে পুৰোহিতক প্ৰশ্ন কৰিলে — "আটাইতকৈ জ্ঞানী মানুহ কোন?" উত্তৰত পুৰোহিতে ক'লে —

“আটাইতকৈ জ্ঞানী মানুহজন ছক্রেটিছ।”

“আটাইতকৈ জ্ঞানী মানুহজন ছক্রেটিছ।” ছক্রেটিছ দেৱতাৰ মন্দিৰৰ এই স্বৰ্গীয় বাণী সৰোগত কৰি ইয়াৰ তাৎপৰ্য অনুধাৱন কৰাৰ চেষ্টা কৰে আৰু তাকে কৰিবলৈ তেওঁ প্ৰথমে বিজ্ঞ বুলি পৰিচিত এজন ৰাজনীতিক, তাৰ পিছত এজন কবি আৰু অৱশেষত কাৰিকৰ এজনৰ লগত আলোচনা কৰে। এই আলোচনাত তেওঁলোকৰ পৰা কোনো সদুত্তৰ নোপোৱাত ছক্রেটিছ হতাশ হৈ পৰে, ইয়াৰ বিপৰীতে আলোচনাৰ সময়ত তেওঁলোকৰ ভুল-ভ্ৰান্তি নিৰ্দেশ কৰি সেইবোৰ সংশোধন কৰিহে দিব লগা হ'ল। তেওঁ মানুহৰ কল্যাণৰ কাৰণে আনৰ ভুল-ত্ৰুটী শুধৰাই নিদিয়াকৈ থাকিব নোৱাৰা হ'ল। তেওঁ জীৱনৰ প্ৰথমাৱস্থাত প্ৰকৃতি বিজ্ঞানৰ প্ৰতি মনোনিৱেশ কৰিছিল যদিও বয়স বঢ়াৰ লগে লগে মানুহৰ সমস্যাক লৈ আলোচনা আৰু গৱেষণা কৰে; তেওঁ এইটো অনুধাৱন কৰে যে জগতৰ সকলোবোৰ বিষয়ৰ ভিতৰত মানুহেই প্ৰধান বিষয় যাক লৈ চিন্তা-ভাৱনা কৰা দৰকাৰ। ইয়াকে কৰিবলৈ তেওঁ ৰাষ্ট্ৰৰ নাগৰিকসকলক চিন্তা বিমুখতাৰ প্ৰসুপ্তিৰ পৰা জগাই জীৱনৰ প্ৰকৃত অৰ্থৰ সন্ধান দিয়া আৰু জীৱৰ মংগলৰ প্ৰতি আগ্ৰহী কৰি তোলাটোকে তেওঁৰ জীৱনৰ লক্ষ্য কৰি ল'লে। তেওঁৰ মতে জীৱনৰ লক্ষ্য হোৱা উচিত ব্যক্তিগতভাৱে সৎ হোৱা। জ্ঞান আহৰণ কৰিব পাৰিলে মানুহ স্বাভাৱিকতে নিজৰ পৰাই সৎ গুণৰ অধিকাৰী হয়। সেয়ে তেওঁ গতানুগতিকতাৰ বিৰুদ্ধে জনগণৰ মনত কল্যাণকাৰী বিদ্ৰোহ জগাই তোলাটোকে জীৱনৰ জীৱনৰ ব্ৰত কৰি ল'লে। তেওঁৰ মতে জীৱনৰ লক্ষ্য হোৱা উচিত ব্যক্তিগতভাবে সৎ হোৱা। জ্ঞান আহৰণ কৰিব পাৰিলে মানুহ স্বাভাৱিকতে নিজৰ পৰাই সৎ গুণৰ অধিকাৰী হয়। সেয়ে তেওঁ গতানুগতিকাৰ বিৰুদ্ধে জনগণৰ মনত কল্যাণকাৰী বিদ্ৰোহ জগাই তোলাটোকে জীৱনৰ ব্ৰত কৰি ল'লে। দেৱতাৰ মন্দিৰৰ পুৰোহিতে তেওঁক কৰ্তব্য পথৰ সন্ধান দিলে। তেওঁ এথেন্সৰ হাট-বজাৰ বা অ'ত-ত'ত হোৱা জন সমাগম হোৱা ঠাইত বিভিন্নজনক লগ ধৰি বিভিন্ন প্ৰশ্ন সুধি তেওঁলোকক যুক্তি সহকাৰে চিন্তা কৰোৱাৰ প্ৰয়াস কৰিছিল যাতে উত্তৰসমূহ নিজে নিজৰ অন্তঃকৰণৰ পৰা উলিয়াব পাৰে। ধৰ্ম, দৰ্শন, ৰাজনীতি, সমাজনীতি, নৈতিকতা আদি সকলো বিষয়ৰ অলেখ প্ৰশ্নেৰে এথেন্সৰ মানুহৰ মনত চিন্তাৰ জোৱাৰ তুলিলে। ৰাষ্ট্ৰ কি, ৰাজনীতিক কোন? দেশপ্ৰেম কি? মানুহৰ ওপৰত শাসনকৰ্তা কোন? ন্যায় বিচাৰ কি? ধৰ্মৰ স্বৰূপ কি? পুণ্য কি? পুণ্য কৰ্মৰ স্বৰূপ কি? কোনো এটা কাম কোনো এজন দেৱতাৰ প্ৰিয়, সেই একেটা কাম আন এজন দেৱতাৰ অপ্ৰিয়; তেনেহ'লে পুণ্যৰ স্বৰূপেইবা কি? এনেবোৰ প্ৰশ্নৰ সমিধান দিবলৈ যাওঁতে প্ৰতিপক্ষই নিজেই নাজানিছিল তেওঁৰ বক্তব্য কি হোৱা উচিত? বেছিভাগ ক্ষেত্ৰত ওফাইডাং মাৰা পল্লৱগ্ৰাহী পণ্ডিতসকলে কামৰ অজুহাত দেখুৱাই পৃষ্ঠভংগ দিছিল। তেওঁৰ যুক্তিপূৰ্ণ প্ৰশ্নবাণেৰে অৱতাৰণা কৰা তৰ্কযুদ্ধই বহুতকে ক্ষত-বিক্ষত কৰিছিল আৰু পৰাজিত লোকসকলে এই অপমানৰ পোটক তুলিবলৈ সময়-সুবিধালৈ অপেক্ষা কৰি থাকিল। এইদৰে তেওঁৰ সাংঘাতিক বিপদজনক শত্ৰু শ্ৰেণী এটাৰ সৃষ্টি হ'ল।

এনে সময়তে এথেন্সে গ্ৰীচৰ আন এখন শক্তিশালী ৰাজ্য স্পাৰ্টাৰ লগত নিজৰ প্ৰাধান্য স্থাপনৰ কাৰণে যুদ্ধত অৱতীৰ্ণ হয়। ইতিহাসত পেল' পনেছিয়ান যুদ্ধ নামে জনাজাত এই যুদ্ধখন খৃঃপূঋ ৪৩১ চনৰ পৰা খৃঃপূঃ ৪০৪ চনলৈ সুদীৰ্ঘ ২৭ বছৰ জুৰি চলে য'ত জীৱন-মৰণ সংঘাতৰ অন্তত স্পাৰ্টা পৰাজিত হয়। ইয়াৰ ফলস্বৰূপে এথেন্সৰ সম্পদ, বাণিজ্য আদিত ব্যাপক ক্ষতি সাধন হয়। এথেন্সৰ এই পৰাজয়ক কিছুমান মানুহে গণতান্ত্ৰিক শাসন ব্যৱস্থাকে জগৰীয়া কৰিলে আৰু গণতান্ত্ৰিক বিধানসভাখন ভংগ কৰি ৩০ জনীয়া শাসকৰ দ্বাৰা গঠিত এখন স্বৈৰাচাৰী শাসন ব্যৱস্থাৰ চৰকাৰ গঠন কৰিলে। কিন্তু এবছৰ পূৰ্ণ নোহোৱাতে খৃঃপূ ৪০৩ চনত এটা গণবিদ্ৰোহত এই চৰকাৰখনৰ পতন ঘটে আৰু পুনৰ গণতন্ত্ৰ প্ৰতিষ্ঠা হয়। এইখন গণতান্ত্ৰিক চৰকাৰৰ আমোলতে স্পাৰ্টাৰ হাতত এথেন্সৰ পৰাজয়ত ক্ষুব্ধ হৈ পৰা এথেন্সৰ জনতাই অনুসন্ধান চলালে এই পৰাজয়, গ্লানিৰ মূল কাৰণ কি আৰু ইয়াৰ স্ৰষ্টা কোন? কাৰণ হিচাপে এথেন্সবাসীৰ ওপৰত দেৱতাৰ অভিশাপ আৰু স্পাৰ্টাৰ জয়ক দেৱৰাজ যিউচৰ প্ৰতি স্পাৰ্টাবাসীৰ পূৰ্ণ আনুগত্য বুলি প্ৰতীয়মান কৰিলে। তদুপৰি নতুন চৰকাৰৰ

শাসকসকলে এই মত ব্যক্ত কৰিলে যে এথেন্সত গণতন্ত্ৰৰ বিৰুদ্ধে হোৱা ষড়যন্ত্ৰৰ লগত জড়িত কোনোবা এজন দোষী শাস্তি পাবই লাগিব। কিন্তু ভাগ্যৰ কি দুৰ্বিপাক, এই সকলো সন্দেহৰ চিকাৰ হ'ল ছক্ৰেটিছ।

এই খন চৰকাৰৰ আমোলতে ছক্ৰেটিছক অধাৰ্মিকতাৰ আৰু এথেন্সৰ তৰুণসকলক নীতিভ্ৰষ্ট কৰাৰ দোষত অভিযুক্ত কৰা হয় যদিও অনুসন্ধানৰ আঁৰত প্ৰকৃত কাৰণটো আছিল ৰাজনৈতিক। খৃঃপূঃ ৩৯৯ চনত ছক্ৰেটিছৰ ৭০ বছৰ বয়সত এথেন্সৰ গণতান্ত্ৰিক চৰকাৰখনৰ তিনিজন সমৰ্থক তথা তথাকথিত সম্ভ্ৰান্ত নাগৰিক এনিটাছ, মেলিটাছ আৰু লাইকনে চৰকাৰৰ ওচৰত আনুষ্ঠানিকভাৱে এই বুলি অভিযোগ উত্থাপন কৰিলে যে (১) ছক্ৰেটিছ এজন নাস্তিক, (২) এথেন্সৰ দেৱ-দেৱীক ছক্ৰেটিছে স্বীকাৰ নকৰে, (৩) ছক্ৰেটিছে তেওঁৰ কল্পিত নতুন দেৱ-দেৱী সৃষ্টি কৰি সমাজৰ বিৰুদ্ধাচৰণ কৰিছে, (৪) ছক্ৰেটিছে তৰুণসকলৰ নৈতিকতা হানি কৰি তেওঁলোকক বিপথগামী কৰিছে। এই দোষত তেওঁলোকে ছক্ৰেটিছক দোষী কৰি তেওঁৰ মৃত্যুদণ্ড দাবী কৰিলে। স্বাভাৱিকতে প্ৰশ্ন উদয় হয় — এই অভিযোগকাৰীসকল কোন? তেওঁলোক কি এথেনীয় সমাজক প্ৰভাৱিত কৰা লোক? এথেন্সৰ জনসাধাৰণ কি ছক্ৰেটিছৰ বিৰুদ্ধে আছিল?

এই অভিযোগকাৰীকেইজন আছিল অতি ক্ৰুৰ প্ৰকৃতিৰ আৰু অসৎপ্ৰবৃত্তিৰ লোক। এনিটাছ হ'ল এজন ৰাজনৈতিক নেতা। তেওঁ নিজকে পৰিচয় দিছিল গণতন্ত্ৰৰ প্ৰবক্তা হিচাপে। মেলিটাছ আছিল এজন বিয়োগান্ত অখ্যাত তৰুণ কবি। তেওঁ কিছুমান মুখৰোচক কথা ৰচনা কৰি অ'ত-ত'ত গাই জীৱিকা চলাইছিল। তেওঁ আছিল ছিদ্ৰান্বেষী চপল স্বভাৱৰ এজন তৰুণ আৰু লাইকেন হ'ল কোনোবাৰ বিৰুদ্ধে কুৎসা ৰচনা কৰি গাই ফুৰা তৰল প্ৰকৃতিৰ লোক।

ৰাষ্ট্ৰপতি আৰ্চোনৰ সভাপতিত্বত ৫০০ জন বিচাৰকেৰে গঠিত এখন বিচৰালয়ত ছক্ৰেটিছৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰৰ সপক্ষে চৰকাৰী উকীলে যুক্তি প্ৰদৰ্শন কৰি তেওঁক দোষী সাব্যস্ত কৰিলে। শাস্তিৰ প্ৰশ্নত একমত হ'ব নোৱাৰাত আলোচনা, তৰ্ক-বিতৰ্কৰ শেষত বিচাৰকসকলে ভোটৰ মাধ্যমত চূড়ান্ত সিদ্ধান্ত ল'বলৈ স্থিৰ কৰিলে। ৫০০ জন ভোটাৰৰ ২৮০ জনে ছক্ৰেটিছৰ বিপক্ষে ভোট দি তেওঁক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ড বিহিলে। এইক্ষেত্ৰতো এটা প্ৰশ্ন উত্থাপন হয় ঃ এই তিনিজন সাধাৰণ ব্যক্তিৰ মনে সজা এক তুচ্ছ অভিযোগত ছক্ৰেটিছক মৃত্যুদণ্ডৰ ৰায় ঘোষণা কৰা হ'ল কিয়? প্ৰকৃততে এই চক্ৰান্তকাৰী লোক তিনিজনৰ পিছত আছিল শাসক গোষ্ঠী, ঈৰ্ষাপৰায়ণ একাংশ পণ্ডিত আৰু এডল গোড়া ৰক্ষণশীল সম্প্ৰদায়।

বিচাৰৰ সময়ত ছক্ৰেটিছে আদালতৰ সন্মুখত এক যুগান্তকাৰী ভাষণ দিয়ে। তেওঁ কাৰো পৰা দয়া বা কৰুণা ভিক্ষা নকৰি নিৰ্ভীকভাৱে নিজকে নিৰ্দোষী বুলি অভিযোগবোৰ খণ্ডন কৰি তেওঁৰ জীৱন, মৰণ আৰু কৰ্মৰ গতি প্ৰকৃতি উদ্‌ঘাটন কৰিলে। তেওঁ ক'লে যে — তেওঁ কোনো দেৱ-দেৱীক অস্বীকাৰ কৰা নাই বৰং তেওঁ ৰাষ্ট্ৰসন্মত দেৱ-দেৱীক যথেষ্ট শ্ৰদ্ধাহে কৰে। তেওঁ ক'লে যে— তেওঁ এথেন্সৰ নতুন প্ৰজন্মক যাক সু-শিক্ষাৰে শিক্ষিত কৰি তেওঁলোকৰ ৰাষ্ট্ৰৰ নাগৰিক হিচাপে গঢ়ি তোলাৰ চেষ্টা কৰিছে তাৰ বাবে তেওঁলৈ পুৰস্কাৰ স্বৰূপে বাৰ্ষিক বেতন দিয়াহে উচিত। তেওঁ ইয়াকো ক'লে যে — তেওঁ এই চৰম শাস্তিৰ পৰা নিস্তাৰ পালেও তেওঁ তেওঁৰ দৃঢ় স্থিতিৰ পৰা এক সূচাগ্ৰ পৰিমাণেও বিচ্যুত নহয় বৰং তেওঁ ইতিমধ্যে কৰি অহা কামকে আজীৱন একে ধাৰাতে কৰি যাব। তেওঁ আকৌ ক'লে যে — তেওঁ অপৰাধী নহয়, গতিকে তেওঁ শাস্তিৰ যোগ্যও নহয়, বৰঞ্চ তেওঁক সভাপতিৰ ওচৰত আসন দি সামাজিকভাৱে ৰাষ্ট্ৰ অতিথিৰ সন্মান প্ৰদৰ্শন কৰিবলৈ বিচাৰকসকলৰ প্ৰতি শ্লেষপূৰ্ণ বাক্যেৰে প্ৰস্তাৱ আগবঢ়ালে।

সেই সময়ৰ এথেন্সত প্ৰচলিত নিয়ম মতে ছক্ৰেটিছে যদি বিচাৰকসকলৰ সন্মুখত কান্দি-কাটি দুখ প্ৰকাশ কৰি নিজৰ মত সলনি কৰিলে শাস্তি ৰেহাই বা লাঘৱ হ'লহেঁতেন। তেওঁৰ শিষ্য আৰু গুণমুগ্ধ বন্ধুসকলেও তাকেই আশা কৰিছিলহেঁতেন, আনকি তেওঁৰ শত্ৰুসকলেও তেওঁক নিৰ্বাসন দি ক্ষান্ত হ'বলৈ ইচ্ছা কৰিছিল। এই কথাত ছক্ৰেটিছে বিৰক্ত হৈছিল আৰু তেওঁ বিশ্বাস কৰিছিল যে, নিজৰ দৃঢ়মত সলনি কৰি বা প্ৰাৰ্থনা কৰি মৃত্যুদণ্ডৰ পৰা মুক্তি পোৱা মানে দোষ স্বীকাৰ কৰা; যিজনে জীৱনত কোনো দোষ বা অন্যায় কৰাই নাই, তেওঁ কি দোষ

স্বীকাৰ কৰিব? ইয়াৰ বিপৰীতে ছক্ৰেটিছ আছিল নিৰ্ভীক, মৃত্যুদণ্ডজ্ঞাই তেওঁক কাবু কৰিব পৰা নাছিল। তেওঁৰ স্থিতধী আৰু আপোচহীন আত্মপক্ষ সমৰ্থনৰ বাবে ব্যক্ত কৰা তীব্ৰ শ্লেষপূৰ্ণ বাক্য শুনি অধিক সংখ্যক বিচাৰকে তেওঁৰ ওপৰত জাৰি কৰা মৃত্যুদণ্ডাদেশকে বাহাল ৰাখিলে অৰ্থাৎ শেষ পৰ্যায়ত জন বিচাৰত তেওঁৰ মৃত্যু অৱশ্যম্ভাবী হৈ পৰিল। হেম্‌লক নামৰ লতাৰ পৰা নিৰ্যাসিত কালান্তক বিহ পান কৰোৱাই সেই আদেশ কাৰ্যকৰী কৰিবলৈ আদেশ দিয়া হ'ল।

ছক্ৰেটিছক কাৰাগাৰলৈ নিয়া হ'ল আৰু তাত তেওঁ মৃত্যুলৈ অপেক্ষা কৰি ৩০ দিন থাকিব লগা হ'ল। এই সময়ছোৱাৰ ভিতৰত ছক্ৰেটিছক কাৰাগাৰৰ পৰা পলাবলৈ তেওঁৰ বন্ধু ক্ৰিটোৱে খাটনি ধৰিছিল, আনকি কাৰাগাৰৰ ৰখীয়াইও তেওঁ পলাই যোৱা আশা কৰি কাৰাগাৰৰ দুৱাৰ মুকলি কৰি ৰাখিছিল। কিন্তু সকলোৰে আশা আৰু চেষ্টা ফুটুকাৰ ফেনত পৰিণত হ'ল। কাপুৰুষোচিত পলায়নক তেওঁ দৃঢ়ভাৱে প্ৰত্যাখ্যান কৰি নিজৰ বিশ্বাস, আদৰ্শ আৰু ৰাষ্ট্ৰৰ আইনক আগস্থান দি ৰাষ্ট্ৰৰ ৰায়কে মূৰ পাতি ল'লে। তেওঁ ক'লে, 'সত্য প্ৰকাশ কৰা আৰু মৃত্যুবৰণ কৰাৰ দৰে সাহস থকা দৰকাৰ। সত্য মৃত্যুতকৈও অনেক গুণ ডাঙৰ।' অৱশেষত সেই নিৰ্দিষ্ট দিনটো আহিল, সিদিনা কাৰাধ্যক্ষজনৰ নিৰ্দেশ মতে ছক্ৰেটিছৰ কাৰণে সঠিক জোখৰ হেমলক ৰসৰ বিহ এবাটি আগবঢ়োৱা হ'ল। ছক্ৰেটিছে বিহৰ বাতিটো হাতত লৈ বিচাৰকসকলক সম্বোধি ক'লে — "এতিয়া বিদায়ৰ সময় হ'ল। মই গতি কৰিছোঁ মৃত্যুৰ ফালে আৰু আপোনালোকে গতি কৰিছে জীৱনৰ ফালে, কোনটো দিশ শ্ৰেষ্ঠ সেই বিচাৰ কৰিব একমাত্ৰ ঈশ্বৰেহে।" এইষাৰ কথাকৈ বিহৰ বাতিটো হাতত লৈ অলপো সংকোচ নকৰি প্ৰশান্ত চিত্তে বাতিটোৰ বিহখিনি পান কৰিলে। ছক্ৰেটিছে বিহ পান কৰাৰ সময়ত প্লেটো, ক্ৰিটো আৰু তেওঁৰ শুভাকাংক্ষী বন্ধুবৰ্গ তেওঁৰ ওচৰতে আছিল যদিও তেওঁৰ স্ত্ৰী আৰু পুত্ৰসকলক ইয়াৰ আগতেই ঘৰলৈ পঠিয়াই দিয়া হৈছিল। বিষক্ৰিয়াৰ ফলতে ছক্ৰেটিছৰ পেটৰ নিম্নাংশ নিশ্চল আৰু শীতল হৈ আহিব ধৰিলে। এনে সময়তে তেওঁক ঢাকি থোৱা কাপোৰখন তেওঁ গুচাই শেষ কথাখিনি ক'লে — "ক্ৰিটো, মই এস্‌কিউলেপাসৰৰ পৰা অনা কুকুৰাটোৰ বাবে তেওঁৰ ওচৰত ঋণী, তেওঁৰ প্ৰাপ্য ধনখিনি পৰিশোধ কৰিবলৈ তুমি অৱহেলা নকৰিবা।" ক্ৰিটোৱে তেওঁক ক'লে — "ঋণ পৰিশোধ হ'ব; আপোনাৰ আৰু কিবা ক'ব লগা আছেনে?" এই প্ৰশ্নৰ উত্তৰ তেওঁৰ পৰা শুনা নগ'ল। খৃঃপূঃ ৩৯৯ চনত ৭০ বছৰ বয়সত তেওঁ হাঁহিমুখে মৃত্যুবৰণ কৰি পৃথিৱীত দৰ্শনৰ প্ৰথম আৰু প্ৰসিদ্ধতম ছহিদ হ'ল, মৃত্যুৱে তেওঁক দান দি গ'ল অমৰত্ব।

জ্ঞান পিপাসু ছক্ৰেটিছৰ চিন্তা আৰু কৌতুহলৰ কেন্দ্ৰ আছিল মানুহ। মানুহৰ আত্মজ্ঞানকে প্ৰকৃত জ্ঞানৰ আধাৰ বুলি তেওঁৰ প্ৰতীয়মান হৈছিল। তেওঁ কৈছিল — "নিজকে জানা (know thy-self)। বাহ্যিক জগতৰ অনুসন্ধানৰ পৰিৱৰ্তে তেওঁ মানুহৰ অন্তঃকৰণৰ অনুসন্ধানত মনোনিৱেশ কৰিছিল, সেয়ে কোৱা হয় ছক্ৰেটিছে দৰ্শনক আকাশৰ পৰা মাটিৰ মানুহৰ মাজলৈ টানি আনিছিল। তেওঁ কৈছিল — "সৎ গুণেই জ্ঞান" (Virtue is knowledge)। সৎ গুণ হ'ল মানৱ জীৱনৰ ব্যৱহাৰিক দিশত উপযোগিতাৰ যথাৰ্থ জ্ঞান। সৎ গুণৰ অধিকাৰীহে এই জ্ঞান আহৰণ কৰিব পাৰে। তেওঁৰ মতে জ্ঞানবান ব্যক্তি কেতিয়াও কু-কৰ্ম কৰিব নোৱাৰে। তেওঁ যেন ভাৰতীয় দৰ্শনৰ বাণীহে প্ৰচাৰ কৰিছিল ঃ বুদ্ধদেৱৰ (খৃঃপূঃ ৫৬৭ - খৃঃপূঃ ৪৮৬) মৃত্যুৰ সময়ত তেওঁৰ অবিহনে দিশহাৰা হ'ব বুলি শংকিত হোৱা শিষ্যসকলক কৈছিল — "আত্মদীপো ভৱ।" অৰ্থাৎ নিজে নিজৰ পথ আলোকিত কৰা। বুদ্ধদেৱৰ আগতেও ভাৰতীয় দাৰ্শনিকসকলেও কৈছিল — "আত্মনাং বিদ্ধি" — নিজকে জানা।

সেই সময়ত এথেন্সৰ প্ৰচলিত ধৰ্মীয় ধাৰণাত ছক্ৰেটিছৰ আস্থা নাছিল যদিও তেওঁৰ নিজস্ব ইষ্টদেৱতা আছিল। আন কথাতে তেওঁ ঈশ্বৰত বিশ্বাস কৰিছিল, যি এই বিশ্বব্ৰহ্মাণ্ডৰ নিয়ন্তা। তেওঁৰ মৃত্যুদণ্ডও ঈশ্বৰৰ ইচ্ছা বুলিয়েই গ্ৰহণ কৰিছিল। তেওঁ নিজকে এক ঐশ্বৰিক বাণীৰ দ্বাৰা পৰিচালিত বুলি ধৰি লৈছিল; এই ঐশ্বৰিক বাণীৰ তেওঁ নাম দিছিল "Daemon"। এই বাণীয়ে তেওঁক সকলো কামৰ ফলাফলৰ পূৰ্ব সংকেত দিছিল বুলি বিশ্বাস কৰিছিল। ব্যৱহাৰিক অৰ্থত তেওঁ আছিল প্ৰকৃত ধাৰ্মিক — তেওঁ তেওঁৰ কৰ্তব্য কৰ্মক মানৱ জাতিৰ কল্যাণ আৰু সেৱাৰ লগত জড়িত

কৰিছিল। তেওঁৰ মতে মানৱ জাতিৰ সুখ-শান্তি বিধানেই সামাজিক আৰু ৰাজনৈতিক আচৰণৰ মূলমন্ত্ৰ হোৱা উচিত।

ছক্ৰেটিছৰ সময়ত গ্ৰীচৰ প্ৰত্যেক নগৰ-ৰাষ্ট্ৰৰ নিজস্ব নিয়ম-বিধিৰ প্ৰচলন আছিল আৰু সেইবোৰ নিৰ্ভৰ কৰিছিল দেৱতাসকলৰ কৰ্তৃত্ব, প্ৰচলিত লোকধৰ্মৰ নীতি আৰু ছফিষ্টসকলৰ মতাদৰ্শৰ ওপৰত। ধৰ্ম কিছুমান অৰ্থহীন লোকচাৰত পৰিণত হৈ মানুহৰ বিচাৰ-বুদ্ধি আৰু চিন্তা-স্বাধীনতাৰ পৰিপন্থী হৈ উঠিছিল। দেৱতাসকল ভ্ৰষ্টাচাৰী হ'লেও দেৱত্বত সন্দেহ কৰা অধৰ্ম আছিল। মানুহৰ ধাৰণা আছিল যে সম্পদেই সুখ আৰু সেয়ে ধন-সম্পদ আহৰণৰ চেষ্টাত ব্ৰতী হোৱা হেতু তেওঁলোকে অন্তৰৰ সম্পদ হেৰুৱাইছিল। সমাজত এক শ্ৰেণীৰ লোকৰ অনিষ্ট সাধন কৰি প্ৰভাৱশালী শ্ৰেণীটোৱে সম্পদ আহৰণ কৰিছিল। সম্পদ আহৰণৰ বাবে যিটো সহজ ব্যৱস্থাকে ধৰ্ম বুলিছিল। ধৰ্মৰ লগত নৈতিকতা, মানৱ সেৱা আদি জড়িত হোৱা নাছিল। সম্ভ্ৰান্ত নাগৰিকসকল এই ধৰ্ম ৰক্ষাৰ্থে তৎপৰ হৈ পৰিছিল আৰু ইয়াৰ বিৰোধিতা কৰা পাপ আৰু শাস্তিৰ যোগ্য বুলি বিবেচিত হৈছিল। ছক্ৰেটিছে প্ৰশ্ন কৰিছিল — প্ৰচলিত নিয়মবোৰৰ ভিত্তি কি? পুণ্যৰ লগত এই নিয়মবোৰৰ সম্পৰ্ক কি? তেওঁ প্ৰশ্ন উত্থাপন কৰিছিল, মানুহ কি? তেওঁ এই মত ব্যক্ত কৰিছিল যে মানুহ কেৱল এথেন্স বা স্পাৰ্টাৰেই নাগৰিক নহয়; তেওঁ এই মহাবিশ্বৰো নাগৰিক, মানৱ মনক তেওঁ আচাৰ-নীতিৰ উৰ্দ্ধত স্থান দিছিল। প্ৰকৃতিৰ দৰে সমাজো কেতবোৰ সাধাৰণ নিয়মেৰে শাসিত আৰু মানুহক একমাত্ৰ তেতিয়াহে মানুহ বুলি গণ্য কৰা হয় যেতিয়া তেওঁ পাৰিপাৰ্শ্বিক জগতৰ লগত তেওঁৰ সম্পৰ্কৰ সাৰ্বজনীয় নিয়মবোৰ অনুধাৱন কৰিবলৈ চেষ্টা কৰে।

মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰলৈ লক্ষ্য কৰিলে দেখা যায় যে পৃথিৱীত ডাঙৰ ডাঙৰ ধৰ্মৰ উদ্ভৱ হৈছিল কিছুমান মূলগত আৰু জৰুৰী সামাজিক সমস্যা সমাধানৰ উদ্দেশ্যে, য'ত প্ৰধানকৈ মানৱাত্মাৰ উন্নতি সাধন আৰু মানৱ সমাজৰ নৈতিক পৰিৱৰ্তন সাধন কৰাটো প্ৰধান লক্ষ্য আছিল। কনফুছিয়াছ, লাওৎছে, বুদ্ধদেৱ, মহাবীৰ, যীচুখ্ৰীষ্ট, হজৰত মহম্মদ — এই মহাপুৰুষসকলৰ প্ৰত্যেকেই নিজ নিজ যুগৰ সমাজ ব্যৱস্থা সম্পৰ্কে তীব্ৰ অসন্তোষ ব্যক্ত কৰিছিল, প্ৰচলিত সমাজ ব্যৱস্থাৰ কেৰোণসমূহ আঁতৰ কৰি একোখন মংগলময় আৰু কল্যাণকামী সমাজ গঢ়াৰ প্ৰচেষ্টা লৈছিল আৰু তাকে কৰিবলৈ যাওঁতে তেওঁলোকে অশেষ ত্যাগ আৰু নিকাৰ ভূঞ্জিব লগা হৈছিল। ছক্ৰেটিছৰ মৃত্যু আছিল সমসাময়িক বিশ্ব সম্বন্ধে এক নতুন দৃষ্টিভংগীৰ জন্ম মুহূৰ্তত বৰং জ্ঞানেই আছিল সেই দৃষ্টিভংগীৰ ভিত্তি। ৰাষ্ট্ৰ বা সমাজৰ প্ৰগতিৰ হকে প্ৰগতিৰ হকে যি নীতিবোধৰ প্ৰয়োজন হৈছিল সেই নীতিবোধ ছক্ৰেটিছৰ কণ্ঠতহে উচ্চাৰিত হৈছিল, তেওঁৰ শত্ৰু বা বিচাৰকৰ কণ্ঠত নহয়; অথচ ৰাষ্ট্ৰ বা সমাজৰ ৰক্ষকসকলে সমাজৰ স্থায়িত্বৰ স্বাৰ্থতে তেওঁক মৃত্যুদণ্ড বিহিলে এবাতি বিহ পান কৰোৱাই। শাসক শ্ৰেণীৰ প্ৰতিভূসকলে বুজিব পাৰিছিল যে বিচাৰ-বুদ্ধি আৰু সমালোচনাত্মক চিন্তন তেওঁলোকৰ বিৰুদ্ধে উদ্যত এপাত শক্তিশালী অস্ত্ৰ হৈ উঠিব। ছক্ৰেটিছ হত্যাকাৰী, দেশদ্ৰোহী অথবা কোনো পাপ কৰ্মত জড়িত হোৱা নাছিল আনকি ছফিষ্টসকলৰ দৰে ধন বা দক্ষিণাৰ বিনিময়ত তেওঁ মানুহক শিক্ষা প্ৰদান কৰা নাছিল যাৰ ফলত তেওঁ গোটেই জীৱন দৰিদ্ৰতাৰ মাজত কটাব লগা হৈছিল, আনকি তেওঁৰ অতি খঙাল আৰু দন্দুৰী ঘৈণীয়েক জান্তিপে দাৰিদ্ৰ জীৱন কটোৱাৰ খঙত কৰা তৰ্জন-গৰ্জন, গালি-শপনি নীৰৱে সহ্য কৰিছিল। তথাপিও তেওঁৰেই মৃত্যুদণ্ড হ'ল আৰু ডেলফিৰ মন্দিৰৰ বাণীয়ে আটাইতকৈ জ্ঞানী বুলি নিৰ্দিষ্ট কৰা মানুহজনে অৱশেষত মৃত্যুক গ্ৰহণ কৰিব লগা হ'ল এবাতি কালান্তক বিহপান কৰি। ৰাষ্ট্ৰৰ শাসন ব্যৱস্থাক ৰাষ্ট্ৰৰ ধৰ্মৰ লগত একাকাৰ কৰা শাসকসকলৰ লগত সংস্কাৰকৰ বিৰোধৰ ফলেই আছিল সেই কৰুণ মৃত্যু।

ছক্ৰেটিছ নামৰ এইজন গ্ৰীক তথা বিশ্ব মনীষীৰ কৰুণ মৃত্যুৰ অলপ দিনৰ ভিতৰতে তেওঁৰ জীৱনৰ আদৰ্শ, দৰ্শন, কৰ্মধাৰা গ্ৰীচ দেশবাসীৰ মনত বিপুলভাৱে প্ৰসাৰ লাভ কৰে আৰু তেওঁৰ শিষ্যসকলে এই চিন্তাধাৰা অনুসৰণ কৰি মানুহৰ চিন্তাৰ নতুন দিগন্ত প্ৰসাৰিত কৰে। তেওঁ এনে এক যুক্তি প্ৰণালী গঢ়ি তুলিছিল যিয়ে গ্ৰীক দৰ্শনত চিন্তাৰ মোৰ ঘূৰাই দিছিল। (Philosopher —এই

শব্দটো প্ৰথম ব্যৱহাৰ কৰে ছক্ৰেটিছে) অকল গ্ৰীক দৰ্শনেই নহয় তেওঁ যেন প্ৰাচ্য আৰু পাশ্চাত্যৰ দৰ্শন সেতু। প্ৰাচীন ভাৰতীয় দৰ্শনৰ অতি উচ্চ খাপৰ জ্ঞানৰ ভাণ্ডাৰ স্বৰূপ উপনিষদসমূহৰ ভিতৰত প্ৰাচীন আৰু সৰ্বোৎকৃষ্ট উপনিষদ ঈশোপনিষদৰ প্ৰথমটো শ্লোক, যিটোত মহামানৱ মহাত্মা গান্ধীয়ে হিন্দু ধৰ্মৰ সাৰমৰ্ম নিহিত বুলি কৈছে সেই শ্লোক ফাঁকিৰ শেষত অংশ "তেন ত্যক্তেন ভুঞ্জিথা মা গৃধঃ কস্যস্বিদ্ধনম্।" য'ত কোৱা হৈছে — ত্যাগৰ অনুশীলন কৰিবলৈ, পৰৰ ধনৰ প্ৰতি লোভ নকৰিবলৈ। ছক্ৰেটিছ নামৰ এইজন গ্ৰীক তথা বিশ্ব মনীষীৰ শিক্ষা, আদৰ্শ, দৰ্শন চিৰকাল পৃথিৱীৰ আকাশে-বতাহে অনুৰণন হৈ থাকিব। ●


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। মোৰ প্ৰিয় মানুহ ছক্ৰেটিছ ঃ হোমেন বৰগোহাঞি।
২। সোক্রাতেসের বিচাৰ ও মৃত্যু (প্লাতো ৰচিত) ঃ অনুবাদ - সুধাকান্ত দে, সম্পাদক - শিৰীন মাসুদ
৩। ছক্ৰেটিছ ঃ প্ৰাচীন গ্ৰীক মনীষীৰ এভুমুকি ঃ হীৰেন্দ্ৰ কুমাৰ পাঠক।
৪। সমাজতত্ব ঃ পৰিমল ভূষণ কৰ ( পশ্চিমবংগ ৰাজ্য পুস্তক পৰ্যদ)।
৫। ইতিহাসে বিজ্ঞান ঃ জে. ডি. বাৰ্ণাল
৬। পাশ্চাত্য দৰ্শনেৰ ইতিবৃত্ত ঃ ড° আব্দুলহাই তালুকদাৰ (আলেয়া বুক ডিপো, বাংলাদেশ, ঢাকা)

# মানুহৰ বংশগত ৰোগ, কাৰণ আৰু সম্ভাব্য প্ৰতিকাৰ


**সুৰষ চন্দ্ৰ চৌহান**
অৱসৰী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ

ক্ষুদ্ৰাতিক্ষুদ্ৰ জীৱ বেক্টেৰিয়াৰ পৰা আৰম্ভ কৰি বৃহদাকাৰ জীৱৰ দেহ কোষেৰে গঠিত। কোষৰ কোষকেন্দ্ৰত (বেক্টেৰিয়া, ভাইৰাছৰ বাহিৰে) জীৱৰ বংশগতি পদাৰ্থ ডি অক্সিৰাইব নিউক্লিক এচিড (DNA) থাকে। RNA ৰ ভাইৰাছত বংশগতি পদাৰ্থ ৰাইব নিউক্লিক এচিড (RNA) থাকে। DNA ত চাৰিধৰণৰ নাইট্ৰ'জেন জাতীয় ক্ষাৰক এডিনাইন, (Adenine) গুৱানিন (Guanine), থাইমিন (Thymine) আৰু চাইটচিন (cytosine) থাকে। কিছুমান উদ্ভিদ আৰু ঘাঁহত নাইট্ৰ'জেন ক্ষাৰকৰ সমৰূপী ক্ষাৰক থকাও দেখা যায়। এই ক্ষাৰকবোৰ ডিঅক্সিৰাইজবজ শৰ্কৰা আৰু ফচফেট অণুৰ লগত লগ লাগি বহু নিউক্লিঅক্সটাইড শৃংখল (Poly-nucleotide chain) গঠন কৰে। DNAত দুটাকৈ আৰু RNAত এটাকৈ বহু নিউক্লিঅ টাইড শৃংখল থাকে।




মানুহৰ প্ৰতিটো কোষত ৩.২ বিলিয়ন নিউক্লিঅ টাইড যোৰ (Nuecleotide pair) হিচাপে থাকে। এইবোৰে বিভিন্ন অনুক্ৰমত পৰস্পৰ লগ হৈ মানুহৰ ক্ষেত্ৰত ২০,০০০ জিন (জিন- যিয়ে আমাৰ চৰিত্ৰ বা লক্ষণ প্ৰকাশ কৰে) সৃষ্টি কৰে।

কোষ বিভাজনৰ সময়ত বহু নিউক্লিঅ'টাইড শৃংখলবোৰ কিছুমান নিৰ্দিষ্ট প্ৰটিনৰ লগত লগ লাগি ক্ৰম'জমৰ সৃষ্টি কৰে। প্ৰত্যেক প্ৰজাতিৰ জীৱদেহত এক নিৰ্দিষ্ট সংখ্যক ক্ৰম'জম থাকে। যেনে- মানুহ আৰু এবিধ হৰিণাত ২৩ যোৰ, চিম্পাঞ্জীত ২৪ যোৰ, হাতীত ৫৬




যোৰ, কুকুৰত ৩৯ যোৰ, মেকুৰীত ৩৮ যোৰ, তিমিমাছ জাতীয় প্ৰাণীত ২২ যোৰ ইত্যাদি। উল্লেখনীয় যে ক্ৰম'জমৰ গঠন, সংখ্যা আৰু ক্ৰম'জমত থকা জিনৰ স্থান আৰু অনুক্ৰমে বিভিন্ন জীৱ প্ৰজাতিৰ (উদ্ভিদ, প্ৰাণী, অণুজীৱ ইত্যাদি) সৃষ্টি কৰে।

প্ৰত্যেক জীৱনৰ ক্ৰম'জম হ'ল জিনীয় চৰিত্ৰৰ বাহক। মানুহৰ ক্ষেত্ৰত ২৩ যোৰ ( ৪৬ টা) ক্ৰমক্সজম থাকে। পিতৃৰ পৰা ২৩টা ক্ৰম'জম থকা শুক্ৰাণু আৰু মাতৃৰ পৰা ২৩টা ক্ৰম'জম থকা ডিম্বানুৰ মিলনৰ ফলত পুনৰ ৪৬ ডাল ক্ৰম'জমযুক্ত যোজন কোষৰ সৃষ্টি হয়। মাতৃ গৰ্ভত যোজন কোষটোৰ বিকাশ ঘটি সন্তানৰ জন্ম হয়। মানুহৰ ২৩ যোৰ ক্ৰম'জমৰ ২২ যোৰ হ'ল দেহ ক্ৰম'জম (Autosome) আৰু এযোৰ হ'ল লিংগ ক্ৰম'জম (Sex chromosome)। দেহ ক্ৰম'জমৰ জিনবোৰে দৈহিক চৰিত্ৰ নিৰ্ণয় কৰে। লিংগ ক্ৰম'জমৰ জিনবোৰ ব্যক্তিটোৰ লিংগ নিৰ্ণয় কৰাৰ উপৰিও গৌণ লিংগ চৰিত্ৰ নিৰ্ণয় কৰে। গৌণ লিঙ্গ চৰিত্ৰ পুৰুষৰ ক্ষেত্ৰত হ'ল- মাত গলগলীয়া, কান্ধ বহুল ওখ পাখ, বলী আৰু সাহসী হোৱা ইত্যাদি। মহিলাৰ ক্ষেত্ৰত গৌণ লিংগ চৰিত্ৰ হ'ল- মাত মিহি, তুলনামুকভাৱে চাপৰ, লাজকুৰীয়া স্বভাৱ ইত্যাদি।) পুৰুষত লিংগ ক্ৰম'জম হ'ল XY আৰু মহিলাৰ হ'ল XX।

**বংশগত ৰোগৰ কাৰণ**

ওপৰৰ আলোচনাৰ পৰা বুজা গ'ল যে পিতৃ-মাতৃৰ লক্ষণ বা চৰিত্ৰ ক্ৰম'জমত থকা জিনৰ যোগেদি সতি-সন্ততিলৈ বংশানুক্ৰমে গতি কৰে। মাতৃৰ লক্ষণ বা চৰিত্ৰ ক্ৰম'জমত থকা জিনৰ মানব জাতিৰ যিবোৰ বোগ ক্ৰম জমত থকা জিনব কাৰণে হয় সেইবোৰক বংশগত ৰোগ বোলে। মানুহৰ ক্ৰম'জমত থকা DNA ত জিন ৩.২ বিলিয়ন 'নিউক্লিঅ টাইড' যোৰ হিচাপে থাকে। কোষত DNA সংশ্লেষণৰ সময়ত বিভিন্ন কাৰণ বশতঃ ইয়াত থকা নাইট্ৰ'জেন ক্ষাৰক এডিনাইন (A), থাইমিন (T), গুৱানিন (G) আৰু চাইট'চিন (C)ৰ অনুক্ৰম স্থান, বা সংখ্যাৰ পৰিৱৰ্তন হয়। ইয়াকে উৎপৰিৱৰ্তন (Mutation) বোলে। বেছিভাগ উৎপৰিবৰ্তন ক্ষতিকাৰক। এইবোৰৰ বাবেহে বংশগত ৰোগ হয়। দেহকোষত হোৱা উৎপৰিবৰ্তন ক্ষণস্থায়ী। কাৰু উক্ত ব্যক্তিজনৰ মৃত্যুৰ লগে লগে ইহঁত অদৃশ্য হয়। কিন্তু জননকোষত হোৱা উৎপৰিৱৰ্তন স্থায়ী। কাৰণ জননকোষৰ যোগেদি ইহঁত এটা জনু (Generation)ৰ পৰা আনটো জনুলৈ বংশানুক্ৰম হয়।

মানৱ জাতিত প্ৰায় ৬,০০০ বংশগত ৰোগ আছে। ইয়াৰে ৬০০ বিধ ৰোগ চিকিৎসাৰ দ্বাৰা নিয়ন্ত্ৰণ কৰিব পাৰি। সাধাৰণতে প্ৰতি ৫০ জন ব্যক্তিৰ মাজত এজনৰ দেহত অন্ততঃ এটাকৈ বংশগত ৰোগ আৰু প্ৰতি ২৬৩ জন ব্যক্তিৰ এজনৰ দেহত ক্ৰম'জমীয় বিসংগতি (chromosomal disorder)ৰ কাৰণত বংশগত ৰোগ হোৱা দেখা যায়। জিনীয় উৎপৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা কেইটামান বংশগত ৰোগ উল্লেখ কৰা হ'ল-

১। **এলকেগুনুৰীয়া** (Alcaptonuria)

এনে ব্যক্তিৰ প্ৰস্ৰাৱত Homogentisic Acid থাকে। এওঁলোকৰ প্ৰস্ৰাৱ বায়ুত থকা অক্সিজেনৰ সংস্পৰ্শত ক'লা বৰণৰ হৈ পৰে। Homogentisic Oxidase এনজাইম অভাৱত এই ৰোগ হয়।

২। **ফিনাইলকিটক্স নুৰীয়া** (Phenylketonuria) এই ৰোগত আক্ৰান্ত ল'ৰা-ছোৱালীৰ স্নায়ুকোষত ফিনাইল পাইৰুভিক এচিড জমা হোৱা বাবে মানসিক বিকাশ বাধাগ্ৰস্ত হয়। দেহকোষত Phenylalanine dehydrogenase (এনজাইম) ৰ সংশ্লেষণ নোহোৱা বাবে এই ৰোগ হয়।

৩। **ধৱলতা** (Albinism)

এই ব্যক্তিসকলৰ দেহত dihydroxy phenylalanine এমিন' এচিডটো মেলানিন (Melanin) ক'লা ৰঞ্জক পদাৰ্থৰ কণিকা লৈ সংশ্লেষণ নহয়। গতিকে ছাল, চুলি, চকুৰ ৰেটিনাত ক'লা ৰঞ্জক পদাৰ্থ নাথাকে। চকুৰ ৰেটিনাত মেলানিন নথকা বাবে এওঁলোক ৰ'দত চকু মেলিবলৈ কষ্ট পায়। কিছুমান মানুহৰ ছালত 'মেলানিন' ৰঞ্জক পদাৰ্থটো pheomelanin, Eumelanin বা Neuromelanin লৈ ৰূপান্তৰ হয় বাবে ছালৰ বৰণ গুলপীয়া, ইটা বৰণীয়া বা বগা কাগজৰ বৰণৰ দৰে হয়।

৪। **কাঁচি কোষ ৰক্তহীনতা** (Sickle cell anaemia)

পৰিৱেশত অক্সিজেন (O) ৰ মাত্ৰা হ্ৰাস হ'লে এনে ব্যক্তিৰ লোহিত ৰক্ত কণিকা (Red blood corpuscle, RBC) ৰ আকৃতি কাঁচিৰ দৰে হয় আৰু পিছত RBC বোৰ ভাঙি যায়। সেইহেতুকে ৰোগীজন ৰক্তহীনতাত ভোগে। তেজৰ RBCত থকা হিম'গ্লবিনে (Haemoglobin, Hb) উশাহত গ্ৰহণ কৰা বায়ুৰ পৰা অক্সিজেন গ্ৰহণ কৰে। উৎপৰিৱৰ্তন (Mutation) ৰ ফলত Hb ৰ কেইবাটাও ৰূপ সৃষ্টি হৈছে। যেনে HbA, HbS ইত্যাদি। (Hb ত ১৪১টা এমিন এচিডযুক্ত ৫-২টা শৃংখল আৰু ১৪৬টা এমিন এচিডযুক্ত ২টা ৪-শৃংখলা থাকে। HbAত -শৃংখলৰ ৬ নং স্থানৰ গ্লুটামিক এচিড (Glutamic Acid)টো ভেলাইন (Valine) এমিন এচিডৰ দ্বাৰা অপসাৰিত হ'লে HbAটো HbSলৈ ৰূপান্তৰিত হয়। HbSয়ে পৰ্যাপ্ত পৰিমাণে বায়ুৰ পৰা অক্সিজেন গ্ৰহণ কৰিব নোৱাৰা বাবে RBC বোৰৰ আকৃতি কাঁচিৰ দৰে হৈ পৰে আৰু পিছত RBCবোৰ ভাঙি যায়। উল্লেখনীয় যে Hbৰ মুঠ ৫৭৪টা এমিন এচিডৰ মাত্ৰ দুটা এমিন এচিডৰ স্থানান্তৰণৰ হোৱা বাবে কাঁচি কোষ ৰক্তহীনতা হয়।

৫। **চিষ্টিক ফাইব্ৰছিছ** (Cystic fibrosis)


ই এটা ভয়ানক বংশগত ৰোগ। ইয়াৰ দ্বাৰা হাওঁফাওঁ আৰু পাকস্থলীৰ ক্ষতিসাধন হয়। বহিঃস্ৰাৱী গ্ৰন্থি (Exocrine gland) যেনে ঘৰ্মগ্ৰন্থি (Sweat gland), পাচক গ্ৰন্থি (Digestive gland) আদিৰ পৰা ক্ষৰণ হোৱা শ্লেষ্মা (Mucus) অতি ঘন আৰু এঠাৰ দৰে হৈ পৰে। এইবোৰে দেহৰ সৰু সৰু নলীবোৰ বন্ধ কৰাৰ বাবে এই ৰোগ হয়।

৬। **বৰ্ণান্ধতা** (Colour blindness)

লিংগ ক্ৰম'জম (XX বা XY)ত থকা অপ্ৰভাৱী জিনৰ দ্বাৰা এই ৰোগৰ বংশানুক্ৰম হয়। মহিলাসকলতকৈ পুৰুষৰ মাজত ইয়াক বেছিকৈ দেখা যায়। এই ৰোগত আক্ৰান্ত ব্যক্তিজন ৰঙা-সেউজীয়া (Red-Green) বা নীলা-হালধীয়া (Blue-Yellow) ৰঙৰ মাজত পাৰ্থক্য ধৰিব নোৱাৰে। কেতিয়াবা কোনোটো ৰঙৰ পাৰ্থক্য ধৰিব নোৱাৰে (Total colour blindness)। বৰ্ণান্ধতা X ক্ৰম'জমত থকা অপ্ৰভাৱী জিনৰ দ্বাৰা সঞ্চাৰিত হয়।

৭। **হিমক্সফিলিয়া** (Haemophilia)

এই ৰোগত আক্ৰান্ত ব্যক্তিজনৰ ক্ষত স্থানত তেজ গোট মাৰিব নোৱাৰে। ব্যক্তিজনৰ এটা সাধাৰণ কটা যোৱা আঘাতৰ পৰা অবিৰামভাৱে ৰক্তক্ষৰণ হোৱাৰ ফলত মৃত্যুমুখত পৰে। ৰাণী ভিক্টোৰিয়াৰ বংশত প্ৰথমে এই ৰোগ ধৰা পৰে বাবে ইয়াক ৰাজকীয় বেমাৰ (Royal disease) বোলে। X ক্ৰম'জমত থকা অপ্ৰভাৱী জিনৰ বাবে এই ৰোগ হয়। মহিলাসকল এই ৰোগৰ বাহক হিচাপে কাম কৰে পুত্ৰ সন্তানত এই ৰোগ বেছিকৈ প্ৰকাশ পায়। মহিলাৰ ক্ষেত্ৰত ই বিৰল, কাৰণ মহিলাত দুটা দ্ধ ক্ৰম'জম থাকে। ইয়াৰো এটা দ্ধ ক্ৰমক্সজম যদি প্ৰভাৱী জিন থাকে,




এই ৰোগত আক্ৰান্ত ব্যক্তিজনৰ হাত আৰু ভৰিৰ মাংসপেশীৰ অনৈচ্ছিক সংকোচন প্ৰসাৰণ হয়। (হাত ভৰি আদিৰ মাংসপেশীৰ কাৰ্য আমাৰ ইচ্ছাৰ অধীন, সেইবাবে এইবোৰ পেশীক ঐচ্ছিক পেশী বোলে) এই ৰোগত ভোগ ব্যক্তিয়ে কথা কোৱা, খোৱা-বোৱা, উশাহ-নিশাহত কষ্ট পায়।

ক্ৰম'জমৰ বিসংগতিৰ ফলত হোৱা বংশগত ৰোগ (Genetic disease due to chromosome disorder)-

ইতিমধ্যে উল্লেখ কৰা হৈছে যে মানুহত ২৩ যোৰ বা ৪৬ ডাল ক্ৰম'জম থাকে। যদি ক্ৰম'জমৰ সংখ্যা ৪৬তকৈ হ্ৰাস হয় বা বাঢ়ি যায়, নতুবা ক্ৰম'জম গঠনৰ পৰিৱৰ্তন হয় তেন্তে ক্ৰম'জমীয় বংশগত ৰোগ হয়। ইয়াৰে কেইটামান উল্লেখ কৰা হ'ল-

তেন্তে হিমফিলিয়া ৰোগ নহয়।

৮। **টে-চেক ৰোগ** (Tay Sachs disease)

ব্যক্তিজনৰ স্নায়ুকোষবোৰ ক্ৰমান্বয়ে ধ্বংস হৈ পাছত পক্ষাঘাত (Paralysis) আৰু শেষত ব্যক্তিজন মৃত্যুমুখত পৰে। দেহত Hexosaminiodase এনজাইমৰ অভাৱত এই ৰোগ হয়।

৯। **থালাচেমিয়া** (Thalessamia)

RBCত থকা হিম'গ্লবিন ৰঞ্জক কণিকা Hb পূৰ্ণমাত্ৰাত অক্সিজেন (O2) গ্ৰহণ কৰিব নোৱাৰে। দেহত RBC'ৰ সংখ্যা হ্ৰাস হয় বাবে ৰক্তহীনতাত ভুগে ।

১০। **মাংসপেশীৰ অৱক্ষয়** (Muscular dystrophy)

মাংসপেশীৰ গঠন আৰু কাৰ্য নিয়ন্ত্ৰণকাৰী জিনৰ উৎপৰিৱৰ্তনৰ বাবে এই ৰোগ হয়।

১১। **বহুমূত্ৰ ৰোগ** (Diabetes)-

কেইবাটাও জিনৰ উৎপৰিবৰ্তনৰ ফলত সন্তানৰ দেহত Type-১ আৰু Type-২ বহুমূত্ৰ ৰোগ হয়। যদি পিতৃ-মাতৃ উভয়ৰে বহুমূত্ৰ ৰোগ থাকে, তেন্তে সন্তানৰ দেহতএই ৰোগৰ সম্ভাৱনা হ'ল ৭০ শতাংশ।

১২। **হানঞ্জ টিংটনৰ কৰিয়া** (Huntington's chorea)

১। **ডাউনৰ চিনড্ৰম** (Down's syndrome)

লেংডন ডাউনে ১৮৬৬ চনত লক্ষ্য কৰিছিল যে কিছুমান মানুহৰ ২১ নং ক্ৰম'জম দুটাৰ পৰিৱৰ্তে তিনিটাকৈ থাকে (21 Trisomy)। ইয়াৰ ফলত আক্ৰান্ত ব্যক্তিজনৰ মূৰটো ঘূৰণীয়া, আংশিকভাবে মুখ খোলা, চাপৰ, ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস আদি লক্ষণ দেখা যায়।

২। **ক্লিনফেল্টাৰ চিনড্ৰম** (Klinefelter's syndrome)

বক্তিজনৰ এটা অতিৰিক্ত X ক্ৰম'জম (XXY) থাকে। ক্ৰম'জমৰ বাবে ব্যক্তিজন পুৰুষ হয় দুটা XX ক্ৰম'জমৰ বাবে স্ত্ৰীসুলভ চৰিত্ৰৰো প্ৰকাশ হয়। সেয়েহে ব্যক্তিজন বন্ধ্যা হয়।

৩। **টাৰ্ণাৰ চিনড্ৰম** (Turner's syndrome)

ব্যক্তিগৰাকীৰ মাত্ৰ এটা X ক্ৰম'জম (XO) থাকে। এই মহিলাসকল বন্ধ্যা হয়।

৪। **অতিপুৰুষ চিনড্ৰম** (Supermale syndrome)

ব্যক্তিজনৰ এটা অতিৰিক্ত Y ক্ৰম'জম (XYY) থাকে বাবে ব্যক্তিজন ওখ, বলী আৰু সাহসী হয়। মানসিক বিকাশ বাধাগ্ৰস্ত আৰু অপৰাধপ্ৰৱণ মনোবৃত্তিৰ হয়।




৫। **পাটাউৰ চিনড্ৰম** (Patau's syndrome)

ব্যক্তিজনৰ ১৩নং ক্ৰম'জম তিনিটা থাকে (13 Trisomy)। ব্যক্তিজনৰ ফটা ওঁঠ, মুখ গহ্বৰৰ ওপৰৰ ফালে ছিদ্ৰ থাকে। স্নায়ুতন্ত্ৰ আৰু হৃদযন্ত্ৰ বিকল হয়। ৩-৫ বছৰৰ ভিতৰত মৃত্যু মুখত পৰে।

৬। এডবাৰ্ড চিনড্ৰম (Edward syndrome)

ব্যক্তিজনৰ ১৮ নং ক্ৰম'জম তিনিটা (18 Trisomy) থাকে। বিভিন্ন শাৰীৰিক আৰু মানসিক ৰোগাক্ৰান্ত হয়। সাধাৰণতে এবছৰৰ ভিতৰত মৃত্যুমুখত পৰে।

ওপৰৰ আলোচনাৰ পৰা বুজা গ'ল যে পিতৃ-মাতৃৰ বংশৰ লগত জড়িত ব্যাধি সন্তানলৈ বংশানুক্ৰমে গতি কৰে। জিন বা ক্ৰম'জমত হোৱা উৎপৰিৱৰ্তন (Mutation)ৰ উপৰিও সমাজৰ কিছুমান প্ৰচলিত নিয়ম, ৰীতি-নীতিৰ বাবেও বংশগত ৰোগ বিয়পি পৰে। উদাহৰণ স্বৰূপে Cousin marriage বা consanguineous marriage অৰ্থাৎ ওচৰ সম্বন্ধীয় লোকৰ ল'ৰা-ছোৱালীৰ মাজত বিবাহৰ বাবেও ব্যাপক হাৰত বংশগত ৰোগ বিয়পে।

National Family Health Survey-5 (NHHS-5)ৰ এটি সমীক্ষা মতে 'consanguineous marriage' প্ৰথাৰ বাবে বহু সম্প্ৰদায়/জাতি লোপ হৈ গৈছে। এই ছেগতে cousin marriage ৰ এখন তালিকা দিয়া হ'ল-

দক্ষিণ ভাৰতৰ তামিলনাডুত ২৮%, কৰ্ণাটকত ২৭%, অন্ধ্ৰপ্ৰদেশত ২৬%, পণ্ডিচেৰীত ১৯%, তেলেংগানাত ১৮% 'কাজিন মেৰিজ' দেখা যায়। হিন্দু সমাজত একে গোত্ৰৰ মাজত বিয়া নিষিদ্ধৰ মূল কাৰণ হ'ল যাতে ওচৰ সম্বন্ধীয় লোকৰ মাজত বৈবাহিক সম্বন্ধ নঘটে। এই ছেগতে উল্লেখ কৰিব পাৰি যে পাচী সমাজ consanguineous marriage প্ৰথাৰ বাবেই নিঃশেষ হৈ গ'ল।

সম্ভাব্য প্ৰতিকাৰঃ

বংশগত ৰোগবোৰে মানৱ সমাজৰ বিস্তৰ ক্ষতি কৰিছে। যি সমাজত বেছিকৈ বংশগত ৰোগ থাকে তেনে সমাজৰ সামাজিক, অৰ্থনৈতিক আৰু বৌদ্ধিক দিশৰ বিকাশ নহয়। আমাৰ সমাজৰ বহু লোকৰ বংশগত ৰোগৰ জ্ঞান নথকা হেতু এনে ৰোগীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। ভুক্তভোগী পৰিয়ালৰ বাহিৰেও সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে ইয়াৰ কু-প্ৰভাৱ ভোগ কৰিব লগাত পৰে। বংশগত ৰোগ চিকিৎসা কৰিলেও সম্পূৰ্ণ নিৰ্মূল নহয়। তদুপৰি এই ৰোগ সমূহৰ চিকিৎসা অতি ব্যয় বহুল। আনহাতে মানুহৰ ক্ষেত্ৰত বংশগতি ৰোগৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলোৱাটো অতি জটিল, কিয়নো মানুহৰ প্ৰজনন প্ৰক্ৰিয়া অতি ধীৰ গতিত হয় আৰু ই সুনিয়ন্ত্ৰিত। আকৌ মানুহৰ জীৱনকাল দীঘলীয়া হোৱা বাবেও বংশগতি পৰীক্ষাৰ ফলাফল সহজে পোৱা নাযায়। সেইবাবে আধুনিক সময়ত বিভিন্ন বৈজ্ঞানিক পন্থাৰ দ্বাৰা ইয়াৰ নিয়ন্ত্ৰণত গুৰুত্ব দিব লাগে।

**বংশাৱলী পৰামৰ্শ ঃ**

বংশগত ৰোগবোৰ সমাজত অধিক মাত্ৰাত যাতে বিয়পি নাযায় তাৰ বাবে সজাগতাৰ প্ৰয়োজন। এই উদ্দেশ্যে বৰ্তমান সময়ত 'বংশাৱলী পৰামৰ্শ' (Genetic counselling) অনুষ্ঠান গঢ়ি উঠিছে। বংশাৱলী পৰামৰ্শদাতাসকলে দৰা-কইনাৰ বংশাৱলী অধ্যয়ন কৰে।

উভয় পক্ষৰ বংশগত দুৰাৰোগ্যৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰে। তেওঁলোকে উক্ত দৰা-কইনাৰ মাজত বৈবাহিক সম্বন্ধ হোৱা উচিত নে অনুচিত সেই সম্পৰ্কে মত দিয়ে। বিয়াৰ পাছত জন্ম হ'ব পৰা সন্তানে কেনেধৰণৰ দুৰাৰোগ্য বহন কৰিব পাৰে সেই সম্পৰ্কে ধাৰণা দিয়ে। যদি সন্তান বংশগত ৰোগাক্ৰান্ত হ'ব পাৰে, তেন্তে দম্পতীহালক সন্তান জন্ম দিয়াৰ পৰা বিৰত থকাৰ উপদেশ দিয়ে।

মাতৃ গৰ্ভত থকা সন্তানৰ 'Amniotic fluid' সংগ্ৰহ কৰি 'Aminocentasis' পৰীক্ষাৰ দ্বাৰা বংশগত দূৰাৰোগ্য ধৰা পৰিলে গৰ্ভপাতৰ পৰামৰ্শ দিয়ে।

**ইউজেনিকচ** (Eugenics)

ফ্ৰান্সিচ গেলটন (বিখ্যাত বৈজ্ঞানিক চাৰ্লছ ডাৰউইনৰ ভতিজা)-এ পোনপ্ৰথমে ইউজেনিকচ প্ৰথাৰ প্ৰচলন কৰে। এই পন্থা অনুসৰি-

১। উপযুক্ত আশাপ্ৰদ লক্ষণ থকা দৰা-কইনাৰ মাজত বৈবাহিক সম্বন্ধ হ'ব লাগে। অসন্তোষজনক লক্ষণ থকা দৰা-কইনাক বিবাহৰ বাবে নিৰুৎসাহ কৰিব লাগে।

২। বহু সময়ত উচ্চশিক্ষিত আৰু উচ্চপদবীত থকা লোকৰ বহুতো আকাংক্ষা থাকে। সেইবোৰ পূৰণ কৰোতে তেওঁলোকৰ যৌৱনৰ গুৰুত্বপূৰ্ণ সময় অতিবাহিত হৈ যায় আৰু ৩৫-৪০ বছৰ বয়সত বৈবাহিক জীৱন আৰম্ভ কৰে। শৰীৰতত্ত্ব বিজ্ঞানৰ মতে এনে বয়সত জননকোষৰ জীৱনী শক্তি (Germ vitality) হ্ৰাস পায়। ফলত সন্তানত উপযুক্ত লক্ষণ প্ৰকাশ পোৱাৰ বিপৰীতে বেমাৰৰ লক্ষণ বহন কৰা জিনবোৰ সন্তানৰ দেহত আত্মপ্ৰকাশ কৰাৰ সম্ভাৱনা বাঢ়ি যায়। সেইবাবে ভৰ যৌবনত বিয়া-বাৰুৰ উপযুক্ত সময় বুলি মত পোষণ কৰে। বঙালী ভাষাত এটা প্ৰচলিত বাক্য আছে- "সন্ধ্যা গেলে বাতি, বয়স গেলে শাদী কাজে আসেনা।"

৩। সমাজৰ প্ৰত্যেক লোকৰ উপযুক্ত শিক্ষা, বাসস্থান, আহাৰ, চিকিৎসা আদিৰ সুবিধা থাকিব লাগে, যাতে বংশগত চৰিত্ৰৰ সুবিকাশ হয়।

৪। মানুহৰ বংশগত ৰোগ কোনবোৰ, ইহঁতৰ কেনেদৰে বংশানুক্ৰম হয়, ইহঁতৰ ভয়াৱহতাৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা আনিব লাগে।

মানুহ সমাজপ্ৰিয় প্ৰাণী। প্ৰতিখন সমাজত কিছুমান ধৰা বন্ধা ৰীতি-নীতি থাকে। সেয়েহে জীৱ-জন্তুৰ বিকাশ, উদ্ভিদৰ বিকাশৰ বাবে বিজ্ঞানাগাৰত যেনে ধৰণে পৰীক্ষা-নিৰীক্ষা কৰা হয় সেই সূত্ৰবোৰ মানুহৰ ক্ষেত্ৰত পোনে পোনে প্ৰয়োগ কৰিব নোৱাৰি। সেয়েহে সমাজৰ প্ৰতিগৰাকী লোকে বংশগত ৰোগ যাতে বিয়পি নপৰে তাৰ বাবে সজাগ হোৱাটো বাঞ্ছনীয়।●

# সমসাময়িক ভাৰতীয় নাট্যধাৰাৰ গতি আৰু উত্থান

**কৃতিস্মীতা এইচ্ দাস**
চতুৰ্থ ষাণ্মাসিক

নাটক এখন পৰিৱেশন কৰিবৰ বাবে এখন মঞ্চৰ প্ৰয়োজন। আয়তাকাৰ, বৰ্গাকাৰ অথবা বৃত্তাকাৰ, যি আকাৰ হ'লেও মঞ্চ এখনৰ অবিহনে নাটক পৰিৱেশন কৰা নহয় বুলি কোৱা ধাৰণাটো এতিয়া পুৰণি হ'ল। এতিয়া নাটক পৰিৱেশনৰ বাবে প্ৰচেনিয়াম মঞ্চখনেই একমাত্ৰ ক্ষেত্ৰ হৈ থকা নাই। যদিও প্ৰচেনিয়াম নাট্য প্ৰয়োজনসমূহত মঞ্চখনকেই নাট পৰিৱেশনৰ একমাত্ৰ আৰু প্ৰধান নাট্যক্ষেত্ৰ হিচাপে গণ্য কৰা হয়। সাম্প্ৰতিক নাট্য প্ৰয়োজন সমূহত গতানুগতিকভাৱে মঞ্চখনকে নাট পৰিৱেশন থলী হিচাপে ব্যৱহাৰ নকৰি কৌশলগতভাৱে আৰু কলাত্মক উপস্থাপন শৈলীৰ প্ৰয়োগেৰে একোখন সুন্দৰ নাট মঞ্চস্থ হোৱা দেখিবলৈ পোৱা যায়।

সমগ্ৰ বিশ্বতে এতিয়া নাটকৰ পৰিভাষা সলনি হৈছে। তাৰ প্ৰতিফলন সাম্প্ৰতিক ভাৰতীয় নব্যধাৰাৰ প্ৰয়োজনসমূহত দেখিবলৈ পোৱা যায়। নতুন চিন্তা-চৰ্চা আৰু বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ ফলশ্ৰুতিত নাটকে এতিয়া দৰ্শকক কাষ চপাই আনিবলৈ সক্ষম হৈছে। আজিৰ নাটকত কাহিনী কোৱাৰ ধৰণ আৰু উপস্থাপন শৈলীত নতুনত্বৰ সংযোজন ঘটিছে। য'ত নাটকে দৰ্শকক মোহাচ্ছন্ন কৰি ৰাখে আৰু সমাজলৈ দিয়া বাৰ্তাই দৰ্শকৰ মন-মগজুত মততে ক্ৰিয়া কৰে। সেয়েহে নাটকত দৰ্শকে নিজকে বিচাৰি পায়। সাম্প্ৰতিক ভাৰতত যিবোৰ নতুন প্ৰয়োজনা হৈছে তাৰ বেছি সংখ্যক নতুন নাট্যকাৰ আৰু পৰিচালক। নতুন কিবা এটা কৰাৰ তাড়না অহৰহ তেওঁলোকৰ চিন্তাত উকমুকাই থাকে। এনে অনেক কিছু নতুন চিন্তাৰ কলাত্মক প্ৰয়োগে সমসাময়িক ভাৰতীয় নাট্য প্ৰয়োজনসমূহক অনন্য মাত্ৰা প্ৰদান কৰিছে। এতিয়া নাটকৰ কাহিনী সলনি হোৱাৰ লগতে কাহিনী কোৱাৰ ধৰণো সলনি হ'ল। এতিয়া দৰ্শকে বক্তব্যধৰ্মী নাটক উপভোগ কৰিব নিবিচাৰে। প্ৰপোগণ্ডাধৰ্মী নাটক বহুত হ'ল এতিয়া অন্য কিবা নতুন সোৱাদেৰে নাটকৰ বক্তব্য দৰ্শকৰ সন্মুখত ৰখাৰ সময়।

অলপতে ফ্ৰনৎজ কাফকাৰ 'দ্যা ট্ৰায়েল' নামৰ উপন্যাসখনক নাট্যৰূপ দি 'ইনচেন্স' নামেৰে আনমোল ভেলানি নামৰ নাট্যকাৰ তথা পৰিচালকজনে বাংগালুৰুৰ মেক্সমুলাৰ ভৱনত এক ব্যতিক্ৰমী প্ৰয়োজনাৰে নাট্যৰসিকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। টাটু ফাণ্ড এণ্ড আৰ্টচ নামৰ নাট্য দলটোৱে পৰিৱেশন কৰা 'ইনচেন্স' নাটকখনত ব্লেক কমেডিৰ জৰিয়তে এক গভীৰ বিষয়বস্তু এটা উপস্থাপন কৰে। এবৈশ শতিকাৰ ন্যায় ব্যৱস্থাৰ এখন জীৱন্ত ছবি দাঙি ধৰিছে নাটকৰ জৰিয়তে, ভাৰতীয় ন্যায় ব্যৱস্থাৰ প্ৰতি সাধাৰণ মানুহৰ আস্থা আৰু অনাস্থাৰ দোদুল্যমান ছবি এখন অতি দৃঢ় আৰু সাহসিকতাৰে দৰ্শকৰ সন্মুখত দাঙি ধৰাত সফল হয়। এনেধৰণৰ নাটকে আজিৰ সমসাময়িক ভাৰতীয় নাট্যধাৰাৰ নতুন চিন্তা-চৰ্চাক অন্য

এক মাত্ৰা প্ৰদান কৰে। এইধৰণৰ পৰীক্ষামূলক নাট্য প্ৰয়োজনৰ দ্বাৰা দৰ্শকৰ মনোজগতত এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলায়। এয়া সাম্প্ৰতিক নাট্যধাৰাৰ এক সফলতাৰ মাত্ৰা।

সাম্প্ৰতিক নতুন প্ৰয়োজনাসমূহৰ ভিতৰত এনেবোৰ বহুতো উল্লেখযোগ্য নাটক দেখিবলৈ পোৱা যায়। সেইবোৰ হ'ল— নাট্যকাৰ এম ছাইচ আলমৰ আজিৰ সময়ৰ এখন সফল নাটক 'গালিব ইন দিল্লী' প্ৰখ্যাত অভিনেতা, নাট্যকাৰ, পৰিচালক, গায়ক, গীতিকাৰ পিয়ুষ মিশ্ৰৰ 'গগন দামামা বাজিল' ইত্যাদি।

সাম্প্ৰতিক সময়ত ভাৰতীয় নাট্য প্ৰয়োজনা সমূহত যিমান পৰীক্ষা-নিৰীক্ষা, ইম্প্ৰভাইজেশ্বন আৰু নতুনত্বৰ সংযোজন কৰা হৈছে, সিমানে আমাৰ নাট্যধাৰাৰ প্ৰবাহমান দিশটো অধিক সফলতাৰ দিশে আগবাঢ়িছে। তেনেদৰে মণিপুৰ, ত্ৰিপুৰা অসমত নতুন ধাৰাৰ নতুন চিন্তাৰ নাট কৰাৰ প্ৰৱণতা অতি ক্ষীপ্ৰতাৰে আৰু সফলতাৰে গা কৰি উঠিছে।

দাক্ষিণাত্যতো নাটকক লৈ যথেষ্ট পৰীক্ষা-নিৰীক্ষা হৈছে। বিশেষকৈ পাৰম্পৰিক আৰু লোক কলাৰ আধাৰত কৰা নাট্য প্ৰয়োজনাসমূহত আধুনিক চিন্তা আৰু মননশীল উপস্থাপন ৰীতি অতি মন কৰিবলগীয়া। বিশেষকৈ শ্বেক্সপীয়েৰৰ বহুকেইখন নাটক কথাকলি নৃত্যৰ শৈলীত নিখুঁত আৰু সুন্দৰভাৱে মঞ্চস্থ কৰি দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে।

একবিংশ শতিকাৰ সমসাময়িক ভাৰতীয় নাট্যধাৰা এতিয়া কেৱল মঞ্চতে সীমাবদ্ধ হৈ থকা নাই। এতিয়া ই সামাজিক মাধ্যমযোগে ইউটিউব, ফেইচ্‌বুক পেজ আৰু বিভিন্ন ডিজিটেল প্লেটফৰ্মযোগে ব্যহুলভাৱে দৰ্শকক সাঙুৰি লৈছে।

সমসাময়িক নাট্যধাৰাৰ উত্থান নিৰ্ভৰ কৰে দৰ্শকৰ স্বতঃস্ফূৰ্ত সঁহাৰি, সুস্থ অৰ্থনৈতিক বাতাবৰণ, ৰাজনৈতিক সুস্থিৰতা আৰু সামাজিক সচেতনতাৰ ওপৰত। এই ক্ষেত্ৰত নাট্য দলসমূহৰো কৰণীয় বহুত আছে। দৰ্শকক আকৰ্ষণ কৰিব পৰা সুন্দৰ কাহিনী নিৰ্বাচন, পৰিচালনাত নতুনত্ব আৰু কাৰিকৰী দিশত যদি গুৰুত্ব প্ৰদান কৰা হয়, দৰ্শকে নিশ্চয় নাটক উপভোগ কৰিবলৈ আহিব।

নাটকত যিহেতু মানুহৰ দৈনন্দিন জীৱনৰ একোখন সঁচা ছবি প্ৰতিফলিত হয়, তাক অতি নিখুঁত আৰু কলাত্মকভাৱে উপস্থাপন কৰাটো অতি প্ৰয়োজনীয়। তেতিয়াহে নাটক সমসাময়িক নাট্যধাৰাৰ পৰিধি ভাঙি নতুনত্বৰ দিশে ধাৱমান হ'ব। নাটকৰ অন্তহীন এই পৰিক্ৰমা অনন্তকাল ন-ন ৰূপত চিৰপ্ৰৱাহমান হৈ থাকিল।●



# বৰ্তমান শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্যৰ প্ৰভাৱ

**ভায়োলিনা ভড়ালী**
চতুৰ্থ যাণ্মাসিক

**আৰম্ভণি ঃ**

আধুনিক শিক্ষা ব্যৱস্থা প্ৰতিযোগিতামূলক আৰু ফলাফলকেন্দ্ৰিক হোৱাৰ দিশে আগবাঢ়িছে আৰু ইয়াৰ প্ৰভাৱ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক স্বাস্থ্যত গভীৰভাৱে পৰিছে। অত্যধিক পঢ়া-শুনা, পৰীক্ষাৰ চাপেৰে ছাত্ৰ-ছাত্ৰীসকল মানসিক ক্লান্তি, উদ্বেগ আৰু আত্মবিশ্বাস হ্ৰাসৰ দৰে সমস্যাৰ সন্মুখীন হয়। অধিকাংশ ক্ষেত্ৰত বিদ্যালয় আৰু মহাবিদ্যালয়ত মানসিক স্বাস্থ্য সম্পৰ্কীয় সচেতনতাৰ অভাৱ থাকিলে এই সমস্যাবোৰে জটিলতাৰ ৰূপ লয়। অধিক নম্বৰ অৰ্পন কৰাৰ প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীক যান্ত্ৰিক কৰি তোলে আৰু ব্যক্তিত্ব বিকাশত বাধাৰ সৃষ্টি কৰে। অভিভাৱক আৰু শিক্ষকেও তেওঁলোকৰ ওপৰত মানসিক চাপ বৃদ্ধি কৰে। তাৰ উপৰি সামাজিক মাধ্যমৰ প্ৰভাৱ আৰু বন্ধুবৰ্গৰ সৈতে নিজৰ তুলনাও মানসিক অস্থিৰতাৰ কাৰণ হয়। এই পৰিস্থিতিৰ পৰা ৰক্ষা পোৱাৰ বাবে বিদ্যালয়ত মানসিক পৰামৰ্শদাতাৰ ব্যৱস্থা, ধ্যান-যোগ আৰু মানসিক সুস্থৰতাৰ বিষয়ক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা উচিত। ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্যৰ উন্নতিৰ দ্বাৰা কেৱল ভাল ফলাফল নহয়, সামাজিক আৰু মানসিক মূল্যবোধেৰে সমৃদ্ধ এক সুস্থ সমাজৰ নিৰ্মাণ সম্ভৱ।

**চাপ আৰু উদ্বেগ**

আজিকালি শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চাপ আৰু উদ্বেগ এক সমস্যাত পৰিণত হৈছে। প্ৰতি শিক্ষা যান্মাষিকত বিভিন্ন পৰীক্ষা, হোমৱৰ্ক, প্ৰজেক্ট আৰু সহঃ পাঠ্যক্ৰমিক কৰ্মত অংশ ল'ব লাগে। তেওঁলোকে অধিক সময় আৰু মানসিক শক্তি ব্যয় কৰে। এই সকলোবোৰ দায়িত্ব পালন কৰোঁতে বহু ছাত্ৰ-ছাত্ৰী মানসিক চাপত ভোগে। ইয়াৰ উপৰি পিতৃ-মাতৃ আৰু শিক্ষকসকলৰ পৰা অহা অধিক নম্বৰ লাভ কৰাৰ চাপে ছাত্ৰ-ছাত্ৰীৰ ওপৰত কু প্ৰভাৱ পেলায়। এই চাপৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলে উদ্বেগ অনুভৱ কৰে, যাৰ লক্ষণ হ'ল নিশা ভালদৰে টোপনি নহা, খোৱাৰ অভাৱ, আত্মবিশ্বাস হেৰুৱা সমস্যা হয়। কেতিয়াবা এই উদ্বেগ ডিপ্ৰেছনত পৰিণত হ'ব পাৰে। বহু ছাত্ৰ-ছাত্ৰীয়ে এইধৰণৰ মানসিক অৱস্থাৰ বিষয়ে মুখ খুলিব নোখোজে, ফলত সমস্যাটো অধিক গভীৰ হৈ পৰে। এই সমস্যা সমাধানৰ বাবে বিদ্যালয়সমূহত মানসিক স্বাস্থ্য বিষয়ত আলোচনা ছাত্ৰ-ছাত্ৰীৰ বাবে পৰামৰ্শদাতা নিযুক্তি সহানুভূতিশীল পাঠদান পৰিৱেশ গঢ়ি তোলা অতি প্ৰয়োজন।

**সামাজিক মাধ্যম আৰু তুলনা**

সামাজিক মাধ্যমত আজি জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতেই এক বিশেষ ভূমিকা আছে। এই মাধ্যমত মানুহে নিজৰ সুখৰ মুহূৰ্ত, সফলতা আৰু জীৱনৰ আনন্দময় ছবি সহজে ভাগ বিতৰণ কৰে। এনে দৃশ্যই অন্য ব্যক্তিসকলক নিজৰ জীৱনকে টানি লৈ যায়। সামাজিক মাধ্যমত থকা ব্যক্তিয়ে বিশেষকৈ নিজৰ সফলতাৰ দিশ দেখুৱায়, যাৰ

ফলত আন কিছুমান মানুহে নিজৰ জীৱনৰ অসম্পূৰ্ণতা আৰু সীমাৱদ্ধতা তুলনা কৰিবলৈ ইচ্ছুক হৈ পৰে। এই তুলনাৰ প্ৰৱণতাই আত্মবিশ্বাস হ্ৰাস কৰে আৰু মানসিক চাপ, উদ্বেগ সৃচনা কৰে। এনেধৰণৰ তুলনা ব্যক্তিগত বিকাশৰ ক্ষেত্ৰতো বাধাৰ কাৰণ হৈ পৰে। মানসিক অৱস্থাৰ অৱণতিৰ ফলত কোনোবা সময়ত ব্যক্তিয়ে নিজৰ চিন্তাধাৰাৰ বিকাশ ঘটাব নোৱাৰে ইতিবাচক দিশত। সামাজিক মাধ্যমৰ উৎসাহপূৰ্ণ ছবি আৰু সফলতাৰ কাহিনীয়ে প্ৰকৃত জীৱনৰ বাস্তৱিকতাৰ এটা নিৰ্ভুল ছবি প্ৰদান নকৰে। ফলস্বৰূপে বিশেষকৈ কিশোৰ-কিশোৰীসকলৰ মাজত আত্মসন্মান হ্ৰাস আত্মবিশ্বাসৰ অৱনতিৰ সমস্যাৰ সৃষ্টি হয়।




**অভিভাৱকৰ অধিক আশা**

অভিভাৱকৰ অধিক আশা শিক্ষাৰ্থীসকলৰ ওপৰত মানসিক আৰু শাৰীৰিক চাপৰ এক গুৰুত্বপূৰ্ণ উৎস হৈ পৰে। অধিকাংশ অভিভাৱকে, উত্তম ফলাফল আৰু শ্ৰেষ্ঠত্ব অৰ্জনক লৈ আশাবাদী হয়। এই আশাই সন্তানৰ ওপৰত অতিৰিক্ত দায়িত্ব আৰু মানসিক চাপৰ সৃষ্টি কৰে যাৰ ফলত তেওঁলোকৰ আত্মবিশ্বাস আৰু সৃষ্টিশীলতাৰ হ্ৰাস পায়। সন্তানৰ পঢ়া-লেখাৰ গতি আৰু ফলাফলৰ ওপৰত অধিক নিয়ন্ত্ৰণৰ চেষ্টা কৰে অভিভাৱকসকলে, যাৰ ফলস্বৰূপে সন্তানসকলে নিজৰ ব্যক্তিত্ব প্ৰকাশ কৰিবলৈ সক্ষম নহয়। কিবা কাৰণত আশা ভংগ হ'লে পিতৃ-মাতৃ আৰু অভিভাৱকসকলে সন্তানক কঠোৰ সমালোচনা আৰু দোষাৰোপ কৰা দেখা যায়। এইবোৰে সন্তানৰ মানসিক স্বাস্থ্যত নেতিবাচক প্ৰভাৱ পেলায়। উদ্বেগ আৰু আত্ম সন্মানৰ হ্ৰাসৰ পথত গতি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ আচৰণত পৰিলক্ষিত হয় বিসংগতি। তেওঁলোকে নিজৰ ভুলৰ পৰা শিক্ষা লোৱাৰ পৰিৱৰ্তে প্ৰচণ্ড ভয় আৰু অসন্তুষ্টিত আৱদ্ধ হৈ পৰে। ইয়াৰ সমাধানস্বৰূপে, অভিভাৱকসকলে সন্তানৰ সফলতা আৰু ব্যৰ্থতাৰ উভয় ক্ষেত্ৰতে সহানুভূতি আৰু সমৰ্থন আগবঢ়াব লাগে। তেওঁলোকে সন্তানক উৎসাহ উদ্দীপনাৰ জৰিয়তে সামগ্ৰিক বিকাশ সুস্থ মানসিক অৱস্থাৰ উত্তৰণ ঘটাব পাৰে।

**মানসিক স্বাস্থ্যৰ বিষয়ে অজ্ঞতা**

মানসিক স্বাস্থ্যৰ বিষয়ে অজ্ঞতা আজিও সমাজখনৰ এটা গুৰুত্বপূৰ্ণ সমস্যা। বহুলোকেই মানসিক অসুবিধাক গভীৰ সমস্যা বুলি নাজানে আৰু যিসকলে এই ধৰণৰ সমস্যাত ভোগে, তেওঁলোকে সহায় বিচাৰি নেপায়। সমাজত এই বিষয়ক লজ্জা, ভুল ধাৰণা আৰু সচেতনতাৰ অভাৱৰ ফলত বহু শিক্ষাৰ্থীয়ে নিজৰ সমস্যাবোৰ গোপনে ৰাখে। ফলস্বৰূপে সমস্যা দিনক দিনে গভীৰ হয়। বিদ্যালয় মহাবিদ্যালয় মানসিক স্বাস্থ্য সম্পৰ্কে পৰামৰ্শ আৰু সহানুভূতিশীল পৰিৱেশৰ প্ৰয়োজন আছে যাতে শিক্ষাৰ্থীসকলে সাহসেৰে সহায় বিচাৰি আগবাঢ়িব পাৰে।

আধুনিক শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী সকলৰ জীৱনত নতুন পোহৰৰ সন্ধান দিছে। কিন্তু এই ব্যৱস্থাৰ সৈতে জড়িত নানা মানসিক চাপ আৰু সমস্যাও দেখা গৈছে। অধিক পাঠ্যভাৰ প্ৰতিযোগিতাৰ প্ৰৱণতা, অভিভাৱকৰ অধিক আশা, সামাজিক মাধ্যমত তুলনাৰ প্ৰদৰ্শনকামিতা আৰু মানসিক স্বাস্থ্য সম্পৰ্কে সমাজৰ অজ্ঞতা — এই সকলোবোৰে শিক্ষাৰ্থীসকলৰ মানসিক স্থিৰতা আৰু সুস্থতাত গভীৰ প্ৰভাৱ পেলাইছে। এই সমস্যাবোৰে শিক্ষাৰ্থীসকলৰ মাজত উদ্বেগ বিষন্নতা, আত্মবিশ্বাস হ্ৰাস, একাকীত্বৰ দৰে মানসিক বিকাৰ সৃষ্টি কৰিছে। বহু শিক্ষাৰ্থীয়ে নিজৰ সমস্যাবোৰ প্ৰকাশ নকৰি নিৰৱে সহ্য কৰি থাকে, কাৰণ তেওঁলোকক ভুল বুজি গৰিহণা দিব। মানসিক স্বাস্থ্যৰ প্ৰতি সচেতনতা আৰু সহানুভূতিশীল আচৰণৰ অভাৱেই সমস্যাটো অধিক জটিল কৰি তোলে। ●

# অসমীয়া সংস্কৃতিত তামোল-পাণ

**অংকুৰ পাঠক,**
**বাবৰি কাকতি**
ষষ্ঠ যাণ্মাসিক

তামোল-পাণ অসমীয়া সমাজ-সংস্কৃতিৰ লগত অতি ঘনিষ্ঠভাৱে জড়িত। তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সংস্কৃতিৰ এটা অপৰিহাৰ্য অংগ। বিয়া, সবাহ, অন্নপ্ৰাসন আদিকে ধৰি সকলো মাংগলিক তথা ৰাজহুৱা কাম-সকামত ইয়াৰ ব্যৱহাৰ হয়। সাধাৰণতে অসমৰ গাঁওবোৰত ইয়াৰ অধিকতম প্ৰচলন দেখা পোৱা যায় যদিও চহৰ অঞ্চলতো ইয়াৰ ব্যৱহাৰ কম নহয়। বৰ্তমান অসমত বহু লোকেই তামোল-পাণ বিক্ৰী কৰিয়েই জীৱন নিৰ্বাহ কৰি আছে। হিন্দু সংস্কৃতিত এই তামোল-পাণৰ ব্যৱহাৰ কিছুমানে আৰ্যসকলৰ পৰা অহা বুলি আৰু কিছুমানে দ্ৰাবিড়সকলৰ পৰা অহা বুলি কৈছে। ভোজনৰ পিছত তামোল-পাণৰ ব্যৱহাৰ কৰা প্ৰথাটো স্মৃতি শাস্ত্ৰত আছে।

চাহ, জলপান নাইবা ভাত খোৱাৰ পিছত তামোল-পাণ খাই মুখ সতেজ কৰা হয়। গুৰু-গোঁসাই, ভকত বৈষ্ণৱ, বন্ধু-বান্ধৱ অথবা মিতিৰ-কুটুমক তামোল-পাণেৰে সন্মান যাচে। বিয়া-সকাম বা বিভিন্ন সৰু-বৰ অনুষ্ঠানত তামোল-পাণ পৰিৱেশন কৰা হয়। অসমৰ ঠাই বিশেষে দোষী এজনেও তামোল-পাণ আগবঢ়াই ৰাইজৰ ওচৰত ক্ষমা ভিক্ষা মাগে। অসমীয়া লোকৰ বিয়াৰ দিনাখন পদূলি মুখত শৰাইত এথোক তামোল থৈ ৰাইজক আদৰণি জনোৱা হয়।

তামোল-পাণ এটা আনটোৰ পৰিপূৰক। তামোল (Arcca Nut), তামোল গছত লগা এবিধ ফল। তামোলৰ বিজ্ঞানভিত্তিক নাম "Areca Catechu"। এই গছডাল প্ৰাপ্তবয়স্ক অৱস্থালৈ দীঘলে প্ৰায় ৬০ ফুটমান ওখ হয়। পাণ (Piper betle) এবিধ লতাজাতীয় গছ। অসমত সাধাৰণতে তামোল, মদাৰ, নাৰিকল আদি গছৰ গুৰিত ইয়াক ৰোপণ কৰা হয়। কোনো কোনো ঠাইত বাঁহৰ চাং পাতিও ইয়াৰ খেতি কৰা হয়।

শাস্ত্ৰ অনুসৰি তামোল-পাণৰ এটি আখ্যানো পোৱা যায়। এদিন কৃষ্ণই ৰাধাক নোকোৱাকৈ বিজেতাৰ ঘৰলৈ গৈছিল। ৰাধাই জানিব পাৰি কথাৰ সত্যতা প্ৰমাণ ল'বলৈ বিজেতাৰ ঘৰ ওলোৱাত শ্ৰীকৃষ্ণই ৰাধা আগমণৰ গম পাই তেওঁৰ নিজৰ ৰূপ সলাই তাতেই এজোপা তামোল গছ হৈ পৰিল আৰু বিজেতায়ো সেইজোপা তামোলতেই পাণ গছ হৈ বগাই পৰিল। সেইবাবে উক্ত ফল বৈকুণ্ঠৰ আৰু দেৱভোগ্য দেৱতাৰ বস্তু। নাৰদ মুনিয়ে এই ফল বৈকুণ্ঠৰ পৰা মানৱৰ ভোগৰ বাবে পৃথিৱীলৈ আনি পৃথিৱীত বিলাই দি এক উচ্চ মানদণ্ডৰ সামগ্ৰী কৰিছিল বুলি এক আখ্যান আছে।

অসমীয়া লোকৰ আন এক সাংস্কৃতিক প্ৰতীক শৰাই বা বটাত তামোল-পাণ কাটি চাধা বা ধঁপাত আৰু চূণৰ সৈতে ইয়াক সাধাৰণতে পৰিৱেশন কৰা হয়।

তামোল-পাণ গাঁৱলীয়া দৰৱ; জাতিৰ অন্যতম উপাদান। অসমীয়া নিদান মতে তামোল খালে পেটৰ অসুখ, দাঁতৰ ৰোগ আৰু বিষ ভাল হয়। গৰু-ম'হৰ বেমাৰত তামোলৰ পিক ব্যৱহাৰ কৰা হয়। তামোল-পাণৰ অলৌকিক শক্তিত বিশ্বাস কৰি ইয়াক মন্ত্ৰত ব্যৱহাৰ কৰা হয়।

বাৰীত তামোল-পাণ ৰোৱা অসমীয়া গাঁৱলীয়া মানুহৰ ধৰা-বন্ধা ৰীতি। অসমীয়া মানুহৰ প্ৰিয় কথা এফাকি মন কৰিবলগীয়া "আগফালে শুৱনি কাকিনী তামোল, পাছফাল শুৱনি পাণ।" তামোল ৰোৱা আৰু তামোলৰ বাৰী পতা সম্বন্ধে ডাকৰ বচন আছে।

**সহায়ক গ্ৰন্থ ঃ**

বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমৰ লোক সংস্কৃতি। ●



# বৰপেটাৰ হাতীদাঁতৰ শিল্প ঃ এক হেৰুওৱা গৌৰৱ

**মাম্পী দাস**
চতুৰ্থ ষাণ্মাসিক

বৰপেটা চহৰখন পুৰণিকালৰে পৰা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়া ঠাইৰূপে সুনাম আছে। ইতিহাসৰ পাঠত লুটিয়াই চালে ইয়াৰ প্ৰমাণ পাব পাৰি। এই চহৰত অৱস্থিত বৰপেটা সত্ৰ (দ্বিতীয় বৈকুণ্ঠপুৰী) পাটবাউসী, গণককুছি, সুন্দৰীদিয়া আদি বৰপেটা আতচবাজী কাৰখানা, বৰপেটাৰ কমাৰ শিল্প, কুমাৰ শিল্প আদিয়ে আমাৰ এই গৌৰৱময় ঠাইখনৰ গৌৰৱ বৃদ্ধিত অৰিহণা যোগাই আহিছে। উপৰিউক্ত সমূহৰ উপৰিও কিছুমান শিল্প এনেকুৱা আছে যিবোৰ সময়ৰ সোঁতত বিলুপ্ত হৈ গৈছে, কিন্তু অতীতত এইসমূহেই ঠাইখনৰ পৰিচয় বহন কৰিছিল।

এনে এবিধ বিলুপ্ত শিল্প হ'ল হাতীদাঁতৰ শিল্প। এই শিল্পবিধ যদিও বৰ্তমান সময়ত আমি প্ৰত্যক্ষ কৰিবলৈ নাপাওঁ তথাপি ইয়াৰ অস্তিত্বৰ চানেকী প্ৰতিজন বয়োজ্যষ্ঠৰ মুখে মুখে শুনিবলৈ পাওঁ। এই হাতীদাঁতৰ শিল্পবিধৰ প্ৰচলন আনুমানিক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দিনৰ পৰাই আছিল। সেই সময়ত অসমৰ হাবিত প্ৰচুৰ পৰিমানে হাতী পোৱা গৈছিল। যাৰ ফলত এই শিল্পৰ বাবে প্ৰয়োজনীয় হাতীৰ দাঁতৰ নাটনি হোৱা নাছিল। (অসমৰ আন ঠাই সমূহৰ তুলনাত বৰপেটাত ইয়াৰ প্ৰচলন অধিক আছিল।) হাতীৰ দাঁতৰ শিল্পৰ লগত জড়িত লোকসকলক 'বক্তাৰ খনিকৰ' ৰূপে জনা গৈছিল। বৰপেটাক অতীতত হাতী দাঁতৰ শিল্পৰ কাৰখানা বুলি কোৱা হয়। কাৰণ ইয়াতে হাতীৰ দাঁতক বিভিন্ন আকাৰ দি হাতীৰ দাঁতৰ পৰা বিভিন্ন আ-অলংকাৰ আদি বনোৱা কাৰখানা আছিল।

বৰপেটা চহৰখন হাবি কাষৰীয়া নোহোৱাৰ পিছতো এই শিল্পৰ বাবে কেঁচামাল পোৱা গৈছিল। ভবা হয় যে ইয়াৰ কাৰণ হিচাপে আহোমসকল শিল্পৰ প্ৰতি আকৰ্ষিত আছিল আৰু ইয়াৰ বাবে কেঁচামালৰ যোগান ধৰিছিল। আহোমৰ দিনত হাতীদাঁতৰ শিল্প অসমৰ বাহিৰলৈ ৰপ্তানি কৰা হৈছিল আৰু সেই সময়ৰ সমাজখনৰ বাণিজ্যিক ভেটি সুদৃঢ় কৰিবলৈ এই শিল্পবিধকো এক মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছিল। এই 'বক্তাৰ খনিকৰ' সকলক আহোম ৰজাসকলে যথেষ্ট মাটিবাৰী আৰু শ্ৰমিক যোগান ধৰি তেওঁলোকৰ এই শিল্পকৰ্মক গঢ় দি তোলাত সহায় কৰিছিল।

এই শিল্পবিধৰ বাণিজ্যিক গুৰুত্বৰ উপৰিও অসমৰ ৰজা মহাৰজাসকলে উপহাৰ আদান-প্ৰদানৰ বাবে ব্যৱহাৰ কৰিছিল। প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তই যুধিষ্ঠিৰলৈ আন বস্তুৰ লগতে হাতীদাঁতৰ নাল লগোৱা তৰোৱাল উপহাৰ দিছিল বুলি মহাভাৰতত উল্লেখ আছে। কুমাৰ ভাস্কৰ বৰ্মনে হৰ্ষবধনক হাতীদাঁতেৰে নিৰ্মিত বিভিন্ন বস্তু উপহাৰ দিছিল বুলি জনা যায়। হাতীৰ দাঁতেৰে নিৰ্মিত বিভিন্ন বস্তু যেনে — হাতীৰ দাঁতৰ পাটী, বিচনা, ডৰা খেলৰ গুটি আদি বিভিন্ন বস্তু উল্লেখযোগ্য।

ইতিহাসৰ পৃষ্ঠাত বৰপেটাৰ মান সন্মান শোভা



বৰ্ধন কৰি থকা এই সম্পদ বিধ আমাৰ মাজৰ পৰা বহু সময় আগতেই নাইকীয়া হ'ল যদিও ইয়াৰ অৱশিষ্ট কেইপদমান বস্তু জিলা সংগ্ৰহালয়, সত্ৰসমূহৰ সংগ্ৰহালয় সমূহত প্ৰত্যক্ষ কৰিবলৈ পাওঁ। এইসমূহৰ ভিতৰত দেৱ-দেৱীৰ মূৰ্তি, ফনি, আসন, শৰাই, পীৰা, তৰোৱাল, আ-অলংকাৰ আদি প্ৰধান।

বৰ্তমান প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ হাতীদাঁতৰ সামগ্ৰী নিৰ্মাণ পদ্ধতি প্ৰত্যক্ষ কৰা সম্ভৱ নহ'ল। অৱশ্যে তথ্যসমূহৰ পৰা ইয়াৰ নিৰ্মান কৌশল সম্পৰ্কে জানিব পৰা যায়। যিহেতু হাতীদাঁত যথেষ্ট টান আৰু নিমজ সেয়ে ইয়াক চাচি বিভিন্ন আঁকাৰ দিবলৈ সহজ আছিল। হাতীৰ দাঁতৰ বেঁকাৰূপ থলুৱা পদ্ধতিৰে পোন কৰা হৈছিল। বিশেষ অনুপাতত মাটি আৰু গোৱৰ মিহলাই তাৰে দাঁতৰ ওপৰত লেপন দি জুইত সেকি দাঁতৰ ভাজ পোন কৰা হৈছিল। হাতীৰ দৰে প্ৰাণী শিল্প ৰক্ষাৰ বাবে নিধন কৰাটো কোনোপধ্য যুক্তিসংগত হ'ব নোৱাৰে। কিন্তু মৃত হাতীৰ দাঁত সংগ্ৰহ কৰি এই শিল্পক ৰূপ দিব পাৰি।

নতুন প্ৰজন্মৰ অনুৰূপ চৰকাৰী পক্ষৰ অৱদান আৰু বৰপেটাবাসীৰ ইচ্ছা থাকিলে ইতিহাসৰ গৌৰৱ কৰি তোলা এই শিল্পবিধৰ পুনৰ অস্তিত্ব লৈ আনিব পৰা যাব।●



# আহোমসকলৰ খাদ্যাভাস

**অস্মিতা দাস**
ষষ্ঠ ষাণ্মাসিক

আহোমসকলে অসমত ছশ বছৰ কাল ৰাজত্ব কৰিছিল, ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকৰ পৰা ঊনবিংশ শতিকাৰ চতুৰ্থ দশকলৈকে নিৰৱচ্ছিন্নভাৱে অসমত শাসন কৰি অনেক জয়-পৰাজয়, ঘাত-প্ৰতিঘাত, সন্ধি-বিগ্ৰহ, মিত্ৰতা-শত্ৰুতা, বিনিময় সংগ্ৰহ আদিৰ সন্মুখীন হৈছিল।

আহোমসকল হ'ল শ্যামী চীন ভাষাগোষ্ঠীৰ মানুহ। তেওঁলোকৰ সংস্কৃতি অতি পুৰণি। আহোম সংস্কৃতি মানে সমন্বয়ৰ সংস্কৃতি। আহোমসকলে নিজা সংস্কৃতি, ধৰ্ম-পৰম্পৰা আৰু ভাষা লৈ অসমত প্ৰৱেশ কৰিছিল। আজিৰ সময়ত আধুনিকতাৰ প্ৰভাৱত আহোম সংস্কৃতিৰ কিছু পৰিৱৰ্তন নঘটা নহয়। তথাপি আহোম সংস্কৃতিৰ পৰম্পৰাগত খাদ্য ভাস, সাজপাৰ আদিত স্বকীয়তা এতিয়াও লক্ষ্য কৰা যায়।

অতীতত আহোম যুগৰ খাদ্য-সম্ভাৰ আৰু বৰ্তমান যুগৰ খাদ্য-সম্ভাৰ মূলতঃ একে হ'লেও বৰ্তমান অনেক নতুন নতুন খাদ্য সংযোজিত হৈছে। আহোমসকল মূলতঃ আমিষভোজী। তেওঁলোকৰ মুখ্য খাদ্য ভাত। চাউল-ধানৰ পৰা অনেক জা-জলপান তেওঁলোকে তৈয়াৰ কৰে। তদুপৰি ভাতৰ লগত বিশেষ 'দৰৱ' সানি লাওপানী প্ৰস্তুত কৰে। পিঠাৰ লগত জালুক, কপৌ ঢেঁকীয়া পাতিসোন্দাৰ পাত, বনজালুক, টংলতিৰ পাত, জেতুলি পকাৰ পাত আদি খুন্দি 'দৰৱ' তৈয়াৰ কৰা হয়। এই দৰৱ বৰা চাউলৰ ভাতৰ লগত সানি তিনিদিন গাপ্ দি থয়। তিনিদিনৰ পিছত 'ৰহী' পৰিবলৈ ধৰে। তেতিয়া গাপ্ দিয়া ভাতখিনি জোখাৰে কলহত ভৰাই থোৱা হয়। দিনচেৰেকৰ পিছত কলহটো ৰসেৰে উপচি পৰে। আহোম মানুহ একালত অতি উচ্চ খাপৰ লাওপানী তৈয়াৰ কৰাত পাকৈত আছিল। 'দৰৱ'ৰ লগত দিয়া অনুপাত কমাই বঢ়াই চোকা, মিঠা, ৰঙা, পাতল ৰঙা ৰঙৰ লাওপানী তৈয়াৰ কৰি ল'ব পাৰে। পকা কঁঠাল আৰু পকি ৰহ দিয়া ভীমকল, আঠিয়া কলৰ পৰাও লাওপানী তৈয়াৰ কৰিছিল। এনেকুৱা কৈ লাওপানী তৈয়াৰ কৰা আৰু খোৱাৰ ৰীতি অন্যান্য

জনজাতিৰ মাজতো প্ৰচলন আছে; কিন্তু 'দৰৰ' তৈয়াৰ কৰাৰ অনুপাত সুকীয়া হয়। লাওপানী সকাম-নিকাম, উৎসৱ-পাৰ্বণ, আলহী-অতিথি সৎকাৰ সকলো দৈনন্দিন কামতে আহোমসকলৰ বাবে অপৰিহাৰ্য। মদ বা লাওপানী দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য বস্তু আছিল বাবেই আহোমৰ ছশ বছৰীয়া বুৰঞ্জীৰ ক'তো মদাহী আৰু মাতলামিৰ কথা উল্লেখ নাই। লাওপানীক বহুতে জলপান হিচাপেও ব্যৱহাৰ কৰে। কাৰণ ভাতৰ পৰা পোনপটীয়াকৈ প্ৰস্তুত কৰা বাবে তাত যথেষ্ট খাদ্যপ্ৰাণ আছে। ইয়াৰ উপৰিও আহোম মানুহৰ মাজত জলপানৰ প্ৰাচুৰ্য অধিক। 'হুৰুম' নামৰ এবিধ জলপান তেওঁলোকৰ বাহিৰে আনে কৰিব নাজানিছিল। সান্দহ, গুৰি সান্দহ আৰু লদা-সান্দহ, ভাপত দিয়া বা চেৰা দিয়া বৰা চাউলৰ ভাত তেওঁলোকৰ মাজত জনপ্ৰিয় জলপান। আগতে খামতি-ফাকিয়াল মানুহৰ দৰে সকলো আহোম মানুহে ভাপত দিয়া টোপোলা ভাতহে খাইছিল। পিছলৈ থলুৱা তিৰোতা বিয়া কৰোৱাত তেওঁলোকে ভাপত দিয়া ভাত ৰন্ধাত অভ্যস্ত নোহোৱাৰ বাবে লাহে লাহে এই অভ্যাস এৰি দিয়ে। ভাপত দিয়া ভাত ৰান্ধিব জনা আৰু 'হুৰুম' জলপান দিয়াৰ পৰাই 'জাতুৱা আহোম' নে 'বোটলা আহোম' তাৰ চিন পাইছিল। পোনতে শৰণ লৈ বৈষ্ণৱ হৈ আৰু পিছত মন্ত্ৰ লৈ ভকত হৈ কেতবোৰ জীৱ-জন্তু খাবলৈ এৰি দিলেও প্ৰথমতে তেওঁলোক সৰ্বভক্ষক আছিল আৰু এতিয়াও বহুতে মাছ, মাংস খায়। গাহৰি মাংস তেওঁলোকৰ প্ৰিয়। তদুপৰি হাঁহ-কুকুৰা, মাছ-কাছ, কেঁকোৰা, কুচিয়া, জিলি (চাকচান), মুগা-লেটা সকলোৰে খায়। এসময়ত কোনো কোনোৱে গৰু-ম'হৰ মাংসও খাইছিল যেন লাগে। কাৰণ গৰু-ম'হ কাটি পুখুৰীত উচৰ্গা কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। ভাতৰ লগত মাটি মাহ, কচু, ঢেঁকীয়া, খৰিছা আদিৰ আঞ্জা আহোমসকলৰ মাজত সহজে ব্যৱহৃত। 'মাহমৰা', মাহখোৱাবাৰী আদি মাহৰ ব্যাপক প্ৰচলন আছে। আজিকালি মাটিমাহ, বৰালি মাছ একেলগে খোৱাটো ভয়ৰ কথা বুলি ভাবিলেও আহোম মানুহে মাটি মাহ, বৰালি মাছ, হাঁহৰ মঙহ আৰু বৰা চাউলহে (চেৰা দিয়া) সবাতোকৈ জিভাত লগা এসাঁজ বুলি ভাবে। মেটেকা, মেচাকী, মেজেঙ্গা, নেফাফু, চেং-মৰা, শিলকচু, বাঘ আঁছোৰা, নলটেঙা, উৰিয়ামৰ কুঁহি, দোইলতা, মছন্দৰি আদি বনৰীয়া গছ-বন, লতা-পাতো আহাৰৰ লগত খায় শুকান খৰিছা আৰু পকা খৰিছাৰ বহুল ব্যৱহাৰ আছে। ফল-মূল প্ৰচুৰ পৰিমাণে খায়। আম, কঁঠাল, মধুৰী, ৰবাব টেঙা, সুমথিৰা টেঙা, চকলা টেঙা, বন পিঠা, কোটকোৰা গুটি, লেটেকু, পনিয়ল, আৰু নানা তৰহৰ কল খায়। মিৰি আলু, গৰীয়া আলু, চীনা আলু, আদা আলু, কুঁৰৰী আলু, জপৰা আলু আদিৰ খেতি ঘৰত কৰাৰ বাহিৰেও কিছুমান বনৰীয়া আলু হাবিৰ পৰা আনি খায়। তেওঁলোকৰ মাজত তেলত ভজা বস্তুতকৈ পোৰা, খৰিকাত দিয়া টেঙা দিয়া, তিতা আদিৰ ব্যৱহাৰ অধিক। শোকোতা, তিতাকচি, ভেকুৰি, নেফাফু আদি তিতাৰ উপৰি কেৰেলা, বেঙেনা, জলকীয়া, লাই-লফা, মমেধু (ধনীয়া) আদি সাধাৰণ শাক-পাচলি খায়। দৰিকে-বেঙেনাই, হাঁহে-বাঁহে (বাঁহ গছ), শ'লে-মলে, কাৰৈয়ে-পালেঙে, ৰৌৰে-পুৰৈয়ে, পকা-তেতেলি বুঢ়া বৰালি, শ'ল-গৰৈ-লফা শাক, পুৰি, চুঙাত দি, মঙহ খৰিকাত দি, শাক, যেনে - ভোতমলা, মছন্দৰি, সৰু টেঙেচি, মানিমুনি পাতত দি, লোণ তেল সানি খায়। নেফাফু, মেচাকী, মেজেঙা, টংলতি আদি আহোমৰ পূজা আৰু সকামত আঞ্জা হিচাপে দিব লাগে। এনে ধৰণৰ বিভিন্ন খাদ্যাভাস প্ৰচলন আহোমসকলৰ মাজত প্ৰচলন আছে। ●

**সহায়ক গ্ৰন্থ ঃ** অসমৰ সংস্কৃতি ঃ ড° লীলা গগৈ, বনলতা, ডিব্ৰুগড়-১ (২০২১)

# মাধ্যমিক শিক্ষাত নিৰ্দেশনাৰ ভূমিকা

**হিয়াশ্ৰী দাস**
পঞ্চম ষাণ্মাসিক

মাধ্যমিক শিক্ষা হৈছে মানুহৰ শিক্ষা জীৱনৰ এক গুৰুত্বপূৰ্ণ পৰ্যায় য'ত ছাত্ৰ-ছাত্ৰীসকলে কৈশোৰ কালত প্ৰৱেশ কৰে। এই সময়ছোৱাত তেওঁলোকৰ শাৰীৰিক, মানসিক আৰু সামাজিক দিশত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঘটে। সেয়ে, সঠিক দিশ প্ৰদানৰ বাবে 'নিৰ্দেশনা' এক অত্যন্ত প্ৰয়োজনীয় উপাদান।



নিৰ্দেশনাৰ জৰিয়তে শিক্ষাৰ্থীসকলে নিজৰ আগ্ৰহ, দক্ষতা আৰু দুৰ্বলতা চিনাক্ত কৰি উপযুক্ত লক্ষ্য নিৰ্ধাৰণ কৰিব পাৰে। ই আত্মবিশ্বাস গঢ়ি তোলাত সহায় কৰে আৰু শিক্ষাত সফল হোৱাৰ পথ দেখুৱায়। বিশেষকৈ মাধ্যমিক পৰ্যায়ত বৃত্তি নিৰ্বাচনৰ ক্ষেত্ৰত উপযুক্ত পৰামৰ্শ ছাত্ৰ-ছাত্ৰীক সঠিক সিদ্ধান্ত লোৱাত সহায় কৰে।

ইয়াৰ উপৰি কৈশোৰকালত হোৱা মানসিক উদ্বেগ, পৰীক্ষাৰ চাপ, আৰু সামাজিক সমস্যা সমাধানতো নিৰ্দেশনাই সহায় কৰে। ই শিক্ষাৰ্থীক এক সুশৃংখল নৈতিক আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলে।

সঁচাকৈয়ে মাধ্যমিক শিক্ষাত উপযুক্ত নিৰ্দেশনাই ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ ভিত্তি গঢ়ি তোলাত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সঠিক পথ নিৰ্দেশেৰে তেওঁলোক ভৱিষ্যত জীৱনত আত্মবিশ্বাসেৰে আগবাঢ়িব পাৰে। নিৰ্বাচন, আচৰণ শিক্ষা আৰু ব্যক্তিত্ব গঠনত নিৰ্দেশনাই শিক্ষাৰ্থীক সহায় কৰে। মাধ্যমিক শিক্ষাত নিৰ্দেশনাৰ ভূমিকা তলত দাঙি ধৰা হৈছে —

১। **পাঠ্যসম্বন্ধীয় সহায়তা ঃ**

মাধ্যমিক শিক্ষাৰ সময়ছোৱাত শিক্ষাৰ্থীৰ শিক্ষা জীৱনৰ দিশ নিৰ্ধাৰণত পাঠ্যসম্বন্ধীয় সহায়তা অত্যন্ত গুৰুত্বপূৰ্ণ। এই পৰ্যায়ত শিক্ষাৰ্থীসকল বিভিন্ন বিষয় অধ্যয়ন কৰে, যাৰ ভিতৰত কিছুমান বিষয় তেওঁলোকৰ বাবে সহজ হয়, আন কিছুমান কঠিন অনুভৱ হয়। এনেস্থলত শিক্ষকে বা পৰামৰ্শদাতাই শিক্ষাৰ্থীক তেওঁৰ শক্তি আৰু দুৰ্বলতা চিনাক্ত কৰাত সহায় কৰে।

পাঠ্যসম্বন্ধীয় সহায়তাৰ জৰিয়তে শিক্ষাৰ্থীয়ে কোন বিষয়ত অধিক আগ্ৰহী, কোন বিষয়ত বেছি দক্ষ — এইবোৰ বুজিব পাৰে। ফলত তেওঁ নিজৰ লক্ষ্যৰ লগত সঙ্গতিপূৰ্ণ বিষয় বাছনি কৰিব পাৰে। লগতে পঢ়নীয় বিষয়ত ভাল ফল লাভ কৰিবলৈ সময় ব্যৱস্থাপনা,

অধ্যয়নৰ পদ্ধতি, টোকা প্ৰস্তুত কৰা কৌশল আদিৰ বিষয়ে পৰামৰ্শ দিয়ে।

এই সহায়তাৰ জৰিয়তে শিক্ষাৰ্থীয়ে উদ্বেগ, হতাশা আৰু অসফলতাৰ ভয়ৰ পৰা মুক্ত হৈ আত্মবিশ্বাসেৰে আগবাঢ়িব পাৰে। সঠিক পাঠ্য সম্বন্ধীয় সহায়তাৰ অভাৱত শিক্ষাৰ্থীয়ে ভুল বিষয় বাছনি কৰিব পাৰে, যাৰ ফলত ভৱিষ্যতে বৃত্তিগত দিশতো সমস্যা দেখা দিব পাৰে।

২। **পেছাগত নিৰ্দেশনা ঃ**

পেছাগত নিৰ্দেশনা হ'ল মাধ্যমিক শিক্ষাৰ সময়ছোৱাত শিক্ষাৰ্থীৰ আগন্তুক জীৱনৰ দিশ নিৰ্ধাৰণৰ এক বিশেষ গুৰুত্বপূৰ্ণ উপাদান। এই নিৰ্দেশনাই শিক্ষাৰ্থীৰ আগ্ৰহ, সক্ষমতা আৰু ব্যক্তিগত লক্ষ্যসমূহ চিনাক্ত কৰি, তেওঁলোকক বিভিন্ন পেছাৰ ক্ষেত্ৰৰ সম্পৰ্কে সুস্পষ্ট তথ্য আৰু পৰামৰ্শ প্ৰদান কৰে। শিক্ষাৰ্থীয়ে নিজৰ মনৰ সৃষ্টিশীলতা, বিশ্লেষণাত্মক চিন্তাধাৰা আৰু ব্যক্তিগত অভিপ্ৰায়ৰ আধাৰত সঠিক পেছাৰ বাচনি কৰিব পাৰে।

এই পৰামৰ্শৰ জৰিয়তে শিক্ষাৰ্থীসকলে প্ৰযুক্তিবিদ্যা, চিকিৎসা, বাণিজ্য, কলা-সাহিত্য, ক্ৰীড়া আদিত বিভিন্ন বিকল্পৰ বিষয়ে জ্ঞান লাভ কৰে। যাৰ ফলত, তেওঁলোকে নিজৰ শক্তি আৰু দুৰ্বলতাৰ ওপৰত নিৰ্ভৰ কৰি নিজৰ আগন্তুক বৃত্তিগত জীৱন নিৰ্মাণৰ বাবে সঠিক পথ নিৰ্বাচন কৰে।

পেছাগত নিৰ্দেশনাই শিক্ষাৰ্থীক কেৱল পেছাৰ ক্ষেত্ৰত নিৰ্দেশন নিদিয়ে, সঠিক সিদ্ধান্ত গ্ৰহণ, আত্মবিশ্বাস বৃদ্ধিতো সহায়ক হয়। সঠিক পৰামৰ্শৰ সহায়ত শিক্ষাৰ্থীয়ে পঢ়া লেখাৰ লগতে কৰ্মক্ষেত্ৰত প্ৰয়োজনীয় দৰ্শন আৰু নৈতিক মূল্যবোধো আয়ত্ত কৰিব পাৰে। এনেদৰে পেছাগত নিৰ্দেশনা শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশ আৰু উৎসাহ বৃদ্ধিত এক বিশেষ ভূমিকা গ্ৰহণ কৰে, যাৰ ফলত তেওঁলোকে নিজৰ আগন্তুক জীৱনত সফলতাৰ পোহৰ দেখিব পাৰে।

৩। **মানসিক স্বাস্থ্য ৰক্ষা ঃ**

মানসিক স্বাস্থ্য ৰক্ষা হৈছে ব্যক্তিগত সামাজিক আৰু সমগ্ৰ সমাজৰ বাবে এক গুৰুত্বপূৰ্ণ দিশ। এই পৰ্যায়ত শিক্ষাৰ্থী, কৰ্মৰত ব্যক্তি আৰু বয়স্ক নাগৰিক সকলোৱে মানসিক সুস্থতা বজাই ৰাখিবলৈ মনোবৈজ্ঞানিক আৰু সামাজিক সম্পৰ্কৰ দিশত মনোযোগ দিব লাগে।

মানসিক স্বাস্থ্য ৰক্ষাৰ প্ৰথম ঢাপত নিজৰ অনুভূতি আৰু মানসিক অৱস্থাক চিনাক্ত কৰা আৰু স্বীকাৰ কৰা অত্যন্ত প্ৰয়োজন। চাপ, উদ্বেগ বা বিষন্নতাৰ দৰে পৰিস্থিতিত পৰামৰ্শ লোৱাৰ দ্বাৰা সমস্যা সমাধান কৰিব পৰা যায়। বন্ধুবৰ্গ, পৰিয়াল আৰু স্থানীয় সমুদায়ৰ সহায়ত ব্যক্তিয়ে নিজৰ মানসিক স্বাস্থ্য ৰক্ষাৰ দিশত আগবাঢ়িব পাৰে।

শিক্ষাৰ্থীসকলৰ ক্ষেত্ৰত নিয়মীয়া শাৰীৰিক ব্যায়াম, আহাৰ আৰু পৰ্যাপ্ত বিশ্ৰাম মানসিক সুস্থতাৰ বাবে বিশেষ প্ৰয়োজন। বিদ্যালয় আৰু কলেজত মানসিক স্বাস্থ্য বিষয়ক সচেতনতা কাৰ্যসূচী আয়োজন কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত এক সুস্থ মনোভাৱ সৃষ্টিত সহায় কৰিব পাৰি। লগতে, প্ৰয়োজন হ'লে মানসিক স্বাস্থ্য বিশেষজ্ঞৰ পৰামৰ্শ বা কাউন্সেলিং সেৱা গ্ৰহণ কৰাটো প্ৰয়োজনীয়।

বিশেষকৈ ধ্যান, যোগ আৰু মানসিক স্বাস্থ্য ৰক্ষাৰ কৌশলৰ জৰিয়তে মানসিক চাপ হ্ৰাস কৰিব পাৰি। সঠিক সময়ত সহায়ৰ সন্ধান ল'লে ব্যক্তিয়ে নিজৰ জীৱনত সঠিক সিদ্ধান্ত লৈ সুস্থ আৰু সফল জীৱন গঢ়ি তুলিব পাৰে। এইদৰে মানসিক স্বাস্থ্যৰ যত্ন ল'লে ব্যক্তিগত জীৱন আৰু সমাজ দুয়োটাৰে উৎকৰ্ষ সাধন হয়।

৪। **আচৰণগত সমস্যা সমাধান ঃ**

আচৰণগত সমস্যা সমাধান হৈছে বিদ্যালয় আৰু সমাজত ছাত্ৰ-ছাত্ৰীৰ সম্পূৰ্ণ বিকাশ নিশ্চিত কৰাৰ এক গুৰুত্বপূৰ্ণ উপাদান। মাধ্যমিক শিক্ষাৰ সময়ছোৱাত কেতবোৰ আচৰণগত সমস্যা যেনে বিশৃংখলতা, সহপাঠীৰ সৈতে অসহযোগিতা, মানসিক চাপ আৰু আত্মবিশ্বাসৰ অভাৱ আদিৰ সন্মুখীন হ'ব পাৰে। এই সমস্যাসমূহৰ মূল কাৰণ চিনাক্ত কৰি আগতীয়াকৈ তদনুৰূপ পদক্ষেপ গ্ৰহণ কৰাটো অত্যাৱশ্যকীয়।

আচৰণগত সমস্যা সমাধানৰ প্ৰথম পদক্ষেপ হিচাপে শিক্ষকে নিয়মীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ আচৰণ পৰ্যবেক্ষণ কৰি সমস্যা চিনাক্ত কৰিব লাগে। তাৰ পাছত বিদ্যালয়, অভিভাৱক আৰু মানসিক স্বাস্থ্য বিশেষজ্ঞ সকলৰ সহযোগত এক সঠিক পৰিকল্পনা প্ৰস্তুত কৰা

উচিত। এই প্ৰক্ৰিয়াত ব্যক্তিগত আৰু গোটভুক্ত আচৰণমূলক কৌশল প্ৰয়োগ কৰা হয়।

উদাহৰণস্বৰূপে ইতিবাচক আচৰণৰ উৎসাহ বৃদ্ধি কৰিবলৈ প্ৰশংসা আৰু সন্মান প্ৰদান, ভুল আচৰণৰ বাবে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ আৰু পৰামৰ্শদান প্ৰক্ৰিয়া অতীৱ গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীক সঠিক পথ প্ৰদৰ্শন কৰিবলৈ, আচৰণ বিষয়ক চৰ্চা, কৰ্মশালা আৰু মানসিক সহায়তা প্ৰদান কৰা উচিত।

মাধ্যমিক শিক্ষাত নিৰ্দেশনাৰ ভূমিকা হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰা ই এক অন্তৰ্নিহিত উপাদান। এই পৰ্যায়ত, শৈক্ষিক, বৃদ্ধিগত মানসিক আৰু সামাজিক দিশত অন্তৰংগভাৱে বিকাশ ঘটোৱাত নিৰ্দেশনাই অত্যাৱশ্যকীয় ভূমিকা পালন কৰে।

শৈক্ষিক ক্ষেত্ৰত, নিৰ্দেশনাই ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক যোগ্যতা আৰু আগ্ৰহৰ আধাৰত সঠিক পাঠ্যক্ৰম বাছনি কৰাত সহায় কৰে। শিক্ষক, পৰামৰ্শদাতা আৰু অভিভাৱকসকলৰ সমন্বয়ৰ ফলত সমগ্ৰ প্ৰক্ৰিয়াটোৱে ফলপ্ৰসু হৈ পৰে। এই ধৰণৰ পৰামৰ্শই তেওঁলোকৰ আত্মবিশ্বাস আৰু শৈক্ষিক সফলতা বৃদ্ধিত সহায় কৰে।

বৃত্তিগত দিশত মাধ্যমিক শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ আগন্তুক জীৱন নিৰ্মাণৰ সহায়ক। বিভিন্ন বৃত্তিৰ বিকল্প সেৱাৰ সুযোগ সৃষ্টিশীলতা আৰু ব্যৱসায়িক ক্ষেত্ৰৰ সম্ভাৱনাৰ বিষয়ে বিস্তৃত পৰামৰ্শ প্ৰদান অতি লাগতিয়াল।

মানসিক আৰু আবেগিক বিকাশৰ ক্ষেত্ৰতো নিৰ্দেশনাৰ গুৰুত্ব লক্ষ্যণীয়। মানসিক চাপ, উদ্বেগ, বিষন্নতা আদিৰ সন্মুখীন হোৱা অৱস্থাত বিদ্যালয় আৰু পৰামৰ্শদাতাসকলৰ সহায়ত ছাত্ৰ-ছাত্ৰীসকলে নিজ অভিজ্ঞতা বুজি উঠা আৰু সঠিক মানসিক দক্ষতা আয়ত্ত কৰিবলৈ সক্ষম হয়। ধ্যান, যোগ আৰু মনোবৈজ্ঞানিক পৰামৰ্শৰ মাধ্যমেৰে মানসিক সুস্থতা নিশ্চিত কৰা হয়, যাৰ ফলত তেওঁলোকে ব্যক্তিগত জীৱনত সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

সামাজিক আৰু নৈতিক দিশত, নিয়মিত নিৰ্দেশনাই ছাত্ৰ-ছাত্ৰীসকলে আচৰণগত শৃংখলা, সদাচাৰ আৰু সমাজৰ সৈতে সমন্বয় সাধনৰ মূল্যবোধ আয়ত্ত কৰিবলৈ সহায় কৰে। এই পৰামৰ্শই সামাজিক কৌশল নেতৃত্ব আৰু সমষ্টিগত দায়িত্বৰ চেতনা বৃদ্ধিতো সহায় কৰে।

মাধ্যমিক শিক্ষাত নিৰ্দেশনাই ছাত্ৰ-ছাত্ৰীৰ সমগ্ৰ জীৱনৰ প্ৰাথমিক পৃষ্ঠভূমি প্ৰস্তুত কৰে। শৈক্ষিক, পেছাগত, বৃত্তিগত, মানসিক আৰু সামাজিক ক্ষেত্ৰত সুস্থ বিকাশ নিশ্চিত কৰি, তেওঁলোকে নিজৰ সম্ভাৱনাক চিনাক্ত কৰি আগন্তুক জীৱনত সাফল্যৰ দিশে আগবাঢ়িবলৈ শক্তিশালী প্ৰেৰণা লাভ কৰে। এক নিখুঁত নিৰ্দেশনা ব্যৱস্থা গঢ়ি তোলাটো সম্ভৱ। বিদ্যালয়, অভিভাৱক আৰু নীতি নিৰ্ধাৰকসকলৰ যৌথ পৰিশ্ৰম এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ।●


গ্ৰন্থপঞ্জী ঃ

নিৰ্দেশনা আৰু পৰামৰ্শদান, মোস্তাফিজুৰ ৰহমান

নিৰ্দেশনা আৰু পৰামৰ্শদান; ছেলিম উদ্দিন, শেৱালী দেৱী

Daily Assam wedsite.

https : // www.daily assam. com

# বঙালী সাহিত্য সংস্কৃতি — এক চমু আলোচনা

**গৌৰী মণ্ডল**
ষষ্ঠ ষাণ্মাসিক

সংস্কৃতি মানৱ সমাজৰ জ্ঞান-বিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, নৈতিকতা, উৎসৱ-অনুষ্ঠান, আইন-কানুন, শিল্প, কলা ইত্যাদি বৌদ্ধিক উৎকৰ্ষ সাধনৰ বিভিন্ন দিশবোৰ সামৰি লোৱা এক সামগ্ৰিক ৰূপ। সাধাৰণ অৰ্থত সংগীত, নৃত্য, নাটক, চিত্ৰকলা আদিক বুজোৱাৰ অৰ্থত সংস্কৃতি শব্দৰ ব্যৱহাৰ কৰা হয়। উৎসৱ-পাৰ্বন, ধৰ্মীয় আচাৰ-অনুষ্ঠান আদিকো লৈ সংস্কৃতি বুলি ধাৰণা কৰা হয়। কিন্তু বহল অৰ্থত সংস্কৃতি মানুহৰ জীৱন প্ৰৱাহ, ই কেৱল ব্যক্তিনিৰ্ভৰ নহয়, বৰং সমাজনিৰ্ভৰ।

বঙালী সংস্কৃতি বুলিলে আমি বঙালী সাহিত্য, সংগীত, শিল্প-কলা, ক্ৰীড়া, মানৱতা, জ্ঞান-বিজ্ঞান, সামাজিক গঠনৰীতি, সমাজত মিলা-প্ৰীতিৰে বসবাস শান্তি আৰু সৌন্দৰ্য্য আদিৰ সমন্বয়ক বুজোঁ। হাজাৰ হাজাৰ বছৰ ধৰি বিভিন্ন জাতি-ধৰ্মীয় গোট, বিভিন্ন শ্ৰেণীৰ মিশ্ৰন, পাৰস্পৰিক প্ৰভাৱ আৰু সমন্বয়ৰ ফলস্বৰূপে বঙালী সংস্কৃতি গঢ় লৈ উঠিছে। এই সংস্কৃতি বিভিন্ন সাহিত্যিক আৰু দাৰ্শনিকৰ ৰচনা কবিতা, গান, নাটক, আৰু চুটি গল্পৰ আদিৰ মাধ্যমেৰে প্ৰকাশ পাইছে। ইয়াত তাৰেই ব্যাখ্যা দিয়াৰ ক্ষুদ্ৰ প্ৰয়াস কৰা হৈছে।

**বঙালী সাহিত্য ঃ** বঙালী সাহিত্য হৈছে বিশ্ব সাহিত্যৰ এক অন্যতম অংগ। ৰবীন্দ্ৰনাথ ঠাকুৰ, বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় আৰু শৰৎচন্দ্ৰ চট্টোপাধ্যায় ইত্যাদি সাহিত্যিকসকলে বঙালী সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত অভূতপূৰ্ব অৱদান আগবঢ়াইছে। ৰবীন্দ্ৰনাথ ঠাকুৰ হৈছে একাধাৰে দিকদৰ্শী কবি, ঔপন্যাসিক, গল্পকাৰ, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ আৰু দাৰ্শনিক। ঊনবিংশ শতিকাৰ শেষৰ পৰা বিংশ শতিকাৰ মাজভাগলৈকে ৰবীন্দ্ৰনাথ ঠাকুৰে বঙালী সাহিত্যৰ এক বিশেষ পৰিৱৰ্তনৰ সূচনা কৰিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে তেখেতৰ 'গীতাঞ্জলি' কাব্যগ্ৰন্থৰ বাবে ১৯১৯ চনত তেওঁ এছিয়া মহাদেশৰ প্ৰথম ব্যক্তি হিচাপে ন'বেল বঁটা লাভ কৰিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰৰ দুটি কবিতা বিশ্বৰ দুখন দেশৰ জাতীয় সংগীত। তেওঁ বাংলাদেশৰ জাতীয় সংগীত 'আমাৰ সোনাৰ বাংলা' আৰু ভাৰতৰ জাতীয় সংগীত 'জন গণ মন' এই দুয়োটাৰে ৰচনা কৰিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰৰ সকলোতকৈ প্ৰভাৱশালী সাহিত্য হৈছে তেখেতৰ গান আৰু কবিতাবোৰ। মানুহৰ মাজত তেওঁ বিশ্বকবি আৰু কবিগুৰু নামেৰে প্ৰসিদ্ধ। ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্যগ্ৰন্থৰ ভিতৰত কেইখনমান কাব্যগ্ৰন্থ হৈছে — 'গীতাঞ্জলি', 'সোনাৰ তৰী', 'চিত্ৰা', 'কল্পনা', 'ক্ষণিকা', 'স্নেয়া', 'মহুৱা', আৰু 'গীতিমাল্য' ইত্যাদি।

বঙালী সাহিত্যৰ আন এজন পূজনীয় ব্যক্তি হৈছে বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়। তেখেত আছিল এজন বঙালী ঔপন্যাসিক কবি, প্ৰৱন্ধকাৰ আৰু সাংবাদিক। তেখেতে বঙালী সাহিত্যক আধুনিক ৰূপ প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা আগবঢ়াইছে। বিশেষকৈ বঙালী ঔপন্যাসিক বিকাশৰ ক্ষেত্ৰত তেখেতৰ অৱদান আজিও স্মৰণীয়। বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ক বঙালী উপন্যাসৰ জনক বুলিও কোৱা হয়। তেখেতৰ উপন্যাস "দুৰ্গেশনন্দিনী" বঙালী সাহিত্যৰ প্ৰথম সাৰ্থক উপন্যাস

হিচাপে পৰিচিত। তেখেত ভাৰতৰ সাহিত্যিক, উপন্যাসিক তথা গীতিকাৰ। তেখেতে ভাৰতৰ জাতীয় স্তোত্ৰ 'বন্দে মাতৰম্' শীৰ্ষক গীতৰ ৰচয়িতা। বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে "বঙ্গদৰ্শন" নামৰ এখন বঙালী ভাষাৰ সাহিত্য পত্ৰ প্ৰতিষ্ঠা কৰিছিল, যি বঙালী সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ কেইটামান প্ৰসিদ্ধ উপন্যাস হৈছে — 'দুৰ্গেশনন্দিনী', 'আনন্দমধ', 'দেৱী চৌধুৰানী', 'কপাল কুণ্ডলা', 'ৰাজসিংহ', 'বিষবৃক্ষ', 'ৰজনী', 'ৰাধাৰণী' আৰু 'সীতাৰাম' ইত্যাদি।

শৰৎ চন্দ্ৰ চট্টোপাধ্যায় হৈছে আন এজন বিখ্যাত বঙালী সাহিত্যিক। তেখেতৰ সাহিত্য-কৰ্মৰ কাৰণে তেখেতক 'অপৰাজেয় কথাশিল্পী' আৰু 'সাহিত্য সম্ৰাট' নামেৰে জনা যায়। তেখেত আছিল এজন বঙালী লেখক, ঔপন্যাসিক আৰু গল্পকাৰ। তেখেত দক্ষিণ এছিয়া আৰু বঙালী ভাষাৰ অন্যতম জনপ্ৰিয় কথা সাহিত্যিক। তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯২৩ খ্ৰীষ্টাব্দত 'জগত্তাৰিণী স্বৰ্ণ পদক' লাভ কৰে। ইয়াৰ উপৰি তেখেতে ঢাকা বিশ্ববিদ্যালয়ৰ পৰা ১৯৩৬ খ্ৰীষ্টাব্দত 'ডিলিট' উপাধি লাভ কৰিছিল। শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ বহু উপন্যাস চলচ্চিত্ৰলৈ ৰূপান্তৰিত হৈছে আৰু সেইবোৰ অতি জনপ্ৰিয় হৈ পৰিছে। শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ কেইটামান উপন্যাস হৈছে — 'পৰীণীতা', 'পল্লীসমাজ', 'দেৱদাস', 'চৰিত্ৰহীন', 'শ্ৰীকান্ত', 'দত্তা', 'গৃহদাহ' আৰু 'পথেৰ দাবী' ইত্যাদি। দৰ্শন হৈছে বঙালী সাহিত্যৰ এক গুৰুত্বপূৰ্ণ দিশ, য'ত বিভিন্ন দাৰ্শনিক তত্ত্ব, ধাৰণা আৰু চিন্তাভাৱনা বঙালী ভাষাৰ মাধ্যমত প্ৰকাশিত হৈছে।

এইসকলৰ উপৰিও আন আন বিখ্যাত সাহিত্যক চিন্তাবিদে বঙালী দৰ্শন সাহিত্য তথা চিন্তাভাৱনাক সমৃদ্ধ কৰি বঙালী সাহিত্যৰ ভঁৰাল অনবদ্য কৰি তুলিছে।

বঙালী দৰ্শন সাহিত্য হৈছে বঙালী ভাষাৰ মাধ্যমত প্ৰকাশিত দাৰ্শনিক চিন্তাভাৱনা আৰু সাহিত্যৰ প্ৰকাশ। বঙালী সাহিত্যিকসকলে বিভিন্ন দাৰ্শনিক আৰু সামাজিক সমস্যা লৈ বিশ্লেষণ কৰিছিল। বঙালী সাহিত্যৰ দাৰ্শনিক দিশটোৱে মূলতঃ ই বঙালী সাহিত্যক সমৃদ্ধ কৰিছে আৰু বঙালী ভাষাৰ মাধ্যমত বিভিন্ন দাৰ্শনিক চিন্তাভাৱনাৰ প্ৰকাশ ঘটাইছে।

**বঙালী সংগীত ঃ** বঙালী সংগীতৰ প্ৰভাৱশালী অংগসমূহ লোকসংগীত, ৰবীন্দ্ৰ সংগীত, আধুনিক গান আৰু বাউল গান ইত্যাদি। লোকসংগীত হৈছে গাঁৱলীয়া লোকৰ জীৱনৰ বিষাদ, সংস্কৃতি আদিৰ প্ৰতিচ্ছবি। ৰবীন্দ্ৰ সংগীত হৈছে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰা ৰচনা কৰা গীত। আধুনিক গানৰ দ্বাৰা বঙালী সংগীতৰ এক নতুন পথ খোলা হৈছে। বাউল গান হৈছে বাউল সংস্কৃতিৰ এক অংশ। যিটো লোক সংগীতৰ সৈতে জড়িত। কিছুমান বঙালী লোক সংগীত হৈছে — পাল তুলে দে, মিলন হবে, অপাৰ হয়ে যাব, সবলোক বলে, হৃদ মাঝাৰে ৰাখবো, ভ্ৰমৰ কইয়ো গিয়া ইত্যাদি। কেইটামান ৰবীন্দ্ৰ সংগীত হৈছে — মায়াবন বিহাৰিণী, আমাৰো পৰানো যাহা চায়, প্ৰাণ চায় চক্ষুণা চায়, পাগলা হাওয়া বাদল দিনে, ওহে কি কৰিলে বলো পাইবো তোমাৰে ইত্যাদি।

কিছুমান বঙালী আধুনিক গান হৈছে — এসো আলো এসো হে, আমাৰ গৰ্ব শুধু এই, এমন মধুৰ সন্ধায়, কে বলে চলে যাওয়া দিন ফিৰে, তোলো ছিন্ন বিনা, সন্ধ্যা বেলায় বসে আছি, আকাশেৰ চাঁদ মাটিৰ ইত্যাদি। বঙালী বাউল গান কেইটামান হৈছে— মায়াৰ শিকল ছিড়ে, শ্মশানে তে শান্তিৰ, গানই আমাৰ জীৱন, পৰে ৰবে এই ঘৰ, মায়েৰ মত দৰদী, ওগো দয়াময় আমি।

**বঙালী খাদ্য সংস্কৃতি ঃ** বঙালী ৰন্ধনশৈলীৰ বৈশিষ্ট্য হৈছে ইয়াৰ সোৱাদ আৰু সুগন্ধ। বঙালী খাদ্য সম্ভাৰ ভাত, মাছ, মাংস, দালি, শাক-পাচলি, তৰকাৰী, মিষ্টি, দৈ, মিঠাই আৰু পায়স আদিৰে সজোৱা হয়। বঙালী খাদ্যৰ প্ৰধান বৈশিষ্ট্য হৈছে ইয়াত মছলাৰ ব্যৱহাৰ। বঙালী খাদ্যৰ সোৱাদ আৰু সুগন্ধ বিভিন্ন ধৰণৰ মছলাৰ ব্যৱহাৰ। বঙালী খাদ্যৰ সোৱাদ আৰু সুগন্ধ বিভিন্ন ধৰণৰ মছলাৰ দ্বাৰা বৃদ্ধি কৰা হয়। যাৰ ভিতৰত আছে হালধি, মৰিচ, জিৰা, ধনীয়া, গৰম মছলা, আদা, নহৰু, পিয়াঁজ ইত্যাদি। বঙালী খাদ্যৰ প্ৰধান উপাদান হ'ল ভাত, মাছ, মাংস, দালি আৰু বিভিন্ন ধৰণৰ মছলা। ভাত হৈছে বঙালীসকলৰ এক প্ৰধান খাদ্য। বঙালীসকল তেওঁলোকৰ খাদ্যাভ্যাসৰ বাবে 'ভেতো' বঙালী বুলিও কোৱা হয়। বঙালীসকলৰ কিছুমান খাদ্যৰ নাম হৈছে — আলু পোস্ত, ইলিশ মাছেৰ ঝোল, সুক্ত, লুচি, আলুৰ দম, ছোলাৰ ডাল, বিৰিয়ানি ইত্যাদি। পিঠাও হৈছে এক বঙালীসকলৰ জনপ্ৰিয় খাদ্য। বিভিন্ন উৎসৱ অনুষ্ঠান আদিত পিঠা খোৱাৰ প্ৰথা আছে। বঙালী

সংস্কৃতিত বিভিন্ন অনুষ্ঠানৰ সময়ত পিঠাৰ লগতে লাৰু মুৰা আদিও তৈয়াৰ কৰা হয়। ৰসগোল্লাও হৈছে বঙালীসকলৰ অতি প্ৰিয় মিঠাই।

**উৎসৱ ঃ** বঙালী সংস্কৃতিত বিভিন্ন ধৰণৰ উৎসৱ আৰু সামাজিক ৰীতি-নীতি পালন কৰা হয়। যেনে — দুৰ্গা পূজা, কালী পূজা, লক্ষ্মী পূজা, সৰস্বতী পূজা, দোলযাত্ৰা (হোলী), ঝুলন যাত্ৰা, চড়ক পূজা, জগদ্ধাত্ৰী পূজা, জন্মাষ্টমী, ৰাস পূৰ্ণিমা, শিৱৰাত্ৰী আদি ধৰ্মীয় অনুষ্ঠান কেন্দ্ৰিক উৎসৱ। সামাজিক আৰু ঋতু উৎসৱ যেনে — অন্নপ্ৰাসন, বিয়া, জামাই ষষ্ঠী, ভ্ৰাতৃদ্বিতীয়া, পৌষ উৎসৱ আৰু নৱবৰ্ষ ইত্যাদি।

বঙালীসকলৰ দুৰ্গাপূজা হৈছে হিন্দু ধৰ্মৰ এক অন্যতম প্ৰধান উৎসৱ। এই পূজাটো সাধাৰণতে আহিন মাহৰ শুক্ল পক্ষৰ ষষ্ঠ দিন তথা ষষ্ঠীৰ পৰা আৰম্ভ হৈ দশমী পৰ্যন্ত উদ্‌যাপন কৰা হয়। এই পাঁচ দিনৰ প্ৰথম দুৰ্গা ষষ্ঠী, দ্বিতীয় দিনক মহাসপ্তমী, তৃতীয় দিনক মহা অষ্টমী, চতুৰ্থ দিনক মহা নৱমী আৰু পঞ্চম দিনক বিজয়া দশমী বুলি কোৱা হয়। এই পক্ষটোক দেৱী পক্ষ নামেৰেও জনা যায়। পূৰ্ববৰ্তী অমাবস্যাৰ দিনা এই দেৱীপক্ষৰ সূচনা হয় আৰু ইয়াক মহালয়া বুলি জনা যায় আৰু পূৰ্ণিমাৰ দিনাক লক্ষ্মী পূজাৰ দিন হিচাপে গণ্য কৰা হয়। হিন্দু ধৰ্মৰ এই পৰম্পৰাগত দুৰ্গাপূজা এক গুৰুত্বপূৰ্ণ উৎসৱ। কলিকতাৰ দুৰ্গাপূজা ২০২১ চনত ইউনেস্ক'ৰ বিমূৰ্ত সংস্কৃতিক ঐতিহ্যৰ তালিকাত সন্নিৱিষ্ট হৈছে। দুৰ্গাপূজাখন দেৱী দুৰ্গাৰ মহিষাসুৰ বধৰ বিজয়ৰ স্মৃতিৰূপে পালন কৰা হয়। এই পূজা দেৱী দুৰ্গাৰ ৰূপৰ আৰাধনাৰে পালন কৰা হয়।

**পোছাক আৰু অলংকাৰ ঃ** বঙালী সংস্কৃতিৰ সাজ-পোছাকৰ ভিতৰত মহিলাৰ বাবে শাৰী আৰু পুৰুষৰ বাবে ধূতি আৰু পাঞ্জাৰী আদি উল্লেখযোগ্য।

বঙালী মহিলাসকলে পৰিধান কৰা শাৰীৰ বিভিন্ন ধৰণৰ নাম আছে। যেনে— জামদানি শাৰী, বেনাৰসী শাৰী, সুতিৰ শাৰী, খাদী শাৰী, মণিপুৰি শাৰী, শিল্ক শাৰী, টঙ্গাইলেৰ তাঁতেৰ শাৰী, গ্ৰামীন চেক শাৰী, ৰাজশাহী ৰেশমী শাৰী, নেট শাৰী, কাতান শাৰী, ভেলভেট শাৰী, কাঞ্চিপুৰাম বা কাঞ্জিভাৰাম শাৰী, চিকেনকাৰী শাৰী ইত্যাদি।

বঙালী পুৰুষে পৰিধান কৰা বিভিন্ন কাপোৰৰ নাম হৈছে ধূতি, পাইজামা, চাৰ্ট, কোট, জামা আৰু ব্লেজাৰ ইত্যাদি।

বঙালীসকলৰ পৰিধান কৰা বিভিন্ন ধৰণৰ অলংকাৰৰ প্ৰচলন আছে। বঙালীসকলে পৰিধান কৰা কিছুমান অলংকাৰৰ নাম হ'ল— আঙঠি, কণ্ঠহাৰ (যেনে- সীতাহাৰ, সাতনলি হাৰ, চোকাৰ নেকলেস আদি) কানৰ অলংকাৰ (যেনে- কানফুলি, নোলক ইত্যাদি) চুৰি, বালা, টিকলি, নথ, কমৰ বান্ধা, ৰতনচুৰা, মুকুট, বান পিন আৰু নুপুৰ ইত্যাদি।

**বঙালী বিয়া ঃ** বঙালী বিয়া ইয়াৰ দৰ্শনীয় পৰম্পৰাগত ৰীতি-নীতিৰ বাবে ই জনাজাত। বঙালী বিয়াক এক সজীৱ আৰু ৰঙীন উদ্‌যাপন বুলি ক'ব পাৰি। যিয়ে নতুন সম্পৰ্কক দৃঢ় কৰি তোলে। চাৰি-পাঁচদিন ধৰি উদ্‌যাপন কৰা এই বিয়াত বিভিন্ন অনুষ্ঠান আছে। বঙালী বিয়াত আনন্দ আৰু মজাৰ লগতে বিভিন্ন ধৰণৰ ৰীতি-নীতিও আছে। সেইবোৰ হ'ল আশীৰ্বাদ— আশীৰ্বাদৰ মাধ্যমত বঙালী বিয়াৰ সূচনা কৰা হয়। বিয়াৰ তাৰিখ ঠিক হোৱাৰ পিছত দৰা আৰু কইনাক উভয় পৰিয়ালে আশীৰ্বাদ কৰা হয়। দৰা আৰু কইনা দুয়োকে সোণৰ অলংকাৰ দি আশীৰ্বাদ কৰা হয়। কেতিয়াবা কেতিয়াবা এই আশীৰ্বাদ অনুষ্ঠানটো বিয়াৰ দিনাও অনুষ্ঠিত কৰা হয়।

আইবুৰোভাত — আইবুৰোভাত হৈছে দৰা আৰু কইনাক তেওঁলোকৰ বন্ধু-বান্ধৱীসকলে আৰু আত্মীয়সকল বিয়াৰ আগত দিয়া এক বিভিন্ন ধৰণৰ সোৱাদজনক খাদ্য। য'ত মাছ, মাংস, দালি বিভিন্ন ধৰণৰ তৰকাৰী, বিভিন্ন ধৰণৰ ভাজি, মিঠাই ইত্যাদিৰে সজাই পৰিৱেশন কৰা হয়।

গায়ে হলুদ — বিয়াৰ দিনা দৰা আৰু কইনাক হালধিৰে গা ধুৱাই দিয়া হয়, তাৰ পিছত সেই একেই হালধি পেষ্ট কিছু উপহাৰৰ লগত কইনাৰ ঘৰলৈ পঠিওৱা হয়। তাৰ পিছত দৰাক দিয়া সেই একেই হালধি পেষ্ট কইনাৰ গাত লগাই স্নান কৰোৱা হয়।

শাখা পলা — বিয়াৰ আগত শেষ অনুষ্ঠান হৈছে শাখা পলা। শাখা হৈছে শংখৰে তৈয়াৰী এখন চুড়ি আৰু পলা হৈছে এখন লাল ৰঙৰ চুড়ি। বিয়াৰ দিনা গায়ে হলুদ শেষ হোৱাৰ পিছত কইনাক শাখা পলা পৰিধান কৰোৱা হয়। শাখা আৰু পলাক বঙালী বিবাহিত মহিলাৰ প্ৰতীক

বুলি কোৱা হয়।

দধি মঙ্গল — এই অনুষ্ঠানটোত বিয়াৰ দিনা ৰাতিপুৱা দৰা আৰু কইনাক মিষ্টি দৈ আৰু চিৰা খুওৱা হয়। ইয়াৰ পিছত বিয়া সম্পন্ন হোৱাৰ আগলৈকে দৰা আৰু কইনাক উপবাসে ৰখা হয়।

বৰবৰণ — বিয়াৰ আগৰ সকলো অনুষ্ঠান সম্পন্ন কৰাৰ পিছত দৰাই বিয়াৰ বাবে কইনাৰ ঘৰলৈ শোভাযাত্ৰা কৰে। কইনাৰ ঘৰৰ পদুলিত কইনাৰ মাক অন্যান্য আত্মীয়সকলৰ লগত দৰাক পবিত্ৰ প্ৰদীপ জ্বলাই মিষ্টি আৰু পানী খুৱাই স্বাগত জনোৱা হয়।

শুভ দৃষ্টি — পিড়িত কইনাক বহুৱাই বিবাহ মণ্ডললৈ লৈ যোৱা হয় যিটো কইনাৰ চাৰি ভায়েকে বহন কৰে। কইনাক দৰাৰ সন্মুখত লৈ যোৱাৰ পিছত কইনাই লাহে লাহে মুখৰ পৰা পান পাতা মুকলি কৰে আৰু দৰা কইনাৰ চোখ শঙ্খ ধ্বনিৰে মিলিত হয়।

মালাবদল — শুভ দৃষ্টিৰ পিছত দৰা আৰু কইনাৰ মালা বদল কৰা হয়।

সম্প্ৰদান — ইয়াত কইনাৰ পিতৃ অথবা ভাতৃয়ে কইনাৰ হাত দৰাৰ হাতত তুলি দিয়ে। ইয়াক কন্যাদান বুলিও কোৱা হয়।

যজ্ঞ — পবিত্ৰ অগ্নি জ্বলাই তাৰ সন্মুখত দৰা আৰু কইনাক বহুৱাই পুৰোহিতজনে তেওঁলোকৰ বিয়া আনুষ্ঠানিকভাৱে সম্পন্ন কৰাৰ বাবে বৈদিক মন্ত্ৰ পাঠ কৰে।

সপ্তপদী — ইয়াক 'সাত পাকৰ সপ্তপদী' বোলা হয়, য'ত কইনাৰ শাৰীৰ পল্লু দৰাৰ উত্তৰিয়ৰ সৈতে বান্ধি দিয়া হয় আৰু পবিত্ৰ অগ্নিৰ চাৰি পাশে সাতবাৰ প্ৰদক্ষিণ কৰিবলৈ কোৱা হয়। ইয়াত দৰা আৰু কইনাই একে অপৰৰ লগত গোটেই জীৱন থকাৰ শপত গ্ৰহণ কৰে।

কুসুম ডিঙ্গে — ইয়াত দৰাই কইনাৰ হাতৰ পিছৰ পৰা ধৰি পবিত্ৰ অগ্নিত ধানৰ পৰা তৈয়াৰী খৈ একেলগে উৎসৰ্গ কৰে।

সিন্দুৰ দান — বঙালী বিবাহ সমাপ্তিৰ চিহ্ন হৈছে সিন্দুৰ দান। য'ত দৰাই আঙঠি বা সৰু বেতৰ হাৰি ব্যৱহাৰ কৰি কইনাৰ সিথিত ৰঙা ৰঙৰ সিন্দুৰ লগাই দিয়ে। ইয়াৰ পিছত কইনাৰ মুখখন বৰ পক্ষৰ ফালৰ পৰা দিয়া এখন নতুন শাৰীৰে ঢাকি দিয়া হয়।

বিদায় — বঙালী বিয়াৰ নিয়মৰ তালিকাত ই হৈছে এক কষ্টদায়ক নিয়ম। য'ত কইনাই তাইৰ সকলো স্মৃতি লৈ পিতৃ ঘৰ ত্যাগ কৰি স্বামীৰ ঘৰলৈ যায়। ইয়াত কইনাই তাইৰ স্বামীৰ ঘৰলৈ যোৱাৰ আগত তাইৰ মাৰ আঁচলত আগফালে মুখ ঘূৰাই দুই হাতেৰে খৈ দলিয়াই দিয়ে। ইয়াক মাকৰ ঋণ সুধ কৰা বুলি কোৱা হয়।

বধু বৰন — ইয়াত দৰাৰ মাকে কইনাক আৰতি কৰি আৰু দুধ আৰু আলতা ভৰি থোৱা পাত্ৰত ভৰি দি ঘৰত প্ৰৱেশ কৰোৱা হয়। এই নিয়মটো দেৱী লক্ষ্মীৰ প্ৰৱেশৰ প্ৰতীক বুলি কোৱা হয়।

বৌ ভাত — বৌ ভাতৰ পিছত আৰু দুটা নিয়ম পালন কৰা হয়, কালৰাত্ৰি আৰু ভাত কাপোৰ। বৌ ভাতৰ দিন ৰাতিপুৱা দৰাই কইনাক এখন বিভিন্ন খাদ্যৰে সজোৱা থালি আৰু এখন নতুন শাৰী উপহাৰ হিচাপে দি কইনাৰ গোটেই জীৱনৰ দায়িত্ব লোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। সেই একেই দিনতে সন্ধিয়াৰ সময়ত বৌ ভাত নামৰ এখন অনুষ্ঠান উদ্‌যাপন কৰা হয়। বৌ ভাতৰ দিনা কইনাৰ পৰিয়ালক আমন্ত্ৰিত কৰা হয়।

বঙালী সংস্কৃতিৰ সাৰবস্তু হ'ল সাহিত্য, দৰ্শন, শিল্প, সংগীত, খাদ্য, উৎসৱ, পোছাক, বিবাহ, নৃত্য আৰু সামাজিক প্ৰথা। বঙালী সংস্কৃতি হৈছে এক সমৃদ্ধশীল আৰু বৈচিত্ৰ্যময় সংস্কৃতি।●

# ছুড'কু

**কংকণা দাস**
পঞ্চম ষাণ্মাসিক

ছুড'কু (Sudoku) এটা সংখ্যাৰ যুক্তিৰ খেল য'ত গণনা কৰিবলৈ কাগজ আৰু পেঞ্চিলৰ ব্যৱহাৰৰ প্ৰয়োজন হয়। ছুড'কু (Sudoku)ৰ ইতিহাস ১৮ শতিকাৰ চুইছ গণিতজ্ঞৰ (Swiss mathematicians) "লেটিন স্কোৰেৰ" (Latin Squares)
নামৰ খেলৰ পৰা উদ্ভৱ হয়। এই খেলটো এটা n×n সংখ্যাৰ বৰ্গ যাৰ প্ৰতিটো শাৰী আৰু স্তম্ভত সংখ্যাৰ পুনৰাবৃত্তি নোহোৱাকৈ গঠিত। ২০০ বছৰ পিছত এজন অৱসৰপ্ৰাপ্ত আমেৰিকান স্থপতিবিদ হাৱাৰ্ড গাৰ্ণাছে (Honward Garns) এই লেটিন বৰ্গক্ষেত্ৰৰ ওপৰত ভিত্তি কৰি সংখ্যা পূৰ কৰা এটা ধুনীয়া খেল উদ্ভাৱন কৰিছিল, যিটো ছুড'কু (Sudoku)ৰ নিচিনা প্ৰায় একেই। ১৯৭০ চনত এখন আলোচনীয়ে এই গেমটো প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে, যাক তেতিয়া "নাম্বাৰ প্লেচ" (Number place) বুলি কোৱা হৈছিল। এইটো ছুড'কু (Sudoku) আটাইতকৈ প্ৰাচীন স্বীকৃতিপ্ৰাপ্ত সংস্কৰণ যিটো প্ৰকাশ পাইছিল। ১৯৮৪ চনত ছুড'কু (Sudoku)ৰ গডফাদাৰ (Godfather) হিচাপে পৰিচিত মাকি কাজীয়ে (Maki kaji) ছুড'কু (Sudoku)ৰ জাপানত চিনাকী কৰাই দি তেওঁৰ প্ৰহেলিকা "নিকলিত"'ত (Nikoli) প্ৰকাশ কৰে। তেতিয়া মূল প্ৰহেলিকাটোৰ নাম "ছুজিৰা ডকুছিন নি কাগিৰু" দিয়া হৈছিল, যাৰ অৰ্থ হ'ল 'সংখ্যাটো মাত্ৰ এবাৰহে ওলাব লাগিব'। এই 'ছুজি ৰা ডকুছিন নি কাগিৰু'ক চমু কৰি 'ছুড'কু' নাম দিয়া হ'ল - 'ছু' মানে হ'ল 'সংখ্যা' আৰু 'ডকু' মানে 'একমাত্ৰ এবাৰ' অৰ্থাৎ এটা সংখ্যা ছড'কু (Sudoku) দুবাৰ ব্যৱহাৰ কৰিব নোৱাৰি। ১৯৯৭ চনৰ মাৰ্চ মাহত ছুড'কুক (Sudoku) পশ্চিম বিশ্বলৈ পুনৰ পৰিৱৰ্তন কৰি অনা মানুহজন আছিল ৱেইন গ'ল্ড (Wayne Gold) নামৰ নিউজিলেণ্ডৰ বিচাৰক এজন। সেই সময়ত তেওঁ নিজাববীয়াকৈ প্ৰহেলিকা সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছিল আৰু ইয়াৰ বিভিন্ন সংস্কৰণ বৃহৎ সংখ্যাৰ পাঠক থকা হাই প্ৰফাইল বাতৰি কাকতলৈ পঠিয়াইছিল। তাৰ পিছত তেওঁ ৬ বছৰ এটা কম্পিউটাৰ প্ৰগ্ৰেম প্ৰস্তুত কৰাত লাগিছিল যিয়ে ছুড'কু (Sudoku) সৃষ্টি কৰিব পাৰে আৰু ইয়াক ইয়াক এটা ৱেবছাইটত ৰাখিছিল যাৰ ফলত ছুড'কু (Sudoku) দ্ৰুত গতিত জনপ্ৰিয় হৈ পৰিছিল। ১০ বছৰৰ ভিতৰত ছুড'কু (Sudoku) এটা বিশ্বব্যাপী পৰিঘটনাত পৰিণত হৈছিল। ২০০৬ চনত ইটালীত ছুড'কু (Sudoku) প্ৰথম বিশ্ব চেম্পিয়ন আয়োজন কৰা হৈছিল।

ছুড'কু (Sudoku) ৯×৯ বৰ্গক পৰাস্ত কৰিবলৈ যুক্তি, ধৈৰ্য আৰু পেঞ্চিলৰ প্ৰয়োজন। প্ৰথম দৃষ্টিত ছুড'কু (Sudoku) ক সংখ্যা আৰু খালী বৰ্গৰ কিংকৰ্তব্যবিমূঢ় এক গাণিতিক বিভ্ৰান্তি যেন লাগে, কিন্তু ভালদৰে পৰীক্ষা কৰিলে দেখা পোৱা যায় যে ছুড'কু (Sudoku)ত গাণিতিক দক্ষতাৰ একেবাৰেই প্ৰয়োজন নাই। ইয়াৰ বাবে

সাধাৰণ জ্ঞান বা ভাষিক ক্ষমতাৰো প্ৰয়োজন নহয়, যাৰ বাবে ই হয়তো বাতৰি কাকতৰ পিছফালৰ পৃষ্ঠাৰ আৰু প্ৰহেলিকা কিতাপৰ আটাইতকৈ সুলভ খেল।

ছুড'কুৰ (Sudoku) নিয়মবোৰ সহজ, পোনপটীয়া আৰু এই সৰলতাই প্ৰহেলিকাবোৰৰ সমাধান বিচাৰি উলিওৱাত আৰু সমাধান কৰাত এক প্ৰত্যাহ্বান আনিছে। ছুড'কু (Sudoku) খেলিবলৈ খেলুৱৈয়ে মাত্ৰ ১ ৰ পৰা ৯ লৈকে সংখ্যাবোৰ পৰিচিত হ'ব লাগে আৰু যুক্তি সংগতভাৱে চিন্তা কৰিব পাৰিব লাগে।

এই খেলৰ লক্ষ্য ১ ৰ পৰা ৯ লৈকে সংখ্যা ব্যৱহাৰ কৰি খালী বৰ্গ পূৰ কৰা আৰু সম্পূৰ্ণ কৰা। প্ৰত্যাহ্বানজনক কথাতো হ'ল যে খেলুৱৈয়ে বৰ্গ পূৰ কৰিবলৈ মানি চলিব পৰা নিষেধাজ্ঞাবোৰ।

এই প্ৰহেলিকাত প্ৰতিটো শাৰী আৰু স্তম্ভত ১ ৰ পৰা ৯ লৈকে পুনৰাবৃত্তি নোহোৱাকৈ অংকবোৰ সজাব লাগে আৰু অংকবোৰৰ স্থানৰ ক্ৰম অপ্ৰাসংগিক। এই নিয়মীয়া ৯×৯ বৰ্গক ৩×৩ ৰ ৯টা সৰু বৰ্গত ভাগ কৰা হয় যাক ননেট (Nonet) বুলি কোৱা হয়। ১ ৰ পৰা ৯ লৈকে অংকবোৰ প্ৰতিটো ননেটত এবাৰহে বহিব পাৰে, আৰু প্ৰতিটো শাৰী, স্তম্ভ আৰু ননেটৰ যোগফল ৪৫ ৰ সমান হ'ব লাগে।

প্ৰতিটো ছুড'কু (Sudoku) প্ৰহেলিকাৰ এটা সুকীয়া সমাধান থাকে যিটো ছুড'কু (Sudoku) নিয়মসমূহ সঠিকভাৱে অনুসৰণ কৰিলেহে লাভ কৰিব পাৰি। ●

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 2 | | | 5 | | | 6 | | 8 |
| | 3 | 4 | 1 | | | 7 | 9 | |
| | | | 2 | | | 1 | | 5 |
| 8 | 6 | | | 1 | 4 | | 7 | 9 |
| | 5 | | | 9 | | | 2 | 3 |
| 9 | | 3 | 7 | | 2 | 8 | | |
| 3 | | 1 | 4 | | 5 | | | 7 |
| | 8 | 6 | | 2 | | 3 | 5 | |
| 4 | | | | | | 9 | | 1 |

# ভ্ৰূণহত্যা

**নাৰচিমা চুলতানা**
ষষ্ঠ যাণ্মাসিক

ভ্ৰূণহত্যা হ'ল ভ্ৰূণক হত্যা কৰা অথবা এক প্ৰকাৰৰ গৰ্ভপাত ঘটোৱা। চিকিৎসা বিদ্যাত ভ্ৰূণহত্যা শব্দটিক সাধাৰণতে গৰ্ভপাত পদ্ধতিৰ এটি অংশক বুজোৱা হয়।

গতিকে, গৰ্ভপাত হৈছে এক প্ৰকাৰৰ জীৱ হত্যা। মানৱ ভ্ৰূণক হত্যা কৰাই হ'ল গৰ্ভপাত। প্ৰাপ্ত বয়স্ক নৰ-নাৰীৰ স্বাভাৱিক যৌন ক্ৰিয়াৰ ফলত সন্তান ধাৰণ কৰাৰ পিছত তাক যদি বিনষ্ট কৰা হয়, তেনেহ'লে তাক গৰ্ভপাত বোলা হয়। কোনো ভ্ৰূণ নিজে নিজে বাচি থকাৰ সক্ষম হোৱাৰ আগতেই যদি তাক অপসৰণ কৰি অথবা মাতৃ গৰ্ভৰ পৰা জোৰপূৰ্বকভাৱে উলিয়াই দি গৰ্ভধাৰণৰ অৱসান ঘটোৱাক গৰ্ভপাত বোলে। গৰ্ভপাত বিভিন্ন ধৰণে কৰোৱা হয়। যেনে— Madical Abortian, Vacuum Aspiration, Dilation and Evacuatian, Labaour Induction Abortian ইত্যাদি গৰ্ভপাত যদি অনিচ্ছাকৃতভাৱে সংঘটিত হয় তেনেহ'লে সেইক্ষেত্ৰত ইয়াক গৰ্ভ চ্যুতি বুলি কোৱা হয়। যি আইনগতভাৱে বৈধ। কিন্তু গৰ্ভপাত হ'ল ইচ্ছাকৃত ভ্ৰূণহত্যা। সেয়েহে ই আইনগতভাৱে অবৈধ আৰু অনৈতিক।

**গৰ্ভপাত আৰু নৈতিকতা ঃ**

দৰাচলতে গৰ্ভপাত আকস্মিক দুৰ্ঘটনাৰ কাৰণতে সংঘটিত হ'ব পাৰে, কেতিয়াবা প্ৰাকৃতিক কাৰণতে সংঘটিত হ'ব পাৰে অথবা শাৰীৰিক ত্ৰূটিজনিত কাৰণত সংঘটিত হ'ব পাৰে। এনে গৰ্ভপাতৰ ক্ষেত্ৰত কোনোধৰণৰ নৈতিক প্ৰশ্নৰ উদ্ভৱ নহয়। কিন্তু যদি কোনো গৰ্ভপাতৰ ক্ষেত্ৰত মানুহৰ কোনোধৰণৰ অৱহেলা বা উদ্দেশ্য জড়িত থাকে তেনে ক্ষেত্ৰত নৈতিক প্ৰশ্নৰ উদ্ভৱ হয়। যি মহিলাৰ গৰ্ভপাত কৰোৱা হয়, সিও এইক্ষেত্ৰত নৈতিক প্ৰশ্নৰ সন্মুখীন হয়। গৰ্ভপাতৰ অৰ্থ হ'ল সম্ভাব্য মানৱ সত্তাৰ বিনাশ ঘটোৱা বা সম্ভাব্য মানৱ সত্তাৰ অস্তিত্বক হত্যা কৰা। গতিকে গৰ্ভৰ যথোপযুক্ত সংৰক্ষণ কৰাটো আমাৰ প্ৰত্যেকৰে নৈতিক কৰ্তব্য আৰু দায়িত্ব নহয়, সেই মহিলা গৰাকীৰ লগত প্ৰত্যক্ষভাৱে জড়িত সকলো নিকট আত্মীয়ই ইয়াক সংৰক্ষণ কৰিব লাগিব। গতিকে গৰ্ভপাত সংঘটিত হ'লে তাৰ বাবে কেৱল মহিলাগৰাকী দায়ী নহয়, মহিলাগৰাকীৰ লগত সম্বন্বিত প্ৰত্যেকজন নিকটতম আত্মীয় ইয়াৰ বাবে প্ৰত্যক্ষ বা পৰোক্ষভাৱে দায়ী।

এটা কথা আমি সকলোৱে জানো যে ন মাহৰ পূৰ্বে শিশু জন্মগ্ৰহণ কৰিও সম্পূৰ্ণ স্বাভাৱিক জীৱন-যাপন কৰিব পাৰে। গতিকে মানৱ ভ্ৰূণৰ নৈতিক মূলক অস্বীকাৰ কৰাটো যুক্তিসংগত নহয়। গতিকে কোনো ক্ষেত্ৰতে গৰ্ভপাতৰ নৈতিক স্বীকৃতি দিয়া নহয়। কিন্তু এনে কিছু পৰিস্থিতি আছে য'ত মহিলা গৰাকীৰ গৰ্ভপাত কৰাটো নৈতিক দিশৰ পৰা উচিত বুলি বিবেচিত হ'ব পাৰে। কোনো কাৰণবশতঃ এগৰাকী গৰ্ভৱতী মহিলাৰ স্বাস্থ্যৰ ইমানেই অৱণতি হ'ব পাৰে যে মহিলা গৰাকীৰ জীৱন

বচোৰাৰ স্বাৰ্থত গৰ্ভপাত আৱশ্যকীয় হ'ব পাৰে। ধৰ্ষণৰ ফলত হোৱা গৰ্ভধাৰণ, ফুলকুমলীয়া বয়সত হোৱা গৰ্ভধাৰণৰ ক্ষেত্ৰত মহিলা বা ছোৱালী গৰাকীৰ জীৱন আৰু সামাজিক অৱস্থাৰ কথা চিন্তা কৰি বহুতো সময়ত গৰ্ভপাত সমৰ্থন কৰাৰ বাহিৰে আন কোনো উপায় নাথাকে। গতিকে গৰ্ভপাত সকলো সময়তে অনৈতিক হ'ব নোৱাৰে। পৰিস্থিতি আৰু গৰ্ভধাৰণীৰ জীৱনৰ প্ৰতি লক্ষ্য ৰাখি গৰ্ভপাতৰ নৈতিক মানদণ্ড নিৰ্ণীত হয়।

গৰ্ভপাত সম্পৰ্কীয় এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল যে ধৰ্ষণৰ ক্ষেত্ৰত যদি কোনো মহিলা বা কুমাৰী ছোৱালীয়ে অনিচ্ছাকৃত বা অজ্ঞাতে গৰ্ভধাৰণ কৰে, তেনেক্ষেত্ৰত নৈতিক নিয়ম কি হ'ব? ধৰ্ষণৰ দ্বাৰা উৎপন্ন গৰ্ভক নাশ কৰাৰ নৈতিক অধিকাৰ আছেনে? ইয়াৰ উত্তৰত বিভিন্ন ব্যক্তিৰ বিভিন্ন মতামত পোৱা যায়। কিছুমান চিন্তাবিদৰ মতে ধৰ্ষণৰ ফলত উৎপন্ন গৰ্ভনাশ কৰা উচিত। কাৰণ এনে গৰ্ভপাত এক প্ৰকাৰৰ পাপৰ পৰিণতি। গতিকে সাধাৰণ গৰ্ভপাতৰ ক্ষেত্ৰত আমি কিছুমান বিশেষ বিশেষ গৰ্ভপাতক স্বীকাৰ কৰিছোঁ, কিন্তু ধৰ্ষণজনিত গৰ্ভধাৰণৰ ক্ষেত্ৰত গৰ্ভপাত নৈতিক দিশৰ পৰা গ্ৰহণযোগ্য। কিন্তু ইয়াৰ বিপৰীতে আন কিছুমান ব্যক্তি আছে যিসকলে এই ক্ষেত্ৰতো গৰ্ভপাত নৈতিক বুলি স্বীকাৰ নকৰে। তেওঁলোকৰ মতে, ই শাস্তিবিধানৰ সম্পূৰ্ণ বিৰোধী প্ৰক্ৰিয়া যাক কোনো পধ্যেই সমৰ্থন কৰিব নোৱাৰি। শাস্তিৰ মূল উদ্দেশ্য হ'ল অপৰাধীক দণ্ড দিয়া; গতিকে ধৰ্ষণৰ অপৰাধীক দণ্ড দিয়া উচিত, কিন্তু ইয়াৰ ফলত জন্ম লোৱা ভ্ৰূণ বা শিশুক দণ্ড দিয়াটো কোনো পধ্যেই সমৰ্থনযোগ্য নহয়। কাৰণ ভ্ৰূণে ধৰ্ষণ কাম সংঘটিত কৰা নাই বা ধৰ্ষণ ক্ৰিয়াত কাকো প্ৰেৰণ বা উৎসাহিতও কৰা নাই। গতিকে যি কাম ভ্ৰূণে সংঘটিত কৰা নাই তাৰ শাস্তি ভ্ৰূণে ভোগ কৰাৰ প্ৰশ্নই নুঠে বুলি বহুতো পণ্ডিতে মন্তব্য কৰে।

যি নহওক, গৰ্ভপাত কেতিয়াবা নৈতিক আৰু কেতিয়াবা অনৈতিক হ'ব পাৰে। যদি গৰ্ভপাত একান্তভাৱে প্ৰয়োজনীয় হয়, তেনেহ'লে তাক সু-চিকিৎসাৰ দ্বাৰা সম্পন্ন কৰাটো উচিত। ইয়াৰ সপক্ষে বা বিপক্ষে কোনো সুস্পষ্ট সিদ্ধান্ত প্ৰতিষ্ঠা কৰা নাযায়। গৰ্ভপাত ক্ৰিয়া সম্পূৰ্ণ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। গৰ্ভপাত কৰা মহিলাৰ স্বাস্থ্য, গৰ্ভস্থ শিশুৰ স্বাস্থ্য সামাজিক অৱস্থা, মহিলাৰ বয়স ইত্যাদি বিভিন্ন বিষয় গৰ্ভপাতৰ লগত জড়িত হৈ থাকে। ●

Link - https : // en. m. wikipedia. org / wiki / toeticide
https : // my clevelandclinic. og/health/diseases / 9688 - miscarriage



# বাল্যবিবাহ ঃ এটা সামাজিক ব্যাধি

**জাহ্নৱী দাস**
ষষ্ঠ ষাণ্মাসিক

বাল্যবিবাহ হৈছে এগৰাকী নাবালিকা অৰ্থাৎ ১৮ বছৰ তলৰ এগৰাকী ছোৱালীক এজন প্ৰাপ্তবয়স্ক পুৰুষলৈ বিয়া দিয়াৰ প্ৰণালী। বাল্যবিবাহ সমাজৰ এটা গুৰুতৰ ব্যাধি, যি শিশুসকলৰ স্বাভাৱিক বিকাশত বাধাৰ সৃষ্টি কৰে। বিশেষকৈ ছোৱালী শিশুসকল এই সমস্যাৰ বলি হয়। বাল্য বিবাহৰ ফলত শিশুক শৈশৱৰ আনন্দৰ পৰা বঞ্চিত কৰা হয়, তেওঁলোকৰ শিক্ষা আৰু স্বাৱলম্বী হোৱাৰ অধিকাৰো হেৰুৱায়।

বাল্যবিবাহৰ বিভিন্ন কাৰণসমূহ হ'ল ঃ

দৰিদ্ৰ পৰিয়ালৰ বাবে বাল্যবিবাহ এটা সহজ পথ, কাৰণ তেওঁলোকে কন্যা সন্তানৰ বাবে ব্যয় কৰিবলৈ সক্ষম নহয়।

শিক্ষাৰ অভাৱ বাল্যবিবাহৰ এক মৌলিক কাৰণ। শিক্ষাৰ অভাৱৰ বাবে বহুলোকে বাল্যবিবাহৰ কুফলৰ বিষয় সচেতন নহয়।

সামাজিক ৰীতি-নীতি আৰু ৰক্ষণশীল মানসিকতাৰ প্ৰভাৱ। বহু সম্প্ৰদায়ত ছোৱালীক এতিয়াও দায়িত্ব বা দায়বদ্ধতা হিচাপে দেখা যায় আৰু তেওঁলোকক সোনকালে বিয়া কৰাই দিয়াটো 'সঠিক' কাম বলি গণ্য কৰা হয়। যৌন হিংসা বা বিবাহৰ পূৰ্বৰ সম্পৰ্কৰ ভয়েও পিতৃ-মাতৃক পৰিয়ালৰ সন্মান ৰক্ষাৰ নামত আগতীয়াকৈ বিবাহৰ ব্যৱস্থা কৰিবলৈ প্ৰেৰণা দিয়ে।

বাল্যবিবাহৰ বিৰুদ্ধে থকা আইনসমূহ সঠিক ভাৱে প্ৰয়োগ নোহোৱাৰ ফলত এই সমস্যা চলি আছে।

বাল্যবিবাহৰ ক্ষতিকাৰক প্ৰভাৱসমূহ হ'ল ঃ

বাল্যবিবাহৰ প্ৰভাৱ গভীৰভাৱে ক্ষতিকাৰক। আৱেগিক বা শাৰীৰিকভাৱে সাজু হোৱাৰ আগতেই কণমানি ছোৱালীক প্ৰায়েই ঘৰুৱা জীৱনলৈ বাধ্য কৰা হয়। আগতীয়া গৰ্ভাৱস্থাই তেওঁলোকৰ স্বাস্থ্যক গুৰুতৰ

বিপদত পেলায়, মাতৃ আৰু শিশুৰ মৃত্যুৰ সম্ভাৱনা বেছি। এই ছোৱালীবোৰ শিক্ষা আৰু অৰ্থনৈতিক স্বাধীনতাৰ পৰাও বঞ্চিত হয়, যাৰ ফলত তেওঁলোকৰ উন্নত জীৱনৰ সুযোগ সীমিত হৈ পৰে।

বাল্যবিবাহৰ ফলত প্ৰায়েই ছোৱালীৰ শিক্ষা বন্ধ হৈ পৰে, যাৰ ফলত তেওঁলোকৰ ব্যক্তিগত বৃদ্ধি আৰু অৰ্থনৈতিক স্বাধীনতাৰ সুযোগ সীমিত হৈ পৰে।




পৰিপক্কতা নোহোৱাত দাম্পত্য জীৱনত নানা সমস্যাৰ সৃষ্টি হয়। গৃহহিংসা আৰু মানসিক যন্ত্ৰনাত ভুগিব লগা হয়।

বাল্যবিবাহ ৰোধৰ বাবে থকা বিভিন্ন পদক্ষেপসমুহ হ'ল ঃ

বাল্যবিবাহ ৰোধৰ বাবে জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি কৰিব লাগে। বাল্যবিবাহ কুফলৰ বিষয়ে জনসাধাৰণক সচেতন কৰিব লাগে।

শিক্ষাৰ বিস্তাৰ কৰিব লাগে, ছোৱালীসকলক শিক্ষাৰ সুযোগ প্ৰদান কৰিব লাগে।

বাল্যবিবাহ নিষিদ্ধকৰণ আইন কাৰ্যকৰীভাৱে ৰূপায়িত কৰিব লাগে।

বাল্যবিবাহৰ বিৰুদ্ধে যুঁজখন কেৱল চৰকাৰ বা NGO ৰ দায়িত্ব নহয়- আমাৰো। ছাত্ৰ আৰু যুৱ নাগৰিক হিচাপে আমি আমাৰ মাত মাতিব পাৰো, সজাগতা বিয়পাব পাৰো, ছোৱালীৰ বাবে শিক্ষাৰ সমৰ্থন কৰিব পাৰো আৰু আমাৰ সম্প্ৰদায়ৰ আওপুৰণি নীতি-নিয়মক প্ৰত্যাহ্বান জনাব পাৰো। বাল্যবিবাহৰ অন্ত পেলোৱাৰ অন্যতম শক্তিশালী আহিলা হৈছে শিক্ষা।

বাল্যবিবাহ এটা গভীৰ সামাজিক সমস্যা, যিয়ে সমাজৰ স্থায়ী উন্নয়ন প্ৰক্ৰিয়াত ব্যাঘাত সৃষ্টি কৰে। এই অভিশাপৰ পৰা মুক্তি পাবলৈ ব্যক্তি, পৰিয়াল, সমাজ আৰু চৰকাৰ একেলগে কাম কৰা উচিত। শিক্ষা, সচেতনতা আৰু কঠোৰ আইন প্ৰয়োগৰ জৰিয়তে আমি বাল্যবিবাহৰ সমস্যা দূৰ কৰিব পাৰোঁ।

অসমত বাল্যবিবাহৰ বিৰুদ্ধে চলা অভিযানে অধিক গতি লাভ কৰিছে -

বাল্যবিবাহৰ বিৰুদ্ধে দৃষ্টান্তমূলক আৰু অভূত পূৰ্ব যুঁজ আৰম্ভ কৰা অসম চৰকাৰে সামাজিক ভাবুকিৰ বিৰুদ্ধে নিজৰ স্থিতি আৰু চোকা কৰিছে।

শেহতায়াকৈ অসম চৰকাৰে বাল্যবিবাহৰ সৈতে মোকাবিলা কৰিবলৈ লোৱা ব্যৱস্থাৰ শলাগ লৈ 'বচপন বচাও' আন্দোলনৰ কাৰ্যবাহী সঞ্চালক ধনঞ্জয় টিংগালে কয়, "অসম চৰকাৰে কৰা প্ৰচেষ্টা ৰাজ্যত বাল্যবিবাহৰ অন্ত পেলাবলৈ অনুকৰণীয় আৰু সমগ্ৰ দেশৰ বাবে এক আদৰ্শ"। ●


# অসমীয়া খাদ্যত বিশ্বায়নৰ প্ৰভাৱ ঃ

**হিমান জ্যোতি দাস**
ষষ্ঠ ষাণ্মাসিক



বিশ্বায়ন বা Globalization বিংশ শতিকাৰ এক নতুন ধাৰা। সাম্প্ৰতিক সময়ছোৱাত গোটেই বিশ্বৰ সমাজ, সভ্যতা, সাহিত্য, সংস্কৃতি, অৰ্থনীতি, ৰাজনীতি আদি সকলো ক্ষেত্ৰতেই বিশেষ প্ৰভাৱ পেলাইছে। অসমীয়া মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সকলো খাদ্যতে এই বিশ্বায়নৰ প্ৰভাৱ পৰিছে। এতিয়াৰ অসমীয়া মানুহৰ পাকঘৰৰ পৰা লাৰু, পিঠা, জলপান ক্ৰমে হেৰাই গৈছে; তাৰ সলনি আহি পৰিছে বিস্কুট, মিঠাই, কেক্ আদি। ম'মো, চাওমিন, লুচি-ভাজি, পিজ্জা আদি অসমীয়াই আদৰি লৈছে। ফল-মূল, শাক-পাচলিতো বিশ্বায়নৰ প্ৰভাৱ পৰিছে। থলুৱা ফল-মূলৰ বাহিৰেও ষ্ট্ৰবেৰী, ড্ৰেগন ফ্ৰুট আদি বিভিন্ন ফল-মূলে অসমৰ বজাৰ দখল কৰিছে। হাইব্ৰিড প্ৰজাতিৰ শাক-পাচলিৰে বজাৰ ভৰি পৰিছে। মাছৰ বজাৰতো বিদেশৰ মাছ আহি পৰিছে।

অসমীয়া খাদ্যাভাসৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱৰ ফলত লাভো হৈছে। মানুহে বিশ্বৰ বিভিন্ন খাদ্যৰ সোৱাদ ল'ব পাৰিছে। সহজতে পোৱা খাদ্যই আমাৰ সময় আৰু খৰছ ৰাহি কৰিছে; কিন্তু ইয়াৰ প্ৰভাৱত লোকচানো হৈছে। অসমৰ পৰম্পৰাগত খাদ্যসমূহ পুষ্টিকৰ, সহজলভ্য আৰু স্বকীয় সাংস্কৃতিক গুৰুত্বৰ পৰিচায়ক আছিল। কিন্তু বিশ্বায়নে কঢ়িয়াই অনা নতুন খাদ্যসমূহে বিভিন্ন বেমাৰ-আজাৰৰ সৃষ্টি কৰিছে। আনহাতে বিশ্বায়নৰ প্ৰভাৱত থলুৱা খাদ্যসমূহ হেৰাই যাবলৈ ধৰাৰ ফলত সাংস্কৃতিক দিশটো ক্ৰমে অৱনতিৰ ফালে গতি কৰিছে। ●



# কৃতবিদ্য শিক্ষক ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ

**বিবেকানন্দ দাস**
প্ৰাক্তন ছাত্ৰ, উদ্ভিদ বিজ্ঞান বিভাগ

আমাৰ দেশত প্ৰতিবছৰে ৫ ছেপ্টেম্বৰৰ দিনটো শিক্ষক দিৱস ৰূপে পালন কৰা হয়। এই দিনটোত এজন মহান শিক্ষকৰ জন্ম হৈছিল। তেওঁৰ স্মৃতিত প্ৰতিবছৰে এই দিনটোত শিক্ষক দিৱস হিচাপে সমগ্ৰ দেশত উদ্‌যাপন কৰা হয়। সেই মহান শিক্ষকজন হৈছে আমাৰ দেশৰ প্ৰথমজন উপৰাষ্ট্ৰপতি তথা দ্বিতীয়জন ৰাষ্ট্ৰপতি মহান দাৰ্শনিক ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ।

ৰাধাকৃষ্ণণদেৱৰ জন্ম হয় ১৮৮৮ চনৰ ৫ ছেপ্টেম্বৰত বৰ্তমানৰ তামিলনাডু প্ৰদেশৰ তিৰুট্টান্নী নামৰ এখন গাঁৱৰ এটা দৰিদ্ৰ ব্ৰাহ্মণ পৰিয়ালত। তেখেতৰ পিতৃৰ নাম সৰ্ব্বেপল্লী বীৰাস্বামী আৰু মাতৃৰ নাম আছিল সীতাম্মা। তেখেতৰ পিতৃ আছিল জমিদাৰৰ অতি কম দৰহমাৰ কৰ্মচাৰী। ৰাধাকৃষ্ণণ সৰুৰে পৰা বৰ বুধিয়ক আৰু অত্যন্ত মেধাৱী ছাত্ৰ আছিল। তেওঁ ইংৰাজী শিক্ষা লোৱাটো আৰু বিদ্যালয়লৈ যোৱাটো দেউতাকে বিচৰা নাছিল। দৰাচলতে দেউতাকে তেওঁ তামিল ভাষা আৰু সংস্কৃত ভাষা অধ্যয়ন কৰি এজন পুৰোহিত হোৱাটোহে বিচাৰিছিল। কিন্তু ৰাধাকৃষ্ণণ প্ৰখৰ বুদ্ধি আৰু প্ৰতিভা দেখি দেউতাক বাধ্য হৈছিল তেওঁক তিৰুট্টান্নীৰ বিদ্যালয়লৈ পঠিয়াই।

ৰাধাকৃষ্ণণ ইমানেই প্ৰতিভাসম্পন্ন আছিল যে তেওঁৰ বেছি ভাগ শিক্ষা চৰকাৰী জল পানীৰ জৰিয়তে হৈছিল। তিৰুট্টান্নী চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ পৰা ১৮৯৮ চনত প্ৰাথমিক শিক্ষা সমাপ্ত কৰি তিৰুট্টান্নীৰ



লোৱৈৰান মিচন উচ্চ মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰে। তাৰ পৰা ১৯০৪ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ভেলোৱ্ বোৰহীচ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক অধ্যয়নৰ বাবে নামভৰ্তি কৰে। তেতিয়া তেওঁৰ মাত্ৰ ১৬ বছৰ বয়স। তেতিয়া দেউতাকে তিৰুট্টানীৰ এজনী ব্ৰাহ্মণ পৰিয়ালৰ কন্যা শিৱাকা মোবাম্মাৰ সৈতে বিবাহ সম্পন্ন কৰায়। ১৯০৬ চনত বোৰহীচ মহাবিদ্যালয়ৰ পৰা তেখেতে

উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ মাদ্ৰাজ খ্ৰীষ্টিয়ান মহাবিদ্যালয়ত স্নাতক শিক্ষাৰ বাবে নামভৰ্তি কৰে।

১৯০৮ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ অধীনত মাদ্ৰাজ খ্ৰীষ্টিয়ান মহাবিদ্যালয়ৰ পৰা দৰ্শন বিষয়ত সন্মানসহ প্ৰথম শ্ৰেণীত স্নাতক ডিগ্ৰী লাভ কৰে তাৰ পিছত মাদ্ৰাজ বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শিক্ষা আৰম্ভ কৰে। ১৯১০ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা দৰ্শন শাস্ত্ৰত প্ৰথম শ্ৰেণীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। স্নাতকোত্তৰ অধ্যয়নৰ সময়ত তেওঁ এখন গৱেষণা পত্ৰ প্ৰকাশ কৰি উলিয়াই। তেওঁৰ গৱেষণাৰ বিষয়টো হ'ল — " The Ethics of the Vedanta and is Metaphysical Presupositions." তেওঁৰ গৱেষণা-পত্ৰখন দেখি দৰ্শনৰ অধ্যাপক ড° এ. জি. হগে তেওঁক যথেষ্ট প্ৰশংসা কৰে। ১৯১০ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত মাত্ৰ ২২ বছৰ বয়সতে তেখেতে কলকাতাৰ প্ৰেছিডেন্সি মহাবিদ্যালয়ত সহকাৰী অধ্যাপক ৰূপে যোগদান কৰে। ১৯১২ চনত তেখেতে মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় পি.এইছ.ডি. ডিগ্ৰী লাভ কৰে।

শিক্ষক জীৱনৰ আৰম্ভণিৰ পৰাই ৰাধাকৃষ্ণণদেৱ ছাত্ৰৰ মাজত অতি প্ৰিয়ভাজন হৈ পৰিছিল। অধ্যাপক হিচাপে প্ৰেছিডেন্সি মহাবিদ্যালয়ত তেওঁ যথেষ্ট জনপ্ৰিয় আছিল। ১৯১৮ চনত তেখেতক মহীশূৰ বিশ্ববিদ্যালয়ে মহীশূৰৰ মহাৰাজা মহাবিদ্যালয়ত অধ্যাপক ৰূপে নিৰ্বাচিত কৰে। সেই সময়লৈকে তেখেতে The Quest. Journel of Philosophy The International Journal of Ethics. দৰে খ্যাতিসম্পন্ন আলোচনীৰ বাবে বহুতো প্ৰবন্ধ লিখিছিল। তেখেতৰ প্ৰথমখন গ্ৰন্থ "The philosophy of Rabindra nath Tagore" ১৯২০ চনত প্ৰকাশ পায়। তেখেতৰ দ্বিতীয়খন গ্ৰন্থ "The Reign of Religion in Contemporary Philosophy" প্ৰকাশ পায় ১৯২১ চনত। একেটা বৰ্ষতে তেওঁক কলিকতা বিশ্ববিদ্যালয়ৰ মানসিক আৰু নৈতিক বিজ্ঞানৰ পঞ্চম জৰ্জৰ অধ্যক্ষৰ স্থান দখল কৰি দৰ্শনৰ অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে। তেখেতে ১৯২৬ চনৰ জুন মাহত ব্ৰিটিছ সাম্ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহৰ কংগ্ৰেছত কলিকতা বিশ্ববিদ্যালয় আৰু ১৯২৬ চনৰ ছেপ্টেম্বৰ মাহত হাভাৰ্ড বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় দৰ্শন কংগ্ৰেছত প্ৰতিনিধিত্ব কৰিছিল।

১৯৩১ চনত ৰাধাকৃষ্ণণদেৱক অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হিচাপে নিযুক্তি প্ৰদান কৰা হয়। ১৯৩১ চনৰ পৰা ১৯৩৬ চনলৈ ৫ বছৰ অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদত কাৰ্যনিৰ্বাহ কৰাৰ পিছত তেখেতক কাশী হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদত অধিষ্ঠিত কৰা হয়। দুয়োখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদত তেওঁ অতি নিষ্ঠাৰে কাৰ্যনিৰ্বাহ কৰিছিল আৰু সকলোৰে প্ৰিয়পাত্ৰ হৈছিল। ৰাধাকৃষ্ণণৰ অগাধ পাণ্ডিত্যৰ প্ৰতি স্বীকৃতি জনাই অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰাচ্য ধৰ্ম আৰু নীতি শাস্ত্ৰৰ অধ্যাপক পদ গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। এই পদত তেওঁ সুদীৰ্ঘ ১৬ বছৰ অলংকৃত হৈ আছিল। তেওঁৰ প্ৰজ্ঞা আৰু বাগ্মিতাই সকলোৰে অন্তৰ জয় কৰিবলৈ সক্ষম হৈ আৰু কৃতবিদ্য শিক্ষক ৰূপে প্ৰতিষ্ঠিত হৈছিল।

ৰাধাকৃষ্ণণদেৱ বৰ স্পষ্টবাদী আৰু স্বাধীনচিতীয়া স্বভাৱৰ আছিল। প্ৰয়োজন সাপেক্ষে অপ্ৰিয় সত্যও ক'বলৈ কুণ্ঠাবোধ নকৰিছিল। ১৯৪২ চনত সমগ্ৰদেশত ভাৰত ত্যাগ আন্দোলন চলি থকা সময়ত কাশীৰ হিন্দু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও এই আন্দোলনত জপিয়াই পৰিছিল। তেনে সময়ত উত্তৰ প্ৰদেশৰ ৰাজ্যপাল মোৰিচ হলেটে কাশী বিশ্ববিদ্যালয় বন্ধ কৰাৰ কথা ঘোষণা কৰিছিল। সেই সময়ত তেওঁ কাশী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল। ছাত্ৰসকলৰ সৈতে ৰাধাকৃষ্ণণো গৈছিল ৰাজ্যপালৰ ওচৰলৈ প্ৰতিবাদ কৰিবলৈ। ৰাজ্যপালৰ সৈতে বাক-বিতণ্ডত লিপ্ত হৈ পৰিছিল নিজৰ দেশৰ আৰু বিশ্ববিদ্যালয়খনৰ স্বাৰ্থত। তেওঁৰ উদাত্ত কণ্ঠত ভাৰতীয় জাতীয়তাবাদৰ কথা সুন্দৰভাৱে প্ৰকাশ পাইছিল।

১৯৪৯ চনত ৰাধাকৃষ্ণণদেৱক ছোভিয়েট ৰাছিয়াত ভাৰবৰ্ষত ৰাষ্ট্ৰদূত ৰূপে নেহৰু চৰকাৰে নিযুক্তি প্ৰদান কৰে। ৰাধাকৃষ্ণণদেৱে অসম্ভৱকো সম্ভৱ কৰি পেলালে। তেখেতৰ কৰ্মই ৰাছিয়াৰ কমিউনিষ্ট নেতা যোচেফ ষ্টেলিনৰ মন জয় কৰি পেলাইছিল। ১৯৫০ চনত ৰাধাকৃষ্ণণদেৱক যোচেফ ষ্টেলিনে সাক্ষাৎ কৰিবলৈ

আমন্ত্ৰণ জনাইছিল। ৰাধাকৃষ্ণণদেৱৰ কথাবাৰ্তাত ষ্টেলিন যথেষ্ট সন্তুষ্ট হৈছিল। ৰাধাকৃষ্ণণদেৱৰ প্ৰচেষ্টাত ভাৰতবৰ্ষ আৰু ৰাছিয়াৰ মাজত মৈত্ৰী সম্পৰ্ক দীৰ্ঘদিন ধৰি চলি আছে।

১৯৫৪ চনত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণদেৱক ভাৰতবৰ্ষ সৰ্বোচ্চ অসামৰিক বঁটা 'ভাৰতৰত্ন' প্ৰদান কৰা হয়। একেটা বৰ্ষতে তেওঁৰ আত্মজীৱনী "The Philosophy of Dr. Sarvepalli Radhakrishnan" আমেৰিকাত প্ৰকাশ হয়। ১৯৫৬ চনত তেখেতৰ প্ৰিয়তমা জীৱনসংগী শিৱ্যকা মোৱাম্মাইৰ ইহলীলা সম্বৰণ কৰে। উপ-ৰাষ্ট্ৰপতি পদত ৰাধাকৃষ্ণণদেৱে একেৰাহে দুটা কাৰ্য্যকাল কাৰ্য্যনিৰ্বাহ কৰিছিল।


১৯৬২ চনত ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণদেৱে ভাৰতবৰ্ষৰ দ্বিতীয়জন ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। সেই বৰ্ষৰ পৰায়েই অৰ্থাৎ ১৯০২ চনৰ ৫ ছেপ্টেম্বৰৰ দিনাখন সমগ্ৰ দেশত শিক্ষক দিৱস উদ্‌যাপনৰ শুভাৰম্ভ হয়। এয়া এগৰাকী মহান শিক্ষকৰ প্ৰতি বিৰল সন্মান। তেখেতৰ ৰাষ্ট্ৰপতি কালছোৱা ইতিহাসত বিশেষভাৱে স্মৰণীয় হৈ ৰ'ব। তেওঁৰ কাৰ্যকালতেই ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধ, ১৯৬৪ চনত নেহৰুৰ মৃত্যু নেহৰুৰ যুগৰ অৱসান আৰু লাল-বাহাদুৰ শাস্ত্ৰী প্ৰধানমন্ত্ৰী হয়। ১৯৬৫ চনৰ ভাৰত-পাকিস্তানৰ যুদ্ধত পাকিস্তানৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ প্ৰধানমন্ত্ৰী শাস্ত্ৰীৰ নেতৃত্ব প্ৰদান কৰি বিজয় সাব্যস্ত কৰে। ১৯৬৬ চনত প্ৰথম মহিলা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীকো তেখেতে কাৰ্যভাৰ প্ৰদান কৰে। ৰাষ্ট্ৰপতিৰ কাৰ্য্যকালৰ সময়ত প্ৰতিজন প্ৰধানমন্ত্ৰীক তেওঁ দিকদৰ্শন দিছিল। আৰু ভাৰতবৰ্ষৰ প্ৰতিৰক্ষা আৰু উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

১৯৬৭ চনত ৰাধাকৃষ্ণণদেৱে দ্বিতীয়বাৰ ৰাষ্ট্ৰপতি হ'বলৈ অস্বীকাৰ কৰে আৰু জীৱনৰ অন্তিম মূহুৰ্তত একমাত্ৰ পুত্ৰ-বোৱাৰী আৰু নাতিৰ সৈতে নিজৰ গৃহতে কটায়। ১৯৭৪ চনৰ ১৭ এপ্ৰিল তাৰিখে ৮৭ বছৰ বয়সত এইগৰাকী মহান শিক্ষক দাৰ্শনিকৰ মহাপ্ৰয়াণ ঘটে।●





# চুটি গল্প





# বন্দী অজগৰ

হৰ্ষজিৎ চৌধুৰী

অলপমান আগেয়ে হকাৰজনে দি যোৱা ‘জন প্ৰতিনিধি’খন মেলি প্ৰধান বাতৰিকেইটাত এবাৰ চকু ফুৰালোঁ। ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰাৰ্থীক হত্যা, গুৱাহাটীত বন্দী হ’ল পোন্ধৰ ফুটীয়া অজগৰ, বিদ্যুতৰ লুকা-ভাকুত জনসাধাৰণ, লক্ষ্মণৰ দৰ্শনীয় ইনিংছ — তেনেই গতানুগতিক এই বাতৰিবোৰ। এতিয়া হত্যা, অপহৰণৰ বাতৰিবোৰ পঢ়ি কোনো আচৰিত নহওঁ। নোহোৱাৰ কথাই। দিনে দিনে যিমানবোৰ হত্যা, অপহৰণ ঘটি থাকে, তাত আচৰিত হ’বৰ কিটো আছে। দোষীয়ে শাস্তি পোৱাটো মনে-প্ৰাণে কামনা কৰোঁ। কোনোবা কেতিয়াবা কাৰোবাক অপকাৰ কৰিলে, সেই অপকাৰীজনে শাস্তি পোৱা উচিত। এশ গৰু মাৰিলে বাঘৰো মৰণ। কিন্তু মাজতে যে দোষীবোৰৰ লগতে উলুৰ লগত বগৰী পোৱা দি নিৰ্দোষীবোৰো মৰে, তেতিয়া বৰ দুখ লাগে। চকুপানী নুটুকিব খোজোঁ যদিও অজানিতে চকুহাল চলচলীয়া হৈ পৰে। কেইদিনমান আগতে পঢ়িবলৈ পাইছিলোঁ, ভাৰত-বাংলাদেশ সীমান্তত উগ্ৰপন্থীৰ গুলীত মাক-দেউতাকে প্ৰাণ হেৰুওৱাৰ পিছত ল’ৰা-ছোৱালী এহালৰ দুৰ্দশাৰ কথা। সেই অবোধ শিশুহালে শেষত হেনো নদীত জাঁপ দি মৰিছিল। পেপাৰখন আকৌ এবাৰ লুটিয়াই চালোঁ। কোনো নতুনত্ব থকা বাতৰি চকুত নপৰিল। কিন্তু যিটো বাতৰিয়ে মোৰ দৃষ্টি সবাতোকৈ বেছি আকৰ্ষণ কৰিলে, সেইটো হ’ল অজগৰ উদ্ধাৰৰ বাতৰিটো। ইমান মানুহ, মটৰ গাড়ীৰ মাজেৰে পোন্ধৰ ফুট দীঘল এডাল প্ৰকাণ্ড সাপ কেনেকৈ গাড়ীৰ তলত আহি উপস্থিত হ’ল। বাতৰিটোত উল্লেখ কৰামতে কেইগৰাকীমান প্ৰকৃতিপ্ৰেমী যুৱক-যুৱতীয়ে সাপডাল দেখা পাই চিৰিয়াখানাত চমজাই দিয়ে। বাতৰিটো পঢ়ি মোৰ খুব ভাল লাগিল। আজিৰ হত্যা-সন্ত্ৰাসৰ দিনত এনেকুৱা যুৱক-যুৱতীৰ বৰ প্ৰয়োজন হৈছে।

ঃ "দেউতা, চাহ দিছোঁ, বিস্কুট-চিস্কুট নাই, চিৰা খাবা?" হঠাতে মলয়াৰ মাতটো শুনি বাস্তৱ জগতলৈ ঘূৰি আহিলোঁ।

ঃ তই কেতিয়া আহিলি? গমকে নাপালোঁ দেখোন। দে, হ'ব দে, চিৰা নাখাওঁ। অলপ পিছত বজাৰলৈ যাম, কিবা লাগে যদি ক'বি। মলয়াই হাতত দিয়া কাপটোত শোহা মাৰি তাইৰ পিনে নোচোৱাকৈ ক'লোঁ।

ঃ কিয় তোমাৰ আগেদিয়েই আহিলোঁ দেখোন। আজি টিনা নাই। চিধাই ঘৰলৈ আহিলোঁ। বেঙুনীয়া ৰঙৰ চাদৰখনৰ এটা আঁচলত আঙুলিকেইটা ঘঁহি ঘঁহি মলয়া ভিতৰলৈ সোমাই গ'ল। তাৰ মানে তাই টিউচনৰ পৰা আহি কাপোৰ নসলোৱাকৈয়ে মোক চাহ দিছে।

মন্দাকিনী মৰাৰ পৰা মলয়ায়ো মোৰ ভগ্ন শৰীৰৰ যত্ন লৈছে। নহ'লে মোৰ নিচিনা বহুমূত্ৰ ৰোগী এজন কাহানিবাই সিপুৰী পালেহেঁতেন। আলু নাখাবা, ই-ই, নাই-নালাগে, লোৱা তোমাৰ পিল, পানী গৰম কৰি দিছোঁ...ইত্যাদি, ইত্যাদি। অনবৰতেই অভিভাৱকসুলভ আচৰণ। মোৰ পেঞ্চনৰ টকাকেইটা পোৱাৰ লগে লগেই তাইৰ হাতত দি দিওঁ আৰু তাই হিচাপ কৰি কৰি ঘৰ চলায়। আজি তাই মোৰ পুত্ৰী আৰু অভিভাৱক; উত্তম আৰু দাদুলৰ পথ প্ৰদৰ্শক। উত্তমে মেট্ৰিক পৰীক্ষাৰ দুমাহমান আগতে এদিন মোক সুধিছিল সি অংকৰ টিউচন লোৱাৰ কথা। মই একো কোৱা নাছিলোঁ। সেই সময়ত মোৰ হাতত থকা পইচাকেইটাৰে কোনোমতেহে ঘৰ চলাই আছিলোঁ। মলয়াই উত্তমৰ কথা শুনি লগে লগে কৈ উঠিল— "দেউতা, আজিৰ পৰা উত্তমক মই অংক শিকাম। যদি সি অংকত লেটাৰ নাপায় মোৰ দোষ আৰু উত্তম, তই কিন্তু মোৰ কথা মতে চলিব লাগিব।" এটা মিচিকীয়া হাঁহি। চব সমস্যা যেন তাই সমাধান কৰি দিব। উত্তমক তাইয়ে পঢ়ুৱালে আৰু মেট্ৰিকত সি লেটাৰো পালে। এই কথাটো জানিব পাৰি মোৰেই একালৰ ছাত্ৰ দীপকে নিজেই কৈছিল— "ছাৰ, মলয়াই আমাৰ টিনাক দেখোন শিকাব পাৰে। কথাটো আপুনি ভাবি চাবচোন।" মই কথাটো ভাবি চাই মলয়াক ক'লোঁ। ইয়াৰ পিছত তাই আৰু দুটা টিউচন ল'লে। টিউচনৰ পইচাৰেই দাদুলক চাইকেল এখন কিনি দিলে। মলয়াই মোৰ চকুৰ আগতেই কেনেকৈ ইমান ডাঙৰ হ'ল ভাবিলে আচৰিত লাগে। মন্দাকিনীক মাদ্ৰাজলৈ নিওঁতে নিওঁতে মই সৰ্বস্বান্ত হ'লোঁ যদিও মলয়াৰ মনটো কিন্তু ৰঙীন নোহোৱাকৈ নাথাকিল। বাইশ বছৰীয়া মলয়াই যেতিয়া টিউচন কৰিবলৈ ওলাই যায়, তেতিয়া চকুৰ আঁৰ নোহোৱালৈকে চাই থাকোঁ। আজিকালিৰ দিনকাল। দুই-এটা অশ্লীল সুহুৰি কাণত পৰে যদিও নিৰ্বিকাৰ হৈ চাই থাকোঁ। সকলো মনে মনে সহি থাকোঁ। তাইৰ কেতিয়াবা আহোঁতে সাজ লাগিলে দাদুলক পঠিয়াই দিওঁ। মলয়াই এগৰাকী ছোৱালী হিচাপে আমাৰ বাবে কি কৰা নাই? তাই নিজৰ সামৰ্থ্য অনুসাৰে যিখিনি কৰিব পাৰে, সকলো কৰিছে। কিন্তু মই? মই বৃদ্ধ বাপেকটোৱে তাইৰ বাবে কিবা কৰিব পাৰিছোঁনে? মলয়াৰ বিয়াৰ বয়স হৈছে। মাক মন্দাকিনী থাকোঁতে কথা নাছিল। এখন তামোল কেনেদৰে সাতখন বনাব লাগে সেই টেক্‌নিক্ মন্দাকিনীয়ে জানিছিল। কিন্তু মন্দাকিনীৰ অবৰ্তমানত মলয়াৰ বিয়াৰ কথা মই চিন্তা নকৰিলে আন কোনে কৰিব? আপোন বুলিবলৈ যিওবা মাহীয়েকজনী আছিল, তাকো ভগৱানে অকালতে কাঢ়ি লৈ গ'ল আৰু দুৰ্ঘোৰ মদাহী সেই মহায়েকটো! কি ক'ম, কাক ক'ম? মই জানো মোৰ আদৰ্শৰ বাবেই মলয়াৰ আজি এই অৱস্থা। মই কৰা সামান্য ভুলৰ ফল মলয়াই আজি ভুগিব লগা হৈছে। মলয়াৰ বিয়াৰ কথা ভাবিলেই মোৰ সেই ঘটনাটোৰ কথা মনত পৰে।

মই মোৰ শিক্ষক জীৱনত কিমানক কিমান নীতি-আদৰ্শ শিকালোঁ হিচাপ নাই। এইটো মই ডাঠি ক'ব পাৰোঁ যে মই কেতিয়াও শিক্ষক জীৱনত সঠিক পথৰ পৰা বিচলিত হোৱা নাছিলোঁ। মই শিকোৱা কেবাজনো ছাত্ৰ-ছাত্ৰী আজি দেশ-বিদেশত উচ্চ পদস্থ চাকৰিয়াল। এইবোৰ কথাক লৈ মই কেতিয়াও গৰ্ব নকৰোঁ, মাথোঁ আনন্দিত হওঁ। ভাল লাগে কথাবোৰ ভাবি। এদিন যিবোৰ ল'ৰা-ছোৱালীয়ে পেঞ্চিলডালকেই ধৰিব নাজানিছিল, আজি তেওঁলোকে কম্পিউটাৰ-ইন্টাৰনেটেৰে খেলা কৰে। মই অতি ঘনিষ্ঠভাৱে পোৱা তেনে এজন ছাত্ৰ অৰুণাভ গোস্বামী। তেতিয়া দুয়োটা নাকেৰে টোপা টোপে সেঙুন বৈ থকা অৰুণাভ এতিয়া ছফ্‌ট্‌ৱেৰৰ ইঞ্জিনিয়াৰ।

বাংগালোৰত চাকৰি। গুৱাহাটীলৈ আহিলে আমাৰ ঘৰলৈ নহাকৈ নাথাকে। অৰুণাভে মোক সৰুৰ পৰাই খুড়া বুলি মাতে। সেইবাবে পূজাৰ বন্ধত গুৱাহাটীলৈ আহোঁতে অৰুণাভ আমাৰ ঘৰলৈ আহিছিল। সন্ধিয়া মলয়াই কৰি দিয়া চাহৰ সোৱাদ লৈ লৈ দুয়ো ভালেমান সময় ধৰি নানা বিষয়ৰ কথা পাতিছিলোঁ। দাদুলৰ চাকৰিৰ পৰা আৰম্ভ কৰি দাৰ্জিলিঙৰ চাহলৈকে। হঠাতে অৰুণাভে ক'লে,

ঃ 'খুড়া, দাদুলক দেখা নাইযে, ক'লৈ গ'ল।'

ঃ 'নাই, তই অহাৰ অলপমান আগতে গ'ল। বন্ধুৰ ভনীয়েকৰ বিয়া.' অৰুণাভে আকৌ ক'লে—

ঃ 'খুড়া, মই যে আপোনাক যোৱাবাৰ আহোঁতেই কৈ গৈছিলোঁ দাদুলৰ সংস্থাপ এটাৰ কথা। এতিয়া আৰু চিন্তা কৰিব নালাগে। মই সকলো ভালদৰে মেনেজ কৰিছোঁ। এইবাৰ আহিয়েই ভালদৰে লাগিলোঁ। এইটো লওক। মাল সি অহা মাহত আনিব পাৰিব। অৱশ্যে দোকানৰ ঠাই টুকুৰা ভালদৰে বাচিব লাগিব। মই আৰু বেছি দেৰি নকৰোঁ। আপুনি এইটো লওক।" এইবুলি কৈ অৰুণাভে মোৰ হাতত এটা গুলপীয়া ৰঙৰ ডাঙৰ আকাৰৰ খাম তুলি দিলে।

ঃ খুড়া, মই উঠিলোঁ। মলয়া চাগে পাকঘৰত আছে। তাইক মাত লগাই যাওঁ।" অৰুণাভ ভিতৰলৈ সোমাই গ'ল। আমাৰ ঘৰত তাক কোনেও বেলেগ বুলি নাভাবে। সৰুতেই মাক-দেউতাকক হেৰুওৱা অৰুণাভক একপ্ৰকাৰ ময়েই মানুহ হোৱাৰ পথ দেখুৱালোঁ। মলয়াৰ লগত তাৰ সম্পৰ্ক যে লাহে লাহে 'মধুৰ' হৈ আহিছে মই জানো। খামটো এপলক টলকা মাৰি চাই থাকি পিছ মুহূৰ্তত খুলিলোঁ। কেইখনমান কাগজত টাইপ কৰি লিখা আছে কিবা-কিবি। পোহৰ কম হোৱা বাবে মই ভালদৰে পঢ়িব নোৱাৰিলোঁ যদিও মই কিন্তু সেইখন যে 'মদৰ পাৰ্মিট' সেইটো ভালকৈ ধৰিব পাৰিলোঁ।

ঃ অৰুণাভ, কি এইবোৰ? প্ৰচণ্ড ক্ষোভ আৰু ঘৃণাত মোৰ মুখৰ পৰা জোৰকৈ শব্দকেইটা ওলাই আহিল। অৰুণাভ ভিতৰত মলয়াৰ স'তে কথা পাতি আছিল। মোৰ চিঞৰ শুনি সি আৰু মলয়া একেজাঁপে ওলাই আহিল।

ঃ খুড়া, মোক মাতিছিল?

ঃ অৰুণাভ, এইবোৰ তোক কোনে আনিবলৈ দিছিল। ইমান বছৰে তোক শিকোৱা আদৰ্শবোৰৰ এয়াই পৰিণাম নেকি? আনৰ কথা বাদ দে, তই ভাবিব পাৰিলি কেনেকৈ যে জগৎ চৌধুৰীৰ ল'ৰাই মদৰ দোকান দিব? হু!...আৰু শুন, দাদুল ইমান নিষ্কৰ্মা নহয় যে সি মদৰ দোকান দিব আৰু নিজে মদৰ পিপাটো হৈ বহি থাকিব। তই আৰু আমাক সহায় কৰিবলৈ অন্য উপায় বিচাৰি নাপালি? ৰাস্কেল, ইডিয়ট, গেট আউট...।"

সেইদিনা খঙৰ কোবত অৰুণাভক কেনে বেয়া ব্যৱহাৰ কৰিলোঁ ভাবিব নোৱাৰোঁ। কোনোদিনে কাকো দাবি-ধমকি নিদিয়া মোৰ সেইদিনাৰ আচৰণত অৰুণাভে কান্দিছিল। মোৰ কথাত সি একো উত্তৰ দিব পৰা নাছিল। সি বাৰান্দাত এচুকত থিয় দি মাথোঁ কান্দিছিল। যাবৰ সময়ত সি টিপয়খনৰ ওপৰৰ পৰা খামটো চিলনীয়ে এন্দুৰ থাপ মাৰি লৈ যোৱা দি খপ্‌জপ্‌কৈ ওলাই গৈছিল। মলয়াইও সেইদিনা বৰকৈ কান্দিছিল। তাই কেইবা সাঁজো নোখোৱাকৈ আছিল। এই ঘটনাটোৰ সাতদিন মান পিছত মই অৰুণাভৰ পৰা এখন চিঠি পাইছিলোঁ। সি লিখিছিল তাক মই ক্ষমা নকৰিলে সি হেনো কাহানিও অসমলৈ উভটি নাহে। মই তাক ক্ষমা কেতিয়াবাই কৰিছিলোঁ। কিন্তু সিহে আৰু অসমলৈ নাহিল। সি যি গ'ল, গ'লেই। শুনামতে সি হেনো তাত বিয়াও কৰালে। মলয়াই এই ঘটনাটো সহজভাবে ল'ব নোৱাৰিলে। ইয়াৰ পিছত মই যেতিয়াই তাইৰ বিয়াৰ কথা উলিয়াও তাই সন্তৰ্পণে আঁতৰি যায়। কিয়?

ঃ দেউতা, ধৰক, বিস্কুট ময়েই আনিলোঁ। আপুনি যিহে ধ্যানত মগ্ন আছিল। মই যোৱা চাগে গমেই নাপালে। নহয়নে দেউতা?

চলচলীয়া চকুহাল তলুৱাৰে হেঁচি ধৰিলোঁ। মোৰ নিজকে সেই বন্দী অজগৰটো যেন লাগিল। মই যেন অসহায়, মই যেন নিৰুপায়। মলয়াই যেন এটা সেন্দূৰৰ টেমা মোৰ মুখত পৰাকৈ সৰ্বশক্তিৰে দলিয়াইছে!!!●

উৎস ঃ মাধৱ চৌধুৰী মহাবিদ্যালয় আলোচনী, ৪৭ তম্ সংখ্যা, হৰ কুমাৰ শৰ্মা (সম্পাদক)

— সম্পাদক।

# কলংক

**অন্তৰা দাস**
দ্বিতীয় ষাণ্মাসিক

সংগী বুলিবলৈ তাইৰ তেনে কোনোৱে নাই। কাৰোবাৰ আগত প্ৰাণ খুলি হাঁহিবলৈ বা কান্দিবলৈও মনত সংকোচ কিয়নো ভয় কৰে তাই আপোনজনৰ মুখাপিন্ধা বিশ্বাসঘাটকবোৰক।

তথাপি যাব বিচাৰে তাই কোনোবা আপোনজনৰ কাষলৈ, জিৰাব বিচাৰে আপোন যেন লগা কাৰোবাৰ বুকুৰ মাজত কিন্তু আজিৰ দিনত তেনে এজন বিশ্বাসী ব্যক্তি তাই জানো বিচাৰি পাব! পালেই যেনিবা, তেওঁ তাইক আঁকোৱালি ল'ব?

কলংক! শব্দটো শুনিবলৈ শুৱলা নহয় যদিও, কাৰ জীৱনত কলংক নাথাকে সেইটো ভাবিবলগীয়া কাৰণ জানিয়ে হওক বা অজানিতে হওক সকলোৱে জীৱনত সৰু-বৰ ভুল কৰে। পাৰ্থক্য কেৱল ইমানতে যে ধনী অৰ্থাৎ সৰহ পৰিমানে টকা-পইছা থকা লোকৰ ভুলবোৰক সমাজে আওকান কৰে আৰু দুখীয়া নাইবা দুৰ্বল শ্ৰেণীৰ লোকৰ সামান্য ভুলটো ডাঙৰ কৰি তেওঁলোকৰ জীৱন নৰকময় কৰে।

ৰাতিৰ ভাত সাঁজ খাই লগে লগেই ৰুমৰ বিছনাত বাগৰি পৰিল তাই। অকণমান হেলনীয়া হৈ বিছনাৰ নিচেই কাষতে থকা লাইটৰ চুইচটো সোঁহাতেৰে বন্ধ কৰি কম পোহৰৰ লাইট এটা জ্বলাই দিলে। আচলতে টোপনি ধৰা নাই তাইৰ, ভাগৰিহে পৰিছে যান্ত্ৰিক জীৱনৰ কঠিন বাটত। সেই কাৰণেই হ'বলা অনবৰতে তাইৰ মনটো সেমেকি থাকে, ভৰিৰ গছকত পৰা সৰা পাতৰ দৰে।

একোটা নিশা তাইৰ বৰকৈয়ে আপোন। এইখিনি সময়ত নিজৰ লগতে আপোনমনে কথাপাতি ভাল পায় তাই। বুকুৰ মাজত গাৰুটো বান্ধি কন্দাটো যেন তাইৰ অভ্যাসত পৰিণত হৈছে কিন্তু তাই ভালকৈয়ে অৱগত যে তাইৰ চকুলো মচিবলৈ কাষত কোনো নাই। কেতিয়াবা কেতিয়াবা বৰ আবেগিক হৈ পৰে তাই; তথাপিও নিজকে বুজাই বঢ়াই চম্ভালি লয় সেই সময়ত।

কাঠ পেঞ্চিলেৰে লিখা ভুল বানান হোৱা হ'লে ততালিকে মচি শুধৰালোঁহেঁতেন। কিন্তু, ভাগ্য দোষত অজানিতে অঁকা কলংকৰ ৰেখা, এতিয়া কেনেকৈনো মচোঁ!

এৰা মচিব নোৱাৰি, ঢাকিবতো পাৰি। ওৰণিৰে ঢাকি লোৱা (ধেমালিৰ সুৰে)।

ওৰণিৰে! এয়া ভাল হ'ব জানো? আনৰ চকুত ধূলি মাৰি ফাঁকি দি থকাটো বেয়া কথা নহয়নে? (গম্ভীৰভাৱে)

যিমানেই যি নকৰোঁ কিয়, এই কুৎসিত ৰেখাবোৰে মানুহৰ মনত নকাৰাত্মক প্ৰভাৱ নেপেলাব নে?

এৰা, সঁচাকৈয়ে এইটো চিন্তনীয় বিষয়। তথাপিও তুমি এই যুঁজত যুঁজ নকৰাকৈয়ে পৰাজয় স্বীকাৰ কৰিলা নেকি? —

(তাই নিৰুত্তৰ)



বৰ্তমান তোমাৰ হৃদয়ত বলি থকা ধুমুহাজাকৰ উমান মই নোপোৱা নহয়।

(তাই যেন কিবা চিন্তাত মগ্ন হৈ আছে, আনৰ কথালৈ কাণষাৰ নাই)

শুনাচোন...

(উচপ্ খাই উঠিল তাই) উম...কোৱা।

ইমান পৰে কিনো ভাবি আছিলা?

নাই নাই এনেই।

বাৰু লাহেকৈ খিৰিকীখন মেলি আকাশলৈ চোৱাচোন।

(খিৰিকীখন মেলি সহজ দৃষ্টিৰে আকাশলৈ চালে)

কি দেখিলা?

এয়া নিশা জোনাকী, অতিকে শুৱনি। চন্দ্ৰটোলৈ চালে চায়েই থাকিবৰ মন যায়, অস্থিৰ হৃদয়ে আপোনমনে গীত গায়।

(এটি সহজ হাঁহিৰে) যেনিবা জন্মদোষত শৰীৰত আছে অঁকা অযুত কলংকৰ ৰেখা, তথাপি বিচলিত নহৈ ৰাখিছে নিজ গুণে উজলাই আই বসুমতিক চন্দ্ৰটোৱে অন্ধকাৰ নিশা।

শৰীৰত ইমানবোৰ কলংকৰ ৰেখা থকা সত্বেও চন্দ্ৰটোৱে মানুহৰ আচৰিত ধৰণে দৃষ্টি আকৰ্ষণ কৰে, মানুহে চন্দ্ৰটোলৈ থৰ লাগি চাই ৰয়, ৰেখাবোৰে চন্দ্ৰটোৰ সৌন্দৰ্য টিলমানো হ্ৰাস কৰিব পৰা নাই। আচৰিত নালাগে নে...?

এৰা তুমি ঠিকেই কৈছা। আচলতে জীৱন বুলিলেই সংগ্ৰাম, যিহেতু এই সংগ্ৰামত ভূমিষ্ঠ হৈছোঁৱেই তেন্তে যুঁজ নকৰাকৈ কেনেকৈ থাকোঁ। চেষ্টা কৰিম হ'বলৈ চন্দ্ৰৰ দৰে। কপালৰ লিখন মচিব নোৱাৰিলেও, নিজ গুণে নিজকে উজ্বলাই তুলিম। ●

# অস্তৰবি

**ৰীতাঞ্জলি দাস**
প্ৰাক্তন ছাত্ৰী

"বুঢ়া, মই বুঢ়া হৈছোঁ— কোনে কয় মই বুঢ়া হৈছোঁ বুলি। আচলতে তহঁতৰ মনবোৰ বুঢ়া হৈছে। মই বুঢ়া হোৱা নাই বুজিছ। এইখন মোৰ ঘৰ। ভৱিষ্যতত এইখন ঘৰত যিয়ে মোক বুঢ়া বুলি কণাকণি কৰা মোৰ কাণত পৰিব, সেইজনৰ সৰ্বনাশ। সকলোৱে জানি থ'বি, বুজিছ।"

ৰাতিপুৱাই লাখুটি ককাহঁতৰ ঘৰৰ পৰা ভাঁহি অহা এই চিঞৰ-বাখৰ, হাই-কন্দল। এইখন মহাভাৰত বিছনাৰ পৰা শুনাটো যেন এতিয়া মোৰ দৈনন্দিন অভ্যাসত পৰিণত হৈছে। সঁচা কথা ক'বলৈ গ'লেতো লাখুটি ককাই ৰাতিপুৱাই ঘৰত প্ৰায়ে আৰম্ভ কৰা এই কুৰুক্ষেত্ৰ ৰণখনৰ কাণতাল মৰা শব্দইহে মোৰ কুম্ভকৰ্ণসদৃশ টোপনি ভাঙে। অৱশ্যে এইখন কাজিয়াৰ কাৰণটো মোৰ জ্ঞাত।

হয়তো ঘৰৰ কোনোবা সদস্যই কাণে কাণে ককাক বুঢ়া বুলি কওঁতেই নতুবা বয়সৰ লগে লগে যে ককাই খিংখিঙীয়া স্বভাৱৰ হৈ পৰিছে, সেই বিষয়ে কিবা কৈ থাকোঁতেই ককাই সেই নুশুনিবলগীয়া কথাষাৰ শুনিবলৈ পালে। লাখুটি ককা, মোৰ শৈশৱৰ পৰা চিনাকী এখন মুখ, চিনাকী এটা নাম। যিটো নাম মই মাত্ৰ দুই-এটা শব্দ উচ্চাৰণ কৰিব পৰা হওঁতেই মাতিবলৈ শিকোৱা হৈছিল। অৱশ্যে কেৱল ককা বুলিহে।

কিন্তু পিছত যেতিয়া মোৰ বয়স দুবছৰ নে তিনিবছৰ হ'ল, মই নিজেই তেওঁক লাখুটি ককা নাইবা কেতিয়াবা চছ্মা ককা বুলি মতা হ'লোঁ। কাৰণ মাথোঁ এটাই, তেওঁ সদায় ডাঠ ক'লা ফ্ৰেমৰ চছ্মা এযোৰ পিন্ধে আৰু হাতত থাকে সদায় এডাল লাখুটি। মোৰ শিশুকালৰ ফুলকুমলীয়া মনত প্ৰতিদিনেই এনে অৱয়ৱেৰে সৈতে দেখাদেখি মানুহজনক হয়তো এই কাৰণতেই মই কোনেও নিশিকোৱাকৈয়ে সেই নাম দিছিলোঁ। যদিও আমাৰ ঘৰৰ ওচৰৰ ঘৰটোৱেই ককাহঁতৰ, তথাপি মাজতে থকা আহল-বহল খালী ঠাইখিনিৰ কাৰণেই (সৰু খেলপথাৰ বুলিও ক'ব পাৰি) দুয়োটা ঘৰেই এটা আনটোৰ পৰা নিলগত।

লাখুটি ককাৰ আচল নাম হৈছে সদানন্দ



হাজৰিকা। কিন্তু এতিয়া যেন ককাৰ বাহিৰে আন সকলোৰে নামটো পাহৰিয়েই যাব। কাৰণ ককাই কোনো কোনো কথাত গৰ্জনেৰে "মোৰ নাম সদানন্দ হাজৰিকা" বুলি কোৱাৰ বাহিৰে আন কোনেও তেওঁক নামেৰে মতা শুনিবলৈ নাপাওঁ। মই জনাত তেওঁৰ দুই-এজন বন্ধুৱেহে তেওঁক নামেৰে মাতে। বাকী পুত্ৰ, বোৱাৰী, জীয়ৰী সকলোৱেতো পিতা বুলিয়েই মাতে আৰু কণমানি নাতিনীয়েক দুজনীয়ে মাতে ককা বুলি। আৰু ককাৰ ঘৈনীয়েকেতো প্ৰাণ গ'লেও মুখেৰে কেতিয়াও স্বামীৰ নাম উচ্চাৰণ নকৰে। কাৰণ তেওঁ হৈছে পুৰণি অন্ধবিশ্বাসৰ কবলৰ পৰা এতিয়াও বাহিৰ ওলাই আহিব নোৱৰা এগৰাকী পতিব্ৰতা নাৰী। তেওঁৰ আত্মীয়-কুটুম্বই তেওঁক যি নামেৰেই নামাতক লাগে, সেয়া জনাৰ আমাৰ সকাম নাই। বাকী থাকিল আমাৰ চুবুৰীৰ মানুহখিনি। যিখিনিৰ ভিতৰত বয়স্ক, ডেকা আৰু শিশুসকলৰ বেছিভাগেও ককাক তেলাবলৈ খুব মৰমসনা মাতেৰে ককাৰ লগত মাতবোল কৰে। কিন্তু চেঙেলীয়া দুই এজনে ককাক জোকায় ৰং চাবলৈ বুলি। তেওঁলোকৰ ঘৰৰ সন্মুখেৰে পাৰ হৈ যাওঁতে কেতিয়াবা ককাৰ নাতিয়েক দুজনীকে হওক বা ঘৰত কাম কৰা ছোৱালীজনীকেই হওক, ককাই শুনাকে প্ৰায় চিঞৰিয়েই সোধে - "তোমালোকৰ বুঢ়াৰ খবৰ কি? ভালনে? বুঢ়া ঘৰত আছেনে?"

আচল গণ্ডগোলটো লাগে এইখিনিতেই। ককাই টিঙিৰিতুলা খঙত একো নাইহে হয়তো চেঙেলীয়া কেইটাক লাজ দিবলৈ বুলি সিহঁতলৈ লাখুটি টোঁৱাই সিহঁতৰ বুকুত ব্ৰহ্মাস্ত্ৰ বা কথাৰ বাণ বৰষিব। নতুবা ঘৰৰ ভিতৰত অকলশৰীয়াকৈ কাকো মাতবোল নকৰাকৈ বহি থাকিব।

লাখুটি ককাৰ সৈতে মোৰ সম্পৰ্কটো অলপ বেলেগ ধৰণৰ। বেলেগ ধৰণৰ বুলি কৈছোঁ এইবাবেই যে আনৰ চকুত আমাৰ সম্বন্ধটো যদিও ককা আৰু নাতিনীৰ, অৱশ্যে বয়সৰ ফালৰ পৰা সেয়াই সম্ভৱ। তথাপি ককা যে মোৰ ধেমালিৰ লগৰীয়া। আমি দুয়ো দুয়োকে ঠাট্টা-মস্কৰা কৰা দেখোঁতাজনে আমাৰ বয়সৰ ব্যৱধানলৈ লক্ষ্য কৰি হয়তো আচৰিতেই হ'ব। ককাই কেতিয়াবা মোক কয় যে আজিকালি তেওঁ কাৰোবাৰ এষাৰ শুৱলা মাত শুনিবলৈ, এটি মিঠা ব্যৱহাৰ পাবলৈ আগ্ৰহেৰে বাট চাই থাকে। মই বুজোঁ এই বয়সত ককাক কাৰোবাৰ নম্ৰ ব্যৱহাৰ, অমিয়া মাত এষাৰিৰ কিমান প্ৰয়োজন। মই যিদৰে ককাক লাখুটি ককা বুলি মাতোঁ, সেইদৰে ককায়ো মোক মোৰ নামেৰে নামাতি ফেঁচী বুলি মাতে। মই যদি কেতিয়াবা অভিমানৰ সুৰত ককাক কওঁ, "ককা, তুমি বাৰু মোক স্নেহা বুলি নামাতা কিয়?"

তেতিয়া ককাই মিচিকিয়াই হাঁহি এটা মাৰি কৈ দিয়ে, "হ'ব দে, মই তোক আজিৰ পৰা স্নেহাফেঁচী বুলি মাতিম। হ'বনে?"

সঁচাকৈ গোটেই চুবুৰীটোতে খিংখিঙীয়া স্বভাৱৰ বুলি ভবা, কোনোবাই কেতিয়াবা বাটে-ঘাটে লগ পালেও মূৰ কামোৰণি যেন অনুভৱ কৰা সেই ব্যক্তিজনৰ যে মোৰ লগত মধুৰ সম্পৰ্ক এটা আছে, সেই কথা চকুৰে নেদেখা কোনেও অনুভৱ কৰিব নোৱাৰিব। সেয়ে ককাৰ পৰিয়ালৰ কোনোবা সদস্যৰ লগত মনোমালিন্য ঘটিলে নতুবা আন কোনো কাৰণত মন বিষণ্ণতাৰে আৱৰি থাকিলে যেতিয়া ককাই গৈ নৈৰ পাৰৰ বকুলজোপাৰ তলৰ সেই বেঞ্চখনত অকলে অকলে বহি থাকে, তেতিয়া মই তেওঁৰ মানসিক অৱস্থাটো বাৰুকৈয়ে বুজি পাওঁ; আৰু সেয়ে ৰসাল কোনো কথাৰে বা কাৰ্য্যৰে সাময়িকভাৱে হ'লেও তেওঁৰ মন সাগৰত এটি আনন্দৰ ঢৌৰ লহৰ তুলিব বিচাৰোঁ। মই বুজি পাওঁ মন বিষাদেৰে আগুৰি থকা অৱস্থাত কেনেধৰণৰ কথাই তেওঁৰ শুকান ওঁঠযুৰিত এটি হাঁহি বিৰিঙাব পাৰিব। সেয়ে তেওঁৰ সঙ্গ মোৰ বাবে বোজা নহয়, বৰঞ্চ এক মিঠা অনুভৱ, এক সুন্দৰ অভিজ্ঞতা।

সিদিনা কলেজৰ পৰা আহোঁতে মই উঠা চিটি বাছখনতে ককায়ো বাটতে এঠাইত উঠিল। অৱশ্যে ইমান ভিৰ হৈছিল যে মই পিছফালৰ পৰা মানুহৰ সেই ভিৰ ঠেলি গৈ ককাক মাত লগোৱাতো অসম্ভৱ আছিল। মানুহবোৰ কাপোৰ জপাৰ নিচিনাকৈ জাপ খাইহে। যেন আহিছে এনে এক অৱস্থা। মই বহিবলৈ চিট পোৱা নাই বাবে খুঁটা এটাতে ভালকৈ ধৰি লৈ কোনোমতে উশাহ লৈ আহি আছোঁ। এনেতে ছঁয়ামমাকৈ দেখিবলৈ পালোঁ

এজন ডেকা ল'ৰাই বহাৰ পৰা উঠি নিজৰ চিটটোত ককাক বহিবলৈ দিছে। ককাই প্ৰথমে নালাগে, হ'ব দিয়া বুলি কৈ, পিছত বহি পৰিল। এইবাৰ ল'ৰাটোৱে ক'লে, "একো নহয় ককা বহক, আমি নবহিলেও হয়। পিছে আপোনালোকৰ নিচিনা বুঢ়া মানুহবোৰ এনে ভিৰত থিয় হৈ যোৱা দেখিলে বেয়া লাগে। ল'ৰাটোৱে কোৱা কথাষাৰ মোৰ কাণত পৰিছিলহে মাত্ৰ ককাই একেচাটে বহাৰ পৰা উঠি আগৰ দৰে থিয় হৈ থাকিল। কোনেও একো বুজিব নোৱাৰিলে। আনকি ককাক বহিবলৈ নিজৰ চিটটো এৰি দিয়া সেই ডেকাজনেও একো উৰাদিহ নাপালে যে সিনো কি নক'বলগীয়া কথা ক'লে। মাত্ৰ মইহে বুজিছিলোঁ যে ককাক চিটটোত বহিবলৈ এৰি দিয়ালৈকে সকলো ঠিকেই আছিল। সেয়ে ককাই বহিছিলগৈয়ো। কিন্তু ককাই ডেকাজনৰ কথাৰ পৰা যেতিয়াই বুজি পালে যে একমাত্ৰ তেওঁৰ বয়সৰ পিনে চাইহে তেওঁক বহিবলৈ চিটটো এৰি দিয়া হৈছে, তেতিয়াই আত্মাভিমানী ককাৰ যেন অভিমান জাগ্ৰত হ'ল। ককাই মানি ল'বলৈ টান পালে যে তেওঁক সকলোৱে অতিপাত যত্ন কৰা বা কোনো কোনো ক্ষেত্ৰত অৱহেলা কৰাৰ একমাত্ৰ কাৰণটো হ'ল তেওঁৰ বাৰ্ধক্য। এবাৰ আকৌ লাখুটি ককাৰ ঘৰলৈ প্ৰথমবাৰৰ কাৰণে সৰু বোৱাৰীয়েকৰ বান্ধৱী কেইগৰাকীমানে ফুৰিবলৈ আহিল। ককা গৈ কেনেবাকৈ তেওঁলোকৰ আগত উপস্থিত হ'লগৈ। ককাৰ উপস্থিতিত মহা অস্বস্তি অনুভৱ কৰিয়েই হ'বলা সিহঁতৰ মাজৰে এগৰাকীৰ মুখেৰে ওলাই পৰিল এটা নোলাবলগীয়া কথা। পিছে আমাৰ ককাৰ কাণখন একেবাৰে সজাগ। মই বুজি পালোঁ, সেই তিৰোতা কেইগৰাকীয়েও হয়তো নিজৰ বান্ধৱীৰ ঘৰলৈ কিছু স্ফূৰ্তি কৰোঁ বুলি, কিছু আনন্দ কৰোঁ বুলি বা সুখ-দুখৰ কথা পাতোঁ বুলি আহিছিল। পিছে ককাৰ উপস্থিতিয়ে সকলো বন্ধ কৰিলে। পিছত আৰু হ'ব কি, সিদিনা ককাৰ হাতত সৰু বোৱাৰীয়েকৰ লাঞ্ছনা আৰু ৰান্ধনীঘৰত কোনেও প্ৰৱেশ নকৰাৰ বাবে ঘৰৰ আটাইৰে লাঘোণ।

ককাৰ উপস্থিতিত সকলো পণ্ড হৈ যায়। সেইজন মানুহৰ সঙ্গ কোনেও ভাল নাপায়, যিজন মানুহৰ সঙ্গই মোক ইমান আকৃষ্ট কৰে। এজন আশী বা পচাঁশী বছৰীয়া বৃদ্ধ আৰু যোল্ল বা সোতৰ বছৰীয়া গাভৰু ছোৱালীৰ মাজত থকা এই বন্ধুত্বৰ সম্পৰ্ক সঁচাকৈ বিস্ময়কৰ।

ককাই মাজে মাজে মোৰ ওচৰত ব্যক্ত কৰে যে তেওঁ সঁচাকৈ আহি আহি জীৱনৰ এনে এটা পৰ্য্যায়ত উপস্থিত হৈছে, যিটো অৱস্থাত অনুভৱ হয় যেন ঠেৰেঙা শীতৰ কোনোবা এটা নিজম ৰাতি তেওঁ অকলে জুহালৰ কাষত বহি, সোঁৱৰণ কৰিছে এৰি অহা সোণালী দিনৰ মধুময় স্মৃতি। ককাই বহুদিন মোক কৈছে, "স্নেহা, জীৱনটো এতিয়াই উপভোগ কৰি ল', মইনা। এতিয়া তহঁতৰ জীৱনত বসন্ত কাল। সময় পাখি লগা কাঁড়ৰ নিচিনা। বসন্ত কালটো নিমিষতে পাৰ হৈ যাব আৰু জীৱনত যেতিয়াই শীতকাল আহি পৰিব, তেতিয়াই এটা দিন এটা যুগ যেন হৈ পৰিব।"

যোৱা কেইদিনমান ধৰি ককাক দেখিবলৈকে পোৱা নাই। সঁচাকৈ, এইকেইদিন মই ইমান ব্যস্ত যে ককাৰ খবৰ ল'বলৈকো আহৰি পোৱা নাই। হয়তো কিবা অসুখ হৈছে, নহ'লেতো মোৰ লাখুটি ককা পুৱা-গধূলি ঘৰতে সোমাই থকা বিধৰ মানুহ নহয়। আজি আবেলি সময় উলিয়াই ককাৰ ঘৰলৈ এপাক যাবই লাগিব। কেনে বিচিত্ৰ মনৰ ব্যক্তি এই লাখুটি ককাজন। মোৰ মনত আছে আজি ছমাহমান আগতে সামান্য পানীলগা অসুখ হৈ এসপ্তাহ নে দুসপ্তাহ ককাই ঘৰতে সোমাই থাকিব লগা হওঁতে, মই তেওঁৰ খবৰ নোলোৱা দেখি সৰু ল'ৰা এটাৰ নিচিনাকৈ ককাই মোৰ ওপৰত অভিমান কৰি দেখুৱাইছিল, মই যেন তেওঁৰ কাণসমনীয়াহে। ককাৰ নিজৰ সিদ্ধান্ত সদায় একচেটিয়া। তথাপি মোৰ অনুৰোধ তেওঁ পৰাপক্ষত অমান্য নকৰে। এবাৰ তেনেকৈ মোৰ কথামতে তেওঁ গধূলি পৰত নামঘৰলৈ যাবলৈ আৰম্ভ কৰিছিল। মই ভাবিছিলোঁ সন্ধিয়া কীৰ্ত্তনঘৰত সমনীয়াৰ লগত নাম-প্ৰসঙ্গ কৰিলে, ওৰে দিনটো মানসিক অন্তৰ্দ্বন্দ্বত ভুগি থকা ককাৰ মনটো অলপ হ'লেও ভাল লাগিব। কিন্তু তেনেদৰে কেইদিনমান যোৱাৰ পিছতেই ককাই নামঘৰলৈ নোযোৱা হ'ল। নোযোৱাৰ কাৰণটো মই সোধাত কৈছিল, "সন্ধিয়া নামঘৰলৈ যাব ধৰাৰে পৰা আজিলৈকে মোক কোনেও কোৱা নাই যে যাহওক ভালেই হ'ল, মনটো ভাল কথাত লাগি থাকিলে মানুহজনে অলপ সুখ পাব। কিন্তু সকলোৱে

একেমুখে কেৱল এই কথাকে কৈছে যে— "আপুনিও নামঘৰলৈ যাবলৈ আৰম্ভ কৰিছে, ভালেই হৈছে দিয়ক। আপুনি কিছু দেৰিকৈহে যাবলৈ ল'লে, বুঢ়া হ'লে নামঘৰলৈ যাবই লাগে।"

এইখিনি কথা শুনাৰ পিছত মই আৰু ককাক একো নুসুধিলোঁ। ককাই ভাবে তেওঁ নামঘৰলৈ যায় শান্তি বিচাৰি। ইয়াৰ লগত জড়িত হৈ আছে তেওঁৰ মনৰ কিছু আবেগ, কিছু অনুভূতি। একমাত্ৰ বয়সক তেওঁ নাম ঘৰলৈ যোৱাৰ একমাত্ৰ কাৰণ হ'বলৈ দিব নোৱাৰে।

লাখুটি ককাৰ ঘৰৰ পদূলি মুখৰ জপনাখন খুলি মই পোনেই ককাৰ কোঠালৈ সোমাই গ'লোঁ। আহ! কি সুগন্ধ। ককাৰ ৰূমত সোমালেই পোৱা চিৰ পৰিচিত এই বিশেষ গোন্ধটোৱে মোক মতলীয়া কৰি তুলিব খোজে। এই গোন্ধটোৰ উৎস হ'ল ককাৰ ৰূমৰ একাষত এখন টেবুলত থকা দ্ৰব্য সামগ্ৰীবোৰ। ককাৰ বিশেষ তেলৰ বটলটো, গোন্ধটো বতাহত মিলি গৈ কোঠাটোৰ ভিতৰখন এক মিঠা স্নিগ্ধ সুবাসেৰে ভৰি উঠিছে। ককাই তেওঁৰ আৰামী চকীখনত চকুমুদি বহি আছে। মই গৈ মাত লগোৱাত ককাই চকু দুটা মেলি মোলৈ চাই পঠিয়ালে। কিন্তু কি আচৰিত, সেই দৃষ্টিত সদায় দেখিবলৈ পোৱাৰ নিচিনাকৈ মই তীক্ষ্ণতা দেখিবলৈ পোৱা নাছিলোঁ। স্বাভিমান দেখিবলৈ পোৱা নাছিলোঁ। তাৰ বিপৰীতে দেখিবলৈ পাইছিলোঁ সেই দৃষ্টি যেন সুদূৰত নিবদ্ধ হৈ পৰিছে। এক শূন্য উদাস দৃষ্টি। এক ক্লান্ত চাৱনি। মই বুজিব পৰা নাছিলোঁ বাঘৰ নিচিনা মানুহটোৱে হঠাৎ কিয় শান্ত ৰূপ ল'লে। ককাই এষাৰো মাতবোল কৰা নাই। ময়ো তেওঁক একো সোধা নাই। কিছু সময় কোঠাটোত এক বিশাল নীৰৱতাই বিৰাজ কৰি থাকিল। মই সেই গহীন নীৰৱতা ভাঙি দি সৰু মাতেৰে ককাক সুধিলোঁ, "ককা, গা ভাল নহয় নেকি?" ককাই চেপা কণ্ঠেৰে প্ৰায় সেহাই সেহাই ক'লে, "দেহাও লাহে লাহে পৰি আহিবই দেচোন। বুঢ়া হৈছোঁতো।"

এয়া মই কি শুনিলোঁ। ককাই নিজ মুখে স্বীকাৰ কৰিলে যে তেওঁ বুঢ়া হ'ল। মই জনাত ককাই জীৱনত প্ৰথমবাৰ স্বীকাৰ কৰিলে যে তেওঁৰো বয়স হ'ল, এতিয়া যথেষ্ট বয়স হ'ল, তেওঁ বুঢ়া হ'ল। মই বুজিলোঁ গোটেই জীৱনটো বীৰদৰ্পে থকা ককাই বাৰ্ধক্যৰ ওচৰত সেও মানিলে। নিষ্ঠুৰ সময়ৰ ওচৰত ককা পৰাজিত হ'ল। যেন ধুমুহা বতাহতো উভালি নপৰা বুলি থিয় হৈ থকা প্ৰকাণ্ড এজোপা আহত গছে ধুমুহাৰ স'তে বহুত সময় নৃত্য কৰি কৰি অৱশেষত শিপাৰে সৈতে উভালি পৰিল। মই বহাৰ পৰা উঠিলোঁ, ককাই বহিবলৈ কৈছিল কিন্তু মই নবহিলোঁ। ককাক সেই সময়ত আমনি কৰিবৰ মন নগ'ল। মোৰ এনে লাগিল ককাক যেন প্ৰয়োজন হৈছে সেই বস্তুটোৰ, যিটো মানুহক জীৱনত কেতিয়াবা খুবেই প্ৰয়োজন হয়।

নিঃসঙ্গতা। সঁচাকৈ দিনৰ দিনটো নিজৰ পৰিয়ালৰ মানুহখিনিৰ লগতে প্ৰতি কথাতে বাক্ -বিতণ্ডা কৰি থকা ককাক যেন আজি নিঃসঙ্গতাৰ খুবেই প্ৰয়োজন।●

উৎস ঃ মাধৱ চৌধুৰী মহাবিদ্যালয় আলোচনী, ৪৯ তম্ সংখ্যা ২০০০-০১ বৰ্ষ, সৌৰভ ৰঞ্জন দাস (সম্পাদক)

— সম্পাদক।

# পৰিবেদনা

**তাচমিনা আকতাৰ**
দ্বিতীয় যাণ্মাসিক

নৰকুশ 'নৰকুশ বৰুৱা' তেওঁৰ নাম। বয়স ১৬ বছৰ। ব্যৱহাৰ মন কৰিবলগীয়া। মাতত অমৃত সৰে। এক সুঠাম দেহৰ অধিকাৰী নৰকুশ। ওখ ৬ ফুট। পৰিচয় দুৰ্ভাগ্যজনক।

নৰকুশৰ পৰিচয় বোলোতে মাথোঁ অনিল আহমেদ, সুৰেশ শৰ্মা, শশী কুমাৰ, মৰমী ভট্টাচাৰ্য, মনমোহন বড়ো, ৰাজা দলে আদি সমনীয়াসকল তথা বন্ধু-বান্ধৱীসকল। তেওঁলোকেই হ'ল নৰকুশৰ পৰিচয়। অৱহেলিত নৰকুশৰ নিজৰ পৰিচয় এই সমনীয়াসকল আৰু নৰজ্যোতি বোলা অনাথ আশ্ৰম। আজিৰ পৰা ১৬ বছৰ আগৰ কথা। নাম নৰখাকৈয়ে এৰি গৈছিল এই আশ্ৰমত মনে মনে। সেয়া এক দুৰ্ভাগ্যজনক ঘটনা।

প্ৰেম শব্দটোৰ এক বিশাল সাৰমৰ্ম আছে। প্ৰেম শব্দটো মহান। ইয়াৰ তাৎপৰ্যপূৰ্ণ অৰ্থও আছে। প্ৰেম স্বৰ্গীয়। প্ৰেম অমৰ। নৰকুশ প্ৰেমৰে পৰিণতি। ঊনৈশ বছৰ আগৰ কথা। মঞ্জু বোলা সেই মুছলিম ছোৱালীজনী যিগৰাকী নৰকুশৰ জন্মদাত্ৰী। মঞ্জু মেট্ৰিকত ভাল ফলাফল লাভ কৰি গুৱাহাটী মহানগৰীৰ বি. বৰুৱা কলেজত ভৰ্ত্তি হৈছিল। তাইৰ ঘৰ নগাঁৱত। পিতৃ-মাতৃ চৰকাৰী চাকৰিয়াল। তাইৰ ঘৰুৱা ভাষা বঙালী। তাই বি. বৰুৱা কলেজৰ পৰা এক কিল'মিটাৰ নিলগত ৰেন্টত আছিল। হোষ্টেলত থাকিবলৈ ভয় পাইছিল। সেয়ে মাক-দেউতাকে তাইৰ বাবে বেচ আহল-বহল কোঠা এটাকে ভাড়াত লৈ দিছিল। মৰমীয়াল ছোৱালীজনী। কলেজত ভৰ্ত্তি হোৱা মাথোঁ এমাহ পাৰ হ'ল। এনেতে তাইৰ বুকুলৈ ধুমুহা নামি আহিল। সেয়া আচলতে তেতিয়া তাইৰ বাবে ধুমুহা নাছিল। আনন্দৰহে বাৰ্তা আছিল।

এম.বি.এ. পঢ়ি আছিল অনিল বেনাৰ্জী। মঞ্জুৰ বিপৰীতফালেই আছিল তাৰ কোঠালী। সি প্ৰায় মঞ্জু কলেজলৈ ৰাওনা হোৱাৰ সময়তে ওলায়। প্ৰায় প্ৰত্যেক দিনাই তাইৰ লগত তাৰ একেটা সময়তে মুখামুখি হয়। মাতবোল নকৰাকৈয়ে প্ৰায় ছমাহ পাৰ হ'ল। এনেতে এদিনাখন মঞ্জু উঠা অ'টোখনত অনিল আহি বহিব খুজিলে। মঞ্জুৱে আপত্তি নকৰিলে। মঞ্জুৱে অ'টোৰ ড্ৰাইভাৰজনক প্ৰথমে বি.বৰুৱা কলেজলৈ যাবলৈ ক'লে। কথাযাৰ বঙালীত কৈছিল। সেয়ে বঙালী যুৱকজনে সুযোগৰ ত্ৰুটি নকৰাকৈ তাইৰ বিষয়ে সকলো কথা তাইৰ পৰাই উলিয়াই ল'লে। অ'টোৰ ভাড়া যুৱকজনেই দিলে। ছোৱালীজনীৰ মোবাইল নম্বৰো সি এই সুযোগতে লৈ ল'লে।

ইফালে ভৰি দিছেহি। ল'ৰাবোৰৰ চতুৰালি কি বুজি পাব! তাই অনিলৰ বিষয় একোকে জানিব নোৱাৰিলে। মাথোঁ অনিল কথাৰ মাজত সি এম.বি.এ কৰি আছে বুলি কৈছিল। আনহাতে তাইক কিবা সুধিবলৈয়ো অনিলে সুযোগ দিয়া নাছিল। নামটো সুধিম বুলি ভাবিও লাজতে সোধা নহ'ল। মুঠতে সৰলা মঞ্জুৱে তাক এজন

মুছলিম ল'ৰা বুলি ধৰি ল'লে। এইদৰেই নিজৰ পৰিচয় গোপন ৰাখিয়েই সু-সম্পৰ্ক গঢ়াত অলপো ত্ৰুটি নকৰিলে অনিলে। নিতৌ একেটা সময়ত কলেজলৈ একেখন গাড়ীত অহা-যোৱা কৰে। মঞ্জুৱে ভাড়া দিব খুজিলেও দিবলৈ নিদিয়ে। এইদৰেই বন্ধুত্ব গঢ় লৈ উঠিল দুয়োৰে মাজত। বন্ধুত্বই সীমা অতিক্ৰম কৰি প্ৰেমৰ পাতনি মেলিলে। ক্ৰমান্বয়ে এওঁলোকৰ প্ৰেম, প্ৰেমৰ বাটেৰেই আগবাঢ়িল। এদিনাখন অনিলে তাৰ পৰিচয় মঞ্জুৰ আগত দাঙি ধৰিলে। বেচেৰী মঞ্জু জীৱনত এয়া যেন প্ৰথম ভুল আৰু আঘাত অনুভৱ কৰিলে। কাৰো লগত শ্বেয়াৰ কৰিব নোৱাৰা বিষয়। ঘৰৰ পৰা তেওঁলোকৰ সম্পৰ্কক কেতিয়াও বৈধ বুলি মানি নলয়। সমাজৰ হেঁচাৰ কথা বাদেই।

মঞ্জুৰ উচ্চতৰ মাধ্যামিকৰ চূড়ান্ত পৰীক্ষা আৰম্ভ হ'ল। দুঃচিন্তাৰ মাজতে অৱশ্যে তাইৰ পৰীক্ষা ভালেই হ'ল। পৰীক্ষা সমাপ্ত হ'ল। অনিলে তাইক লৈ চিৰিয়াখানা, কলাক্ষেত্ৰ, তাৰকাগৃহ আদিলৈ যাবৰ প্ৰস্তাৱ দিলে। তাই মান্তি হ'ল। কলাক্ষেত্ৰত মনোমোহা পৰিৱেশৰ মাজতো তাইৰ মনত আনন্দৰ পৰিৱৰ্তে ভয়হে। মুখত হাঁহিৰ পৰিৱৰ্তে চিন্তাৰ ছাঁ বিৰাজ কৰিছে। অনিলে কিমান কি বকি আছে। তাই মাথোঁ নীৰৱে শুনি আছে। হঠাৎ তাইৰ কণ্ঠৰ পৰা এষাৰ মাত ওলাই আহিল। অনিল, তুমি মোক কেতিয়াও পাহৰি নাযাবাতো? মই তোমাক এৰি জীয়াই থাকিব নোৱাৰোঁ। কথা দিয়া অনিল। মোৰ মূৰ চুই কথা দিয়া; তুমি মোক পাহৰি নাযাবা বুলি। চতুৰ অনিল তৎক্ষণাত মূৰত হাত থৈ শপত ল'লে। কিন্তু অনিলৰ বাবে এয়া এটা নাটকৰ দৃশ্যহে আছিল। প্ৰেম গাঢ় কৰাৰ কৌশলহে আছিল।

উচ্চতৰ মাধ্যমিকৰ ফলাফল ওলাল। ইংৰাজী, কেমেষ্ট্ৰী, ফিজিক্স, বাইঅ'লজীত লেটাৰ লৈ পাছ কৰিলে মঞ্জুৱে। জুনিয়ৰ ইঞ্জিনিয়াৰিঙত এণ্ট্ৰেন্স দি নামভৰ্ত্তিৰ সুযোগ পালে। নামভৰ্ত্তি কৰিলে। ইফালে অনিলে মঞ্জুৰ ফলাফল আৰু ইঞ্জিনিয়াৰিঙত নামভৰ্ত্তি সুযোগ পোৱা উপলক্ষে নিজৰ বন্ধু-বান্ধৱীসকলক লৈ এটা পাৰ্টিৰ আয়োজন কৰিলে। এয়া আছিল মঞ্জুক আৰু বেছিকৈ তাৰ প্ৰতি আপ্লুত কৰা চেষ্টা। মঞ্জু সঁচাকৈ তাইৰ বাবে ইমান ডাঙৰ পাৰ্টিৰ আয়োজন কৰা বাবে হতভম্ব হৈ পৰিছিল। তাই কৈছিল মোৰ বাবে ইমান খৰচ কৰাৰ কি দৰকাৰ আছিল তোমাৰ? উত্তৰত অনিলে কৈছিল— তোমাৰ বাবে মই নিজকে বলি দিবলৈয়ো সাজু।

বেচেৰী মঞ্জু দিনক-দিনে নিজৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাব ধৰিলে। নিজক বিলীন কৰি দিব ধৰিলে অনিলৰ দুবাহুত। এনেকৈ তেওঁলোকৰ সম্পৰ্ক কুৎচিৎ পৰিৱেশলৈ ঢাল খাব ধৰিলে। এদিনাখন মঞ্জুৰ পেটৰ বিষ আৰু বমি হোৱা বাবে ডাক্তৰৰ ওচৰলৈ যায়। ডাক্তৰে পৰীক্ষা নিৰীক্ষা কৰাৰ পাছত তাইৰ পেটত সন্তান অৰ্থাৎ তাই গৰ্ভৱতী হোৱা বুলি নিশ্চিতভাৱে ক'লে। অৱশেষত সৰগ ভাগি যেন মঞ্জুৰ মূৰত পৰিলে। তাই অনিলৰ কাষলৈ গ'ল। সিহঁতৰ সম্পৰ্কৰ ফলাফলৰ কথা অৱগত পৰিস্থিতিৰ মুখামুখি হ'বলৈ কোৰ্টত গৈ বিয়া পাতিবলৈ অনুৰোধ কৰিলে। কাৰণ দুয়োৰে পৰিয়াল কাকো মানি নলয়।

অনিল নিষ্ঠুৰ। প্ৰথমতে তেওঁ ক'ৰে— "মা-দেউতাই ইমান ত্যাগ স্বীকাৰ কৰি আমাক ডাঙৰ-দীঘল কৰিলে। লিখা-পঢ়া শিকালে। এতিয়া আমি মা-দেউতাৰ অবাধ্য হৈ যোৱাটো উচিত নহ'ব। তথাপি দুয়ো পৰিয়ালৰ পৰাই প্ৰচুৰ হেঙাৰ আহি পৰিব। কেৱল সেয়াই নহয়, কোনো এখন সমাজেও মানি নলয়। তেনেক্ষেত্ৰত আমি এতিয়া জীয়াই থাকিব লাগিবতো। এঘৰীয়া হৈ জীয়াই থাকিব নোৱাৰোঁ নহয়; তাৰোপৰি প্ৰেম মানে বিয়া নহয়। তুমি যদি সেয়া ভাবিছা, তেন্তে ভুল কৰিছা। মই তোমাৰ লগত বিয়াত বহিব নোৱাৰিম। ছ'ৰি! মঞ্জু ছ'ৰি! আই এম ৰিয়েলী ছ'ৰি। দীঘলীয়া বক্তব্য দি অনিল আঁতৰ হ'ব খোজাত মঞ্জুৱে মাত লগালে— কিন্তু মই? তুমি এটা কাম কৰা, ডাক্তৰৰ ওচৰত গৈ সমস্যাৰ সমাধান কৰিবলৈ অনুৰোধ কৰাগৈ। টকা যিমান লাগে মই দিম। কিন্তু মোক লগ ধৰিবলৈ আৰু চেষ্টা নকৰিবা। অনিলৰ মাতত মঞ্জু মাটিত থিয় হৈ আছে নে বহি আছে ক'ব নোৱাৰা হ'ল। তাই চকুত সৰিয়হ ফুল দেখিব ধৰিলে। ইফালে অনিলে তাৰ পৰা আঁতৰি গৈছিল। মঞ্জুৱে মূৰ ঘূৰণি অনুভৱ কৰিলে। তাই মাটিত ঢলি পৰিল। অনিলক গুচি যোৱা দেখা পাই মঞ্জুৰ লগৰী দুজনে তাইৰ ওচৰত আহি দেখে

তাই অচেতন হৈ মাটিত পৰি আছে। তেওঁলোকে এতিয়া কি কৰিব? উপায় নাপাই অ'টো এখন মতাই আনি তাইক হাস্পতাললৈ লৈ গ'ল। তাইৰ মাক-দেউতাকক ফোন কৰি কথাষাৰ জনাই দিয়া হ'ল। মাক-দেউতাক আহি হাস্পতালত উপস্থিত হ'ল। ডাক্তৰক তাইৰ পৰিস্থিতিৰ কথা সোধাত ক'লে— চিন্তা কৰিবলগীয়া একো নাই। মাথোঁ দৰকাৰ তাইৰ নিৰৱতাৰ, বিশ্ৰামৰ। আৰু এটা কথা তাইৰ গৰ্ভত সন্তান থকাটো নিশ্চিত। শেষৰ কথাষাৰত তাইক মাক-দেউতাকহঁতৰ মুখখন ক'লা পৰি গ'ল। আচৰিত হৈ ভাবিবলৈ ধৰিলে— কি ক'লে এয়া ডাক্তৰে। মিছা! মিছা! মিছা!! এয়া কেতিয়াও হ'ব নোৱাৰে।

সম্পূৰ্ণ দুইদিন হাস্পতালত বিশ্ৰামৰ পিছত তাইক ঘৰলৈ নিয়া হ'ল। তাইৰ শৰীৰ এতিয়া সম্পূৰ্ণ সুস্থ যদিও কাৰো লগত মাত বোল কৰা নাই। টেনছনৰ মাজত ডুব গৈ আছে তাই। মাক-দেউতাকে নানা কথা সুধি সুধি অস্থিৰ হৈ পৰিছে। একো উত্তৰ হ'লে পোৱা নাই। এনেকৈ আৰু দুটা দিন পাৰ হ'ল। মাকে নিজৰ শপত দিয়াতহে সকলো কথা ভাঙি-পাতি ক'লে। মাকে তাৰ পৰিচয় দিবলৈ ক'লে। তাই মাকক ক'লে, 'যি ভুল কৰিবৰ ময়েই কৰিলোঁ।' এনে ভুলৰ আৰু অপমানৰ বলি আন কাকো হ'বলৈ নিদিওঁ। তাৰ ওপৰত প্ৰতিশোধৰ কোনো প্ৰশ্নই নুঠে। কাৰণ ভুল তাইহে কৰিছে। তাই ইমান সহজেই নিজৰ ওপৰত নিয়ন্ত্ৰণ হেৰাব লাগেনে?

উত্তপ্ত পৰিস্থিতিৰ শাম কাটিল। অৱশ্যে তাইৰ এই অপবাদৰ কথা অনিল, মাক-দেউতাক আৰু তাইৰ নিজৰ বাহিৰে কাৰো কাণত সোমাবলৈ দিয়া নহ'ল। মাক-দেউতাকে তাইক লৈ গোপনে হাস্পতালত গ'ল। সন্তান গৰ্ভপাত কৰাবলৈ ডাক্তৰক অনুৰোধ জনালে। কিন্তু ডাক্তৰে কোনোপধ্যেই মান্তি নহ'ল। ঘৰলৈ উভতি আহিল। হতাশ মন লৈ। ডাক্তৰে সতৰ্কবাণী দি পঠিয়াইছে। উপযুক্ত সময়ৰ আগতে গৰ্ভপাত কৰালে সকলোৰে ৰঙাঘৰৰ ভাত খাব লাগিব। গৰ্ভপাতৰ আশা বাদ দিলে।

দিন পাৰ হোৱাৰ লগে লগে সন্তান প্ৰসৱৰ সময় চমু চাপি আহিল। ইমানদিন তাই যেন জেলতহে আছে। কাৰণ মানুহে গম পোৱাৰ ভয়ত তাইক এটা বন্ধ কোঠাত আৱদ্ধ কৰি ৰখা হৈছিল। য'ত কাকো প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাছিল। কোনোবাই তাইৰ কথা ওলালে— তাই মহানগৰীত আছে বুলি জনাই দিয়া হৈছিল। সন্তান প্ৰসৱৰ সময় চমু চাপি অহাত তাইক গোপনে নি হাস্পতালত ভৰ্তি কৰোৱা হ'ল। তাতেই জন্ম হ'ল নৰকুশ। জন্মৰ পিছত মঞ্জুক নজনোৱাকৈ তাইৰ কেঁচুৱাটোক অনাথ আশ্ৰমত এৰি থৈ আহিল। তাইৰ মাক-দেউতাকে কেঁচুৱাটোৰ মুখ দেখিবলৈয়ো সুযোগ নিদিলে মঞ্জুক। সেয়েহে আগতকৈয়ো হতাশ হৈ পৰিল তাই।

ইফালে অনাথ আশ্ৰমৰ পৰ্যবেক্ষক নিৰঞ্জন বৰুৱাই এই মাক-দেউতাকবিহীন কেঁচুৱাটোৰ নাম ৰাখে নৰকুশ বৰুৱা। অৰ্থাৎ নিজৰ সন্তানৰ মৰ্যাদা দান কৰে। নিৰঞ্জন বৰুৱাৰ তত্ত্বাৱধানক ডাঙৰ হৈছিল নৰকুশ। লিখা-পঢ়া শিকাৰ সুযোগ দিয়া হৈছিল তাক। ফলশ্ৰুতিত তেওঁ মেট্ৰিক পাছ কৰিছে বেছ সুখ্যাতিৰেই। বুজি নোপোৱা দিনলৈকে তেওঁ নিৰঞ্জন বৰুৱাকে তাৰ নিজৰ পিতৃ বুলি জানিছিল। জনা বুজা হ'বৰ পৰা তেওঁ এটাই মাত্ৰ নোপোৱাৰ বেদনাত আক্ৰান্ত হৈ আহিছে। প্ৰতিটো খোজত অনুভৱ কৰিছে তাৰ মাক-দেউতাকৰ প্ৰয়োজন। তেওঁৰ মতে, ভগৱানে তাৰ পৰীক্ষাহে লৈ আছে। তথাপি তেওঁৰ বিশ্বাস তাৰ মাক-দেউতাক য'তেই নাথাকক কিয়, আহি তাক লগ কৰিবই। চাকৰি বিচাৰি ক'তো চাকৰিৰ যোগাৰ কৰিব নোৱাৰা নৰকুশে জীৱনৰ বাটত প্ৰয়োজনবোধ কৰিছে পিতৃ-মাতৃৰ। সাংবাদিকৰ সাক্ষাৎকাৰতো কথাষাৰ ব্যক্ত কৰিছে তেওঁ। গতিকে পৰৱৰ্তী পদক্ষেপ মাক-দেউতাকৰ বিচাৰ্য বিষয়।

সাংবাদিকৰ সাক্ষাৎকাৰৰ যোগেদি বাতৰি কাকতত প্ৰকাশিত ঘটনাৱলীৰ পৰা সমাজে অনুমান কৰিছিল যে এই অনাথ ব্যক্তিজনৰ মাক-দেউতাক নিশ্চয় ওলাব। ল'ৰাজনে তাৰ মাক-দেউতাকৰ নাম জনা নাছিল। ই মোৰ সম্পূৰ্ণ ব্যক্তিগত নাম। সি যি কি নহওক তেওঁৰ পিতৃ-মাতৃৰ পৰিচয় দিওঁতা কোনো নোলাল। গতিকে সমাজৰ আৰু অনাথ আশ্ৰমৰ সহায়ৰ হাত থকাৰ বাবেই তাৰ ব্যক্তিত্ব গঠন সম্ভৱ হ'ল। সিয়ো মাক-দেউতাকৰ পথেৰেই আগবাঢ়িল। কোম্পানীত মেনেজাৰ পদত চাকৰি

লাভ কৰিলে। কিন্তু ইয়াতে আৰু এটা নতুন সমস্যা দেখা দিলে। কোম্পানীটোৰ স্বত্বাধিকাৰী দেখাত প্ৰায় হুবহু নৰকুশৰ দৰেই। গতিকে কোম্পানীটোৰ শ্ৰমিকসকলৰ মাজত এই লৈ প্ৰায় আলোচনা কৰা দেখা গ'ল। কাৰণ দুয়োৰে চলন-ফুৰন ব্যৱহাৰ খোজ কঢ়াৰ ধৰণ, সাজপাৰ, পিন্ধন উৰণ আদি প্ৰায়ভাগ বিষয়ত সাদৃশ্য লক্ষ্যণীয়। মাথো স্বত্বাধিকাৰীজনৰ মহিলাৰ প্ৰতি তথা প্ৰেম আবেদনৰ প্ৰতি আকৰ্ষণ আছে। যিটো নৰকুশৰ বাবে কল্পনীয়ও নহয়। প্ৰেম, প্ৰেমিক, প্ৰেমিকা তেওঁৰ চকুৰ কুটা দাঁতৰ শাল; কিন্তু প্ৰায়বোৰ শ্ৰমিকে দুয়োজন ব্যক্তিৰ মাজত তেওঁৰ সম্পৰ্ক থকাটো নিশ্চিত বুলি ক'ব খোজে। আনহাতে কোম্পানীৰ কামত দিল্লীত চাৰিমাহ সময় থাকিবলগীয়া হ'ল নৰকুশৰ। তাতে প্ৰায় লগ পাইছিল এজনী ছিনিয়ৰ মহিলা ইঞ্জিনিয়াৰ। এই মানুহগৰাকীক দেখা পোৱাৰ লগে লগে সি ক'ব নোৱাৰাকৈয়ে আগবাঢ়ি যায়, মহিলা গৰাকীয়েও তেওঁৰ মুখৰ পিনে চকুফুৰাই আগবাঢ়ি আহে তাৰ কাষলৈ। কিন্তু ওচৰা-উচৰি হওঁতে কোনেও মাত-বোল নকৰাকৈ গুচি যায়। প্ৰায়ে এনে পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়।

এই ইঞ্জিনিয়াৰ গৰাকীয়েই হ'ল তাৰ মাতৃ। আনহাতে তেওঁ চাকৰি কৰা কোম্পানীটোৰ মালিক তাৰেই পিতৃ। তেওঁ দিল্লীলৈ অহাৰ কেইদিনমান পিছত তাৰ বহু আহি পালে। আনদিনাৰ নিচিনা সিদিনাও বহু আৰু তেওঁ খোজ মেলিছিল মাথোঁ, এনেতে বিপৰীত ফালৰ পৰা নিতৌ অফিচত যোৱাৰ দৰে মহিলাগৰাকীও আহি আছিল। বহে মহিলাগৰাকীক দেখা পাই থমকি ৰৈ গৈছিল। আনফালে মহিলাগৰাকীৰ চকুযুৰি সিহঁতৰ ওপৰত পৰাত তাই তৎক্ষণাৎ মাটিত ঢলি পৰিল। ব্যস্ত জনবহুল দিল্লীৰ ৰাজপথত দীঘল হৈ পৰি যোৱা দেখি নৰকুশ ৰৈ থাকিব নোৱাৰিলে। ইমানদিনে মহিলাসকলক ঘৃণাৰ চকুৰে চোৱা নৰকুশ চিঞৰি উঠিল আৰু দৌৰি গৈ মহিলাগৰাকীক হাস্পতালত ভৰ্ত্তি কৰালে। তেওঁৰ প্ৰয়োজন হোৱাত আৰু তাইৰ লগত তেজৰ মিল থকাত নিজেই তেজ দিবলৈ সাজু হ'ল। ডাক্তৰে সকলো প্ৰস্তুতি চলাবলৈ ধৰিলে। ●



# অমাৱস্যাৰ শেষত

**নিৰ্মালি দাস**
প্ৰাক্তন ছাত্ৰী

'আকাশ, তই এতিয়া শুবি নেকি?' - খিৰিকীৰ পৰ্দাখন টানি দি বাদলে সুধিলে।

'ধেৎ, তই বা কি শোৱাৰ কথা কৰ। আজি ইমান বছৰৰ মূৰত তোৰ লগত কটাবলৈ এটা সম্পূৰ্ণ ৰাতি পাইছোঁ এতিয়া আৰু শোৱা-চোৱাৰ নাম নলবি। তোৰ টোপনি ধৰিছে নেকি?' আকাশে ওলোটাই বাদলক সুধিলে।

মোৰ টোপনি ধৰা নাই অ', তই দিনটো journey কৰি আহিছ কাৰণে সুধিছোঁ।

বাদ দে মোৰ journey; বল বাহিৰতে বহোঁ।

পাকঘৰৰ কামখিনি বন কৰা ল'ৰা ৰামুক চম্ভালিবলৈ কৈ আকাশ আৰু বাদল দুয়ো আগফালৰ ঘাঁহনিত চকী দুখন পাৰি বহি পৰিল। ৰিব-ৰিবকৈ বৈ থকা বতাহজাকে শৰতৰ জোনাক ৰাতিটো শীতল কৰি তুলিছে। ক'ৰবাৰ পৰা চম্পাফুলৰ মিঠা সুবাস এটা বতাহত ভাঁহি আছিল। বাদলে চিগাৰেট এটা জ্বলাই দিয়াচলাইটো আকাশলৈ আগবঢ়াই দিলে।

"তই আজিকালি চিগাৰেট খাৰ?" মৌনতা ভংগ কৰি আকাশে সুধিলে।

'মাজে মাজে, মানে বাবাৰ অনুপস্থিতিত। চিগাৰেট খালে সি বৰ বেয়া পায়।' বাদলে ক'লে।

'বাবা আৰু মাজনীৰ কথাবোৰ তোৰ চিঠিত পঢ়ি বৰ ভাল লাগে জান। আচলতে তোৰ ইয়ালৈ অহাৰ প্ৰথম উদ্দেশ্যটোৱেই হৈছে বাবা, মাজনীৰ লগতে তোৰ 'জীৱন সাথী'ক দৰ্শন কৰা।' কিছু ৰসিকতাৰে আকাশে ক'লে।

"মই সেয়েহে তোক কৈছোঁ আৰু দুদিন তই ইয়াত থাকি যা। বাবাক নেদেখিলেও জীৱন সাথী আৰু মাজনীক অন্ততঃ দৰ্শন কৰিব পাৰিবি।" মোৰো সময়খিনি সোনকালে যাব।" অনুৰোধৰ সুৰত বাদলে ক'লে।

'বাৰু দেখা যাওক। বাদল, বাবাৰ Admission কোন দিনা?'

"কাইলৈ। আজি গৈ চানমাৰিত ভণ্টিৰ ঘৰত থাকিব।"

"তই সঁচাকৈয়ে বৰ ভাগ্যবান দেই। আমি বিয়া

নাপাতোঁতেই তই দুটা সন্তানৰ পিতৃ হলি।" আকাশে হাঁহি এটা মাৰি ক'লে।

"ভগ ৱানৰে দান" চিগাৰেটত এটা দীঘল হোপা দি এটা ক্ষীণ হাঁহি মাৰি বাদলে ক'লে, "আজি তই নাহিলে মই বৰ অকলশৰীয়া হ'লোঁহেঁতেন। মাজনীতকৈও বাবাৰ লগতহে মোৰ বেছি ঘনিষ্ঠতা। জনা হোৱাৰে পৰা মাকক এৰি কেতিয়াবা থাকিলেও মোক এৰি সি ক'তো নাথাকে।... আচলতে তাক থ'বলৈ ময়ে যাব লাগিছিল। কিন্তু পৰীক্ষাৰ কামবোৰৰ বাবে নোৱাৰিলোঁ। ভাইটি আৰু মাকৰ লগতে পঠিয়াই দিলোঁ।... ৰাতি শোওঁতে তাৰ কিমান প্ৰশ্ন কিমান অভিযোগ, কেতিয়াবা উত্তৰ দিওঁতেই আমনি লাগি যায়।...কিন্তু জান আকাশ, যোৱাৰাতি সি মোৰ লগত শোওঁতে এটা 'টু' শব্দও নক'লে। তাৰ মৌনতাত ময়ো মৌন হৈ পৰিছিলোঁ।"

"হয়তো একেৰাহে কেইবাদিনো তোক এৰি থাকিবলগীয়া হোৱা বাবে তাৰ কোমল অন্তৰখনে হাহাকাৰ কৰিছিল।" আকাশৰ কথাষাৰ শুনি বাদলে একো নক'লে। মাথোঁ এটা হুমুনিয়াহ কাঢ়িলে।

"বাৰু বাদল, তোৰ জীৱন সাথীৰ কথা কচোন। স্বচক্ষে দেখাৰ ভাগ্য হয়নে নহয়েইবা।" আকাশে ক'লে।

"ক'ম ৰ, তাৰ আগতে তই এটা কাহিনী শুনিবি?"

"কাহিনী?"

"অ' আকাশ, এটা সঁচা কাহিনী, বাস্তৱ কাহিনী।"

"কৈ যা, কি কাহিনী।"

শেষ হৈ অহা চিগাৰেটটো একেলগে কেবাবাৰো হুপি পেলাই দিলে বাদলে।

"আকাশ, আমি কলেজত পঢ়ি থাকোঁতে তই H. S. IstYear ৰ ছোৱালী এজনীক চিনি পাইছিলি?"

"H. S. Ist Year ত কিবা এজনী ছোৱালীহে আছিল নেকি?" আকাশে ওলোটাই প্ৰশ্ন কৰিলে।

নিজৰ ভুলখিনি বুজি পাই বাদলে হাঁহিলে। "নাম বৃষ্টি চৌধুৰী" বাদলে ক'লে।

"বৃষ্টি চৌধুৰী? বৃষ্টি... বৃষ্টি... বৃষ্টি। অ' মনত পৰিছে। সেই যে "সদা-বাহাৰ" বুলি আমি জোকাইছিলো? পুৰণি স্মৃতি ৰোমন্থন কৰি আকাশে সুধিলে।

"অ' সেইজনী বৃষ্টিৰ কথাকে কৈছো। কিন্তু বৃষ্টিৰ কথা এতিয়া...? মই আহিছো তোৰ লগত থাকি কেইটিমান অন্তৰংগ মুহূৰ্ত পাৰ কৰাৰ বাবে। তই আকৌ ক'ৰ বৃষ্টি-বৰষুণক মাতি আন?" কিছু ধেমালিৰ সুৰেৰে আকাশে ক'লে। "কাহিনী শুনাৰ ইচ্ছা আছে যদি মনে মনে থাক কথা কৈ থাকোঁতে ওপৰে ওপৰে মতা স্বভাৱটো তোৰ এতিয়াও নগ'ল।" ধমকনিৰ সুৰত বাদলে ক'লে।

"sorry sorry দোস্ত, আৰু নামাতোঁ।" একান্ত বাধ্য ল'ৰাৰ দৰে আকাশে ক'লে।

"তাৰ পিছত কি হ'ল? বৃষ্টি গৈ মহাসাগৰৰ বুকুত পৰিল নেকি?"

"অ' আকাশ। মহাসাগৰৰ চাকনৈয়াৰ মাজত।"

'কি ক'ব খুজিছ চিধাচিধি ক' এই জেলেপিৰ পাকবোৰ বন্ধ কৰ। ক' কি হ'ল বৃষ্টিৰ?" আকাশে সুধিলে। "বহুত কিবাকিবি" বাদলে আৰু এটা চিগাৰেট জ্বলাই ল'লে।

"তইতো দিল্লীলৈ পঢ়িবলৈ গ'লি। দেউতাৰৰ ট্ৰেন্সফাৰ হৈ যোৱাত বৰপেটালৈ অহাটোও কমি আহিল। তোৰ টোপনি ধৰিছে নেকি?" বাদলে সুধিলে।

"নাই ধৰা, কৈ যা।"

চিগাৰেটৰ ধোৱাখিনি উলিয়াই দি বাদলে ক'বলৈ ধৰিলে-"এটা মটৰ দুৰ্ঘটনাত বৃষ্টিৰ মাক-দেউতাকে একেলগে মৃত্যুক সাৱটি লৈছিল।" বাদলে যেন স্বচক্ষে দেখা ঘটনা এটাহে ক'বলৈ ধৰিলে। বাছখনত মাক-দেউতাকৰ লগতে তেওঁলোকৰ একমাত্ৰ সন্তান বৃষ্টিও আছিল।.... কিন্তু তাই বাচি গৈছিল। সেই দুৰ্ঘটনাত তাইও যদি মাক-দেউতাকৰ পথ ল'লেহেঁতেন তেতিয়া হ'লে বহুত দুখৰ পৰা তাই মুক্তি পালেহেঁতেন।" বাদলে গৈ গ'ল-

"তেতিয়া তাইৰ বয়স মাত্ৰ তেৰ বছৰ।"

"বৃষ্টি কাৰ লগত থাকিল?" আকাশে সুধিলে।

"খুৰাক পৰাগ চৌধুৰীৰ লগত।"

"খুৰাকহঁতৰ লগত থাকি তাই নিশ্চয় মাক-দেউতাকৰ অভাৱ অনুভৱ কৰা নাছিল। কাৰণ তাইতো সদায় হাঁহি ধেমালিৰ মাজেৰে কলেজীয়া দিনবোৰ কটাইছিল। যাৰ বাবে 'সদা-বাহাৰ' নাম পাইছিল।" আকাশে ক'লে।

"হয়তো কৰা নাছিল। কাৰণ পৰাগ চৌধুৰীৰ টকা-পইচা, ধন-সম্পত্তি একোৰে অভাৱ নাছিল। কিন্তু বিয়াৰ

দহ বছৰৰ পিছতো তেওঁলোকৰ সংসাৰলৈ 'থাৰ্ড পাৰ্চ্ছন'ৰ আগমন নঘটিল আৰু সেয়েহে বোধহয় খুৰাক আৰু খুৰীয়েকে তাইক প্ৰকৃত মাক-দেউতাকৰ মৰম দিব পাৰিছিল।'

ইতিমধ্যে ৰান্ধনি ঘৰৰ বাচন-বৰ্তনৰ টুং টাং শব্দবোৰ শেষ হ'ল। সম্ভৱতঃ ৰামুৱে শুলে। বাদলে কৈ গ'ল- "সময়ৰ লগত খোজ মিলাই বৃষ্টিয়ে হাইস্কুলৰ দেওনা পাৰ হৈ কলেজত ভৰি দিলে। বৃষ্টি যেন এটি জীৱন্ত সৌন্দৰ্য্যৰ প্ৰতিমাহে। তাইৰ শাৰদীয় জ্যোৎস্নাৰ দৰে স্নিগ্ধ হাঁহিটোৱে কলেজৰ প্ৰায়বোৰ ল'ৰাৰ অন্তৰতে এটি মিঠা অনুৰাগৰ সৃষ্টি কৰিছিল যাৰ বাবে কলেজত তাইক লৈ এখনি শীতল যুদ্ধৰ সৃষ্টি হৈছিল।"

"পিছে তাইক যুদ্ধত কোনোবাই হৰুৱালে নে?" আকাশে সুধিলে।

"নাই তাই কাৰো প্ৰতি সঁহাৰি জনোৱা নাছিল।"

"বাদল, বৃষ্টিৰ হৃদয়ৰ আসনখন অইন কোনোবাই আগতে দখল কৰিছিল নেকি? যাৰ বাবে...।" আকাশে কথাষাৰ শেষ কৰিব নাপালে।

"নহয় আকাশ, বৃষ্টি আচলতে তেনে প্ৰকৃতিৰ ছোৱালী নাছিলেই। পিতৃ-মাতৃহীনা ছোৱালী হিচাপেই হয়তো কলেজলৈ আহি প্ৰেম কৰা, আড্ডা মৰা আদিক তাই এটা বেয়া কাম বুলিয়েই ভাবিছিল। সেয়েহে সকলোৰে লগত তাই এটা বন্ধুত্বৰ সম্পৰ্ক বজাই ৰাখিহে কলেজীয়া বছৰকেইটা পাৰ কৰিব খুজিছিল।

"ভেৰি গুড্ গাৰ্ল।" আকাশে মন্তব্য দিলে।

"কিন্তু, কিন্তু তাইৰ আদৰ্শৰ ওচৰত, লক্ষ্যৰ ওচৰত এদিন তাই পৰাজিত হ'ল।" বাদলে ক'লে।

"মানে?" আকাশে আচৰিতভাৱেই সুধিলে।

"হঠাৎ ক'ব নোৱাৰাকৈয়ে তাই এজন ল'ৰাক ভাল পাই পেলালে।

"কাক?" আকাশে উৎসুকভাৱেই সুধিলে।

"কৈ আছো শুনি যা" বাদলে আৰম্ভ কৰিলে "ল'ৰাজন অৱস্থাপন্ন নাছিল। দেউতাক আছিল এজন সাধাৰণ চাকৰিয়াল। মাহৰ দৰমহাকেইটাকে সম্বল হিচাপে লৈ তেওঁ ছয়জনীয়া পৰিয়ালটো অতি কষ্টেৰে চলাবলগীয়া হৈছিল। আনহাতে বৃষ্টিৰ খুৰাক ইঞ্জিনিয়াৰ পৰাগ চৌধুৰী আছিল ক'লা টকাৰ মালিক। স্বাভাৱিকভাৱেই দুয়োটা পৰিয়ালৰ মাজত আছিল আকাশ-পাতাল পাৰ্থক্য।"

"তাই তেতিয়া কি পঢ়ি আছিল?"

টি.ডি.চি. ছেকেণ্ড ইয়েৰত আৰু ল'ৰাজন থাৰ্ড ইয়েৰত।

"সিহঁতৰ প্ৰেমৰ কথাটো খুৰাকে গম পোৱা নাছিল?" আকাশে সুধিলে।

"পাইছিল। সময়ৰ লগে লগে দুয়োৰে প্ৰেম গভীৰৰ পৰা গভীৰতৰ হৈছিল। দুয়ো দয়োতে হৃদয়ৰ পথাৰত সিঁচা প্ৰেমৰ অংকুৰটি বিকাশ লাভ কৰি ডাল-পাতে ভৰা এজোপা বৃহৎ বৃক্ষত পৰিণত হৈছিল। কলেজৰ মুক্ত আকাশৰ তলেৰে মুক্ত বিহংগৰ দৰে সিহঁত দুয়োৰে মন পক্ষী বিচৰণ কৰিছিল মুক্তভাৱে যাৰবাবে সিহঁতৰ ভালপোৱা কাৰো ওচৰত গোপনীয় হৈ থকা নাছিল। আনকি উচ্চ শিক্ষাৰ বাবে গুৱাহাটীলৈ যোৱাৰ পিছতো কলেজত সিহঁতক লৈ সৰৰ আলোচনা চলিছিল আৰু এদিন অহুকাণে পহুকাণে বৃষ্টিৰ খুৰাকৰো কাণত পৰিছিল।" বাদলে ক'লে।

"সিহঁতৰ ভালপোৱাত খুৰাকে অনুমোদন জনাইছিলনে?" আকাশে সুধিলে।

"উহু" জনোৱা নাছিল। সেয়েহে এদিন তেওঁ বৃষ্টিক কিছু টানকৈয়ে কৈছিল।

"বাহিৰত তোৰ বিষয়ে শুনা কথাবোৰ সঁচা?" বিদেশী পনীয়ৰে গিলাছটো ভৰাই পৰাগ চৌধুৰীয়ে তাইক সুধিছিল।

"তাই কি কৈছিল?" আকাশে সুধিলে।

হঠাতে খুৰাকে সোধা প্ৰশ্নটি শুনি তাই বাক্‌ৰুদ্ধ হৈ গৈছিল।

"ম... মই বুজা নাই খুৰা।" ভয় মিহলি কণ্ঠেৰে তাই কৈছিল।

"বুজা নাই?" খুৰাকে গৰ্জি উঠিছিল। কলেজত পঢ়া ছোৱালী হলি বুলিয়েই যাৰে তাৰে লগত যি টি সম্পৰ্ক কৰাতো মই পছন্দ নকৰোঁ। এইখন ঘৰৰ এটা প্ৰেস্টিজ আছে, স্টেটাছ আছে। সেয়েহে ঘৰৰ low standard family ৰ ল'ৰা এজনৰ লগত বিয়া হ'বলৈ ইচ্ছা কৰি তই এই চৌধুৰী পৰিয়ালত কলংকৰ কালিমা সানিবলৈ চেষ্টা নকৰিবি?"

“বৃষ্টিয়ে কি ক’লে?”— আকাশে কৌতুহলেৰে সুধিলে।

যথেষ্ট সাহস গোটাই তাই কঁপা কঁপা মাতেৰে কৈছিল — “কেইমাহমান পিছত তেওঁৰ কিবা এটা সংস্থান নিশ্চয় হ’ব খুৰা। তেওঁৰ নিচিনা ব্ৰিলিয়েন্ট ল’ৰা এজনে চাকৰিৰ কাৰণে নিশ্চয় বহি থাকিব নালাগে। তেওঁৰ ৰিজাল্টৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে খুৰা।” আকুলতাৰে তাই কৈছিল।

“ব্ৰিলিয়েন্ট হ’ব পাৰে, ৰিজাল্ট ভাল হ’ব পাৰে। কিন্তু আজিৰ দিনত চাকৰি এটা পাবৰ বাবে এইবোৰ একোৰেই দৰকাৰ নাই, যদিহে টকা নাথাকে, টকা। পাৰিব তাৰ দেউতাকে এটা চাকৰি কিনিব পৰাকৈ টকা দিব? পিছত মাহ ধৰি দৰমহাৰ টকাকেইটাৰ কাৰণে বোন্দাপৰ দি থাকে।” তাচ্চিল্যৰ সুৰেৰেই খুৰাকে কৈছিল।

“কিন্তু খুৰা?”

“কোনো কিন্তু নাই, এই বছৰতেই তোৰ বিয়া পাতিম। মই ল’ৰা থিক কৰি থৈছোঁ।” উত্তৰলৈ বাট নাচাই দপদপাই খুৰাক গুচি গৈছিল। আনহাতে বৃষ্টিয়ে চকীখনৰ হেণ্ডেলডালত মূৰটো ঢকিয়াই পাৰে মানে কান্দিছিল।

আকাশখনত দুই এচপৰা ক’লা মেঘ লাহে লাহে উৰি ফুৰিছিল। মেঘবোৰৰ মাজত জোনটোৱে লুকা-ভাকু খেলি আছিল। ক’ৰবাৰ পৰা এটি বনৰীয়া চৰাইৰ মাত ভাহি আহিল। ঘাঁহনিডৰাৰ প্ৰতিজোপা খাঁহেই যেন বাদলৰ কথাবোৰ শুনি নিশ্চুপ হৈ পৰিল।

“ল’ৰাজনক তাই কথাবোৰ ক’লেনে?” আকাশে সুধিলে। কিছু অপেক্ষা কৰিবলগীয়া হৈছিল। ইতিমধ্যে তাৰ final পৰীক্ষাৰ ৰিজাল্ট দিলে। প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান পাই সি পৰীক্ষাত উত্তীৰ্ণ হ’ল। খবৰটো বৃষ্টিক দিবলৈ সি কলেজত তাইক লগ ধৰিলে। যথেষ্ট উৎসাহেৰে সি তাইক কৈছিল, “বৃষ্টি! আৰু বেছিদিন অপেক্ষা কৰিব নালাগে।” কিন্তু বৃষ্টিৰ চকুৰ পৰা মাত্ৰ দুধাৰি তপত অশ্ৰু বৈ আহিছিল। মুখেৰে তাই একো কোৱা নাছিল। তাইৰ চকুত চকুপানী দেখি সি স্তব্ধ হৈ গৈছিল।

“তোমাৰ কি হৈছে বৃষ্টি?” আকুলতাৰে সি সুধিছিল। লাহে লাহে তাই সকলোবোৰ কথাই তাক কৈছিল অতি কষ্টেৰে।

মুহূৰ্তৰ ভিতৰতে তাৰ কল্পনাবোৰ যেন থানবান হৈ গ’ল।

এজাক ঘূৰ্ণী বতাহে তাৰ সমস্ত আশা-আকাংক্ষাকে যেন চুৰমাৰ কৰি দিলে। পৰীক্ষা, ৰিজাল্ট, চাকৰি সকলো যেন এটি এটিকে শূন্যলৈ ৰূপান্তৰিত হ’ল।

“এই বিয়াত তোমাৰ মতামত কি?” সি সুখিছিল।

নিজস্ব সহনশীলতাৰে কিছু প্ৰকৃতিস্থ হৈ তাই লাহে লাহে কৈছিল-

“কি কৈছিল?” আকাশে সুধিলে।

বাদলে আৰু এটা চিগাৰেট জ্বলাই ল’লে।

‘আপুনি জানে ১৩ বছৰ বয়সতে মই পিতৃ-মাতৃহীনা হৈ পৰো আৰু তেতিয়াৰ পৰাই খুৰাহঁতৰ লগত থাকো। খুৰা আৰু খুৰীয়ে মোক কোনোদিনেই মা-দেউতাৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাই।” তাইৰ দৃষ্টি শূন্যতে নিবদ্ধ কৰি পুনৰ কৈছিল, “খুৰাহঁতে যদি মোৰ দায়িত্ব মূৰ পাতি নল’লেহেঁতেন তেতিয়া হ’লে মোৰ আজি কি অৱস্থা হ’লহেঁতেন নাজানো। তেনেস্থলত মই খুৰাহঁতৰ অবাধ্য কেনেকৈ হ’ম? খুৰাহঁতৰ অবাধ্য হৈ তেওঁলোকৰ মৰমবোৰক অৱজ্ঞা কৰিলে মোৰ মৃত মা-দেউতাৰ আত্মাইও হয়তো কষ্ট পাব।” তাই উচুপি উঠিছিল।

“তোমাৰ মৃত মা-দেউতাৰ আত্মাই কষ্ট পাব বুলি তুমি ভাবিলা অথচ তোমাৰ অবিহনে এজন জীবিত লোকে কিমান কষ্ট পাৰ তাক তুমি কিয় ভাবি চোৱা নাই?” কিছু খণ্ডেৰে সি পুনৰ কৈছিল, “মানুহ ইমান স্বাৰ্থপৰ হ’ব নালাগে। নিজৰ সুখ-দুখৰ লগতে আনৰ সুখ-দুখৰ কথাও অলপ ভাবি চাব লাগে।”

“কিন্তু মই অসহায়” থোকাথুকি মাতেৰে তাই কৈছিল, “আপুনি সকলোবোৰ পাহৰি যাওক।” “পাহৰি যাম? তুমি ভুলতেও নাভাবিবা বৃষ্টি, তোমালোকৰ নিচিনা মোৰ টকা-পইচা, ধন-সম্পত্তি নাথাকিব পাবে, কিন্তু এখন অন্তৰ আছে, সঁচা মৰম আৰু ভালপোৱাৰে ভৰা অন্তৰ। তোমাৰ নিচিনা ছোৱালী এজনীয়ে নিজৰ স্বাৰ্থৰ কাৰণে ভৰিৰে মোহাৰি দিলেও সেই মৰম আৰু ভালপোৱা কোনোদিনে ধূলি হৈ উৰি নাযায়।”

তাৰ প্ৰতিটো বাক্যবানে যেন এপাট তীক্ষ্ণ কাড়ৰ দৰেই তাইৰ অন্তৰখন থকা-সৰকা কৰিছিল।

"আপুনি মোক অভিশাপ দিয়ক, অভিশাপ। নিজৰ স্বাৰ্থৰ কাৰণে আপোনাক মই বহুত দুখ দিবলৈ বাধ্য হৈছো।" কান্দি কান্দি তাই কৈছিল।

"অভিশাপ নহয় বৃষ্টি, আশীৰ্বাদ। প্ৰকৃত প্ৰেম সদায় আশীৰ্বাদেৰে ভৰপূৰ। মোৰ অন্তৰে সদায় তুমি সুখী হোৱাটোৱে বিচাৰি আহিছে আৰু আজিও মই তাকেই বিচাৰো। কথাখিনি কওঁতে তাৰ চকু দুটা সেমেকি উঠিছিল।

"থিকেই কৈছিল সি" আকাশে প্ৰশংসাৰে অচিন ল'ৰাজনৰ প্ৰতি সঁহাৰি জনালে।

বাদলে কৈ গ'ল- "তাৰ পিছত দুয়ো সুযোগৈ নোচোৱাকৈ দুখনি ভগ্ন হৃদয় লৈ তাৰ পৰা আঁতৰি গৈছিল। কিন্তু তাৰ দুদিন পিছত সি পৰাগ চৌধুৰীৰ ওচৰলৈ গৈছিল।

"Why?" আকাশে আচৰিত হৈ সুধিলে।

"এটা ক্ষীণ আশা বুকুত বান্ধি লৈ সি পৰাগ চৌধুৰীৰ ওচৰলৈ গৈছিল যদি পাৰে আৰু এটা বছৰ অপেক্ষা কৰিবলৈ।" "সি কৈছিলনে?" আকাশে সুধিলে।

"ওহো, একো নক'লে। মানে চৌধুৰীক কোৱাৰ সুবিধা নিদিলে। তাৰ আগমনৰ উদ্দেশ্য হয়তো চৌধুৰীয়ে বুজি পাইছিল।" বাদলে ক'লে।

সেয়ে কোনো কথাৰ পাতনি নেমেলাকৈ একপ্ৰকাৰ ঠাট্টাৰ সুৰেৰেই তেওঁ তাক কৈছিল "বাওনা হৈ চন্দ্ৰলৈ হাত নেমেলাই ভাল। অহাকালি বৃষ্টিৰ "ৰিং চেৰেম'নি। সময় হ'লে আহিবা।"

তাৰ নিচিনা দৰিদ্ৰ ঘৰৰ ল'ৰা এজনে যে অট্টালিকাত প্ৰৱেশ কৰাটো ভুল হৈছিল সি বুজি পাইছিল। নিজৰ ওপৰতে তাৰ প্ৰচণ্ড খং উঠিছিল। কাকো একো নোকোৱাকৈ, লজ্জিত হৈ সি গুছি আহিছিল। আনহাতে বৃষ্টিয়ে পৰ্দাৰ আঁৰৰ পৰা সকলোবোৰ শুনিও প্ৰস্তৰ মূৰ্ত্তিৰ দৰে বাক্ৰুদ্ধ হৈ ৰৈছিল।

"তাৰ পিছত সি বৃষ্টিক লগ পাইছিলনে?" আকাশে সুধিলে।

"পাইছিল।" বাদলে ক'লে। "বিয়াৰ নিমন্ত্ৰণী পত্ৰ এখন লৈ তাই সিহঁতৰ ঘৰলৈ গৈছিল। সেইদিনা সিহঁতৰ ঘৰত তাৰ বাহিৰে অইন কোনো নাছিল। চিঠিখন! তাই তাৰ ফালে আগবঢ়াই দিছিল। কিন্তু মুখেৰে একো ক'ব পৰা নাছিল। ক'ব নোৱাৰাকৈৰে তাইৰ দুচকুৰ পৰা সিৰসিৰকৈ চকুপানী বৈ আহিছিল।"

"তু... তুমি কিয় কান্দিছা বৃষ্টি? দুদিন পিছত তুমি এখন ঘৰৰ বোৱাৰী হ'বা, এটা নতুন জীৱন আৰম্ভ কৰিবা, তুমি হাঁহি ধেমালিহে কৰিব লাগে।" শান্তভাৱেই সি কৈছিল।

তাৰ দুবাহুত ধৰি বৃষ্টিয়ে হুক্কাই কান্দিছিল। "ছিঃ বৃষ্টি এয়া তুমি কি কৰিছা? নাপায় নহয়।"

" মোক ক্ষমা কৰি দিয়ক। মই... মই আপোনাক বহুত দুখ দিলোঁ। ব..হু..ত.. দু..খ...।"

এটা ম্লান হাঁহি মাৰি সি ক'লে- "তোমাক কিয় ক্ষমা কৰিব লাগে বৃষ্টি? তুমিতো একো দোষ কৰা নাই। দোষ যদি কাৰোবাক দিব লাগে তেনেহ'লে দিব লাগিব আজিৰ এই ফোপোলা সমাজখনক। ধনৰ গৰ্বত গৰ্বী আজিৰ সমাজৰ ভদ্ৰতাৰ মুখা পিন্ধাসকলে প্ৰেম-প্ৰীতি, মৰম-ভালপোৱা, ন্যায়, সত্য একো চিনি নাপায়, বৃষ্টি। মাথোঁ চিনি পায় টকা, ধন-সম্পত্তি।... বৃষ্টি আজিৰ সমাজৰ ধনী-দুখীয়াৰ প্ৰাচীৰখনে তোমাক আৰু মোক বিচ্ছিন্ন কৰিলেও সেই প্ৰাচীৰে কিন্তু সঁচা মৰম ভালপোৱাক কেতিয়াও বিচ্ছিন্ন কৰিব নোৱাৰে। প্ৰকৃত ভালপোৱা এগছি দীপশিখা, যিগছি শ্বাশ্বত, চিৰ প্ৰজ্বলিত। যোৱা বৃষ্টি গড্ ব্লেছ ইউ।"

বাদলে বহাৰ পৰা উঠি অলপ এনেয়ে পায় চাৰি কৰিলে।

"বিয়া ক'ত হ'ল?" আকাশে সুধিলে।

এটা হুমুনিয়াহ কাঢ়ি বাদলে ক'লে- "বিয়া হৈ গ'ল সাগৰ চলিহা নামৰ যোৰহাটৰ এজন বিখ্যাত ব্যৱসায়ীৰ লগত।.... বিগত জীৱনৰ সকলোবোৰ দুখ পাহৰি বৃষ্টিয়ে হৃদয়ৰ আৰাধ্য স্বামী দেৱতা হিচাপে সাগৰক পূজা কৰিছিল দেহ-মন সকলোবোৰ নৈবেদ্য হিচাপে আগবঢ়াই। কিন্তু আকাশ, সাগৰে বৃষ্টিৰ পূজাৰ কোনো মূল্যই নিদিলে। সাগৰে বৃষ্টিক বিয়া কৰাইছিল কেৱল পৰাগ চৌধুৰীৰ ধন-সম্পত্তিৰ লোভতহে। সাগৰে মাথোন দুটা বস্তুৰে চিনি পাইছিল টকা আৰু মদ। তাৰোপৰি দিনৰ পিছত দিন ধৰি বৃষ্টিক অকলশৰে এৰি থৈ সাগৰে বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল ব্যৱসায়ৰ অজুহাত লৈ।"

"বৃষ্টিয়ে একো প্ৰতিবাদ কৰা নাছিল?" আকাশে সুধিলে।

'কৰিছিল।' বাদলে ক'লে। অসহ্য হৈ এদিন বৃষ্টিয়ে

সাগৰক কৈছিল - “আপুনি দিনৰ পিছত দিন এনেকৈ বাহিৰত কিয় ঘূৰি ফুৰে? মোৰ কথা অলপো নাভাবে কিয়?”

“মই কিয় ঘূৰি ফুৰো, ক’ত ঘূৰি ফুৰো এইবোৰ তোমাৰ জনাব কি দৰকাৰ? মন গৈছে তুমিও দিনৰ পিছত দিন ঘূৰি নুফুৰা কিয়? কোনে তোমাক বাধা দিছে? খঙেৰে সাগৰে তাইক কৈছিল।”

সেইদিনা তাই বহুত কান্দিছিল। সাগৰৰ অট্টালিকা সদৃশ ঘৰ, ধন-সম্পত্তি, টকা-পইচা, গাড়ী সকলোবোৰে যেন তাইৰ ফালে বিদ্রূপেৰে চাইছিল। বাৰে বাৰে তাইৰ মাক-দেউতাকৰ মুখ দুখনিলৈ মনত পৰিছিল আৰু মনত পৰিছিল...।” বাদলে একো নক’লে।

“তাৰ পিছত কি হ’ল? বৃষ্টিৰ কথাবোৰ খুৰাকহঁতে গম পাইছিল?” আকাশে সুধিলে।

পাইছিল, কিন্তু নিজৰ ভুলবোৰ বুজি পাই নীৰৱ হৈ আছিল। বাদলে ক’লে- “বিয়াৰ ৭ মাহ পিছত সাগৰ চলিহাৰ মৃত্যু হ’ল।” "What?" আকাশে যেন চক্ খাই উঠিল।

‘কেনেকৈ?’ একে উশাহঁতে সি সুধিলে।

‘অত্যাধিক মদপান কৰি দুপৰ নিশা স্কুটাৰ চলাই আহি থাকোতে এখন তীব্ৰবেগী ট্ৰাকৰ আগত পৰি...।’

‘বৈধৱৰ একাকীত্বই বৃষ্টিক সাৱটি ল’লে।’ বাদলে এটা হুমুনিয়াহ কাঢ়ি ক’লে-“সাগৰৰ মৃত্যুত তাই দুখ পালে নে নাপালে ক’ব নোৱাৰোঁ।”

“তাৰ পিছত?” আকাশে সুধিলে।

“তাৰ পিছত খুৰাকহঁতে তাইক লৈ আহিল নিজৰ ঘৰলৈ। কিন্তু ৰাংঢালী বৃষ্টিয়ে কথা ক’ব পাহৰিলে, হাঁহিব পাহৰিলে, আনকি কান্দিবও। তাইৰ মনটো হৈ পৰিল তাইৰ উকা কপালখন আৰু বগা সাজযোৰৰ দৰেই উকা, ৰংহীন।” ঘড়ীটোৱে ইতিমধ্যে এঘাৰ বজাৰ সংকেত দিলে। “তোৰ আমনি লাগিছে?” কিছু সময় ৰৈ বাদলে সুধিলে।

এজনী নাৰীৰ জীৱনৰ এটাৰ পিছত এটা দুখৰ কাহিনী শুনি আকাশৰ টোপনিৰ জাল কাটি গৈছিল। সি অধীৰভাবে অপেক্ষা কৰি আছিল বৃষ্টিৰ জীৱন নাটৰ কাহিনীৰ যবনিকালৈ। সেয়ে সি প্ৰয়োজনতকৈ কিছু জোৰকৈয়ে ক’লে “নাই লগা। কৈ যাচোন, অ’ৰ, ল’ৰাজনে বাৰু তাইৰ বিয়ালৈ গৈছিলনে?”

“নাই, যাব নোৱাৰিলে। সেইদিনাখন সি গৈছিল চাকৰিত join কৰিবলৈ। কিন্তু সি বৃষ্টিৰ বিয়াৰ পিছত প্ৰতিটো খবৰেই ৰাখিছিল। মাজে মাজে সি ভাবিছিল তাক কৰা অন্যায়ৰ বাবেই ভগবানে বৃষ্টিৰ জৰিয়তে পৰাগ চৌধুৰীৰ ওপৰত প্ৰতিশোধ ল’লে নেকি? কিন্তু বৃষ্টি? তাইৰ কি দোষ? সিটো সদায় তাইৰ মঙ্গল হোৱাটোৱেই কামনা কৰি আহিছে।” স্বগতোক্তিৰ দৰেই বাদলে ক’লে।

ৰাতি বেছি হোৱা বাবে আকাশ আৰু বাদল দুয়ো বাহিৰৰ পৰা উঠি আহিল। পানী এগিলাছ খাই বাদলে দৰ্জাখন বন্ধ কৰি দিলে। দুয়ো বিচনাত বহি পৰিল। বাদলে পুনৰ আৰম্ভ কৰিলে -“পৰাগ চৌধুৰীয়ে যিদিনাই তাক তাচ্ছিল্য কৰি কৈছিল “বাওনা হৈ চন্দ্ৰলৈ হাত নেমেলাই ভাল” সেইদিনাই সি সংকল্প কৰিছিল। ভৱিষ্যতে কেতিয়াও সেইখন ঘৰত পদাৰ্পন নকৰে বুলি। কিন্তু নিজৰ জিদৰ ওচৰত হাৰ মানি সি পুনৰ এদিন চৌধুৰীৰ ঘৰলৈ গৈছিল বৃষ্টিক এষাৰ সান্ত্বনাৰ বাণী শুনোৱাৰ বাবে।”

...আকাশে মন্তব্য কৰিলে।

বাদলে কৈ গ’ল - “স্বাভাবিকভাৱেই সি তাইৰ লগত বহুতো কথাই পাতিছিল। মুহূৰ্তৰ বাবে বৃষ্টিয়ে যেন পাহৰি গৈছিল তাইৰ দুখবোৰ। বহুদিনৰ মূৰত সেইদিনা বৃষ্টিৰ মুখত হাঁহি দেখি পৰাগ চৌধুৰীৰ দুচকুৰ দুইকোণ জিলিকি উঠিছিল হয়তো এক বেদনাডৰা আনন্দত। আহিবৰ সময়ত চৌধুৰীয়ে তাক কৈছিল- “বোপা, মাজে মাজে আহি থাকিবা। আজি বহুত দিনৰ মূৰত মই তাইৰ মুখত কথা শুনিছো, অলপ হাঁহি দেখিছো। কথাখিনি কওঁতে চৌধুৰীৰ মাতটো থোকাখুকি হৈ পৰিছিল।”

সেইদিনা সি পুনৰ এটা কথা উপলব্ধি কৰিছিল- “মানুহ কিমান স্বাৰ্থপৰ হ’ব পাৰে।”

‘সি পুনৰ চৌধুৰীৰ ঘৰলৈ গৈছিলনে?’ আকাশে সুধিলে। “গৈছিল দুসপ্তাহ পিছত।” বাদলে ক’লে। কিন্তু সেইদিনা বৃষ্টি ঘৰত নাছিল। খুৰীয়েকৰ লগত মন্দিৰলৈ গৈছিল। ঘৰত আছিল অকল পৰাগ চৌধুৰী এটা বেদনাক্লিষ্ট মন লৈ। তাক দেখি চৌধুৰীয়ে আথে-বেথে বহিবলৈ দিলে। তাৰ লগত সেইদিনা তেওঁ বহু কথা পাতিলে। কথাৰ মাজতে হঠাতে সি চৌধুৰীক সুধিছিল খুৰা, আপুনি বৃষ্টিক সদায় এনেকৈয়ে ৰাখিব নেকি?”

“আৰু কি উপায় আছে?” অসহায়ভাবে তেওঁ

কৈছিল।

“যদি কোনোবাই তাইক পুনৰ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে?”

“কোন আহিব বোপা, কোনো নাহে।”

“অৰশ্যে খুৰা, অজস্ৰ টকা-পইচা, ধন-সম্পত্তি, বিদেশী গাড়ী থকা কোনোবা ধনীৰ দুলাল নাহিব পাৰে। কিন্তু মাহৰ পিছত মাহ ধৰি কেইটামান দৰমহাৰ টকাৰ বাবে বেন্দাপৰ দি থকা কোনোবা সাধাৰণ চাকৰিয়াল ল'ৰা এজন যদি আগবাঢ়ি আহে?” সি সুধিছিল।

তাৰ প্ৰতিটো বাক্যই পৰাগ চৌধুৰীক অতিশয় লজ্জিত কৰিছিল।

“তুমি কি কৈছা?” তেওঁ সুধিছিল।

“অ' খুৰা মই থিকেই কৈছো। তেনেকুৱা ল'ৰা এজনৰ হাতত তাইক তুলি দিব? কওক খুৰা।” দৃঢ়ভাবে সি সুধিছিল।

“মই... মই একো বুজা নাই।”

“আপুনি বৃষ্টিক মোৰ হাতত অৰ্পণ কৰিব? ভাবি চাব খুৰা, বৃষ্টিৰ এটা দীঘলীয়া ভৱিষ্যত আছে।” সি সহজভাবেই কৈছিল। তাৰ কথাবোৰ শুনি পৰাগ চৌধুৰী বোবা হৈ গৈছিল। তেওঁ মাথোঁ নিষ্পলক নেত্ৰেৰে তাৰ ফালে চাই ৰৈছিল।

পাৰ ভাঙি নামি আহিব খোজা চকুপানীবোৰক তেওঁ বাধা দিব নোৱাৰিলে। কিন্তু তাই কেতিয়াও সন্মত নহ'ব। সেইটো মই জানো। কাৰণ মই তাইৰ বহুতো অন্যায় কৰিছো। টকা-পইচা, ধন-সম্পত্তিয়ে মোক একেবাৰে অন্ধ কৰি পেলাইছিল বোপা। মই জানি শুনিও সাগৰৰ দৰে লম্পট এজনৰ হাতত ফুলৰ দৰে নিষ্পাপ আৰু পবিত্ৰ বৃষ্টিক গতাইছিলো। মই... মই তাইৰ এটা ধুনীয়া জীৱন ধ্বংস কৰিলো। আজি মই... মই....। কিন্তু বৃষ্টিৰ আগমনত তেওঁৰ কথাখিনি আধৰুৱা হৈ ৰৈ গৈছিল। চকুৰ পানী বৃষ্টিৰ ওচৰত ধৰা পৰিব বুলি-তেওঁ চকু দুটা মচি লাহে লাহে তাৰ পৰা আনটো কোঠালৈ গুচি গৈছিল।

“তাৰ মানে বৃষ্টিক পুনৰ তাৰ লগত বিয়া দিবলৈ পৰাগ চৌধুৰী সন্মত হৈছিল।” আকাশে সুধিলে।

“অ' আকাশ, চৌধুৰীয়ে প্ৰকাশ নকৰিলেও তেওঁ তেনে সুবিধা এটাকে বিচাৰি আছিল। কাৰণ তেওঁৰ আৰু ঘৈণীয়েকৰ মৃত্যুৰ পিছত বৃষ্টিৰ ভৱিষ্যতটোৰ কথা ভাবি তেওঁ ভীতিগ্ৰস্ত হৈ পৰিছিল।

“বৃষ্টিয়ে কি ক'লে।” আকাশে অধীৰভাবে সুধিলে।

স্বাভাৱিকভাবে দুই এটা কথা পতাৰ পিছত সি বৃষ্টিক কৈছিল -“বৃষ্টি, তোমাক মই এটা অনুৰোধ কৰো, তুমি ৰাখিব পাৰিবা?” তাৰ কথা কোৱা ভংগীটো দেখি বৃষ্টি কিছু আচৰিত হৈছিল। “কি কথা?” সামান্য হাঁহি তাই সুধিছিল।

“আগতে কোৱা তুমি পাৰিবা?”

“যদি পাৰো নিশ্চয় ৰাখিম।”

“নহয় বৃষ্টি যদি পাৰো নহয়, তুমি পাৰিবই লাগিব। বৃষ্টি, I want you to start a new life with me." স্পষ্টভাবেই সি কৈছিল।

চক্ খাই উঠিছিল তাই।

“এয়া আপুনি কি কৈছে?”

“মই ঠিকেই কৈছো বৃষ্টি। মই যি কৈছো বহুত ভাবি-চিন্তি কৈছো। তুমি নাভাবিবা তোমাৰ প্ৰতি থকা ভালপোৱাৰ নামত মোৰ ই এক বলিয়ালি।”

"Impossible - এইটো কেতিয়াও হ'ব নোৱাৰে।

“কাৰণ কি?” সি কিছু জোৰকৈয়ে সুধিছিল।

“বিধবা হ'লেও মই সাগৰৰ বিবাহিতা পত্নী। মই...”

“কিন্তু সাগৰৰ পৰা স্ত্ৰীৰ মৰ্য্যদা তুমি কেতিয়াবা পাইছিলা?” তাইৰ মুখৰ কথাখিনি কাঢ়ি নি সি ওলোটাই তাইক সুধিছিল।” বৃষ্টিৰ দুচকুৰ পৰা যেন বাৰিষাৰ ঢলহে নামিছিল। সি কৈ গৈছিল “বৃষ্টি, হোমৰ জুইৰ আগত বহি বুজা নুবুজাকৈ কেইটামান মন্ত্ৰ পঢ়াৰ পিছত সমাজে এজন ল'ৰা আৰু এজনী ছোৱালীক স্বামী-স্ত্ৰীৰ মৰ্য্যদা দিলেই সেই মৰ্যাদা স্থায়ী নহয় যদিহে তাত নাথাকে মৰম-চেনেহ-ভালপোৱা-বিশ্বাস আৰু বুজাবুজি।”

বৃষ্টি বাকৰুদ্ধ হৈ গৈছিল।

তাৰ কথাবোৰ শুনি খুৰাকো স্তব্ধ হৈ গৈছিল। তেওঁ বুকুখনত খামুচি ধৰিছিল। কিন্তু মই সাগৰৰ বিবাহিতা স্ত্ৰী। অপ্ৰিয় হ'লেও এয়া সত্য যে মই মই পৰস্ত্ৰী। কান্দি কান্দিয়েই তাই কৈছিল।

“বৃষ্টি, তোমাক মই এদিন কৈছিলো, তোমাৰ

প্ৰতি থকা মোৰ প্ৰেম শ্বাশ্বত। তোমাক মই ভাল পাইছিলো আৰু আজিও পাও। মই ভাল পাও তোমাৰ মনটোক, তোমাৰ আত্মাটোক। কেৱল তোমাৰ দেহটোক নহয়।” ধীৰ স্থিৰভাবে সি কৈছিল।

“আজিৰ যুগৰ শিক্ষিত ল'ৰা হিচাপে আপুনি এনেকুৱা এটা প্ৰস্তাৱ দিছে। কিন্তু ঘৰৰ এজন ডাঙৰ ল'ৰাই এনেকুৱা কাম এটা কৰিলে আপোনাৰ মা-দেউতাই কিমান দুখ পাব সেয়া হয়তো আপুনি ভাবি চোৱা নাই। মোৰ নিজৰ জীৱনটোৰ বাবে, মোৰ নির্জৰ স্বাৰ্থৰ বাবে এহাল পিতৃ-মাতৃৰ অন্তৰত আঘাত দিয়াৰ দৰে অন্যায় কাম এটা মই কৰিব নোৱাৰো।” তাই স্পষ্টভাবেই কৈছিল।

“আৰু মই যদি কও তোমাক এই প্ৰস্তাৱটো দিবলৈ মোক মা-দেউতাই পঠিয়াই দিছে;

“কি কৈছে?”

“অ' বৃষ্টি। দেউতাৰ ধনসম্পদ নাথাকিলেও এখন বহল অন্তৰ আছে, এক নিজস্ব আদৰ্শ আছে। তোমাৰ আৰু মোৰ আগতে যি সম্বন্ধ আছিল সেয়া দেউতাই জানে নে নাজানে সেয়া মই ক'ব নোৱাৰো। কিন্তু তোমাৰ অকাল বৈধব্যৰ কথাবোৰ আন আন মানুহৰ মুখত শুনি দেউতাৰ অন্তৰেও হয়তো দুখ পাইছে।

হয়তো দেউতাই ভাবিছে তুমি যদি অইনৰ ছোৱালী নহৈ তেওঁৰ নিজৰ ছোৱালী হ'লাহেঁতেন! সেয়ে দেউতাই মোকে এনেকুৱা এটা জটিল অথচ প্ৰয়োজনীয় কাম কৰিবলৈ উদগনি দিছে।... বৃষ্টি, তুমি আমাৰ ঘৰত অট্টালিকা, গাড়ী আদি নাপাব পাৰা, কিন্তু মাতৃস্নেহ, পিতৃস্নেহ আৰু স্ত্ৰীৰ মৰ্য্যদাৰ পৰা তুমি কেতিয়াও বঞ্চিত নহ'বা।”

“তাই কি কৈছিল?” আকাশে সুধিলে।

'একো ক'ব পৰা নাছিল।”

তাই কৈছিল ঃ 'কিন্তু এটা বাস্তৱ সত্য জনাৰ পিছত আপুনি এই বিষয়ে সম্ভৱতঃ মত সলনি কৰিব? তাই সন্দেহ ভাবেৰে কৈছিল।'

“কি কথা?” সি উৎসুকভাৱে সুধিছিল।

বেৰত থকা মনালিছাৰ ফটোখনত ছবি নিবদ্ধ কৰি তাই উদাসভাবে কৈছিল — “আজি সাগৰ নাথাকিলেও, সাগৰৰ পৰা মই স্ত্ৰীৰ মৰ্যাদা নাপালেও সাগৰ আৰু মোৰ বৈবাহিক জীৱনৰ দিন মোৰ দেহত ৰৈ গৈছে। মই অ-ন্তঃ-স-ত্বা!”

তাই ভাবিছিল কথাটো শুনাৰ পিছত সি দুনাই একো নক'ব। কিন্তু আচৰিতভাৱে তাৰ একো প্ৰতিক্ৰিয়া নহ'ল। সি মাথোঁ কৈছিল - “সেই সন্তানৰ পিতৃ মই হ'ম।”

"A noble soul" আকাশে ক'লে। তাৰ পিছত কি হ'ল।

বাদলে কৈ গ'ল -“এমাহ পিছত বৃষ্টিয়ে উকা কপালত এধানিমান সেন্দুৰ লৈ দুটি কলপুলিৰ মাজেৰে পুনৰ এখন নতুন ঘৰত ভৰি দিছিল।”

“তাৰ পিছত?” আকাশে সুধিলে।

“তাৰ পিছত কৈ আছো ৰ।” বাদলে ক'লে।

কিছু সময় ইফাল সিফাল কৰি বাদলে ক'লে “তাৰ পিছত, বৃষ্টি আৰু মোৰ মাজলৈ কণমানি বাবা আহিল।

What? আকাশে বাদলৰ হাতখনত খামুচি ধৰিলে।

অ' আকাশ, “ বৃষ্টি আৰু মোৰ বাহিৰে বাহিৰৰ জগতখনৰ অইন কোনেও নাজানে বাবাৰ দেহত যে প্ৰবাহিত হৈ আছে সাগৰ চলিহাৰ তেজ। আনকি পৰাগ চৌধুৰী আৰু মোৰ পৰিয়ালৰ মানুহখিনিয়েও।”

ঘড়ীটোৱে বাৰ বজাৰ সংকেত দিলে। আকাশে বাক্ৰুদ্ধ হৈ বাদলৰ মুখলৈ ভেবা লাগি চাই ৰ'ল। তাৰ দৃষ্টিত তাৰ সহপাঠী বাদল, যেন লাহে লাহে এজন ৰহস্যময় দেৱতাৰ শাৰীলৈ ৰূপান্তৰিত হৈ গ'ল।

ৰাতি ক্ৰমাৎ গভীৰ হৈ আহিছিল। ডাৱৰৰ আঁৰেৰে নিগৰি অহা এক স্বৰ্গীয় পোহৰে উদ্ভাসিত কৰিছিল আকাশৰ মন।●

উৎস ঃ মাধৱ চৌধুৰী মহাবিদ্যালয় আলোচনী, ৪৭ তম্ সংখ্যা, হৰ কুমাৰ শৰ্মা (সম্পাদক)

— সম্পাদক।

# পুৰণি চিনাকী মুখবোৰ

**মধুস্মিতা কৌশিক**
চতুৰ্থ ষাণ্মাসিক

তিনিবছৰ আগতে প্ৰথমবাৰৰ বাবে কলেজৰ গেটখন পখিলা হৈ খুলা দেখিছিল নীল, চন্দনা আৰু বিকাশে। নতুন ঠাই, নতুন মানুহ কিন্তু তিনিজনে একে দিশত হাত বঢ়াইছিল বন্ধুত্বৰ সূত্ৰত। সময় বগাই গৈছিল, আৰু এই তিনিওজন হৈ পৰিছিল কলেজৰ অটুট ত্ৰয়ী। ক্লাছ হ'ব নে নহ'ব তাৰ চিন্তা নকৰি কলেজৰ কেন্টিনত ঘণ্টাৰ পাছত ঘণ্টা অলপ চাহ, অলপ মিঠা হাঁহিৰে পাৰ কৰি দিছিল।

তিনিবছৰ ইমান সোনকালে পাৰ হৈ যাব তাৰ কল্পনাও কৰা নাছিল। ইয়াতে সমাপ্ত হ'ল সিহঁত তিনিওৰে মধুৰ সময়বোৰ।

পাঁচ বছৰ...সময় সঁচাকৈয়ে কেনেকৈ উৰি গ'ল। চন্দনা এতিয়া গুৱাহাটীৰ এখন বেচৰকাৰী প্ৰতিষ্ঠানত নিযুক্ত। কাম, ঘৰৰ দায়িত্ব, সময়ৰ সংকোচ সকলোৰে মাজত নিজকে প্ৰাপ্তবয়স্ক বুলি প্ৰমাণ কৰি ফুৰিছে। তাইৰ ইনবক্সত এটা মেইল আহিল— "Annual Alumni Meet-2025"

মেইলটো পঢ়ি মিচিকীয়া হাঁহি উঠিল চন্দনাও। মনৰ কুঁৱলীত মুখযোৰা নামৰ উজাগৰ হ'ব ধৰিছে নীল বিকাশ...আৰু সেই কফি টেবুলৰ আদ্দাবোৰ।

সন্ধিয়াৰ সময়। কলেজত ভিৰ, কেমেৰাৰ ফ্লাছ, মুকলি হাঁহি আকৌ এবাৰ সেই ছাত্ৰৱস্থাৰ সুবাস যেন ওলাই আহিছে। মেইন গেট পাৰ হোৱাৰ লগে লগে চন্দনাৰ চকু ভিজি উঠিল। ছয় বছৰ আগৰ চিনাকী মুখবোৰ আজিও যেন সময়ক এৰি যাব খোজা নাই।

হঠাৎ পিছফালৰ পৰা এগৰাকীৰ চিনাকী মাত "চন্দনা? তইনো কেতিয়া আহিলি।"

আৰে নীল! আগৰ দৰে হাঁহি আগৰ দৰে সতেজতা। ডাঙৰ হোৱাটোৱে বেছি দেখা যায় এতিয়া।

দুয়ো কেন্টিনলৈ আগবাঢ়িল। কফিৰ কাপেৰে আৰম্ভ হ'ল কথোপকথন সোৰনি বিবাহ হৈ ডুবাই গ'ল। দুবছৰ হ'ল। নিতিন জাৰ্মানিত পি.এইচ. ডি কৰি আছি নীলে কালে। চন্দনাই হাঁহিলে "আৰু আমি এতিয়াও তেনেদৰে একেলগে বহি কফি খাইছোঁ। সময় বদলাত বহু বস্তু আগৰ দৰে ৰৈ যায়।

হেঁপাহেৰে তেওঁলোকে কলেজৰ চৌহদটো চাই ফুৰিছিল। লাইব্ৰেৰীৰ আদ্দা, ক্লাছ ৰুমৰ বেঞ্চসমূহ, ব্লেকবোৰ্ড খন, "গছৰ তলত বহি এতিয়াও কথা পাতিব পৰা হ'লে" চন্দনাই কৈ উঠিল। সকলোৰে মাথোঁ দুখ মনে সঁহাৰি জনালে।

আনহাতে, Alumni Meet ৰ অনুষ্ঠান আৰম্ভ হ'ল Slid show চলি আছে ঃ

"2015-2020 : The Golden Batch"

স্মৃতিৰে চকু সৰল গীটাৰৰ সুৰত প্ৰশান্তই গাব ধৰিলে তুমি মোৰ মনত

সকলোৰে মুখ উজ্জ্বল, চকু অলপ অলপকৈ ভিজা।

অনুষ্ঠানৰ অন্তত চন্দনা গছৰ তলতে আহি বহি আছিল।

হঠাৎ বিকাশে আহি ক'লে "এই বেঞ্চখন এতিয়াও ৰৈ আছে, জানানে? বহু কথা শুনিছে ই। তই মই নকলেও বেঞ্চখনে সকলো জানে কিন্তু।"

চন্দনাই অলপ ঠমকি ক'লে — ''সময় থাকোঁতেই ক'লে এতিয়া কষ্ট নহ'লহেতেন"

বিকাশে চকু পেলাই হাঁহিলে, "হাঁহিটো আগৰ দৰে ধুনীয়া। হয়টো এনেই দেখা হ'ব...বছৰত এবাৰ"

নীলে ওলাই আহি ক'লে,

"ব'ল সকলোৰে মিলি এখন গ্ৰুপ ফটো লওঁ। এইখন ছবিৰ ওপৰত কোৱা থাকিব

এই দিনবোৰতে আমাৰ জীৱন আছিল।

ছবিত সকলো সন্নিবিষ্ট হাঁহিৰে মুখ উজ্জ্বল মনত হেঁপাহৰ স্পৰ্শ।

শেষত, চন্দনা কলেজৰ বাহিৰলৈ ওলাই আহোঁতে মনে মনে ভাবিলে— "পুনৰ দেখা নোহোৱাৰ ভয় নহয়, ভয় হ'ল

এই অনুভৱবোৰ হেৰাই যাব নেকি।"

আকাশত ধুমুহা মেঘ নাই, কিন্তু ভিতৰৰ আবেগজাক অশান্ত।

চন্দনাই ফোনটো খুলি চালে Gallery

Alumni Meet 2025


ছবি এখন চাই হাঁহিলে

সেই বেঞ্চ সেই মুখবোৰ আৰু তেওঁ পিছে যেনে মনৰ ভিতৰত চিৰকালৰ বাবে এটা পাত উলটি পৰিল।●





# অনুগল্প



# নতুন সূৰ্যোদয়

**আচমিনা সিকদাৰ**
দ্বিতীয় ষাণ্মাসিক

গাঁওখনৰ নাম আছিল মৰম গাঁও। পকী পথ, ধাননি পথাৰ আৰু সৰল মানুহবোৰৰ সুখ-দুখেৰে ভৰা এখনি সৰু গাঁও। গাঁৱৰ এজনী তীখোপুৰালী ছোৱালী আছিল তুলি। তুলিৰ পঢ়া-শুনাত বেজাৰ ভাল আছিল, কিন্তু গাঁৱৰ পৰিৱেশত কন্যা সন্তানৰ উচ্চ শিক্ষা একেবাৰে সহজ কথা নাছিল।

তুলিৰ সপোন আছিল ডাক্তৰ হোৱা, মাক-দেউতাকৰ অসুবিধা নাইকীয়া কৰি তুলিব। কিন্তু পিতৃ-মাতৃৰ মতে, "মাইয়াজনী মানে ঘৰ গৃহস্থলী। ডাক্তৰ হ'বলৈ নগৰলৈ যাব লাগে, সেইটো সম্ভৱ নহয়।" তুলি ভিতৰুৱাকৈ দুৰ্বল হোৱা নাছিল। মাক-দেউতাকৰ বাধা বুজিও তাই নিজৰ অধ্যয়ন কেতিয়াও বন্ধ নকৰিলে। গাঁৱৰ শিক্ষকজন, দীনেশ ছাৰ যি সদায় ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়িবলৈ উৎসাহিত কৰিছিল, তেওঁ তুলিকো সহায় কৰিছিল।

"তুলি সুযোগ বিচাৰি নিজেই আগবাঢ়ি যাব লাগিব। যদি তোৰ মন প্ৰবল হয়, তই নিশ্চয় সফল হবি।" দীনেশ ছাৰৰ এই কথাখিনিয়ে তুলিৰ মনত আশাৰ নতুন আলোক জগালে।

এদিনা খন, গাঁৱৰ ভিতৰত এখন পৰীক্ষাৰ বৃত্তি মেল ঘোষণা কৰা হ'ল। তুলি সম্পূৰ্ণ একাগ্ৰচিত্তে সেই পৰীক্ষাত অংশ ল'লে আৰু গাঁৱৰ ভিতৰত প্ৰথম স্থান দখল কৰিলে। এই বৃত্তিয়ে তুলিক নগৰলৈ উচ্চ শিক্ষা লাভ কৰিবলৈ সহায় কৰিলে।

মাক-দেউতাকে আনন্দত তুলিক আশীৰ্বাদ দিলে। গাঁওখনৰ সকলো মানুহে গৌৰৱ অনুভৱ কৰিলে। "গাঁৱৰ প্ৰথম মহিলা ডাক্তৰ হোৱাৰ পথত আগবাঢ়িল তুলি" সকলোৰে মুখত এটা নতুন আশা! আকাশত নতুন সূৰ্যোদয় হ'ল, যেন মৰম গাঁৱৰ উজ্জ্বল ভৱিষ্যতৰ এটি নতুন পোহৰ। ●



# শেৱালী ফুলৰ সুবাস


**শ্বৰিফুল ইছলাম**
চতুৰ্থ ষাণ্মাসিক

পুৱাৰ মৃদু বতাহজাক সুমথিৰা গছৰ পাতৰ মাজেদি ভাঁহি আহিল। সুমিতাৰ ঘৰটোৱেই গাঁৱৰ ভিতৰত আটাইতকৈ ধুনীয়া। ঘৰটোৰ সন্মুখত এখন সৰু বাৰী। বাৰীখন সুমিতাই নিজ হাতে সজাই তোলা সেউজ গছ-বন আৰু ৰঙীন ফুলেৰে ভৰা। সেইদিনা সুমিতা ভৰ দুপৰীয়া মাকৰ লগত বহি আছিল। এনেতে, নিতুলে আহি খবৰ দিলে— "সুমিতা দিদি, দাদা আহিছে। আহিছে তোমাৰ সৰুকালৰ বন্ধু, ৰাজীৱ।" সুমিতাৰ হৃদয় আনন্দত ভৰি গ'ল। ছয় বছৰ পিছত ৰাজীৱ আহিছে। গাঁৱত থাকোঁতে দুয়ো একেলগে পঢ়িছিল, খেলিছিল, সপোন দেখিছিল। পিছত ৰাজীৱ নগৰলৈ গৈছিল চাকৰি বিচাৰি। সুমিতাই দৌৰি গৈ ৰাজীৱক চাই থমকি ৰ'ল। আগৰ ৰাজীৱ আৰু এতিয়াৰ ৰাজীৱৰ মাজত আকাশ-পাতাল পাৰ্থক্য। ৰাজীৱ বৰ ধুনীয়া আৰু সুন্দৰ হৈছিল, চকুত এক হেঁপাহৰ ৰেখ। "কিমান বছৰৰ পিছত দেখা, সুমিতা! তুমি আগৰ দৰে একেই আছা।" ৰাজীৱে হাঁহি ক'লে। সুমিতাই নৰম হাঁহিৰে ক'লে, "কিন্তু তুমি সলনি হ'লা, ৰাজীৱ। এতিয়া তুমি আমাৰ নগৰীয়া অতিথি।"

দুয়ো বহি ধেমালিকে পুৰণি কথা পাতি থাকিল। সুমিতাৰ মনত খণ্ড, দুৰ্ভাগ্য আৰু এটা অপূৰ্ব আশা। ৰাজীৱ নগৰলৈ গৈছিল, সেয়ে তেওঁক পাহৰিব লগা হৈছিল। কিন্তু, আজি তেওঁ গাঁৱলৈ উভতি আহিছে, আৰু সুমিতাৰ হৃদয়ত পুনৰ আশাৰ সপোন জগাই তুলিছে।

পুৱাৰ বতাহজাক আকৌ বাগৰি আহিল। সুমিতাৰ বাৰীৰ তলসৰা শেৱালী ফুল এটি ৰাজীৱে বুটলি সুমিতাৰ হাতত দিলে।

"এই ফুলটোৰ দৰে আমাৰ বন্ধুত্বৰ সুবাস সদায় থাকিব নেকি।" সুমিতাই মিচিকিয়াই হাঁহিলে, বতাহজাক সুমথিৰা পাতৰ মাজেদি আকৌ উভতি গ'ল।●



# মাহতৰ বাবু

**নীলপংখী দাস**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ


মাষ্টৰ বাবুয়ে এদিন এজন গাৰোৱানৰ দ্বাৰা কেইগাড়ীমান মাটি কাটি আনিছিল। তেওঁ গাৰোৱানজনক মাটি কটাৰ পইচা একেলগে দিব পৰা নাছিল। সেইবাবে গাৰোৱানজন মাজে মাজে মাষ্টৰৰ ঘৰলৈ আহে আৰু ৰাস্তাৰ পৰাই মাতে, "এ মাহতৰ বাবু... এ মাহতৰ বাবু।" সি তেনেকৈ মতা দেখি মাষ্টৰৰ খং উঠে, কিয়নো সি বিহাৰৰ পৰা আহি ইমান দিনে অসমত থাকিল তথাপি সি মাষ্টৰ শব্দটো ঠিকমতে উচ্চাৰণ কৰিব নোৱাৰে। তেওঁ তাক ধমক দি কয়, " অ'ই বিহাৰী, বিহাৰৰ পৰা আহি ইমান দিনে অসমত থাকিলি তথাপি অসমীয়া ক'ব নোৱাৰ।" তেতিয়া গাৰোৱানজনে কয়, " হা মাহতৰ বাবু আমি অসমীয়া ক'ব নাপাৰে।" মাষ্টৰে গাৰোৱানজনক পইচা দি আকৌ ধমক দিয়ে, "তই যদি অসমীয়া ক'ব নোৱাৰা তেনেহ'লে তোক অসমৰ পৰা বিহাৰত খেদিম।" এনেকৈ মাষ্টৰে গাৰোৱানজনক ঠাট্টা তামচা কৰি খেদাই দিয়ে।

গাৰোৱানজন মাষ্টৰৰ তাত প্ৰায়ে আহে আৰু লগত এজন বুঢ়া বিহাৰীও লগত লৈ আহে মাজে মাজে। সিহঁতে মাষ্টৰক বৰ ভাল পায় আৰু মাষ্টৰেও তেওঁলোকক ভাল পাই কিছুমান টান টান অসমীয়া শব্দ ক'বলৈ দি হাঁহে। মাষ্টৰে যদি ক'বলৈ দিয়ে "দাচে জেঠা", ডেকাজনৰ উচ্চাৰণ অলপ হ'লেও বুঢ়াজনে কয়, "দাচো ধাচা"। মাষ্টৰে যদি ক'বলৈ দিয়ে "গছকে হাতীৰ শুৰ" তেওঁলোকে কয় "খচকে হাতীৰ শুল"। কৰ্দে শিৰা ভিজালুক সি কয় "কদ্দে শিৰা ভিজিলুক।" এইবোৰ শুনি মাষ্টৰে বহুত হাঁহে আৰু বুঢ়া বিহাৰীজনক কয়, "ঐ মাহতৰ বাবু। হামাৰা দাঁত টুট গৈল, ইচলিয়ে হাৰা নিকাল গৈল, হামি কবা নাপাৰে।"●



# গল্প ঃ আলোকপথ

**ইয়ামিন আলী**
দ্বিতীয় ষাণ্মাসিক



উজনি অসমৰ এখন সৰু গাঁও, জনাইগাঁও। সেই গাঁৱত বৰুণ নামৰ এটি ল'ৰা আছিল। সি অতি বুদ্ধিমান আছিল, কিন্তু শিক্ষা গ্ৰহণৰ সুযোগ পোৱা নাছিল। গাঁৱৰ বিদ্যালয়খনত শিক্ষক কম আছিল, আৰু শিক্ষাৰ গুৰুত্বৰ বিষয়ে গাঁওবাসীৰ বোধ শক্তিও কম আছিল।

বৰুণে বিদ্যালয়লৈ যাব বিচাৰিছিল, কিন্তু তেওঁৰ পৰিয়ালে ক'লে, "বিদ্যালয়লৈ গৈ লাভ নাই। বৰঞ্চ খেতি-বাতিত সহায় কৰাহে ভাল।" তেখেতৰ পিতাকে কাম কৰিবলৈ বাধ্য কৰিলে, তাৰ পিছত বৰুণে শিক্ষা লাভ কৰাৰ সপোন এৰি দিলে।

অজ্ঞতাৰ ফল

এদিন গাঁৱত এক বৃহৎ সমাৰোহ হৈছিল। বহুকেইজন গাঁওবাসীয়ে বিভিন্ন ঠাইৰ পৰা অহা অতিথিসকলৰ আগত কথা ক'ব লাগিছিল, কিন্তু কিবা লেখা পঢ়া নকৰাৰ বাবে তেওঁলোকে ঠিক মতে ক'ব নোৱাৰিলে। এইটো দেখি, বৰুণে বুজিলে যে শিক্ষাৰ অভাৱৰ ফলত গাঁওখনৰ পিছপৰি আছে।

তেওঁ ঠিক কৰিলে যে, যিকোনো পৰিস্থিতিত শিক্ষাগ্ৰহণ কৰিব লাগিব। দিনত কাম কৰি ৰাতি মাটিৰ দীপ জ্বলাই পঢ়া-শুনা আৰম্ভ কৰিলে। গাঁৱৰ শিক্ষকজনেও তাক সহায় কৰিবলৈ আগবাঢ়ি আহিল।

শিক্ষাৰ শক্তি

কিছু বছৰ পিছত, বৰুণে পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীলৈ উচ্চ শিক্ষাৰ বাবে গ'ল। গাঁৱৰ সকলো লোক আচৰিত হৈছিল।

কিছুমান লোকে ক'লে "বৰুণে ইমান কেনেকৈ শিকিলে?" তেওঁলোকে এতিয়া শিক্ষাৰ গুৰুত্ব বুজিবলৈ ধৰিলে। বহু বছৰ পিছত, বৰুণে শিক্ষিত হৈ গাঁৱলৈ উভতি আহিল। তেওঁ নিজেই এখন বিদ্যালয় স্থাপন কৰিলে, য'ত সৰু ল'ৰা-ছোৱালীয়ে বিনামূলীয়াকৈ শিক্ষা লাভ কৰাৰ সুযোগ পালে। গাঁৱৰ মানুহে এতিয়া শিক্ষা গ্ৰহণৰ গুৰুত্ব বুজিলে, আৰু সকলোৱে নিজৰ সন্তানক বিদ্যালয়লৈ পঠাবলৈ ধৰিলে।

শিক্ষা

শিক্ষাই মানুহৰ জীৱন সলনি কৰিব পাৰে। পৰিশ্ৰম, ধৈৰ্য্য আৰু জ্ঞানৰ দ্বাৰাই সকলোৱে উন্নতি লাভ কৰিব পাৰে। বৰুণৰ দৰে একো একোজন শিক্ষিত যুৱকে সমাজত পৰিৱৰ্তন আনিব পাৰে।●



# আনন্দ অশ্ৰু

**শ্বনম ইয়াচমিন**
দ্বিতীয় ষাণ্মাসিক

ড° অনুৰাধাই মোমায়েকৰ হাৰ্টৰ অপাৰেচন সফলতাৰে সমাপ্ত কৰি আহি বিচনাখনত শুই পৰিল। এটা এটাকৈ অনুৰাধাৰ অতীতৰ ছবিবোৰ মনত পৰিবলৈ ধৰিলে।

তেওঁৰ পৰিয়াল আছিল অতি দৰিদ্ৰ। যদিও পিতৃ-মাতৃয়ে অশেষ কষ্ট সহ্য কৰি ছোৱালীজনীক বিদ্যালয়লৈ পঠিয়াইছিল। অনুৰাধা আছিল তাইৰ পিতৃ মাতৃৰ একমাত্ৰ সন্তান। তেওঁলোকৰ জীৱন সদায়েই আছিল কঠিনতাৰে ভৰা।

এদিন দুৰ্ভাগ্যজনকভাৱে এক ভয়ংকৰ পথ দুৰ্ঘটনাত অনুৰাধাৰ পিতৃ-মাতৃ দুয়োৰে মৃত্যু হ'ল। সৰুতে পিতৃ-মাতৃক হেৰুৱাই তাই দিশহাৰা হ'ল। তাইৰ ভৱিষ্যৎ জীৱনৰ পথ ৰুদ্ধ হোৱাৰ উপক্ৰম হ'ল।

এই সময়তে আগবাঢ়ি আহে তাইৰ মোমায়েক ৰমেশ মামা। নিজৰ ঘৰৰ অভাৱ অভিযোগ পাহৰি মামাই অনুৰাধাৰ সমস্ত দায়িত্ব ল'লে। ৰমেশৰ নিজৰ খেতিৰ মাটি নাছিল। আনৰ মাটি আধি ঠিকালৈ খেতি কৰি কোনোমতে ভাতমুঠি মোকলাইছিল। সেই মোমায়েকে অনুৰাধাক নিজৰ সন্তানৰ দৰে লালন-পালন কৰিছিল। তেওঁ ছোৱালীজনীক আগবাঢ়িবলৈ পথ দেখুৱাইছিল।

মোমায়েকে দিন-ৰাতি কাম কৰি জীৱনটো উজাৰি থৈ অনুৰাধাৰ পঢ়াশালিৰ সমস্ত খৰচৰ যোগান ধৰিছিল।

অনুৰাধাই মোমায়েকৰ শ্ৰম সাৰ্থক কৰিবলৈ নিষ্ঠা আৰু একাগ্ৰতাৰে পঢ়া-শুনাত লাগিল। তাইৰ লক্ষ্য আছিল ডাক্তৰ হ'ব। তাই ভাবিছিল মাক-দেউতাকৰ মৰ্মান্তিক দুৰ্ঘটনাৰ পিছত কিজানি এটা ডাক্তৰে তেওঁলোকক বঁচাব পাৰিলেহেঁতেন। সেয়ে জীৱনৰ সকলো কষ্ট, অভাৱ আৰু কামনাৰ ত্যাগ কৰি তাই মাত্ৰ এটা স্বপ্নক আঁকোৱালি লৈছিল মানুহক বচাব।

বছৰবোৰ কেতিয়াবা বেছি খৰচী হৈ গৈছিল মোমায়েকৰ বাবে। ডক্তৰী ডিগ্ৰী এটা লাভ কৰিবলৈ কিমান খৰচ হয় সেইটো কাৰোৰেই নজনা নহয়...।

দেহত সমস্যাবোৰ দেখা দিয়া আৰম্ভ কৰিলে এদিন মোমায়েকৰ ৰমেশৰ হাৰ্টৰ সমস্যা ধৰা পৰিল। ডাক্তৰে কৈছিল অপাৰেচন নকৰিলে বিপদ হ'ব পাৰে।

এই সময়ত অনুৰাধাই প্ৰথমে মেডিকেল কলেজৰ পৰা পাছ কৰিলে। ডাক্তৰ হোৱাৰ পাছত তেওঁৰ প্ৰথম কাম আছিল মোমায়েকৰ অপাৰেচন কৰা।

সেই দিনটো আহিল যেতিয়া নিজ হাতেৰে মামাৰ অপাৰেচনটো কৰিলে। মোমায়েক যেতিয়া হস্পিটেলৰ বিচনাত চকু মেলি দেখিলে, তেওঁ যি মৰমেৰে অনুৰাধাক চালে — সেই দৃষ্টিৰে যেন সকলো কষ্ট পৰিশোধ হ'ল। মোমায়েক চকুৰ পৰা আনন্দৰ চকুলো নিগৰিবলৈ ধৰিলে।

অনুৰাধাই সেই মোমায়েকৰ শ্ৰমৰ সমান্য হ'লেও মূল্য দিব পাৰি নিজকে ধন্য মানিলে আৰু তাই দুচকুৰেও আনন্দৰ চকুপানী পৰিবলৈ ল'লে।●

# স্বাধীননে ?

**তনুশ্ৰী শৰ্মা**
চতুৰ্থ ষাণ্মাসিক

এই জাৰৰ দিনটো আকাশখন ক'লা ডাৱৰে ছানি ধৰিছে। এই যেন ধুমুহাৰ আগমন। চাৰিওফালে বতাহ বলিছে, চৰাই-চৰিকটিবোৰেও অঘটনৰ আগমনত বিনাইছে। এয়া ধাৰাসাৰে বৰষুণজাক নামিলে, আজি যেন অন্যায়ৰ বাবে আন্দোলনহে কৰিছে। নিয়তিয়ে কুটিল হাঁহি মাৰিছে। এনেতে ঘৰৰ একমাত্ৰ লক্ষ্মীজনীয়ে বগা উৰণিৰে পদুলিত নামিছে।




এয়া ৰাতিপুৱা সময় তেতিয়া প্ৰায় ৮ বাজিছিল। ৰাতিপুৱাৰ পৰা চাৰিওফালে উৎসাহৰ ৰোল। এনেতে ঘাই পথৰ ওচৰত জুম কিহৰ বাৰু?
মাজনি এই ধল পুৱাতেই ক'লৈনো যাব?
আজি ১৫ আগষ্টচোন আইতা। আমাৰ দেশৰ ৭৮ তম স্বাধীনতা দিৱস আকৌ।
অ হয় নেকি? দে বাৰু ভালকৈ যাবিদেই আইজনী। হ'ব দিয়া আইতা। মই গ'লোঁ দেই

কৈ কৈ তাই নঙলা মুখ পালেগৈ। জুমটো ফালি দেখিলো তেজৰে ৰাঙলী দেহটি হাতত ভাৰতীয়ৰ প্ৰতীক তিৰংগা খন। হয় ঠিকেই ভাবিছে কোনোবা মানুহ ৰূপী পাষণ্ডই তাইৰ দেহ চেদেলি-ভেদেলি কৰিলে। কি ভুল বাৰু তাইৰ? আই তাজনীযেটো সপোনতো ভবা নাছিল মই গলো দেই বুলি নাতিনীয়ে সদায়ৰ বাবে বিদায় মাগিব। ৭৪ টা বছৰ পাছতো নাৰী বাৰু স্বাধীননে? মনবোৰ স্বাধীননে? পূৰে বাজিছে "Maa Tujeh Salam"
পশ্চিমপিনে সেয়া কোনোবাই ভাষণত চিঞৰি কৈ উঠিছে "ভাৰত পৃথিৱীৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ। ইয়াৰ স্বাধীন ভাতৃত্ববোধেই প্ৰথম পৰিচয়। ১৯৪৭ চনত আজিৰ দিনটোতেই ভাৰতেই ইংৰাজৰ পৰা স্বাধীনতা লাভ কৰিছিল। কিন্তু সঁচাকৈয়ে আমি স্বাধীননে?●



# নীতি কথা

# শিক্ষণীয় কাহিনী ঃ মৌমাখি সমাজৰ একতা

**ৰাজিবুল ইছলাম**
দ্বিতীয় ষাণ্মাসিক


এসময়ৰ কথা, এখন ঘন বন আছিল, য'ত এটি ডাঙৰ মৌ-মাখিৰ বাহ আছিল। সেই মৌ-মাখিবোৰে পৰিশ্ৰম কৰি মধু সংগ্ৰহ কৰিছিল। মৌ-মাখিৰ সমাজ অতি সুন্দৰ আছিল, কিয়নো তেওঁলোকে একেলগে কাম কৰিছিল আৰু সদায় একতাৰ শক্তিত বিশ্বাসী আছিল।

এদিন মৌ-মাখিবোৰৰ মাজত মতভেদৰ সৃষ্টি হ'ল। কিছুমান মৌ-মাখিয়ে ভাবিলে যে তেওঁলোকৰ কাম কম হোৱা উচিত। আনহাতে কিছুমানে ক'লে যে সকলোৰে একেলগে কাম নকৰিলে মৌ-মাখিৰ বাহ ধ্বংস হ'ব। এই মতভেদৰ বাবে কিছুমান মৌ-মাখিয়ে নিজৰ কাম বন্ধ কৰিলে।

এই সুযোগত এটা কাউৰী আৰু এটা ভালুক মৌ-মাখিৰ বাহ আক্ৰমণ কৰিবলৈ আহিল। যিবোৰ মৌ-মাখিয়ে একতা বিচ্ছিন্ন কৰিছিল, তেওঁলোকে দেখা পালে যে এতিয়া সকলো বিপদত পৰিছে। পিছত সকলো মৌ-মাখিয়ে একত্ৰিত হৈ একেলগে কাউৰী আৰু ভালুকক আঁতৰি যাবলৈ বাধ্য কৰিলে।

এই ঘটনাৰ পিছত, মৌ-মাখিসকলে বুজিলে যে একতাৰ দ্বাৰাই সকলো সমস্যাৰ সমাধান কৰিব পাৰি। তেওঁলোকে পুনৰ আগৰ দৰে পৰিশ্ৰম কৰি মধু সংগ্ৰহ কৰিবলৈ ধৰিলে আৰু পুনৰ সুখেৰে বাস কৰিবলৈ লাগিলে।

**নীতি শিক্ষা ঃ** একতাই শক্তি। যেতিয়া সকলোৰে একেলগে কাম কৰে, তেতিয়া যিকোনো সমস্যা সমাধান কৰিব পাৰি।●






# কবিতা

# জোনৰ দুঃখ ...

**ৰুণু স্বৰ্গীয়াৰী**
সহকাৰী অধ্যাপিকা, প্ৰাণীবিজ্ঞান বিভাগ

আজো আইতা হেনো জোনৰ কাষতে থাকে
নীৰৱ সন্ধিয়া জোনৰ স'তে
অতীতৰ কথা পাতে।
জোনেও বেজাৰত কয় মনৰ কথা,
জোনাকী সন্ধিয়া গাঁৱৰ চোতালবোৰ যে
আজি উকা উকা।
নাই তাত ধেমালি ককা-আইতা আৰু
নাতি নাতিনীৰ।
নাই আগৰ দৰে গৰখীয়াৰ বাঁহীৰ সুৰ
গাঁৱৰ কেঁকুৰিৰ।
ৰাংঢালী আজি নহয় বাউলী
ৰংমনৰ সুমধুৰ বাঁহীৰ সুৰত।
হৃদয় হেনো আদান প্ৰদান হয় আজিকালি
মোবাইলৰ স্ক্ৰীনত।
মুনি-চুনি গধূলি জোনাকী পৰুৱাৰ বিননি
"জোনবাই এ' এটি তৰা দিয়া
এটি তৰা নালাগে দুটি তৰা দিয়া" বুলি
সৰু ল'ৰাই কবিতা আওৰোৱা নুশুনি।
কঁকালত কলচি লৈ ৰাধাও ঘাটলৈ নাযায়
তাৰেই দুঃখত নৈখনেও গতি সলায়।
ঘূৰ ঘূৰ হুৰ হুৰ কৰি
গৰু হালেৰে পবনেও নাবায় হাল
ফটিকাৰ ৰাগিত।



চহৰে-নগৰে ডেকা-গাভৰুবোৰে
আধুনিকতাৰ ফোপোলা গান গায়।
জোনাকত লুকাভাকু নেখেলে
সৰু ল'ৰাবোৰে
বিৰহত প্ৰেমিক-প্ৰেমিকাহালে
জোনবাইৰ স'তে কথাও নাপাতে।
সেয়েহে জোনৰ হেনো বহু দুঃখ!
আজো আইতাৰ স'তে
অতীতৰ কথা কৈ বিচাৰি লয়
মনৰ সুখ।
আজো আইতা হেনো জোনৰ কাষতে থাকে
নীৰৱ সন্ধিয়া জোনৰ স'তে
অতীতৰ কথা পাতে।●

# হঠাৎ আজি

**ড° ত্ৰিদিপ বৰুৱা**
অধ্যাপক, উদ্ভিদবিজ্ঞান বিভাগ

বৰষুণজাকৰো থাকিব পাৰে
সহস্ৰ অভিমান...
নহ'লেনো,
আকাশ চুৰাৰ পিছতো
কোনোবা মাতিলে আহে জানো নামি?
তুমি বৰষুণ হ'বা...
মই মাটিৰ মানুহ
মাতিলেই নামি আহিবা
সমীৰক লৈ বোকোচাত
আজিলৈ ইমানেই...
পুনঃ
ফাগুনৰ কোনো এটি সন্ধ্যা
সুৰবোৰ গীত হ'ব...
তেতিয়াই
তোমাৰ স্মৃতিবোৰ নিয়ৰ হৈ সৰিব
সৰাপাতৰ জীপাল আবিৰ হৈ...●



# "ৰূপৰেখা"

**মুকুল উজিৰ**
কাৰ্যালয় সহায়ক

মহাপুৰুষৰ বৰপেটা ধাম,
মহাপুৰুষৰ বৰপেটা ধাম,
এই ধামৰ জ্ঞানৰে মন্দিৰ।
মাধৱ চৌধুৰী মহাবিদ্যালয়
মাধৱ চৌধুৰী মহাবিদ্যালয়।।
এই মহাবিদ্যালয়ৰ মহা আচাৰ্য্য
প্ৰকাশ শৰ্মা দেৱলৈ
যাচিছোঁ প্ৰণাম'।।
কুঁমলীয়া কুহিপাতে যেন,
পোহৰলৈ গতি কৰে।
এই গতিক বাধা দি,
ৰাখিব নোৱাৰে এন্ধাৰে।।
বহু ঘাত-প্ৰতিঘাত নেওচি,
শত শত কুঁহিপাতে
আগবাঢ়ি যায় আকাশলৈ।।
যেতিয়া হয় মহা বৃক্ষ
ছাঁয়ালৈ হে মনত পৰে,
আজি এই শীতল ছায়া।
মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ
ৰূপৰেখা,
ৰূপৰেখা।। ●

# সুখৰ প্ৰতিশ্ৰুতি

**প্ৰয়াস দাস**
ষষ্ঠ ষাণ্মাসিক

এই যে কথাবোৰ তোমাৰ মোৰ
আমাৰ হ'ব নোৱাৰে নেকি?
ধৰি লোৱা,
দুটা কথা তোমাৰ,
এটা মোৰ,
এনেকৈ কথাবোৰ এটা হ'ব নোৱাৰে নেকি?
তুমি জোন ভালপোৱা,
মই জোনাক,
যদি আমি জোনৰ তলত বহি জোনাক চাওঁ,
তোমাৰ কিবা অসুবিধা হ'ব নেকি?
এইবাৰ তুমিও ভাবা,
মইও ভাবোঁ,
জীৱন নামৰ নাটকখনত,
প্ৰেম নামৰ দৃশ্যটি আমাৰ কৰোঁ,
হয়তো মই বৰ বেছি একো দিব নোৱাৰিম,
তথাপিও কথা দিলোঁ,
তোমাক সুখত ৰাখিম,
বহুত বেছি সুখত।●

# ফাগুনৰ ধূলিয়ৰি সপোন

**আৰেশা ভূঞা**
দ্বিতীয় ষাণ্মাসিক

ফাগুনৰ সোণবৰণীয়া ৰ'দৰ মাজত
ধাননি পথাৰৰ সৰু সৰু ধূলিময়
আলিয়েদি তুমি আহিবা বুলি মই ৰৈ আছোঁ।
কি যে মৰমলগা আছিল ফাগুনৰ
সেই সন্ধিয়াটো য'ত শুকান ধূলিময়
বাটৰ কাষৰ ৰঙা শিমলু আৰু পলাশজোপাৰ
তলত বহি আমি দুয়োৱে প্ৰাণৰ কথা পাতিছিলোঁ।
তোমাৰ মনত আছেনে সেই সন্ধিয়াৰ কথা
য'ত আমি নিৰৱ আকাশৰ তলত বহি
তিৰ্‌বিৰাই থকা তৰাবোৰ চাইছিলোঁ।
এতিয়াও ফাগুন আহিলে শিমলু ফুলিলে
তুমি অহা বাটতে মই ৰৈ থাকোঁ।
ফাগুন, তুমি বিশেষ মোৰ বাবে।●



# ধৰ্ম

**ৰাজিবুল ইছলাম**
দ্বিতীয় ষাণ্মাসিক

ধৰ্ম ধৰ্ম কৰি কৰি
পিঠিৰ ছিগিল ছাল
সৰ্ব দিশত কতবাৰ চলিল
নিৰ্মম নিৰ্যাতন!

যেনেকৈ আছে তেনেকৈ থাকিলে
কাৰো নহ'ব ক্ষতি
নামিও নাহিব অনাকাংক্ষিত
জাতিৰ দুৰ্গতি।

হিন্দু, মুছলিম পাহৰি যিদিনা
গাব মানৱতাৰ গান
সিদিনা মানুহে সঁচাকৈয়ে পাব
'মানুহ' বুলি নাম।

ধৰ্ম এটা ইচ্ছাহে মাত্ৰ
গাদীটোৰে হৈছে লক্ষ্য
অন্ধ ভক্তই বজাই তালি
লাভ কৰিবলৈ মোক্ষ!

ইতিহাসৰ পাত লুটিয়াই চালে
দেখিবা অৱদান
জাতি, ভাষা, সংস্কৃতি ধ্বংস কৰি
নহ'বা মহীয়ান!●

# প্ৰেয়সীৰ বতৰা

**ইনজামুল হক খান**
ষষ্ঠ ষাণ্মাসিক

নৈয়ে নৈয়ে উটি গৈ সাগৰ পালোহি
হে বিশাল নীলা জলৰাশি,
দিয়াহি মোৰ প্ৰেয়সীৰ বতৰা।
উৰি গৈ নিলিমাত তৰাৰ দেশ পালোঁহি
হে তৰা, ধৰণী আলোকিত কৰা জোন,
দিয়াহি মোৰ প্ৰেয়সীৰ বতৰা।

এবছৰেই হ'ল হোৱা নাই আমাৰ দেখা
কোৱা হে জোন বেলি তৰা,
আনিছোঁ তাইৰ বাবে মৰমৰ টোপোলা।
নাই নালাগে তাই ৰ'ব তাহানিৰ দৰে বহু দেৰি,
দূৰৰ পৰাই এপলক অভিমানৰ চাৱনিয়েই
হিয়া মোৰ জুৰ পেলাব।

বছৰেই হ'ল হোৱা নাই আমাৰ দেখা
বোঁৱাই নিয়া হে বিশাল নীলা জলৰাশি,
সাঁচি ৰখা মৰমৰ টোপোলা।
বন্যা হৈ মৰমৰ পলস সানি দিয়া তাইৰ বুকুত
তাতে মই হেঁপাহৰ গোলাপ হৈ জন্ম লভিম
ৰঙা গোলাপৰ সুবাসেৰে স্বৰ্গ সাজিম।

হে জগত আলোকিত কৰা জোন বেলি তৰা,
নদী সাগৰ, সেউজী ধৰণী, পাহাৰ-পৰ্বত
এবাৰ মাথোঁ দিয়া প্ৰেয়সীৰ বতৰা।
তাইৰ হাঁহিৰ সুৰ
আজিও মৃদু পৱনত বাজি থাকে,
যিয়ে মোক আমনি পৰতো
ৰঙীন কৰে প্ৰতি ক্ষণ।●

# ‘তুমিৰ’ পৰা ‘তেওঁ’ হোৱালৈ

**শুভ্ৰজিৎ দাস**
ষষ্ঠ ষাণ্মাসিক

এই যে বুকুত আহি থুপ খাই পুৰণি দুখবোৰ হঠাৎ হেৰাই যাব চিনাকি মুখবোৰ; মনতে গঢ় লৈ ওলোৱা মাৰ যায় কথাষাৰ।
আৰু যদি কিছুদিন থাকিব পাৰিলো হয়...
কথাবোৰ বহুদিনৰ, চিনাকি নতুন কাহিনী। বুলি ক'বলৈ সকলোৰে দেখোন!
মেটমৰা বাগিচাৰ বুকুখনত পোহৰৰ হাত এখন কাক নালাগে;
কোনোবা আঁতৰি যোৱাৰ অজুহাতত অভিমানেৰে খামুচি ধৰিবলৈ পোহৰৰ হাত এখন কাক নালাগে।

তোমাক “তুমি” বুলিবলৈ লওঁতেই শেষৰতো ষান্মাসিকৰ জাননীখন আহি পালেহি,
কলেজ উইকৰ সময়ত তুমি মই আমি হোৱা

প্ৰয়োজনীয় নেকি কলেজীয়া দিনতে কেন্টিনত কাৰোবাক ভাল লাগিব আৰু তেওঁ আপোনাৰ কাষত থাকিব...
প্ৰয়োজনীয় নেকি প্ৰেমত বিফল হোৱাৰ পিছতে হাঠাৎ UPSC অথবা ব্যৱসায়ত সফল হ'ব...

প্ৰয়োজনীয় নেকি তেওঁ আপোনাৰ সকলোবোৰ বুজি পাব বুলি
কেতিয়াবা কাৰোবাক কোনো কাৰণ নোহোৱাকৈ “তোমাক বেয়া পাইছোঁ” বুলি ক'ব পৰাকৈ সাহস ৰাখিব লাগে।
অলপ সেমেকা, অলপ শুকান আবেগবোৰে তেওঁ ঘূৰি নাচালে বুকুতে সাঁচিব পাৰিলোঁহেঁতেন। আৰু যদি কিছুদিন থাকিব পাৰিলোহেঁতেন।
তেওঁৰ অলপ সঁহাৰিতে দুয়ো চাহৰ আদ্দাত বহিব পাৰিলোঁহেঁতেন, তেওঁ এবাৰ চালেই ৰৈ দিব পাৰিলোঁহেঁতেন। আৰু যদি কিছুদিন থাকিব পাৰিলোঁহেঁতেন।।
ইচ্ছা কৰিলেই বুজিব পাৰি,
ইচ্ছা কৰিলেই সকলো ৰাখিব পাৰি
ইচ্ছা কৰিলেই সকলো সামৰিব পাৰি। ●





# মোৰ মৰমৰ মাধৱ চৌধুৰী মহাবিদ্যালয়

**ৰহিমা খানম**
চতুৰ্থ ষাণ্মাসিক

মোৰ মৰমৰ
মাধৱ চৌধুৰী মহাবিদ্যালয়।
তুমি মনোৰম ফুলৰ বাগিছা
য'ত ফুলিছে অজস্ৰ ফুল
ৰঙা-বগা সৰু-ডাঙৰ
বাৰেবৰণীয়া ফুল।
সাৰ্থকতাই পোহৰাই তুলিছে
অন্ধকাৰৰ বাট কতজনৰ!
নাপাহৰিবা মোক
ময়ো এপাহ ফুল, তোমাৰ।
হয়তো নাথাকিব পাৰে গোন্ধ মোৰ
নহ'ব পাৰো শুৱনি মই
মোৰ মৰমৰ
কিন্তু তুমি
মোৰ মৰমৰ মাধৱ চৌধুৰী মহাবিদ্যালয়।
সাহসী হৈ উঠোঁ তোমাৰ আশ্ৰয়ত
তোমাতেই আখৰা মোৰ
উপনীত হ'ব খোজা
বহু লক্ষ্যত।●

# নতুন দিনৰ আশাৰ বতৰা

**ইলিয়াছ খান**
দ্বিতীয় ষাণ্মাসিক

সেউজীয়া পথাৰ, নীলা আকাশ,
হেঁপাহৰ পাহাৰবোৰৰ মিচিকিয়া হাঁহি,
মোৰ মনত জাগে নতুন আশা,
মই দেখোঁ নৱ যৌৱনৰ সপোনৰ ছবি।

মৰমৰ সেই চেনেহৰ মাটি,
মাতৃভাষাৰ সুৰৰ মধুৰতা,
কলেজৰ পৰিসৰত বাজে গানে,
আত্মাৰ মূৰত মেলিছে ফুলৰ সুবাস।

মিতিৰৰ সেই উচ্ছল সঁগ,
হাস্যৰ দৰে ধৰি থৈ যাব,
পাঠ্যক্ৰমৰ মাজত, ৰাতিপুৱাৰ পঢ়া,
আবেলিৰ আঁচলত জীৱনৰ কথা।

সংগ্ৰামত জ্ঞানৰ কুঁহিপাত মেলে,
জীৱনৰ অৰ্থ বিচাৰি যাওঁ,
বিৰাহ মহীন পথত, নিঃশব্দে ভাঁহি,
সাধাৰণ দিনবোৰেও হয় সপোনৰ আশা।

মোৰ অসমৰ আকাশত ৰঙীন বেলি,
আশাৰ আলোকত জ্বলিব এদিন,
নতুন যুগৰ উদ্দীপনা লৈ আগবাঢ়িম,
মই, তুমি, আৰু আমাৰ সৰগৰ গান।●

# নিস্তব্ধ স্ক্রীনত বন্দী প্রজন্ম

**আৰেশা ভূঞা**
দ্বিতীয় ষাণ্মাসিক

নিস্তব্ধ স্ক্রীনত বন্দী প্রজন্ম,
হাতত ফেচবুক, মনত উত্তেজনা
আঙুলিৰ টোকাৰে গঢ়ে বন্ধুত্ব,
সঁচা নে মিছা, মৰমনে ঘৃণা,
ক'ৰবাত যদি সঁচা, ক'ৰবাত মিছা
কিন্তু...
নেটৱৰ্ক নোহোৱা হ'লেই
হৈ পৰে অকলশৰীয়া উদাসীন, নিঃসংগ
লাইক কমেন্টৰ ওচৰত অস্তিত্ব লুপ্ত
অভিমানবোৰেও স্থান পায় ষ্টেটাচত
কিন্তু, হৃদয়ত নাথাকে আন্তৰিকতা
ফেচবুকে এনেদৰেই দিয়ে উপহাৰ,
কেতিয়াবা আশাৰ, কেতিয়াবা ভয়ৰ
জ্ঞানৰ দুৱাৰ মেলি ধৰে,
আকৌ কেতিয়াবা বিভ্ৰান্তও কৰে।
আকাশখন সঁচাকৈয়ে আকাশ হওঁক,
জীৱনটোৱে এক বাস্তৱসন্মত হওক,
নিস্তব্ধ স্ক্রীনত নহয়,
আজিৰ প্রজন্মই সঁচা অৰ্থত
দুহাত মেলি স্বপ্ন বুটলি লওক।●

# মা! তোমাৰ স্মৃতি

**চালামত খান**
চতুৰ্থ ষাণ্মাসিক

মোৰ জীৱনৰ প্রথম খোজটি
তোমাৰ যত্নতে,
মোৰ মুখৰ প্রথম শব্দটি
তোমাৰ মৰমতে।
জন্ম হৈয়ে প্রথম মাতিছিলোঁ
মৰমৰ মাতৃ তোমাক।
এতিয়াও বিশ্বাস কৰোঁ
তুমি মোৰ জীৱনৰ ইতিহাস
বিশ্বৰ সবাতোকৈ প্ৰিয়
হে জন্মদাতৃ মা,
তোমাৰ অবিহনে নেদেখিলোঁহেঁতেন
এই বিশ্ব ব্ৰহ্মাণ্ড।●



# প্ৰতিটো দিনেই মাতৃ দিৱস

**ছাকলিন মোস্তাক**
দ্বিতীয় ষাণ্মাসিক

মোৰ বাবে প্ৰতিটো দিনেই মাতৃ দিৱস
মোৰ আইৰ বাবে
নাই কোনো বিশেষ প্ৰয়োজন
কিয়নো, মোৰ আই নাথাকে বৃদ্ধাশ্ৰমত।

মোৰ বাবে প্ৰতিটো দিনেই মাতৃ দিৱস
এটা নিৰ্দিষ্ট দিন  বিশেষ কৰিবলৈ
কেক কাটিম কিয়?

মোৰ বাবে প্ৰতিটো দিনেই মাতৃ দিৱস
এটা বিশেষ দিনত চিঠিৰ খামত টকা দি
দায়িত্ব সামৰিম কিয়?

মোৰ বাবেই প্ৰতিটো দিনেই মাতৃ দিৱস
এটা বিশেষ দিনত কাগজ এখিলাত
বিশেষ কিছু উদ্ধৃতি লিখি
অভিনয়ৰ মৰম জগাম কিয়?

প্ৰতিটো দিন হৈ উঠক আই তোমাৰ দিন
প্ৰতিটো বেলি উদয় হওক মাতৃ স্নেহৰে
মোৰ বাবে আই তোমাৰ বাবে
নাই কোনো বিশেষ
দিনৰ প্ৰয়োজন।

হে জন্মদাত্ৰি আই, তোমাৰ ঋণ
বিশেষ এটা দিনেৰে পূৰ কৰিব খোজা নাই
যদি মই তেনে শ্ৰেণীত অন্তৰ্ভুক্ত হওঁ...মোৰ
দৰে মহামূৰুখ হতভাগা কোনেও নহ'ব আই!! ●

# ডেউকা

**চপন'ম ইয়াছমিন**
দ্বিতীয় ষাণ্মাসিক

যদি হ'লহেঁতেন মোৰ দুটি ডেউকা
উৰি ফুৰিলোঁহেঁতেন নীল আকাশত

গছৰ ডালত বহি কেতিয়াবা
গালোঁহেঁতেন ধুনীয়া সুৰ
কি যে আনন্দ লাগিলহেঁতেন মোৰ।

কেতিয়াবা সেউজীয়া পাহৰৰ বুকুত বহি
চালোঁহেঁতেন মায়াময় জগতখনি।

নৈৰ ওপৰে সাগৰৰ ওপৰে ওপৰে
উৰি ফুৰিলোঁহেঁতেন মই, আৰু
ৰ' লাগি চালোঁহেঁতেন সুদূৰ ভূমি।

আকাশ চুবৰ মন মোৰ
যাব খোজোঁ চন্দ্ৰলৈ
উভতিম যেন তৰা দুটি হাতত লৈ।।

কিযে আনন্দ লাগিলহেঁতেন মোৰ।
লিখিব পাৰিলোঁহেঁতেন
আকাশৰ দলিচাত লিখোঁ আশাৰ চিঠি
হ'ব নোৱাৰোঁ যে কিন্তু মই উৰণীয়া।

নহয়, মোৰ আপোন মাটিত
স্বাধীন হৈ ঘূৰি ফুৰোঁ আপোন পৃথিৱীত।

আকাশখন মোৰ ডায়েৰী
লিখোঁ মাথোঁ সপোনৰ কাব্যখনি।●



# ব'হাগী

**অন্তৰা দাস**
দ্বিতীয় ষাণ্মাসিক

সৌৰা চোৰাচোন,
গছে-বনে ওলাইছে কুঁহিপাত।
কপৌয়ে মেলিছে পাহি,
তাতে পাখিৰ সুৰীয়া মাতে
যাইহি অন্তৰ চুমি।

কালৰ গতিত শুকালে গছৰ পাত
সৰি গ'ল কপৌৰ পাহি,
ভগ্ন হৃদয়েৰে বিদায় পৰত
সৱেই কান্দিলে ফেঁকুৰি।

আকৌ এদিন আহিব ব'হাগী
ফুলিব পুনৰ কপৌৰ থোপটি
আহিব লগতে কালঘোষ কেতেকী
যাচিবলে প্ৰাণৰ অমিয়া মাধুৰী।

কিন্তু! মোৰ এই জীৱনত...
আহিবনো কেতিয়া ব'হাগী, ফুলিব কেতিয়ানো ফুল?
গাবনো কেতিয়া সপোনৰ পখিয়ে
মৌসনা মিঠামাতে গীত সুমধুৰ?●

# শৰতৰ সপোন

**ফৰিদ মোল্লা**
দ্বিতীয় ষাণ্মাসিক

সোণালী কিৰণ সৰে, গছৰ পাতত
নাচে সেউজীয়া সপোন, শৰতৰ
বতাহে উৰুৱাই নিয়ে, সুগন্ধি
সুৱাসৰ শেৱালি ফুলৰ গোন্ধ

আলফুলে পখিলাবোৰক মাতি,
ফুলনিৰ মাজত নাচে আনন্দে,
নদীৰ বুকুত চপল ঢৌৰে, বতাহৰ
সুৰত গান গায় নীৰৱে।

আকাশখন হেঁপাহৰ ৰঙেৰে ভৰা,
সেউজী পাহাৰত সেউজীয়া মৰম,
আলোকৰ সন্ধানী চকুত জ্বলিছে,
নতুন সপোন, নতুন পৰিচয়।

শৰতৰ আকাশ, সপোনৰ বাট,
প্ৰকৃতিৰ কোলাত, সুখৰ আলিঙ্গন!●



# জীৱনৰ ৰং


**ৰকিবুল ইছলাম**
দ্বিতীয় ষাণ্মাসিক

জীৱন এজাক বতাহৰ সোঁত,
কেতিয়াবা মধুৰ, কেতিয়াবা কঠিন,
আকাশত বেলি উঠে, নামে, কিন্তু
আকাশৰ ৰং কেতিয়াও
নাই শেষ হোৱা।

বসন্ত আহে, ফুল ফুলি উঠে, শৰত
আহে, কাশফুলে হাঁহে,
জীৱনৰ পাতনি মেলি, আমাৰ
সপোন সদায় জীপাল
হৈ নাচে।

জীৱন এখন কেনভাছ,
কোনোৱে আঁকে মৰমৰ ছবি,
আকৌ কেতিয়াবা আঁকি যায়,
ব্যথাৰ গভীৰ কাহিনী।
তথাপি আশাৰে আগুৱাওঁ, নতুন
ৰং, নতুন বাট, আশাৰ জেউতি লৈ,
সপোনৰ উৰ্দি আচলত ধৰি পিন্ধি আগুৱাওঁ।●





# ফাগুন

**সীমাশ্ৰী বৰ্মা**
দ্বিতীয় ষাণ্মাসিক

শুকান কঠিন শিমলুৱে ধৰি ৰাখিছে
তেজ বৰণীয়া ফুল।
গছৰ পৰা পাতবোৰ যেন বিচ্ছেদ হৈ গৈছে,
শুকান পাতবোৰে গছক উকা কৰি
সৰি পৰিছে।
শিপিনীয়ে বাচিছে তাঁতত ৰঙীন
ফুলৰ চানেকি,
শুভ ফাগুনে শিপিনীলৈ আনিছে
তাঁতৰ ব্যস্ততা।
ফাগুনৰ ধুলিয়েদি উৰি আহিছে -
কত যে আবেগ, কত যে গুঞ্জৰিত সুৰ।
ফাগুনী বতাহে লৈ আহিছে
ৰঙৰ মেলা।
নিৰস শুকান গছবোৰ কুঁহিপাতেৰে
ভৰি পৰিব,
ফাগুনী পলাশ সৰি পৰিব,
আবতৰীয়া বৰষুণজাকে শুকান বালিও
সুগন্ধাব।
কাণে-কাণে বতাহেও ক'লে -
উভতি যাব এই ফাগুন।●



# হেঁপাহৰ বৰষুণ

**ৰাব্বুল ইছলাম**
স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক

বছৰ জুৰি এসাঁজ খোৱাৰ আশাত
কত সপোন বুকুত বান্ধি কৃষকবোৰে ধান গুটি সিঁচে
অপেক্ষা মাথোঁ এজাক বৰষুণৰ।
হেঁপাহৰ বৰষুণ জাক আহিব
কৃষকৰ আশাবোৰ জীপাল কৰিব
আকৌ ভয় হয় কেতিয়াবা
কৃষকৰ আশাবোৰ ফুলিবলৈ নোপোৱাতেই জানোচা
নামি আহে শাওনৰ ঢল
কিজানিবা উটুৱাই নিয়ে ভদীয়া বানে
সোণোৱালী মন।
হেঁপাহৰ বৰষুণ জাক কৃষকৰ দৰে মোৰো সপোন
বাৰিষাৰ ভৰা ভৰলুৰ দৰে পাৰ ভগা অৱস্থা
কিয় জানো শিহৰিত কৰে বৰষুণজাকে
মোৰ যৌৱনৰ
এই চঞ্চল হৃদয়ক।
যাৰ বাবে প্ৰতিবাৰেই ডুব যাওঁ মই
হেঁপাহৰ বৰষুণ জাকত।●

# আমাৰ মুক্ত ভাৰতবৰ্ষ

**মজিবুল ইছলাম**
ষষ্ঠ ষাণ্মাসিক
প্ৰাক্তন সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা,
মাধৱ চৌধুৰী মহাবিদ্যালয় ২০২৩-২৪

আমাৰ এই মহান মাতৃ ভূমিৰ
বীৰ বীৰাংগনাসকলে,
শৰীৰ কেঁচা তেজেৰে ৰাঙলী হৈ
দেশমাতৃক মুক্ত কৰিলে।
সেই বিপ্লৱী মহান আত্মাক
হাজাৰ হাজাৰ জনাওঁ প্ৰণাম,
ইতিহাস সাক্ষী সিহঁতে
এক মানৱ ধৰ্মক আগত ৰাখি
নিষ্ঠুৰ অপশাসনৰ কবলৰ পৰা
স্বাধীন কৰিলে আমাৰ এই দেশক।
ৰচিলে এক নতুন অধ্যায়ৰ
গৰ্ভ হ'ল নবীন সংবিধানৰ
আবিৰ্ভাৱ হ'ল গণতন্ত্ৰৰ
আকাশত দৃশ্যমান হ'ল এক উজ্জ্বল ৰামধেনুৰ।
বলিবলৈ ধৰিলে দেশৰ চাৰিওপিনে
মুক্ত দেশৰ মুক্ত বতাহৰ গতি,
পাহৰিব নোৱাৰি সেই অতীতৰ ইতিহাস
পাহৰিব নোৱাৰি অতীতত লিখি যোৱা
সেই সংবিধানখনে
আজি গণতন্ত্ৰৰ দেশৰ
সুস্থ-সবল নাগৰিক আমি,
আমাৰ এই মুক্ত দেশৰ
আশা ভৰসা আমাৰ এই সংবিধানখন।●

# নিশা

**হাছিনা খাতুন**
দ্বিতীয় ষাণ্মাসিক

নিশা হ'লে কিয় জানো
এই খোজটো মোৰ ওচৰ চপা যেন লাগে...
কাণে কাণে কৈ কৈ

জোনাকী পৰুৱাই এন্ধাৰ নামৰ বতৰা...

নিশা হ'লেই নীৰৱতাত
আমনি কৰে মোক
এন্ধাৰত লীন যোৱা
তোমাৰ ৰঙা ওঁঠৰ হাঁহিবোৰ...।।

নিশাটোৱেই বহু কথা কৈ যায়
কাণ তাল মৰা মৌনতাৰ ভাষাৰে
স্মৃতিবোৰেও আহি মাজনিশা হে
লগ কৰে মোক
যেন টেটু চেপি ধৰিব মৌনতাৰ মাজত।।

নিশাবোৰ বাৰু কিয় আহে...
সময়ৰ মুহূৰ্তবোৰ আচৰিত
আঁতৰাবই যদি খোজে
দুদিনৰ বাবে চিনাকি কৰাইছিল কিয়?

তেওঁতো নুবুজিবই নিশাটোত
কি কি ঘটে
কাৰণ তেওঁটো টোপনিত লাল-কাল...।।

নিশাটো উচুপি উঠে
যেতিয়া স্মৃতিবোৰৰ সৈতে
মই আলিংগনত আৱদ্ধ হওঁ
হৃদয়ৰ সমস্ত মৰম উজাৰি

নিশাটোৱেই জানে
মোৰ ভালপোৱা কিমান...
কিন্তু কেনেকৈ বুজাওঁ
কাৰণ বুজাবলৈ
চিৰদিনৰ চিনাকি নিশাটোৰ স'তে
অচিনাকিতো হ'ব নোৱাৰোঁ।।
এইখিনিত মুহূৰ্ত এটি উনুকিয়াব খোজোঁ
সৌ সিদিনাৰ কথা,
যিদিনা তুমি তোমাৰ মনৰ অনুভৱ
মোৰ আগত প্ৰকাশ কৰিছিলা...
এইবুলি যে—
" বহুদিনৰে পৰা মনৰ এটি কথা
    ক'বলে ভাষা হেৰুৱাও
বহু আগৰে পৰা মনৰ এটি বেথা
    প্ৰকাশিবৰ সাহসে নেপাওঁ
সেয়ে আজি ক'ব খুজিছোঁ
    'মই তোমাক ভাল পাওঁ'
আৰু কৈছিল,
    পৃথিৱী দেখাৰ পৰা বহু দূৰ আহিলোঁ
        হৃদয়ৰ উমানেই নেপালোঁ
    তুমি ধৰা দিয়া যিদিনাৰ পৰা
        জীয়াই থাকিব শিকিছোঁ।
    আৰু শেষত এটা কথা মনলৈ আহিলে
    মোৰ বাৰুকৈয়ে হাঁহি উঠি যায়
    মানস থাপনাত তুমিয়ে দেৱী
        মৰমৰ আৰতি জ্বলাও...
    এহালি পখী হৈ উৰিব বিছাৰি
        প্ৰভূক সেৱাটি জনাও...
    সেয়ে ক'ব খুজিছোঁ
        মই তোমাক ভালপাওঁ।।
        মই তোমাক ভালপাওঁ।।●



# মইনা চৰাইজনী


**অনুস্মিতা দাস**
দ্বিতীয় ষাণ্মাসিক

সঁজাৰ মইনাজনী সঁজাত বন্দী
কোনেনো বুজিব তোৰ
অবুজ বিননী।
ব্যৰ্থ চেষ্টা তোৰ মুক্তিৰ পথৰ
দিব জানো মানৱে তোক তোৰ অধিকাৰ?
আহিছিলি কিয় তই অৰণ্য এৰি
আনন্দ উলাহেৰে পাখি মাৰি মাৰি।
নুবুজিলি কিয় তই
দানৱ মানৱক,
এতিয়া যে তোৰ নাই জীৱনৰ মুক্তি।●

# স্মৃতি

**সাজামাল বাদশা**
চতুৰ্থ ষাণ্মাসিক

স্মৃতিৰ সোঁৱৰণীত, শৈশৱৰ ক্ষণবোৰে
আজিকালি বৰকৈ আমনি কৰে।
কেতিয়াবা হৃদয়খনে, অতীতক চিঞৰি,
নীৰৱে উচুপি উঠে।
শৈশৱ যে দুনাই কেতিয়াও ঘূৰি নাহে।
শৈশৱৰ বালিৰ ঘৰখন, চকুৰাৰ গাড়ীখন।
এইবোৰ যে আৰু কেতিয়াও ঘূৰি নাহে,
অতীতৰ সময়বোৰক
হেৰুৱাই পেলোৱাৰ দুখত,
সমনীয়াহঁতৰ লগত, নাৰিকলৰ খোলাত বনোৱা
ধূলিৰ ভাতসাঁজ আৰু গছৰ পাতৰ আঞ্জাখনলৈ
মনত পৰিলেও।
কেতিয়াবা ক'ব নোৱাৰাকৈয়ে, দুচকুৰ
পতা ধুই লৈ যায়।
সঁচাকৈয়ে...
স্মৃতিয়ে কেতিয়াবা
বৰকৈ আমনি কৰে।।●





# অমূল্য জীৱন

**তাচমিনা আকতাৰ**
দ্বিতীয় ষাণ্মসিক

ভাবিব নালাগে
জীৱনটো মূল্যহীন বুলি
ঘঁহি-মাজি যত্ন কৰিলে
উঠিব উজ্বলি।

তেনেহ'লে সদায় কিয়
সময়বোৰ কৰা নষ্ট
নিজক গঢ়িবলৈ নিজেই কৰা কষ্ট।
এবাৰ হেৰালে সময় নাপাওঁ
তাক দুনাই
এৰি অহা দিনবোৰ
কেতিয়াও নাপাম আকৌ ঘূৰাই।

ভাগ্যক এৰি
বাস্তৱক ল'ম আদৰি
তেতিয়াহে উজ্বলি উঠিব
জীৱনৰ মাধুৰি।।●

# মৌন ওঁঠৰ হাঁহি


**নুৰতাজ হুছেইন ৰাণা**
ষষ্ঠ ষাণ্মাসিক

বিলীনতাত হেৰাই গ'লোঁ মই,
মাদকতাই মোৰ নিচা
ব্যস্ততা মোৰ বাবে পেচা
মৌনতাই নিৰৱতাক কয়,
মোক কিবা এটা দিয়া,
মিঠা আবেগবোৰে হেঁচি ধৰে
নিৰ্জনতাই জোনাক সিঁচে
ব্যাকুলতাই আশা আনে
তেতিয়াই সপোনে ৰহন সানে।
প্ৰেমে কয়,
তুমি মোক আঁকোৱালি লোৱা।
বিবেকে চিন্তা কৰে
অভিজ্ঞতাই শিক্ষা দিয়ে
বাস্তৱে সুৰৰ সপোন ৰচে,
বিফলতাই বিসৰ্জন দিয়ে
বিশ্বাসে আঁকোৱালি ধৰে
তেতিয়াই, মৌন ওঠত হাঁহি বিৰিঙে।●





# অনুবাদ কবিতা




# कल रात वो

**अनुबादक : मार्जिना पार्बीन**

कल रात जो गया था निकल बाहर वो
किधर गया था वो
जिधर भी गया था उधर से
आया ना वो
रात को रात को तरकू दो भाग कर
एक मुट्टी निद्रा एक मुट्टी राग एक मुट्टी सपना
रात का रंग क्या था वैसे
काला या नीला या काला-नीला
वो जो निकल गया था
रात के आँखो मै रात को जगाकर
अभी भी जगा हुआ हैं क्या
नम रोटी जैसा वो संध्या
और रात जैसी वो ढढ़ी हंसि
सुबह ही जो आसमान चीखते हुये माया
किधर गया था वो
बारूद है या वारिश
वारिश है या बज्रध्बनि
उधर ही जो रह गया इतनी साल
मौन बेफिकर वो गांव
क्या उसे पता थी यह बात
कल रात सो गया था निकल वाहर वो
ग्या किधर था वो●

উৎস ঃ ২০২৪ চনত সাহিত্য অকাডেমি বঁটা প্ৰাপ্ত “ফৰিংবোৰে বাটৰ কথা জানে” নামৰ কিতাপখনৰ পৰা কবিতাটো লোৱা হৈছে।



# অনুভৱ লেখা

# গৃহহীন মানুহজন ঃ- এটি জীৱনৰ কাহিনী আৰু আমাৰ সমাজৰ প্ৰতিচ্ছবি

**আমিনুল ইছলাম উদ্দিন**
প্ৰাক্তন ছাত্ৰ
প্ৰাক্তন সাহিত্য সম্পাদক, ছাত্ৰ একতা সভা, মাধৱ চৌধুৰী মহাবিদ্যালয় (২০১৮-১৯ বৰ্ষ)

জীৱনৰ গতিশীলতাৰ মাজত আমি প্ৰায়ে এনে কিছুমান মানুহৰ কাষেৰে পাৰ হৈ যাওঁ, যিসকলৰ জীৱনৰ কাহিনী আমাৰ বাবে অচিনাকি, কিন্তু তেওঁলোকৰ উপস্থিতিয়ে আমাৰ মনত প্ৰশ্নৰ সৃষ্টি কৰে। তেনে এজন মানুহৰ কথা কওঁ, যাক আমি গৃহহীন মানুহ" বুলি জানো। তেওঁৰ জীৱনৰ পটভূমিত আমাৰ সমাজৰ বহু অপূৰ্ণতা আৰু আমাৰ নিজৰ দায়িত্বৰ বিষয়ে গভীৰভাৱে ভাবিবলৈ বাধ্য হওঁ। এই লেখাটোত আমি এজন গৃহহীন ব্যক্তিৰ জীৱনৰ এটা কাল্পনিক অথচ বাস্তৱসন্মত কাহিনীৰ জৰিয়তে তেওঁলোকৰ সংগ্ৰাম, সমাজৰ দৃষ্টিভংগী আৰু আমাৰ দায়িত্বৰ বিষয়ে আলোচনা কৰিম।

গুৱাহাটীৰ ব্যস্ত ৰাজপথৰ এটা ফুটপাথত বহি থকা এজন মধ্যবয়সীয়া মানুহৰ কথা কল্পনা কৰক। নামটো ধৰি লওঁ হৰেন। পৰিধানত জীৰ্ণ কাপোৰ, হাতত এটা প্লাষ্টিকৰ বেগ আৰু চকুত জীৱনৰ ক্লান্তি। পথচাৰীৰ ভিৰৰ মাজত তেওঁ যেন অদৃশ্য। কিন্তু তেওঁৰ জীৱনৰ কাহিনীটো শুনিলে হয়তো আমাৰ মনৰ গভীৰতাত কিবা এটাই স্পৰ্শ কৰিব।

হৰেনৰ জীৱন এসময়ত আমাৰ-আপোনাৰ দৰেই আছিল। তেওঁৰ এটা সৰু পৰিয়াল আছিল-পত্নী আৰু এটি সন্তান। তেওঁ এজন দিন হাজিৰা কৰা লোক আছিল, কঠোৰ পৰিশ্ৰম কৰি পৰিয়ালটো চলাইছিল। কিন্তু জীৱনৰ পৰিহাসে তেওঁক এদিন সকলোৰে পৰা বিচ্ছিন্ন কৰি দিলে। তেওঁৰ পত্নীৰ অসুস্থতাৰ বাবে ডাঙৰ ঋণৰ বোজা পৰিল আৰু তাৰ পিছত তেওঁৰ মৃত্যুৱে হৰেনৰ জীৱনৰ সকলো আশা ভাঙি পেলালে। সন্তানটোৰ দায়িত্ব ল'বলৈ আত্মীয়ই আগবাঢ়ি আহিল, কিন্তু হৰেন হৈ পৰিল অকলশৰীয়া। ঋণৰ বোজা আৰু মানসিক চাপত তেওঁ কাম হেৰুৱালে, ঘৰ হেৰুৱালে, আৰু শেষত নিজৰ পৰিচয়ো হেৰুৱালে। আজি তেওঁ ফুটপাথতে নিজৰ জীৱনৰ দিনবোৰ পাৰ কৰিছে।

হৰেনৰ কাহিনী কেৱল তেওঁৰ নিজৰ নহয়, বহু গৃহহীন ব্যক্তিৰ জীৱনৰ এটা প্ৰতিচ্ছবি। গৃহহীনতাৰ কাৰণ বহুতো। কিছুমানৰ বাবে ই অৰ্থনৈতিক সংকটৰ ফল, যেনে- চাকৰি হেৰুৱা, ঋণৰ বোজা, বা অত্যাধিক দাৰিদ্ৰ্য। আন কিছুমানে কয় পাৰিবাৰিক বিচ্ছেদ, মানসিক স্বাস্থ্যৰ সমস্যা, বা সামাজিক বৈষম্যই তেওঁলোকক এই পৰিস্থিতিলৈ ঠেলি দিয়ে। আমাৰ দেশত, বিশেষকৈ চহৰাঞ্চলত, দ্ৰুত নগৰীকৰণ আৰু জীৱন-যাপনৰ ব্যয় বৃদ্ধিয়ে বহু মানুহক গৃহহীন কৰি তুলিছে। গ্ৰাম্য অঞ্চলৰ পৰা চহৰলৈ অহা বহু লোকে কামৰ সন্ধান আশা কৰে, কিন্তু শেষত পদপথতেই জীৱন কটাবলৈ বাধ্য হয়।

ইয়াৰ উপৰিও, মানসিক স্বাস্থ্যৰ সমস্যাৰ প্ৰতি আমাৰ সমাজৰ উদাসীনতাও এটা ডাঙৰ কাৰণ। বহু গৃহহীন ব্যক্তিয়ে মানসিক অস্থিৰতাৰ সৈতে সংগ্ৰাম কৰে, কিন্তু তেওঁলোকে প্ৰয়োজনীয় চিকিৎসা বা সমৰ্থন নাপায়।

সমাজে তেওঁলোকক প্ৰায়ে “পাগল” বা “অস্বাভাৱিক” বুলি কলঙ্কিত কৰে, যাৰ ফলত তেওঁলোকৰ পুনৰ্বাসনৰ সম্ভাৱনা আৰু কমি যায়।

আমি প্ৰায়ে গৃহহীন মানুহৰ প্ৰতি সহানুভূতিৰ পৰিৱৰ্তে উদাসীন বা ভয়ৰ দৃষ্টিৰে চাওঁ। তেওঁলোকক আমি “অপৰিচ্ছন্ন” বুলি ভাবো, তেওঁলোকৰ জীৱনৰ পটভূমিৰ বিষয়ে ভবা নহয়। এই দৃষ্টিভংগীয়ে তেওঁলোকক আৰু অধিক বিচ্ছিন্ন কৰি তোলে। আমাৰ সমাজত এনে এক ধাৰণা আছে যে গৃহহীনতা কেৱল ব্যক্তিগত ব্যৰ্থতাৰ ফল। কিন্তু সত্যটো ইয়াতকৈ জটিল। গৃহহীনতা কেৱল ব্যক্তিৰ ওপৰত নিৰ্ভৰ নকৰে; ই আমাৰ সমাজৰ অৰ্থনৈতিক, সামাজিক আৰু নীতিগত ব্যৰ্থতাৰো প্ৰতিফলন।

আমাৰ মাজৰ বহুতে হৰেনৰ দৰে মানুহৰ কাষেৰে পাৰ হৈ যাওঁতে এটা দুখৰ অনুভৱ হয়, কিন্তু সেই অনুভৱক দুঃখ মোচনৰ উপায়ত পৰিণত কৰাৰ প্ৰয়াস কৰোঁ নে? আমি প্ৰশ্ন কৰোঁ-তেওঁলোকক কিয় সহায়ৰ প্ৰয়োজন? তেওঁলোকে নিজৰ জীৱন নিজেই কিয় সলনি নকৰে? কিন্তু আমি ভাবো নে যে তেওঁলোকৰ জীৱনত এনে কি পৰিস্থিতি আহিছিল, যিয়ে তেওঁলোকৰ সকলো সম্ভাৱনা কাঢ়ি লৈ গৈছে?

গৃহহীনতা কেৱল আৰ্থিক সংকট নহয়, ই এক মানৱীয় সংকট। গৃহহীন ব্যক্তিয়ে শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ সমস্যাৰ সন্মুখীন হয়। খাদ্য, বিশুদ্ধ পানী, আৰু পৰিচ্ছন্নতাৰ অভাৱৰ ফলত তেওঁলোকৰ স্বাস্থ্যৰ অৱনতি ঘটে। শীতকালত ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকৰ কোনো উপায় নাথাকে, আৰু গৰমকালতো তেওঁলোকে একেদৰেই কষ্ট পায়। ইয়াৰ উপৰিও, তেওঁলোকৰ সামাজিক মৰ্যাদা নথকাৰ বাবে প্ৰায়ে অপমান আৰু নিৰ্যাতনৰ সন্মুখীন হ'বলগীয়া হয়।

মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত গৃহহীনতাৰ প্ৰভাৱ আৰু গভীৰ। নিসঙ্গতা, অপমান, আৰু আশাহীনতাই তেওঁলোকৰ মনত গভীৰ ক্ষতৰ সৃষ্টি কৰে। বহুতো হতাশা, উদ্বেগ, বা আন মানসিক সমস্যাৰ সৈতে যুঁজি থাকে, কিন্তু তেওঁলোকে কোনো পৰামৰ্শ বা চিকিৎসাৰ সুবিধা নাপায়।

গৃহহীনতাৰ সমস্যা সমাধানৰ দায়িত্ব কেৱল চৰকাৰ বা বেচৰকাৰী সংস্থাৰ নহয়, আমাৰ সকলোৰে। আমি হয়তো এজন ব্যক্তিৰ জীৱন সম্পূৰ্ণৰূপে সলনি কৰিব নোৱাৰোঁ, কিন্তু সৰু সৰু পদক্ষেপৰ জৰিয়তে তেওঁলোকক আশাৰ বাণী শুনাব পাৰো। উদাহৰণস্বৰূপে, আমি তেওঁলোকৰ প্ৰতি সহানুভূতিশীল হ'ব পাৰোঁ। তেওঁলোকৰ সৈতে কথা পাতি তেওঁলোকৰ কাহিনী শুনিব পাৰোঁ। এটা সৰু দান-যেনে খাদ্য, কাপোৰ, বা পানীৰ বটল-তেওঁলোকৰ জীৱনত এটা দিনৰ বাবে হ'লেও পৰিৱৰ্তন আনিব পাৰে।

চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ পৰাও আমি অধিক সক্ৰিয় ভূমিকা আশা কৰিব পাৰোঁ। গৃহহীন ব্যক্তিৰ বাবে আশ্ৰয়ৰ গৃহ, স্বাস্থ্যসেৱা, আৰু পুনৰ্বাসনৰ সুবিধাৰ প্ৰয়োজন। শিক্ষা আৰু দক্ষতা প্ৰশিক্ষণৰ জৰিয়তে তেওঁলোকক পুনৰ সমাজৰ মূল ধাৰাত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াস কৰিব পাৰি। আমাৰ সমাজৰ যুৱ শক্তি হিচাপে, আমি এই বিষয়ে সজাগতা সৃষ্টি কৰিব পাৰোঁ, স্বেচ্ছাসেৱী কামত অংশ ল'ব পাৰোঁ, আৰু নীতি পৰিৱৰ্তনৰ বাবে কণ্ঠ উত্তোলন কৰিব পাৰোঁ। মাত মাতিব পাৰো।

হৰেনৰ দৰে গৃহহীন মানুহৰ জীৱন আমাৰ সমাজৰ দাপোন। তেওঁলোকৰ কাহিনীয়ে আমাক আমাৰ দায়িত্বৰ কথা সোঁৱৰাই দিয়ে। আমি যদি তেওঁলোকৰ জীৱনটো সহানুভূতি আৰু সন্মানৰ দৃষ্টিৰে চাওঁ, তেন্তে হয়তো তেওঁলোকৰ জীৱনত সামান্য হ'লেও পৰিৱৰ্তন আনিব পাৰিম। গৃহহীনতা এক জটিল সমস্যা, কিন্তু আমাৰ সৰু সৰু প্ৰয়াসে এই সমস্যাৰ সমাধানৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব পাৰে।

আমি সকলোৱে এটা কথা মনত ৰাখিব লাগে-হৰেনৰ দৰে প্ৰতিজন গৃহহীন ব্যক্তিৰো এটা কাহিনী আছে, এটা সপোন আছিল আৰু তেওঁলোকো আমাৰ সমাজৰ অংশ। তেওঁলোকক পুনৰ সেই স্থান দিয়াৰ দায়িত্ব আমাৰ।●

# ফাগুন

**বিতুমণি দাস**
ষষ্ঠ ষাণ্মাসিক

শীতৰ কুঁৱলীক দূৰ কৰি পৃথিৱীৰ বুকুলৈ নামি আহে মন-প্ৰাণ উতলা কৰা ফাগুন। লগত আনে অনেক কল্পনা। ফাগুন হেনো প্ৰেমৰ বতৰ, প্ৰিয়জনক বিচৰাৰ বতৰ। ফাগুন মাহত বতৰে যেন আনে এক মিঠা শিহৰণ। ফাগুনে কঢ়িয়াই আনে প্ৰেমৰ সেউজীয়া চাদৰখনি। নিগৰে সেই অময়া অনুভূতি। ফাগুনে হয়তো প্ৰেমক আমন্ত্ৰণ জনায়। সেইবাবে ফাগুন মাহত প্ৰকৃতিয়েও প্ৰেমত পৰে। ফাগুন মাহত প্ৰকৃতিয়েও মনোমোহা ৰূপ লয়।

ফাগুন মাহ যেন সাহিত্য উন্মেষণৰ মাহ। ফাগুন মাহে অসমীয়া সাহিত্যত এক বিশেষ স্থান লাভ কৰিছে। বহু কবি-সাহিত্যিকে এই মাহৰ প্ৰকৃতিৰ নান্দনিকতা আৰু সেই নান্দনিকতাৰ সৈতে আপোন হিয়াৰ অনুভূতিক একাত্ম কৰি অলেখ গান আৰু কবিতা লিখিছে।

কলংপৰীয়া কবি দেৱকান্ত বৰুৱাই লিখিছে—

"ফাগুনে মাতিছে
ৰঙে ৰঙে গাইছে মদালসা গান।
পলাশৰ ডালত জ্বলে জোনাক
হিয়াৰ পোহৰত সাজে সুৰৰ তান।

ফাগুনে হেনো সৰাপাতৰ খবৰ আনে। পলাশৰ ৰঙে যেন আকাশ -বতাহ ৰাঙলী কৰি পেলায়।

সৰাপাতৰ খবৰ অনা ফাগুনক লৈ গীতিকাৰে লিখিছে —

"সৰা পাতে পাতে ফাগুন নামে
পলাশৰ ৰং ৰাঙলী,
বতাহে কাণে কাণেই ক'লে
নহ'বা উদাস অভিমানী।"
(গীতিকাৰ ঃ কাজল শৰ্মা)


ফাগুনে লগত আনে শৈশৱৰ মধুৰ স্মৃতি। মোৰ এতিয়াও মনত আছে ফাগুনৰ এনে শুকান বতাহত চিলা উৰুৱাবলৈ শিকা। সৰু হৈ থাকোঁতে ফাগুনৰ বিষয়ে ইমান ভালকৈ জনা নাছিলোঁ যদিও ইমানে জানিছিলোঁ যে ফাগুন মাহ মানে চিলা উৰুৱা বতৰ। আয়ে প্ৰায়েই গালি পাৰিছিল আৰু কৈছিল যে চিলাৰ লগত বেয়া শক্তি, ভূত-প্ৰেত আদিয়ে বাস কৰে আৰু চিলা উৰুৱাই ঘূৰি ফুৰা শিশুবোৰক আক্ৰমণ কৰি অসুস্থ কৰি তোলে। ময়ো ভাবিছিলোঁ, সেইবাবেই মোৰ সমনীয়াবোৰ প্ৰায়েই অসুস্থ হৈ পৰিছিল নেকি ! সেই ভয়ত মই চিলা উৰুৱা বাদ দিছিলোঁ। ডাঙৰ হোৱাত জ্ঞান হ'ল যে চিলাৰ লগত কোনো ভূত-প্ৰেতৰ ছাঁয়া নাথাকে, শুকান বতৰ, ধূলিয়ৰি বাট-পথ আদিৰ দ্বাৰা ৰোগাক্ৰান্ত হৈ মোৰ সমনীয়াবোৰ অসুস্থ হৈ পৰিছিল।

ফাগুন হেনো ৰঙৰ মাহ, উৎসৱৰ মাহ। এই ফাগুন মাহতেই ফাকুৱা উৎসৱ পাতি আনন্দ আৰু ৰঙৰ বা-বতৰা দি সকলোৰে মন প্ৰাণ উতলা কৰে।

ফাগুন মাহটো অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। প্ৰকৃতি বাউলি অথচ মনোৰমা-মনোমোহা হোৱাৰ বতৰ। সাংস্কৃতিক আচাৰ-অনুষ্ঠান আৰু প্ৰেমানুভূতিৰ ই এক সুন্দৰ সংমিশ্ৰণৰ সময়।●



# উপন্যাসিকা



# নীৰৱতাৰ ভাষা

**তনুশ্ৰী শৰ্মা**
চতুৰ্থ ষাণ্মাসিক

কাহিনীৰ হয়তো অন্ত আছে। কিন্তু হৃদয়ৰ শেষৰ আশাকণে জানো এটা নতুন কাহিনীলৈ বাট নাচায়। এনে অন্তহীন কাহিনীৰ এখন উপন্যাস হ'ল 'কলেজ'। সংস্কৃতিৰ ধাম, সত্ৰনগৰী নামে খ্যাত বৰপেটাতো তেনে এখন উপন্যাসে অগণন কাহিনী সামৰি ৰাখিছে অত বছৰে। বহুতৰে অৰ্ধ, পূৰ্ণাঙ্গ সপোনৰ জীয়া ছবি বুকুত বান্ধি বৈছে। আজি প্ৰায় দহবছৰ পাছত মানসীয়ে আকৌ তাইৰ জীৱনৰ আটাইতকৈ ভাল লগা পৃষ্ঠাটিলৈ উভতিছে। গাড়ীখন কিমান বেগত চলাইছে তাই নিজেও নাজানে। উৎকট গৰমতো তাই চোন আজি বৰফ এটুকুৰাৰ নিচিনা চেঁচা পৰিছে, মনত প্ৰশ্নৰ জোৱাৰ। নে চাৰি বছৰ পিছত প্ৰিয়জনক আকৌ এবাৰ দেখা পোৱাৰ হেঁপাহত দেহৰ সমস্ত ৰক্ত গালত থূপ খাই তাইক জোকাইছে।

এনেতে তাইৰ ফোন বাজিল।

ঃ অ হেল্ল ক।

ঃ ক'ত আছ অ' তই?

ঃ মই বৰপেটালৈ গৈ আছোঁ, কলেজলৈ।

ঃ কি? কিন্তু কিয়? তই আকৌ সেইখন ঠাইলৈ যাব লগা কি হ'ল? খঙেৰে ক'লে পূৰবীয়ে।

এয়া মানসীৰ প্ৰিয় বান্ধৱী। অন্য ভাষাত ক'বলৈ গ'লে প্ৰেমে নিথৰুৱা কৰা হাতখন খামোচা ব্যক্তিগৰাকী অৰ্থাৎ বন্ধুত্ব।

ঃ নহয় অ' আকৰীজনী। আমাৰ পুৰণা ছাত্ৰ-ছাত্ৰীবোৰক মাতিছে তাত সেইবাবেই আহিলোঁ। তোক কোৱা নহ'ল, Sorry !

ঃ কি Sorry ! তই তাত কিয় গৈছ ময়ো জানো। খবৰদাৰ, তই যদি আকৌ অন্যফালে গতি কৰ।

ঃ হ'ব দে বুজিছোঁ। ৰাখোঁ এতিয়া।

এয়া মানসী ভট্ট, বঙাইগাঁৱৰ স্থায়ী বাসিন্দা।

এই মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পৰা ২০১৬ চনত নৃতত্ত্ব বিভাগৰ পৰা প্ৰথম স্থানত উত্তীৰ্ণ হৈছিল তাই। গাড়ীখনে কলেজ চৌহদৰ সন্মুখেৰে আহি গাৰ্লচ হোষ্টেলৰ সন্মুখত ৰ'ল। লাহে লাহে তাই ভিতৰলৈ আগবাঢ়িলে। পুৰণি স্মৃতিবোৰে যেন তাইক আগভেটি অগা দেৱা কৰিছে। স্মৃতিও বৰ আচৰিত নহয়, দুখৰ মাজতো হাঁহি মাৰে। এইখন ছাত্ৰীনিবাসত তাই চাৰি বছৰ কটাইছে। কত যে হাঁহি-কান্দোনৰ সাক্ষী হৈ ৰৈছে এই বেৰবোৰ। ৰুম নং সাত। যাক সিহঁতজাকে 'Thala for Reason' বুলি এসময়ত নাম দিছিলে, তাত যেন আজিও তাই সেই গাভৰু মনটো উৰুৱাই আছে। তাইৰ দুচকুৰে নিৰৱে দুটোপাল তপত তেজ হে যেন বৈছে।

ঃ আৰে মানসী চোন।

ঃ মাহী। কি খবৰ আপোনাৰ?

এয়া সকলোৰে মাহী মানে হোষ্টেলৰ গাৰ্ডগৰাকী ল'ৰালৰিকৈ তাই চকুপানীখিনি মিচিকিয়া হাঁহিৰে ঢাকিলে। অকণমান সময় কথাপাতি তাই সেই গলিটিৰে কলেজ


চৌহদলৈ আগবাঢ়িছে। বৰ ধুনীয়া কেম্পাছটো প্ৰথম দিনাই তাই এই কেম্পাছৰ প্ৰেমত পৰিছিল। খোজবোৰ চোন কঁপিছে তাইৰ, ডাৰবোৰো চোন গোট খাইছে আকাশত। হয়তো ধুমুহা আহিব কাৰোবাৰ মনত ইতিমধ্যে আহিছেই। প্ৰতিটো চুকতেই তাই আৰু তাইৰ প্ৰিয়জনৰ প্ৰতিচ্ছবি ভাঁহি আছে। দহ বছৰেই হৈ গ'ল এই কথাবোৰৰ, এতিয়াও চোন ভাবিলে বেছিদিন নোহোৱা যেন লাগে।

সৌৱা পদাৰ্থ বিজ্ঞান বিভাগৰ সন্মুখৰ শিল চটা, তাত বহি কাজিয়া কৰিছিল সিহঁতে। লগৰ বিলাকৰ লগত জোকাই সি তাইৰ সেই বেলুনৰ নিচিনা ফুলা মুখখনি চাব খুবেই ভাল পাইছিল। সৌৱা বটানীৰ গেটখন, কলেজৰ ছোৱালীৰ লগত কথা পতাৰ বাবে তাই জ্বলিছিল। মনত পৰিছে তাইৰ, সেই অনামী অনুভৱবোৰ সঁচাই ধুনীয়া।

হাঁহিছে তাই সেইবোৰকে ভাবি। লাহে লাহে তাই কলেজ গেটেৰে বাহিৰলৈ আহিল, এখন প্ৰকাণ্ড গেট। অকণমান আগবাঢ়িয়ে তাই দেখিলে সিহঁত দুটাৰ আন এটা প্ৰিয় ঠাই ''Rise and Shine'' নামৰ সৰু ৰেষ্টোৰাখন, এতিয়া পিছে বহুখিনি উন্নত হৈছে। তাত বহি দিনটোৰ শেষত সিহঁতহালে কিমান যে কথা পাতিছিল।

ঃ হাৰে মানসী বা তুমি আহিছা, ফোন এটাটো কৰিব পাৰা।

তাইৰ ভাৱত মাতি পেলালে বাস্তৱে, মানসীৰ জুনিয়ৰ আছিল।



শেষত প্ৰায়েই সি তাইক হোষ্টেললৈ আগবঢ়াই দিছিল। আকৌ কোনোবা দিনা যদি সি যাব নিবিচাৰে, তাই খঙত ৰণচণ্ডী জনীহে হৈছিলগৈ। সেয়া সিহঁতজাকৰ আটাইতকৈ প্ৰিয় A1 ৰুম, সিহঁতে লুডু খেলি দিনৰ দিনটো কটাইছিল। কত যে অভিমান দূৰ কৰিছিল সি তাইৰ। আৰু সৌখন পিচফালে কলেজৰ খেলপথাৰ য'ত সি প্ৰতিবছৰ কলেজ সপ্তাহত ক্ৰিকেট খেলিছিল আৰু তাই তাৰ ঘড়ী, মোবাইল সামৰি তালৈ অপেক্ষা কৰি ৰৈছিল। এইখন চৌহদৰ শেষৰ পিনে সিহঁতৰ কেন্টিন, হোষ্টেলৰ পিছতেই, য'ত সি আন

ঃ কি খবৰ বাস্তৱ। নহয় মানে অহাকালি আমাৰ পুৰনা Batch বোৰৰ get-together এখন ৰাখিছে, সকলো আহিব। ময়ো গম পায়েই আহি গ'লো।

ঃ পিচে অকলে অকলে ঘূৰি ফুৰিছা যে?

ঃ এনেই পুৰণি স্মৃতিবোৰ আকৌ এবাৰ জুকিয়াই চাইছো ৰ'বা।

ঃ অহ আচ্চা! তেখেতে আহিবনে পিচে?

শুকান মুখতে তাই উচপ খাই উঠিল। হঠাৎ বাস্তৱৰ শোধা এই সৰু কথাষাৰে ইমানপৰে উজ্জ্বলি থকা মুখখনত

অমানিশাহে যেন নমালে। পুৰণা চিনাকী বিষটোৱে আকৌ বুকু চেঁচা কৰিছে। ক'ত আছে বাৰু সি কেনে আছে পাৰিছেনে তাইবিহীন জীৱনটো সজাব। চকুহাল ক্রমে চলচলীয়া হৈ আহিল, কান্দিছে গোপনে, সকলোৰে আঁতৰত।

ঃ এই কি ইমান ভাবিব লাগিল। আহিব দিয়া সিও মোক কৈছে। লগ পাবা দিয়া, পুৰাই আহিব সি।

কথাখিনি পাতি সি গ'ল। মানসীয়ে অকণমান তাত ফুৰি পুণৰ হোষ্টেললৈ উভতিল। আজিৰ বাবে সিহঁতৰ থকাৰ ব্যৱস্থা হোষ্টেলত কৰিছে। ইতিমধ্যে তাইৰ ৰুমমেট প্রীতিকে ধৰি, ৰীমা, নিমিষা, কাজল সকলো আহি পাইছেই। সকলো যেন আকৌ এবাৰ উৰিছে, ইতিমধ্যে বহুকেইজনীৰ য়ে সংসাৰৰ পাতনিও মেলিছে। তথাপি আজি চোন গোটেই কেইজনীয়ে গাভৰু মনটোক ঘূৰাই আনিছে। প্রায় কেইজনীয়ে সংসাৰ আৰম্ভ কৰিলে, বাকী থকা কেইজনীৰো বিয়া ঠিক হৈছে আমাৰ মনিষাজনীয়ে যে এতিয়ালৈ কাৰোবাৰ আশাত কপাল উকা ৰাখিছে। ৰাতি প্রায় এক বজালৈ গোটেই জাকে কথা পাতিছে ন-পুৰণি কথাৰ সম্ভাৰ, মাজতে হোষ্টেলৰ কাহিনীবোৰ, হোষ্টেলৰ খানাৰ পৰা ৱাৰ্ডেনলৈ সকলো বিষয়ে এই মেলত স্থান পাইছে। অৱশেষত সকলোৱে নিজৰ নিজৰ ৰুমলৈ গ'ল। অথনিৰ পৰা মানসীয়ে হাঁহিৰে ঢাকিব বিচৰা মুখখনি পিছে প্রীতিয়ে ঠিকেই ধৰা পেলালে। আনে নুবুজিলে প্রীতিয়ে বুজে তাইক, চাৰিবছৰ একেলগে কটাইছে। দুয়োজনীয়ে এতিয়া বন্ধুত্ব একেই আছে সিহঁতৰ।

ঃ মানসী, তুমি সেইবোৰক ভাবি আছা নহয়?

ঃ নহয় অ' কালি সিয়ো হেনো আহিব, মই ভাবিয়ে কালি এবাৰ কথা পাতি লও নেকি, নহ'লে বহুখিনি পলম হ'ব, হৈছেই ইতিমধ্যে।

ঃ হয় ঠিকেই ভাবিছা, পিছে সি বা আকৌ আগৰ দৰে আছে নে নাই।

প্রীতিৰ কথাষাৰে মানসীক আকৌ ভবাই তুলিলে। সি জানো একেই থাকিব, যদি সময়ৰ সোঁতত সি সলনি হৈছে। এইবোৰকে ভাবি গুণী তাই শোৱাপাটীত পৰিল। আজি পিছে মানসীৰ চকুত টোপনি নাই। অতীতে দিয়া কেঁচা ঘাহ কনত আজি আকৌ বিষে উক দিছে। তাইৰ মনত পৰিছে সিহঁতৰ চিনাকীৰ পুৰাটো, সেয়া যেন এটি নিৰৱ কাহিনীৰ আগৰ সংকেতহে আছিল। লগৰ ৰাণীয়ে সিহঁতহালক চিনাকী কৰাই দিছিল এদিন হঠাতে।

ঃ হেই মানসী এয়া মন আৰু মন এইয়া মানসী বঙাইগাঁৱৰ।

ঃ হেই কি খবৰ মানসী? ভাল লাগিছেনে আমাৰ ঠাইখন।

ঃ আছো দিয়া ভালেই। এতিয়ালৈ ঠিকেই আছে।

ঃ কিবা অসুবিধা পালে ক'বা।

ঃ হ'ব দিয়া।

ঃ পিছে ইমান দূৰৰ পৰা ইয়ালৈ আহিলা যে?

ঃ নহয় মানে আমাৰ তাত নৃতত্ব বিভাগটো নাই, সেয়ে আহিলোঁ।

খুউব ফূৰ্তিবাজ ল'ৰাটো। প্রথম দিনা কথা পাতিয়েই তাই লক্ষ্য কৰিছিল, এয়া চাগে প্রথমবাৰ হৈছে কাৰোবাক ইমান সোনকালে মানসীয়ে বিশ্বাস নকৰে। কিন্তু তাই নজনাকৈয়ে তাৰ প্রতি আকৰ্ষণ বাঢ়িছিল তাই প্রথমদিনাই, প্রথম পৰিচয়তেই।

ঃ যদি তুমি অসুবিধা নোপোৱা তোমাৰ মোবাইল নম্বৰটো দিব পাৰিবা নেকি? তোমাৰ কথাবোৰ শুনি বৰ ভাল লাগিছে।

ঃ উম উম লোৱা।

প্রথমবাৰৰ বাবে তাই অচিনাকী ল'ৰা এজনক প্রথম সাক্ষাততেই সংকোচবিহীনভাৱে নম্বৰটো দি দিলে। আৰু তাৰ পৰাই আৰম্ভ হৈছিল এক অনামী কাহিনীৰ। কাৰোবাক দেখিও যে বুকু শাত পৰিব পাৰে তাই সেইদিনা বুজিছিল, কাৰোবাৰ চকুও যে ইমান শান্ত অথচ ৰঙীন, সাইলাখ নদীৰ নিচিনা নিৰৱ তাই সেইদিনাই অনুভৱ কৰিছিল। লাহে লাহে সিহঁতে মেচেজেৰে কথাবোৰ পাতিছিল। তাইৰ প্রিয় গ্রন্থ "নিৰিবিলি" ৰ এটা ষ্টেটাচ সি লগাইছিল, তাইৰ পৰাই সিহঁতৰ কথা আৰম্ভ হৈছিল। আৰু এদিন হঠাৎ সন্ধিয়া সি তাইলৈ ফোন লগালে। প্রথমে লাজ লাজ অনুভৱেৰে কথা পাতিছিল যদিও শেষলৈ চোন সিহঁতে সম্বন্ধটো 'তুমি' ৰ পৰা তই লৈ সলনি কৰিলে। প্রায় এঘন্টা সিহঁতে কথা পাতিলে। এজনৰো নিজকে নতুন বন্ধু যেন নালাগিল, সিহঁতে যেন সদায় কথা পাতে। বহু

আগৰে চিনাকী যেন সিহঁত। সেইদিনাৰে পৰা সিহঁতে দিনৰ গোটেই কথাবোৰ আনজনক জনাইছিল। দিনটোত কেতিয়াবা পাঁচবাৰলৈও ফোন কৰা হৈছিল। তাই তাৰ ফোনটোৰ বাবে অপেক্ষা কৰি আছিল, অকনমান দেৰি হ'লে অভিমানে অগা-দেৰা কৰিছিল।

ঃ তই যে মোৰ মেছেজটো চাই একো নকলি, অহ তই বেলেগ লগ বনাইছ মানে হ'ব দে।

ঃ তই যে মোৰ ফ'টোখনত এতিয়ালৈ লাইক মৰা নাই কিয় ?

ঃ কলেজলৈ আহি মোক ফোন কৰিব লাগে বুলি নাজান নেকি ?



এই বোৰ অভিমানকে কৰি কৰি সিহঁতে এটা বছৰ কটাই দিলে। সঁচাকৈ বৰ ধুনীয়া সময় আছিল তাই অভিমান কৰিছিল সি মৰমেৰে বুজাই ছিল। কলেজৰ কৰোবাত যোৱা বাহানাহে লাগে। কিমান যে ফুৰিছে দুয়োজনে, প্ৰতিটো দেওবাৰ সিহঁতৰ বাবে জীপাল হৈ উঠিছিল। বৰপেটা সত্ৰলৈ লৈ গৈ তাইক গোটেই চৌহদটোৰ লগত চিনাকী কৰাই দিছিল। ব্যস্ততাৰ মাজতো মনে তাইলৈ সদায় সময় উলিয়াইছিল। পাটবাউসী সত্ৰ, শ্বপিং মল একোৱেই যেন বাদ পৰা নাছিল। নতুন ৰেষ্টোৰা এখন খুলিলেই মানে সিহঁতে এদিন পাক মাৰিবই তাত, এয়া যেন নিয়মত পৰিণত হৈছিল। হঠাৎ তাইৰ মনত পৰিল বেঁকী নদী খনলৈ আজিও সিমানেই শান্ত হৈ আছেনে নদীখন ? সেই পাৰটো আছিল প্ৰাপ্তিৰ নিৰৰতা ভাঙি, সিহঁতৰ মনলৈ ফাগুন নমোৱা পাৰ। সিহঁত দুয়োটাৰেই আটাইতকৈ প্ৰিয় ঠাই, শান্ত বতাহ এচাটি সদায় বলি থাকে।

মানসীৰ প্ৰতিটো কথাত ধ্যান মনে ৰখা হৈছিল। ঘৰলৈ গ'লে গাড়ীত উঠাই দিয়াৰে পৰা বজাৰত গৈ তলাটো কিনি দিয়া, মাজে সময়ে মন্দিৰলৈ যোৱা সকলোতে মন। এদিন হঠাৎ মানসী অকণমান অসুস্থ হৈছিল, মনেও সিদিনা অশান্তিত আছিল।

ঃ কালি ওলাবি হস্পিতালৰ পৰা আহিম এপাক।

ঃ এহ হ'ব মোৰ ইমান একো হোৱা নাই নহয়, তোৰ চোন পৰীক্ষা আছে অহাকালি।

ঃ পৰীক্ষা শেষ হোৱাৰ লগে লগে যাম ওলাই থাকিবি।

ঃ এহ নালাগে দে, তোৰ কষ্ট হ'ব। মই ভাল পাইছোঁ।

ঃ মই কৈছোনে ওলাব, খং উঠিব কিন্তু আৰু এবাৰ ক'ব লাগিলে।

ঃ হ'ব দে যাম, বাৰু ইমান খং নেদেখাবি।

কিছুমান কৰ্তৃত্বও ভাল লাগে কেতিয়াবা। দিনটো সি তাইৰ লগত কটাইছিল হস্পিতালত। আকৌ এদিন যেতিয়া লগত স্মৃতিৰ লগত অকণমান তাইৰ কথাক কথাই লাগিছিল। সি তাইক কৈছিল—

ঃ তোক যেন কোনোবাই কিবা কয় মই কিন্তু সহ্য নকৰো।

ঃ হ'ব তহঁত আগৰে লগ, মোৰ কাৰণে কাজিয়া কৰিব নালাগে।

ঃ মই তোৰ লগত আছো।

ভাল লাগিছিল সিদিনা তাইৰ। কোনোবাই কোৱা 'মই তোৰ লগত আছো' এই কথাষাৰে যথেষ্ট জীয়াই থকাৰ বাবে। এনেদৰে সিহঁতৰ সম্পৰ্কটো প্ৰথমেই বন্ধুত্বৰে আৰম্ভ হৈছিল, লাহে লাহে সিহঁতহাল আনৰ চকুটো লাগিছিল। সিহঁতক জোকোৱা আৰম্ভ হৈছিল, সিহঁতে কেৱল হাঁহিৰে সামৰি ৰাখিছিল। এইবোৰৰ মাজত অভিমানবোৰ আছিলেই, বন্ধুত্বটো বাৰু ইমান অভিমান থাকেনে? প্ৰশ্ন হৈছিল চাগে দুয়োজনৰেই।

ঃ কাৰ লগত ফেন ফেনাই আছ অ' তই।

তাই ফোনটো ধৰাৰ লগে লগে সি কৈ পেলাইছিল।

ঃ নহয় অ' লগৰ লগত কথা পাতি আছিলো।

ঃ ল'ৰা নে ছোৱালী?

এনেকুৱা কথা সদায়েই চলিছিল। পুৱা 'গুড মৰ্ণিং' মেছেজটোৰে আৰম্ভ হৈ 'গুড নাইট' মেছেজটোৰে দিনটো সামৰিছিল। তাৰ মাজত ক'ত যে কাজিয়া, অভিমানৰ বজাৰ পাতে দুয়োজনে। অভিমানৰ বজাৰখন তেওঁৰ আগতহে পতা যায় যিয়ে মৰমক গুৰুত্ব দিয়ে। প্ৰথমে বন্ধুত্বৰে আৰম্ভ হোৱাৰ সম্পৰ্কটিক সি প্ৰেমেৰে বান্ধিছিল সেইদিনা।

ঃ তোক মই মোৰ ঘৰলৈ লৈ আনিম ৰ একেবাৰে

ঃ কিয় বা যাম মই তাৰ ঘৰত আকৌ।

ঃ নাহিবিয়েই তই যে মোক বেয়া পাৰ।

ঃ নাপাৰটো

ঃ মানে ভাল পাৰ? কেতিয়াৰ পৰা দে ক'?

ঃ তই প্ৰথমে ক মই কম দে

ঃ প্ৰথম দিনাৰ পৰাই তোক ভাল লাগিছিল। তই কাষতে থাকিলে মোৰ সদায় ভাল লাগে, তোৰ অভিমানবোৰ মোৰ প্ৰিয়।

ঃ ময়ো প্ৰথম দিনাৰে পৰা। লাজ লাজকৈ ক'লে তাই

প্ৰাপ্তিৰ ভাষা যেন এয়াই, চকুযুৰি মুদি দিছিল তাই, প্ৰিয়জনক তাই পোৱাৰ হেঁপাহকণ উপভোগ কৰিছে। এনেদৰেই সিহঁতৰ সোণালী কাহিনীটোৰ আৰম্ভণি হৈছিল। কলেজত সিহঁতে বন্ধুত্বৰ নিচিনাকৈয়ে আগবাঢ়িছিল। সিহঁতৰ মাজত মান-অভিমানবোৰ একেই চলি থাকিল। কিন্তু সময়ৰ কুটিল পাকত মন কিছু পৰিৱৰ্তন হ'ল। কিছুমান বুজা-নুবুজাৰ প্ৰশ্নই সিহঁতৰ কাহিনীত যতি পেলাবলৈ চেষ্টা কৰিলে। শেষত আহিছিল সেই কালিকা লগা দিনটো। ৰাতিপুৱাৰে পৰা সি তাইৰ ফোন ধৰা নাছিল, হয়তো যোৱা দুদিন মানৰ পৰা সিহঁতৰ মাজত চলি থকা অঘোষিত কাজিয়াখনৰ বাবে। তাই অপেক্ষা কৰি কৰি শেষত কেবাবাৰো তাক ফোন লগালে। অৱশেষত তাৰ ফোনটো আহিছিল, আনন্দতে তাইৰ মুখখন উজ্বলি উঠিছিল। কিন্তু তাইৰ সেই মৰম লগা হাঁহিটি সি মাথো কেই ছেকেণ্ডমানতেই স্তিমিত কৰিলে।

ঃ মই তোৰ লগত আৰু নোৱাৰো বুজিছ। তয়ো ভালকৈ পঢ় ময়ো পঢ়ো, মন বেয়া নকিৰিবি।

কেবাবাৰো ফোন কৰিলে তাই, বুজালে। আনকি লগৰবোৰেও বুজালে। ইতিমধ্যে যি মন বান্ধি লৈছিল, সি তাইক কোনো সঁহাৰি নজনালে। অতদিনে ধৰি অহা হাতখন হঠাৎ হেৰাই থাকিলে। বৰ কষ্ট হয়। এজন মানুহৰ অনুপস্থিতিত যে ইমান কষ্টকৰ তাই বুজিছিল।

উফ! তাই আৰু ৰ'ব পৰা নাই। কান্দি উঠিল তাই। কান্দি কান্দিয়ে তাই নিদ্ৰাত বিলীন হৈ পৰিল। ৰ'দ ওলাইছে, খিৰিকীৰ ফাঁকেৰে আহি তাইকো জগালে। লাহে লাহে সকলোৰে অনুষ্ঠানটিলৈ সাজু হ'ল, মানসীক আকৌ বিশিষ্ট বক্তা হিচাপেও মাতিছে। সেয়ে তাই সোনকালে সাজু হৈ যথাসময়ত উপস্থিত হ'ল। কিয় জানো তাইৰ মনটো আজি বিচলিত, বক্তৃতাৰ কথাবোৰো পাহৰিছে। মন বাৰু আহিবনে? এই প্ৰশ্নটোৰে উত্তৰৰ বাবে তাইৰ চকুৰে কেৱল তাকে বিচাৰি ফুৰিছে। মনতে থিৰাং কৰিছে আজি তাই তাক সকলো খুলি ক'ব, পৰা নাই ইচ্ছা কৰিও তাই নিজক আনলৈ সপি দিব।

বৰষুণ আহিব যেন যেন লাগিছে, বতাহেও নাচি-বাগি তাইক জোকাইছে। এইবোৰৰ মাজতে হঠাৎ তাইৰ ফোনটো বাজি উঠিল। বাস্তৱে কৰিছে।

ঃ হেল্লো! মানসী বা ফিল্ডলৈ আহা। মনও আছে ইয়াত। তাইৰ যেন মূৰৰ ওপৰত সৰগখন ভাঙি পৰিল, তেজবোৰো গোট খাইছে, খোজ দিবও পৰা নাই চোন তাই। চকুৰে

কন্দা নাই, স্মৃতিয়ে আকৌ হাঁহিবও দিয়া নাই। কাৰোবাক আকৌ এবাৰ লগ পোৱাৰ আকুলতা খিনিয়েই তাইক ফিল্ডলৈ টানি নিলে। ৰৈ আছে সি, সেই একে শান্ত চাৱনি কিন্তু কিছু চঞ্চল, অকণমান ওখ হৈছে সি। তাই কম জোকাইছিল নে তাতকৈ তাই অকণমান ওখ বাবে। একেই আছে চকুযুৰি, নিৰৱ শান্ত। ওচৰ পাওঁতেই তাই খোজবোৰ কঁপিছে, চকুহাল ৰঙা, প্ৰিয়জনক কাষত পায়ো সাৱটিব নোৱাৰাৰ যন্ত্ৰণা তাই অনুভৱ কৰিছে।

ঃ মানসী তয়ো আহিছ? কি খবৰ তোৰ?

সিয়েই মাত লগালে। ইমান স্বাভাৱিক যে সি। তাইতো ভাবিছিল সি তাইক সাৱটি কান্দি উঠিব। কতা সিচোন একেবাৰেই স্বাভাৱিক। অতীতৰ কথাবোৰ যেন সি নাজানে। এইজন মানসীৰ চিনাকীয়েই নহয়, হ'বই নোৱাৰে।

ঃ আছোঁ দে। তোৰটো ভালেই হ'ব।

সি মাত্ৰ হাঁহিলে। আজি তাৰ হাঁহিটোত ভাল লগা নাছিল, এয়া যেন এক কুটিল হাঁহি। তাই ভাবি আছে কি কথা পাতিব। ক'ব জানো তাইৰ মনৰ কথাবোৰ বুজিবনে সি? যদি এইবোৰ পাহৰি গৈছে। এই কথাবোৰ পাগুলি থাকোঁতেই হঠাৎ তাই শুনিলে—

ঃ পাপ এয়া কোন?

ল'ৰাজনে মনৰ পিনে চাই ক'লে। তিনিবছৰ মান হ'ব চাগে কণমানিটিৰ। ধুমুহাজাক আহিলেই। আজি যেন গছ, লতা, ফুল, বতাহ সকলোৱে তাইক বুজাইছে কিছুমান আশা অপ্ৰাপ্তিৰে সামৰিব লাগে নহ'লে স্মৃতিৰ ভঁড়াল উকা হৈ ৰ'ব। তাই উভতিল। তাই জানিছে মনৰ কোঁচত থকা কণমানিটোৰ চকুদুটা সাইলাখ তাৰ নিচিনাই।●





# একাংকিকা নাটক

# BLACK PLACE

**নাট্যকাৰ ঃ প্ৰাণজিৎ কলিতা**
অধ্যাপক শিক্ষা বিভাগ

নাট্যকাৰৰ মন্তব্য ঃ Black Place এখন বৰ্তমান সমাজৰ বাস্তৱধৰ্মী কিছু কাহিনী সংযোজন কৰি ৰচনা কৰা একাংকিকা নাটক। এই নাটকৰ মূল চৰিত্ৰ ছটা, প্ৰত্যেকটো চৰিত্ৰৰে এক বিশেষ বিশেষ অতীতৰ কলংকিত অধ্যায়ৰে পৰিপূৰ্ণ জীৱন যাত্ৰা। Black Place এটা Organization যিটো Organization য়ে নাৰীয়ে প্ৰস্তুত কৰিব পৰা সামগ্ৰীৰ বিক্ৰীকেন্দ্ৰ স্বৰূপ। ইয়াত কাম কৰা নাৰীসকল সমাজৰ দ্বাৰা অৱহেলিত । এটি সন্ধিয়াৰ প্ৰেক্ষাপটত এই Black Place ৰ নাৰীসকলে জীৱন গাঁথাৰ অতীত সুঁৱৰি হোৱা কথোপকথনেই নাটকৰ মূল অংশ। নাটকৰ প্ৰত্যেকটো চৰিত্ৰ বাস্তৱধৰ্মী যদিও কল্পনাৰ ৰহন সানি নতুন ৰূপত উপস্থাপন কৰাৰ যথেষ্ট প্ৰয়াস কৰা হৈছে। কোনো এটি চৰিত্ৰই যদিহে কাৰোবাৰ ব্যক্তিগত জীৱনত প্ৰভাৱ পেলাই তাৰ বাবে নাট্যকাৰ সদায় তেওঁৰ ওচৰত ক্ষমাপ্ৰাৰ্থী নাট্যকাৰৰ অনুমতি অবিহনে যাতে নাটকৰ কোনো অংশ বা সংলাপ সাল-সলনি আৰু উপস্থাপন কৰা নহয়।

নাটকৰ মূল চৰিত্ৰ ঃ

চৰিত্ৰ ১ ঃ পূৰবী (সন্তান নোহোৱা নাৰী)

চৰিত্ৰ ১ ঃ ৰূপা

চৰিত্ৰ ১ ঃ জৰা (acid attack)

চৰিত্ৰ ১ ঃ কৰবী (ধৰ্ষিতা ছোৱালী)

চৰিত্ৰ ১ ঃ মণি বা (Black Place ৰ গৰাকী)

চৰিত্ৰ ১ ঃ দীপা (কিন্নৰ)

প্ৰয়োজনীয় সামগ্ৰী ঃ

১ ঃ মাটিৰ চাকি

১ ঃ কাপোৰত ফুল তুলিবলৈ ব্যৱহাৰ কৰা ফ্ৰেম কেইটামান

১ ঃ তাল এযোৰ

(আঁৰ কাপোৰ উঠোৱাৰ পৰা নাটকৰ দৃশ্য আৰম্ভ হ'ব। মঞ্চত বহিব পৰা দুখন ৰেক, এযোৰ তাল আৰু চৰিত্ৰ ১ বহি বৰগীত গাই থাকিব।)

চৰিত্ৰ ১ ঃ

হৰি নাম ৰস বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শংকৰে পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।
গোৱিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা।
চাৰি পুৰুষাৰ্থ তাহাৰ নিঝৰা
হৰি নামে মূল ধাৰা ।

(বৰগীত গাই থাকোঁতে বাকী কেইটা চৰিত্ৰ হাতত এগছি চাকি লৈ মঞ্চত প্ৰবেশ কৰিব)

চৰিত্ৰ ২ ঃ বা আপুনি ইমান ধুনীয়াকৈ বৰগীত গাব জানে। আপোনাৰ এই বৰগীতে আমাৰ জীৱনৰ সকলোবোৰ কষ্ট লাঘৱ কৰি সন্ধিয়াটিৰ এক বিশেষ আনন্দ দিয়েও এনেকুৱা অনুভৱ হয় যে জীৱনৰ সকলোবোৰ হেৰায়ো কিবা অলপ বিচাৰি পাইছোঁ।

চৰিত্ৰ ১ ঃ ৰূপা, আমাৰ গাঁৱৰ ঘৰবোৰ আজিৰ দৰে পকী নাছিল। মায়ে গোবৰ মাটিৰে লেপি যোৱা চোতালখনত দেউতাই সদায় ঢাৰি এখন পাৰি বহি লৈছিল আৰু প্ৰত্যেকদিনাই গুৰুজনাৰ অমৰ সৃষ্টিৰ বৰগীতবোৰ আঁওৰাইছিল। সেই জোনাক ভৰা সন্ধিয়াবোৰ বৰ মৰমীয়াল আছিল ও।

চৰিত্ৰ ৩ ঃ সন্ধিয়া পৰত আইতাই কোছত বহাই কোৱা সাধুকথাবোৰ আজিও বুকুৰ মাজত দোলা দিয়ে। সেই সন্ধিয়াবোৰ আজিৰ দৰে নাছিল।

চৰিত্ৰ ৪ ঃ সন্ধিয়াবোৰ একে আছে জৰা। কিন্তু সন্ধিয়াবোৰ উপভোগ কৰা মানুহবোৰ সলনি হ'ল। মানুহৰ মনবোৰ সলনি হ'ল, মানুহবোৰ দেৱতাৰ পৰা অসুৰ হ'ল। মানুহবোৰ স্বাৰ্থপৰ হ'ল... (কান্দিব)

....................................................................................(গোটেইবোৰ উচপ খাই উঠিব)

চৰিত্ৰ ১ ঃ কি হ'ল কৰবী, কি হ'ল তোৰ.. তই কিয় কান্দিছ। আমি সকলোৱে স্বাৰ্থপৰ।

চৰিত্ৰ ৪ ঃ (কান্দি কান্দি) মোৰ কি ভুল আছিল বা। মোৰ জীৱনটো সিহঁতে শেষ কৰি পেলালে, মই সিহঁতক নিজৰ দাদা বুলি ভাবিছিলোঁ। মোৰ জীৱনটো এনদৰে শেষ কৰিব মন নাছিল বা, মোৰ বহুত সপোন আছিল, জীৱনটোক লৈ বহুত ৰঙীন সপোন দেখিছিলোঁ বা। মই বৰ দুৰ্ভগীয়া ও বা (কান্দিব)।

চৰিত্ৰ ১ ঃ তই নাকান্দিবি চোন, ধৈৰ্য ধৰ, কান্দিলে সকলো ঠিক হৈ নাযায়। আমি নিজে নিজৰ সাহস হ'ব লাগিব।

চৰিত্ৰ ৪ ঃ সাহস, সাহস বহুত ডাঙৰ শব্দ বা... বহুত ডাঙৰ শব্দ। যিটো মোৰ মা-দেউতাৰ নহ'ল। নিজৰ ছোৱালীজনী ধৰ্ষিতা বুলি সমাজখনৰ আগত ক'বলৈ মোৰ মা দেউতাৰ সাহস নহ'ল। এগৰাকী নিৰপৰাধী ধৰ্ষিতা ছোৱালীক আদৰি লবলৈ সমাজখনৰ সাহস নহ'ল। সকলোবোৰ জানি সকলোবোৰ দেখিও ধৰ্ষণকাৰীক শাস্তি দিবলৈ সাহস নহ'ল। আজি মই নিজেই ধৰ্ষিতা মুখখনি আইনালৈ চাই সাহস দেখুৱাইছোঁ। নিষ্ঠুৰ, স্বাৰ্থপৰ সকলো, তাৰ বাহিৰে একো নাই এই সমাজখনত

চৰিত্ৰ ৫ ঃ (সোমাই আহি হাতত কাপোৰত ফুল তুলিব পৰা ফ্ৰেম কেইটামান) কি হ'ল তহঁতৰ এনেদৰে বহি আছ যে। এই কামবোৰ কোনে শেষ কৰিব

তহঁতে পাহৰি গলি নেকি, দুদিন পিছত যে আমি গোটেইখিনি product delivery কৰিব লাগিব।

চৰিত্ৰ ১ ঃ বা কৰবীৰ মানে আগৰ কথাখিনি মনত কৰি অলপ দুখ কৰিছে।

চৰিত্ৰ ৫ ঃ তহঁতক কিমানবাৰ ক'ব লাগিব যে অতীতৰ কথাবোৰ পাহৰি যা, অতীতৰ সেই কলংক সনা কাহিনীবোৰে আমাৰ পেট নভৰায়। এতিয়া আমাৰ এটা চিনাকী আছে এটা নতুন নাম আছে। সমাজখনে আমাৰ এই চিনাকীটোক আদৰি ল'ব। এতিয়া আমাৰ এটা চিনাকী আছে চিনাকী

কোৰাছ:- সমাজৰ অৱহেলিত নাৰী

চৰিত্ৰ ৫ ঃ চুপ, চুপ থাক। মই তহঁতক এইবোৰ কৰিবলৈ ইয়ালৈ আনিছিলোঁ ...এই এই (কৰবীক ধৰি) তোক মই সেইদিনা নৈ ঘাটৰ পৰা লৈ ননা হ'লে আজি তই মৰি ভূত হ'লি হয়।

চৰিত্ৰ ৪ ঃ মৰি ভূত হোৱা হ'লেই ভাল আছিলে, বা জীয়াই থাকি মই কি কৰিব পাৰিছোঁ।

চৰিত্ৰ ৫ ঃ মৃত্যুক আঁকোৱালি ল'বলৈ সহজ। কিন্তু সেই মৃত্যুৱে তোক সুখ দিব নোৱাৰে, তই বিচৰা প্ৰতিটো কথাৰ উত্তৰ সেই মৃত্যুৱে দিব নোৱাৰে।

চৰিত্ৰ ২ ঃ তেতিয়া হ'লে আমাৰ প্ৰশ্নবোৰৰ উত্তৰ কোনে দিব... ?

চৰিত্ৰ ৩ ঃ নিষ্ঠুৰ, স্বাৰ্থপৰ এই সমাজখনে নে মানুহৰ ৰূপ ধাৰণ কৰা এই অসুৰবোৰে...

চৰিত্ৰ ৫ ঃ উত্তৰ আমি নিজেই দিব লাগিব, আমি জীয়াই থাকি আমাৰ জীৱনৰ প্ৰতিটো উত্তৰ সমাজখনক দিব লাগিব।

চৰিত্ৰ ৬ ঃ বন্ধকোঠাৰ আন্ধাৰৰ মাজত সোমাই থাকি সমাজৰ তীব্ৰ পোহৰৰ সন্মুখত থিয় হোৱাৰ সাহস নিদিব বা... বুকুখন বৰকৈ বিষায়। মই ভাগৰি গৈছো... আজি কালি মই সপোনত কি দেখোঁ জানে বা ৰেলষ্টেচন, বাছষ্টেণ্ডৰ সেই চিনাকী হাত তালিবোৰে, হাত বাউলি মাতি থাকে সেই তালিবোৰে। "অই তোৰ স্থান সেই আন্ধাৰ

কোঠালিত নহয়, তই ইয়াত আহ্ ইয়াত বহুত পোহৰ আছে।

চৰিত্ৰ ৫ ঃ আন্ধাৰ মানে শোষণ নহয়, ভয়াতুৰ নহয়...

চৰিত্ৰ ২ ঃ আন্ধাৰ মানে সাহসো নহয় বা

চৰিত্ৰ ৬ ঃ আজি মোৰ জীৱনটোৰ বাবে মই দায়ী কিয় হ'লোঁ বা, মই মাৰ পেটত থাকোতে মায়ে ভাল ভাল খাদ্য খাইছিল, ফলমূল খাইছিল যাতে মই ভাল হওঁ, মোৰ মগজু ভাল হয়, মই পঢ়িব পৰা হওঁ, মই ধুনীয়া হওঁ আৰু যেতিয়া মই মা দেউতাৰ সকলো আশা ভংগ কৰি কিন্নৰ হ'লোঁ, মা দেউতাৰ আশাৰ টোপলাটোও জাৱৰ দ'মত দলিয়াই দিলে। এয়া চাওক মোক দেখি সকলোৱে হাঁহিছে, মোক জোকাইছে, মোক খেদি আহিছে যেনেকৈ জাৱৰৰ পোকবোৰে গেলাবস্তুবোৰ আৱৰি ধৰে। মই উশাহ ল'ব পৰা নাইও মোক ইহঁতে মাৰি পেলাব।

হে ভগৱান মোক মাৰি নিয়া। এনেকুৱা জীৱন এটা দি ৰং চোৱাতকৈ মোক মাৰি নিয়া ভগৱান। মই হাঁহি হাঁহি মৰি যাম, মই হাঁহি হাঁহি মৃত্যুক আকোঁৱালি লম। এই ভগৱান মোৰ বাবে ইমান নিষ্ঠুৰ নহ'বি...

চৰিত্ৰ ২ ঃ হাতযোৰ কৰি ভগৱানক আমন্ত্ৰণ কৰি একো লাভ নাই দীপা। আমি চাগে পূৰ্বজন্মত পাপ কৰিছিলোঁ তাৰেই ফল এতিয়া ভূগিছোঁ, তিল তিল কৈ জ্বলা নিজৰ জীৱনটো দেখিও আমি একো কৰিব পৰা নাই।

চৰিত্ৰ ৫ ঃ তহঁতে নোৱাৰ, তহঁতে একো কৰিব নোৱাৰ, তহঁত ভয়াতুৰ, তহঁত অৱহেলিত তাৰ বাবে একো কৰিব নোৱাৰ। তহঁতৰ বুকুৰ ভিতৰত থকা মৰম আৱেগবোৰৰ বাবে একো কৰিব নোৱাৰ। আমি নাৰী আৰু নাৰী মানে সহনশীল, আমি সহ্য কৰিব লাগিব। আমক তপত তেলত বহুৱাই দিব আমি উতলিব লাগিব। আমাক শিকলিৰে বান্ধি কোৱাব আমি নিমাত হ'ব লাগিব; আমাক ঢেঁকীৰে খুন্দি খুন্দি ফুল সজাব আৰু সেই ফুল এদিন হাতেৰে চিঙি মোহাৰি পেলাব। এই সকলোবোৰ আমি নিৰবে সহ্য কৰিম কাৰণ আমি নাৰী

চৰিত্ৰ ১ ঃনাৰী যন্ত্ৰণাকাতৰ জীৱনৰ পৰা কেতিয়াও মুক্ত হ'ব নোৱাৰে।

চৰিত্ৰ ৫ ঃ কিয় নোৱাৰিব;... কিয় নোৱাৰিব।

চৰিত্ৰ ১ ঃ বা... আপুনি যিমান চেষ্টা কৰিলেও আমি এই সমাজৰ সন্মুখত থিয় দিব নোৱাৰো। এই সমাজখন আমাৰ বাবে নহয়। ইয়াত থকা মানুহবোৰে আমাৰ জীৱনটোক এটি চাবি দিয়া পুতলা সজাইছে, চাবিটো পকাই দিলে আমি নাচিম আৰু...

চৰিত্ৰ ৫ ঃ তোৰ মনত আছে। এই Black Place আমি কেনেদৰে প্ৰতিষ্ঠা কৰিছিলোঁ। ইয়াৰ উদ্দেশ্য কি আছিল...

চৰিত্ৰ ১ ঃ আছে বা ... আপুনি যি উদ্দেশ্যৰে এই Black place সজাইছিল তাৰ বাবে আপুনি সফলো হৈছে কিন্তু আমি সফল হ'ব পাৰিছো জানো। আপুনি এবাৰ এই দীপাক সমাজৰ মাজত থিয় কৰাই দিয়ক আৰু আপুনি চাওক তাইৰ জীৱনটোৱে কি ৰূপ লৈছে। কি পৰিবৰ্তন হৈছে তাইৰ জীৱনটো।

আপুনি চাওক এই জৱাৰ মুখখনিৰ ফালে চাওক তাইক এনেকুৱা অৱস্থা কৰিবলৈ সেই ল'ৰাকেইজনৰ অকণো বেয়া নালাগিল নে? প্ৰেমৰ নিবেদন প্ৰত্যশা কৰাৰ পৰিণাম এছিড কেনেকৈ হ'ব?

চৰিত্ৰ ৩ ঃ (কান্দিব)

চৰিত্ৰ ১ ঃ তই নাকান্দিবি জৱা, কান্দি একো লাভ নাই, চকুপানীবোৰ মিছাতে খৰচ কৰি মানুহক দুৰ্বল নেদেখাবি।

চৰিত্ৰ ৫ ঃ তহঁত প্ৰত্যেকগৰাকীক মৃত্যুক আকোঁৱালি ল'ব নিদি ইয়ালৈ অনাতো মোৰ ভুল হৈছিল। তহঁতক নিজৰ চকুপানীৰ মাজতে নিজৰ জীৱন শেষ কৰিব দিব লাগিছিল।

চৰিত্ৰ ৩ ঃ ৰাতিপুৱা হ'লে আইতাই কেঁচা হালধি কেইচকল মান পিচি মোৰ কাষলৈ লৈ আনে; কয় মুখখনত লগা মুখৰ উজ্জ্বলতা বাঢ়িব। মোৰ মুখখন একেবাৰে জোনৰ দৰে। এতিয়া মোৰ এই জোন হেন মুখখনি দেখি সকলোৱে ভয় খাই।

(মুখত মেৰিয়াই খোৱা কাপোৰখন গুচাই দিব)

মই ওলাই গ'লে মাকবোৰে নিজৰ ল'ৰা-ছোৱালীক চকু ঢাকি দিয়ে যেনিবা মোৰ মুখখন দেখি ভয়েই খায়। সমাজৰ মানুহৰ লগত একেটা শাৰীত থিয় দিবলৈ এতিয়া মোৰ স্থান নাই। কাৰণ মই এতিয়া অৱহেলাৰ যোগ্য। মোৰ মুখত কেইটোপালমান এছিড পৰিছে তাৰ বাবে মই কলংকিনী, দোষী (কান্দিব)

(চকু হাত মোহাৰি)

বা আপুনি ক'ব পাৰিব আপুনি এই সংস্থাটোৰ নাম কিয় Black Place ৰাখিলে। ক'ব পাৰিব...নোৱাৰে... কাৰণ আপুনিও এই সমাজখনক ভয় কৰে। সমাজখনৰ অসুৰবোৰৰ লগত যুঁজ দিব পৰাকৈ আপোনাৰ সাহস নাই।

চৰিত্ৰ ৫ ঃ জৰা

চৰিত্ৰ ২ ঃ জৰাই থিকেই কৈছে আপুনিও আমাৰ দৰেই একেই ভয়াতুৰ ।সমাজৰ সন্মুখত, সমাজৰ পোহৰত খোজ দিবলৈ আপুনিও ভয় কৰে।

চৰিত্ৰ ১ ঃ ৰূপা, তই মনে মনে থাক্

চৰিত্ৰ ২ ঃ নহয় বা, মই বহুত মনে মনে থাকিলোঁ। গোটেই জীৱন মৌনতা অৱলম্বন কৰিয়েই কটালোঁ। তাৰ পিছত কি পালো সমাজখনৰ পৰা কিছুমান ধুনীয়া ধুনীয়া উপাধি আৰু সন্মান তাৰ বাহিৰে

চৰিত্ৰ ৫ ঃ তহঁতে ভবাৰ দৰে সকলোবোৰ নহয়।

চৰিত্ৰ ২ ঃ জীয়াই আৰু খাই থকাটোৱে জীৱন নহয় বা মই জানো আপুনি বহুত কষ্ট কৰি আমাক এটা নতুন জীৱন দিবলৈ চেষ্টা কৰিছে। ইয়াত থকা প্ৰত্যেকজনী ছোৱালীৰে এটি এটি কলংকিত অতীত আছে। এই অতীতবোৰ নোহোৱা কৰিবলৈ আপুনি যৎপৰোনাস্তি চেষ্টা চলালেও আপুনি আমাৰ অতীত খিনি মচি দিব নোৱাৰে।

চৰিত্ৰ ৫ ঃ তহঁতৰ অতীতখিনি মচি দিব নোৱাৰোঁ কিন্তু অতীতৰ কথাবোৰ পাহৰাব চেষ্টা কৰিছোঁ। এই অতীতবোৰে যিদৰে তহঁতৰ মন মগজুবোৰ খুলি খুলি খাইছে এদিন তহঁতৰ দেহৰ কংকালবোৰ নাচি থাকিব কিন্তু মাংস এটুকুৰাও নাথাকিব।

চৰিত্ৰ ১ ঃ আমি অতীতক পাহৰি গ'লোঁ, কিন্তু সমাজখনে? সমাজখনে জানো পাহৰিব? আমাৰ গাত এই কলংক সনা সমাজখনে আমাক কিয় আদৰি ল'ব নোৱাৰে?

কোৰাছ ঃ কিয়

কাৰণ আমি নাৰী। নাৰীৰ গাত যদিহে এটা সৰুকৈ আচোৰ পৰে সেয়া কেতিয়াও মচিব নোৱাৰি।

চৰিত্ৰ ২ ঃ এখন ভদ্ৰ সমাজৰ ৰাজসভাত টানি আজুৰি গাৰ পৰা বস্ত্ৰ খুলি দিয়া হৈছিল দ্ৰোপদীৰ। পাচঁজন পুৰুষক স্বামী বৰণ কৰা দ্ৰোপদীৰ সন্মুখত কিন্তু সেইদিনা কোনেও থিয় দিব পৰা নাছিল।

চৰিত্ৰ ৩ ঃ নিজৰ সতীত্বৰ প্ৰমাণ দিবলৈ অগ্নি পৰীক্ষাত বহা সতী সীতাৰ কথা আমি কেনেকৈ পাহৰোঁ। যিজন স্বামীক ভগৱান তুল্য জ্ঞান কৰা পিছতো নিজৰ দেহৰ সতীত্বৰ পৰীক্ষা দিছিল।

চৰিত্ৰ ৪ ঃ জয়মতী, তেজীমলা সকলোৱে শুনিছে নাম, দেশৰ বাবে, নিজৰ স্বামীৰ বাবে অজস্ৰ কষ্ট সহ্য কৰি প্ৰাণ বিসৰ্জন দিয়া জয়মতীক আজি কোনে মনত ৰাখিছে। কোনে জয়মতীৰ আত্মবলিদানৰ কথা সুঁৱৰি নাৰীৰ ত্যাগৰ কথা স্বীকাৰ কৰিছে।

চৰিত্ৰ ৬ ঃ নাৰী ফুলৰ দৰে। যেনেকৈ ফুল নহলে বাগিচাৰ সৌন্দৰ্য্য নাই ঠিক তেনেকৈ নাৰী নহ'লে সমাজৰ সৌন্দৰ্য্য নাই। কিন্তু ভাল লগা ফুলপাহ যেনেকৈ আমি চিঙি পেলাও ঠিক তেনেকৈ সমাজৰ মানুহবোৰেও নাৰীক চিঙি পেলায়।

কোৰাছ ঃ আমি অস্বিত্বৰ বুকুত হেৰাই যোৱা একো একোগৰাকী অৱহেলিত নাৰী। এই আন্ধাৰ কোঠালীটোৱে আমাৰ বাবে পৃথিৱী। এই আন্ধাৰে আমাৰ জীৱনৰ সাহস।

চৰিত্ৰ ৫ ঃ মনে মনে থাক। তহঁতে কি ভাবিছা মই Black Place খন স্ফূৰ্তিত সাজিছোঁ আৰু তহঁতক ইয়াৰ মাজলৈ লৈ আনি বন্দী কৰি ৰাখিছোঁ। তহঁতে কেতিয়াবা ভাবিছ এই কোঠাটো কিয় ইমান আন্ধাৰ আৰু মই এই আন্ধাৰ কোঠাটোৰ নাম কিয় Black Place ৰাখিছোঁ। কিয় মই সমাজৰ আগত সদায় Black Place ক প্ৰতিষ্ঠা কৰিব খোজো এবাৰ ভাবিছা।

কোৰাছ ঃ আমি নিষ্ঠুৰ প্ৰকৃতিৰ মাজত হেৰাই যোৱা পক্ষী; আমি সঁজাত আবদ্ধ পক্ষীটিৰ দৰে চটফটাই ফুৰিছোঁ। আমি বিচাৰি ফুৰিছোঁ এন্ধাৰৰ মাজতো অকণমান পোহৰ।

চৰিত্ৰ ৫ ঃ এখনও খিৰিকী নোহোৱা এই বন্ধ কোঠাটো কাৰ জান ও এই কোঠাটো মোৰ। মোৰ কোঠালি... আজি তহঁতে যেনেকৈ ইয়াত অকণমান পোহৰ বিচাৰি হাহাকাৰ কৰিছা ঠিক তেনেকৈ মইও অকলে ইয়াত অকনমান পোহৰ বিচাৰি হাহাকাৰ কৰিছিলোঁ। এটুপি পানীৰ কাৰণে টেঁটুফালি কান্দিছিলোঁ। এটা নিৰ্দ্দিষ্ট সময়লৈ ৰৈ থাকোঁ মোক ইয়াৰ পৰা কোনোবাই উলিয়াই লৈ যাব। কিন্তু মোক ওলাই নিবলৈ কোনো নাহিল। আহিল মাথোঁ মোৰ দেহাটো

উপভোগ কৰিবলৈ এজনৰ পিছত এজনকৈ হেজাৰজন পুৰুষ। পুৰুষ সমাজৰ কৰ্কশ মানসিকতাক হাঁহি হাঁহি আঁকোৰালি লৈও ভাগৰি পৰা নাছিলোঁ। নিজৰ স্বামীয়ে যেতিয়া পত্নীক টকা পইছাৰ কাৰণে অইন পুৰুষৰ হাতত তুলি দিব পাৰে তাৰ পিছত আৰু মই এই সমাজখনৰ পৰা কি আশা কৰিম। (কান্দিব)

চৰিত্ৰ ১ ঃ নাকান্দিব বা ... আমি জানো, আপোনাৰ ওপৰত আমাৰ কোনো আক্ষেপ নাই। আপুনি Black Place প্ৰতিষ্ঠা কৰি সমাজখনত এটা নতুন বাৰ্তা দিব বিচাৰিছে। কিন্তু সেই বাৰ্তা আজিৰ সমাজখনে আঁকোৰালি নলয়। সমাজখনে যি এবাৰ আমাক ঘিণাৰ চকুৰে চালে সেয়া কেতিয়াওঁ আৰু শুধৰাব নোৱাৰে।

জৰা ... তই প্ৰায়ে মোক প্ৰশ্ন কৰ নহয়... বা আপুনি কিয় ইমান মনে মনে থাকে। জান জৰা মই সদায় ক্লাছত প্ৰথম হৈছিলোঁ... মই প্ৰথম হ'লে মা দেউতাৰ বহুত ফূৰ্তি লাগে ... দেউতাই মিঠাই আনি সকলোকে ভগাই ফুৰে। মৰম আকুলতাৰে ভৰা জীৱনটোত কেতিয়াও দুখে পোৰা নাছিলোঁ। যেতিয়া মই মেট্ৰিক পৰীক্ষা পাছ কৰিলোঁ তেতিয়াৰ পৰাই মোৰ মা দেউতাৰ ভীষণ টেনছন মোক বিয়া দিব লাগে। বাৰে বাৰে বুজাইও মই বুজিব পৰা নাছিলো যে মোক কিয় ইমান সোনকালে বিয়া দিব বিচৰা হৈছে। কিয় মা দেউতাৰ ইমান ভয় হৈছে মোক লৈ বুজিব পৰা নাছিলোঁ। কিন্তু নিয়তিৰ বুকুৰ পৰা সত্যটো কোনোৱেও লুকাই ৰাখিব নোৱাৰে যে .... মই হেনো জাৰজ সন্তান। সেয়া হেনো মোৰ নিজৰ মা দেউতা নহয়। মোক ডাষ্টবিনত পেলাই থোৱাৰ পৰা মা-দেউতাৰ সন্তান নোহোৱা অপবাদৰ পৰা মুক্ত হবলৈ উঠাই আনিছিল। কথাটো কোনোৰে গম নৌপাওঁতেই মোৰ বিয়াখন পাতি দিব পাৰিলে মা দেউতাৰ সকলো সপোন পূৰণ হ'ল হয়।

চৰিত্ৰ ২ ঃ কিয় বা আপুনিতো বিয়া হৈছিলে?

চৰিত্ৰ ১ ঃ হৈছিলোঁ... শিৰত ডাঙৰকৈ সেন্দুৰৰ ফোট এটা লৈ সমাজখনক প্ৰমাণও

দিছিলো যে মোৰ স্বামী আছে... মই বিবাহিত। ঢোল তাল বজাই কইনা সাজেৰে মোক লৈ যোৱা সেই একেটা পৰিয়ালে এদিন মোৰ মুখত এসোপামান কলা ছাই সানি ঘৰত উভতাই থৈ গৈছিল কাৰণ মই সন্তান দিব পৰা নাছিলো। কিন্তু পৰিয়ালৰ কোনো এজনেও ভাবি নাচালে যে পুৰুষৰজনৰ ভুলৰ কাৰণেও মই সন্তান সম্ভৱা নহ'ব পাৰোঁ। সন্তান জন্ম দিব নোৱাৰা তিৰোতাক খুৱাই পিন্ধাই ৰাখিবলৈ মোৰ স্বামীৰ সামৰ্থ্য নাছিল বিয়া হৈ ঘৰত ঘূৰি অহা ছোৱালী পুহি ৰাখিবলৈ সামৰ্থ্য নাছিল মোক তুলি অনা মা দেউতাৰও

চৰিত্ৰ ৪ ঃ বা ... মই জানো জন্মতে ধৰ্ষিতা হৈ জন্ম লৈছিল নে... মোক ধৰ্ষিতা কৰিছে এই সমাজখনে আৰু এই সমাজখনেই মোক অৱহেলিত কৰি দলিয়াই দিছে।

চৰিত্ৰ ৩ ঃ এই সমাজখনতে শক্তি অধিকাৰী দেৱীক পূজা কৰা হয় আৰু এই সমাজখনতে নাৰীক ধৰ্ষণ কৰা হয়, ডাইনী সজোৱা হয়, যৌতুকৰ নামত জ্বলাই দিয়া হয় এয়াই আমাৰ চিনাকী, সমাজত নাৰী হিচাপে আমাৰ চিনাকী...

কোৰাছ ঃ ধৰ্ষিতা ... কিন্নৰ... জাৰজ কিম্বা বাজী...

আমি সহ্যৰ অধিকাৰী... আমি কৰুণাময়ী<br>
আমি জগত জননী... আমিয়ে মমতাময়ী।<br>
ধৰ্ষিতা ... কিন্নৰ... জাৰজ কিম্বা বাজী...<br>
আমি সহ্যৰ অধিকাৰী... আমি কৰুণাময়ী<br>
আমি জগত জননী... আমিয়ে মমতাময়ী।

চৰিত্ৰ ১ ঃ তুমি দি যোৱা আঘাতৰ টুকুৰাবোৰ বুকুত সাৱটি ল'ম।

চৰিত্ৰ ২ ঃ অজস্ৰ কষ্টৰ মাজতো হাঁহি হাঁহি তোমাক জনাম সঁহাৰি ।

চৰিত্ৰ ৩ ঃ তোমাৰ বাবেই উছৰ্গা কৰিম দেহৰ প্ৰতিটো টোপাল তেজ।

চৰিত্ৰ ৪ ঃ তোমাৰ জীৱন ৰক্ষাৰ বাবে সাগৰৰ দৰে হ'ম শান্ত।

চৰিত্ৰ ৫ ঃ তোমাৰ মৰমৰ বাবে জ্বলি জ্বলি অগ্নিপৰীক্ষা দিম।

চৰিত্ৰ ৬ ঃ তোমাৰ শক্তিৰ বাবে যুগে যুগে লাঞ্ছিত বাঞ্ছিত হ'ম।

(শেষৰ অংশত তাল বজাই এক পৰিৱেশ সৃষ্টি কৰি দেওধনী নৃত্যৰ এক পৰিৱেশ দেখুৱাব।)●

# খলনায়ক

**কৃষ্ণা কলিতা**
ষষ্ঠ যাণ্মাসিক

ঘৰৰ ভিতৰৰ দৃশ্য
(তৰাই ডেন্স প্ৰেক্টিছ কৰি থাকে, এনেতে তাইৰ দাদা মি. ৰায়চৌধুৰী ভিতৰলৈ সোমাই আহে)
মিষ্টাৰ ৰায়চৌধুৰী ঃ কিহৰ বাবে ইমান প্ৰস্তুতিও ! ক'ৰবাত কিবা প্ৰতিযোগিতা আছে নেকি ?
তৰা ঃ কি যে হ'ব নহয় তোৰ লগত, তই সকলো গুৰুত্বপূৰ্ণ কথাবোৰ পাহৰা কিয় দাদা।
মিষ্টাৰ ৰায়চৌধুৰী ঃ হেৰো, নাচি-বাগি ফুৰিচ' তই, প্ৰস্তুতি চলাই আছ' তই, আৰু পাহৰিলোঁ হেনো কিবা মইহে।
তৰা ঃ ধেৎ তেৰি, কাইলৈ যে তোৰ সম্বৰ্ধনা অনুষ্ঠানটি আছে, পাহৰিলি নেকি ? সেই অনুষ্ঠানটিৰ আৰম্ভণি মোৰ এই ডেন্সটোৰে হ'ব। কি জান', তোক কথা কোৱা মানে গছৰ আগত কথা কোৱাৰ নিচিনা, বুজিছ' ?
মিষ্টাৰ ৰায়চৌধুৰী ঃ ওহো ! কথা এইটোহে মানে। এইইমানবোৰ কামৰ ব্যস্ততাৰ মাজত মই পাহৰিয়ে থাকিলো যা,
তৰা ঃ হুম ! শুনিছোঁ প'লিটিচিয়ান মানুহৰ কথা হেনো খুব কমকৈয়ে মনত থাকে। হয়নে দাদা ?
মিষ্টাৰ ৰায়চৌধুৰী ঃ এ থ' থ' তোৰ কথা। মই এনেও এই সম্বৰ্ধনা অনুষ্ঠানবোৰ খুব এটা ভাল নাপাও। ইমান মানুহৰ মাজত থাকি মোৰ মূৰ একেবাৰে গৰম হৈ যায়। কিয় যে মোক মাতি থাকে নহয়।
তৰা ঃ তই ভাল নাপালে কি হ'ল, তোক যে মানুহবোৰে বৰ ভাল পায় ! এতিয়া ভাল কাম কৰিলে ভাল ফলটো পাবিয়ে। হুম !
(এনেতে দাদাকৰ ফোন আহে। ফোনত কথা পাতি পাতি সি ব্যস্ত হৈ যায়, তৰাই তাক মাতিব ধৰে কিন্তু তাইৰ কথাত সি বিশেষ গুৰুত্ব নিদি তাইক ভিতৰলৈ যাবলৈ কয়)
তৰা ঃ দাদা, ঐ দাদা, শুনছোন দাদা ও...
মিষ্টাৰ ৰায়চৌধুৰী ঃ ভন্টী তই ভিতৰলৈ যা। তোৰ যি কৰিবলগীয়া আছে ভিতৰত গৈ কৰগৈ যা।
তৰা ঃ কিন্তু দাদা, শুনচোন
মিষ্টাৰ ৰায়চৌধুৰী ঃ তোক ভিতৰলৈ যাবলৈ কৈছোনে যা ! আৰু শুন, মই নমতালৈকে ৰুমৰ পৰা বাহিৰ ওলাই নাহিবি। যা...
(তৰাৰ প্ৰস্থান...ৰায়চৌধুৰীয়ে আকৌ ফোনত কথা পাতিবলৈ আৰম্ভ কৰে। কিছু সময় কথা পতাৰ পিছতে, ইন্সপেক্টৰ MS বৰুৱা আৰু MS শইকীয়া সোমাই আহে)
MS বৰুৱা ঃ সোমাব পাৰিমনে ছাৰ? MS শইকীয়া সোমাই আহক।
মিষ্টাৰ ৰায়চৌধুৰী ঃ Can I help you Inspector ?
MS শইকীয়া ঃ কি হ'ল, ভয় খালে নেকি? হুম... মই অহাৰ কাৰণে আপুনি খুব এটা ভাল পোৱা নাই হয়নে ?
মিষ্টাৰ ৰায়চৌধুৰী ঃ যি ক'ব লগা আছে সোনকালে কওক।
MS বৰুৱা ঃ আপোনাৰ তাত এতিয়ালৈকে কোনোধৰণৰ ফোন, মেইল, মেছেজ একো এটা নাই। আচৰিত !
মিষ্টাৰ ৰায়চৌধুৰী ঃ আপুনি এইবোৰ কি কৈ আছে MS

বৰুৱা ! ঘূৰাই পকাই কথা কৈ মই খুবেই বেয়া পাওঁ, যি ক'ব আহিছে, চিধা-চিধিকৈ কওঁক।

MS শইকীয়া ঃ আপুনি ইমান অধৈৰ্য্য হৈছে কিয় ! অলপ শান্ত হওঁক।

মিষ্টাৰ ৰায়চৌধুৰী ঃ আপোনাৰ এই ফাল্টু কথা শুনাৰ মোৰ সময়ও নাই ধৈৰ্য্যও নাই। যদি ক'ব ইচ্ছা আছে ক'ব পাৰে, নহ'লে কিন্তু খোলা আছে ইন্সপেক্টৰ।

MS বৰুৱা ঃ মুখ চম্ভালি কথা ক'ব মিষ্টাৰ ৰায়চৌধুৰী। আপোনাৰ অভদ্ৰামি কথা শুনিবলৈ আমি ইয়ালৈ অহা নাই।

মিষ্টাৰ ৰায়চৌধুৰী ঃ (বাৎসল্যতাৰে) Ok Sorry Ma'am come to the paint please.

MS শইকীয়া ঃ মিষ্টাৰ ৰায়চৌধুৰী, আপোনাৰ সকলোতকৈ ভাল Criminal Partner জনক এৰেষ্ট কৰা হৈছে। আপুনি কি ভাবিছিলে, ইমান সহজে হাত সৰি যাব।

মিষ্টাৰ ৰায়চৌধুৰী ঃ (হাঁহে) ইন্সপেক্টৰ, আপোনালোকে চাহ খাব নেকি ?

MS শইকীয়া ঃ Sorry !

মিষ্টাৰ ৰায়চৌধুৰী ঃ Then Soft drink !

MS বৰুৱা ঃ What Nonsense ! খোলা-খুলিকৈ নকয় কিয়, আপুনি ভয় খাইছে, ভয় খাইছে আপুনি এৰেষ্ট হ'ব বুলি।

মিষ্টাৰ ৰায়চৌধুৰী ঃ (অভিনয়) বাইদেউ মোক ক্ষমা কৰি দিয়ক, মোক শাস্তি নিদিব বাইদেউ, মোক এৰি দিয়ক...মোৰ ভন্টীৰ কি হ'ব বাইদেউ...

(হাঁহিবলৈ ধৰে)...

এনেকৈয়ে কম বুলি ভবা নাছিলেতো ইন্সপেক্টৰ। এৰেষ্ট কৰিব ! আপোনালোকে মিষ্টাৰ ৰায়চৌধুৰীক এৰেষ্ট কৰিব ! (হাঁহে)

MS শইকীয়া ঃ You are a villian Mr. ৰায়চৌধুৰী You are a villian. (উচ্চস্বৰত চিঞৰি কয়)

মিষ্টাৰ ৰায়চৌধুৰী ঃ Oh ! I am Inspector I am...

MS বৰুৱা ঃ মিষ্টাৰ ৰায়চৌধুৰী, এতিয়ালৈকে দহ জনতকৈ অধিক মানুহক আপুনি হত্যা কৰিছে, পোন্ধৰ জনতকৈ অধিক মানুহ এতিয়াও আপোনাৰ তাত বন্দী হৈ আছে, আৰু কিমান কি কৰিব বুলি ভাবিছে আপুনি ?

মিষ্টাৰ ৰায়চৌধুৰী ঃ অ' এতিয়ালৈকে মই দহ জনতকৈও অধিক মানুহক হত্যা কৰিছোঁ, পোন্ধৰ জনতকৈ অধিক মানুহ এতিয়াও মোৰ তাত বন্দী হৈ আছে। কি কৰিব আপোনালোকে ? যি সকল দোষীক আপোনালোকৰ আইন ব্যৱস্থাই শাস্তি দিয়া উচিত, সেইসকলক আনি মই নিজ হাতেৰে শাস্তি দি আছো। কিয় ইন্সপেক্টৰ ?

MS শইকীয়া ঃ আপুনি আইন হাতত তুলি ল'ব নোৱাৰে, এই সকলোবোৰ Illegal.

মিষ্টাৰ ৰায়চৌধুৰী ঃ যদি মই কৰা কামবোৰ illegal তেন্তে legally আপোনালোকে কি কৰি আছে ? এজন দোষীয়ে কৰা প্ৰতিটো সৰু-ডাঙৰ অপৰাধৰ কথা অবগত হোৱা স্বত্বেও সেই দোষীক শাস্তি দিয়াৰ কাৰণে আপোনালোকক সময়ৰ ওপৰত সময়ৰ প্ৰয়োজন হয়। আইন-ব্যৱস্থাৰ হাতত পৰ্যাপ্ত পৰিমাণৰ তথ্য থকাৰ পিছতো এজন অপৰাধীক শাস্তি দিয়াৰ কাৰণে ইমান সময়ৰ প্ৰয়োজন কিয় হয়, Inspector.

MS বৰুৱা ঃ Justice hurrical is Justice burried Mr. ৰায়চৌধুৰী। কিছুমান কামৰ বাবে সময়ৰ প্ৰয়োজন হয়। মনত ৰাখিব।

মিষ্টাৰ ৰায়চৌধুৰী ঃ Justice delyed is Justice denicl দেৰিকৈ ন্যায়, ন্যায় নোপোৱাৰ সমানেই। কথাষাৰ আপুনিও মনত ৰাখিব Inspector.

MS শইকীয়া ঃ আপুনি, বেছি উত্তেজিত হৈছে Mr... অলপ সুস্থ মগজুৰে ভাবি চিন্তি চাওক, আপুনি কি পথ অৱলম্বন কৰিছে।

মিষ্টাৰ ৰায়চৌধুৰী ঃ এজন খলনায়ক হৈ মানুহে কেতিয়াও জন্মগ্ৰহণ নকৰে ইন্সপেক্টৰ। আপুনি হয়তো মোৰ জীৱন কাহিনী নাজানে।

MS বৰুৱা ঃ আপোনাৰ জীৱন গাঁথা শুনাৰ মোৰ ইচ্ছাও নাই। Come to the point Mr. ৰায়চৌধুৰী। জন্মগতভাৱে কোনোবা খলনায়ক হওক বা নহওক অপৰাধী সদায় অপৰাধীয়ে।

মিষ্টাৰ ৰায়চৌধুৰী ঃ আহ !...মই কোনো অপৰাধী নহয় ইন্সপেক্টৰ, মই মাথো সেইসকল মানুহক ন্যায় প্ৰদান কৰোঁ, যাক ন্যায় দিয়াত আপোনালোকৰ আইন ব্যৱস্থা ব্যৰ্থ হয়।

MS শইকীয়া ঃ আপুনি কোনো কাৰণতে আইন হাতত তুলি ল'ব নোৱাৰে মিষ্টাৰ ৰায়চৌধুৰী, আপুনি বাৰে বাৰে

আইন ভংগ কৰি আছে।

মিষ্টাৰ ৰায়চৌধুৰী ঃ মই কোনো আইন ভংগ কৰা নাই, আইনখন Already ভঙা Inspector

MS বৰুৱা ঃ আপুনি কি ক'ব বিচাৰিছে?

মিষ্টাৰ ৰায়চৌধুৰী ঃ (হাঁহে) যেতিয়া আমাৰ আইন ব্যৱস্থা সূচাৰুৰূপে পৰিচালিত হ'ব, যেতিয়া প্ৰতিগৰাকী সৰু ডাঙৰ অপৰাধীয়ে সঠিক সময়ত শাস্তি পাব, তেতিয়া মোৰ দৰে মানুহৰ এইখন সমাজত কোনো প্ৰয়োজন নাথাকিব, কিন্তু তেতিয়ালৈকে মই এনেদৰেই কাম কৰি যাম।

MS শইকীয়া ঃ আইনতকৈ ডাঙৰ কোনো হ'ব নোৱাৰে

মিষ্টাৰ ৰায়চৌধুৰী। হয়, আমাৰ আইনখন কিছু পৰিমাণে লেহেমীয়া মানিছো। কিন্তু এনেকুৱা কোনো এজন অপৰাধী নাই যাক আইন ব্যৱস্থাই শাস্তি প্ৰদান কৰা নাই।

মিষ্টাৰ ৰায়চৌধুৰী ঃ লেহেমীয়া আইন ব্যৱস্থাৰ এক জ্বলন্ত উদাহৰণ জানো মইয়েই নহয় ইন্সপেক্টৰ। (হাঁহে)

(পুলিচ যোৱাৰ পিছত মিষ্টাৰ ৰায়চৌধুৰী তাৰ লগৰ কোনোবাক ফোন কৰে, আৰু এক অতি উত্তপ্ত কথোপকথন আৰম্ভ কৰে)

মিষ্টাৰ ৰায়চৌধুৰী ঃ ইমান সাৱধানেৰে কাম কৰাৰ পিছতো সি ধৰা কেনেকৈ পৰিলে! তহঁতে কি শুই আছিলি?

বন্ধু ঃ ছাৰ আমি সকলোবোৰ ভালদৰে কৰিছিলোঁ কিন্তু...

মিষ্টাৰ ৰায়চৌধুৰী ঃ চুপ! আৰু এটা শব্দও উচ্চাৰণ নকৰিব।

বন্ধু ঃ ছাৰ, মই আপোনাক কৈছিলোঁ সি এদিন সকলো শেষ কৰি পেলাব

মিষ্টাৰ ৰায়চৌধুৰী ঃ ২৪ ঘন্টা, মাথোঁ ২৪ ঘন্টা। ২৪ ঘন্টাৰ ভিতৰত যদি তই তাক ধৰা পেলাব নোৱাৰ তোক কাটি পেলাম।

বন্ধু ঃ (ভয়তে) চাৰ... ৰ'বকচোন ... চাৰ (ফোনটো কাটি দিয়ে)

MS বৰুৱা ঃ দোষীয়ে শাস্তি পাবই লাগিব। এদিন আপুনিয়ো পাব মিষ্টাৰ ৰায়চৌধুৰী। অপেক্ষা মাথোঁ কিছু ক্ষন্তেক সময়ৰহে! "Just Wait and Watch"...

(MS শইকীয়া আৰু MS বৰুৱা যাবলৈ ওলায়, কিন্তু মিষ্টাৰ ৰায়চৌধুৰী কিবা ক'বলৈ আৰম্ভ কৰে)

মিষ্টাৰ ৰায়চৌধুৰী ঃ ৰ'ব ইন্সপেক্টৰ, মোৰ ঘৰৰ পৰা কিছু দূৰ আগুৱাই গৈ সোঁহাত অৰ্থাৎ Right side ত এখন ফিল্ড দেখা পাব। তাত দেখিব ফুলেৰে সু-সজ্জিত এখন মঞ্চ। তাৰে কাষত হেজাৰ হেজাৰ মানুহৰ ভিৰ। কাৰণ অহা কালি মোক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে তাত এটি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গতিকে সেই অনুষ্ঠানটিত আপোনালোক সকলোৰে আহিব বুলি মই আশাবাদী... (হাঁহে)

আপোনালোক যাব পাৰে ইন্সপেক্টৰ। বহু ৰাতিয়েই হ'ল... আকৌ লগ পাম বুলি মই বিশ্বাসী ...(প্ৰস্থান)

শেষত

(ফোনত হোৱা এই সকলোবোৰ কথা তাৰ ভন্টীয়ে শুনা পায়, ভন্টীয়ে সকলোবোৰ শুনি আচৰিত হৈ থৰ হৈ তাৰ পিনে চাই ৰয়। প্ৰথমে ককায়েকে তাই শুনা গম নাপায়, কিন্তু পিছত তাইক দৰ্জাৰ ওচৰত দেখি হতবম্ব হৈ ৰয়...দুয়োৱে দুয়োৰ চকুৰ পিনে থৰ হৈ চাই ৰয়।)

নাটখন লিখাৰ উদ্দেশ্য——

আজিৰ সময়ত আমাৰ আইন ব্যৱস্থাক লৈ বহুতেই বহুতো মন্তব্য প্ৰদান কৰে। সেই আইন ব্যৱস্থা আৰু মানুহৰ ভিন্ন মতামতৰ ওপৰতে এই একাংকিকা নাটখনৰ কাহিনীটো লিখি উলিওৱা হৈছে।


আমাৰ আইন ব্যৱস্থা কিছুক্ষেত্ৰত বহু পৰিমানে লেহেমীয়া কথাষাৰ অপ্ৰিয় হ'লেও সত্য। যাৰ ফলত সমাজৰ বহু ব্যক্তিয়ে নিজেই আইন হাতত তুলি ল'বলৈ অকলে কুণ্ঠাবোধ নকৰে। কিন্তু এই কথাটো বুজিবলৈ চেষ্টা নকৰে যে, আইন সদায় আইন, আইনতকৈ কোনো কেতিয়াও এটি ডাঙৰ হ'ব নোৱাৰে।

সমাজৰ এজন খলনায়ক আৰু আইন বিষয়াৰ মাজৰ এক সৰু কথোপকথন এই নাটখনৰ জৰিয়তে আগবঢ়োৱা হৈছে, য'ত তেওঁলোকে নিজৰ নিজৰ মতামত যুক্তি সহকাৰে দাঙি ধৰিছে।

নাটখনৰ শেষত, খলনায়ক জনৰ কি হ'ল, কেনেকুৱা শাস্তি পালে, তাক এক ৰহস্যময় ৰূপেৰে সমাপ্ত কৰা হৈছে। ●



# সাক্ষাৎকাৰ



# পাটনা IITৰ ৰসায়ন বিভাগৰ সহকাৰী অধ্যাপক ড° জগদীশ দাসৰ সৈতে এটি সাক্ষাৎকাৰ



**সাক্ষাৎ গ্ৰহণ কৰোঁতাঃ ড° সঞ্জীৱ দেউৰী**
সহযোগী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ

ড° জগদীশ দাস এগৰাকী বিশিষ্ট ৰসায়নবিদ সম্প্ৰতি পাটনা আই. আই.টি. ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক। আমাৰ মহাবিদ্যালয়ত ২০০৯ চনৰ পৰা ২০১২ চনলৈ ৰসায়ন বিজ্ঞান বিষয়টো গুৰু বিষয় হিচাপে লৈ স্নাতক শ্ৰেণীত অধ্যয়ন কৰি সফলতাৰে প্ৰথম শ্ৰেণী লাভ কৰে। তেওঁ ৰসায়ন বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে ২০১৪ চনত আই .আই .টি. গুৱাহাটীৰ পৰা। অধ্যাপক দেৱাশিস বেনাৰ্জীৰ তত্বাৱধনাত গৱেষণা কৰি ২০১৯ চনত আই. আই. টি. ৰুৰকিৰ পৰা পি এইচ.ডি. উপাধি অৰ্জন কৰে। ডক্টৰেট ডিগ্ৰী আহৰণৰ পিছত ড° দাসে ২০২০ চনৰ পৰা ২০২৩ চনলৈ ইজৰাইলৰ টেল আভিভ বিশ্ববিদ্যালয়ৰ স্কুল অব্ কেমিষ্ট্ৰীত পোষ্ট ডক্টৰেট ফেল’ হিচাপে যোগদান কৰি বিশ্বব্যাপী গৱেষণাৰ বহল ক্ষেত্ৰৰ সৈতে পৰিচিত হয় আৰু প্ৰায়োগিক ৰসায়ন বিজ্ঞানৰ প্ৰতি আগ্ৰহী হয়। ভাৰতলৈ উভতি অহাৰ পিছত ২০২৪ চনত আই. আই. টি. পাটনাত ৰসায়ন বিজ্ঞান বিভাগত সহকাৰী অধ্যাপক হিচাপে যোগদান কৰাৰ পূৰ্বে বাংগালুৰুৰ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান (IISC) ৰ মহাকাশ অভিযান্ত্ৰিক বিভাগত DST INSPIRE Faculty হিচাপে ২০২৩-২০২৪ বৰ্ষত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ প্ৰতিভাক বিভিন্ন সন্মানৰ জৰিয়তে স্বীকৃতি দিয়া হৈছে, য’ত আছে SAILIFE-NOST শ্ৰেষ্ঠ গৱেষণা গ্ৰন্থ বঁটা, ২০২০ আৰু শেহতীয়াকৈ ২০২৫ চনত প্ৰধান মন্ত্ৰীৰ Early Career Research Grant। তেখেতৰ গৱেষণাৰ বিষয় সেউজ ৰকেট প্ৰপেলেণ্টৰ পৰা আৰম্ভ কৰি লেজাৰেৰে জ্বলোৱা সামগ্ৰীলৈকে বিস্তৃত। তেওঁৰ গৱেষণাৰ ফলাফল বিশ্বৰ আগশাৰীৰ আলোচনী কেমিকেল ইঞ্জিনিয়াৰিং জাৰ্নেল, অৰ্গেনিক লেটাৰছ, আৰু কেমিকেল কমিউনিকেচনছ আদিত প্ৰকাশ পাইছে।

এই সাক্ষাৎকাৰটো যুগুতাইছে মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° সঞ্জীৱ দেউৰীয়ে। —সম্পাদক

● তোমাৰ স্কুলীয়া শিক্ষাৰ বিষয়ে কোৱাচোন। সেই সময়ৰ কিবা স্মৰণীয় অভিজ্ঞতা বা শিক্ষকসকলৰ কথা।

❖ মোৰ স্কুলীয়া দিনবোৰ অনেক স্মৃতিৰে ভৰি আছে, তাৰ পৰা মাত্ৰ এটা বা দুটা স্মৃতিচাৰণ কৰাটো বৰ প্ৰত্যাহ্বানজনক। মই ২০০১ চনত মাণিকপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰিছিলোঁ, য’ত মই পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈকে গঢ়মানৰ ছাত্ৰ আছিলোঁ। সপ্তম শ্ৰেণীত উপনীত হোৱাৰ লগে লগে শুনিলোঁ যে চূড়ান্ত পৰীক্ষাত ৮০% ৰ ওপৰত নম্বৰ পালে বঁটা লাভ কৰিব পাৰি। ইয়াৰ দ্বাৰা অনুপ্ৰাণিত হৈ মই ভালদৰে পঢ়া-শুনাত লাগি গ’লোঁ; ৮০% তকৈ অলপ বেছি নম্বৰ লাভ কৰিলোঁ ; যদিও মই আশা কৰা নাছিলোঁ- শ্ৰেণীৰ ভিতৰত দ্বিতীয় স্থান পালোঁ। কেতিয়াও মোৰ লক্ষ্য প্ৰথম বা দ্বিতীয় স্থান লাভ কৰাটো নাছিল, বৰঞ্চ মই বঁটা এটাহে নিশ্চিত কৰিব বিছাৰিছিলোঁ। পিছত গম পালোঁ যে

আচলতে তেনে কোনো বঁটাই নাছিল, যিটো মোৰ কাৰণে আছিল অত্যন্ত হতাশাজনক। অৱশ্যে এই অভিজ্ঞতাই মোৰ শৈক্ষিক দিশৰ প্ৰতি দৃষ্টিভংগী সলনি কৰি পেলালে। পৰৱৰ্তী শ্ৰেণীত আমাক দুটা শাখাত ভাগ কৰিলে আৰু মই খ-শাখাৰ ৰোল নং ১ লাভ কৰিলোঁ। নৱম শ্ৰেণীলৈকে মই শ্ৰেণীৰ ভিতৰত প্ৰথম স্থানত থাকিলোঁ আৰু দশম শ্ৰেণীতো প্ৰথম স্থান বজাই ৰাখিলোঁ। শৈক্ষিক দিশৰ বাহিৰেও মই সক্ৰিয়ভাৱে খেলা-ধূলা, তৰ্ক, কুইজ আৰু অন্যান্য পাঠ্যক্ৰমৰ বাহিৰৰ কাম-কাজত জড়িত হৈ পৰিলোঁ, যিবোৰ সঁচাকৈয়ে উপভোগ্য আছিল।

● দেশ-বিদেশৰ বহু বিখ্যাত প্ৰতিষ্ঠানত পঢ়াৰ অভিজ্ঞতা তোমাৰ আছে। আমাৰ মহাবিদ্যালয়ত পঢ়া দিনবোৰৰ বিষয়ে অলপ কোৱা। সেই সময়ৰ আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ বা শিক্ষাৰ মানদণ্ড কেনেকুৱা আছিল?

❖ পাঠশালাৰ কৃষ্ণকান্ত সন্দিকৈ জুনিয়ৰ কলেজত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ অধ্যয়ন সম্পূৰ্ণ কৰাৰ ঠিক পিছতেই ২০০৯ চনত ৰসায়ন বিজ্ঞান গুৰু বিষয় হিচাপে লৈ এম. চি. কলেজত নামভৰ্তি কৰিলোঁ। মোক বিনামূলীয়াকৈ নামভৰ্তি কৰি দিয়াৰ বাবে এম চি কলেজ প্ৰশাসনৰ ওচৰত মই চিৰ কৃতজ্ঞ, কিয়নো সেই সময়ত মোৰ পৰিয়ালটোৱে আৰ্থিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। শ্ৰদ্ধাৰ দিলীপ কুমাৰ দাস ছাৰক মই বিশেষভাৱে ধন্যবাদ জনাইছোঁ—এই কাম সম্ভৱ কৰি তোলাত তেওঁৰ অপৰিসীম সহায়ৰ বাবে। ৰসায়ন বিজ্ঞান বিভাগত জ্যেষ্ঠ আৰু যুৱ অধ্যাপকৰ মিশ্ৰণ আছিল, তেওঁলোক সকলোৱে আমাক মূল্যৱান জ্ঞান প্ৰদান কৰিছিল। গুৰু বিষয়ত খুব কম সংখ্যক ছাত্ৰ-ছাত্ৰী থকাৰ বাবে শ্ৰেণীবোৰ ব্যক্তিগত টিউচনৰ দৰে অনুভৱ হৈছিল। ৰসায়ন বিজ্ঞান বিভাগৰ বাহিৰেও আন বিভাগসমূহেও শৈক্ষিক ফলাফল আৰু কৃতিত্বৰ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাই সমগ্ৰ মহাবিদ্যালয়খনতে এক সুস্থ, প্ৰতিযোগিতামূলক পৰিৱেশ গঢ়ি তুলিছিল।

● আই .আই. টি. (আই. আই .টি. গুৱাহাটীত এম. এছচি. আই. আই. টি ৰূৰকীত পিএইচ. ডি.) ত উচ্চ শিক্ষা গ্ৰহণ কৰাৰ প্ৰেৰণা ক'ৰ পৰা পাইছিলা?

❖ আই. আই. টি. ভাৰতৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান। আই.আই.টি.ৰ প্ৰৱেশ পৰীক্ষাৰ প্ৰস্তুতি কৰাৰ সময়ত দেশত মাত্ৰ সাতখন আই.আই.টি. আছিল। নামভৰ্তি নিশ্চিত কৰাটো অতি প্ৰতিযোগিতামূলক আছিল যদিও বি. এছচি.ৰ প্ৰথম বছৰৰ পৰাই মই আই. আই. টি.ত যোগদান কৰিবলৈ বদ্ধপৰিকৰ আছিলোঁ। ভাৰতৰ উত্তম শিক্ষা লাভৰ হেঁপাহে মোৰ এই সন্মানীয় শিক্ষানুষ্ঠানসমূহৰ ভিতৰত এখনত পঢ়াৰ উচ্চাকাংক্ষাক ইন্ধন যোগাইছিল।

● ছাত্ৰ জীৱনত এনেকুৱা কোনো বিশেষ প্ৰত্যাহ্বান আছিলনে, যিয়ে তোমাৰ কেৰিয়াৰৰ সবল ভিত্তি গঢ়ি তোলাত সহায় কৰা বুলি তুমি অনুভৱ কৰা?

❖ ছাত্ৰ-ছাত্ৰীসকলে জীৱনত প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো অনিবাৰ্য আৰু মোৰ বাবে আৰ্থিক অসুবিধা আছিল এক উল্লেখযোগ্য বাধা। যদিও মোৰ পৰিয়ালে মোক এই বিষয়বোৰৰ চাপ অনুভৱ কৰিব নিদিছিল, তথাপিও মই নিজকে অহৰহ সোঁৱৰাই থাকিছিলোঁ যে উৎকৃষ্ট হ'ব নোৱাৰিলে তেওঁলোকৰ কষ্টোপাৰ্জিত ধন অপচয় হ'ব। যিহেতু কলেজে মোক বিনামূলীয়াকৈ নামভৰ্তিৰ সুবিধা দিছিল, সেয়েহে প্ৰতিষ্ঠানটোক গৌৰৱান্বিত কৰিবলৈ মই কিবা এটা উল্লেখযোগ্য সাধন কৰিবলৈ প্ৰেৰণা পাইছিলোঁ।

● তোমাৰ গৱেষণা সেউজীয়া ৰকেট প্ৰপেলেণ্টৰ পৰা আৰম্ভ কৰি লেজাৰেৰে জ্বলোৱা সামগ্ৰীলৈকে। এই গৱেষণা ক্ষেত্ৰখনৰ প্ৰতি কেনেকৈ আগ্ৰহী হ'লা সেই বিষয়ে ক'ব পাৰিবানে?

❖ গৱেষণাৰ এই ক্ষেত্ৰখন আকৰ্ষণীয়। কিয়নো ইয়াত ৰসায়ন বিজ্ঞান আৰু মহাকাশ অভিযান্ত্ৰিকবিদ্যাৰ সংমিশ্ৰণ ঘটিছে। আজিকালি বাতৰি কাকতত সঘনাই দুসপ্তাহৰ মূৰে মূৰে মহাকাশ অভিযান বা উপগ্ৰহ উৎক্ষেপণৰ বাতৰি প্ৰকাশ পায়। কিন্তু বৰ্তমানৰ প্ৰপালচন ব্যৱস্থাৰ লগত কেইবাটাও পৰিৱেশজনিত সমস্যা জড়িত হৈ আছে। বৰ্তমান আমি ইয়াৰ লগত জড়িত সমস্যাসমূহ সমাধানৰ

চেষ্টা কৰি আছোঁ।

- বিদেশৰ (তেল আভিভ বিশ্ববিদ্যালয়, ইজৰাইল)ৰ তুলনাত ভাৰতৰ গৱেষণাৰ পৰিৱেশ কিমান বেলেগ?

❖ গৱেষণাৰ বাবে লোৱা বিষয়সমূহৰ মাজত বিশেষ পাৰ্থক্য নাই। পাৰ্থক্য মাথোঁ প্ৰায়োগিক গৱেষণাৰ। ভাৰতবৰ্ষত প্ৰায়বোৰ শৈক্ষিক প্ৰতিষ্ঠানেই কেইবাটাও দশক ধৰি মৌলিক বিজ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আজিকালি অৱশ্যে পৰিস্থিতি সলনি হ'বলৈ আৰম্ভ কৰিছে।

- বিদেশত কৰা প'ষ্টডক্টৰেট ডিগ্ৰীৰ অভিজ্ঞতাই তোমাক কেনেদৰে প্ৰভাৱিত কৰিছিল?

❖ পোষ্ট ডক্টৰেট ডিগ্ৰীয়ে মোৰ গৱেষণাক মৌলিক বিজ্ঞানৰ পৰা প্ৰায়োগিক বিজ্ঞানলৈ সলনি কৰি দিলে। মই ভাবোঁ আমি প্ৰায়োগিক বিজ্ঞানৰ ওপৰত অধিক মনোনিৱেশ কৰা উচিত, যিয়ে আমাৰ সমাজৰ দৈনন্দিন জীৱনত অধিক অৰিহণা যোগাব।

- ছাত্ৰৰ পৰা গৱেষক, গৱেষকৰ পৰা অধ্যাপক। এই ক্ষেত্ৰত সহায় কৰা মূল দক্ষতাসমূহ কি আছিল?

❖ মই উল্লেখ কৰিব বিচৰা কেইটামান মূল কথা হ'ল:
(১) সপোন সদায় ডাঙৰ হ'ব লাগে, সম্পূৰ্ণৰূপে সাৰ্থক হয় নে নহয় সেয়া পিছৰ কথা।
(২) নিজৰ সপোন বাস্তৱায়িত কৰিবলৈ কঠোৰ পৰিশ্ৰম অতি প্ৰয়োজনীয়, ইয়াৰ কোনো বিকল্প নাই।
(৩) যাত্ৰাৰ প্ৰতিটো খাপতে ধাৰাবাহিকতা বৰ্তাই ৰখাটো জৰুৰী।
(৪) নিজৰ আগ্ৰহ থকা ক্ষেত্ৰ এখন অনুসৰণ কৰিব লাগে; সময়ৰ ধাৰাৰ সৈতে সলনি হোৱা ক্ষেত্ৰৰ পিছত দৌৰাৰ প্ৰয়োজন নাই।

- প্ৰতিযোগিতামূলক পৰীক্ষা (যেনেঃ JAM, NET, GATE)ৰ বাবে প্ৰস্তুতি চলোৱা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কোৱা। এই পৰীক্ষাবোৰত সফল হোৱাত কি কৌশলে বা কাৰকে তোমাক আটাইতকৈ বেছি সহায় কৰিছিল?

❖ বিশ্ববিদ্যালয়ে পতা নিয়মীয়া পৰীক্ষাবোৰ আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশ্নবোৰ সাধাৰণতে বস্তুনিষ্ঠ হয়, ভুল উত্তৰৰ বাবে ঋণাত্মক নম্বৰ দিয়া হয়। এনে পৰীক্ষাৰ বাবে বিশেষ ধৰণৰ প্ৰস্তুতিৰ প্ৰয়োজন আছে। মই পৰামৰ্শ দিওঁ যে ছাত্ৰ-ছাত্ৰীসকলে যিমান পাৰি সিমান প্ৰশ্ন সমাধানৰ অভ্যাস কৰক আৰু স্বতন্ত্ৰভাৱে নিয়মীয়াকৈ মক্ টেষ্ট দিয়ক। কোনো এটা প্ৰশ্নৰ উত্তৰটোৰ বিষয়ে সম্পূৰ্ণ নিশ্চিত নহ'লে তেনেকুৱা প্ৰশ্ন এৰি থৈ অহাই ভাল।

- বহু ছাত্ৰ-ছাত্ৰীয়ে ঔদ্যোগিক ক্ষেত্ৰ আৰু শৈক্ষিক ক্ষেত্ৰৰ মাজৰ পৰা এটা ক্ষেত্ৰ বাছি ল'ব লগা হয়। কি কি কাৰণে তুমি শৈক্ষিক ক্ষেত্ৰখন বাচি ল'লা?

❖ মই মূলতঃ এটা শৈক্ষিক কেৰিয়াৰ বাছি লৈছিলোঁ। কিয়নো ইয়াত নতুন ধাৰণা অন্বেষণ কৰাৰ স্বাধীনতা আছে, উদ্ভাৱনীমূলক গৱেষণা চলোৱাৰ স্বাধীনতা আছে, লগতে অজ্ঞাত বিষয় এটাত কোনো বাধা নোহোৱাকৈ গভীৰভাৱে সোমাই যোৱাৰ সুবিধা আছে। আজিৰ উদ্যোগসমূহেও গৱেষণাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যদিও তেওঁলোকে সাধাৰণতে কিছুমান নিৰ্দিষ্ট সমস্যা সমাধানৰ ওপৰত অধিক মনোনিৱেশ কৰে।

- স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীসকলে শক্তিশালী কেৰিয়াৰ গঢ়ি তুলিবলৈ গৱেষণা প্ৰকল্প আৰু ইন্টাৰ্নশ্বিপৰ ক্ষেত্ৰত কেনেদৰে আগবাঢ়িব লাগে?

❖ স্নাতক শ্ৰেণীত পঢ়ি থকাৰ সময়ত গৱেষণাৰ ক্ষেত্ৰ নিৰ্বাচন কৰাটো হয়তো প্ৰত্যাহ্বানমূলক হ'ব। তথাপি ছাত্ৰ-ছাত্ৰীসকলক গৱেষণাৰ ক্ষেত্ৰ বাছনি কৰাত সহায়ক হোৱাকৈ কিছু পৰামৰ্শ আগবঢ়াব বিচাৰিছোঁ—
(১) তোমাৰ বিষয়টোত সমসাময়িক ট্ৰেণ্ডৰ শীৰ্ষত থকা ১০ টপিক বিচাৰি উলিওৱা।
(২) তোমাৰ পছন্দ এটা বা দুটা বিষয়লৈ সংকুচিত কৰা, যি দুটা বিষয়ৰ প্ৰতি তোমাৰ আগ্ৰহ সৰ্বাধিক।
(৩) নিৰ্বাচিত বিষয়টোত সক্ৰিয়ভাৱে কাম কৰা প্ৰতিষ্ঠানসমূহ চিনাক্ত কৰা।
(৪) বিভাগীয় কাৰ্যসূচীৰ জৰিয়তে এই প্ৰতিষ্ঠানসমূহ ভ্ৰমণ কৰাৰ সুযোগসমূহ অন্বেষণ কৰা

বা তেওঁলোকে আয়োজন কৰা বৈজ্ঞানিক অনুষ্ঠানত অংশগ্ৰহণ কৰা। এনে কাৰ্যসূচীৰ বিষয়ে জানিবলৈ প্ৰতিষ্ঠানটোৰ সংশ্লিষ্ট বিভাগসমূহৰ ৱেবছাইটসমূহ নিয়মিতভাৱে চাই থাকা।

(৫) এটা প্ৰভাৱশালী ৰিজ্যুম তৈয়াৰ কৰা (টেমপ্লেট অনলাইনত উপলব্ধ) আৰু ইয়াত তুমি অংশগ্ৰহণ কৰা সকলো বৈজ্ঞানিক কাৰ্য্যসূচী আৰু অনুষ্ঠানৰ ওপৰত আলোকপাত কৰা।

● তুমি IISc Bangalore ৰ DST Inspire Faculty ৰ পৰা IIT Patna ৰ Assistant Professorship লৈ গুচি আহিলা। শৈক্ষিক চাকৰিৰ সাক্ষাৎকাৰ আৰু অধ্যাপক বাচনিৰ বাবে নিজকে কেনেকৈ প্ৰস্তুত কৰিছিলা?

❖ তলত দিয়া কথাবোৰত মই গুৰুত্ব দিলোঁ-

(১) সঠিক উপস্থাপন শৈলী;

(২) সাক্ষাৎকাৰৰ সময়ত অতিমাত্ৰা চতুৰতা দেখুওৱাৰ পৰা বিৰত থকা;

(৩) নিজৰ আগ্ৰহৰ গৱেষণা-ক্ষেত্ৰ আৰু পাঠদান কৰা বিষয়ৰ ওপৰত গভীৰ জ্ঞান আহৰণ কৰা

● আমাৰ মহাবিদ্যালয়ত বৰ্তমান স্নাতক পাঠ্যক্ৰমত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি তোমাৰ পৰামৰ্শ কি হ'ব?

❖ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ পৰামৰ্শ — "চৌপাশৰ বহু কথাই (distractions) তোমালোকৰ কেৰিয়াৰ গঢ়াৰ পথটোৰ পৰা বিচ্যুত কৰিব পাৰে, দৃঢ়তাই সফলতা লাভৰ মূল চাবিকাঠি। এটা দুটা সাময়িক বিফলতাই তোমাক সামগ্ৰিকভাৱে বিফল বুলি সংজ্ঞায়িত নকৰে। তোমাৰ ব্যৰ্থতাৰ কাৰণ চিনাক্ত কৰা, ইয়াক সমাধানৰ চেষ্টা কৰা, একেবোৰ ভুলৰ পুনৰাবৃত্তি নকৰিবা। নিজৰ অধ্যয়নত মনোনিৱেশ কৰা। বৈজ্ঞানিক আলোচনী পঢ়া যেনেঃ চাইন্স ৰিপ'ৰ্টাৰ বা আইন তেনে আলোচনী, যিয়ে তোমাক বিজ্ঞানৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে অৱগত কৰি থাকিব।"

● ভাৰতত ৰসায়ন বিজ্ঞানৰ গৱেষণাৰ ভৱিষ্যৎ কেনেকুৱা? ছাত্ৰ-ছাত্ৰীসকলে নিজকে কেনেকৈ সাজু কৰিব লাগিব?

❖ মই আগতে উল্লেখ কৰিছোঁৱেই যে ভাৰতত প্ৰায়োগিক ৰসায়ন বিজ্ঞানৰ ক্ষেত্ৰখন দ্ৰুতগতিত বৃদ্ধি পাব ধৰিছে। ইয়াৰ উপৰিও বেছিভাগ শৈক্ষিক শাখাই ক্ৰমান্বয়ে আন্তঃশাখাৰ (interdisciplinary) ৰূপ লৈছে। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দিওঁ যে তেওঁলোকৰ শিক্ষণ কেৱল ৰসায়ন বিজ্ঞানত সীমাবদ্ধ নাৰাখি আনুষংগিক ক্ষেত্ৰসমূহো অন্বেষণ কৰক। উদাহৰণস্বৰূপে, যদি তুমি ঔষধি ৰসায়ন বিজ্ঞানত অধ্যয়ন কৰাৰ লক্ষ্য ৰাখিছা, তেন্তে জৈৱ ৰসায়ন আৰু প্ৰাসংগিক জৈৱিক প্ৰক্ৰিয়া আৰু পৰীক্ষা-নিৰীক্ষাবোৰৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ চেষ্টা কৰা।

● শৈক্ষিক কাম-কাজৰ বাহিৰে আজৰি সময়ত কি কৰি ভাল পোৱা?

❖ আজৰি সময়ত বিজ্ঞান আলোচনী আৰু অসমীয়া উপন্যাস পঢ়ি ভাল লাগে। মোৰ ৰন্ধা-বঢ়াৰ প্ৰতিও আকৰ্ষণ আছে।

● আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে তোমাৰ আটাইতকৈ স্মৰণীয় মুহূৰ্তটো কি আছিল?

❖ এটা স্মৰণীয় মুহূৰ্ত আছিল— কলেজ সপ্তাহত ভলীবল চেম্পিয়ন হোৱা।

● শৈক্ষিক যাত্ৰাত তোমাক কোনে আটাইতকৈ বেছি অনুপ্ৰাণিত কৰিছিল?

❖ প্ৰথম শ্ৰেণীৰ পৰা পিএইচ. ডি. গৱেষণালৈকে প্ৰতিজন শিক্ষকে মোৰ শৈক্ষিক যাত্ৰা গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে, আৰু তেওঁলোকৰ পথ প্ৰদৰ্শন আৰু উৎসাহৰ বাবে মই গভীৰভাৱে কৃতজ্ঞ। মোৰ পৰিয়ালটোৰ সহায়-সমৰ্থন মই সদায় পাই আহিছোঁ। তেওঁলোকে সকলো প্ৰত্যাহ্বানৰ সময়তেই মোৰ কাষত থিয় দিছে। ইয়াৰ উপৰিও প্ৰখ্যাত বিজ্ঞানী আৰু বিশ্ব-নেতাসকলৰ সংগ্ৰাম আৰু সফলতাৰ বিষয়ে পঢ়ি মই প্ৰেৰণা লাভ কৰোঁ।

● শৈক্ষিক আৰু গৱেষণা উভয় ক্ষেত্ৰতে তোমাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

❖ ধন্যবাদ ছাৰ।●

# বৰপেটাৰ সু-সন্তান মনোজ কুমাৰ দাসৰ লগত টেলিফোন যোগে হোৱা বাৰ্তালাপ

সাক্ষাৎকাৰৰ/আঁত ধৰোতা —

**ভৃগুজ্যোতি বায়ন**


ষষ্ঠ ষাণ্মাসিক

**আৰিফ হুছেইন**

সাহিত্য আৰু সুকুমাৰ কলা সম্পাদক

**ছাবিৰ হুছেইন খান**

চতুৰ্থ ষাণ্মাসিক



ভৃগু — নমস্কাৰ গ্ৰহণ কৰিব। মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ সম্পাদকীয় সমিতিৰ ফালৰ পৰা প্ৰথমতে আপোনাক আমি স্বাগতম জনাইছোঁ। আপোনাৰ সুস্বাস্থ্য কামনা কৰিছোঁ, তাৰ লগতে আপুনি বৰ্তমান যিদৰে সত্ৰীয়া সংস্কৃতিৰ জগতখনত আগবাঢ়ি গৈছে, তাৰ বাবে আমি আপোনাক শুভেচ্ছা আৰু শুভকামনা জনালোঁ।

মনোজ— বহুত বহুত ধন্যবাদ, আপোনালোকৰ বাৰ্তালাপ অনুষ্ঠানটিত অংশগ্ৰহণ কৰি নিজকে কৃতজ্ঞ আৰু সৌভাগ্যবান বুলি অনুভৱ কৰিছোঁ।

ভৃগু— মোৰ কেইবাটাও প্ৰশ্নৰ মাজেৰে আপোনাৰ বিষয়ে অলপ জানিব বিচাৰিছোঁ।

প্ৰশ্ন — এগৰাকী সফল খোলবাদকৰ লগতে সত্ৰীয়া সংস্কৃতিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থকা মনোজ কুমাৰ দাস ডাঙৰীয়াই তেখেতৰ পৰিচয়টো ছাত্ৰ-ছাত্ৰীৰ মাজত কিদৰে দাঙি ধৰিব ?

মনোজ — এই প্ৰশ্নটোৰ উত্তৰত মই দ্বিতীয় বৈকুণ্ঠপুৰী বৰপেটা সত্ৰৰ এজন সেৱক পৰিচয় হিচাপে দিবলৈ ভাল পাম। তাৰ লগতে আমাৰ মহাপুৰুষ গুৰু দুজনাৰ অনুপম সৃষ্টি সত্ৰীয়া-সংস্কৃতিৰ ছাত্ৰ হিচাপে নিজকে পৰিচয় দি আহিছোঁ সমাজত।

ভৃগু — ধন্যবাদ জনাইছোঁ আপোনাক, এতিয়া মোৰ দ্বিতীয়টো প্ৰশ্ন আপোনালৈ এইটো যে — মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পৰা আৰম্ভ হোৱা এই যাত্ৰাৰ পৰা ৰাষ্ট্ৰীয় নাট বিদ্যালয়ৰ সদস্য হোৱালৈকে এই সমগ্ৰ পৰিক্ৰমাটোৰ লগতে আপোনাৰ শৈক্ষিক জীৱনটোৰ কিছু কথা আমি জানিব বিচাৰোঁ।

মনোজ — বিশেষকৈ ২০০৬ চনত ঐতিহ্যমণ্ডিত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ কলা শাখাত

নামভৰ্ত্তি কৰিছিলোঁ। তেতিয়াৰ পৰাই মোৰ জীৱনত এটা বিশেষ দিশ সংযোজিত হৈছে। এই মহাবিদ্যালয়খনৰ পৰা মই সংগীতৰ জগতখনত সোমাই যাব পাৰিছিলোঁ। এই ক্ষেত্ৰত ক'বলৈ গ'লে মাধৱ চৌধুৰী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সংগীত প্ৰতিযোগিতাই হওক, তাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱতেই হওক এই সকলোবোৰ দিশত যোগদান কৰাৰ সুযোগ লাভ কৰিছিলোঁ। ইয়াৰ লগতে মহাবিদ্যালয়ৰ এন. এছ. এছ (NSS) বিভাগত যোগদান কৰিছিলোঁ। তাত অন্তৰ্ভুক্ত হৈ মই ইন্টিগ্ৰেচন (integretion) কেম্প কৰিছিলোঁ। অন্ধ্ৰ ইউনিভাৰছিটিত ২০১১ চনত। তাত সাতদিন আমি থাকি অসমৰ সত্ৰীয়া সংস্কৃতিৰ ওপৰত বক্তৃতা প্ৰদান কৰাৰ লগতে গোটেই দলটোৰ দলপতি হিচাপে নেতৃত্ব প্ৰদান কৰি এক বিশেষ অভিজ্ঞতাৰে পৰিপূৰ্ণ হৈছিলোঁ। তাত অসমৰ বিহু, সত্ৰীয়া নৃত্য, হোলীগীত আদি পৰিৱেশন কৰিছিলোঁ। এই দলটোৰ নেতৃত্ব দিছিলে আমাৰ শ্ৰদ্ধাৰ ইন্দ্ৰজ্যোতি ৰায়চৌধুৰী ছাৰে। তাৰ পিছত আমি লক্ষ্যদ্বীপ গৈছিলোঁ, তাত আমি folk song (জনজাতীয় সংগীত) পৰিৱেশন কৰি প্ৰথম স্থান লাভ কৰিছিলোঁ ২০১৪ চনত। তাৰ পিছত আমি কেৰেলাৰ পাল্লাত মাধৱ চৌধুৰী মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিব গৈছিলো য'ত সত্ৰীয়া সংস্কৃতিৰ ওপৰত ভাষন প্ৰদান কৰিছিলো। এই সকলোবোৰে মোৰ ব্যক্তিগত জীৱনত যথেষ্ট সহায় কৰিছে। তাৰ লগতে মই উল্লেখ কৰিব বিচাৰোঁ মই মাধৱ চৌধুৰী মহাবিদ্যালয়তে অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত বৰপেটাৰ সৰ্থেবাৰীস্থিত "কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ" খোলবাদ্য বিভাগৰ সহকাৰী অধ্যাপক হিচাপে কৰ্মৰত হৈছিলোঁ। ইয়াৰ পিছত "ইন্দিৰা কলা বিশ্ববিদ্যালয়" পৰাও তবলা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিলো। এতিয়া মই ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ সংগীত বিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰি আছোঁ।

ভৃগু — মোৰ তৃতীয়টো প্ৰশ্ন, আমি জনাত বৰ্তমান আপুনি আপোনাৰ কৰ্মজীৱনৰ সৈতে যথেষ্ট ব্যস্ত। আমি আপোনাৰ কৰ্মব্যস্ততা সম্পৰ্কে কিছু কথা জানিব বিচাৰোঁ।

মনোজ — হয়, ইতিমধ্যে মই ক'লোঁ যে মই বৰ্তমান ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ত কৰ্মৰত হৈ আছোঁ, আৰু আমাৰ মূল কামেই হৈছে গোটেই ভাৰতবৰ্ষত, লগতে গোটেই বিশ্বত নাটকসমূহ প্ৰদৰ্শন কৰা। মই নাটকসমূহৰ সংগীতৰ দিশটো নিজেই তত্বৱধান কৰোঁ। জানুৱাৰীৰ ১ তাৰিখৰ পৰা ডিচেম্বৰ ৩০ তাৰিখলৈ আমাৰ নাটকবোৰ ক'ত ক'ত হ'ব সেইবোৰ আমি ঠিক কৰোঁ।

ভৃগু— আপুনি বৰ্তমান ভাৰতৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি আছে, গতিকে সেইবোৰ ঠাইৰ অভিজ্ঞতাবোৰ কেনেকুৱা ?

মনোজ — মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ যি এক অনবৈদ্য সৃষ্টি খোলবাদ্য তাৰ এক বিশেষ স্থান ভাৰতবৰ্ষ। কিন্তু এতিয়া লগতে বিশ্বৰ প্ৰত্যেক ঠাইতে খোলবাদ্যৰ জনপ্ৰিয়তা বৃদ্ধি পাব ধৰিছে। মই ভাৰতৰ লগতে বিশ্বৰ বহুতো ঠাহ এককভাৱে ইয়াক প্ৰদৰ্শন কৰি যথেষ্ট সমাদৰ লাভ কৰিববলৈ সক্ষম হৈছোঁ। গতিকে সেইবোৰ অভিজ্ঞতা যথেষ্ট বেছি আৰু নিজৰ যথেষ্ট পৰিমাণে মনটো ভাল লাগে আৰু এই অভিজ্ঞতাবোৰ সুকীয়া। ২০১৮ চনত University of Columbia মই খোলবাদ্যৰ ওপৰত Lacture and Demostration দিব গৈছিলো যি অভিজ্ঞতাই আজিও মোক পৰিপূৰ্ণ কৰি ৰাখে। য'ত SAARC ৰ Director উপস্থিত আছিল।

ভৃগু — ধন্যবাদ দাদা, মোৰ চতুৰ্থটো প্ৰশ্ন সাংস্কৃতিক আৰু শৈক্ষিক জীৱনত আপোনাৰ কিছু অৱদানৰ বিষয়ে জানিব বিচাৰোঁ। যাৰ দ্বাৰা আমাৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পাৰে।

মনোজ — বিশেষকৈ সাংস্কৃতিক জীৱনত মই এজন সাধাৰণ কৰ্মী হিচাপে কাম কৰি আহিছোঁ। মোৰ ঘৰতো এটা সত্ৰীয়া সংস্কৃতিৰ পৰিৱেশ আছিল। দেউতা, বাইদেউ তিনিজনী, ককা সকলো সাংস্কৃতিক দিশটোৰ লগত জড়িত আছিল। মোৰ জেঠাই বিষ্ণুপ্ৰসাদ ৰাভাৰ সৈতে কাম কৰিছিল। তেনেদৰে সাংস্কৃতিক দিশটোৰ আগ্ৰহ বৃদ্ধি হৈছিল। কিন্তু আনুষ্ঠানিকভাৱে মোৰ শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা আৰম্ভ হয়। অসমৰ প্ৰথম সংগীত নাটক বঁটা লাভ কৰা জগনাথ বায়নৰ তাত মই প্ৰথম খোলবাদ্য শিকোঁ। নৱম মান শ্ৰেণীৰ পৰাই মই বিভিন্ন ঠাইত প্ৰশিক্ষণ দিবলৈ আৰম্ভ

কৰিছিলোঁ। মোৰ মনত এক ভাব হৈছিল যে খোলবাদ্যৰ ওপৰত লিখা-মেলা যথেষ্ট কম হৈছো তেতিয়াই মোৰ মনত এক চিন্তাৰ সঞ্চাৰ ঘটিল, মই দ্বাদশ শ্ৰেণীত থাকোঁতে খোল ওপৰত এখন কিতাপ লিখা আৰম্ভ কৰিলোঁ। বিভিন্ন জনে এই কৰ্মটোৰ বাবে মোক উৎসাহ দিলে। যাৰ ফলত ২০১৪ চনত খোলবিদ্যা নামৰ কিতাপখন প্ৰকাশ কৰিলোঁ। এইখনেই মোৰ প্ৰথম খোল বিদ্যাৰ ওপৰত কিতাপ ৰচনা কৰা। বৰ্তমান কিতাপখনৰ চতুৰ্থ প্ৰকাশন চলি আছে আৰু ঈশ্বৰৰ আশীৰ্বাদত কিতাপখনে যথেষ্ট সমাদৰ লাভ কৰিছে। এইখন কিতাপ মহাবিদ্যালয়, আৰু বিশ্ববিদ্যালয়বোৰত খোল বাদ্যৰ কিতাপ হিচাপে ব্যৱহাৰ হৈছে। UNSCEO ৰ এটা প্ৰজেক্টত এই খোলবাদ্যৰ কথা মই অন্তৰ্ভুক্ত কৰিছোঁ।

ৰাষ্ট্ৰীয় সাংস্কৃতিক মন্ত্ৰালয়ৰ পৰা মই 'Young Artist' বৃত্তি পাইছো। খোলৰ ওপৰত বৰ্তমান মই PHD কৰি আছো। ২০১৬ চনত Academy of Khol বাদ্য নামেই এক প্ৰতিষ্ঠান গঢ় দি ল'ৰা-ছোৱালীবোৰৰ বাবে খোল শিক্ষাৰ ব্যৱস্থা কৰোঁ।

মই এটা কথা ক'বলৈ ভাল পাও যে, অসমৰ লগতে বিশ্বৰ প্ৰায়ভাগ দেশৰ ছাত্ৰ-ছাত্ৰীয়ে মোৰ তাত খোলবাদ্য শিকি আছে। বাংলাদেশ, আমেৰিকা ইত্যাদি। মোৰ এক সপোন আছে বৰপেটাত এখন Cultural village কৰা, যাতে বিদেশৰ পৰা আহি ইয়াত খোলবাদ্য শিকিব পাৰে। এই মূহুৰ্তত এটা কথা মই নিশ্চয় সুঁৱৰিব লাগিব যে বৰপেটাৰ প্ৰাক্তন উপায়ুক্ত থানেশ্বৰ মালাকাৰদেৱে এই ক্ষেত্ৰত মোক যথেষ্ট সহায় কৰিছিল তেখেতে মোক Cultural village নিৰ্মাণৰ বাবে ভূমি প্ৰদান কৰিছিল। যাতে ছাত্ৰ-ছাত্ৰীসকলে ইয়াত থাকি আমাৰ সংস্কৃতিৰ সৈতে চিনাকী হৈ শিকিব পাৰে। মোৰ বাবে এইবাৰৰ এক বিশেষ সৌভাগ্য হ'ল ভাৰতৰ আগশাৰীৰ কণ্ঠ শিল্পী অৰ্জিত সিংৰ সৈতে ভাৰতৰ সাতজন বিখ্যাত সংগীতবৃন্দৰ এক বিশেষ সমাহাৰ যুগলবন্দীৰ সৈতে মইও অসমৰ খোল প্ৰদৰ্শন কৰিলো। এইবোৰেই মোৰ জীৱনৰ আটাইতকৈ মূল্যৱান অভিজ্ঞতা।

ভৃগু — ধন্যবাদ দাদা, আমি সকলোৰেই জ্ঞাত যে আপুনি ৰাষ্ট্ৰীয় পৰ্যায়ত এক বিশেষ বঁটাৰে সন্মানিত হৈছে এই বঁটাটোৰ সৈতে জড়িত কিছু কথা আমাক জনাব নেকি? এনেকুৱা বঁটাৰ সন্মান লাভ কৰিবলৈ উঠি অহা ছাত্ৰ-ছাত্ৰীসকলে কিদৰে সাধনা কৰিব লাগিব। এই ক্ষেত্ৰত আপোনাৰ মন্তব্য কি?

মনোজ — মই উঠি অহা প্ৰজন্মটোক এটা কথা ক'ব বিচাৰো যে, বঁটাৰ পিছত দৌৰিব নালাগে, ভাল কাম কৰিলে বঁটা নিশ্চিতভাৱে পাব।

সাধনা, একাগ্ৰতা আৰু সন্মান এই তিনিটা দিশ লৈ যি কামেই বা যিকোনো কৰ্ম কৰিলে, সেয়া লাগিলে, খেল হওক সংগীত হওক, অধ্যয়ন হওক সফল নিশ্চিতভাৱে হ'ব পৰা যায়, আৰু সপোন এনেদৰে দেখিব লাগে যাতে যি বস্তুৰ প্ৰতি একাগ্ৰতা নাথাকে কিয় সেই বস্তুটো যেন ৰাতি সপোনত দেখা পায়। সাধনা আৰু সাধক এই দুয়োটা শব্দৰে পাৰ্থক্য আছে। মই নিজেও এতিয়া সাধনা কৰি আছো এতিয়াও নিজকে শিল্পী বুলি ক'ব নিবিচাৰো। মই নিজে ২০১৮ চনত সংগীত নাটক বঁটা লাভ কৰিছিলো। এই বঁটা ২৫ বছৰৰ পৰা ৪০ বছৰৰ ভিতৰত দিয়া হয়। তাৰ পিছত CSTR নামৰ যোৰহাটত এক বৈজ্ঞানিক প্ৰতিষ্ঠান আছে তাৰ পৰা মই Academy Encurage বঁটা লাভ কৰিছিলো। নৱৰত্ন বঁটা লাভ কৰিছোঁ, NFIT ৰ পৰা মই youth Icion Award লাভ কৰিছো।

ভৃগু — জানিব পাৰি যথেষ্ট ভাল লাগিল শেষৰটো প্ৰশ্ন মোৰ, আপোনাৰ ভাষাত ছাত্ৰ-ছাত্ৰীৰ বাবে সফলতাৰ মন্ত্ৰ কি হ'ব পাৰে?


মনোজ — মই সংস্কৃতৰ এশাৰী কথা ক'ব বিচাৰোঁ "ছাত্ৰানং অধ্যয়নং তপঃ"। ছাত্ৰসকলৰ মূল উদ্দেশ্য অধ্যয়ন হ'ব লাগে, লগতে সংগীতৰ ছাত্ৰ সকলৰ মূল লক্ষ্য সংগীতৰ সাধনা কৰা। ইয়াৰ বাহিৰে কোনো সহজ উপায়ে ছাত্ৰ-ছাত্ৰীসকলে সফলতা লাভ কৰিব নোৱাৰে।

ভৃগু — শেষত, আজিৰ এই বাৰ্তালাপ অনুষ্ঠানটিত আমাক ইমানখিনি সময় দিয়া বাবে আপোনাক অশেষ ধন্যবাদ জনালোঁ।

মনোজ— ময়ো এই অনুষ্ঠানটোত এনেদৰে অংশ ল'ব পাই নথৈ আনন্দিত। মোৰ ফালৰ পৰা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ প্ৰত্যেক গৰাকী শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীকো লৈ সেৱা জনাইছোঁ। আৰু এনেদৰেই এই বাৰ্তালাপৰ সুন্দৰ সময়খিনিৰ ইমানতে অন্ত পৰিল।●



# গ্ৰন্থ আলোচনা



# মামণি ৰয়ছম গোস্বামীৰ দুখন উপন্যাসৰ নাৰী চৰিত্ৰ

**দীপাংকৰ পাঠক**
কাৰ্য্যালয় সহায়ক

মামনি ৰয়ছম গোস্বামী অকল অসমীয়াৰে নহয়, সকলো সাহিত্য প্ৰেমীৰে হিয়াৰ আমঠু। এই গৰাকী লেখিকা একেধাৰে ঔপন্যাসিক, গল্পকাৰ আৰু কবি হিচাপে সু-পৰিচিতা। তেওঁৰ ৰচনাসমূহ মৌলিক চিন্তাৰে সমৃদ্ধ। মামণি ৰয়ছম গোস্বামীয়ে জীৱনৰ প্ৰথমভাগত চুটিগল্পহে লিখিছিল। ১৯৫৬ চনত প্ৰকাশিত 'স্মৃতিৰ মুক্তি' নামৰ গল্পটো তেওঁৰ দ্বাৰা লিখিত প্ৰথম গল্প। তেওঁ বিয়াৰ পাছতহে উপন্যাস ৰচনা কৰিবলৈ ধৰে। স্বামী মাধবেন ৰয়ছম আয়েঙ্গাৰৰ চাকৰিৰ সূত্ৰে কাশ্মীৰত থাকিবলৈ লোৱাৰ পাছৰ পৰা তাৰ চিনাব বা চেনাব নৈৰ দাঁতি-কাষৰীয়া শ্ৰমিক সকলক লৈ 'চেনাবৰ সোঁত' নামৰ উপন্যাসখন লিখিবলৈ লয়। কিন্তু উপন্যাসখনৰ পৰিসমাপ্তি হ'বলৈ নৌপাওঁতেই তেওঁ স্বামীক হেৰুৱাব লগীয়া হয়। তাৰ পাছৰ পৰা আৰম্ভ হয় তেওঁৰ একাকী জীৱনৰ দুখৰ অধ্যায়। ইয়াৰ পাছত মামণি ৰয়ছম গোস্বামীয়ে গোৱালপাৰা সৈনিক স্কুলত চাকৰি কৰিবলৈ লয়। সেই সময়তে বৃন্দাবনত স্বনামধন্য পণ্ডিত ডঃ উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ তত্ত্বাৱধানত গৱেষণা কৰাৰ সুযোগ পোৱা হেতুকে সেই চাকৰি এৰি বৃন্দাবনলৈ যায়। বিংশ শতিকাৰ ছয়ৰ দশকত 'দৈনিক অসম' কাকতৰ বিশেষ সংখ্যা আলোচনীত 'চেনাবৰসোঁতে কথা কয়' নামেৰে উপন্যাস এখন প্ৰকাশ পায়। ১৯৭২ চনত সেই উপন্যাসখন প্ৰকাশ পায় স্বকীয় ৰূপত। 'চেনাবৰ সোঁত'ৰ পাছত 'নীলকণ্ঠী ব্ৰজ', 'অহিৰণ', 'মামৰে ধৰা তৰোৱাল', 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', 'জখমী যাত্ৰী', 'উদয়ভানুৰ চৰিত্ৰ', 'তেজআৰু ধূলিৰে ধূসৰিত পৃষ্ঠা', 'দাশৰথিৰ খোজ', 'চিন্নমস্তাৰ মানুহটো', 'থেংফাংখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল', 'দেৱীপীঠৰ তেজ' তেখেতৰ দ্বাৰা সৃষ্ট অনন্যা উপন্যাস।

মামণি ৰয়ছম গোস্বামীৰ সমূহ উপন্যাসৰ নাৰী চৰিত্ৰবোৰ আলোচনাৰ মাজলৈ নানি মাত্ৰ দুখন উপন্যাসহে আলোচনাৰ বাবে ল'ব বিচৰা হৈছে। সেই দুখন উপন্যাস হ'ল- 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' আৰু 'নীলকণ্ঠী



ব্ৰজ’।

‘দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা’ত দক্ষিণ কামৰূপৰ এটি নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালৰ বাল-বিধৱা সকলৰ কৰুণ কাহিনী সাবলীল ভাৱে বৰ্ণনা কৰিছে। এই উপন্যাসখনত গিৰিবালা চৰিত্ৰটোৱে মুখ্য চৰিত্ৰ হিচাপে দেখা দিছে। উপন্যাসখনত এখন ৰক্ষণশীল তেওঁ সমাজত বিধৱাসকলে নীতি-নিয়মৰ তাগিদাত কেনেধৰণে দুঃসহ বেদনা আৰুপীড়িত জীৱন অতিবাহিত কৰিবলগীয়া হৈছিল, তাৰ মৰ্মস্পশী বৰ্ণনা দাঙি ধৰা হৈছে। ইয়াত বৰ্ণিত গিৰিবালাৰ বাহিৰে বাকী চৰিত্ৰসমূহ প্ৰতিবাদহীন। তেওঁলোকে ৰক্ষণশীল সমাজৰ প্ৰতিভূ হিচাপেহে দেখা দিছে। গিৰিবালাহে ইয়াৰ ব্যতিক্ৰম।

‘দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা’ত গিৰিবালাই আত্মজাহৰ দৰে চৰম পন্থাৰে প্ৰতিবাদ কৰি গৈছে। সকলোৰে সন্মুখতে নীতি-নিয়মৰ আবেষ্টনীৰ মাজত থাকি গিৰিবালাই সকলোকে সচকিত আৰু আচৰিত কৰি জুইৰ মাজৰ পৰা ওলাই নাহি সমাজৰ ৰীতি-নীতিক উপেক্ষা কৰি গৈছিল। সেই কৰুণ হৃদয় বিদাৰক ঘটনাৰে গিৰিবালাই দুঃসাহসিক স্থিতি দেখুওৱাৰ লগতে সমাজৰ ৰক্ষণশীল মনোবৃত্তিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিলে। গিৰিবালাই পুৰণি ৰীতি-নীতিৰ আলমত লাঞ্চিত-গঞ্জিত জীৱন এটি বিচৰা নাছিল। তাই বিচৰা নাছিল আবেগ-অনুভূতি সমূহ সমাধিস্থ কৰি মৃত স্বামীৰ স্মৃতিৰ মাজতেই সমস্ত জীৱন অতিবাহিত কৰিবলৈ। সেয়ে তাই সকলো দ্বিধা, সংকোচ আৰু সামাজিক প্ৰতিবন্ধকতা পৰিহাৰ কৰি মাৰ্ক নামৰ খ্ৰীষ্টান যুৱক এজনৰ লগত আবেগিক সম্পৰ্ক ৰাখিছিল, যিটো সেই সময়ৰ সমাজ ব্যৱস্থা মতে ‘মহাপাপ’।

গিৰিবালাক সেই মহাপাপৰ পৰা উদ্ধাৰ কৰাৰ কথা আলোচ্য বিষয় হৈ পৰিল। ফলস্বৰূপে পিতৃপ্ৰধান সমাজৰ প্ৰতিভূ স্বৰূপ সমাজখন আৰু পুৰোহিত আহিল প্ৰায়শ্চিত্ত কৰাবলৈ। প্ৰায়শ্চিত্ত বিধি মানি গিৰিবালা বহি আছে বাঁহ, বেত, কল ঠৰুৱা আৰু শুকান খৰিৰে নিৰ্মিত চালিখনৰ তলত। সেই গৃহৰ ভিতৰতে কুল পুৰোহিতে নিয়মানুযায়ী তাইক পৰাচিত কৰোৱাৰ পাছত তাইক ওলাই আহিবলৈ কোৱাসত্বেও তাই ওলাই নাহিল। গিৰিবালাই ক’লে- “জুই লগে দিয়াৰ পস্তকতে মই বাহিৰ হৈ যাম। দি, জুই লগাই দি।”

চালিখনত জুই লগাই দিয়াৰ সময়তে বাহিৰ ওলাই যাম বুলি কোৱা গিৰিবালা কিন্তু ওলাই নাহিল। এটা সময়ত হুৰ হুৰ শব্দ কৰি চালিখন গিৰিবালাৰ গাত ভাগি পৰিল। তাৰ পাছত আৰু কৰিবলগীয়া একো নাথাকিল- “চাৰিওফালে বিয়পি পৰিছিল মানুহ পোৰা গোন্ধ, মানুহ পোৰা গোন্ধ।”

তাইৰ আত্মাহুতিয়ে সকলোকে মুক কৰি তুলিছিল। জুইৰ মাজত জাহ যাবলৈ গিৰিবালাক কোনেও প্ৰৰোচিত কৰা নাছিল। কিন্তু এয়া তাইৰ এক প্ৰতিবাদ, যিপ্ৰতিবাদে সাব্যস্ত কৰিলে যে তাইৰ দেহ-মন, সত্তা এজন জীৱিত পুৰুষৰ লগতহে জড়িত কৰিব বিচাৰে; মৃত স্বামীৰ লগত কোনো ধৰণে জড়িত কৰিব নোৱাৰে, যাৰ লগত আবেগিক সম্পৰ্ক স্থাপনৰ কোনো সুযোগেই তাইৰ নহ’ল।

তাই সমাজৰ তথাকথিত সতী তিৰোতা হৈ জীৱনৰ সৰ্বস্ব ত্যাগ কৰি এটি দুৰ্বিসহ নিপীড়িত, লাঞ্চিত, গঞ্জিত, অৱহেলিত জীৱন যাপন কৰিব বিচৰা নাই, সেয়ে তাইমুক্তি বিচাৰিছে- সমাজক প্ৰত্যাহ্বান জনাই। সতী তিৰোতাৰ অস্তিত্ব বা পৰিচয়েৰে তাই পদদলিত জীৱন নিবিচাৰে।

উপন্যাসখনৰ আন নাৰী চৰিত্ৰ- দুৰ্গা আৰু সৰু গোসাঁনী, এই দুগৰাকী ব্ৰাহ্মণ বিধৱা এটি যন্ত্ৰণাময় পৰিৱেশত জীয়াই আছিল মাত্ৰ। তেওঁলোক যেন আৱেগ-অনুভূতিহীন একোটা চাবি দিয়া কাঠৰ পুতলাহে। সমাজৰ নিৰ্দেশ আখৰে আখৰে পালন কৰা তেওঁলোকৰ কৰ্তব্য। কিন্তু তাৰ মাজতে গিৰিবালাই বৈধব্য জীৱনৰ যন্ত্ৰণা আৰু তেওঁলোকৰ ওপৰত আৰোপিত মানসিক যন্ত্ৰণাৰ শৃংখল ভাঙি ওলাই আহিব বিচাৰিছিল। ভনীয়েক ইলিমন, মাক ডাঙৰ গোসাঁনী, দুৰ্গা, সৰু গোসাঁনী আদি চৰিত্ৰই নিৰ্বিবাদে সমাজৰ নিপীড়ন, নিৰ্যাতন আদি সমাজৰে ৰীতি-নীতি বুলি আশাহত বেদনাপুষ্ট জীৱন যাপন কৰিছিল। তেওঁলোকৰ জীৱন মৃত্যুৰ নামান্তৰ মাত্ৰহে আছিল। তথাপি সমাজৰ আগত মুখ খোলাৰ সাহস গোটাব নোৱাৰিলে। তেওঁলোক সমাজৰ পৰম্পৰাৰ প্ৰতিভূ হিচাপে থাকি গ’ল।

মামণি ৰয়ছম গোস্বামীৰ আন এখন উপন্যাস ‘নীলকণ্ঠী ব্ৰজ’ত আধ্যাত্মিক জীৱন-যাপন কৰি পৰলৌকিক মুক্তি বিচৰা বিধৱা ৰাধেশ্যামী সকলৰ সকৰুণ জীৱন ধাৰণ প্ৰণালী আৰু মৃত্যুৰ পাছত আত্মাৰ মুক্তিৰ বাবে পিণ্ড আদি লাভ কৰিবৰ বাবে কষ্ট কৰি গোটোৱা ধন আৰু সেইবোৰ বলপূৰ্বক কাঢ়ি নিয়া বৰ্বৰ ঘটনাৰ হৃদয় বিদাৰক বৰ্ণনা দাঙি ধৰা হৈছে। ‘নীলকণ্ঠী ব্ৰজ’ত ব্ৰজধামৰ ৰাধেশ্যামী সকলৰ জীৱনৰ কৰুণ আৰু নিষ্ঠুৰ ছবিএখন সমাজৰ আগত দাঙি ধৰা হৈছে। এই উপন্যাসখনৰ আন আন চৰিত্ৰৰ লগতে মুখ্যচৰিত্ৰ সৌদামিনীক এগৰাকী ব্যতিক্ৰমী নাৰী হিচাপে অংকন কৰা হৈছে। ওপৰত আলোচিত উপন্যাসখনৰ দৰে ইয়াতো বিধৱা সৌদামিনীৰ এজন খ্ৰীষ্টান যুৱকৰ লগত সম্পৰ্ক গঢ়ি উঠিছিল। ক্ৰমে সেই সম্পৰ্ক নিবিড় হৈ পৰিছিল। বিধৱা নাৰী এগৰাকীৰ বাবে সেই কাৰ্য কোনোধৰণে গ্ৰহণীয় নহয় বুলি ভাবি পিতৃ ডঃ ৰায়চৌধুৰী আৰু মাতৃ অনুপমাই সৌদামিনীক লৈ যায় ব্ৰজধামলৈ। তেওঁলোকৰ ধাৰণা আছিল, ব্ৰজধামৰ পৰিৱেশত তাইৰ মনৰ পৰিৱৰ্তন হ’ব। কিন্তু কাৰ্যত সেয়া হৈ নুঠিল।

ব্ৰজধামত থাকিও সৌদামিনীয়ে তিল তিলকৈ উপলব্ধি কৰে যে তাই “সেই মাটিৰ তিৰোতা, যাৰ দেহ-মন এতিয়াও ধূলি-মাকতিৰে ধূসৰিত”, যাৰ দেহ-মনত “জৈৱিক স্পৃহাৰ সেই তৰঙ্গ ৰাশিৰ কোনো পৰিৱৰ্তন হোৱা নাই”। পিতৃৰ জৰিয়তেই অৱশেষত সৌদামিনীৰ সেই যুৱকজনৰ লগত লগালগি হয়। তাই যুৱকজনক নিজৰ কৰি ল’ব বিচাৰে, কিন্তু সমাজ ব্যৱস্থাই বান্ধি দিয়া নীতি-নিয়মৰ ঊৰ্ধ্বলৈ তাই যাব নোৱাৰে। যুৱকজনৰ লগত সম্পৰ্ক ৰাখি তাই আত্মগ্লানিত ভুগিবলগীয়া হৈছে। তাইৰ মতে তাইৰ পৰাজয় হৈছে। আধ্যাত্মিক জগত বিচাৰি আহি তাক নেপাই আগৰ প্ৰেমিকক বিচৰাৰ বাবে দুদোল্যমান অৱস্থাত পৰি তাইৰ মনত বাহ লৈছে পৰাজয়ৰ গ্লানিয়ে। সৌদামিনীয়ে শেষলৈকে নিজক প্ৰশ্ন কৰি গ’ল- “ব্ৰজৰ এই পৱিত্ৰ ভূমিত বাস কৰি কোনোবাই মৃতস্বামীৰ স্মৃতি স্ব-ইচ্ছাৰে ঠিক এনেধৰণে বিবৰ্ণ কৰি তোলা দেখিছানে?” খ্ৰীষ্টান যুৱকজনৰ ওচৰত আত্মসমৰ্পণ কৰি তাই আধ্যাত্মিক পৰাজয় মানি লব নোৱাৰে। আনহাতে “মৃত স্বামীৰ বেদনাদায়ক স্মৃতিৰ আশ্ৰয়লৈকো তাই উভতি যাব নোৱাৰে”। এনে মানসিক অন্তৰ্দ্বন্দ্বই সৃষ্টি কৰা অস্থিৰতাৰ কৰুণ পৰিণতি ঘটিছে তাইৰ মৃত্যুত যি মৃত্যুৰ মাজত ব্ৰজধামৰ মানুহবোৰে কেলেংকাৰীৰ কাহিনী পঢ়ি চোৱাৰ উন্মাদ আনন্দ লভি উন্মত্ত হৈ পৰিছে। সৌদামিনীৰ মৃত্যুৰ মাজত গিৰিবালাৰ মৃত্যুৰে বহন কৰা প্ৰতিবাদৰ ভাষা প্ৰকট হৈ উঠা নাই। সৌদামিনীৰ মৃত্যুৱে সংস্কাৰ-যুক্ত আৰু সংসাৰ-মুক্ত- এই দুটি চিন্তাৰ এটি দুদোল্যমান মানসিক অৱস্থাৰ কৰুণ পৰিণতি দেখুৱাইছে।

সৌদামিনীক ব্ৰজধামলৈ আনি তাইৰ পিতৃ-মাতৃয়ে তাইক সহজ-সৰল আবেগ-অনুভূতিৰ জগতখনৰ পৰা জোৰকৈ আধ্যাত্মিক জগতৰ লগত সাঙুৰি দিব খুজিছিল। কিন্তু মানসিক অন্তৰ্দ্বন্দ্বৰ মাজত কোনো এখন জগতকে তাই নিজৰ বুলি ল’ব নোৱৰা অৱস্থাতে খ্ৰীষ্টান যুৱকজনৰ আৱিৰ্ভাৱে তাইৰ মানসিক জগতখনত অধিক অস্থিৰতাৰ সৃষ্টি কৰি তাইক মানসিকভাৱে বিধ্বস্ত কৰি পেলাইছিল। অৱশেষত তাই মৃত্যুকেই শেষ আশ্ৰয় হিচাপে গ্ৰহণ কৰিলে। তাইৰ মৃত্যু যেন পিতৃ-মাতৃৰ স্থিৰ সিদ্ধান্ত গ্ৰহণকৰিব নোৱৰা সংস্কাৰ-আচ্ছন্ন আচৰণৰ বিৰুদ্ধে এক নীৰৱ প্ৰতিবাদ।

‘নীলকণ্ঠী ব্ৰজ’ সম্পৰ্কে মামণি ৰয়ছম গোস্বামীয়ে নিজা ভাষাত এনেদৰেলিখিছে-“সৌদামিনীৰ মানসিক অৱস্থা, তাইৰ যন্ত্ৰণা, ক্ষোভ, সমাজৰ কিছুমান মানুহৰ প্ৰতি বিষোদ্গাৰ, দ্বিতীয় প্ৰেমিকক সৰ্ব অন্তঃকৰণেৰে গ্ৰহণ কৰিব নোৱৰা গ্লানি আৰু সেই গ্লানিয়ে আঙুলিয়াই দিয়া ধ্বংসৰ ভয়ংকৰ পথৰ কল্পনা মোৰ নিজৰ জীৱনৰ বাস্তৱৰ ভাবধাৰাৰ ভেটিত আনি দেখুওৱা হৈছে।”

‘দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা’ আৰু ‘নীলকণ্ঠী’ ব্ৰজ উপন্যাসৰ মুখ্য চৰিত্ৰ দুটিৰ মৃত্যুৰ মাজেৰে প্ৰতিবাদৰ ভাষামূৰ্ত হৈ উঠিছে। ইয়ে প্ৰচলিত সমাজ ব্যৱস্থাৰ নেতিবাচক দিশ উদঙাই দি সেইদিশটিৰ প্ৰতি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে, লগতে পাঠকৰ মনত সহ-মৰ্মিতাৰ অনুভূতি উদ্ৰেক কৰাত লেখিকা কৃতকাৰ্য

হৈছে।

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ প্ৰধান নাৰী চৰিত্ৰ সমূহৰ মাজত নাৰীমুক্তিৰ প্ৰবল ভাষা নাই। তেওঁ নিজকে নাৰীবাদী লেখিকা হিচাপে উপস্থাপন কৰিব বিচৰা নাই। তেওঁ নাৰী-পুৰুষ উভয়কে ব্যক্তি নিষ্ঠতাৰ ঊৰ্দ্ধত ৰাখি নিৰ্মোহভাৱে অংকন কৰিছে। সেয়েহে নাৰীৰ প্ৰতিবাদী ভাষাই সকলো স্তৰৰ সংবেদনশীল পাঠকৰ অন্তৰ জোকাৰি যাবলৈ সক্ষম হৈছে। দুয়োখন উপন্যাসতে জীয়া বিধৱাৰ সকৰুণ কাহিনী বাস্তৱ ভিত্তিত হৃদয়স্পৰ্শী ভাৱে দাঙি ধৰা হৈছে, ফলত চৰিত্ৰসমূহে পাঠকৰ অন্তৰত স্থান লৈ পাঠকক চৰিত্ৰ সমূহক গভীৰভাৱে উপলব্ধি কৰিবলৈ বাধ্য কৰাইছে।●

***জানো আঁহা***

অসমীয়া কবি/সাহিত্যিকৰ উপাধিবোৰৰ তালিকা

| | | |
|---|---|---|
| আনন্দ চন্দ্ৰ বৰুৱা | ঃ | বকুল বনৰ কবি |
| পাৰ্বতী প্ৰসাদ বৰুৱা | ঃ | গীতি কবি |
| মাধৱ কন্দলি | ঃ | অপ্ৰমাদী কবি |
| ৰঘুনাথ চৌধুৰী | ঃ | বিহগী কবি |
| লক্ষ্মীনাথ বেজবৰুৱা | ঃ | সাহিত্যৰথী, ৰসৰাজ |
| বিষ্ণুপ্ৰসাদ ৰাভা | ঃ | কলাগুৰু |
| নবীন চন্দ্ৰ বৰদলৈ | ঃ | কৰ্মবীৰ |
| তৰুণৰাম ফুকন | ঃ | দেশভক্ত |
| কনকলতা বৰুৱা | ঃ | বীৰবালা |
| জ্যোতিপ্ৰসাদ আগৰৱালা | ঃ | ৰূপকোঁৱৰ |
| অম্বিকাগিৰি ৰায়চৌধুৰী | ঃ | অসম কেশৰী |
| নলিনীবালা দেৱী | ঃ | অতীন্দ্ৰিয়বাদী কবি |
| কমলাকান্ত ভট্টাচাৰ্য | ঃ | অগ্নি কবি |
| ৰজনীকান্ত বৰদলৈ | ঃ | উপন্যাস সম্ৰাট |
| যতীন্দ্ৰ নাথ দুৱৰা | ঃ | বনফুলৰ কবি |
| ফণী শৰ্মা | ঃ | নটসূৰ্য |
| চন্দ্ৰ কুমাৰ আগৰৱালা | ঃ | প্ৰতিমাৰ খনিকৰ |
| গোপীনাথ বৰদলৈ | ঃ | লোকপ্ৰিয় |
| হেম বৰুৱা | ঃ | অসম গৌৰৱ |
| ৰুদ্ৰ বৰুৱা | ঃ | লুইত কোঁৱৰ |
| নীলমণি ফুকন | ঃ | বাগ্মীবৰ |
| তথ্য সংগ্ৰহ | ঃ | https : // learnwithspk. com / sobriquets of assamese-poet-literary-and-cminent-personal |

Name : Deanashruti Pathak
Class : 4th Sem

# কাঞ্চন বৰুৱাৰ "অসীমত যাৰ হেৰাল সীমা"


**মধুস্মীতা কৌশিক**
চতুৰ্থ যাণ্মাসিক

"অসমীত যাৰ হেৰাল সীমা" উপন্যাসখন পঢ়াৰ পাছৰে পৰা কাঞ্চন বৰুৱা (ভুবন মোহন বৰুৱা) অন্যতম প্ৰিয় ঔপন্যাসিক হৈ পৰে। ১৯১৪ চনত ব্ৰিটিছ ভাৰতৰ প্ৰদেশ অসমৰ ৰাজধানী শ্বিলঙৰ এখন ঠাইত তেওঁ জন্মগ্ৰহণ কৰিছিল। তেখেতৰ পিতৃৰ নাম আছিল ভৈৰৱ চন্দ্ৰ বৰুৱা আৰু মাতৃ আছিল প্ৰখ্যাত সংগীতাচৰ্য লক্ষ্মীৰাম বৰুৱাৰ কন্যা। অসমীয়া সাহিত্য জগতত কাঞ্চন বৰুৱাদেৱৰ "অসমীত যাৰ হেৰাল সীমা" বিক্ৰীৰ অভিলেখ সৃষ্টি কৰা উপন্যাস। অসমীয়াৰ প্ৰিয় গ্ৰন্থৰ তালিকাত শীৰ্ষস্থান আৰু পাঠকৰ সৰ্বাধিক আদৰ পোৱা গ্ৰন্থ হ'ল "অসীমত যাৰ হেৰাল সীমা।"

এতিয়া উপন্যাসৰ কাহিনীৰ মাজলৈ আহোঁ। আৰম্ভণিৰ ফালে দেখা যায় যে কাহিনীকাৰে এটি সপোন আৰু স্মৃতিক আধাৰ কৰিয়েই লিখি উলিয়াইছে এই উপন্যাস খিনি। ইয়াৰ কাহিনীয়ে পাঠকক এনে এখন সপোনৰ পৃথিৱীলৈ লৈ যায় য'ৰ পৰা ওলাই অহা টান হৈ পৰে।

কাহিনীভাগলৈ মন কৰিলে দেখা যায় যে, কাহিনীকাৰে এটা সপোন দেখে আৰু সপোনটোত সংগ দিয়ে তেওঁৰ বাস্তৱ জীৱনৰ চাৰি বন্ধু , বন্ধুকেইজন ক্ৰমে এজন প্ৰফেচাৰ, এজন চিকিৎসক, এজন কবি আৰু এজন তেওঁৰ দৰে কেৰাণী। তেওঁলোকে এদিন ঠিক কৰিলে যে অৱসৰ বিনোদনৰ বাবে আটাইকেইজনে ফুৰিবলৈ যাব আৰু ভবা মতেই কাম। তেওঁলোক দিহিঙৰ বুকুৰেদি ফুৰিবলৈ ওলাই গ'ল। ঠিক ১৬ দিন যাত্ৰা কৰাৰ পিছত কাহিনী উপন্যাসিকে তেওঁৰ সপোনৰ ৰাজ্য কমল নগৰৰ আভাস দিছে। তেওঁলোক হঠাতে এক ধুমুহাত আৱদ্ধ হৈ পৰে, সেই ধুমুহাজাকে তেওঁলোকক বিচ্ছিন্ন কৰি তোলে আৰু ৰাতিপুৱা যেতিয়া কাহিনীকাৰক বন্ধু বৰ্গই বিচাৰি পায় তেতিয়া তেওঁ আচৰিতভাৱে সেই ঠাইখনৰ কথা কৈ পেলাইছিল। তাৰ পিছতেই আৰম্ভ হৈছে ঔপন্যাসখনি। কমল নগৰ আৰু বকুল পুৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোৰম। ইয়াৰ মানুহবোৰো বৰ মৰমীয়াল। কমল নগৰৰ বুকুয়েদি বৈ গৈছে তাহানিৰ কাঞ্চনমতী নদী, যি এতিয়াৰ দিহিং তাৰ ওপৰৰ দলং খনৰ নাম আছিল বগাদলং। সেই নদীৰ কাষতে কলি মেলিছিল চম্পাৰ প্ৰেম ধেমেলীয়া উৎপাতবোৰ। সেই বগা দলং খনেই সাক্ষী আছিল কমল নগৰৰ চম্পা, চন্দন, গৌৰীহঁতৰ কাহিনীৰ।

এই উপন্যাসখনৰ মূল চৰিত্ৰ আছিল চন্দন যি আছিল এজন সুঠাম ডেকা আৰু সবল বাহুবলী এজন যোদ্ধা। আন এটাৰ চৰিত্ৰ আছিল লক্ষ্মী নাৰায়ণ যি কমল নগৰৰ প্ৰধান বিষয়া আছিল আৰু গৌৰী তেওঁৰ জীয়েক। ইয়াৰোপৰি অশোক আছিল তলতীয়া বিষয়া। তেওঁৰ পত্নী আছিল উমা যাৰ বুকু মৰমেৰে ভৰা। অশোকৰ বাল্যকালৰ বন্ধু আছিল চন্দন অৰ্থাৎ কাহিনীৰ মূল নায়ক অৰ্থাৎ





কাহিনীকাৰ। কাহিনীৰ মূল নায়িকা হ'ল চম্পা। তাই আছিল কমল নগৰৰ আটাইতকৈ ধুনীয়া ছোৱালী। চম্পা আছিল শিশু সুলভ ধেমেলীয়া ছোৱালী। তাই চন্দনৰ মাহীয়েকৰ ছোৱালী। দুয়োজনৰেই মাজত যথেষ্ট আন্তৰিকতা আছিল। ককায়েক ভনীয়েকতকৈ দুয়োৰে মাজত বন্ধুত্ব গঢ় লৈছিল। আৰু এসময়ত এই বন্ধুত্বই পাখি মেলি চম্পাৰ মনত একপক্ষীয় ভালপোৱাৰ জন্ম দিছিল। তেনেতে এদিনাখন মাঘ বিহুৰ দিনা মহঁযুজৰ বাকৰিত চন্দনে গৌৰীক প্ৰথম দেখা পাইছিল আৰু সেই বলিয়া মহটোৰ পৰা গৌৰীক ৰক্ষা কৰিছিল। তাৰ পাছত লাহে লাহে গৌৰী আৰু চন্দনৰ মাজত প্ৰেমৰ শিপা মেলিছিল। তেনেকৈয়ে চলি আছিল গৌৰী, চন্দন আৰু চম্পাৰ প্ৰেম কাহিনী।


ইয়াৰ মাজতেই কমল নগৰলৈ নামি আহিল দুখৰ ধুমুহা। কমল নগৰৰ মানুহৰ মাজত নামি আহিল কাল অমানিশাৰ অন্ধকাৰ। ৰাজধানীৰ পৰা খবৰ আহে যে শত্ৰু আহি কমল নগৰ ভৰি পৰিছে। যুদ্ধ যেন আৰম্ভ হয়। এই যুদ্ধত কমল নগৰৰ হাজাৰ হাজাৰ নিষ্পাপ মানুহৰ প্ৰাণ যায় আৰু সকলোৰে আপোন মানুহক হেৰুৱায়। এই যুদ্ধত কমল নগৰৰ সৌন্দৰ্য্য, গুণ গৰিমা সকলো শেষ হৈ যায়। কমল নগৰ ৰণাংগলৈ ৰূপান্তৰিত হয়। এই যুদ্ধত উমা, অশোক, লক্ষ্মী নাৰায়ণ চম্পা সকলোৰে প্ৰাণ যায়। চন্দনৰ প্ৰতি চম্পাৰ প্ৰেম আছিল একপক্ষীয় সহজ-সৰল। বুকু উজাৰি ভাল পাইছিল কিন্তু মুখ খুলি ক'ব পৰা নাছিল। তাইৰ মৃত্যুৰ পিছত চন্দনে এই কথাৰ আভাষ পায়। চম্পাৰ চৰিত্ৰটোৰে সকলোৰে হৃদয় স্পৰ্শ কৰে। তাইৰ ধেমেলীয়া স্বভাৱ, বুদ্ধিমত্তা, সৌন্দৰ্য্য, তুলিছে নিস্বাৰ্থ ভালপোৱা আদিয়ে চৰিত্ৰটো শক্তিশালী কৰি তুলিছে। শেষত এই যুদ্ধত চন্দন আৰু গৌৰীৰ জীৱন ৰক্ষা পৰিছিল। শেষৰফালে চন্দন আৰু গৌৰীয়ে সংসাৰত প্ৰৱেশ কৰি কমলপুৰক নতুনকৈ সজাব বিছাৰিলে কিন্তু শেষত সেই সপোন পুৰাব নোৱাৰিলে। কমল পুৰৰ অস্তিত্ব নাইকীয়া হ'ল। এনেদৰে কাহিনীটোৰ অন্ত পৰিছে।

উপন্যাসিকৰ ভাষা আৰু শব্দৰেই মোৰ লেখা সামৰিলোঁ।

নাওঁ এৰি দিলো। নাজানো দিহিংৰ
বুকুত নে...কাঞ্চনমতীৰ প্ৰথম সোঁতত।
শেষবাৰলৈ ঘূৰি চালো ওচৰৰ আহত
জোপালৈ। চকুত পৰিল তাৰ গুৰিৰ
নিমজ পিঠিত কবিবৰে কটাৰীৰে
লিখি অহা কেঁচা আখৰকেইটা...
"অসমীমত যাৰ হেৰাল সীমা"●



# ভ্রমণ কাহিনী



# সূৰ্যোদয়ৰ দেশত এভূমুকি

**মুস্তাফা জাকাৰিয়া**
তৃতীয় ষাণ্মাসিক

ডিচেম্বৰ মাহ, ২০১৭। নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা শেষ হৈছে মাথোঁ। কৰ্মসূত্ৰে মোৰ মামা এজন শিলিগুড়িতে থাকে। মামাৰ আমন্ত্ৰণ মৰ্মে ৭ ডিচেম্বৰ দিনাখন মোৰ আন এজন মামাৰ সৈতে ৰেলগাড়ীৰে যাত্ৰা আৰম্ভ কৰিলোঁ শিলিগুড়িলৈ বুলি। এয়াই আছিল মোৰ জীৱনৰ প্ৰথম ৰেলযাত্ৰা। প্ৰায় ৮ ঘন্টা ৰেলগাড়ীৰে ভ্ৰমণ কৰি শিলিগুড়ি পালোঁগৈ। মামা ইতিমধ্যে ৰেলষ্টেচনত আহি আমালৈ অপেক্ষা কৰি আছিল। আমি তাৰ পৰা মামাৰ সৈতে তেওঁৰ ৰূম পালোগৈ। তাৰ পিছদিনাখন আমি শিলিগুড়ি চহৰখন ভালদৰে পৰিদৰ্শন কৰিলোঁ। পিছদিনা মামাই আমাক দাৰ্জিলিং ফুৰাবলৈ লৈ যোৱাৰ কথা ক'লে। আমাৰ আনন্দৰ সীমা নোহোৱা হ'ল। সেইমৰ্মে ৰাতি ১২ মান বজাত সৰু বাহন এখনেৰে আমাৰ যাত্ৰা আৰম্ভ হ'ল শিলিগুড়িৰ পৰা দাৰ্জিলিঙলৈ বুলি। শিলিগুড়িৰ পৰা দাৰ্জিলিং বহু বেছি দূৰ নহয় যদিও যাত্ৰাপথ পাহাৰীয়া হোৱাৰ কাৰণে ভালেখিনি সময় লাগে। আমাৰ গাড়ীখন সমতল বাটেৰে অলপ দূৰ আগবঢ়াৰ পিছতে আৰম্ভ হ'ল পৰ্বতীয়া বাট। ৰাস্তাৰ একাষে ওখ ওখ পাহাৰ আৰু আনকাষে দ' খাৱৈ। কিছুমান ঠাইত ৰাস্তাবোৰ ইমানেই সৰু যে এবাৰত এখন গাড়ীহে যাব পাৰে। এক কথাত ক'বলৈ গ'লে বিপদজনক যাত্ৰা। অলপমান সাৱধানতাৰ অভাৱ হ'লেই সংঘটিত হ'ব পাৰে ভয়ংকৰ দুৰ্ঘটনা। তাৰ মাজতে ডাঠ-ঘন কুঁৱলিয়ে আৱৰি ধৰিছিল বহুবাৰ। এনেদৰে মনত ভয়, শংকা আৰু আগ্ৰহেৰে আমি আগবাঢ়ি গৈ থাকিলোঁ। এঠাইত পাহাৰৰ দাঁতিত গাড়ীখন ৰখালে। আমি ইতিমধ্যে শিলিগুড়ি চহৰখনৰ পৰা বহু ওপৰলৈ উঠি আহিছোঁ। গোটেই শিলিগুড়ি চহৰখন ৰাতি লাইটৰ পোহৰৰ সৈতে ওপৰৰ পৰা এক নতুন ৰূপত দেখা পাইছিলোঁ। তাৰপৰা আমাৰ যাত্ৰা পুনৰ আৰম্ভ কৰিলোঁ। যিমানেই আগবাঢ়ি গৈ আছিলোঁ, ঠাণ্ডাৰ প্ৰকোপটো সিমানেই বৃদ্ধি পাইছিলে। এনেদৰে আগবাঢ়ি গৈ গৈ প্ৰায় ৰাতিপুৱা ৩.৩০ মান বজাত আমি দাৰ্জিলিঙৰ এখন মুখ্য আকৰ্ষণৰ স্থল 'টাইগাৰ হিল্‌চ' পালোঁ। টাইগাৰ হিল্‌চ ৰ পৰা সূৰ্যোদয়ৰ দৃশ্যটো অতি সুন্দৰভাৱে দেখা পোৱাৰ লগতে হিমালয় পৰ্বতমালাৰ দ্বিতীয় সৰ্বোচ্চ শৃংগ 'কাঞ্চনজংঘা' দেখা পোৱা যায়। গাড়ীৰ পৰা নমাৰ লগে লগে ঠাণ্ডাত কঁপিবলৈ আৰম্ভ কৰিছিলোঁ। প্ৰায় ১.৫০ ঘণ্টামান অপেক্ষা কৰাৰ পাছত সূৰ্যোদয়ৰ সময় হ'ল। অৱশেষত সূৰ্যদেৱতাই মেঘৰ কোলাৰ পৰা সাৰ পাই প্ৰকৃতিৰ পিনে চালে। সেই দৃশ্যটো কি যে এক মনোৰম দৃশ্য আছিল যাক কেতিয়াও পাহৰিব নোৱাৰোঁ। লাহে লাহে পোহৰ হ'বলৈ আৰম্ভ কৰিলে আৰু বতৰেও যেন আমাৰ লগ দিলে। অলপ সময়ৰ পাছত কাঞ্চনজংঘা আমাৰ চকুৰ সন্মুখত জিলিকি উঠিল। কাঞ্চনজংঘাৰ আশীৰ্বাদেৰে পুষ্ট হৈ আমি আগবাঢ়ি গ'লোঁ 'জাপানিজ টেম্প'ল' দৰ্শন কৰাৰ বাবে। জাপানিজ টেম্প'ল হৈছে

বৌদ্ধ ধৰ্মাৱলম্বীলোকৰ এক পবিত্ৰ উপাসনাস্থলী। জাপানিজ টেম্প'ল দৰ্শন কৰি আমি আগবাঢ়িলোঁ 'ৰোপৱে'ত উঠিবলৈ। ৰোপৱেৰে ওপৰৰ প'ৰা কুঁৱলিৰে আবৰা পাহাৰৰ এক মনোৰম দৃশ্য উপভোগ কৰিলোঁ। ইয়াৰ পিছত আন কিছুমান উল্লেখযোগ্য ঠাই যেনে চিৰিয়াখানা, চাহবাগিচা, বুদ্ধদেৱৰ মূৰ্তি আদি দৰ্শন কৰিলোঁ। শেষত কয়লাৰে চালিত ৰেলগাড়ীৰ ভ্ৰমণেৰে আমাৰ ভ্ৰমণৰ যৱনিকা পেলাই বহুতো নতুন আৰু চিৰস্মৰণীয় অভিজ্ঞতাৰ সৈতে হোটেলৰ ৰুমলৈ আগবাঢ়িলোঁ।●



# যুৱ মহোৎসৱৰ হাত-বাউলিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পাঞ্জাৱলৈ

**জ্যোতিৰ্গময় ভূঞা**
ষষ্ঠ ষাণ্মাসিক

শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ, অসমৰ বৰেণ্য ব্যক্তিসকলৰ অক্লান্ত প্ৰচেষ্টাৰ প্ৰতীক হ'ল ঐতিহ্যমণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয়। বিশ্ববিদ্যালয়খন চোৱাৰ হেঁপাহ হয়তো সকলোৰে থাকে। নিজকে খুব সৌভাগ্যবান বুলি ভাবো এইবাবেইযে গৌহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ হোৱাৰ পূৰ্বেই ইয়াৰ কেম্পাছৰ আমেজ লোৱাৰ সুবিধা পাইছিলোঁ। সেই সৌভাগ্য মোলৈ আনি দিছিল যুৱ মহোৎসৱে।

সাংস্কৃতিক জগতখনৰ সৈতে লাগি থাকি ভালপাওঁ আৰু ইয়াতে বিচাৰি পাওঁ জীৱনৰ সৰু সৰু আনন্দবোৰ। ই মোৰ বাবে প্ৰেৰণা, ই মোৰ বাবে সাহস। কৃষ্টি-সংস্কৃতি ব্যক্তি আৰু সমাজৰ আভ্যন্তৰীণ দিশ; মন, হৃদয় আত্মাকো সুন্দৰ কৰি তোলে। বৰপেটাৰ এখন অগ্ৰণী মহাবিদ্যালয় হ'ল ১৯৩৯ চনত স্থাপিত "মাধৱ চৌধুৰী মহাবিদ্যালয়" আৰু এই মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে মই গৌৰৱান্বিত। স্মৰণ কৰি ভাল লাগে যে ২০২২-২৩ বৰ্ষৰ আন্তঃমহাবিদ্যালয়ৰ মাণ্ডলিক আৰু চূড়ান্ত যুৱ মহোৎসৱত 'তালবাদ্য' প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি 'প্ৰথম স্থান' লাভেৰে আমাৰ মহাবিদ্যালয়খনক জিলিকাই তুলিবলৈ সক্ষম হৈছিলোঁ। ইয়াৰ সুবাদতেই গুৱাহাটী বিশ্ববিদ্যালয়ক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিলোঁ। বুকুতে পুহি ৰখা সপোন যেন আজি দিঠকৰ বাটত। লগতে মনত কিছু কিছু ভয় আৰু শংকা। ইমান এখন ডাঙৰ বিশ্ববিদ্যালয়, ইমান ডাঙৰ এখন সমাজ, ইমান প্ৰতিভাশালী প্ৰতিযোগীৰ লগত পাৰিম জানো সমানে খোজ মিলাব! তথাপিও কইলা বাবাৰ আশিস লৈ ৰাওনা হ'লোঁ কৃষ্ণচূড়া নগৰীলৈ বুলি।

সৌভাগ্যক্ৰমে মোক তালবাদ্য (একক) শিতানৰ উপৰিও লোকবাদ্য শিতানতো নিৰ্বাচিত কৰিলে। ৰাষ্ট্ৰীয় পৰ্যায়ত গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰিবলৈ পোৱাটো এটা ডাঙৰ সুযোগ আছিল। অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ পৰা Association of Indian Universities (AIU) লৈ নিৰ্বাচিত হৈ অহা শিক্ষাৰ্থীসকলৰ লগত যি সম্পৰ্ক গঢ়ি উঠিল, সেয়া জীৱনলৈ ৰৈ যাব। তেওঁলোকৰ লগত ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শুৱালৈ লগতে একেলগে আখৰা কৰোঁতে এনেকুৱা লগা হ'ল এইখনো যেন এখন ঘৰ। দিনক ৰাতি কৰি ৰাতিক দিন কৰি আপ্ৰাণ চেষ্টাৰে আমাৰ আখৰা আৰম্ভ হ'ল উত্তৰ-পূব মাণ্ডলিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ দেওনাখন পাৰ হ'বলৈ। শেষত আমাৰ কষ্টই প্ৰাণ পালে। ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা উত্তৰ-পূব মাণ্ডলিক আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত মই শাস্ত্ৰীয় তালবাদ্য (খোল) শাখাত দ্বিতীয় স্থান লাভ কৰাৰ উপৰিও সৰ্বমুঠ ১৭টা পুৰস্কাৰেৰে আমাৰ বিশ্ববিদ্যালয়খনে "শ্ৰেষ্ঠ বিশ্ববিদ্যালয়"ৰ খিতাপ দখল কৰিবলৈ সক্ষম হ'ল। আমাৰ উদ্যম আৰু দুগুণে বৃদ্ধি পালে। এইবাৰ আমি ৰাওনা হ'লো Association of Indian Universities, New Delhi

ৰ দ্বাৰা আয়োজিত ৩৭তম্ আন্তঃবিশ্ববিদ্যালয় ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ দিশে অৰ্থাৎ আমি গৈ পালোঁ Punjab Agricultural University, Ludhiana।

মাৰ্চৰ ২৫ তাৰিখে পাঞ্জাবলৈ বুলি ৰাওনা হৈছিলোঁ। কিন্তু মনটো ভাল লগা নাছিল কাৰণ সেইদিনা ভৰদৌল আছিল আৰু মই হোলী খেলিব পৰা নাছিলোঁ। যি কি নহওক, এই যাত্ৰাটো কষ্টকৰ আছিল যদিও ছাৰ-বাইদেউৰ লগতে সকলো লগ-বন্ধুৰ লগত বৰ স্ফূৰ্তি-তামাচা কৰি পাৰ কৰিলোঁ। পাঞ্জাবলৈ গৈ পোৱাৰ পিছত তাৰ বাতাবৰণৰ লগত মিলিব নোৱাৰি অসুখত পৰিছিলোঁ। তাৰ পিছতো মনত শক্তি কমা নাছিল। শক্তি আনি দিছিল গুৱাহাটী বিশ্ববিদ্যালয় তথা অসমক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজলাই তোলাৰ সপোনে। হাঁহি-কান্দোন, আশা-নিৰাশা, প্ৰাপ্তি-অপ্ৰাপ্তিৰ দোমোজাত সৰ্বভাৰতীয় পৰ্যায়ত জিলিকিল গুৱাহাটী বিশ্ববিদ্যালয়। সৰ্বমুঠ ১৪টা পুৰস্কাৰেৰে AIUত সোণালী আখৰেৰে লিখিলে ইতিহাস। লগতে মই অংশগ্ৰহণ কৰা তালবাদ্য (একক) আৰু লোকবাদ্য (দলীয়) দুয়োটা শিতানতে দ্বিতীয় স্থান দখল কৰিবলৈ সক্ষম হ'লো। সঁচাকৈ এই সময় আছিল আমাৰ, এই সময় আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ।



পাঞ্জাৱ অভিমুখী যাত্ৰা যিমানেই কষ্টকৰ আছিল তাতোকৈ কষ্টকৰ আছিল আমাৰ উভতনি যাত্ৰা। প্ৰথমে আমি পাঞ্জাৱৰ পৰা দিল্লীলৈ বাছেৰে আহিলোঁ। ৰাতি প্ৰায় ৮ মান বজাত দিল্লী আহি পালোঁ আৰু গম পালোঁ যে এতিয়াও মাত্ৰ ১৮টা আসন RAC তহে হৈছে। সেইবাবে আমি ট্ৰেইনত নাহিলোঁ আৰু ৰাতিটো দিল্লীৰ হোটেলতে থাকিলোঁ। পিছদিনা আমি ইণ্ডিয়া গেট, সংসদ ভৱন, সৰোজিনী মাৰ্কেট আদি দৰ্শন কৰিলোঁ। তাৰ পিছদিনা আমাক গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই তৎকালত টিকট কাটি বিমানযোগে উভতাই আনিলে আৰু বিমান আছিল দিল্লীৰ পৰা মুম্বাই, মুম্বাইৰ পৰা গুৱাহাটী। কিছু ভাল লগা অভিজ্ঞতা। ৰাতি প্ৰায় ১২ মান বজাত আমি গুৱাহাটী বিশ্ববিদ্যালয় পালোঁহি।


সমস্ত যাত্ৰাত আছিল বহু কষ্ট, বহু ভাল লগা, বেয়া লগা অভিজ্ঞতা। কিন্তু তাৰ মাজতো আছিল এক সুকীয়া মাদকতা।

যুৱ মহোৎসৱ সুপ্ত প্ৰতিভা বিকাশৰ এক উপযুক্ত মঞ্চ। সাহিত্য, কলা-সংস্কৃতি, সংগীত তথা ভিন্ন ক্ষেত্ৰৰ ঐক্যতানস্বৰূপ যুৱ মহোৎসৱে প্ৰতিবছৰে শত-সহস্ৰজনক আগুৱাই যোৱাৰ বাট দেখুৱাই আহিছে। দেশৰ ভিন্-ভিন্ প্ৰান্তৰৰ পৰা ১১৯খন বিশ্ববিদ্যালয়ে যোগদান কৰা এই যুৱ মহোৎসৱত বহুতো নতুন নতুন বন্ধু লগ পালোঁ, নতুন নতুন কথা শিকিলো। আমাৰ এই যাত্ৰাত বাট দেখুৱাই যোৱা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ ইন্দ্ৰজ্যোতি ছাৰ, অৰ্চনা বাইদেউ, ৰূপম ছাৰ, অঞ্জনা বাইদেউ প্ৰমুখ্যে সকলো শুভাকাংক্ষীক মোৰ ফালৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সমান্তৰালভাৱে শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়লৈ। ●

।। জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয়।।

।। জয়তু গুৱাহাটী বিশ্ববিদ্যালয়।।

# ENGLISH SECTION




## Articles / Prose

# Experimental Theatre : Audience's Perspective

**Dr. Indrajyoti Roy Choudhury**
Associate Professor, Department of English

"Why experiment with drama or theatre?" The answer to this question may not be akin to any of the attempted asnwers of the age old conundrum - "Art for art's sake or art for some other nobler pragmatic goal?" It is because endless experimentation is done in both commercial and amateur theatre, as is done also in both mainstream film and parallel film. But to save the present discussion from any possible ambiguity, let us narrow down our focus to the experiments done by the amateur theatre groups for whom drama is a mission towards sensitising the people about certain issues of life, rather than a profit making profession. The question raised at the very beginning bears more relevance in a state like Assam where modern mobile theatre is a big industry amassing huge amount of revenue, attracting regional film stars to sign contracts for each theatre - year with the reward of advance payment of lakhs of rupees. The commercial Assamese films have never been able to compete with the mobile theatre industry, neither in business nor in glamour and appeal. But on this back drop, one notices a slow yet sure and confident trend of amateur theatre movement which has been able to draw attention of a selected audience across the state. The intent of this brief writing is to throw light on the present status of the movement and to share views regarding the roles and responsibilities of the amateur theatre groups in generating a healthy environment in the society for the uplift of this noble form of art. The experimental theatre is obviously a result of western influence in education, literature and culture. It is basically an outcome of the challenges against the traditional concept of the role of the audience as passive and credulous observers. Brecht, Augusto Boal, Artaud, Peter Brook etc. wanted to mobilise their audiences by making them an integral part of the performance, asking them questions and not giving them answers, giving them scope to react directly. Since late seventies and early



personalities are deeply involved in this movement. Since the nineties, the movement has attained momentum along with maturity. State level one act and full fledged play competitions are being held in different towns and, rural centres all over Assam time to time and this has served as a common platform for the theatre activists to share their knowledge and experiences, and also to get an idea about their own omissions and commissions.

eighties of the last century, Indian theatre activists also have been engaged in this challenge, treating theatre as a social activity "in which there is only a practical difference between actor and audience, not a fundamental one." Habib Tanvir, Girish Karnad, Badal Sircar etc. have set a niche which have far reaching influence in different corners of India. Mainly West Bengal, Maharashtra, Kerala, Tamil Nadu, Manipur and Assam have witnessed considerable amount of involvement and dedication towards this end. Kolkata alone can boast of over three thousand odd amateur drama troupes registered to the government.

In Assam also, amateur theatre movement today has attained a recognisable position and a large number of bright and agile

Theatre Festivals arranged by theatre bodies like Seagull, Rangghar etc. have really created an impact upon both the performers and the audience.

In the West, the term 'experimental theatre' has shifted over time as the mainstream theatre world also has adopted many forms that were once considered radical. But the same has not happened in India where a larger section of even highly educated upper class audience is not yet culturally mature and responsive to assimilate with the finer discourse of serious drama. They are still glued to the age old stock situations full of melodrama, unrealistic actions of a make believe world.

From the experience of being in the audience for the last thirty years, it can safely

be assumed that experimental theatre in Assam has established as seperate indentity of its own as an alternative theatre.

As a part of their experimental research, time and space are snithced and overlapped freely; symbolism, metaphor and absurd metamorphosis are employed widely. The characters' inner world, including their deep psychology, subconsciousness and stream of consciousness are presented on the stage. Singing, dancing and music are also employed to build the whole dramatic effects. In subject matter, experimental theatre in Assam, like in the other parts of the country, has showed concern about the humanity and the value and significance of life and living. The agenda has invariably been the advancement of humanity by interpreting and analysing the recurrent basic enigmas of individual and public life. Extensive experimentations have been done in the level of all the essential elements of dramaturgy encompassing script, direction, settings, music, performance etc. Poetic, philosophical and equivocate language has been explored to enhance the expressibility of intended themes. In some dramas, in-coherent manner of speech and body language along with puns and exaggerated humour have been applied, while in some other cynicisim is used as a weapon to hit at blatant human follies.

Traditionally, there has been a highly hierachical method of creating theatre - a writer writes a script, a director interprets for the stage, the performers perform the collective vision of the director and the writer. In experimental theatre, the primacy of the director and the writer has been challanged directly. The director's role, in many instances, is minimised to an outside eye or a facilitator rather than the supreme authority figure.

Now let us look at some points that our amateur theatre groups may keep in mind. The most inportant point to be noted is that every member of an amateur group must be aware of the very basic reason why he/she is an amateurist, what drive in his heart has brought him to that theatre which does not guarantee him bread and butter. In the changing situation of the role of the performers, every performer must be equipped with a basic understanding of the lattest intellectual tenets that are dealt in by the playwrights.

The amateur theatre groups must also shoulder an important responsibility, that is of uplifting the quality of the audience. At present, these theatre activists have had to disseminate their thoughts and ideas within a very confined group of elite audiences.

But they must also keep on trying to reach out more and more people so that they become theatre-literate. For that they should very often produce comparatively simple plays, easy to digest. The dramatists should also deal in the commonest issues of workaday life. That will draw attention of the common people and once they are enamoured, they will start getting interested in the finer nuances of theatre making. It has been noticed with regret that there is a tendency in some theatre groups

to make use of as much obscure treatments as possible, only to create gimmick. This is sufficient to frighten away even those who try to tread upon this unpopular arena. There is no sense in quarantining experimental drama from the common mass. Of late, the cheap show business in electronic media and on stage have already left a very detrimental impact on the young generation. The dishonest producers of low quality TV serials have fatally harmed the taste of the common audience. So a great responsibility lies on the serious theatre activists to create a healthy environment which may instil in young mind a sound sense of both theatrical and literary art. They must carry on their experimentations towards perfection but that must not petrify the untrained audience. ●

***জানো আঁহা***

আৱিষ্কাৰ আৰু আৱিষ্কাৰকৰ তালিকা ঃ

| | | |
|---|---|---|
| টেলিস্কোপ | ঃ | হানৰ্ছ লিপাৰছে |
| দূৰদৰ্শন | ঃ | জন লগী বেয়াৰ্ড |
| থাৰ্মমিটাৰ | ঃ | গেলিলিঅ' গেলিলি |
| বেৰ'মিটাৰ | ঃ | ইভান জেলিষ্টা টৰচেলি |
| ছপাযন্ত্ৰ | ঃ | যোহান গুটেনবাৰ্গ |
| প্ৰেছাৰ কুকাৰ | ঃ | ডেনিছ পেপিন |
| ভাপ ইঞ্জিন | ঃ | জেমচ্ ৱাট |
| আধুনিক বাইচাইকেল | ঃ | মেক'মিলান |
| টেলিফোন | ঃ | আলেকজেণ্ডাৰ গ্ৰাহাম বেল |
| বিজুলী বাতি | ঃ | থমাছ আলভা এডিছন |
| অনাতাঁৰ যন্ত্ৰ | ঃ | গুগ্লিয়েলম মাৰ্কনি |
| ডিজেল ইঞ্জিন | ঃ | ৰোডলফ ডিজেল |
| উৰাজাহাজ | ঃ | উইলবাৰ ৱাইট আৰু অৰভিল ৱাইট |
| জেট ইঞ্জিন | ঃ | ফেঙ্ক হুইটেল |
| বীজ গণিত | ঃ | ডিঅ' ফিন্টাছ |
| চিলাই মেচিন | ঃ | ইলিয়াচ হাও |
| বৈদ্যুতিক পাংখা | ঃ | হুইলাৰ |
| এক্স-ৰে | ঃ | উইলহেলম কনৰেড বন্টগেন |
| মটৰ গাড়ী | ঃ | কাৰ্ল বেঞ্জ |
| তথ্য সংগ্ৰহ | ঃ | https : // youtube / Myr 5 wam ×Rnc ? si = KLDs 5 kcLwtkkcEHh |

Name : Debashruti Pathak
Class : 4th sem

# Catharanthus roseus (commonly known as Madagascar periwinkle) and Its Benefits.

**Dr. Hitesh Das**

HOD, Department of Chemistry

The degradation of our ecosystem is primarily attributed to the presence of pollutants, which significantly hinders the growth of both flora and fauna. As a result, numerous researchers and scientists are actively engaged in addressing these environmental challenges. One particularly effective approach involves the utilization of metal-tolerant plants for pollution remediation, a process known as phytoremediation. The Periwinkle, a perennial herb, is notable for its ability to produce flowers year-round, displaying a color range from white to deep pink with a darker red center. This plant contains approximately 130 terpenoid indole alkaloids, among which vincristine and vinblastine are recognized for their applications as anticancer agents. Following the transplantation of Catharanthus roseus (Periwinkle) saplings into lead-contaminated soils, subsequent analyses indicated a reduction in lead concentrations due to the metal adsorption mechanism employed during phytoremediation. This innovative and cost-effective green technology is applied for the remediation of contaminated soils, groundwater, and wastewater. The present study utilized the Catharanthus roseus plant, commonly referred to as Periwinkle, for the phytoremediation of various metals and pollutants in the environment. The accumulation of heavy metals within ecosystems, particularly in soil, poses a significant ecological threat as these metal ions can infiltrate living organisms through groundwater contamination or via the food chain.

In addition to its role in phytoremediation, the aqueous extract derived from the dried leaves of Catharanthus roseus has demonstrated efficacy in the management of diabetes. Moreover, this plant has been utilized in Kenya for cancer treatment. The dichloromethane extract of Catharanthus leaves encompasses all four known alkaloids: vindoline, vindolidine,

vindolicine, and vindolinine, which exhibit a significant ability to absorb glucose. Furthermore, an infusion created by boiling the leaves, stems, and roots of Catharanthus roseus is employed in the treatment of dementia, thereby suggesting its potential application as a therapeutic agent against Alzheimer's disease. It is noteworthy that not only these parts of the plant confer benefits; the flower extract also possesses antibacterial properties and aids in wound healing. ●

**References:**



1. Dhritilekha Deka, Deepak Patwa, Archana M. Nair & Karangat Ravi. (2024) Influence of biochar amendment on removal of heavy metal from soils using phytoremediation by Catharanthus roseus L. and Chrysopogon zizanioides L.. Environmental Science and Pollution Research 31:40, pages 53552-53569.
2. Soumya, V., H, B., & Kiranmayi, P. (2022). Potential of Catharanthus roseus applied to remediation of disparate industrial soils owing to accumulation and translocation of metals into plant parts. International Journal of Phytoremediation, 25(6),746-758. https://doi.org/10.1080/15226514.2022.2106183




# Artificial Intelligence (AI) to support Theoretical Physics Research and Teaching Physics in UG Classes

**Dr. Tapashi Das**
Assistant Professor, Department of Physics

When we speak about Artificial Intelligence (Al) in Physics we must admit that it helps to see through the laws of nature in a deeper insight. Technology like Al accelerates the discoveries and it widen the boundary of understanding. With the help of Al, researchers aim to create more powerful, flexible and interpretable algorithms. When I say theoretical physics let me restrict myself to high energy physics specifically Quantum Chromodynamics (QCD) (the fundamental theory of nature describing the strong interactions between quarks and gluons). Using Al effectively in theoretical physics requires a combination of expertise in both Al and the specific area of physics being studied. In Theoretical Physics we develop potential models to study the properties of heavy-light and heavy-heavy mesons such as their masses, form factors, charge radii, root mean square radii, Isgur-Wise Function, decay constant, CKM Matrix element. The application of a specific QCD potential model in this area of Physics is very interesting and the model as well as the whole procedure can be improved accordingly within the constraints of QCD with the help of Al. Solving very long and tough differential equations and analysing data from experiments like the Large Hadron Collider (LHC) is one of the toughest tasks to solve these potential model problems. Al can speed up these computationally intensive tasks. Al demands the reduction of computational cost and time in a great way. Machine Learning (ML) and



Al provides very important tool to develop and design new algorithms which can approximately solve a multitude of problems at less cost and time than the traditional methods. The predictions of the Standard Model (SM) and beyond the standard model (BSM) theories can be speed up with the help of Al and ML. To fit data to obtain Parton Distribution Functions (PDFs) the simulation techniques can be done in a faster way with AI and ML.

One example of physics inspired Al algorithms is the field of quantum machine learning. It is the intersection of Al with the foundational theory in Physics called Quantum Mechanics through the field of quantum machine learning. Quantum computers promise to revolutionize Al by efficiently solving problems that are currently intractable for classical computers.

There are also various research going on to support teaching-learning in Physics education with Al and it has gained significant attention in the field of physics education. Al-powered tools can make physics learning more engaging and interactive. Let me start with the syllabus offered by our affiliated University which is designed according to NEP rules and guidelines. The syllabus for Physics has python programming in every semester as a practical paper. Remembering codes in python programming is really a challenging task. But now a days there is Al python code generator which makes the process faster. And there is not just one single best Al coding tool, based on individual needs and preferences there are many of them, e.g., GitHub Copilot, Tabnine, Cursor Al and Google's Gemini Code Assist etc. To understand complex physics concepts and problems, Al can power interactive simulations and visualizations that help students in a more engaging way. Not only the students Al can also assist teachers with things like preparing lesson plan, tracking student progress, and to get students feedback in a faster way. Al can also help to assess the students and grading in automatic way. But teachers need to be trained to use Al effectively. ●

# The Wilderness of Raimona National Park

**Dr. Jaydev Mandal**
Assistant Professor
Department of Zoology

As a kid I heard from my grandfather about the giant Sal trees so wide that a truck could carry one log at a time. Undoubtedly I had made my calculation and thinking of the trees as thick as a house compared with the truck. Out of curiosity I used to ask him where is this forest ? How long does it take to reach there ? When can we visit ? And so on ! It was ten years later when I actually had the opportunity to witness the wildrness of the dense forest. It was so dense that I could barely see 3-5 meters, so tall that I kept gazing through the canopy. But I could find a Sal tree as my grandfather used to say. Walking through the historical forest and exploring the untold secrets over 20 years, I know where these trees are.

The alarm started buzzing 0500 hours in the morning, I was trying to reach it, fishing through my hand along the corners of the tent, under the pillow, and the insulated sleeping mat. Then I realised it was set to charge along with all the charging geras we wear about to carry along to the field. I peeped with my half opened eyes, it was dark outside and the light of the mobile screen was visible through the opaque sheet of the tent. It was chilling cold, but the excitement of witnessing the captivating Golden Langur jumping from tree to tree, Spotted Deer herding through the ravine, Butterflies mud puddling and tons of such curious thoughts flooded my mind. In the blink of an eye I reached out the vibrating mobile and turned the alarm off.

It was a weekly market at Kachugaon, all the vendors setting their shop with varieties of vegetables piling a colourful local produce. We stuffed the fresh veggies full of four bags, so did the grocery and put them on our vehicle. Had a bellyful breakfast and filled two 20 liter jars and a tank full with petrol. A team of seven reseachers and five conservation guards hopped in with the luggage on. A journey behind to village and the agricultural

fields, we look through the window and feel the warmth of the sunlight falling on our face.

The foothills of the Himalayas peeping above the dark green forest and the grey sky transforming blue with the odometer gradually dropping from 40 to 30 and 20 km/h. Yes we have entered the forest and the wide, smooth asphalt road now turned into a narrow, wobbly sand gravel. All of a sudden it dropped to 0 km/h and the vehicle stopped, no it's not the road this time, it was a herd of three, no four no there are even more giant elephants crossing the road, wait it was the road that has bisected their habitats. A total of 16 Elephants of different age groups munching on the twigs, barks and grasses. We captured many photos with the camera lenses sticking out through the windows. We waited patiently for them to pass and vanish into the bushes ; leaving their presence in the form of football size dung and droppings smelling so strong that they could last a week.

As we continued scanning through the canopy witnessing troops of Golden langurs, Scarlet Minivets, and Golden Birdwings glowing in the sunlight in the buzzing background of Cicadas. Large-jawed Wood Spiders hanging in between the Sal trees, Red Junglefowls and Indian Peafowls sprinting every now and then on the road ahead, the basking Bengal Monitors diving from the logs, Barking Deers gazing from the sides, we finally reached our destination by the side of a reiverbank with a view that mesmerized, goosebumped and left our mouth wide open that closed only after a voice commanding time to unload and set the camps. No we didn't, because the reflecting beam from the rippled river water talipathing each of us the same message. We looked at each other and



year old child knows it. We are not six anymore, who reminds us of that to us. Putting the shoes off pulling the pants knee above, we walked into the crystal clear water.

It was mid-day by the time we finished cleaning the area and setting up tents. Now it's time to help with the preparation of lunch. The temporary kitchen was already set and the firewoods are collected from the drying branches and logs. The road repair workers came with information of a snake underneath the toppled stones. On our first glance it was a beautiful silvery 3 feet snake trying to come out of a pit. On careful observation we discovered that it is a Lesser Black Krait, with a little help (placing a branch of tree) and it climbed and went to take shelter beneath the rock piles placed on the other side of the road. Ofcourse, we have taken a few photographs of it and asked the workers to continue with the job ensuring their safety.

In the evening we went to explore the ravine, carrying our binoculars, cameras, nets, hooks, torches and water bottles guarded by three conservation guards. The fishes are all around and can be seen in the clear, shallow water swimming and jumping with against the flow, prawns sliding under the rocks, water striders skating above the surface. The water current is as chilled as the water, I turned around with the binoculars hearing a Peafowl behind the bushes on the other side of the bank. There were many smaller family groups strolling and pecking on sand from time to time. From a corner in the distant two antlers approaching the river. The antlers belonged to the Chitals or Spotted Deer. I was observing through the binoculars the way it looked all around, flicking its tail, looking down and walking in the water with two front legs. The hindlegs are still on the sand bed, dipping the snout and sipping the water. Soon there was a herd of 35-40 deers quenching their thirst.

It was close to dusk on our way back to the camp after installing the camera traps. We were walking along the sand and shingle bed stepping stones, avoiding contact with water. We came across many foam-like structures glued to the grass three to five feet top. These structures are called ootheca of Praying Mantis. One of our friends saw a unique type of spider called Net-casting Spider waiting for its next prey flexing the net wide. By the time we reached our camp, our dinner was ready to serve made by the remaining two conservation guards. We had a nice and warm meal, enjoyed the silent music of the wilderness, gossipped and laughed about the adventure we did today, made plans for the morning, went inside our tents, no alarms were set and slept soundly.

The sleep was disrupted by the beeping alarm, wait a moment no one set the alarm as it was discussed, is it set by the workers tent roughly 10 meters apart ? No it was coming from even far, is it an alarm after all ? So many thoughts and so many possibilities. Wait a moment, it was coming from different places now. They sound familiar. Oh yes ! These are the calls of Greater Racket-tailed Drongos,

the alarm clocks of the jungle. I stepped out of the tent with the head lamps on and got freshened up for the birding. My friends have also woken up, everyone looking so fresh. By the time we reached the river side, the sun started emerging through the vanishing fog. We crossed the river, observing the birds, listening to their calls listing the counts. As we were walking through the ravine grass patches, the barking deer munching on grass for breakfast in front a green background highlighted by the golden rays, and blue mountains ; that I forget to watch my steps. In the very moment when I walked ahead to capture the beauty something just frightened us all. It was a Black Francolin that just fleeted from where I stepped forward. We were so shocked that the deer stopped munching and looked and disappeared at once with a leap.

We did two more transects and continued our exploration before going to extract the camera trap photos. On the soggy sand we came across the huge imprint pattern of a Royal paw, a pugmark of a Tiger. It was like getting a gold medal in the Olympics for us, full of joy, excitement and cheering, we checked through the display of our first camera trap photos. Nothing was there, no worries, we had plenty of days with us. Then we went extract the photos of successive traps. There were uprooted grass bottoms, broken branches, football size dungs with a very strong smell. Wait a minute, one of our camera traps was displaced and the third one was broken. We knew who did this because of the human smell on the trap. Luckily the memory chips were intact with more than 50 photos of different parts of trunk, feet and the herd on it.

Days went by and we continued our same routine for fifteen consecutive days, observing, recording and living the wild heart. The food supply we brought was over. Now it's time to pack up. I was wrong, thinking of having plenty of days to explore and adventure. But, the memories I/we am/were taking back with us will be shared and told to friends, families and repeated over and over again. ●

# Diving in too Deep

**Harshita Das**
2nd Semester

Meaning of sudden loss, mourning and grief. Zubeen Garg : the hearthhrob of Assam lost his life in Singapore. On the occasion of 4th North-east India festival. Garg had traveled to Singapore to participate in the festival which was scheduled from September 19 to 21. Zubeen had always been a water baby.

In his song "প্ৰতিদিনে" he wrote "আকাশে গাতে ল'বৰে মন, সাগৰ তলিত শুবৰে মন" this lines has a whole different meaning from now. The whole nation wasn't prepared for the biggest loss. Today Even if the sun rises in the Brahmaputra yet it seems colorless and empty without him. Everyone shouted at death like it is a nightmate of grief. Everyone have reached Guwahati across the state to pay their last respects to the legend who mesmerized everyone with more than 38,000 songs sung in 40 languages and dialects. At every corner of the state as a tribute to the heartbeat of Assam everyone sings "মায়াবিনী" Every corner of the city resonates with mourning and grief, an atmosphere that feels unreal and deeply moving. Streets are screaming and every generation mourns. Everyone is wailing and shouting "জয় জুবিন দা"।

As a student of this generation i felt devastated and excruciatingly sad that till our memory fades and life departs Zubeen Garg will forever hold a place in our hearts. He's gone from our touch but never from our memories. Rongali Bihu will never feel the same without him, even Happiness, sadness, will also feel his absence. He never ever had an end but he was like the rising sun full of colors who never distinguish between anything. He was free-flowing. "মন যায়" was his epic dialogue which every generation can feel from the bottom of their heart.

In his song "মোৰ কথাই আমনি কৰেনে" he cited that

"যাবৰে সময়ত একোকে নক'লা"
কিদৰে থাকিম নাভাবিলা
যাবৰে সময়ত উভতি নাচালা
কিদৰে পাহৰিম নুবুজিলা"

and every generation can feel the lyrics very deeply, as he never said goodbye or anything before leaving us empty with his memories only. The weight of silence lingers, thick like a fog in an empty room.

Assam has lost its era, music and language. Today we're desolate. But the Reality is we have to say adieu to our great legend. We're too young to accept the truth that Zubeen daa left us with immense of sadness.

At last with teary eyes we all can say that he creates a history with his music and god take his favorite child with him forever. Rest easy in heaven Zubeen Garg.

অসমীয়াৰ

এটি যুগৰ অন্ত হ'ল
এটি গান শেষ হ'ল

হয়তোবা

এটি ভাষাৰ সমাপ্তি হ'ল।
হয়তো নোলাব তেনে কোনো অধিকাৰী
আজি আমি ঘাট মাউৰা
নাই ভূপেন নাই জুবিন!
বজাব লগা হ'ল
বৈৰাগী বীন। ●



# THE PHYSICS BEHIND TIME TRAVEL: SCIENCE OR SCI-FI?

**Noornehar Begum**
6th Semester

Time travel is a concept that feels like blockbuster movies, Sci-fi novels, and late night debates among college friends. From *Intersteller( 2014)* to *Back to the Future (1985)*, we're fascinated by the idea of jumping through time, like it's just another stop on the subway. But there's the real question : Is time travel actually possible or is it just science fiction ?

## Time : The Fourth Dimension

In physics, time is treated as the fourth dimension, alongside the three dimensions of space. This idea comes from Einstein's theory of relativity, which fundamentally changed how we understand time. According to special relativity, time isn't a constant– it can stretch and shrink depending on your speed.

For example, if travel close to the speed of light, time slows down for us relative to someone on Earth. This effect is called time dilation, and it's not just theory. Astronauts on the International Space Station actually age a bit slower than us. So, in a way, time travel to the future is already scientifically proven, though the effect is tiny.

## The Future is Easier than the Past

Travelling to the future is allowed by physics – if we can go fast enough or get close to a strong gravitational field (like a black hole), we can jump forward in time. But going backward? That's where things get weird. Einstein's general relativity allows for the possibility of "closed time-like curves," which are loops in space-time that could theatrically let us return to the past. Objects like wormholes (tunnels through space time) or relating to black hole have been proposed as potential time machine. But there's a catch : these solutions are highly theoretical and would require exotic matter or energy — things we haven't discovered yet.

## The Paradox that breaks brains :

Time travel to the past introduces famous paradoxes. Take the grandfather paradox : if we go back and prevent our grandmother and grandfather from marrying

each other, could we still exist ? This kind of logical contradiction suggests something is off.

Some physicists argue that the universe would somehow self-consistently prevent such paradoxes from happening. Others think that time travel to the past might be impossible altogether or that it could lead to parallel timelines or alternate realities, where each action spurns a new universe.


**So...........Science or Sci-Fi ?**

Right now, time travel is a blend of both. Travelling to the future is supported by relativity, though we don't yet have the technology to make big leaps. Travelling to the past remains speculative and full of unresolved questions.

Physicists like Stephen Hawking were skeptical, often pointing out that we haven't met any "time tourists." But others, like Kip Thorne, explored the myth and found that, under very specific (and unlikely) conditions, time machines aren't entirely ruled out.

**Final Thought :**

Time travel stretches our imagination — and our physics. It challenges the limits of what we know and pushes us toward what we might discover. For now, it's a beautiful fusion of science and science fiction. But who knows ? Someday, the line between the two might disappear — just like someone vanishing into a Doraemon. ●



# Floods and Erosion in Barpeta, Assam:
## A Persistent Crisis Demanding Sustainable Solutions

**Aminul Islam Uddin**
Former Magazine Secretary
MC College Student Union 2018-19

Barpeta, a district in Assam nestled in the Brahmaputra Valley, is renowned for its rich agricultural heritage and cultural significance. However, it is also one of the most flood- and erosion-prone regions in the state, grappling with annual devastation caused by the Brahmaputra River and its tributaries. These natural disasters profoundly impact the lives, economy, and environment of Barpeta, making it a critical issue for college students to understand as a case study in environmental challenges, climate change, and community resilience.

**The Scale of the Crisis**

Barpeta, spanning 3,245 square kilometers and accounting for 4.2% of Assam's total area, is crisscrossed by the Brahmaputra and its tributaries, including the Manas, Beki, Pahumara, Kaldia, Nakhanda, Mara-Chaulkhowa, and Bhelengi rivers. These rivers, while vital for agriculture, bring catastrophic floods and erosion. According to the Assam State Disaster Management Authority (ASDMA), Barpeta is among the state's most flood-affected districts. In 2023, floods impacted 67,057 people in Barpeta, while in 2022, over 1 million residents across the district were affected. The 2024 floods, peaking in July, inundated 29 villages and damaged 2,402.51 hectares of cropland, displacing thousands.

Erosion, an equally severe issue, has eroded vast tracts of fertile land, settlements, and infrastructure. Since the 1950s, Assam has lost 4.27 lakh hectares to erosion-7.4% of its total area-with Barpeta bearing a significant share. Areas like Chenga, Baghbor, and Barnagar have seen entire villages washed away. For instance, the Brahmaputra's relentless erosion has reduced the landmass in Barpeta's char (riverine island) areas, displacing communities and threatening their livelihoods.

**Causes of Floods and Erosion:**

The floods and erosion in Barpeta result from a complex interplay of natural and human-induced factors:

Climatic and Hydrological Factors: Barpeta lies in a high-rainfall zone, receiving an average of 2,900 mm annually, with 85% concentrated in June and July. Heavy rainfall in upstream regions like Bhutan, coupled with the Brahmaputra's high sediment load, causes rivers to overflow and erode banks. Flash floods, triggered by sudden downpours in the Manas and Beki rivers, are common, as seen in the 2024 flooding in Chenga.

**Climate Change:** Rising global temperatures have intensified monsoon patterns, leading to erratic and extreme rainfall. In 2022, Barpeta experienced 235-663% excess rainfall in May and June, overwhelming rivers and infrastructure. Environmentalist Partha Jyoti Das notes that climate change has made "very heavy rainfall in a short period" the norm, exacerbating flood risks.

**Deforestation and Land Use Changes:** Deforestation in the Eastern Himalayas and Bhutan has reduced soil's water-absorption capacity, increasing surface runoff and erosion. Practices like jhum (slash-and-burn) cultivation strip away vegetation, contributing to sedimentation that raises riverbeds. Geographer Abani Kumar Bhagabati highlights deforestation as a primary driver of worsening floods and erosion in Barpeta.

**Aging Infrastructure:** Barpeta relies on embankments built in the 1950s and 1960s, many of which have outlived their lifespan. In 2022, breaches in embankments along the Beki and Manas rivers flooded vast areas from Chenga to Baghbor. Poor maintenance and reliance on outdated "grey infrastructure" exacerbate the crisis.

**Human Encroachment:** Population growth has driven settlements into floodplains. Barpeta's population density increased from 9-29 people per sq. km in the 1940s to 398 per sq. km in 2011, putting pressure on riverbanks. Unsustainable practices like riverbed mining further aggravate erosion.

**Impacts on Barpeta's People and Economy**

The floods and erosion in Barpeta have far-reaching consequences, affecting livelihoods, infrastructure, and social fabric:

**Loss of Life and Livelihoods:** In 2023, 67,057 people were affected by floods in Barpeta, with significant loss of life and property. The 2022 floods impacted over 1 million residents, disrupting livelihoods. Erosion has permanently destroyed farmland, forcing farmers into daily wage labor or migration to urban centers like Guwahati, where opportunities are limited, especially for women.

**Agricultural Devastation:** With 70% of Barpeta's population dependent on agriculture, floods and erosion devastate crops and livestock. In 2023, 2,402.51 hectares of cropland were inundated, while earlier floods destroyed thousands of hectares of paddy and jute fields. This threatens food security and pushes families into poverty.

**Infrastructure Damage:** Floods and erosion have damaged critical infrastructure, including roads like the Barpeta-Howly and Barpeta-Bhawanipur highways. In 2004, erosion along the Brahmaputra destroyed significant portions of these roads, disrupting connectivity. In 2023, the Sukhuarjhari Mahishkhuti area saw roads washed away, affecting students' access to schools and patients' access to healthcare.

**Economic Toll:** Floods and erosion cost Barpeta millions annually in damages to crops, homes, and infrastructure. The 2020 floods alone caused losses worth 439.312 crore across Assam, with Barpeta among the hardest hit. Repeated rebuilding efforts strain the district's economy.

**Current Mitigation Efforts**

The Assam government, in collaboration with ASDMA, has implemented several measures to address the crisis in



Barpeta. In 2023, USD 208,000 was allocated for flood and erosion control in six districts, including Barpeta, to repair roads, embankments, and culverts. The Indian Army's Brahmastra Corps conducted rescue operations in 2022, saving 70 villagers in Barpeta and Dhubri. ASDMA, with support from CivicDataLab, has developed data-

**Displacement and Social Vulnerability:** Floods displace thousands annually, with 44 relief camps housing 713 people in Barpeta in 2023. Erosion-induced displacement is often permanent, particularly in char areas, where marginalized communities like the Bengali-speaking Muslims face heightened discrimination during relief efforts.

driven models to prioritize flood-prone districts like Barpeta for relief and mitigation.

However, these efforts are largely short-term. Aging embankments, inadequate maintenance, and a lack of long-term planning limit their effectiveness. The "embankment economy," where vested interests profit from repetitive construction, has hindered innovative solutions.

**Toward Sustainable Solutions**

To address Barpeta's flood and erosion crisis effectively, a multi-pronged approach is essential:

**Green Infrastructure:** Restoring wetlands and forests in upstream areas like Bhutan can reduce runoff and erosion. Wetlands act as natural sponges, while forests stabilize soil. Traditional practices, such as the Mishing community's raised-platform homes, offer inspiration for eco-friendly solutions.

**Modernized Embankments and Dredging:** Upgrading embankments with durable materials and regular maintenance is critical. Deepening riverbeds through dredging, as proposed for the Brahmaputra, can increase water-carrying capacity and reduce erosion.

**Climate-Resilient Planning:** Reassessing flood patterns with climate change in mind is vital. Early warning systems, like those piloted by ASDMA, and flood-resistant crops can minimize losses. Barpeta's farmers could benefit from drought- and flood-tolerant rice varieties.

**Community Empowerment:** Engaging local communities, particularly in char areas, in disaster preparedness can enhance resilience. Training programs and community-based early warning systems can empower residents to respond effectively.

**Policy Reforms:** Declaring Assam's floods a national disaster could unlock more central funding for Barpeta. The 2004 Task Force recommendations, including increased investment in flood control, remain relevant but underutilized.

The flood and erosion crisis in Barpeta is a complex challenge rooted in climatic, geographical, and human factors. For college students, understanding this issue offers insights into environmental sustainability, social equity, and disaster management. By blending modern technology, ecological restoration, and community resilience, Barpeta can transform this recurring crisis into an opportunity for sustainable development. As the Brahmaputra continues to shape the district's destiny, collective action and informed policy can ensure a future where Barpeta thrives in harmony with its rivers, rather than in fear of them. ●

**Sources:** ASDMA reports, CivicDataLab, expert insights from Partha Jyoti Das and Abani Kumar Bhagabati, and regional flood data from 2022-2024.

# Heat Waves and the Future of Room Temperature

**Luvna Dewan**
6th Semester

In recent years, heat waves have emerged as one of the most visible and devastating signs of our changing climate. These prolonged periods of intense heat are not only becoming more common but also more severe, stretching the limits of human endurance, natural ecosystems and urban infrastructure. As global temperature continue to rise, understanding the future congruences of heat waves has never been more urgent.

## The Rising Frequency of Heat Waves :

Heat waves occur when high pressure systems trap warm air close to the ground for days or weeks, leading to soaring temperatures. While they have always been past of natural weather partners, human induced climate change is intensifying them. According to climate scientists, as greenhouse gas emissions push global temperatures upward, heat waves that were once considered ''rare'' are now happening more regularly and lasting longer studies show that the number of extreme heat events has doubled in the past few decades, and projections suggest they will continue to rise in frequency, duration, and intensity if current trends continue.

## Consequences for Human Health :

One of the most immediate of severe impacts of heat waves is on human health-prolonged exposure to extreme heat can lead to dehydration, heat exhaustion, and even fatal heatstroke. Vulnerable population-including the elderly, infants, and people with pre existing health condition are particularly at risk.

Moreover, as nights become hotter, the human body gets less opportunity to cool down, increasing the risk of heat related illness. Urban areas, especially in low-income neighbourhoods, often experience even higher temperatures due to the urban heat island effect, where concrete and asphalt absorb and retain heat.

## Strain on Ecosystem and Agriculture :

The natural world is not immune to the impacts of heat waves. Prolonged heat stresses plants of wildlife, leading to reduced

biodiversity, forest diebacks and shifts in species distribution. In agriculture, extreme heat damages crops, reduces fields and places immense stress on livestock, threatening global food security.

Heat waves also brings drought conditions, dry out soils, and increase the risk of wildfires. The devastating wildfires witnessed in parts of Australia, the Mediterranean and
North America in recent years are closely linked to prolonged heat events.

**Economic and Intrastructure Challenges :**

The economic cost of heat waves are enormous. High temperature increase energy demand, as people rely heavily on air conditioning to stay cool, which can lead to blackouts when power grids are overwhelmed. Transportation networks such as roads & railways, can warp or buckle under extreme heat, disrupting commerce & daily life.

**What Does Future Hold ?**

If global warming continues unchecked heat waves could become dangerously routine. Climate models predict that by the end of the century, some regions could experience weeks or even months of extreme heat annually. Certain parts of the world, especially in the middle East, south Asia, and parts of Africa, could face conditions so severe that they become uninhabitable during peak heat periods.

However, there is hope. Reducing green house gas emissions, transitioning of renewable energy and investing in heat resilient infrastructure can mitigate the worst impacts. Urban design improvements like planting more trees, increasing green spaces and using reflective building materials can also help cities stay cooler.

Public health initiatives like early warning systems, and community cooling centres are essential strategies to protect people during extreme heat events.

Heat waves are no longer isolated events, they are a growing global crisis with profound implications for health, ecosystems, economies and daily life. The future consequence of unchecked heat will be severe, but with collective action, innovative solution and global cooperation, we can build a more resilient and sustainable future in the face of rising temperatures. ●

# RAMADAN

**Sajamal Badsha**
4th Semester

Ramadan is the ninth month of the Islamic calendar and is observed by Muslims worldwide as a month of fasting to commemorate the first revelation of the Quran to Muhammad according to Islamic belief. This annual observance is regarded as one of the Five Pillars of Islam. The month lasts 29-30 days based on the visual sightings of the crescent moon, according to numerous biographical accounts compiled in the hadiths.

The word Ramadan comes from the Arabic root ramida or ar-ramad, which means scorching heat or dryness. Fasting is fardh (obligatory) for adult Muslims, except those who are suffering from an illness, travelling, are elderly, pregnant, breastfeeding, diabetic or going through menstrual bleeding. Fasting the month of Ramadan was made obligatory (wajib) during the month of Sha'aban, in the second year after the Muslims migrated from Mecca to Medina. Fatwas have been issued declaring that Muslims who live in regions with a natural phenomenon such as the midnight sun or polar night should follow the timetable of Mecca.

While fasting from dawn until sunset, Muslims refrain from consuming food, drinking liquids, smoking, and engaging in sexual relations. Muslims are also instructed to refrain from sinful behavior that may negate the reward of fasting, such as false speech (insulting, backbiting, cursing, lying, etc.) and fighting. Food and drinks are served daily, before dawn and after sunset. Spiritual rewards (thawab) for fasting are also believed to be multiplied within the month of Ramadan. Fasting for Muslims during Ramadan typically includes the increased offering of salat (prayers) and recitation of the Quran.

Hilal (the crescent) is typically a day (or more) after the astronomical new moon. Since the new moon marks the beginning of the new month, Muslims can usually safely estimate the beginning of Ramadan. [25] However, to many Muslims, this is not in accordance with authenticated Hadiths stating

that visual confirmation per region is recommended. The consistent variations of a day have existed since the time of Muhammad.

**Night of Power**


Laylat al-Qadr, which in Arabic means "the night of power" or "the night of decree", is considered the holiest night of the year. This is the night in which Muslims believe the first revelation of the Quran was sent down to Muhammad stating that this night was "better than one thousand months [of proper worship], as stated in Chapter 97:3 of the Quran.

Also, generally, Laylat al-Qadr is believed to have occurred on an odd-numbered night during the last ten days of Ramadan, i.e., the night of the 21st, 23rd, 25th, 27th or 29th. The Dawoodi Bohra Community believe that the 23rd night is laylat al Qadr.

**End**

Main articles: Eid al-Fitre and Eid prayers

The holiday of Eid al-Fitre (Arabic: ??? ????? ) marks the end of Ramadan and the beginning of the next lunar month, Shawwal. This first day of the following month is declared after another crescent new moon has been sighted or the completion of 30 days of fasting, if no visual sighting is possible due to weather conditions. This first day of Shawwal is called Eid al-Fitr. Eid al-Fitr may also be a reference towards the festive nature of having endured the month of fasting successfully and returning to the more natural disposition (fitra) of being able




to eat, drink and resume intimacy with spouses during the day.

Religious practices[edit]

Azim Azimzade. Ramadan of the poor people. 1938

The common practice during Ramadan is fasting from dawn to sunset. The pre-dawn meal before the fast is called the suhur, while the meal at sunset that breaks the fast is the iftar. Considering the high diversity of the global Muslim population, it is impossible to describe typical suhur or iftar meals.

Muslims also engage in increased prayer and charity during Ramadan. Ramadan is also a month where Muslims try to practice increased self-discipline. This is motivated by the Hadith, especially in Al-Bukhari 21 and Muslim, [23] that "When Ramadan arrives, the gates of Paradise are opened and the gates of hell are locked up and devils are put in chains

**Fasting**

Main article: Sawm of Ramadan

Ramadan is a time of spiritual reflection, improvement and increased devotion and worship. Muslims are expected to put more effort into following the teachings of Islam. The fast (sawm) begins at dawn and ends at sunset. In addition to abstaining from eating and drinking, Muslims also increase restraint, such as abstaining from sexual relations and generally sinful speech and behavior. The act of fasting is said to redirect the heart away from worldly activities, its purpose being to cleanse the soul by freeing it from harmful impurities. Ramadan also teaches Muslims how to better practice self-discipline, self-control, [35] sacrifice, and empathy for those who are less fortunate; thus encouraging actions of generosity and compulsory charity. It becomes compulsory for Muslims to start fasting when they reach puberty, so long as they are healthy and sane, and have no disabilities or illnesses. Many children endeavour to complete as many fasts as possible as practice for later life.

Exemptions to fasting are travel, menstruation, severe illness, pregnancy, and breastfeeding. However, many Muslims with medical conditions insist on fasting to satisfy their spiritual needs, although it is not recommended by the hadith. Professionals should closely monitor such individuals who decide to decide to persist with fasting. Those who were unable to fast still must make up the days missed later. [38]

**Suhur**

Main article: Suhur

Iftar at Sultan Ahmed Mosque in Istanbul, Turkey

Each day, before dawn, Muslims observe a pre-fast meal called the suhur. After stopping a short time before dawn, Muslims begin the first prayer of the day, Fajr. At sunset, families hasten for the fast-breaking meal known as iftar.

**Iftar**

In the evening, dates are usually the first food to break the fast; according to tradition, Muhammad broke fast with three dates. Following that, Muslims generally adjourn for the Maghrib prayer, the fourth of the five daily prayers, after which the main meal is served.

Social gatherings, many times in a buffet style, are frequent at iftar. Traditional dishes are often highlighted, including traditional desserts, and particularly those made only during Ramadan. Water is usually the beverage of choice, but juice and milk are also often available, as are soft drinks and caffeinated beverages. [37]

In the Middle East, the iftar meal consists of water, juices, dates, salads and appetizers, one or more main dishes, and various kinds of desserts. Usually, the dessert is the most important part during iftar. Typical main dishes are lamb stewed with wheat berries, lamb kebabs with grilled vegetables, or roast chicken served with chickpea-studded rice pilaf. A rich dessert, such as luqaimat, baklava or kunafeh (a buttery, syrup-sweetened kadaifi noodle pastry filled with cheese), concludes the meal

Over time, iftar has grown into banquet festivals. This is a time of fellowship with families, friends and surrounding communities, but may also occupy larger spaces at masjid or banquet halls for 100 or more diners. [43]

Slidated to colony piding

Charity

Main articles: Zakat and Sadaqah

Men praying during Ramadan at the Shrine of Hazrat Ali or "Blue Mosque" in Mazar-i-Sharif, Afghanistan

Charity is very important in Islam, and even more so during Ramadan. Zakat, often translated as "the poor-rate", is obligatory as one of the pillars of Islam; a fixed percentage of the person's savings is required to be given to the poor. Sadaqah is voluntary charity in giving above and beyond what is required from the obligation of zakat. In Islam, all good deeds are more handsomely rewarded during Ramadan than in any other month of the year. Consequently, many will choose this time to give a larger portion, if not all, of the zakat that they are obligated to give. In addition, many will also use this time to give a larger portion of sadaqah in order to maximize the reward that will await them at the Last Judgement, [citation needed]

**Nightly prayers Main article: Tarawih**

Tarawih Arabic refers to extra prayers performed by Muslims at night in the Islamic month of Ramadan. Contrary to popular belief, they are not compulsory. [44] However, many Muslims pray these prayers in the evening during Ramadan. Some scholars who maintain that Tarawih is neither fard or a Sunnah, but is the preponed Tahajjud (night prayer) prayer shifted to post-Isha' for the ease of believers. But a majority of Sunni scholars regard the Tarawih prayers as Sunnat al-Mu'akkadah, a salaat that was performed by the Islamic prophet Muhammad very consistently.

**Recitation of the Quran**

In addition to fasting, Muslims are encouraged to read the entire Quran. Some Muslims perform the recitation of the entire Quran by means of special prayers, called Tarawih. These voluntary prayers are held in the mosques every night of the month, during which a whole section of the Quran (juz', which is 1/30 of the Quran) is recited. Therefore, the entire Quran would be completed at the end of the month. Although it is not required to read the whole Quran in the Tarawih prayers, it is common.

As Muslims, we are required to read or hear the Quran in its entirety during this month. Every night of this month, an Imam (preacher) recites the Quran by heart (memorization) in prayer. The Quran has 30 chapters with 25 pages in each chapter all written in the Arabic language. Listening to the recitation of the Quran and standing in prayer is considered worship. As a Muslim we believe in life after death and all rewards that we accumulate with good deeds will be given to us in the hereafter. During the month of Ramadan all rewards are

multiplied by thousands compared to rewards given for good deeds during other months. So people try to worship as much as they can to get the utmost benefit of this month.

The month of Ramadan has three parts. The first ten days are reserved to gain the mercy of Allah (God), this is done by doing good deeds and therefore gaining His pleasure. The second ten days are reserved for forgiveness. This is done by crying to Him (God) in humility. The third ten days to gain emancipation from the fires of hell. Finally, after a hard month of work, worship, and strictly following the Islamic guidelines, we await the day of celebration. It is not a holiday, because every day of Ramadan is a holiday, but the day we celebrate at the end of the month is called Eid-Ul-Fitr.

On the morning of Eid there is a flurry of activity in each household. All Muslims get dolled up in the best clothes that they own, favorably traditional clothes. On that morning we eat something sweet then head off to the prayer hall with family and friends. At the hall a speech is given then everyone prays together. Afterwards everyone greets and meets each other. After that family and friends go out together to have brunch. The whole day is spent meeting people, going to their homes, exchanging gifts, having picnics, and presents are given to children. It is a joyful day for people of all ages. This day is not restricted to Muslims only, people of all faiths are welcome to join in. It is just a wonderful celebration to get together in peace and harmony. ●

# Importance of Rice in Green Revolution

**Morjina Parveen**
M.Sc 4th Semester

Rice played a crucial role in the Green Revolution, which was a period of agricultural transformation that significantly increased food production in the mid 20|th century. Rice is important because the introductions of hybrids like IR8 (Mirack Rice) and IR36 greatly influenced cropping cycles, allowing for multiple harvests per year. Rice is staple food for over half the world's populations, especially in Asia. Higher yields help reduce hunger and malnutritions in countries like India, China and the Philippines. The green revolution promoted the use of chemical fertilizers, pesticides and irrigation to maximize rice productions. Mechanisation (tractors etc.) made large-scale cultivation more efficient.



Increased rice production led to higher incomes for peasants and contributed to rural economics. Countries like India became self-sufficient in food grains like increased rice production. While production boomed, issues like soil degradation, excessive water use, and loss of biodiversity emerged. Over reliance on chemical inputs led to pollutions and declining soil fertility in some regions. The green revolution transformed rice cultivation, making it a cornerstone of global food security. However, sustainable practices are now needed to address the environmental challenges caused by intensive farming. In the green revolution, the highest importance was given to what, followed by rice. ●

# Influence of Social Media on Mental Health

**Prayashi Sarma**
6th Semester

In today's digital era, social media plays a significant role in shaping our thoughts, emotions and interactions, while it offers a platform for communication, learning and self expression, its impact on mental health is a growing concern.

## Negative impact:

**Anxicty & Depression** : Constant comparison with created life styles can lead to low self esteem and self doubt.

**Addiction & Sleep Disruption** : Excessive screen time harms mental and physical health.

## Positive Aspects :

**Awareness & Support:** Social media promotes mental health campaigns and support groups.

**Self Expression & Connectivity :** It allows people to share their thoughts and find like minded communities.

## Finding Balance:

**To maintain good mental health, we should**


Limit screen time.

Engage in offline activities.

Prioritize real life relationships.

Use social media mindfully.

By adapting responsible social media habits. We can ensure a healthier relationship with the digital world while safeguarding our mental health. ●



# The Whispering Forest

**Rakhi Sutradhar**
M.Sc 4th Semester

Deep in the heart of an ancient forest, where sunlight wove golden patterns on the mossy ground, a young girl named Lila wandered with quiet steps. She had always felt a strange connection to the trees, as if they spoke in voices only she could hear. One evening, as she followed a winding path near a clean, bubbling brook, she noticed something unusual, a great oak tree, its bark glowing faintly in the fading light. She placed her hand on its rough surface, and a soft whisper filled her mind. "Protect us, and we will protect you". Startled, she stepped back, but curiosity held her in place. She had heard tales of the whispering forest, a place where nature spoke to those who listened, but never believed it until now. From that night on, Lila visited the oak every evening, learning the language of rustling leaves and murmuring winds. She understood when the trees were thirsty, when the earth was wounded, and when the animals needed shelter. In return, the forest thrived under her care, growing greener and more vibrant. Years passed and people in the nearby village noticed how the forest never withered, even in the harshest winters. They spoke of a guardian, a keeper of nature's balance. But only Lila knew the truth. She simply listened to the whispers of the trees and in their quiet rustling, they thanked her. ●



# Mira : A Young Girl's Social Media Success

**Bhairabi Medhi**
6th Semester




Mira, a young girl with big dreams, lived in a small town with her mother, who made beautiful handmade candles. But selling them wasn't easy, and sometimes money was tight.

One day. Mira had an idea why not use social media to help her mother's business ? She created Instagram and Facebook pages. Clicked beautiful pictures and posted videos showing her mother's love and effort in making candles. Slowly, people noticed and orders started coming from different cities!

As the business grew, Mira and her mother decided to help struggling women by teaching them candle making. There women found help, hope and a steady income. Mira even designed a logo and started a Youtube channel inspiring others to use social media for good. Thanks to her belief and determination. Mira not only changed her mother's life but also empowered many women. Her story proves that a simple idea, backed by hard work can create a brighter future. ●



# Poetry



# HAIKU

**Chandana Pathak**
Ex-Student
Presently Renowned Assamese Writter

( 1 )
The colour of orange !
The chair on the balcony
watching the sunset .

( 2 )
A spoon of honey !
An owl is hooting outside
Therein lies the truth.

( 3 )
The morning glory !
They are blindfolded to catch
The falling cottage .

( 4 )
Crack of dawn catches
Flowers and twitter of birds—
God forgets Himself !

( 5 )
Blooming leads to fall !
shadow and light, sun and shade—
How far can you go ?

( 6 )
Thirst of the osprey !
Silence of the summer wind—
Drops the floral leaves .

( 7 )
Chirping of insects !
Bent grasses covers the way
Left behind by love. ●



# Guiding Light

**Barakha Rani**
2nd Semester

He loves both strong and true,
He guides us in all that we do.
With steady hands and heart so kind,
A better mentor you won’t find.
He’s there to catch us when we fall,
And lift us up, standing tall.
Through every trial, through every test,
His love is always best.
His wisdom shines, a guiding light,
That helps us choose what’s wrong or right.
He builds our dreams, he makes them real,
His love, we always feel.
He works so hard, yet finds the time,
To share his laughter, make us climb.
With every smile, with every cheer,
His love is always near.
So he is a father, who is and strong,
His love will carry us along.
In every step, in all we do
A father’s love will see us through. ●

# Life

**Tasmina Aktara**
2nd Semester

Life is a journey
Full of dreams
Accompanied by
sorrows and joys
life is a season
That changes
with the law of nature
learning behind memories
of movements passed by
Life is struggle
and everyone here
Is a gladiator
every minute
we create is a miracle
every second
flows like a river
leaveing behind
memories to cheer. ●






# My Thoughts

**Rakibul Islam**
2nd Semester

Days pass by somehow
But nights now are a wagon of pain
Injuries may heal with time
But marks will always remain
Restless on my comfortable bed
I toss and turn and try to sleep
But thoughts are bulking my head
And have formed a huge heap
The past is flashing scorching light
Tearing me apart while I unleash
The darkness of my life is more visible
As I dive deeper
And now I am trying to give it a voice
Trying to speak my heart. ●

# Reflection on Staring



**Elius Khan**
2nd Semester

We sat beneath the weary sun,
Two friends, a question yet undone.
“Why do you stare with eyes unkind,
At passing girls, with thoughts maligned?”

He laughed, a hollow sound so bare,
“It’s just for pleasure, nothing rare.
“ I paused and looked him in the eye,
“But what if, then, the same drew nigh?”

“What if,” I asked, with a tone so stern,
“Someone did the same in turn,
To your sister, eyes like darts?”
He shrugged, “No sister dwells in my heart.”


“And your mother, if stared with scorn?”
He smirked, “She’s old, worn and torn.
No eyes will wander where age resides,
No lust follows where beauty hides.”

“What then of a wife,” I probed once more,
“Should she bear glances cruel and sore?”
He frowned, a shadow passed his face,
“Who’s to judge her virtue, her grace?
Was she pure before my claim,
Or did she dance in another’s flame?”

I sighed, a silence, sharp and thin,
One final word I whispered in,
“What if eyes of strangers meet,
Your daughter, small, with wandering feet?”

And then I saw it, sudden, stark,
A tear that left a burning mark.
The gaze he cast was drenched in pain,
Realization’s sudden rain.

“What madness breeds in careless hearts,
To see in others, broken parts?
No soul deserves that tainted gaze,
To burn in judgment’s scorching blaze.”
In that moment, silence won,
Two friends beneath a setting sun. ●



# The Dance of Particles


**Namrata Das**
6th Semester

In the realm of the smell, where atoms play,
Particles dance, in a quantum way.
Electrons spin, Protons reside,
Neutrons neutral, side by side.
Waves and particles, a dual delight,
Light's mystery, a wondrous sight.
At play, a balance so fine,
Gravity's pull, a universal sign.
In the realm of the large, where galaxies roam
gravity's reach, a cosmic home.
Stars and planets,
A celestial show,
The universe's grandeur, for all to know. ●

# Our Green House

**Jinnat Arifa**
6th Semester

In verdant vistas, our world's reborn
where emerald forests stretch, and
wild flowers swarm.
In this terrestrial paradise, we find
our home,
where the rhythms of nature, our spirit
have known.
For our green world's a treasure, warth
preserving with care,
A legacy we must protect,
For the future will share. ●





# সভাপতিৰ প্ৰতিবেদন...



নমস্কাৰ,

প্ৰতিবেদনৰ আৰম্ভণিতে আন্তৰিক শ্ৰদ্ধা অৰ্পন কৰিছোঁ সেই বৰণ্য ব্যক্তিসকলক, যিসকল কঠোৰ পৰিশ্ৰম অশেষ ত্যাগৰ বিনিময়ত গঢ়ি উঠিছিল ঐতিহ্যমণ্ডিত মাধৱ চৌধুৰী মহাবিদ্যালয়। লগতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০২৪-২৫ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই সভাপতি পদত জয় হ'বলৈ সক্ষম হৈছিলোঁ। ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক ভোট দি জয়ী কৰোৱা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সভাপতিৰ দায়িত্ব পালন কৰি মই গৌৰৱ অনুভৱ কৰোঁ।

ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে মহাবিদ্যালয়ৰ আলোচনীখনৰ বাবে একলম লিখাটো মোৰ বাবে অতি গৌৰৱ আৰু সন্মানৰ বিষয়।

আমাৰ মহাবিদ্যালয়খন সৃষ্টিশীলতা, উদ্ভাৱন আৰু বৃদ্ধিৰ কেন্দ্ৰবিন্দু আৰু মই ইয়াৰ অংশ হিচাপে গৌৰৱান্বিত। মহাবিদ্যালয় আলোচনীখনৰ সম্পাদকীয় দলটোৱে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা আৰু কৃতিত্ব প্ৰদৰ্শন কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই আলোচনীখনক জীৱন্ত কৰি তোলাৰ বাবে সম্পাদকীয় দলটোক তেওঁলোকৰ কঠোৰ পৰিশ্ৰম নিষ্ঠা আৰু দৃষ্টিভংগীৰ বাবে আন্তৰিকতাৰে ধন্যবাদ জনাইছো।

মহাবিদ্যালয়ৰ এই আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ মনৰ কথা প্ৰকাশ কৰাৰ এক মঞ্চ প্ৰদান কৰি আহিছে।

আলোচনীখনৰ অবিৰত সফলতা কামনা কৰিছোঁ আৰু আলোচনীখনৰ এই সংস্কৰণটোৱে সকলো পাঠকৰ মনত নতুন নতুন ধাৰণাক অনুপ্ৰাণিত অৱগত প্ৰজ্জ্বলন কৰি যাব বুলি আশা কৰিলোঁ।

**শ্বাহিম আহমেদ**
সভাপতি



# উপ-সভাপতিৰ প্ৰতিবেদন

নমস্কাৰ,

প্ৰতিবেদনৰ আৰম্ভণিতে সত্ৰ নগৰী বৰপেটা চহৰৰ ঐতিহ্যমণ্ডিত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ শ্ৰদ্ধাস্পদ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সন্মান জ্ঞাপন কৰিছোঁ।

বিজ্ঞান শাখাৰ প্ৰাণী বিজ্ঞান বিভাগৰ ছাত্ৰী হৈয়ো মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হ'বলৈ পাই মই সঁচাকৈয়ে গৌৰৱ অনুভৱ কৰিছোঁ। মহাবিদ্যালয়ৰ উপ-সভাপতি হিচাপে মোৰ দায়িত্বভাৰ কিমানখিনি সূচাৰুৰূপে পালন কৰিছোঁ সেয়া শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা ছাত্ৰ-ছাত্ৰীসকলৰ বিচাৰ্য্য বিষয়।

পৰম্পৰাগতভাৱে চলি অহা প্ৰতিবছৰে অনুষ্ঠিত হোৱাৰ দৰে মোৰ কাৰ্যকালতো মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয় ৫ ফেব্ৰুৱাৰীৰ পৰা ১১ ফেব্ৰুৱাৰীলৈ।

মহাবিদ্যালয় সপ্তাহৰ 'শ্বহীদ তৰ্পন'ত তৰ্পক হিচাপে উপস্থিত থাকে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড° ধীৰা তালুকদাৰ বাইদেউ।

মোৰ কাৰ্যকালত মোক সকলো দিশত সৎ দিহা পৰামৰ্শ দি কাৰ্যকাল সুচাৰুৰূপে চলাই নিবলৈ সহায় কৰা ছাৰ তথা বাইদেউ সকলোকে শ্ৰদ্ধা আৰু সন্মান আগবঢ়ালোঁ।

মোক বিভিন্ন দিশত সহায় কৰা মোৰ বন্ধুবৰ্গলৈ শুভেচ্ছা আগবঢ়ালোঁ।

সদৌ শেষত এই প্ৰতিবেদনৰ জৰিয়তে অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ আৰু মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি এই প্ৰতিবেদন ইয়াতে সামৰিলোঁ।

।। জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয়।।

**ছানিয়াৰা আহমেদ**
উপ-সভাপতি



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

যাৰ দেশ জাতি, মাটি ভেটি
সি যদি নাজাগে চেতনা লৈ
দেশো জ্বলিব জাতিও জ্বলিব
চিন্তাভস্ম হৈ।

প্ৰতিবেদনৰ আৰম্ভণিতে অসমীয়া জাতীয় জীৱনৰ অস্তিত্ব ৰক্ষা তথা জাতি-মাটি-ভেটিৰ হকে বিভিন্ন সময়ত যিসকলে নিজকে উচৰ্গা কৰি জাতীয় জীৱন ধাৰাৰ লগতে অসমী আইক ধন্য কৰি তুলিলে, সেইসকল মহান শ্বহীদৰ পবিত্ৰ স্মৃতিত একাঁজলি শ্ৰদ্ধাঞ্জলি যাচিলোঁ। লগতে যিসকল মহান ব্যক্তিয়ে আমাৰ এই মহাবিদ্যালয়খন গঢ়ি তুলিলে, সেইসকল নমস্য ব্যক্তিলৈও এই ছেগতে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৩৯ চনত স্থাপিত আমাৰ মৰমৰ মাধৱ চৌধুৰী মহাবিদ্যালয়খন অবিভক্ত অসমৰ ভিতৰত চতুৰ্থখন মহাবিদ্যালয়। সত্ৰ নগৰী তথা দ্বিতীয় বৈকুণ্ঠপুৰীৰূপে খ্যাত বৰপেটা সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ আৰু এই পূণ্যভূমিৰ কেন্দ্ৰত অৱস্থিত মাধৱ চৌধুৰী মহাবিদ্যালয়খনত অনেক জ্ঞান-গৰিমা বিৰাজমান। বৰ্তমান সমাজ-জীৱনত অনেক গণ্য-মান্য ব্যক্তি এই মহাবিদ্যালয়খনৰে সৃষ্টি। কলা-সংস্কৃতি, সাহিত্য, খেল-ধেমালি ইত্যাদি সকলো স্তৰতে পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ আমাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়। ছাত্ৰ হিচাপে মাধৱ চৌধুৰী মহাবিদ্যালয়ত শিক্ষাগ্ৰহণ কৰাৰ হাবিয়াস মোৰ সৰু কালৰ পৰাই আছিল। ২০২৪ বৰ্ষত স্নাতক প্ৰথম ষাণ্মাসিকত ৰাজনীতি বিজ্ঞান বিষয়টো গুৰু বিষয় হিচাপে লৈছিলোঁ। তাৰ লগতে সমাজ-জীৱনৰ লগত জড়িত থাকি ভালপোৱাৰ বাবে এই মহাবিদ্যালয়খনৰ কাৰণেও কাম কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিলোঁ। যাৰ ফলস্বৰূপে ২০২৪-২৫ বৰ্ষৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 'সাধাৰণ সম্পাদকৰ' দৰে এটা শীৰ্ষ স্থানীয় পদত নিৰ্বাচিত হৈছিলোঁ। নাজানো মই মোৰ কাৰ্য-কালৰ বছৰত কিমান দূৰ এজন প্ৰকৃত সাধাৰণ সম্পাদক হিচাপে সফল হৈছোঁ, সেয়া বিচাৰৰ ভাৰ মই আপোনালোকৰ ওচৰত এৰি দিলোঁ। কিন্তু নেদেখাজনৰ আশীৰ্বাদ শিৰত লৈ ছাৰ-বাইদেউসকলৰ পৰা পৰামৰ্শ লৈ যিমানখিনিলৈ পাৰিলোঁ, ছাত্ৰ-ছাত্ৰীৰ হকে কাম কৰিবলৈ চেষ্টা কৰিছোঁ। তাৰ ভিতৰত কেইটামান উল্লেখযোগ্য কাম হ'ল — আমাৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অম্বেশ্বৰ বুঢ়াগোহাঞি সোঁৱৰণী সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন, মহাবিদ্যালয়ত শ্বহীদ দিৱস উদ্‌যাপন, মহাবিদ্যালয়-সপ্তাহ, নৱাগত আদৰণী অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে মহাবিদ্যালয়-সপ্তাহৰ লগত সংগতি ৰাখি সাংস্কৃতিক শোভাযাত্ৰা, মুকলি সভা অনুষ্ঠিত কৰি বিশিষ্ট ব্যক্তিসকলক আমন্ত্ৰণ কৰা হয়। মহাবিদ্যালয়ৰ শৈক্ষিক দিশ উন্নীত কৰিবলৈ প্ৰয়াস কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগ, সমস্যা সমাধানৰ চেষ্টা কৰা হয় আৰু মহাবিদ্যালয়ত খোৱা পানীৰ সু-ব্যৱস্থা কৰা হয়।

মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উদ্যোগত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ শতবাৰ্ষিকী উদ্‌যাপন কৰা হয়।

**আন্তৰিক শলাগ ঃ** সাধাৰণ সম্পাদক হিচাপে মোক নিৰ্বাচন কৰাৰ ক্ষেত্ৰত তথা মোৰ কাৰ্যকালত সহায় কৰা সতীৰ্থসকল ক্ৰমে — ভৃগু, ধৃতিমান, চম্পক, হৰ্ষ, পৰাগ, আশ্ৰাফুল, ৰাজীবুৰ, তালেব, মিলি, কল্যাণীবা, জয়শ্ৰীবা, কৃতিস্মিতাবা, হিমাশ্ৰী, প্ৰিয়াংশু, সুৰজিৎ, সমীৰ, কৃশাংকু, দধিচা, উদ্দীপ্ত নাৰায়ণ, ত্ৰিদিপ, ভৰদ্বাজ প্ৰিন্স, হাফিজ, জয়নাল, ইলিয়াছ, আৰিফ, ববি, চিন্ময়, ৰকিবুল, বৰষা, ইনমামুল, হাবিব, মুচাৰফ, সৃষ্টি, বাস্তৱ, ৰাজদ্বীপ, বিষ্ণু, বিকাশ, সৌৰভ ইত্যাদিকে ধৰি সকলোকে অশেষ ধন্যবাদ জনাইছোঁ।

মহাবিদ্যালয়ৰ প্ৰায়সংখ্যক ছাত্ৰ-ছাত্ৰী, দাদা-বাইদেউ, সহপাঠী, ভাইটি-ভণ্টিয়ে মোক বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে সহায় কৰি গৈছিল, সকলোৰে নাম দিয়াটো সম্ভৱ নহয়, যাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা মাগিছোঁ আৰু মোক ইমান সহায় কৰাৰ বাবে পুনৰবাৰ সকলোকে ধন্যবাদ জনাইছোঁ।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

সাধাৰণ সম্পাদক হিচাপে মোৰ সকলো কাম-কাজত গুৰুত্ব প্ৰদান কৰাৰ উপৰি ব্যক্তিগতভাৱে সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক শ্ৰীযুতা অৰ্চনা দাস বাইদেউক মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

তদুপৰি মোক সকলো সময়তে সহায় কৰা বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজিৎ দেউৰী, মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ আছু গোটৰ সভাপতি প্ৰজ্ঞাশ্ৰী দাস আৰু সাধাৰণ সম্পাদক ৰহিম হুছেইন, বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি লুইত প্ৰবাল দাস, বৰপেটা জিলা ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক উৎপল পাঠক, বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক দেৱাশীষ ওঁজা (দেবা) আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক সীমান্ত দাস আৰু দেৱব্ৰত সাউদ (দেবু দা), অভি দা, বৰপেটা জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য আমিনুল ইছলাম উদ্দিন, মেহবুব দা, জাহাংগীৰ দা, বুলবুল দা, শ্বৰীফুল দা, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিশ্বজিৎ বৰুৱা, শাহানুৰ দা, আদি সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

লগতে বিশেষভাৱে ধন্যবাদ জনালোঁ সদৌ বৰপেটা জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মাননীয় অবিনাশ কুমাৰ দেৱক। তেওঁ মোক যি সহায়-সহযোগ আগবঢ়ালে, তাৰ বাবে মই তেওঁৰ ওচৰত চিৰঋণী।

তদুপৰি ছাত্ৰ একতা সভাৰ সকলো সম্পাদক-সম্পাদিকাৰ ওচৰত মই চিৰকৃতজ্ঞ। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-নিবাস, ছাত্ৰী-নিবাস আৰু বিভিন্ন মেছৰ আবাসীসকললৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰকাশ শৰ্মা ছাৰ আমাৰ আদৰ্শ পুৰুষ। বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত তেখেতে মোক সহায় কৰি গৈছে, পৰামৰ্শ দি গৈছে, যাৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। আশা কৰোঁ তেখেতে আমাৰ মহাবিদ্যালয়খন শৈক্ষিক, সাংস্কৃতিক সকলো স্তৰতে সৰ্বাংগসুন্দৰ, অনন্য তথা অদ্বিতীয় মহাবিদ্যালয়ৰূপে গঢ়ি তুলিব। এই ক্ষেত্ৰত মহাবিদ্যালয়খনৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলি আশা ৰাখিলোঁ। লগতে মোৰ কাৰ্যকালৰ সময়ত বিভিন্ন ক্ষেত্ৰত অজ্ঞাতভাৱে হোৱা দোষ-ত্ৰুটীৰ মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

।। জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয়।।

।। জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

।। জয় আই অসম।।

ধন্যবাদ

**কৃষ্ণ শংকৰ পাঠক**

সাধাৰণ সম্পাদক ২০২৪-২৫ বৰ্ষ



## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ,

বৰপেটাৰ ঐতিহ্যমণ্ডিত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল।

মই ধৃতিমান পাঠক, মাধৱ চৌধুৰী মহাবিদ্যালয় ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক পদৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈ মোৰ দায়িত্ব পালন কৰি আহিছোঁ। আজি মই গৌৰৱেৰে এই প্ৰতিবেদনত বিগত এবছৰত কৰা কাম-কাজ আৰু মহাবিদ্যালয়ৰ সামগ্ৰিক উন্নয়নৰ বাবে কৰা প্ৰচেষ্টাৰ বিষয়ে আলোচনা কৰিব ওলাইছোঁ।

বৰপেটাৰ মাজ মজিয়াত থকা ঐতিহ্যমণ্ডিত মাধৱ চৌধুৰী মহাবিদ্যালয় বৰপেটাৰ এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠান, য'ত শিক্ষাৰ লগতে সাংস্কৃতিক, ক্ৰীড়া আৰু সামাজিক কাম-কাজৰ ওপৰত গুৰুত্ব দিয়া হয়। সহকাৰী সাধাৰণ সম্পাদক হিচাপে মোৰ দায়িত্ব হৈছে সাধাৰণ সম্পাদকৰ সৈতে মিলি কাম কৰা, ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধান কৰা আৰু বিভিন্ন অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়া।

বিগত বছৰত মহাবিদ্যালয়ত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী পালন কৰা হয়। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল আৰু মোৰ দায়িত্বত থকা প্ৰতিযোগিতাসমূহ আছিল কুইজ আৰু ভেশচন প্ৰতিযোগিতা। ভেশচন প্ৰতিযোগিতাখনত ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ ভিতৰত প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল অংকিতা দাসে। কুইজ প্ৰতিযোগীতাখনতো সৰ্বমুঠ ১৬ টা দলে অংশগ্ৰহণ কৰিছিল আৰু প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল বিশাল চৌধুৰী আৰু দীক্ষিতা অধিকাৰীয়ে। ভেশচন প্ৰতিযোগিতাখন চলাই নিয়াত মোক বিশেষভাৱে সহায় কৰিছিল অৰ্চনা দাস বাইদেউ, সুমন ডেকা বাইদেউ আৰু কনচেং বুঢ়াগোহাঞি ছাৰে। তেওঁলোকক মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰতিযোগিতাসমূহত অংশগ্ৰহণৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা প্ৰকাশ পাইছিল। এই অনুষ্ঠানসমূহত স্থানীয় গণ্যমান্য ব্যক্তি কিছুমানক আমন্ত্ৰণ জনোৱা হৈছিল আৰু তেওঁলোকৰ উপস্থিতিয়ে অনুষ্ঠানসমূহৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল।

এই বছৰত মহাবিদ্যালয়ত এখন সদৌ অসম ভিত্তিক তৰ্ক প্ৰতিযোগিতা আয়োজন কৰা হৈছিল য'ত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অন্য বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাখনত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণে তেওঁলোকৰ যুক্তিবাদী চিন্তা ধাৰণা আৰু বক্তৃতাৰ দক্ষতা প্ৰকাশ কৰিছিল।

মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে দায়িত্ব পালন কৰিবলৈ পাই মই যথেষ্ট সুখী অনুভৱ কৰিছোঁ। মই বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছোঁ আমাৰ সন্মানীয় অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাসকল, ছাত্ৰ-ছাত্ৰীসকল আৰু ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যলৈ। লগতে মোৰ এই কাৰ্য্যকালত মোক সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক অৰ্চনা দাস বাইদেউক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে মোৰ বহুত কৰণীয় থাকিলেও সময়ৰ সীমাবদ্ধতাৰ বাবে সৰ্বতোভাৱে সম্পন্ন কৰিব নোৱাৰিলোঁ। তথাপি আগন্তুক দিনবোৰত মহাবিদ্যালয়ৰ এজন ছাত্ৰ হিচাপে সেই কৰণীয়বোৰ সম্পন্ন কৰিবলৈ মোৰ প্ৰচেষ্টা অব্যাহত থাকিব।

শেষত মই আশা কৰোঁ যে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ছাত্ৰ-ছাত্ৰীসকলৰ উন্নতিৰ বাবে আগন্তুক দিনবোৰত অধিক ফলপ্ৰসূ ভূমিকা পালন কৰিব। মই আপোনালোক সকলোকে ধন্যবাদ জনাইছোঁ আৰু আগন্তুক দিনতো আমি একেলগে মিলি মহাবিদ্যালয়ৰ উন্নতিৰ বাবে কাম কৰি যাম বুলি আশা কৰিছোঁ।

**ধৃতিমান পাঠক**
সহঃ সাধাৰণ সম্পাদক
২০২৪-২৫ বৰ্ষ



# সাহিত্য আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

*"জ্ঞানৰ বাগিছাত ফুলি উঠে ফুল,*
*শিক্ষাৰ পোহৰে আঁতৰাই ভুল।*
*মহাবিদ্যালয়ৰ মন প্ৰাণ একে পাতত*
*আলোচনী জাগে হৃদয়ৰ গানত।।"*

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিক ধন্যবাদ জনাইছোঁ, যিসকল মহান ব্যক্তিৰ ত্যাগৰ ফলত সত্ৰ নগৰী বৰপেটাৰ মাজমজিয়াত উচ্চ শিক্ষাৰ বাবে ১৯৩৯ চনৰ ১৪ জুলাইত 'মাধৱ চৌধুৰী মহাবিদ্যালয়' প্ৰতিষ্ঠা হৈছিল। লগতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ বৰ্তমানৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ আৰু সমূহ কৰ্মকৰ্তালৈ মোৰ সেৱা যাচিছোঁ।

সময়ৰ পাকত মই মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ লগত জড়িত হৈ পৰিছিলোঁ। আজি মই যোৱা এবছৰৰ স্মৃতিৰ টোপোলা হাতত তুলি লৈছোঁ। মনত থূপ খাই থকা বহু কথা আপোনালোকৰ আগত ব্যক্ত কৰাৰ সুবিধা পাই মনত এক অনাবিল আনন্দ অনুভৱ কৰিছোঁ।

গণতান্ত্ৰিক পদ্ধতিৰে হোৱা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সাহিত্য আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ আৰু সেইসূত্ৰে মহাবিদ্যালয়খনৰ প্ৰতিবিম্বস্বৰূপ আলোচনীখনৰো সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁ। এনে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ দায়িত্বৰ বাবে নিৰ্বাচিত হোৱাটো মোৰ বাবে নিশ্চয়কৈ সৌভাগ্যৰ কথা। মাধৱ চৌধুৰী মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুত। গতিকে এই মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ দায়িত্ব গধুৰ হোৱাটো স্বাভাৱিক। এজন প্ৰথম ষান্মাসিকৰ ছাত্ৰ হোৱা হেতুকে সম্পাদকীয় কাৰ্য্যকালত মই কিছুমান সমস্যাৰ সন্মুখীন হৈছিলোঁ। কিন্তু তাৰ মাজতে বহু নতুন নতুন কথাও মই শিকিবলৈ সুযোগ লাভ কৰিলোঁ। জীৱনৰ এই সময়ছোৱাৰ পৰা মই যি জ্ঞান অভিজ্ঞতা অৰ্জন কৰিলোঁ, সেয়া মোৰ আমৃত্যু স্মৰণীয় হৈ ৰ'ব।

সম্পাদক হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ কিছুদিন পিছত ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা 'মহাবিদ্যালয়-সপ্তাহ'ৰ জৰিয়তে মোৰ কাৰ্য্যক্ৰমণিকা আৰম্ভ হয়। মোৰ তত্ত্বাৱধানত সুকুমাৰ কলা আৰু সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এইবোৰৰ ভিতৰত থলীতে লিখা কবিতা পাঠ প্ৰতিযোগিতা, থলীতে লিখা নীলা খামৰ

চিঠি প্ৰতিযোগিতা, থলীতে লিখা চুটিগল্প প্ৰতিযোগিতা, থলীতে হোৱা পেঞ্চিল আৰ্ট প্ৰতিযোগিতা, থলীতে লিখা ৰচনা প্ৰতিযোগিতা, থলীতে হোৱা পানী ৰঙৰ ছবি অংকন প্ৰতিযোগিতা, থলীতে হোৱা পোষ্টাৰ মেকিং প্ৰতিযোগিতা, থলীতে হোৱা কাৰ্টুন অংকন প্ৰতিযোগিতা, ফটোগ্ৰাফী প্ৰতিযোগিতা, পেইটিং প্ৰতিযোগিতা আদি। এই সকলো প্ৰতিযোগিতা বিনা অসুবিধাই চলাই নিয়াত মোক সহায় কৰিছিল মোৰ তত্ত্বাৱধায়ক ড° সুমন ডেকা বাইদেউ আৰু ড° গকুল গগৈ ছাৰে। সকলো প্ৰতিযোগিতাৰ বাবে মই বিভিন্ন বিচাৰকক নিমন্ত্ৰণ জনাইছিলোঁ। তেওঁলোকে মোক এই ক্ষেত্ৰত যথেষ্ট সহায় কৰিছে। অৱশ্যে কিছুমান প্ৰতিযোগিতা, যেনে ঃ থিতাতে লিখা কবিতা, ৰচনা, নীলা খামৰ চিঠি আদি প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ অধ্যাপক পৰাগ কুমাৰ ডেকা ছাৰ, সুকুমাৰ কলা অৰ্থাৎ থলীতে আঁকা চিত্ৰ, পোষ্টাৰ মেকিং, ক্লে'মডেলিং আদি প্ৰতিযোগিতাত বিশ্বজিৎ কুমাৰ পাঠক ছাৰ, ইংৰাজী বাতৰি পঠনত ড° ইন্দ্ৰজ্যোতি ৰয়চৌধুৰী ছাৰ আৰু ড° ভাস্কৰজ্যোতি গগৈ ছাৰ, অসমীয়া বাতৰি পঠনত ড° উপাসনা চৌধুৰী বাইদেউ আৰু ড° সমীৰণ কুমাৰ ছাৰ আদি বিচাৰকসকলে যথেষ্ট সহায় কৰিছিল। প্ৰতিটো প্ৰতিযোগিতা সুন্দৰভাৱে পৰিচালনা কৰা সন্মানীয় বিচাৰকসকলক মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। মই তেওঁলোকৰ ওচৰত সদায় ঋণী হৈ থাকিম।

তদুপৰি প্ৰতিবছৰে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগে একোখনকৈ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰে। বাৰেবৰণীয়া বিষয় বস্তুৰে প্ৰকাশ পোৱা তিনিখন শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা প্ৰতিবছৰে বাছনি কৰা হয়। এইক্ষেত্ৰত অভিজিৎ বৰা ছাৰ, গীতিকা মেধি বাইদেউ আৰু চন্দনা পাঠক বাইদেৱে এইবাৰ বিচাৰকৰ পদ অলংকৃত কৰি মোক সহায় কৰিছিল। তেওঁলোককো মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জনাইছোঁ।

বৰ্তমান সামাজিক মাধ্যমৰ যুগত ল'ৰা-ছোৱালীৰ লিখাৰ প্ৰতি বা সাহিত্য চৰ্চাৰ প্ৰতি ধাউতি কমি অহা পৰিলক্ষিত হৈছে। মহাবিদ্যালয় এখনৰ বিকাশত আলোচনী এখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কাৰণ, আলোচনীখনৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লিখন প্ৰতিভাই এক আনুষ্ঠানিক ৰূপ লাভ কৰে। কিন্তু সামাজিক মাধ্যম বা আধুনিকতাৰ প্ৰভাৱত এই ক্ষেত্ৰত কিছু বিৰূপ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰ প্ৰভাৱে আমাৰ মহাবিদ্যালয়কো স্পৰ্শ কৰিছে। ফলত যোৱা কিছু বছৰ ধৰি মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰি উলিওৱাত সাহিত্য সম্পাদকসকল ব্যৰ্থ হৈছে।

মোৰ কাৰ্য্যকালত আলোচনীখন যিকোনো প্ৰকাৰে প্ৰকাশ কৰিম বুলি মানস কৰি থৈছিলোঁ। তাৰ বাবে মই ৰচনা, গল্প, কবিতা, জীৱনীমূলক লেখা, উপন্যাসিকা ইত্যাদি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সংগ্ৰহ কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিলোঁ। অৱশ্যে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দিষ্ট সময় অনুসৰিয়ে তেওঁলোকৰ লেখাবোৰ আমাৰ হাতত জমা দিছিল।

আচলতে সাহিত্য যিদৰে সমাজৰ দাপোণস্বৰূপ, সেইদৰে মহাবিদ্যালয়ৰ আলোচনীখন সেইখন মহাবিদ্যালয়ৰ দাপোণস্বৰূপ; য'ত ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু বৌদ্ধিক চিন্তা প্ৰতিফলিত হয়। মূলতঃ আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য সাধনাৰ প্ৰাথমিক স্থল। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী সুন্দৰ ব্যক্তিত্বৰ অধিকাৰী হোৱাৰ লগতে যথেষ্ট প্ৰতিভাবান। ছাত্ৰ-ছাত্ৰীসকলৰ এনে গুণে মহাবিদ্যালয়খনক অতীতৰে পৰা বিশেষত্ব প্ৰদান কৰি আহিছে। আমি সকলোৱে ইয়াক লৈ গৌৰৱ কৰাৰ লগতে মহাবিদ্যালয়খনৰ বিকাশৰ বাবে হাতে-কামে অগ্ৰসৰ হ'ব লাগিব। ভৱিষ্যতে আমাৰ মৰমৰ প্ৰাণৰ আপোন মহাবিদ্যালয়খন যাতে এইদৰে আগবাঢ়ি যায় তাৰেই কামনা কৰিছোঁ।

**কৃতজ্ঞতা আৰু শলাগৰ শৰাই ঃ**

সাহিত্য-সম্পাদক হিচাপে মোৰ সকলো কাম-কাজত গুৰুত্ব প্ৰদান কৰাৰ উপৰিও ব্যক্তিগতভাৱে সহায়-সহযোগিতা আগবঢ়োৱা আলোচনীখনৰ তত্ত্বাৱধায়ক ড° সুমন ডেকা বাইদেউ আৰু ড° গকুল গগৈ ছাৰক মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। তেওঁলোকে মোক যি সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে

মই তেওঁলোকৰ চিৰঋণী।

ইয়াৰ উপৰি আলোচনীখনৰ গুণগত মান উন্নত কৰাৰ বাবে মোক দিহা-পৰামৰ্শ প্ৰদান কৰা ছাৰ-বাইদেউসকল হ'ল — ড° ইন্দ্ৰজ্যোতি ৰয়চৌধুৰী ছাৰ, অৰ্চনা দাস বাইদেউ, ড° অৰনী কুমাৰ দাস ছাৰ, শৰৎচন্দ্ৰ ভূঞা ছাৰ, ফুলৰাণী গগৈ বাইদেউ, ড° সঞ্জীৱ দেউৰী ছাৰ, প্ৰাণজিত কলিতা ছাৰ— এই চেগতে মই ছাৰ-বাইদেউসকললৈ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদিছোঁ।

ইয়াৰ উপৰি আলোচনীখনৰ বেটুপাত অংকন কৰা বিকাশ দাস দাদাক আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। আলোচনীখন বিভিন্ন লেখাৰে সমৃদ্ধ কৰা প্ৰতিজন লেখক-লেখিকাৰ প্ৰতি মই চিৰকৃতজ্ঞ।

তদুপৰি ছাত্ৰ একতা সভাৰ সকলো সম্পাদক আৰু আলোচনী সম্পাদনা সমিতিৰ ওচৰতে মই কৃতজ্ঞ। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ ছাত্ৰ নিবাস, ছাত্ৰী নিবাস, সদৌ বৰপেটা জিলা ছাত্ৰ সন্থাৰ সন্মানীয় সাধাৰণ সম্পাদক শ্ৰীযুত অবিনাশ কুমাৰ ডাঙৰীয়া, সদৌ বৰপেটা জিলা ছাত্ৰ সন্থাৰ সন্মানীয় বিত্ত সম্পাদক শ্ৰীযুত উৎপল পাঠক, বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীধ্ৰুৱজিত দেউৰী, বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা আমাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰী কৃষ্ণ শংকৰ পাঠক তথা আমিনুল দাৰ আৰু ৰূপলেখা অফ্‌চেট প্ৰেছৰ সমূহ কৰ্মকৰ্তাক আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

লগতে মোৰ বন্ধুবৰ্গ যথাক্ৰমে ঃ ছাবিৰ হুছেইন খান, ত্ৰিদিপ দাদা, সাজামাল বাদশা, হিমাশ্ৰী বৰুৱা, ৰাজিবুল ইছলাম দাদা, ছাইদুৰ আহমেদ দাদা, তনুশ্ৰী শৰ্মা, আলামনি হক দাদা, মালিম দাদা, হাবিবুল ইছলাম, ছালামদ খান দাদা, শৰিফুল ইছলাম দাদা, আজিজুল হক দাদা, গোলাপ দাদা, জহুৰুল ইছলাম দাদা, আকিবুল হুছেইন, আব্দুল মান্নান, ববিদুল ৰহমান, জীয়াৰুল হক, নুৰ হুছেইন আলী, তাহিদুল হুছেইন দাদা, ইয়ামিন আলী, মুজাম্মেল হুছেইন দাদা, ৰকিবুল ইছলাম, আইকুল ইছলাম, শহিদুল ইছলাম, হাবিজ খান দাদা, হাবিযুল হক দাদা, অৰিফ আমিন দাদা, জয়নাল আব্দিন দাদা, ইলিয়াদ দাদা, চিন্ময় নাথ দাদা আদি কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। আলোচনীখনত অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটীৰ বাবে মই ক্ষমাপ্ৰাৰ্থী।

পুনৰবাৰ তত্বাৱধায়ক ড° সুমন ডেকা বাইদেউ আৰু ড° গকুল গগৈ ছাৰলৈ আৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° প্ৰকাশ শৰ্মা ছাৰলৈ সেৱা আৰু শ্ৰদ্ধা যাচিলোঁ। মোৰ কাৰ্যকালত সম্পাদক হিচাপে যদি মই কেতিয়াবা ভুল কৰিছোঁ, তাৰ বাবে মই আপোনালোকৰ ওচৰত প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিছোঁ। শেষত, আলোচনীৰ মাধ্যমেৰে ভৱিষ্যতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভাৰ প্ৰসাৰ হওক, সেই আশাৰে আৰু মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনাৰে প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

।। জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয়।।

।। জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

।। জয় আই অসম।।

**আৰিফ হুছেইন**
সাহিত্য আৰু সুকুমাৰ কলা সম্পাদক
২০২৪-২০২৫ বৰ্ষ



# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জ্ঞান বিজ্ঞানৰ উজ্জ্বল শলিতা
মাধৱ চৌধুৰী কলেজ বৰপেটা

নমস্কাৰ।

মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ঐতিহ্যক লৈ ৰচিত হোৱা উক্ত গীতটোৰ দুটা শাৰী সন্নিবিষ্ট কৰি মই প্ৰতিবেদনৰ পাতনি মেলিছোঁ। সঁচাকৈ মাধৱ চৌধুৰী মহাবিদ্যালয় জ্ঞানৰ এক উজ্জ্বল জ্বলন্ত শলিতা যাৰ পোহৰে আলোকিত কৰি ৰাখিছে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ লগতে সত্ৰনগৰী বৰপেটা তথা অসমৰ শিক্ষাৰ মান।

মানুহৰ মহৎ চিন্তা তথা উদ্দেশ্য একোটাই যে আমাৰ সমাজখনৰ এক সুপৰিবৰ্তন সাধন কৰিব পাৰে এই কথাষাৰৰ উজ্জ্বল নিদৰ্শন হ'ল বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়।

এচাম বৰেণ্য ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত ১৯৩৯ চনৰ ১৪ জুলাইৰ পবিত্ৰ দিনটোত সত্ৰনগৰী বৰপেটাৰ বুকুত জন্ম লাভ কৰে অসমৰ তৃতীয় পুৰণি উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান মাধৱ চৌধুৰী মহাবিদ্যালয়। বৰপেটা তথা অসমৰ বুকুত শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা সেইসকল মহান ব্যক্তি, পৰহিতৈষী মহান পুণ্যাত্মালৈ এই ছেগতে এই প্ৰতিবেদনৰ জৰিয়তে মই মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। তদুপৰি মহাবিদ্যালয়ৰ এই ৮৬ বছৰ কালৰ গৌৰৱোজ্বল ইতিহাসত নিজৰ নিজৰ অমূল্য বৰঙণি আগবঢ়োৱা মহাবিদ্যালয় পৰিয়ালৰ লগত জড়িত প্ৰত্যেকজন ব্যক্তিকে মই মোৰ আন্তৰিক কৃতজ্ঞতা তথা শত-সহস্ৰ প্ৰণাম জনাইছোঁ।

**সাম্প্ৰতিক অৱস্থা আৰু মোৰ অনুভৱঃ** সংস্কৃতি হ'ল এটা জাতিৰ প্ৰাণ। সংস্কৃতি অবিহনে কোনো এটা জাতি বা জনজাতিয়ে নিজৰ অস্তিত্ব বজাই ৰাখিব নোৱাৰে। কিন্তু আজিৰ নৱপ্ৰজন্মই নিজকে আধুনিক জীৱনৰ লগত মিলাবলৈ গৈ নিজৰ কলা-সংস্কৃতিৰ দিশবোৰ পাহৰি গৈছে। সমাজৰ প্ৰত্যেকটো চুকে-কোণে বিয়পি পৰা অপ-সংস্কৃতিসমূহে আজিৰ নৱপ্ৰজন্মক এনেভাৱে গ্ৰাস কৰিছে যে তেঁওলোকে নিজৰ সংস্কৃতিৰ গুৰুত্ব পাহৰি গৈছে। আজিৰ যুৱ-প্ৰজন্মই বৰগীত-লোকগীত গোৱাতকৈ পাশ্চত্য সংগীতসমূহ শুনা তথা গোৱাৰ ক্ষেত্ৰত প্ৰাধান্য দিয়া দেখা যায়।

উদাহৰণস্বৰূপে এটা কথা ক'ব বিচাৰোঁ যে-মহাবিদ্যালয়-সপ্তাহ উপলক্ষে অনুষ্ঠিত কৰা বৰগীত, লোকগীত, সত্ৰীয়া নৃত্য, ভোৰতাল, বিয়ানাম আদি প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ অভাৱত বাতিল কৰিবলগীয়া হয়, কিন্তু সেই একে অনুষ্ঠানৰে সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰা বা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা শিল্পীৰ সংখ্যা যথেষ্ট বেছি। এই পাৰ্থক্য বাৰুকৈয়ে এক চিন্তনীয় বিষয়। আমি বাৰু সঁচাকৈ আমাৰ সংস্কৃতি পাহৰি গৈছোঁ নেকি?

**সাংস্কৃতিক সম্পাদিকা হিচাপে মোৰ কাৰ্যকাল ঃ**

ঐতিহ্যমণ্ডিত মাধব চৌধুৰী মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বহুতো তিতা মিঠা অভিজ্ঞতাৰে আৰু নিৰ্বাচনৰ মাজভাগত পথ দুৰ্ঘটনাত পতিত হোৱা আদিৰ পিছতো মহাবিদ্যালয়ৰ গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ পূৰ্ণ সহযোগিতাত বিপুল ভোটত জয়ী হৈ মই সাংস্কৃতিক সম্পাদিকা পদত নিৰ্বাচিত হৈছিলো। সাংস্কৃতিক সম্পাদিকা হিচাপে মই মোৰ মহাবিদ্যালয়লৈ প্ৰত্যক্ষভাবে সেৱা আগবঢ়াবলৈ পাই নিজকে ধন্য মানিছো। আৰু মোক জয়ী হোৱাৰ ক্ষেত্ৰত সহায়-সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে মই অন্তৰৰ নিভৃত কোণৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰতিবছৰৰ দৰে মোৰ কাৰ্যকালতো উলহ-মালহৰে আৰম্ভ হয় ৮৪ সংখ্যক মহাবিদ্যালয় সপ্তাহ।

মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত সাংস্কৃতিক বিভাগৰ তত্ত্বাবধানত হোৱা প্ৰতিযোগিতাসমূহ হ'ল- লোকগীত, বৰগীত, লোক, বাদ্য, জ্যোতি সংগীত, ৰাভা সংগীত, জয়ন্ত সংগীত, পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত, আধুনিক গীত, ভূপেন্দ্ৰ সংগীত, ঘাত বাদন (Percussion), আঘাত (Non Percussion) বাদন, তাল বাদ্য, স্বৰ বাদ্য, সমবেত সংগীত, ৰবীন্দ্ৰ সংগীত, পৰম্পৰাগত জনজাতীয় সংগীত, শাস্ত্ৰীয় কণ্ঠ সংগীত, লঘু কণ্ঠ সংগীত, অসমীয়া সুগম সংগীত তথা পৰম্পৰাগত সাজপাৰ প্ৰতিযোগিতা আৰু নাটকৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়। দুৰ্ভাগ্যবশতঃ প্ৰতিযোগীৰ অভাৱত কিছুমান প্ৰতিযোগিতা বাতিল কৰিবলগীয়া হৈছিল। যিসকল সন্মানীয় বিচাৰকে বিচাৰ কাৰ্য্য সম্পাদন কৰি প্ৰতিযোগিতাসমূহ সাফল্যমণ্ডিত কৰাত সহায় কৰিলে, তেখেত সকলোকৈকে মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

৮৪ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভ কৰা হৈছিল এখন বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে। গায়ন বায়ন, সত্ৰীয়া নৃত্য, দলীয় হোলীগীত, বিহু নৃত্য, আদি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ পয়োভৰেৰে। ইয়াত মহাবিদ্যালয়ৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰী, ছাৰ-বাইদেউসকলৰ অংশ গ্ৰহণেৰে শোভাযাত্ৰা সফল কৰি তোলাৰ এক প্ৰচেষ্টা কৰিছিলো।

২০২৪-২৫ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ সংগীত প্ৰতিযোগিতাত শ্ৰেষ্ঠ সংগীত শিল্পীৰ বঁটা লাভ কৰে দিসা দাসে আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান লাভ কৰে কৃষ্ণ কলিতাই। দুয়োলৈ মোৰ ফালৰ পৰা এই ছেগতে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ আৰু তেঁওলোকে যাতে এদিন সমগ্ৰ অসমতে পৰিচিতি লাভ কৰি আমাৰ মহাবিদ্যালয়ৰ লগতে বৰপেটালৈ গৌৰৱ কঢ়িয়াই আনে তাৱেই কামনা কৰিছোঁ।

এই ছেগতে মই মোৰ তত্ত্বাবধায়ক অধ্যাপক ড° ৰোমান বৰগোহাঁই ছাৰ, আৰু প্ৰাঞ্জিত কলিতা ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেঁওলোক প্ৰতিখোজত আমাৰ লগত থাকি আমাক সকলো ক্ষেত্ৰতে উৎসাহ-উদ্দীপনা যোগোৱাত সহায় কৰা বাবে মই তেওঁলোকৰ ওচৰত চিৰঋণী।

**মহাবিদ্যালয় কৰ্তৃপক্ষলৈ অনুৰোধ ঃ**

আমাৰ মহাবিদ্যালয় সাংস্কৃতিক দিশটোৰ আন্তঃগাথনি অতিকৈ দুৰ্বল গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰী থকা সত্বেও সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা প্ৰতিযোগীৰ অভাৱত বাতিল কৰিবলগীয়া হোৱাটো অতি লজ্জাজনক বিষয়। ভৱিষ্যতত যদি এনেকুৱা হৈ থাকে তেতিয়াহ'লে এদিন মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগটোৰে নোহোৱা হৈ যাব।

মহাবিদ্যালয়ত এটি সাংস্কৃতিক কোষৰ অতি প্ৰয়োজন লগতে মহাবিদ্যালয়ত সাংস্কৃতিক দিশৰ বাদ্য যন্ত্ৰ, সা-সামগ্ৰী মহাবিদ্যালয়ত মজুত থকাতো অতি প্ৰয়োজন।

সেয়েহে মই মহাবিদ্যালয়ৰ অধ্যক্ষ মহাশয়ক অনুৰোধ কৰোঁ যাতে আমাৰ মহাবিদ্যালয়ত সংগীত বিষয় এক সহঃপাঠ্যক্ৰমৰ ব্যৱস্থা কৰি আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশৰ অচলাবস্থা দূৰ কৰে যেন।

খেল-ধেমালি, কলা-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাৰ মহাবিদ্যালয় কৰ্তৃপক্ষক গুৰুত্ব দিবলৈ অনুৰোধ জনালোঁ। কিয়নো,

আমাৰ প্ৰতিভাৱান, কলা-কুশলী ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়সমূহে অনষ্ঠিত কৰা প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰাৰ মানস কৰিলেও মহাবিদ্যালয় কৰ্তৃপক্ষৰ পৰা অধিক সহযোগিতা তথা সময়ত মহাবিদ্যালয় ভঁৰালৰ পৰা ধন আবন্টন নকৰাৰ বাবে ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰাত বিফলতাৰ সন্মুখীন হৈছে।

**কৃতজ্ঞতা আৰু শলাগৰ শৰাই ঃ**

মোৰ কাৰ্য্যকালত মোক প্ৰতিটো ক্ষেত্ৰতে অভিভাৱক ৰূপে দিহা পৰামৰ্শ দি মোক কৃতাৰ্থ কৰা আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মাননীয় প্ৰকাশ শৰ্মা ছাৰ আৰু ছাত্ৰ একতা সভাৰ তত্ত্বাবধায়িকা অৰ্চনা দাস বাইদেউক মই মোৰ আন্তৰিক কৃতজ্ঞতা তথা শলাগৰ শৰাই আগবঢ়ালোঁ। ইয়াৰোপৰি মোৰ সাংস্কৃতিক বিভাগৰ তত্ত্বাবধায়ক ড° ৰোমান বৰগোহাঁই ছাৰ আৰু প্ৰাণজিৎ কলিতা ছাৰলৈ মই মোৰ আন্তৰিক কৃতজ্ঞাতা আৰু শলাগৰ শৰাই আগবঢ়ালোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অৱতীৰ্ণ হব পাই তথা গৌৰৱ অনুভৱ কৰিছোঁ তদুপৰি মোক নিৰ্বাচনৰ পৰা আৰম্ভ কৰি মোৰ কাৰ্য্যকালৰ শেষলকৈ বিভিন্ন ক্ষেত্ৰত বিভিন্ন ধৰণে সহায় কৰা সদৌ বৰপেটা জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত প্ৰতিজন জ্যেষ্ঠ দাদা বাইদেউ, বিশেষভাৱে মোৰ মা-দেউতা, দাদা তথা মাধৱ চৌধুৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিশ্বজিৎ বৰুৱা, একেলগে মোক আৰম্ভণিৰ পৰা সহায়-সহযোগ কৰা বৰপেটা জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অবিনাশদা, মাঃ চৌঃ মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক সীমান্তদা, উৎপলদা, মাঃ চৌঃ মহাবিদ্যালয়ৰ প্ৰাক্তন সাহিত্য সম্পাদক আমিনুলদা, মাঃ চৌঃ মহাবিদ্যালয়ৰ প্ৰাক্তন সহ-সাধাৰণ সম্পাদক মেহেবুবদা, অভিষেকদা, মাজিবুলদা, মাইদুলদা, ধ্ৰুৱদা, উদ্দীপ্ত নাৰায়ণ, প্ৰজ্ঞাশ্ৰীবা, স্মিতাবা, তুহিনা, অনামিকা, ভৃগুদা, জানমণি, ইমনবা, জুবাবা, পৰাগ (পল), স্মিতা, সৌৰভদা, জয়শ্ৰীবা, সমীৰদা, হিয়া বৰসাবা, পৰিস্মিতাবা, ৰাজীদা, অলকেশদা, বিকাশিস, কৃসাগু, দীপকদা, মিন্টুদা, ৰহিম, ৰাজিবুল, নিজুদা, বিৰাজদা, শ্বাহিদদা, প্ৰয়াত ৰাজুদা, ভুপাঙ্গ, দিক্ষিতা, অনন্যা, বৰসা, দধিচা, নিলপঙ্কি, চন্দ্ৰাক্ষি, প্ৰিয়াণি লগতে ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস আৰু বিভিন্ন মেছত থকা ছাত্ৰ ছাত্ৰীৰ লগতে ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, মোৰ আপোন ৰাজনীতি বিজ্ঞান বিভাগৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ শিক্ষাগুৰুসকল, ছাত্ৰ ছাত্ৰীসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল আদি সকলোকে অন্তৰৰ নিভৃত কোণৰ পৰা কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত বিগত কাৰ্য্যকালত হোৱা অনিচ্ছাকৃত ভুল ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ বুকুত সাহিত্য-সংস্কৃতিৰ এক সুস্থিৰ পৰিবেশ গঢ়ি উঠক তাৰেই কামনাৰে মই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

'নতুনৰ গতি খেদা, ডেকা-গাভৰু আমি
নিৰ্ভীক কুৰি শতিকাৰ
অজ্ঞান চাকনৈয়া এবপীয়া কৰি থৈ
মাৰি যাওঁ জীবনৰ ডাৱ।
জিলিকাব লুইতৰে পাৰ'
জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয়
জয় আই অসম

**হিমাশ্ৰী বৰুৱা**
সাংস্কৃতিক সম্পাদিকা
২০২৪-২৫ বৰ্ষ



# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ,

প্ৰতিবেদনৰ আৰম্ভণিত বৰপেটাৰ ঐতিহাসিক এই মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ যিসকল মহান ব্যক্তিৰ অশেষ যত্ন আৰু প্ৰচেষ্টাৰ ফলত স্থাপিত হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্যে কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০২৪-২৫ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই তৰ্ক বিভাগ পদত বিনা প্ৰতিদ্বন্দিতাৰে জয় হ'বলৈ সক্ষম হৈছিলোঁ। যিসকলে মোক এই পদৰ দ্বাৰা মহাবিদ্যালয়ৰ কিছু সেৱা কৰাৰ সুযোগ প্ৰদান কৰিলে সেইসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ দায়িত্ব পালন কৰি মই গৌৰৱ অনুভৱ কৰোঁ।

বিগত বছৰৰ দৰে মোৰ কাৰ্যকালত 'মহাবিদ্যালয়ৰ সপ্তাহ' অনুষ্ঠিত হৈছিল। এই মহাবিদ্যালয়ৰ সপ্তাহ উপলক্ষে মোৰ দায়িত্বত থকা প্ৰতিযোগিতাকেইখন হ'ল — ১। তৰ্ক প্ৰতিযোগিতা, ২। বক্তৃতা প্ৰতিযোগিতা, ৩। (অসমীয়া আৰু ইংৰাজী) কবিতা আবৃত্তি প্ৰতিযোগিতা। তৰ্ক প্ৰতিযোগিতাত প্ৰায় ৭ জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। সেই প্ৰতিযোগিতাৰ প্ৰথম স্থান লাভ কৰিছিল মজিবুল ইছলাম, দ্বিতীয় স্থান লাভ কৰিছিল ভৃগু বায়ন, তৃতীয় স্থান লাভ কৰিছিল কৃষ্ণা কলিতা। বক্তৃতা প্ৰতিযোগিতাত প্ৰায় ১২ জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল আৰু প্ৰথম পুৰস্কাৰ লাভ কৰিছিল মাজিবুল ইছলাম, দ্বিতীয় পুৰস্কাৰ লাভ কৰিছিল সিমাশ্ৰী বৰ্মন, তৃতীয় পুৰস্কাৰ লাভ কৰিছিল ভৃগু বায়ন। আৰু (অসমীয়া আৰু ইংৰাজী) কবিতা আবৃত্তি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা ক্ৰমে ২৫ জন আৰু ১৭ জন আৰু অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ ভিতৰত অসমীয়া আবৃত্তি প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছিল বিনয় দাস, দ্বিতীয় স্থান অধিকাৰ কৰিছিল ভৃগু বায়ন, তৃতীয় স্থান অধিকাৰ কৰিছিল কৃষ্ণা কলিতা আৰু ইংৰাজী কবিতাৰ প্ৰথম হৈছিল জোনমণি গায়ন, দ্বিতীয় হৈছিল ৰেশ্মিতা দাস, তৃতীয় হৈছিল শুহানা আহমেদ। এই প্ৰতিযোগিতা কেইখন সুকলমে চলাই নিয়াত বিশেষভাৱে অৰ্চনা দাস বাইদেউ, ড° ভতিমা বৰ্মন বাইদেউ, ড° ইন্দ্ৰজ্যোতি ৰায়চৌধুৰী চাৰ আৰু প্ৰকাশ দাস চাৰৰ লগতে মোৰ বন্ধু-বান্ধৱীয়ে বিশেষভাৱে সহায় কৰিছিল।

এইবছৰৰে ৪ মাৰ্চ, ২০২৫ ত এখন সদৌ অসমভিত্তিক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। সেই প্ৰতিযোগিতাত অসমৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগিতাত মুঠ ৫ টা পুৰস্কাৰ দিয়া হৈছিল। দুটা শ্ৰেষ্ঠ দল হিচাপে আৰু তিনিটা শ্ৰেষ্ঠ তাৰ্কিকৰ বাবে। সেই প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিক দল হৈছিল

ক্ৰমে— গুৱাহাটী কমাৰ্চ কলেজৰ দুজনী ছাত্ৰী আৰু কটন ইউনিভাৰচিটিৰ দুজন ছাত্ৰ। শ্ৰেষ্ঠ তাৰ্কিকবোৰ হ'ল — প্ৰথম প্ৰদীপ্তা ৰয়। দ্বিতীয় দিশা গগৈ আৰু তৃতীয় হ'ল দ্বিপশিখা দুৱৰা আৰু মিন্টু ডেকা এই দুগৰাকী।

মোৰ কাৰ্যকালত মোক প্ৰতিটো কামত অভিভাৱকৰূপে দিহা-পৰামৰ্শ দি মোক কৃতাৰ্থ কৰা তৰ্ক বিভাগৰ তত্ত্বাৱধায়িকা ড° ভতিমা বৰ্মন বাইদেউক মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰিও মোক বিভিন্ন দিশত সহায় কৰা ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে যদি কিবা ভুল-ত্ৰুটি হৈছে তাৰ বাবে মই প্ৰতিবেদনৰ জৰিয়তে অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, বন্ধু-বান্ধৱী, ভাইটি-ভন্টি, দাদা-বাইদেউ সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ আৰু লগতে মোৰ প্ৰতিবেদন লিখোতেও যদি কিবা ভুল-ত্ৰুটি হৈছে তাৰ বাবেও মই ক্ষমা খুজিলোঁ। শেষত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু সুস্থ সবল শৈক্ষিক পৰিৱেশৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**মৌচম কাশ্যপ**
তৰ্ক বিভাগৰ সম্পাদক
২০২৪-২৫ বৰ্ষ



# ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ,

প্ৰতিবেদনৰ আৰম্ভণিতে বৰপেটাৰ ঐতিহ্যমণ্ডিত এই মাধৱ চৌধুৰী মহাবিদ্যালয় যিসকল মহান ব্যক্তিৰ অশেষ যত্ন আৰু প্ৰচেষ্টাৰ ফলত স্থাপিত হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০২৪-২৫ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ক্ৰীড়া সম্পাদক পদৰ প্ৰাৰ্থী হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে জয়ী হ'বলৈ সক্ষম হৈছিলোঁ। যিসকলে মোক এই পদৰ দ্বাৰা মহাবিদ্যালয়ৰ কিছু সেৱাৰ সুযোগ প্ৰদান কৰিলে সেইসকলৰ ওপৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া সম্পাদক দায়িত্ব পালন কৰি মই বৰ গৌৰৱ অনুভৱ কৰোঁ।

বিগত কেইবছৰৰ দৰে মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। এই মহাবিদ্যালয় সপ্তাহ উপলক্ষে মোৰ দায়িত্বত থকা দৌৰ প্ৰতিযোগিতা, ডিস্কাছ থ্ৰ', জেভেলিন থ্ৰ', শ্বট পুট থ্ৰ', লং জাম্প, হাই জাম্প খেলবোৰ অনুষ্ঠিত কৰা হৈছিল আৰু লগতে কাবাডী খেলও অনুষ্ঠিত কৰা হৈছিল। ২০২৪-২৫ বৰ্ষৰ ল'ৰাৰ Best Athlte পাবলৈ সক্ষম হৈছিল ইৰফাৰ ইছলামে আৰু ছোৱালীৰ Best Athlte পাবলৈ সক্ষম হৈছিল দেবাংগনা দাসে।

এই প্ৰতিযোগিতাখন সুকলমে চলাই নিয়াত ছাৰ-বাইদেউসকলৰ লগতে মোৰ বন্ধু-বান্ধৱীসকলে মোক আৰম্ভণিৰ পৰা শেষলৈকে সহায় কৰিছিল।

মোৰ কাৰ্যকালত মোক প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি মোক কৃতাৰ্থ কৰা মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ তত্বাৱধায়ক শ্ৰীযুত চম্পক দেউৰী ছাৰ আৰু ধৰিত্ৰী বাইদেউক মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে যদি কিবা ভুল-ক্ৰটি হৈছে তাৰ বাবে মই প্ৰতিবেদনৰ জৰিয়তে অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, বন্ধু-বান্ধৱী সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ আৰু লগতে মোৰ প্ৰতিবেদন লিখোতেও যদি কিবা ভুল-ক্ৰটি হৈছে তাৰ বাবেও মই ক্ষমাপ্ৰাৰ্থী। শেষত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু সুস্থ-সবল শৈক্ষিক পৰিৱেশৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি কৰিলোঁ।

**চম্পক কুমাৰ দাস**
ক্ৰীড়া বিভাগৰ সম্পাদক
২০২৪-২৫ বৰ্ষ



# সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

নমস্কাৰ,

প্ৰতিবেদনৰ আৰম্ভণিতে বৰপেটাৰ ঐতিহ্যমণ্ডিত এই মাধৱ চৌধুৰী মহাবিদ্যালয় যিসকল মহান ব্যক্তিৰ অশেষ যত্ন আৰু প্ৰচেষ্টাৰ ফলত স্থাপিত হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ মানীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক জ্ঞাপন কৰিলোঁ।

২০২৪-২৫ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই সমাজসেৱা পদৰ প্ৰাৰ্থী হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় হ'বলৈ সক্ষম হৈছিলোঁ। যিসকলে মোক এই পদৰ দ্বাৰা মহাবিদ্যালয়ৰ কিছু সেৱা কৰাৰ সুযোগ প্ৰদান কৰিলে সেই সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয় খনৰ ছাত্ৰ একতা সভাৰ সমাজসেৱাৰ দায়িত্ব পালন কৰি মই গৌৰৱ অনুভৱ কৰোঁ।

বিগত কেইবছৰৰ দৰে মোৰ কাৰ্যকালত 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হৈছিল। এই মহাবিদ্যালয় সপ্তাহ উপলক্ষে মোৰ দায়িত্ব থকা প্ৰতিযোগিতাকেইখন হ'ল চাফাই প্ৰতিযোগিতা আৰু বিভাগীয় পৰিচ্ছন্নতা প্ৰতিযোগিতা। চাফাই প্ৰতিযোগিতাত প্ৰায় পাঁচটা দল হৈছিল। প্ৰতিটো দলত পাঁচজন প্ৰতিনিধি আছিল আৰু A দলে শ্ৰেষ্ঠদল হৈছিল। A দলৰ প্ৰতিনিধিসকলে — কাব্যশ্ৰী দাস, কুলদীপ দাস, প্ৰাৰ্থপ্ৰতিম দাস, দিক্ষীতা দাস, কৃষাংগী দাস। বিভাগীয় পৰিচ্ছন্নতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ শিক্ষা বিভাগ, দ্বিতীয় পুৰস্কাৰ ভূগোল বিভাগ আৰু তৃতীয় পুৰষ্কাৰ নৃতত্ত্ব বিভাগে লাভ কৰে। এই প্ৰতিযোগিতাখন চলাই নিয়াত বিশেষভাৱে ড° কনচেং বড়াগোহাঞি ছাৰ, অৰ্চনা দাস বাইদেউ, ড° লুনা গোস্বামী বাইদেউ, ড° সুমন ডেকা বাইদেউৰ লগতে মোৰ বন্ধু-বান্ধৱী সকলে মোক আৰম্ভণিৰ পৰা শেষলৈ সহায় কৰিছিল।

মোৰ কাৰ্যকালত মোক প্ৰতিটো ক্ষেত্ৰত অভিভাৱক ৰূপে দিহা-পৰামৰ্শ দি মোক কৃতাৰ্থ কৰা মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ তত্ত্বাৱধায়িকা ড° লুনা গোস্বামী বাইদেউক মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ইয়াৰ উপৰিও মোক বিভিন্ন দিশত সহায় কৰা ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে যদি কিবা ভুল ত্ৰুটি হৈছে তাৰ বাবে মই প্ৰতিবেদনৰ জৰিয়তে অধ্যক্ষ মহোদয় অধ্যাপক-অধ্যাপিকা, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ আৰু লগতে মোৰ প্ৰতিবেদন লিখোতেও যদি কিবা ভুল-ত্ৰুটি হৈছে, তাৰ বাবেই মই ক্ষমা প্ৰাৰ্থী। শেষত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু সুস্থ সবল শৈক্ষিক পৰিৱেশৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**পৰিস্মীতা দাস**
সমাজ সেৱা বিভাগৰ সম্পাদক
২০২৪-২৫ বৰ্ষ



# ক্ৰিকেট বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ,

প্ৰতিবেদনৰ আৰম্ভণিতে বৰপেটাৰ ঐতিহ্যমণ্ডিত এই মাধৱ চৌধুৰী মহাবিদ্যালয় যিসকল মহান ব্যক্তিৰ অশেষ যত্ন আৰু প্ৰচেষ্টাৰ ফলত স্থাপিত হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক জ্ঞাপন কৰিলোঁ।

২০২৪-২৫ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ক্ৰিকেট সম্পাদকৰ পদৰ প্ৰাৰ্থী হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হ'বলৈ সক্ষম হৈছিলোঁ। যিসকলে মোক এই পদৰ দ্বাৰা মহাবিদ্যালয়ৰ কিছু সেৱা কৰাৰ সুযোগ প্ৰদান কৰিলে সেইসকলৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ ক্ৰিকেট সম্পাদকৰ দায়িত্ব পালন কৰি মই বৰ গৌৰৱ অনুভৱ কৰোঁ।

বিগত কেইবছৰৰ দৰে মোৰ কাৰ্যকালত 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হৈছিল। এই মহাবিদ্যালয় সপ্তাহ উপলক্ষে মোৰ দায়িত্বত থকা প্ৰতিযোগিতাখন হ'ল— ক্ৰিকেট প্ৰতিযোগিতা। ক্ৰিকেট প্ৰতিযোগিতাখনত মুঠ ১৪ টা দলে অংশগ্ৰহণ কৰিছিল। আৰু 'বিষ্ণুপলাশ একাদশে' চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছিল আৰু 'কিংগ্জ একাদশ' দলে ৰানাৰ্ছ আপৰ খিতাপ লাভ কৰে। প্ৰতিযোগিতাখনত 'শ্ৰেষ্ঠ ব্ৰেট্ছমেন' লাভ কৰে 'বিষ্ণুদেৱ দাস' 'শ্ৰেষ্ঠ বলাৰ' লাভ কৰে 'সাগৰপ্ৰীত কাশ্যপে' আৰু প্ৰতিযোগিতাৰ চূড়ান্ত খেলৰ 'শ্ৰেষ্ঠ খেলুৱৈৰ' সন্মান লাভ কৰে 'বেদান্ত ডেকাই'। এই প্ৰতিযোগিতাখন সুকলমে চলাই নিয়াত ছাৰ-বাইদেউ সকলৰ লগতে মোৰ বন্ধু-বান্ধৱীসকলে মোক আৰম্ভণিৰ পৰা শেষলৈকে সহায় কৰিছিল।

মোৰ কাৰ্যকালত মোক প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি মোক কৃতাৰ্থ কৰা মহাবিদ্যালয়ৰ ক্ৰিকেট বিভাগৰ তত্ত্বাৱধয়ক শ্ৰীযুত ড° অৰ্জুন অধিকাৰী ছাৰলৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ইয়াৰ উপৰিও মোক বিভিন্ন দিশত সহায় কৰা ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে যদি কিবা ভুল-ক্ৰটি হৈছে তাৰ বাবে মই প্ৰতিবেদনৰ জৰিয়তে অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, বন্ধু-বান্ধৱী, ভাইটি-ভন্টি সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ আৰু লগতে মোৰ প্ৰতিবেদন লিখোতেও যদি কিবা ভুল-ক্ৰটি হৈছে, তাৰ বাবেও মই ক্ষমা প্ৰাৰ্থী। শেষত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু সুস্থ-সবল শৈক্ষিক পৰিৱেশৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**হৰ্ষদ্বীপ দাস**
ক্ৰিকেট বিভাগৰ সম্পাদক
২০২৪-২৫ বৰ্ষ



# শৰীৰ চৰ্চা সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ,

প্ৰতিবেদনৰ আৰম্ভণিতে বৰপেটাৰ ঐতিহ্যমণ্ডিত এই মাধৱ চৌধুৰী মহাবিদ্যালয় যিসকল মহান ব্যক্তিৰ অন্বেষণ আৰু প্ৰচেষ্টাৰ ফলত স্থাপিত হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপে বৰপেটাত স্থাপিত হোৱা অসমৰ ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰূপে পৰিগণিত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰে শৰীৰ চৰ্চা সম্পাদক পদত অধিষ্ঠিত হৈ মহাবিদ্যালয়খনৰ দায়িত্বভাৰ গ্ৰহণ কৰি মই গৌৰৱ অনুভৱ কৰিছোঁ। মই মোৰ দায়িত্বসমূহ পালন কৰোতে কিমান দূৰ সফল হৈছোঁ সেয়া মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ বিচাৰ্য বিষয়। কিন্তু এই ক্ষেত্ৰত বিশেষকৈ ভূগোল বিভাগৰ সন্মানীয় ড° কনচেং ছাৰক মোৰ অন্তৰৰ পৰা ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত কেইবছৰৰ দৰে মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। এই মহাবিদ্যালয় সপ্তাহ উপলক্ষে মোৰ দায়িত্বত থকা প্ৰতিযোগিতাসমূহ আছিল দেহশ্ৰী প্ৰতিযোগিতা আৰু শক্তি উত্তোলন প্ৰতিযোগিতা। এই প্ৰতিযোগিতাবোৰত অইন বছৰৰ দৰে এইবছৰো প্ৰতিযোগীৰ সংখ্যা সৰহ আৰু যথেষ্ট উৎসাহজনক আছিল। খেলসমূহত বিশেষ পাৰদৰ্শিতা দেখুওৱা ইৰফান ইছলামে মি. এম চি চি সন্মান লাভ কৰে। কপিল দাদায়ে মিষ্টাৰ ষ্ট্ৰং মেন সন্মান লাভ কৰে। মিষ্টাৰ আৰ্মছ ৰেচলিংত জাহাংগিৰ আলম আৰু আৰিক জয় কলিতাই সন্মান লাভ কৰে। শৰীচৰ্চা সম্পাদক হিচাপে এওঁলোকক উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ। মোৰ কাৰ্যকালত সকলো সময়তে সহায় সহযোগিতা আৰু উৎসাহ প্ৰেৰণা দিয়া মোৰ বন্ধু-বান্ধৱীসকল— আমিনুল ইছলাম, ৰাজিবুল ইছলাম, শফিউল ইছলাম, শাসানুৰ ইছলাম, মনিৰ হুছেইন, কালাম ইছলাম, ৰাশিদুল ইছলাম, তাজমিসা আব্দতাৰ, মাছুমা খাতুন, নিলুসা আফতাৰ আৰু লগতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰবাসৰ দাদাসকলক মোৰ হিয়াভৰা ভালপোৱা লগতে অন্তৰৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা আৰু বন্ধু-বান্ধৱী সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ আৰু লগতে মোৰ প্ৰতিবেদন লিখোঁতে যদি কিবা ভুল ত্ৰুটি হৈছে তাৰ বাবেও মই ক্ষমাপ্ৰাৰ্থী। শেষত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদন এইখিনিতেই সামৰণি মাৰিছোঁ।

জয় আই অসম

জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয়

**ৰাকিবুল ইছলাম**
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক
২০২৪-২৫ বৰ্ষ



# ফুটবল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ,

প্ৰতিবেদনৰ আৰম্ভণিতে বৰপেটাৰ ঐতিহ্যমণ্ডিত এই মাধৱ চৌধুৰী মহাবিদ্যালয় যিসকল মহান ব্যক্তিৰ অশেষ যত্ন আৰু প্ৰচেষ্টাৰ ফলত স্থাপিত হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০২৪-২৫ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ ফুটবল সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুবিধা পোৱাৰ বাবে মই গৌৰৱ অনুভৱ কৰিছোঁ আৰু মোৰ তত্বাৱধায়ক ড° নুৰ হুছেইন ছাৰ আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক কৃষ্ণ শংকৰ পাঠকক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। ফুটবল সম্পাদক হিচাপে মই মোৰ দায়িত্বসমূহ কিমান দূৰ পালন কৰিবলৈ সক্ষম হৈছোঁ সেয়া বিচাৰৰ দায়িত্ব অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত এৰি দিলো।

প্ৰতিবছৰৰ দৰে মোৰ কাৰ্যকালতো 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহ উপলক্ষে মোৰ দায়িত্বত থকা প্ৰতিযোগিতাখন হ'ল— ফুটবল প্ৰতিযোগিতা। ফুটবল প্ৰতিযোগিতা চলাই নিয়াত বিশেষভাৱে নুৰ হুছেইন ছাৰে মোক আৰম্ভণিৰ পৰা শেষলৈ সহায় কৰিছিল। প্ৰতিযোগিতাত মুঠ দল ৭ টা আছিল আৰু শ্ৰেষ্ঠ দল বয়জ্ হোষ্টেল হৈছিল আৰু তাৰ ভিতৰত ইলিয়াছ ৰহমান শ্ৰেষ্ঠ খেলুৱৈ হৈছিল। এই সময়ছোৱাত সকলো ছাত্ৰ-ছাত্ৰীয়ে নানা ফূৰ্তি কৰিছিল আৰু মই সেৱা আগবঢ়াব পাই খুবেই সুখী।

মোৰ কাৰ্যকালত মোক প্ৰতিটো ক্ষেত্ৰত অভিভাৱকৰূপে দিহা-পৰামৰ্শ দি মোক কৃতাৰ্থ কৰা মহাবিদ্যালয়ৰ ফুটবল বিভাগৰ তত্বাৱধায়ক মাননীয় ড° নুৰ হুছেইন ছাৰক মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু মাননীয় অধ্যক্ষ ড° প্ৰকাশ শৰ্মা ছাৰক ধন্যবাদ জনালোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা বিচাৰি তথা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু সুস্থ সবল শৈক্ষিক পৰিৱেশৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**ৰবিদুৰ ৰহমান**
ফুটবল বিভাগৰ সম্পাদক
২০২৪-২৫ বৰ্ষ



# ছাত্ৰী জিৰণী কোঠা সম্পাদিকাৰ প্ৰতিবেদন

নমস্কাৰ,

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত ১৯৩৯ চনৰ ১৪ জুলাইৰ সেই পবিত্ৰ দিনত সত্ৰ নগৰী বৰপেটাৰ বুকুত অসমৰ চতুৰ্থখন উচ্চ শিক্ষাৰ অনুষ্ঠান মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ জন্ম হয়, সেই ব্যক্তিসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ "ছাত্ৰী জিৰণী কোঠা"ৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈছিলোঁ। এই মহাবিদ্যালয়ত পঢ়াৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হৈ প্ৰত্যক্ষভাৱে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰি মই গৌৰৱান্বিত। মই মোৰ দায়িত্ব পালনত কিমানদূৰ সফল হৈছোঁ সেয়া বিচাৰৰ ভাৰ মই আপোনালোকৰ ওচৰত এৰি দিলোঁ। কিন্তু মোৰ যোগ্যতা অনুসৰি মোৰ ওপৰত ন্যস্ত কৰা প্ৰতিটো দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ।

মহাবিদ্যালয়-সপ্তাহ উপলক্ষে মোৰ কাৰ্যকালত অনুষ্ঠিত হৈ যোৱা প্ৰতিযোগিতাসমূহ হ'ল— কেৰম, দবা, ৰন্ধন প্ৰণালী, মেহেন্দী, ৰংগোলী, হস্তকলা ইত্যাদি। এই প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি যিসকল ছাত্ৰীয়ে নিজৰ প্ৰতিভা প্ৰকাশ কৰিছিল, তেওঁলোকক এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ।

মোৰ কাৰ্যকালৰ সময়ত মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা ছাত্ৰী জিৰণী কোঠাৰ তত্বাৱধায়ক শ্ৰীযুতা ফুলৰাণী গগৈ বাইদেউক কৃতজ্ঞতাৰ লগতে অশেষ ধন্যবাদ যাচিছোঁ।

মোৰ এই কাৰ্যকালত সকলো প্ৰতিযোগিতা সুচাৰুৰূপে চলাই মোক সকলো দিশতে সহায় কৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীকৃষ্ণ শংকৰ পাঠক (কৃষ্ণ)ক বিশেষভাৱে ধন্যবাদ আৰু হিয়াভৰা মৰম জনালোঁ। লগতে সৃষ্টি, ইমন, স্মিতাক ধন্যবাদ জনাইছোঁ।

শেষত মোৰ কাৰ্যকালত সহায়-সহযোগিতা আগবঢ়াই মোৰ ওপৰত ন্যস্ত দায়িত্বসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰা মহাবিদ্যালয়ৰ দাদা, বাইদেউ, বন্ধু-বান্ধৱী, ভাইটী-ভন্টী প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কাৰ্যকালৰ বিভিন্ন ক্ষেত্ৰত অজ্ঞাতভাৱে হোৱা দোষ ত্ৰুটীৰ মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ।

"জয়তু মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা।"

**মিলি দাস**
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা
২০২৪-২৫ বৰ্ষ



# My Experience as Boys' Common Room Secretary

My self Kishan Jyoti Das, B.Sc 4th Sem student from chemistry Department.
Being the Boys' Common Room Secretary in Madhab Choudhury College Barpeta Students' Union was a great experience. I was responsible for taking care of the common room and making sure it was a good place for students to relax and spend time.

I worked to improve the condition of the room by getting broken things fixed and making small upgrades. I also organised Chess competition, badminton and carrom during the college week of 2024-25 with the help of my incharge sir Dr. Sameeran Kr. Das. In charge sir really helped me during my journey as Boys' Common Room Secretary. It was a hectic, yet fulfilling day during college week, as I, in my role, as the Boys' Common Room Secretary, successfully organized badminton, chess, and carrom competitions, ensuring smooth coordination and active student participation throughout the events.

Throughout this journey, constant guidance and support of our Union In-charge Mrs. Archana Das ma'am has been the biggest strength. Her encouragement, timely advice, and supervision helped me to perform my duties sincerely and overcome challenges with confidence. She not only guided me in administration but also inspired me to develop qualities of patience, responsibility, and cooperation.

As the Boys' Common Room Secretary, I feel proud to be a part of this college. Our institution is not only a center of academic excellence but also a place that nurtures discipline, leadership, and overall personality development. The college provides us with opportunities to take responsibility and contribute to student life through various roles and activities.

This role helped me to learn how to work with others, share ideas, and take responsibility. I had to talk with both students and teachers to solve problems and make things better. It also gave me confidence and helped me to grow as a person.

Overall, it was a fun and learning-filled journey, and I'm proud to have played a part in improving student life on campus.

Serving as the Boys' Common Room Secretary during the 2024-25
session was a truly enriching experience, filled with leadership, teamwork, and the joy of creating a vibrant space where students could connect, relax, and grow beyond academics.

Regards
**Kishan Jyoti Das**
Boys' common room secretary
2024-25

**১৯৫০-৫১ চনৰ পৰা ২০২৪-২৫ চনলৈ**

# মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ আলোচনী সম্পাদকসকল

১৯৫০-৫১ ঃ ভূপেন্দ্ৰ কুমাৰ বৰ্মা
১৯৫১-৫২ ঃ ভূপেন্দ্ৰ কুমাৰ বৰ্মা, গুৱাহাটী
১৯৫২-৫৩ ঃ ৰত্নকান্ত দাস, গজিয়া
১৯৫৩-৫৪ ঃ
১৯৫৪-৫৫ ঃ ৰমেশ দাস, গজিয়া ৰোড্
১৯৫৫-৫৬ ঃ
১৯৫৬-৫৭ ঃ বীৰেণ শৰ্মা, বহৰি
১৯৫৭-৫৮ ঃ ৰমেন্দ্ৰ নাথ দাস, গান্ধীনগৰ
১৯৫৮-৫৯ ঃ দামোদৰ দাস, এক নং গলিয়াহাটী
১৯৫৯-৬০ ঃ সুশীল কুমাৰ দাস, মেটুৰাকুছি (বি.বি.ৰোড্)
১৯৬০-৬১ ঃ গুৰুকৃষ্ণ গোস্বামী, পাটবাউসী
১৯৬১-৬২ ঃ মুৰাৰী মোহন শইকীয়া, সুন্দৰীদিয়া
১৯৬২-৬৩ ঃ মুনীন্দ্ৰ চৌধুৰী, গান্ধীনগৰ
১৯৬৩-৬৪ ঃ মঃ আমান উল্লা, মুছলিমপট্টি
১৯৬৪-৬৫ ঃ ফণী দাস, সুন্দৰীদিয়া
১৯৬৫-৬৬ ঃ ব্ৰজেন তালুকদাৰ, চেঙা
১৯৬৬-৬৭ ঃ মনোৰঞ্জন গায়ন, গায়নহাটী
১৯৬৭-৬৮ ঃ ভগৱান দাস, সৰভোগ
১৯৬৮-৬৯ ঃ দেৱান মৰতুজ আলী, হাউলী
১৯৬৯-৭০ ঃ অমৰেন্দ্ৰ দাস, মেটুৰাকুছি (বি.বি.ৰোড্)
১৯৭০-৭১ ঃ দিনেশ দাস, পাটবাউসী
১৯৭১-৭২ ঃ শচীন্দ্ৰ নাথ দাস, নহাটী
১৯৭২-৭৩ ঃ কৃষ্ণকান্ত তালুকদাৰ, নহাটী
১৯৭৩-৭৪ ঃ দেৱৰাজ ডেকা, গণককুছি
১৯৭৪-৭৫ ঃ কমলাকান্ত দাস, জনীয়া ৰোড্
১৯৭৫-৭৬ ঃ প্ৰাণজিৎ কুমাৰ দাস, মেটুৰাকুছি
১৯৭৬-৭৭ ঃ কনকলাল ঠাকুৰীয়া, সৰ্থেবাৰী
১৯৭৭-৭৮ ঃ ব্ৰজেন দাস, এক নং গলিয়াহাটী
১৯৭৮-৭৯ ঃ চিত্তৰঞ্জন দাস, এক নং গলিয়াহাটী
১৯৭৯-৮০ ঃ ছাত্ৰ একতা সভা গঠিত নহ'ল
১৯৮০-৮১ ঃ জগৎ ডেকা, ৰংপুৰহাটী
১৯৮১-৮২ ঃ শুভজ্যোতি দাস, আমোলাপট্টি
১৯৮২-৮৩ ঃ ছাত্ৰ একতা সভা গঠিত নহ'ল
১৯৮৩-৮৪ ঃ বিনোদ বিহাৰী দাস, মেটুৰাকুছি
১৯৮৪-৮৫ ঃ ৰাতুল চন্দ্ৰ ভৰালী, ওদালগুৰি
১৯৮৫-৮৬ ঃ ফুকন চন্দ্ৰ ভৰালী, কুমাৰহাটী
১৯৮৬-৮৭ ঃ প্ৰশান্ত দাস, মাজৰহাটী
১৯৮৭-৮৮ ঃ গুণীন্দ্ৰ দাস, এক নং গলিয়াহাটী
১৯৮৯ ঃ জ্যোতিকেশ দাস, গজিয়া ৰোড্
১৯৯০ ঃ বিবেকানন্দ পাঠক, ৰংপুৰহাটী
১৯৯১ ঃ প্ৰশান্ত কুমাৰ দাস, গজিয়া ৰোড্
১৯৯২ ঃ অলকেশ কাকতি, গজিয়া ৰোড্
১৯৯৩ ঃ মনোজ কুমাৰ দাস, দক্ষিণহাটী
১৯৯৪ ঃ ৰাজেশ কাকতি, গান্ধীনগৰ
১৯৯৫ ঃ হৃষীকেশ দাস, গজিয়া ৰোড্
১৯৯৬ ঃ প্ৰাণজিৎ কুমাৰ ওজা, পূব-পালাংদিহাটী

১৯৯৭ ঃ সুভাষ দাস, দক্ষিণহাটী
১৯৯৮ ঃ অলকেশ বৰুৱা, মেটুৰাকুছি
১৯৯৯ ঃ হৰকুমাৰ শৰ্মা, ৰংপুৰহাটী
২০০০ ঃ ৰাহুল ওজা, মেটুৰাকুছি (শান্তিনগৰ)
২০০১ ঃ সৌৰভ ৰঞ্জন দাস, পালাংদিহাটী
২০০২ ঃ সম্পাদনা সমিতি
২০০৩ ঃ ভৃগুজিৎ চৌধুৰী, বিলৰতাৰিহাটী
২০০৪ ঃ মৃণালজ্যোতি দাস, দুই নং গলিয়াহাটী
২০০৫ ঃ তন্ময় বৈশ্য, জে. আৰ. পি. লেন, পালাংদিহাটী
২০০৬ ঃ উপকুল দাস, দঙৰকুছি
২০০৭ ঃ প্ৰাঞ্জল দাস, বামুণ বাৰাদি
২০০৮ ঃ ৰফিকুল ইছলাম, দঙৰকুছি
২০০৯ ঃ বেদান্ত কুমাৰ দাস, বিলৰতাৰিহাটী
২০১০ ঃ ভৃগু কুমাৰ বায়ন, জনিয়া ৰোড্
২০১১ ঃ প্ৰাঞ্জল দাস, মধ্য পালাংদিহাটী
২০১২ ঃ ভৃগুমণি দাস, এক নং গলিয়াহাটী
২০১৩ ঃ নিৰ্ণয় দাস, পালাংদিহাটী
২০১৪ ঃ নয়নজ্যোতি দাস, এক নং গলিয়াহাটী
২০১৫ ঃ মিতালী দাস, পাটবাউসী শংকৰদেৱ থান
ৰাজদ্বীপন দাস, মধ্য পালাংদিহাটী
২০১৬ ঃ কুলদীপ দাস, গান্ধীনগৰ, বৰপেটা
২০১৭ ঃ মানৱজ্যোতি দাস, দুই নং দক্ষিণহাটী, বৰপেটা
২০১৮ ঃ ৰাহুল ঠাকুৰ, সনকুছি বালাপাৰা, ১৫ নং ৱাৰ্ড
২০১৯ ঃ আমিনুল ইছলাম উদ্দিন, মাজৰগাঁও, পাটবাউসী
২০১৯-২০ ঃ আব্দুল মালেক আহমেদ
২০২০-২১ ঃ
২০২১-২২ ঃ
২০২২-২৩ ঃ অংকিতা চক্ৰৱৰ্তী
২০২৩-২৪ ঃ আশ্ৰাফুল দেৱান, পালহাজী
২০২৪-২৫ ঃ আৰিফ হুছেইন, ছাপাৰ বুড়ি